ASM-4056

গুৱাহাটী বিশ্ববিদ্যালয়

**Gauhati University**

দূৰ আৰু অন্‌লাইন শিক্ষা কেন্দ্ৰ

**Centre for Distance and Online Education**

অসমীয়া স্নাতকোত্তৰ পাঠ্যক্ৰম

# M.A. in Assamese

**(Under CBCS)**

চতুৰ্থ ষাণ্মাসিক

**Semester- IV**

পাঠ্যবিষয় ঃ **ASM-4056**

# ভাৰতীয় আৰ্যভাষাসমূহৰ তুলনামূলক অধ্যয়ন

**COMPARATIVE STUDIES OF INDO-ARYAN LANGUAGES**

## SLM Development Team:

**Head**, Department of Assamese, Gauhati University
**Programme Coordinator**, MA in Assamese, GUCDOE
**Dr. Apurba Kr. Deka**, Assistant Professor, GUCDOE
**Mr. Dalim Ch. Das**, Assistant Professor, GUCDOE

## Course Coordination:

| | |
|---|---|
| **Dr. Debahari Talukdar** | Director, GUCDOE |
| **Prof. Taranee Deka** | Programme Coordinator, GUCDOE<br>Dept. of Assamese, Gauhati University |
| **Dr. Apurba Kr. Deka** | Asstt. Prof., GUCDOE |
| **Mr. Dipankar Saikia** | Editor, SLM, GUCDOE |

## Author/Re-write/Modification:

**Dr. Apurba Kr. Deka**
**Assistant Professor, GUCDOE**

## Content Editor:

| | |
|---|---|
| **Prof. Mukul Chakravarty** | Rtd. Professor<br>Department of MIL&LS<br>Gauhati University |

## Typesetting & Cover Designing:

| | |
|---|---|
| **Bhaskar Jyoti Goswami** | GUCDOE |
| **Nishanta Das** | GUCDOE |

**N.B. : Original authors of the modified & re-writed units:**

Prof. Nagen Thakur, Prof. Lilabati Saikia Bora, Prof. Dipti Phukan Patgiri, Prof. Bibha Bharali, Dr. Maniram Kalita and Dr. Snigdha Mahanta. These units are adopted from Previous SLM of GUCDOE.

**ISBN: 978-81-986642-1-1**

**June, 2025**

© Copyright by GUCDOE, All rights reserved. No part of this work may be reproduced, stored in a retrieval system, or transmitted, in any form or by any means, electronic, mechanical, photocopying, or otherwise.
Published on behalf of Gauhati University Centre for Distance and Online Education by the Director, and printed at Gauhati University Press, Guwahati-781014.

# বিষয়সূচী (Contents)


| প্ৰথম খণ্ড ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় আৰু ধ্বনিতত্ত্ব | | ০৪-১২৯ |
|---|---|---|
| প্ৰথম বিভাগ | ঃ ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় | |
| দ্বিতীয় বিভাগ | ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় | |
| তৃতীয় বিভাগ | ঃ পালি ভাষা | |
| চতুৰ্থ বিভাগ | ঃ প্ৰাকৃত ভাষা | |
| পঞ্চম বিভাগ | ঃ অপভ্ৰংশ ভাষা | |
| ষষ্ঠ বিভাগ | ঃ মধ্য ভাৰতীয় আৰ্য ভাষাৰ ধ্বনি | |
| সপ্তম বিভাগ | ঃ সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ সন্ধি বিচাৰ | |

| দ্বিতীয় খণ্ড ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ ৰূপতত্ত্ব | | ১৩০-১৮২ |
|---|---|---|
| প্ৰথম বিভাগ | ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ বচন, লিংগ আৰু কাৰক | |
| দ্বিতীয় বিভাগ | ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ শব্দৰূপ | |
| তৃতীয় বিভাগ | ঃ সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ মুখ্য ধাতুৰ ৰূপ | |
| চতুৰ্থ বিভাগ | ঃ সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ গৌণ ধাতুৰূপ | |

| তৃতীয় খণ্ড ঃ নৱভাৰতীয় আৰ্যভাষা আৰু মগধীয় ভাষাৰ ধ্বনিতত্ত্ব | | ১৮৩-২৪০ |
|---|---|---|
| প্ৰথম বিভাগ | ঃ নব্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় | |
| দ্বিতীয় বিভাগ | ঃ মগধীয় ভাষাসমূহৰ উদ্ভৱ আৰু সাধাৰণ বৈশিষ্ট্য | |
| তৃতীয় বিভাগ | ঃ মগধীয় ভাষাসমূহৰ পৰিচয় আৰু ভাষাগত বৈশিষ্ট্য | |
| চতুৰ্থ বিভাগ | ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বিশিষ্ট স্বৰ | |
| পঞ্চম বিভাগ | ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনি | |

| চতুৰ্থ খণ্ড ঃ মগধীয় ভাষাৰ ধ্বনিতত্ত্ব | | ২৪১-৩০১ |
|---|---|---|
| প্ৰথম বিভাগ | ঃ অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ ৰূপতত্ত্বঃ সৰ্বনাম, বিশেষণ, বচন আৰু লিংগ | |
| দ্বিতীয় বিভাগ | ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্ব ঃ কাৰক আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয় | |
| তৃতীয় বিভাগ | ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্ব ঃ ক্ৰিয়াপদ | |
| চতুৰ্থ বিভাগ | ঃ মগধীয় ভাষাসমূহৰ পাৰস্পৰিক সম্পৰ্ক বিচাৰ | |

## প্ৰথম খণ্ড ঃ
## মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় আৰু ধ্বনিতত্ত্ব


| | | |
|---|---|---|
| প্ৰথম বিভাগ | ঃ | ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় |
| দ্বিতীয় বিভাগ | ঃ | মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয় |
| তৃতীয় বিভাগ | ঃ | পালি ভাষা |
| চতুৰ্থ বিভাগ | ঃ | প্ৰাকৃত ভাষা |
| পঞ্চম বিভাগ | ঃ | অপভ্ৰংশ ভাষা |
| ষষ্ঠ বিভাগ | ঃ | মধ্য ভাৰতীয় আৰ্য ভাষাৰ ধ্বনি |
| সপ্তম বিভাগ | ঃ | সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ সন্ধি বিচাৰ |

## প্ৰথম বিভাগ
## ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয়

**বিভাগৰ গঠনঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ
১.৪ ভাৰতীয় আৰ্যভাষাৰ স্তৰ বিভাজন
১.৫ ভাৰতীয় আৰ্যভাষাৰ বৈশিষ্ট্য
১.৫.১ প্ৰাচীন ভাৰতীয় আৰ্য ভাষা
১.৫.২ মধ্যভাৰতীয় আৰ্য ভাষা
১.৫.৩ নব্যভাৰতীয় আৰ্য ভাষা
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

ভাৰতীয় আৰ্যভাষা পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ভাৰত ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত এক সমৃদ্ধ ভাষা। ১৮৭০ চনত এছক'লি নামৰ এগৰাকী পণ্ডিতে ভাৰত ইউৰোপীয় পৰিয়ালৰ ভাষাত থকা তালব্য 'ক' ধ্বনিটোৰ দুই ধৰণৰ বিকাশলৈ লক্ষ্য কৰি এই পৰিয়ালৰ ভাষাবোৰক ভৌগোলিকভাবে দুই ভাগত ভগাইছিল। পূব অঞ্চলৰ ভাষাবোৰত তালব্য-ক ধ্বনিটো উষ্ম ধ্বনিলৈ ৰূপান্তৰিত হৈছিল, সেই কাৰণে এই অঞ্চলৰ ভাষাবোৰক 'সতম্' শাখাৰ অন্তৰ্ভুক্ত কৰা হৈছিল। আনহাতে পশ্চিম অঞ্চলৰ ভাষাবোৰত তালব্য-ক ধ্বনিটো কণ্ঠ্য ধ্বনিলৈ (velar sound) ৰূপান্তৰ হোৱাৰ কাৰণে এই অঞ্চলৰ ভাষাবোৰক 'কেণ্টুম' শাখাৰ ভিতৰত ধৰা হৈছিল। ভাৰতীয় আৰ্যভাষা সতম্ শাখাৰ ভাৰত-ইৰাণীয় উপশাখাৰ অন্তৰ্গত। এটা সময়ত ভাৰত-ইৰাণীয় উপশাখাটো দুটা স্বতন্ত্ৰ শাখাত বিভক্ত হ'ল— ইৰাণীয় আৰু ভাৰতীয়। এই দুয়োটা শাখাৰ মাজতে পৰে দৰ্দীয় শাখাৰ ভাষাবোৰ। ভাৰতৰ উত্তৰ-পশ্চিম সীমান্ত আৰু পামিৰ মালভূমিত প্ৰচলিত এই দৰ্দীয় শাখাৰ অন্যতম ভাষা হ'ল কাশ্মিৰী।

প্ৰাচীন পাৰস্য বা আধুনিক ইৰাক-ইৰাণত বসতি স্থাপন কৰা ভাৰত-ইৰাণীয় উপশাখাৰ ভালে সংখ্যক লোকে একাধিক দল বা ফৈদত বিভক্ত হৈ উত্তৰ-পশ্চিম গিৰি পথেদি খৃঃ পূঃ ১৫০০ শতিকামানত ভাৰতবৰ্ষত প্ৰবেশ কৰিছিল। ভাৰতলৈ অহা আৰ্য শাখাৰ এই লোকসকলে ভাৰতীয় আৰ্য বুলি অভিহিত কৰা হয় আৰু তেওঁলোকৰ ভাষাটোক ভাৰতীয় আৰ্য বুলি অভিহিত কৰা হয়। এই ভাৰতীয় আৰ্যভাষাই খৃঃ পূঃ

১৫০০ শতিকামানৰ পৰা বৰ্তমান পৰ্যন্ত বিভিন্ন স্তৰত বিভিন্ন পৰিবৰ্তন লাভ কৰি ভাৰতৰ বিভিন্ন অঞ্চলত বিভিন্ন আৰ্য ভাষাৰ জন্ম দিছে।

এই বিভাগত ভাৰতীয় আৰ্য ভাষাৰ উদ্ভৱ, ইয়াৰ স্তৰ বিভাজন আৰু প্ৰতিটো স্তৰৰ ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰৰ বিষয়ে আলোচনা কৰা হ'ব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি—

- ভাৰতীয় আৰ্যভাষা ক'ৰপৰা কেতিয়া উদ্ভৱ হ'ল সেই বিষয়ে জানিব পাৰিব;
- কি কি স্তৰৰ মাজেৰে আহি এই ভাষাই আধুনিক ৰূপ ললে সেই বিষয়ে অৱগত হ'ব পাৰিব;
- প্ৰতিটো স্তৰৰ ভাষাগত বিশেষত্ববোৰনো কি কি সেই বিষয়ে জানিব পাৰিব;
- ভাৰতীয় আৰ্যভাষাৰ সুদীৰ্ঘ ইতিহাস জনাত বিশেষভাবে সহায় লাভ কৰিব।

## ১.৩ ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ

ভাৰত-ইউৰোপীয় ভাষা পৰিয়ালেই ভাৰতীয় আৰ্যভাষাৰ মূল উৎস। এই ভাষা পৰিয়ালৰ সতম্ শাখাৰ অন্তৰ্গত ভাৰত-ইৰাণীয় উপশাখাৰ পৰাই ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ হয়। ভাৰত-ইৰাণীয় শাখাৰ ভাষা-ভাষীসকলে নিজকে আৰ্য বুলি গৌৰৱ বোধ কৰিছিল আৰু সেই কাৰণেই এই উপশাখাটোক আৰ্য বুলিও কোৱা হৈছিল। খৃঃ পূঃ প্ৰায় দ্বিতীয় সহস্ৰাব্দমানত ভাৰত-ইৰাণীয় শাখাটো দুটা ভাগত বিভক্ত হয়- ভাৰতীয় আৰ্য (Indo-Aryan) আৰু ইৰাণীয় (Iranian)। এই দুই শাখাৰ মাজত পৰে দৰ্দীয় শাখাৰ ভাষাবোৰ। ভাৰত-ইৰাণীয় ভাষা কোৱা লোকসকলে প্ৰাচীন পাৰস্য বা আধুনিক ইৰাক-ইৰাণত বসতি কৰিছিল। বিভিন্ন কাৰণত এই ভাষাভাষী লোকসকলৰ কিছু সংখ্যকে বিভিন্ন দলত বিভক্ত হৈ আনুমানিক খৃঃ পূঃ ১৫০০ শতিকামানত ভাৰতবৰ্ষত প্ৰবেশ কৰে। দুই-এক পণ্ডিতৰ মতে- তাৰো আগতে অৰ্থাৎ আনুমানিক খৃঃ পূঃ ১৭৫০ শতিকামানতে আৰ্যসকলে পোন প্ৰথমে ভাৰতলৈ আহিছিল। কিন্তু বৈদিক সাহিত্য-সংস্কৃতিৰ লগত জড়িত আৰ্যসকল সম্ভৱত: আৰ্যাভিযানৰ দ্বিতীয় বা তৃতীয় দলৰ অন্তৰ্গত আৰু তেওঁলোকৰ সময়েই আনুমানিক খৃঃ পূঃ ১৫০০ শতিকা। সম্ভৱতঃ এইটোৱেই ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰো সময়।

ভৌগোলিক অৱস্থান আৰু ভাষাগত মিল-অমিলৰ ভিত্তিত ভাৰত-ইৰাণীয় ভাষাবোৰক এনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি —




এইদৰে ভাৰতীয় আৰ্য আৰু ইৰাণীয় ভাষা একেটা ভাৰত-ইৰাণীয় শাখাৰ অন্তৰ্ভুক্ত হোৱাৰ বাবে দুয়োটা ভাষাৰ মাজত ভাষাগত আৰু সংস্কৃতিগত ভালেখিনি সাদৃশ্য আছে। বিশেষকৈ ভাৰতীয় আৰ্য আৰু ইৰাণৰ উত্তৰ অঞ্চলৰ ভাষা আবেস্তাৰ মাজত ধ্বনিগত, ৰূপগত, শব্দগত আৰু ছন্দৰ ক্ষেত্ৰত ভালেখিনি সাদৃশ্য আছে।

## ১.৪ ভাৰতীয় আৰ্যভাষাৰ স্তৰ বিভাজন

ভাৰতীয় আৰ্যভাষাৰ ইতিহাস আৰম্ভ হয় ভাৰতবৰ্ষত আৰ্য ভাষা প্ৰচলন হোৱাৰ লগে লগে ভাৰতীয় আৰ্য ভাষাৰ প্ৰচলন আৰু এই ভাষাৰ সৰ্ব প্ৰাচীন লিখিত নিদৰ্শন ঋক্‌বেদ ৰচনাৰ মাজত সময়ৰ ভালেখিনি ব্যৱধান।

ভাৰতলৈ আৰ্যসকলৰ আগমনৰ সময় ধৰা হয় আনুমানিক খৃঃ পূঃ ১৫০০ শতিকা। আনহাতে ঋক্‌বেদ ৰচিত হয় আনুমানিক খৃঃ পূঃ ১২০০ শতিকাত। ঋক্‌বেদ ৰচনাৰ সময়ৰপৰা ভাৰতীয় আৰ্য সণ্চালনিকৈ সাহিত্য সৃষ্টি হ'বলৈ ধৰে। গতিকে আৰ্যসকলে খ্ৰীষ্টপূৰ্ব পঞ্চদশ শতিকাতে ভাৰতবৰ্ষলৈ আহিল যদিও তেওঁলোকৰ ভাষাৰ ইতিহাস আৰম্ভ হয় ঋক্‌বেদৰ সময়ৰপৰাহে। এই সময়ৰপৰা অৰ্থাৎ খ্ৰীষ্টপূৰ্ব দ্বাদশ শতিকাৰ পৰা বৰ্তমানলৈ এই সুদীৰ্ঘ তিনি হেজাৰ দুশ বছৰৰ ভিতৰত ভাৰতীয় আৰ্যভাষাৰ ক্ৰম বিকাশৰ যি ইতিহাস, সেই ইতিহাসৰ পৰিবৰ্তনৰ গতি প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি প্ৰধানত —

১. প্ৰাচীন ভাৰতীয় আৰ্যভাষা (Old Indo-Aryan Language)
২. মধ্য ভাৰতীয় আৰ্যভাষা (Middle Indo-Aryan Language)
৩. নব্য ভাৰতীয় আৰ্যভাষা (Neo Indo-Aryan Language)

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সময় সীমা খ্ৰীষ্টপূৰ্ব দ্বাদশ শতিকাৰপৰা খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকালৈকে নিৰূপন কৰা হৈছে। এই যুগৰ ভাষাৰ প্ৰতিনিধিত্ব কৰে বেদ-ব্ৰাহ্মণ-উপনিষদৰ ভাষা বা বৈদিক ভাষাই আৰু কাব্য মহাকাব্য পুৰাণ আদিৰ ভাষা বা ধ্ৰুপদী সংস্কৃত ভাষাই।

মধ্য ভাৰতীয় আৰ্য ভাষাৰ সময় ধৰা হৈছে খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰপৰা খ্ৰীষ্টীয় দশম শতিকালৈ। বিবিধ প্ৰত্নলেখ, পালি ভাষা, বৌদ্ধ সংস্কৃত, গান্ধাৰী প্ৰাকৃত, বিবিধ সাহিত্যিক প্ৰাকৃত আৰু অপভ্ৰংশ- অৱহট্‌ঠ ভাষাই এই যুগৰ ভাষাৰ নিদৰ্শন দাঙি ধৰে।

নব্য ভাৰতীয় আৰ্য ভাষাৰ সময় নিৰ্দ্ধাৰণ কৰা হৈছে- খ্ৰীষ্টীয় দশম শতিকামানৰপৰা বৰ্তমানলৈকে। অসমীয়া, বাংলা, ওড়িআ, হিন্দী, মাৰাঠী, পাঞ্জাবী আদি আধুনিক ভাষাসমূহে এই যুগটোৰ ভাষাৰ প্ৰতিনিধিত্ব কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ভাৰতীয় আৰ্য ভাষা পৃথিৱীৰ কোনটো ভাষা পৰিয়ালৰ কোনটো শাখাৰ পৰা কেতিয়া উদ্ভৱ হৈছে? ( ৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক )

......................................................................................................

......................................................................................................

......................................................................................................

## ১.৫ ভাৰতীয় আৰ্যভাষাৰ বৈশিষ্ট্য

ভাৰতীয় আৰ্য ভাষাৰ প্ৰতিটো স্তৰ বা যুগৰে ভাষাগত নিজস্ব বৈশিষ্ট্য আছে আৰু সেই বৈশিষ্ট্যবোৰেই ইটো যুগক সিটো যুগৰপৰা পৃথক কৰিছে। ভাষা পৰিবৰ্তনশীল। সি সদায় জটিলতাৰ পৰা সৰলতৰ স্তৰলৈ গতি কৰে। ভাৰতীয় আৰ্য ভাষাৰ বিকাশৰ স্তৰ কেইটাৰ ভাষাগত বৈশিষ্ট্যলৈ লক্ষ্য কৰিলেই দেখা যাব কি দৰে জটিল বৈদিক-সংস্কৃত ভাষাই প্ৰাকৃতৰ মাজেৰে ক্ৰমান্বয়ে সৰল হৈ গৈ আধুনিক ভাৰতীয় ভাষাৰ ৰূপ ল'লে।

### ১.৫.১ প্ৰাচীন ভাৰতীয় আৰ্যভাষা

পূৰ্বে উল্লেখ কৰা হৈছে যে প্ৰাচীন ভাৰতীয় আৰ্য ভাষাকেইটাৰ প্ৰতিনিধিত্ব কৰে বৈদিক আৰু লৌকিক বা ধ্ৰুপদী সংস্কৃত ভাষাই। বৈদিক সাহিত্য কালানুক্ৰমিক ভাবে তিনিটা স্তৰত বিভক্তঃ বেদ বা সংহিতা, ব্ৰাহ্মণ আৰু উপনিষদ। বেদ বা সংহিতা বুলিলে ঋক্, সাম আৰু যজুঃ- এই তিনিখন যজ্ঞীয় বেদ আৰু অযজ্ঞীয় অথৰ্ববেদক বুজায়। ঋক্ আৰু সামবেদ পদ্যত, যজু আৰু অথৰ্ব বেদ গদ্য পদ্যত ৰচিত। খৃঃ পূঃ ১২০০ শতিকা মানত ৰচিত ঋক্‌বেদৰ ভাষাই ভাৰতীয় আৰ্য ভাষাৰ প্ৰাচীনতম সাহিত্যিক ৰূপ। অকল ভাৰতীয় আৰ্য ভাষাৰ ভিতৰতে নহয়, ক্ৰীট দ্বীপৰ শিলালেখ (খৃঃ পূঃ ১৪০০ শতিকা) আবিষ্কাৰৰ আগলৈকে ঋক্‌বেদৰ ভাষাই আছিল ভাৰত ইউৰোপীয় ভাষা পৰিয়ালৰ ভাষাবোৰৰ ভিতৰত আটাইতকৈ প্ৰাচীন নিদৰ্শন। বৰ্তমান প্ৰাচীনতাৰ দিশৰপৰা এই ভাষাৰ স্থান গ্ৰীক ভাষাৰ পিছতে।

ব্ৰাহ্মণ গ্ৰন্থবোৰত আছে বিবিধ যজ্ঞকাৰ্যৰ বিৱৰণ, ব্যাখ্যা আৰু নানান আখ্যান-উপাখ্যানৰ অংশ। উপনিষদসমূহ হৈছে ব্ৰাহ্মণৰ পৰিশিষ্ট। ব্ৰাহ্মণ আৰু উপনিষদসমূহ

প্ৰধানতঃ গদ্যত ৰচনা কৰা। প্ৰত্যেকখন বেদৰে একাধিক ব্ৰাহ্মণ আৰু উপনিষদ আছে। ঋক্‌বেদৰ ভাষাই পৰৱৰ্তী তিনিখন বেদ, ব্ৰাহ্মণ আৰু উপনিষদত কিছু পৰিবৰ্তন লাভ কৰিছিল। সেয়েহে পণ্ডিতসকলে বৈদিক সাহিত্যৰ ভাষাক প্ৰাচীন আৰু অৰ্বচীন- এই দুটা ভাগত ভাগ কৰিছে। ঋক্‌বেদে প্ৰাচীন স্তৰৰ আৰু সামবেদৰ পৰা বাকীবোৰে অৰ্বচীন স্তৰৰ ভাষাৰ নিদৰ্শন দাঙি ধৰে। উদাহৰণ স্বৰূপে, ঋকবেদত নিষ্ঠান্ত 'তৱন্ত' পদৰ ব্যৱহাৰ আৰু কৃ ধাতুৰ সহযোগত যৌগিক লিট্-ৰ ব্যৱহাৰ অৰ্বচীন বৈদিক ভাষাৰ বিশেষ বৈশিষ্ট্য। বৈদিক সাহিত্যৰ ভাষাৰ ভৌগোলিক অৱস্থান আছিল উত্তৰ-পশ্চিম ভাৰতৰ সপ্তসিন্ধু অঞ্চল। ঋক্‌বেদ সংহিতাৰ পৰা জনা যায় যে আফগানিস্থান, পাঞ্জাৱ, সিন্ধুপ্ৰদেশ আৰু ৰাজপুতানৰ অংশ বিশেষ, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ, কাশ্মীৰ আৰু সৰযু নদীলৈকে বিস্তৃত এই বিশাল ভূ-খণ্ডত বৈদিক ভাষা-সাহিত্যই বিস্তাৰ লাভ কৰিছিল। ব্ৰাহ্মণ যুগৰ শেষৰ ফালে উত্তৰ-পশ্চিম ভাৰতৰ এই বৃহৎ অঞ্চলৰ পৰা আৰ্য সভ্যতা সংস্কৃতি লাহে লাহে ভাৰতৰ মধ্য অঞ্চললৈ পৰিব্যপ্ত হৈ পৰিল। লগে লগে ভাষাৰ ক্ষেত্ৰতো ভালেখিনি পৰিবৰ্তন ঘটিল।

বৈদিক সাহিত্যৰ ভাষা প্ৰধানত: ধৰ্মীয় কাৰ্যত জড়িত পুৰোহিত শ্ৰেণীৰ মাজত সীমাৱদ্ধ আছিল। পুৰোহিত শ্ৰেণীটোৱে ব্যৱহাৰ কৰা এই সাহিত্যিক বা ছান্দস ভাষাৰ লগে লগে সৰ্বসাধাৰণৰ মাজত বৈদিক সংস্কৃতৰ এক লৌকিক বা কথ্য ৰূপ প্ৰচলিত হৈ আহিছিল। ভাৰতত আগৰেপৰাই বসবাস কৰি থকা অষ্ট্ৰিক-দ্ৰাবিড় আদি ভাষাভাষীসকলৰ ভাষাৰ প্ৰভাৱত এই লৌকিক সংস্কৃত ভাষাটোৰ ধ্বনিগত, ৰূপগত আৰু শব্দগত এই কেউটা দিশতে নানান পৰিবৰ্তন ঘটিছিল। লৌকিক ভাষাটোৰ এনে পৰিবৰ্তন ৰোধ কৰিবৰ কাৰণেই ব্ৰাহ্মণ যুগৰ শেষৰ ফালে আনুমানিক খৃঃ পূঃ পঞ্চম শতিকামানত বিৰল প্ৰতিভাসম্পন্ন পণ্ডিত পাণিনিয়ে এই ভাষাটোৰ সংস্কাৰ কৰি এটা সাধু বা সাহিত্যিক ভাষা গঢ় দি তুলিলে। যি উত্তৰ-পশ্চিমা বা উদীচী ভাষাত বেদ ৰচিত হৈছিল, সেই উদীচী ভাষাকে আৰ্হি হিচাপে লৈ পাণিনিয়ে মধ্যদেশীয় শিক্ষিত ব্যক্তিসকলৰ ভাষাৰ ভিত্তিত 'মানৱ বুদ্ধিমত্তাৰ চূড়ান্ত নিদৰ্শন' *অষ্টাধ্যায়ী ব্যাকৰণ* ৰচনা কৰি লৌকিক সংস্কৃত ভাষাক বিবিধ সূত্ৰ আৰু নিয়মেৰে কোনো পৰিবৰ্তন হ'ব নোৱাৰাকৈ বান্ধি এক সুনিৰ্দিষ্ট শিষ্ট ৰূপ দি এটা নতুন সাহিত্যিক ভাষা গঢ় দি তুলিলে। পাণিনিৰ দ্বাৰা মাৰ্জিত এই সাহিত্যিক ভাষাটোৱেই যেনে ধ্ৰুপদী সংস্কৃত (Classical Sanskrit)। ৰামায়ণ-মহাভাৰতকে ধৰি বিবিধ কাব্য, মহাকাব্য, খণ্ডকাব্য, নাটক, পুৰাণ, মহাপুৰাণ, পঞ্চতন্ত্ৰ, হিতোপদেশ আদি গ্ৰন্থ ধ্ৰুপদী সংস্কৃতত ৰচিত। এইদৰে দেখা যায় যে বৈদিক যুগৰপৰা পাণিনিৰ আৱিৰ্ভাৱৰ সময়লৈকে (খৃঃ পূঃ ১২০০-খৃঃ পূঃ ১৫০০) এই সুদীৰ্ঘ কালছোৱাত প্ৰাচীন ভাৰতীয় আৰ্য ভাষা দুটা সমান্তৰাল পদ্ধতিত বিৱৰ্তিত হৈছিলঃ এটা হ'ল বৈদিক ভাষা আৰু আনটো ধ্ৰুপদী সংস্কৃত ভাষা। ভাষাৰ আঞ্চলিক ভেদ, কালগত ব্যৱধান আৰু শ্ৰেণীগত বিচ্ছিন্নতাৰ কাৰণেই একেটা স্তৰৰে হোৱা স্বত্বেও এই দুয়োটা ভাষাৰ মাজত ভালেখিনি পাৰ্থক্য দেখা যায়। সেই পাৰ্থক্যবোৰেই ভাষা দুটাৰ স্বকীয়তা নিৰ্দেশ কৰে।

বৈদিক আৰু ধ্ৰুপদী সংস্কৃতৰ মাজত থকা পাৰ্থক্য বা বৈসাদৃশ্যবোৰ প্ৰধানত, ধ্বনিগত, ৰূপগত আৰু শব্দগত- এই তিনিটা দিশত দেখা যায়।

**ধ্বনিগত পাৰ্থক্য ঃ**

বৈদিক আৰু সংস্কৃতৰ মাজত তুলনামূলকভাৱে ধ্বনিগত পাৰ্থক্য তেনেই কম। তথাপি কালগত ব্যৱধানৰ কাৰণে দুয়োটা ভাষাৰ বাগধ্বনিৰ মাজত নিম্নলিখিত পাৰ্থক্য কেইটা দেখা যায় —

১) বৈদিকত পদ মধ্যগত ড, ঢ ধ্বনি ল্, ল্হ ($^{l}/_{l}$, $^{l}/_{!h}$) ধ্বনিলৈ ৰূপান্তৰিত হয়; কিন্তু ধ্ৰুপদী সংস্কৃতত নহয়।

২) বৈদিকত হ্ৰস্ব ৯ আৰু দীৰ্ঘ ৯$^{৯}$- দুয়োটাৰে ব্যৱহাৰ আছে। কিন্তু ধ্ৰুপদী সংস্কৃতত দীৰ্ঘ ৯$^{৯}$-ৰ ব্যৱহাৰ সম্পূৰ্ণ লোপ পাইছে আৰু হ্ৰস্ব ৯ ধ্বনিও কেৱল ‘ক৯প্’ ধাতুতহে দেখা যায়।

৩) বৈদিকত পদমধ্যগত একক ঘোষ মহাপ্ৰাণ বৰ্ণ ঘ, ধ, ভ ধ্বনি কণ্ঠ্য উষ্ম ‘হ’ ধ্বনিলৈ ৰূপান্তৰ হয়, কিন্তু সংস্কৃতত নহয়।

৪) বৈদিকত মূৰ্ধন্য ধ্বনিৰ ব্যৱহাৰ কম আছিল। ইয়াৰ বিপৰীতে সংস্কৃতত মূৰ্ধন্য ধ্বনিৰ ব্যাপক ব্যৱহাৰ এটি মন কৰিবলগীয়া বিশেষত্ব।

৫) বৈদিকত মূৰ্ধন্য ‘ৰ’ ধ্বনিৰ কোনো পৰিবৰ্তন নহয়; কিন্তু সংস্কৃতত কেতিয়াবা কেতিয়াবা ৰ > ল হয়। যেনে- বৈদিকত ‘ৰোহিত’ আৰু সংস্কৃতত ‘লোহিত’।

৬) বৈদিকত সন্ধি অপৰিহাৰ্য নাছিল, আনহাতে সংস্কৃতত বিশেষ বিশেষ ক্ষেত্ৰত সন্ধি অপৰিহাৰ্য্য। সংস্কৃতত এই প্ৰক্ৰিয়া বৈদিকতকৈ কিছু জটিলো।

৭) বৈদিক ভাষা সুৰাঘাত (Pitch accent) প্ৰধান। কিন্তু সংস্কৃত শ্বাসাঘাত (Stress accent) প্ৰধান।

**ৰূপগত পাৰ্থক্য ঃ**

বৈদিক আৰু সংস্কৃতৰ ৰূপগত বৈশিষ্ট্যবোৰলৈ চালে দেখা যায় যে শব্দৰূপ আৰু ধাতুৰূপৰ ক্ষেত্ৰত বৈদিকতকৈ সংস্কৃত ভাগ বেছি সৰল। সমাসবদ্ধ পদ, উপসৰ্গৰ ব্যৱহাৰ, শব্দগত প্ৰয়োগ আদিৰ ক্ষেত্ৰতো দুয়োটা ভাষাৰ মাজত ভালেখিনি পাৰ্থক্য দেখা যায়। তলত সেইবোৰৰ কেইটামান উল্লেখ কৰা হ’লঃ

১) বৈদিকত অ- কাৰান্ত পুংলিঙ্গ কৰ্তাকাৰকৰ বহুবচনত দ্বিত্ব বহুবচনাত্মক ৰূপ ‘নৰাসঃ’ পোৱা যায়। সংস্কৃতত ‘নৰাঃ’ ৰূপহে পোৱা যায়।

২) বৈদিকত অ- কাৰান্ত শব্দত কৰ্তা-কৰ্ম কাৰকৰ দ্বিবচনত ‘নৰা’, কৰণ কাৰকৰ একবচন

আৰু বহুবচনত ক্ৰমে 'নৰা' আৰু 'নৰেভিঃ'। কিন্তু সংস্কৃতত কৰ্তা-কৰ্মৰ দ্বিবচনত 'নৰৌ' আৰু কৰণকাৰকৰ একবচন-বহুবচনত ক্ৰমে 'নৰেণ', 'নৰৈঃ' হয়।

৩) বৈদিক আৰু সংস্কৃতত বচন তিনিটা আছিল যদিও বৈদিকত দ্বিবচনৰ প্ৰয়োগ সীমিত আছিল।

৪) ধাতুৰূপৰ ক্ষেত্ৰতো বৈদিক-সংস্কৃতৰ মাজত ভালেখিনি পাৰ্থক্য আছে। বৈদিকৰ ছটা ভাৱৰ (mood) বিপৰীতে সংস্কৃতৰ মাত্ৰ চাৰিটা ভাৱৰহে ব্যৱহাৰ আছে।

৫) বৈদিকত লঙ্ লুঙ্ আৰু লিট্- এই তিনিটা অতীতকালৰ প্ৰয়োগ সুনিৰ্দিষ্ট আছিল আৰু তিনিওটাৰ মাজত অৰ্ন্তগত পাৰ্থক্যও আছিল। কিন্তু সংস্কৃতত এই তিনিটাৰ মাজত থকা পাৰ্থক্য লোপ পাই কেৱল 'লুঙ'ৰ অৰ্থহে থাকিল। বৈদিকত অনুজ্ঞা, বিধিলিঙ্ আৰু অভিপ্ৰায় ভাবত অতীতকালৰ ব্যৱহাৰ হৈছিল। সংস্কৃতত মাত্ৰ নিদেৰ্শক ভাবতহে অতীতকাল ব্যৱহৃত হৈছিল।

৬) বৈদিকত প্ৰ, পৰা, অপ আদি উপসৰ্গবোৰ প্ৰায়ে সাধাৰণ ক্ৰিয়া বিশ্লেষণৰ দৰে স্বতন্ত্ৰ পদ ৰূপে ব্যৱহৃত হৈছিল। কিন্তু সংস্কৃতত এইবোৰ কেৱল ধাতুৰ আগতহে ব্যৱহৃত হৈছিল।

৭) বৈদিকত সমাসৰ ব্যৱহাৰ সংস্কৃতৰ তুলনাত অতি সীমিত আছিল। দুটাতকৈ বেছি শব্দৰ সমাস প্ৰায় নাছিলেই। কিন্তু সমাসবাহুলতা সংস্কৃতৰ এক মন কৰিবলগীয়া বিশেষত্ব।

৮) শব্দ ব্যৱহাৰৰ ক্ষেত্ৰতো বৈদিক আৰু সংস্কৃতৰ মাজত ভালেখিনি পাৰ্থক্য আছে। বৈদিকত থকা অৎক, অপস্, আপি, গাতু আদি শব্দ সংস্কৃতত বিৰল।

৯) বৈদিকৰ কিছুমান সমৰূপ শব্দই (homonym) সূক্ষ্মভাবে ব্যৱহৃত বিভিন্ন অৰ্থ প্ৰকাশ কৰিছিল। যেনে- 'অৰি' শব্দৰ অৰ্থ বৈদিকত 'মহৎ' আৰু 'শত্ৰু' কিন্তু সংস্কৃতত 'শত্ৰু' অৰ্থহে ৰক্ষিত।

১০) সংস্কৃতত বিভিন্ন উৎসৰপৰা বহুত নতুন নতুন শব্দ গঢ় লৈ উঠিল, যিবোৰৰ অস্তিত্ব বেদত পোৱা নাযায়।

এইবোৰৰ বাহিৰেও বৈদিক আৰু সংস্কৃতৰ ঘাইকৈ ভাষা দুটাৰ ৰূপগত দিশত আৰু এনে অনেক পাৰ্থক্য আছে, যিবোৰে ভাষা দুটাৰ বিকাশৰ স্বতন্ত্ৰ ধাৰা স্পষ্ট কৰি দিয়ে। ইমানবোৰ পাৰ্থক্য থকা স্বত্বেও এই দুয়োটা ভাষাৰ এনে কিছুমান সামূহিক বৈশিষ্ট্য আছে, যিবোৰক প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সাধাৰণ লক্ষণ বা বৈশিষ্ট্য বুলি ক'ব পাৰি। সেইবোৰ হৈছে —

১) ঋ, ঋৃ, ঌ, এ, ঐ আদি স্বৰধ্বনি আৰু তিনিটা উষ্মধ্বনিৰ (শ, ষ, স) সৈতে আন ব্যঞ্জনবোৰৰ যথাযথ ব্যৱহাৰ।

২) স্বৰধ্বনিবোৰৰ গুণ-বৃদ্ধি আৰু সম্প্ৰসাৰণ।

৩) সন্ধি আৰু বিভিন্ন সংযুক্ত ব্যঞ্জনৰ ব্যৱহাৰ।

৪) শব্দৰূপৰ বৈচিত্ৰ্য, তিনিটা বচন, সম্বোধন আৰু সম্বন্ধ পদৰ বাহিৰে ছটা কাৰক, তিনিটা লিঙ্গ, লিঙ্গ আৰু অন্ত্যধ্বনি অনুসাৰে শব্দৰ ৰূপ ভেদ এই স্তৰৰ ভাষাৰ মন কৰিবলগীয়া বিশেষত্ব।

৫) ধাতুৰূপৰ বৈচিত্ৰ্য, তিনিটা পুৰুষ, দুটা পদ (পৰস্মৈপদ, আত্মনেপদ), দুটা বাচ্য, পাচোঁটা কাল, পাঁচোটা ভাৰ (mood) আৰু অসমাপিকাৰ ব্যাপক ব্যৱহাৰৰ দুয়োটা স্তৰৰ ভাষাৰ বৈশিষ্ট্য।

৬) উপসৰ্গৰ স্বাধীন ব্যৱহাৰ।

৭) সমাসৰ বিচিত্ৰ আৰু বহুল প্ৰয়োগ।

৮) ধাতু আৰু শব্দত বিবিধ কৃৎ আৰু তদ্ধিত প্ৰত্যয় যোগ কৰি নতুন নতুন শব্দগঠন।

৯) বাক্যত পদ বিন্যাসৰ নিৰ্দিষ্ট নিয়মৰ অনাৱশ্যকতা

১০) অক্ষৰমূলক ছন্দৰীতিৰ প্ৰাধান্য।

এইদৰে দেখা যায় যে কালগত ব্যাপক ব্যৱধান থকা সত্বেও বৈদিকৰ আৰ্হিত লৌকিক ভাষাৰ সংস্কাৰ কৰি 'সংস্কৃত' ভাষা গঢ় দি তোলাৰ কাৰণেই বৈদিক আৰু সংস্কৃতৰ মাজত উল্লিখিত ধৰণৰ সামূহিক বৈশিষ্ট্য কিছুমান পৰিদৃষ্ট হৈছিল। এনেবোৰ বৈশিষ্ট্যৰ কাৰণেই বৈদিক আৰু সংস্কৃত মিলি প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ স্তৰটো নিৰ্ণিত হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

ধ্বনিগত দিশত বৈদিক স্তৰৰ তুলনাত লৌকিক সংস্কৃত ক'ত ক'ত পৃথক? (৫০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

### ১.৫.২ মধ্যভাৰতীয় আৰ্যভাষা

এইটো ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ মধ্যবৰ্তী বা দ্বিতীয় স্তৰ। ইয়াৰ সময় ধৰা হৈছে আনুমানিক খৃ: পূ: ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকা। পাণিনিৰ ব্যাকৰণৰ জৰিয়তে লৌকিক বা কথ্য সংস্কৃত ভাষাই খৃ: পূ: পঞ্চম শতিকামানত এটা নিৰ্দিষ্ট ৰূপ লৈ ধ্ৰুপদী সংস্কৃত ৰূপে প্ৰতিষ্ঠিত হোৱাৰ পিছত কথ্য সংস্কৃতৰ যিটো ৰূপ জনসাধাৰণৰ মাজত প্ৰচলিত হৈ থাকিল, সময়ৰ লগে লগে সেই কথ্য ৰূপটোৰো ব্যাপক পৰিৱৰ্তন ঘটিল। এই পৰিৱৰ্তিত কথ্য ভাষাটোৰেই হৈছে 'প্ৰাকৃত'। এই প্ৰাকৃত ভাষাই হৈছে মধ্য ভাৰতীয় আৰ্যভাষা।

মধ্য ভাৰতীয় আৰ্যভাষা অৰ্থাৎ প্ৰাকৃত ভাষাৰ বিকাশৰ ধাৰাক তিনিটা স্তৰত ভগাব পাৰি—

১. আদি প্ৰাকৃত (খৃ: পূ: ষষ্ঠ শতিকাৰ পৰা খৃ: প্ৰথম শতিকা)

২. মধ্য প্ৰাকৃত (খৃ: প্ৰথম শতিকাৰ পৰা খৃ: ষষ্ঠ শতিকা)

৩. অন্ত্য প্ৰাকৃত (খৃ: ষষ্ঠ শতিকাৰপৰা খৃ: দশম শতিকা)

ভাষাগত পৰিবৰ্তনলৈ লক্ষ্য কৰি ড° সুনীত কুমাৰ চট্টোপাধ্যায়ে আদি আৰু মধ্য প্ৰাকৃত স্তৰৰ মাজত ক্ৰান্তি স্তৰ (transitional stage) এটাৰ কল্পনা কৰিছে আৰু ইয়াৰ সময় খৃ: পূ: দ্বিতীয় শতিকাৰ পৰা খৃ: দ্বিতীয় শতিকা বুলি কৈছে। এই স্তৰটোৰ নিদৰ্শন হিচাপে তেওঁ মধ্য এচিয়াৰ খোটান অঞ্চলত পোৱা খোটানী বা খৰোষ্ঠী ধৰ্মপদ আৰু মধ্য এচিয়াৰ শ্বান্ শ্বান্ ৰাজ্যৰে নিয়া নামৰ ঠাইত প্ৰাপ্ত নিয়া প্ৰাকৃতলৈ আঙুলিয়াইছে। কিন্তু ড° সুকুমাৰ সেনে এই দুই প্ৰাকৃতক মধ্য প্ৰাকৃত স্তৰৰ ক্ৰমে আদি আৰু মধ্য উপস্তৰৰ নিদৰ্শন হিচাপে ধৰি এই দুয়োটা প্ৰাকৃত উত্তৰ-পশ্চিমা উপভাষাৰ আধাৰত গঢ় লৈ উঠা বুলি মত প্ৰকাশ কৰিছে। খৰোষ্ঠী ধৰ্মপদৰ সময় খৃ.পূ. প্ৰথম শতিকাৰপৰা খৃ. প্ৰথম শতিকা। সেই হিচাপে ই আদি প্ৰাকৃত স্তৰৰ অন্তৰ্গত। কিন্তু নিয়া প্ৰাকৃতৰ সময় খৃ. তৃতীয় শতিকা। গতিকে সময়ৰ পিনৰপৰা ই মধ্য প্ৰাকৃতৰ অন্তৰ্গত। মুঠতে বৰ্হিভাৰতত পোৱা এই দুয়োটা প্ৰাকৃতৰ আদি আৰু মধ্য প্ৰাকৃতৰ মাজতে ধৰিব পৰা যায়।

ওপৰত উল্লেখ কৰা মধ্য ভাৰতীয় আৰ্য ভাষাৰ তিনিটা উপস্তৰৰে অৰ্থাৎ আদি, মধ্য আৰু অন্ত্য প্ৰাকৃত স্তৰৰ ভালেমান ভাষাগত নিদৰ্শন আছে। আদি প্ৰাকৃতৰ সময় খৃঃ পূঃ ষষ্ঠ শতিকাৰ পৰা ধৰা হৈছে যদিও ইয়াৰ প্ৰথম নিদৰ্শন সমূহ খৃঃ পূঃ তৃতীয় শতিকাৰ অশোকৰ শিলালিপি আৰু স্তম্ভ লিপিৰ মাজতহে পোৱা যায়। মধ্য ভাৰতৰ যোগীমাৰা গুহাৰ শিলালিপি (খৃ.পূ. দ্বিতীয় শতিকা), উৰিষ্যাৰ হাথীগুম্ফা শিলালিপি (খৃ.পূ. প্ৰথম শতিকা), খৃ.পূ. প্ৰথম-দ্বিতীয় শতিকাৰ অন্যান্য শিলালিপি, হীনযানী বৌদ্ধসকলৰ পালি ভাষাৰ প্ৰাচীন গ্ৰন্থসমূহ আৰু মহাযানী বৌদ্ধসকলৰ মিশ্ৰ প্ৰাকৃত বা বৌদ্ধ সংস্কৃত ভাষাই আদি প্ৰাকৃতৰ সুন্দৰ নিদৰ্শন দাঙি ধৰে। সময়ৰ ফালৰপৰা খোটানী ধৰ্মপদকো এই স্তৰৰ ভিতৰত ধৰিব পাৰি। পণ্ডিতসকলে অশোকৰ শিলালিপি বা অনুশাসনৰ ভাষাক পাঁচোটা আঞ্চলিক প্ৰাকৃতত ভাগ কৰিছেঃ উত্তৰ-পশ্চিমা (গান্ধাৰ-উদীচ্য), পশ্চিমা (সৌৰাষ্ট্ৰ-প্ৰতীচ্য), দক্ষিন-পশ্চিমা, মধ্য দেশীয় বা প্ৰাচ মধ্য আৰু প্ৰাচ্যা। এই পাঁচোটা প্ৰাচীন আঞ্চলিক প্ৰাকৃতৰ পৰাই মধ্য প্ৰাকৃতৰ অন্তৰ্গত --- শৌৰসেনী, মহাৰাষ্ট্ৰী আদি সাহিত্যিক প্ৰাকৃত কেইটা গঢ় লৈ উঠে। পালি ভাষাৰ সৃষ্টি হয় দক্ষিণ-পশ্চিমা আৰু প্ৰাচ্য-মধ্যাৰ মিশ্ৰিণত।

মধ্য প্ৰাকৃতৰ নিদৰ্শন পোৱা যায় অশ্বঘোষৰ প্ৰাচীন সংস্কৃত নাটক 'শাৰীপুত্ৰ প্ৰকৰণ'ৰ প্ৰাকৃতাংশত (১ম শতিকা), ভৰতৰ নাট্যশাস্ত্ৰত উল্লিখিত ধ্ৰুৱাগীতসমূহৰ মাজত (খৃ. তৃতীয় শতিকা), ভাস-কালিদাসৰ পৰা পৰবৰ্তী সংস্কৃত নাট্যকাৰসকলৰ নাটকত

ব্যৱহৃত প্ৰাকৃতাংশত আৰু মহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্দ্ধমাগধী আৰু পৈশাচী- এই কেইটা সাহিত্যিক প্ৰাকৃতত। মধ্য প্ৰাকৃতৰ স্তৰক চমুকৈ সাহিত্যিক প্ৰাকৃতৰ স্তৰ বুলিও কোৱা হয়।

অন্ত্য প্ৰাকৃতৰ নিদৰ্শন পোৱা যায় জৈনসকলৰ পৃষ্ঠপোষকতাত ৰচিত অপভ্ৰংশ সহিত্য আৰু জৈন, শৈৰ, নাথ আৰু বৌদ্ধ সহজযানী- বজ্ৰযানীসকলে অৱহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশত ৰচনা কৰা বিবিধ ধৰ্মীয় গীত-পদত। অন্যান্য কবিয়ে ৰচনা কৰা ধৰ্ম-নিৰপেক্ষ কাব্যৰ মাজতো অন্ত্য প্ৰাকৃতৰ নিদৰ্শন পোৱা যায়।

মধ্য ভাৰতীয় আৰ্যভাষাৰ এই প্ৰতিটো স্তৰৰ স্বকীয় ভাষাগত বৈশিষ্ট্য আছে। কিন্তু তুলনামূলকভাৱে প্ৰতিটো স্তৰৰ ভাষাৰ মাজত সামূহিক বৈশিষ্ট্যৰ পৰিমাণেই সৰ্বাধিক। আদি, মধ্য আৰু অন্ত্য, এই তিনিওটা স্তৰৰ প্ৰাকৃত ভাষাৰ অৰ্থাৎ মধ্য ভাৰতীয় আৰ্য ভাষাৰ সাধাৰণ লক্ষণ কেইটামান প্ৰধানতঃ ধ্বনিগত আৰু ৰূপগত দিশত এনেদৰে দেখুৱাব পাৰি —

**ধ্বনিগত বৈশিষ্ট্য ঃ**

১) স্বৰধ্বনিৰ সংখ্যা হ্ৰাস মধ্য ভাৰতীয় আৰ্য ভাষাৰ এটা উল্লেখনীয় বৈশিষ্ট্য। সংস্কৃতত থকা ঋ,ৠ, ঌ, ঐ, ঔ ধ্বনি প্ৰাকৃতত লোপ পালে আৰু তাৰ ঠাইত নতুন ধ্বনি গঢ় লৈ উঠিল।

২) পদান্ত ব্যঞ্জনৰ লোপ প্ৰাকৃতৰ এটি বিশেষ লক্ষণ, অনুস্বাৰৰ বাহিৰে কোনো ব্যঞ্জনেই পালি-প্ৰাকৃতত ব্যঞ্জনান্ত হৈ উচ্চাৰিত নহয়। সেয়েহে পালি প্ৰাকৃতত সকলো শব্দই স্বৰান্ত।

৩) সংস্কৃত যুক্ত ব্যঞ্জনবোৰৰ সমীভৱন আদি বিভিন্ন ধ্বনিগত প্ৰক্ৰিয়াৰে পৰিবৰ্তন হোৱাটো প্ৰাকৃতৰ আন এক উল্লেখনীয় বৈশিষ্ট্য।

৪) এই স্তৰৰ ভাষাতে পদান্ত অ-কাৰৰ পাছৰ বিসৰ্গ 'ও'-কাৰ আৰু কেতিয়াবা 'এ' লৈ পৰিবৰ্তন হ'ল।

৫) তিনিটা উষ্মধ্বনিৰ ঠাইত দন্ত্য 'স' আৰু মাগধী প্ৰাকৃতত তালব্য 'শ'ৰ ব্যৱহাৰ দেখা যায় যদিও দন্ত্য 'স'ৰ ব্যৱহাৰ অধিক।

৬) স্বৰমধ্যগত একক ব্যঞ্জন অল্পপ্ৰাণ হ'লে লোপ পায় আৰু মহাপ্ৰাণ হ'লে 'হ' ধ্বনিলৈ ৰূপান্তৰ হয়।

**ৰূপগত বৈশিষ্ট্য ঃ**

১) শব্দৰূপৰ ক্ষেত্ৰত সৰলতা মধ্য ভাৰতীয় আৰ্য ভাষাৰ এটি উল্লেখনীয় বৈশিষ্ট্য। ব্যঞ্জনান্ত শব্দৰ স্বৰান্তলৈ ৰূপান্তৰ, দ্বি বচনৰ লোপ, ঋ-কাৰান্ত আৰু দ্বিস্বৰান্ত শব্দ ৰূপৰ লোপ, নাম শব্দৰূপত সৰ্বনামৰ 'স্মিন্' বিভক্তিৰ ব্যৱহাৰ, ই-কাৰান্ত আৰু উ-কাৰান্ত পুংলিঙ্গ-ক্লীৱলিঙ্গৰ শব্দৰূপত অ-কাৰান্ত শব্দৰূপৰ প্ৰভাৱ

পালি-প্ৰাকৃত শব্দৰূপৰ মন কৰিবলগীয়া বিশেষত্ব। বিভক্তি প্ৰয়োগৰ ক্ষেত্ৰতো দেখা যায় যে বহু বচনত প্ৰায়ে প্ৰথমা-দ্বিতীয়া একাকাৰ হৈ গৈছে চতুৰ্থী বিভক্তি ষষ্ঠীৰ লগত আৰু তৃতীয়া বিভক্তি প্ৰায়ে পঞ্চমীৰ লগত মিলি গৈছে।

২) ধাতুৰূপৰ ক্ষেত্ৰত সৰলতাও মধ্য ভাৰতীয় আৰ্য ভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। আত্মনেপদ আৰু দ্বিবচনৰ লোপ, অভিপ্ৰায় আৰু নিৰ্বন্ধভাৰৰ (mood) লোপ, লিট্- ৰ বিলুপ্তি, লঙ্-লুঙ্ৰ সমাহাৰ আৰু ক্ৰমশঃ লোপ, দহোটা গণৰ সংখ্যা হ্ৰাস আৰু সকলো ধাতু একগণীয় হোৱাৰ প্ৰৱণতা, অসমাপিকাৰ বৈচিত্ৰ্য হ্ৰাস, নিষ্ঠা (ত, তৱৎ) প্ৰত্যয়ান্ত শব্দৰ অতীত কালৰ অৰ্থত ব্যৱহাৰ আদি পালি-প্ৰাকৃত ধাতুৰূপৰ সাধাৰণ বিশেষত্ব।

৩) বিভক্তি লোপৰ ফলত বাক্যত পদ-সংস্থানৰ ওপৰত গুৰুত্ব প্ৰদান এই স্তৰৰ ভাষাৰ আন এটি প্ৰধান বৈশিষ্ট্য। কৰ্তা-কৰ্ম কাৰকৰ বাহিৰে আন কাৰকত বিভক্তিৰ সলনি ভিন্ ভিন্ শব্দ আৰু প্ৰত্যয়ৰ ব্যৱহাৰ আন এক উল্লেখনীয় লক্ষণ।

৪) মাত্ৰামূলক আৰু বিষমমাত্ৰিক ছন্দ পদ্ধতি মধ্য ভাৰতীয় আৰ্য ভাষাৰ আন এটি বিশেষত্ব।

**আত্মমূল্যায়ন প্ৰশ্ন**

ধাতুৰ ক্ষেত্ৰত মধ্য ভাৰতীয় আৰ্য ভাষাত কি কি পৰিৱৰ্তন দেখা যায়? (৩০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................
..........................................................................................................
..........................................................................................................
..........................................................................................................

### ১.৫.৩ নব্য ভাৰতীয় আৰ্য ভাষা

মধ্য ভাৰতীয় আৰ্য ভাষাৰ ক্ৰম বিৱৰ্তনৰ ফলত ঠিক একে সময়তে নহ'লেও আনুমানিক খৃষ্টীয় দশমৰপৰা দ্বাদশ শতিকাৰ ভিতৰত গঢ় লৈ উঠা ভাষাবোৰেই হৈছে নব্য বা আধুনিক ভাৰতীয় আৰ্য ভাষা। গ্ৰীয়াৰ্ছন প্ৰমুখ্যে দুই-এক ভাষাবিদৰ মতে প্ৰতিটো সহিত্যিক প্ৰাকৃতৰে একোটা অপভ্ৰংশ স্তৰ আছে আৰু সেই অপভ্ৰংশৰ অন্তিম স্তৰ অৱচীন অপভ্ৰংশ বা অৱহট্‌ঠ বিভিন্ন প্ৰদেশ আৰু অঞ্চলত কালগত আৰু স্থানগত ৰূপান্তৰ হৈ অসমীয়া, বঙলা, উৰিয়া, হিন্দী আদি ভাষাত পৰিণত হ'ল। সেই হিচাপে মহাৰাষ্ট্ৰৰ পৰা মাৰাঠী; শৌৰসেনীৰপৰা পশ্চিমা হিন্দী, ৰাজস্থানী, গুজৰাটী, মাগধীৰপৰা অসমীয়া,

বঙলা, উৰিয়া, অৰ্দ্ধমাগধীৰপৰা পূৰ্বী হিন্দী আৰু শৌৰসেনীৰ প্ৰভাৱত হিমালয়ী বা পাহাৰী, পাঞ্জাৰী আদি আধুনিক ভাষাবোৰ গঢ় লৈ উঠিছে বুলি কোৱা হয়। কিন্তু প্ৰাচীনকালত ভাষাবোৰৰ মাজত পাৰস্পৰিক ধাৰ ইমান বেছিকৈ চলিছিল যে কোনো এটা ভাষাক একোটা নিৰ্দিষ্ট প্ৰাকৃত বা অপভ্ৰংশৰ অন্তৰ্ভূক্ত কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে, মাগধী অপভ্ৰংশৰপৰা উদ্ভূত অসমীয়া ভাষাৰ লগত শৌৰসেনী প্ৰভাৱিত পাঞ্জাৰী ভাষাৰ শব্দগত দিশত ভালেখিনি মিল আছে। নব্য ভাৰতীয় আৰ্য ভাষাবোৰক নটা শাখাত ভাগ কৰা হৈছে—ঃ দক্ষিণ-পশ্চিমা, পশ্চিমা, দৰ্দীয়, উত্তৰ-পশ্চিম, উত্তৰ-হিমালয়ী, মধ্য, প্ৰাচ্য-মধ্যা, প্ৰাচ্যা বা পূৰ্বী শাখা আৰু বিদেশী শাখা। এই নটা শাখা বা গোটৰ অন্তৰ্গত ভাষাসমূহক আকৌ বহিৰঙ্গ আৰু অন্তৰঙ্গ, এই দুটা ভাগত ভাগ কৰা হৈছে। কিন্তু এনে বিভাজন বৰ স্পষ্ট নহয়। কিয়নো ভাৰতীয় আৰ্য ভাষাৰ প্ৰত্যেক স্তৰ আৰু উপস্তৰত পৰ্যাপ্ত পৰিমানে পাৰস্পৰিক মিশ্ৰণ ঘটিছে আৰু মান্য ভাষাইও যথেষ্ট প্ৰভাৱ পেলাইছে। অন্তৰঙ্গ-বহিৰঙ্গ ভাষাৰ মাজত যে একেবাৰে মিল নাই, এনে নহয়। উদাহৰণ স্বৰূপে অসমীয়া বহিৰঙ্গ ভাষাৰ ভিতৰত আৰু পাঞ্জাৰী অন্তৰঙ্গ ভাষাৰ ভিতৰত পৰে। কিন্তু দুয়োটা ভাষাৰে শব্দগত দিশত ভালেখিনি মিল দেখা যায়।

বিভিন্ন দৃষ্টিকোণৰপৰা নব্য ভাৰতীয় আৰ্য ভাষাবোৰক এনে দৰে ভাগ কৰা হয় যদিও এই ভাগবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক অতি নিবিড়। নব্য ভাৰতীয় আৰ্য ভাষাবোৰৰ মাজত এনে কিছুমান সামূহিক বৈশিষ্ট্য আছে, যাৰ কাৰণে এই ভাষাবোৰক নিৰ্দিষ্টভাবে একোটা ভাষা গোটৰ অন্তৰ্ভূক্ত কৰিব নোৱাৰি। তলত নব্য ভাৰতীয় আৰ্য ভাষাবোৰৰ সাধাৰণ বৈশিষ্ট্যকেইটামান দাঙি ধৰা হ'ল—

**ধ্বনিগত ঃ**

১) সংস্কৃত সংযুক্ত ব্যঞ্জনৰ একক ধ্বনিলৈ ৰূপান্তৰ আৰু কিছুমান শব্দত পূৰ্ববৰ্তী হ্ৰস্ব স্বৰ দীৰ্ঘ স্বৰলৈ পৰিবৰ্তন; যেনে- কৰ্ম > কাম, মধ্য > মাজ, হস্ত > হাত আদি।

২) পদৰ মাজত শ্ৰুতিৰ ব্যৱধান নাথাকিলে ওচৰা-ওচৰিকৈ থকা স্বৰধ্বনিৰ লোপ বা সংকোচন; যেনে- মৃত্তিকা > মট্টিআ > মাটি, ঘৃত > ঘিঅ > ঘি।

৩) নাসিক্য ব্যঞ্জন ধ্বনি আন ব্যঞ্জনৰ লগত যুক্ত হৈ থাকিলে সৰলীকৰণৰ ফলত নাসিক্য ব্যঞ্জন ধ্বনি লুপ্ত হৈ চন্দ্ৰবিন্দু (ঁ) ৰূপে পূৰ্বৱৰ্তী স্বৰধ্বনিৰ লগত বৰ্তি থাকিল। যেনে- দন্ত > দাঁত, কণ্টক > কাঁইট, কাঁটা আদি।

**ৰূপগত ঃ**

১) পদান্ত স্বৰধ্বনি বিকৃত বা লুপ্ত হোৱাৰ কাৰণে প্ৰাচীন লিঙ্গৰ পাৰ্থক্য প্ৰায় নোহোৱা হৈ পৰিল। গুজৰাটী আৰু মাৰাঠীৰ বাহিৰে আন ভাষাত ক্লীৱ লিঙ্গৰ লুপ্ত হ'ল। সিংহলীত নতুনকৈ সপ্ৰাণ আৰু অপ্ৰাণ- এই দুই লিঙ্গৰ সৃষ্টি হ'ল।

আনবোৰ ভাষাত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ থাকিল। কিন্তু এই দুটা লিঙ্গৰ মাজত থকা পাৰ্থক্যও সংস্কৃতৰ দৰে নহয়।

২) বচন সকলো ভাষাতে দুটা; বহুবচন বুজোৱা নতুন প্ৰত্যয় আৰু বহুত্ববাচক শব্দৰ প্ৰয়োগ।

৩) লুপ্ত প্ৰাচীন কাৰক-বিভক্তিৰ ঠাইত অনুপদ (post position) আৰু অনুপদজাত নতুন কাৰক-বিভক্তিৰ ব্যৱহাৰ।

৪) ল-কাৰ আৰু গণবিভাজন লোপ পালে। 'নিষ্ঠা' আৰু 'শতৃ' প্ৰত্যয়ৰ যোগত অতীতকালৰ আৰু কেতিয়াবা 'তব্য' প্ৰত্যয়ৰ যোগত ভৱিষ্যত কালৰ পদগঠন হ'বলৈ ধৰিলে।

৫) প্ৰাচীন কাল আৰু ভাবৰ ভিতৰত কেৱল বৰ্তমান আৰু অনুজ্ঞা ভাৱ ৰক্ষিত হ'ল। যৌগিক কালৰ ব্যৱহাৰ এই স্তৰৰ ভাষাৰ এটি বিশেষত্ব।

৬) আৰবী, পাৰ্চী, ইংৰাজী আদি ভাষাৰ শব্দৰ পৰ্যাপ্ত ব্যৱহাৰ।

৭) ছন্দ পদ্ধতি সমমাত্ৰিক আৰু মাত্ৰামূলক আৰু কেতিয়াবা অক্ষৰ মূলক।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। ভাৰতীয় আৰ্য ভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? প্ৰতিটো স্তৰৰ সময় উল্লেখ কৰিব। (৬০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

২। নব্য ভাৰতীয় আৰ্য ভাষাত লকাৰ আৰু গণ বিভাজনৰ ধাৰণা বৰ্ত্তি থাকিল নে? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ১.৬ সাৰাংশ (Summing Up)

এই বিভাগত আপুনি ভাৰতীয় আৰ্য ভাষা পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ভাৰত-ইউৰোপীয় পৰিয়ালৰ সতম্ শাখাৰপৰা কেনেকৈ উদ্ভৱ হ'ল আৰু ক্ৰমবিকাশত

বিভিন্ন স্তৰৰ মাজেৰে আহি আধুনিক ভাৰতীয় ভাষাত পৰিণত হ'ল, সেই বিষয়ে অৱগত হ'ব পাৰিব। সময়ৰ লগে লগে ভাষাই কি দৰে জটিলতাৰ পৰা সৰলতাৰ ফালে গতি কৰে, সেয়া আপুনি ভাৰতীয় আৰ্য ভাষাৰ প্ৰতিটো স্তৰৰ ভাষিক বৈশিষ্ট্যসমূহলৈ লক্ষ্য কৰিলেই জানিব পাৰিব। এই বিভাগটিৰ প্ৰাচীন ভাৰতীয় আৰ্য বৈদিক-সংস্কৃত ভাষাই বিবিধ প্ৰাকৃতৰ মাজেৰে আহি কেনেকৈ অসমীয়া, বঙলা, উৰিয়া, হিন্দী আদি নব্য ভাৰতীয় আৰ্য ভাষাৰ ৰূপ ল'লে, সেই বিষয়ে বহলাই আলোচনা কৰা হৈছে।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) ভাৰতীয় আৰ্য ভাষা পৃথিৱীৰ কোনটো ভাষা পৰিয়ালৰ অন্তৰ্গত? সেই পৰিয়ালৰ কোনটো শাখাৰ পৰা ভাৰতীয় আৰ্য ভাষাৰ উদ্ভৱ হ'ল বহলাই আলোচনা কৰক।

২) প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ প্ৰতিনিধিত্ব কৰা ভাষা দুটা কি কি? সেই ভাষা দুটাৰ মাজত থকা বৈসাদৃশ্যবোৰ আলোচনা কৰক।

৩) মধ্য ভাৰতীয় আৰ্য ভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? এই ভাষাৰ ভাষিক বৈশিষ্ট্য বোৰৰ বিষয়ে আলোচনা কৰক।

৪) নব্য ভাৰতীয় আৰ্য ভাষাক পণ্ডিতসকলে কি কি শাখাত ভগাইছে বহলাই আলোচনা কৰক।

৫) ভাৰতীয় আৰ্যভাষাক কেইটা স্তৰত ভগোৱা হৈছে? প্ৰতিটো স্তৰৰ বিষয়ে চমুকৈ আলোচনা কৰক।

## ১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


উপেন্দ্ৰনাথ গোস্বামী : *ভাষাবিজ্ঞান*

দেৱীদাস ভট্টাচাৰ্য : *মধ্য ভাৰতীয় আৰ্য ভাষা আৰু সাহিত্য*

নগেন ঠাকুৰ : *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সহিত্য*

পৰেশচন্দ্ৰ মজুমদাৰ : *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ*

সুকুমাৰ সেন : *ভাষাৰ ইতিবৃত্ত*

Sukumar Sen : *A Comparative Grammar of Middle Indo-Aryan*

Sukumar Biswas : *A Comparative Old Indo-Aryan Grammar*

T. Burrow : *The Sanskrit Language*

W.D. Whitney : *Sanskrit Grammar*


*****

# দ্বিতীয় বিভাগ
# মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয়

**বিভাগৰ গঠনঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশ
২.৪ মধ্য ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰ
২.৫ মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্য
২.৫.১ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য
২.৫.২ ৰূপতাত্ত্বিক বৈশিষ্ট্য
২.৫.৩ শব্দগত বৈশিষ্ট্য
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত ভাৰতীয় আৰ্য ভাষাৰ সাধাৰণ পৰিচয় আগবঢ়োৱা হৈছে। এই বিভাগটিত মধ্য ভাৰতীয় আৰ্যভাষাৰ সবিশেষ আলোচনা কৰা হ'ব।

ভাৰতীয় আৰ্যভাষাৰ বিৱৰ্তনৰ ইতিহাসক পণ্ডিতসকলে তিনিটা প্ৰধান ভাগত ভগাইছে ঃ (ক) প্ৰাচীন ভাৰতীয় আৰ্যভাষা, (খ) মধ্য ভাৰতীয় আৰ্যভাষা আৰু (গ) নব্য ভাৰতীয় আৰ্যভাষা। প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় — খ্ৰীঃ পূঃ পঞ্চদশ শতিকাৰ পৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকা, মধ্য ভাৰতীয় আৰ্যভাষাৰ সময় খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকা আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ সময় খ্ৰীষ্টীয় দশম শতিকাৰ পৰা বৰ্তমান পৰ্যন্ত বুলি অনুমান কৰা হৈছে।

এইটো বিভাগৰ আলোচ্য বিষয় মধ্যভাৰতীয় আৰ্যভাষা মূলতঃ ভাৰতীয় আৰ্যসকলৰ বৈদিক কথিক ভাষাৰ বিৱৰ্তিত ৰূপ। মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰায় আটাইবোৰ দিশৰ বিষয়ে খৰচি মাৰি আলোচনা দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি —

- প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব;

- মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ বিভাজন বিজ্ঞানসন্মতভাৱে ফঁহিয়াই দেখুৱাব পাৰিব;
- মধ্য ভাৰতীয় আৰ্যভাষাৰ লক্ষণসমূহ বিশ্লেষণ কৰি দেখুৱাব পাৰিব।

## ২.৩ মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশ


মধ্য ভাৰতীয় আৰ্যভাষা পৃথিৱীৰ সৰ্ববৃহৎ ভাষাগোষ্ঠী ইণ্ডো-ইউৰোপীয়ৰ অন্যতম প্ৰশাখা ভাৰতীয় আৰ্যভাষাৰ এক বিকশিত ৰূপ। এই ভাষাৰ উদ্ভৱ আৰু বিকাশৰ সৈতে ভাৰতীয় আৰ্য-সমাজৰ বিৱৰ্তনৰ ইতিহাস জড়িত হৈ আছে।

আৰ্যসকল ভাৰতলৈ কেতিয়া আহিছিল তাক সঠিককৈ কোৱা টান। তথাপি পণ্ডিতসকলে বিভিন্ন অন্তৰঙ্গ আৰু বহিৰঙ্গ প্ৰমাণৰ ভিত্তিত এওঁলোকৰ আগমনৰ সময় খ্ৰীঃপূঃ ১৫ শতিকা বুলি অনুমান কৰিছে। এই কথা ঠিক যে আৰ্যসকলে একে সময়তে সকলোবোৰ আহি ভাৰতবৰ্ষত ভৰি দিয়া নাছিল। বৰং ভিন ভিন সময়ত ক্ষুদ্ৰ ক্ষুদ্ৰ গোট বা দল হিচাপে আহি ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম সীমান্ত অঞ্চলত থিতাপি লৈছিল আৰু পৰৱৰ্তী সময়ত এই ভুখণ্ডৰ বিভিন্ন অঞ্চলত বিয়পি পৰিছিল।

আপুনি নিশ্চয় বুজিব পাৰিছে যে ভাৰতলৈ অহা আৰ্য জনগোষ্ঠীৰ ভাষাটোৰ নাম ভাৰতীয় আৰ্যভাষা। এই ভাষাৰ প্ৰাচীনতম ৰূপটো সংৰক্ষিত হৈছে ঋগ্বেদত। সেইবাবে এই সময়ৰ ভাষাটোক বৈদিক ভাষাৰূপে নামকৰণ কৰা হৈছে। সময়ৰ বিৱৰ্তনত মানুহৰ মুখ বাগৰি বৈদিক কথিত ভাষাত ভাঙোন ধৰে আৰু এটা সময়ত সি পূৰ্বৰ বৈশিষ্ট্য হেৰুৱাই যথেষ্ট সৰল হৈ পৰে। এই সময়তে বেদত ব্যৱহৃত ভাষা-ৰূপৰ সুসংৰক্ষণৰ চিন্তাৰে বৈদিক ভাষাৰ সংস্কাৰ সাধন কৰা হয় আৰু এই ভাষাত সাহিত্যাদি ৰচনা কৰিবলৈ লোৱা হয়। ব্যাকৰণনিৰ্দিষ্ট এই ভাষাটোৰ নাম সংস্কৃত ভাষা। বৈদিক আৰু সংস্কৃত— এই দুই ভাষাৰূপে ভাৰতীয় আৰ্যভাষাৰ প্ৰাচীন স্তৰটোৰ প্ৰতিনিধিত্ব কৰে। সহজ কথাত প্ৰাচীন ভাৰতীয় আৰ্যভাষা মানে বৈদিক আৰু সংস্কৃত ভাষা।

ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ মধ্যৱৰ্তী স্তৰটোৰ নাম মধ্য ভাৰতীয় আৰ্যভাষা। এই স্তৰটোক প্ৰাকৃত ভাষাৰ যুগ বুলিও কোৱা হয়। এই স্তৰটোৰ পৰিব্যাপ্তিৰ কাল খ্ৰীঃ পূঃ ৬ষ্ঠ শতাব্দীৰ পৰা খ্ৰীঃ ১০ম শতাব্দী পৰ্যন্ত। ভাৰতীয় আৰ্য-সমাজত প্ৰচলিত লৌকিক বা কথিত ৰূপটো জনসাধাৰণৰ দৈনন্দিন বাগ্‌ব্যৱহাৰত পৰিৱৰ্তনৰ স্বাভাৱিক গতি প্ৰৱাহেৰে অগ্ৰসৰ হ'বলৈ ধৰে। ইয়াৰ ফলত খ্ৰীঃ পূঃ ৬ষ্ঠ শতাব্দীমানত ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্বৰ এনে কেতবোৰ উল্লেখযোগ্য পৰিৱৰ্তন ঘটিল যে প্ৰচলিত ভাষাৰূপটো প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা ভালেখিনি পৃথক হৈ পৰিল। ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক পৰিৱৰ্তনৰ মাজেদি প্ৰাচীন ৰূপৰ পৰা ভাৰতীয় আৰ্যভাষাই যি সুকীয়া ৰূপ পৰিগ্ৰহ কৰিলে তাকেই ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ দ্বিতীয় স্তৰ অৰ্থাৎ মধ্য ভাৰতীয় আৰ্যভাষাৰূপে নামকৰণ কৰা হৈছে। এই ভাষাৰ উৎপত্তিৰ গতি-চিত্ৰ তলত দিয়া ধৰণে দেখুৱাব পাৰি ঃ

খ্ৰীঃপূঃ ৬ষ্ঠ শতাব্দীমানৰ ভিতৰত বৈদিক যুগৰ কথ্যৰূপটোৱে ভাৰতৰ বিভিন্ন অঞ্চলত, বিশেষকৈ উত্তৰ-পশ্চিম অঞ্চলৰ পৰা পূৰ্বাঞ্চল পৰ্যন্ত বিৱৰ্তনৰ গতিত পাঁচোটা আঞ্চলিক ৰূপত আত্মপ্ৰকাশ কৰিছিল বুলি অনুমান কৰা হৈছে। এই ৰূপকেইটা হ'ল ঃ (ক) উত্তৰ-পশ্চিমা বা গান্ধাৰ উদীচ্য, (খ) পশ্চিমা বা সৌৰাষ্ট্ৰ প্ৰতীচ্য, (গ) দক্ষিণী, (ঘ) মধ্যদেশীয় বা প্ৰাচ্য-মধ্যা আৰু (ঙ) প্ৰাচ্যা। এই আঞ্চলিক ৰূপকেইটাই মধ্যভাৰতীয় আৰ্যভাষা বা প্ৰাকৃত ভাষাৰ প্ৰাচীনতম ৰূপ। পৰৱৰ্তী কালত এই পাচোঁটা আঞ্চলিক ৰূপৰ পৰা পৈশাচী, শৌৰসেনী, মাহাৰাষ্ট্ৰী, অৰ্ধ-মাগধী আৰু মাগধী নামৰ সাহিত্যিক প্ৰাকৃতকেইটা গঢ় লৈ উঠে।




প্ৰাকৃত বা মধ্য-ভাৰতীয় আৰ্যভাষাৰ উৎপত্তিৰ সময় খ্ৰীঃপূঃ ৬ষ্ঠ শতাব্দী বুলি ধৰি লোৱাৰ এক ঐতিহাসিক কাৰণ আছে। আপুনি ভাৰতীয় আৰ্যসমাজৰ ইতিহাস অনুধাৱন কৰিলে বুজি পাব যে এইছোৱা সময় সন্ধিক্ষণৰ সময়। আন প্ৰকাৰে ইয়াক ভাৰতীয় সমাজ-জীৱনৰ প্ৰথম নৱজাগৰণৰ সময় বুলিবও পাৰি। ইয়াৰ পূৰ্বৱৰ্তী কালছোৱাত বৈদিক কৰ্ম-কাণ্ডই বিশেষ প্ৰাধান্য পাইছিল। ধৰ্মীয় চিন্তা-চৰ্চা আছিল মুষ্টিমেয় এচাম লোকৰ অধিকাৰৰ বস্তু। জাতিভেদ আৰু ধৰ্মীয় সংকীৰ্ণতাই সমাজ-জীৱন অসহনীয় কৰি তুলিছিল। এই সময়তে গৌতম বুদ্ধ আৰু ঋষভ-পাৰ্শ্বনাথ-মহাবীৰকে ধৰি চৌব্বিশজন তীৰ্থংকৰৰ নেতৃত্বত ধৰ্মৰ ক্ষেত্ৰত উদাৰ আৰু মানৱীয় চেতনাৰে এক স্বাধীন চিন্তাৰ দুৱাৰ মুকলি হৈছিল। ইয়াৰ জৰিয়তে এক সমাজ-বিপ্লৱৰ সূচনা হৈছিল। জনসাধাৰণৰ সহজ-সৰল জীৱনক আধাৰ হিচাপে লৈ সৃষ্টি হোৱা ধৰ্মীয় নীতি আৰু দৈনন্দিন কথ্য ভাষাৰ আশ্ৰয়ত গঢ় লোৱা ধৰ্মমতসমূহে চিন্তাৰ জগতত আলোড়ন সৃষ্টি কৰাৰ লগে লগে ভাষাকো মৰ্যাদাসম্পন্ন কৰি তুলিছিল। সাধাৰণ মানুহৰ বাবে দুৰ্বোধ্য হৈ পৰা বৈদিক ভাষাত ধৰ্মীয় আচাৰ-অনুষ্ঠানসমূহ সম্পন্ন হোৱাত তথা সেই ভাষাত ব্ৰাহ্মণ্য ধৰ্মৰ মতবোৰ প্ৰতিষ্ঠিত হোৱাত তৎকালীন জনসাধাৰণ দিশহাৰা হৈ পৰিছিল। এনে পৰিস্থিতিত শীল-সদাচাৰ আৰু অহিংস নীতিৰ ওপৰত প্ৰতিষ্ঠিত বৌদ্ধ আৰু জৈন মতবাদে সামাজিক শৃংখলা সুদৃঢ় হোৱাত সহায় কৰিছিল আৰু জনসাধাৰণৰ আধ্যাত্মিক জীৱন উন্নত কৰাত বিশেষ ভূমিকা লৈছিল। মন কৰিবলগীয়া যে বৌদ্ধ আৰু জৈনধৰ্মৰ অন্তৰ্নিহিত তাৎপৰ্য তৎকালীন কথ্যভাষাৰ মাধ্যমেৰে প্ৰচাৰ কৰা হৈছিল। নিজৰ ভাষাৰ সহায়ত উল্লিখিত

দুই ধৰ্মৰ মতসমূহ আয়ত্ত কৰিবলৈ পাই সমসাময়িক জনগণে নিজক প্ৰকাশ কৰিবলৈ সৃষ্টিৰ প্ৰেৰণা বিচাৰি পাইছিল। বৌদ্ধ শ্ৰমণ আৰু জৈনাচাৰ্যসকলে ধৰ্মৰ গূঢ়তত্ত্ব নিৰহ নিপানীকৈ ব্যাখ্যা কৰাৰ পৰা অনুমান কৰিবলৈ টান নহয় যে সেই সময়ত মানুহৰ মুখ বাগৰি প্ৰৱাহিত কথ্য ভাষাটোৱে ভাব প্ৰকাশ কৰিব পৰাৰ আৱশ্যকীয় ক্ষমতা অৰ্জন কৰিবলৈ সমৰ্থ হৈছিল। অৱশ্যে অশোকৰ সময় পৰ্যন্ত ভাৰতৰ বিভিন্ন প্ৰান্তত প্ৰচলিত মধ্য-ভাৰতীয় আৰ্যভাষা বা প্ৰাকৃতৰ কোনো নিদৰ্শন পোৱা নাযায়। কিন্তু সেয়ে হ'লেও, তৎকালীনভাৱে প্ৰাকৃত ভাষাৰ যে বিপুল চৰ্চা হৈছিল তাৰ প্ৰমাণ অশোক আৰু খাৰবেল অনুশাসন তথা বৌদ্ধশাস্ত্ৰ ত্ৰিপিটকৰ ভাষাই দাঙি ধৰে।

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিৱৰ্তিত ৰূপ মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰতিষ্ঠা আৰু বিকাশত বৌদ্ধ আৰু জৈন মতাৱলম্বী পণ্ডিতসকলৰ বিশেষ ভূমিকা আছে। এই দুই ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ সৈতে প্ৰাকৃত বা 'জনসাধাৰণৰ ভাষা' অতি নিবিড়ভাৱে জড়িত। সংস্কৃত ভাষা যদি ব্ৰাহ্মণ্য ধৰ্মৰ ধাৰক আৰু বাহক, তেন্তে প্ৰাকৃত ভাষা বৌদ্ধ আৰু জৈন ধৰ্মৰ ধাৰক আৰু বাহক।

মধ্যভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰৰ ভাষাক অপভ্ৰংশ আখ্যা দিয়া হৈছে। পণ্ডিতসকলৰ মতে তৎকালীন ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত প্ৰচলিত প্ৰাকৃত ভাষাসমূহ কালক্ৰমত সৰলতৰ অৱস্থাপ্ৰাপ্ত হৈ 'অপভ্ৰংশ'ৰূপে জনাজাত হয় আৰু তাৰে পৰাই নব্য-ভাৰতীয় আৰ্যসমূহৰ জন্ম হয়।

খ্ৰীষ্টীয় ৬ষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় ১০ম শতাব্দী পৰ্যন্ত বিকশিত অপভ্ৰংশ ভাষাক দুটা ভাগত ভগোৱা হৈছে ঃ (ক) প্ৰাচীন অপভ্ৰংশ আৰু (খ) অৰ্বাচীন অপভ্ৰংশ বা অবহট্‌ঠ। ড° সুকুমাৰ সেনৰ ভাষাত "মধ্য ভাৰতীয় আৰ্যৰ যি সাৰ্বজনীন ৰূপটো অ-শিষ্ট লোক-সাহিত্যৰ বাহক হৈ উঠিছিল সিয়েই অপভ্ৰংশ বা প্ৰাচীন অপভ্ৰংশ আৰু এই প্ৰাচীন অপভ্ৰংশৰ যি অৰ্বাচীন ৰূপটো আধুনিক ভাৰতীয় আৰ্যভাষাৰ জনক অৰ্থাৎ অব্যৱহিত পূৰ্ব অৱস্থা, সিয়েই অপভ্ৰষ্ট বা অবহট্‌ঠ অৰ্থাৎ অৰ্বাচীন অপভ্ৰংশ।"

মুঠতে খ্ৰীঃপূঃ ৬ষ্ঠ শতাব্দীৰ পৰা অৰ্থাৎ গৌতম বুদ্ধৰ আৱিৰ্ভাৱৰ সময়ৰ পৰা খ্ৰীষ্টীয় ১০ম শতাব্দী পৰ্যন্ত প্ৰায় ডেৰ হাজাৰ বছৰ ব্যাপি ভাৰতবৰ্ষত আৰ্য জনগোষ্ঠীৰ ভাষাৰ যি বিকশিত ৰূপৰ প্ৰচলন ঘটিছিল সেই ভাষাই মধ্য ভাৰতীয় আৰ্যভাষা।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে চমুকৈ লিখি উলিয়াওক। (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.................................................................................................

.................................................................................................

.................................................................................................

(২) মধ্য ভাৰতীয় আৰ্যভাষাৰ বিকাশত বৌদ্ধ আৰু জৈন ধৰ্মৰ ভূমিকাৰ আভাস দিয়ক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**২.৪ মধ্য ভাৰতীয় আৰ্যভাষাৰ বিভিন্ন স্তৰ**

আপুনি পূৰ্বৰ আলোচনাৰ পৰা নিশ্চয় জানিব পাৰিলে যে মধ্য ভাৰতীয় আৰ্যভাষা প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ বিৱৰ্তিত ৰূপ। ভাৰতীয় আৰ্যভাষাৰ ইতিহাসক যি তিনিটা সুস্পষ্ট স্তৰত ভাগ কৰা হৈছে তাৰ ভিতৰত মধ্য ভাৰতীয় আৰ্যভাষা দ্বিতীয় স্তৰৰ অন্তৰ্গত। পণ্ডিতসকলে মধ্য ভাৰতীয় আৰ্যভাষাৰো তিনিটা প্ৰধান স্তৰ লক্ষ্য কৰিছে ঃ (ক) আদি স্তৰ বা আদি প্ৰাকৃত, (খ) মধ্য স্তৰ বা সাহিত্যিক প্ৰাকৃত আৰু (গ) অন্ত্য স্তৰ বা অপভ্ৰংশ। আলোচনাৰ পৰৱৰ্তী অংশত আপুনি এই তিনিওটা স্তৰৰ বিষয়ে অধ্যয়ন কৰিবলৈ পাব।

**(ক) আদি স্তৰ বা আদি প্ৰাকৃত ঃ**

মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰটোৰ সময় ধৰা হৈছে খ্ৰীঃপূঃ ৬ষ্ঠ শতিকাৰ পৰা খ্ৰীঃ১ম শতিকালৈ। খ্ৰীষ্টীয় ১ম শতিকা এই স্তৰৰ অন্তিম সময় বুলি ধৰাৰ প্ৰধান কাৰণ হ'ল এইটো শতিকাত বৌদ্ধ হীনযানী সম্প্ৰদায়ে প্ৰচলিত প্ৰাকৃত ভাষাৰ মাধ্যমেৰে বৌদ্ধশাস্ত্ৰ প্ৰথমবাৰৰ বাবে লিপিবদ্ধ কৰিছিল। পৰৱৰ্তী কালত ইয়াৰ ভাষা 'পালি ভাষা' ৰূপে জনাজাত হয়। এইটো স্তৰৰ ভাষাৰ নিদৰ্শন নিম্নোক্ত নথিসমূহৰ মাজত পোৱা যায়-

(১) অশোকৰ শিলালিপি আৰু স্তম্ভলিপি (খ্ৰীঃ পূঃ ৩য় শতাব্দী);
(২) মধ্য ভাৰতৰ জোগীমাৰা গুহাৰ শিলালিপি (খ্ৰীঃপূঃ ২য় শতাব্দী);
(৩) উৰিষ্যাৰ হাথিগুম্ফা গুহাত খোদিত শিলালিপি (খ্ৰীঃপূঃ১ম শতাব্দী);
(৪) গোৱালিয়ৰৰ বেছ নগৰৰ গৰুড় স্তম্ভলিপি (খ্ৰীঃপূঃ ২য় শতাব্দী);
(৫) খ্ৰীঃ পূঃ ১ম শতাব্দীলৈ প্ৰাপ্ত অন্যান্য শিলালিপি;
(৬) বৌদ্ধ হীনযান সম্প্ৰদায়ৰ পালি ভাষা (খ্ৰীঃপূঃ ৩য় শতাব্দীৰ পৰা খ্ৰীঃ ১ম শতাব্দী); আৰু
(৭) মহাযানী বৌদ্ধ সম্প্ৰদায়ৰ 'বৌদ্ধ মিশ্ৰ সংস্কৃত ভাষা'।

এইখিনিতে আপুনি এটা কথা জানি থোৱা উচিত হ'ব। কথাটো হ'ল বিশিষ্ট ভাষাতত্ত্ববিদ ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰ আৰু মধ্য স্তৰৰ মাজত 'ক্ৰান্তি স্তৰ' নামেৰে আন এটি স্তৰৰ উল্লেখ কৰিছে। তেওঁৰ মতে এই

স্তৰটোৰ সময় হৈছে— খ্ৰীঃপূঃ ২য় শতাব্দীৰ পৰা খ্ৰীঃ ২য় শতাব্দীলৈ। এই 'ক্ৰান্তি স্তৰ'ৰ উল্লেখৰ মূল কাৰণ হ'ল— এই কালছোৱাত ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলৰ কথিত প্ৰাকৃতৰ ভিত্তিত সাহিত্যৰ ধাৰা বা লিখিত প্ৰাকৃতৰ ধাৰা এটি প্ৰৱাহিত হৈছিল। এই ধাৰাটোৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য মূল ভাৰতীয় ভাষাতকৈ কিছু পৃথক। ঘাইকৈ মধ্য-এছিয়াত প্ৰাপ্ত এই নিদৰ্শনসমূহ নিম্নোক্ত ধৰণৰ —

(ক) খৰোষ্ঠী লিপিত ৰচিত 'খোটানী ধম্মপদ' (খ্ৰীঃপূঃ ১ম শতিকাৰ পৰা খ্ৰীঃ ১ম শতিকা);

(খ) মধ্য-এছিয়াৰ প্ৰাচীন শ্বান্-শ্বান্ ৰাজ্যৰ নিয়া নামৰ ঠাইত পোৱা দলিল পত্ৰ, চমুকৈ নিয়া প্ৰাকৃত (খ্ৰীঃ ৩য় শতাব্দী)।

আন এগৰাকী ভাষাতাত্ত্বিক ড° সুকুমাৰ সেনে 'ক্ৰান্তি স্তৰ' হিচাপে নামকৰণ নকৰিলেও, মধ্য এছিয়াত প্ৰাপ্ত নথিসমূহৰ ভাষাগত অভিনৱত্বলৈ লক্ষ্য কৰি খ্ৰীঃপূঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ৩য় শতিকা পৰ্যন্ত— এই সময়ছোৱাক দুটা উপস্তৰত ভাগ কৰি দেখুৱাইছে। খ্ৰীঃপূঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ১ম শতাব্দীলৈ প্ৰথম উপস্তৰ আৰু খ্ৰীঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ৩য় শতাব্দীলৈ দ্বিতীয় উপস্তৰ। উল্লেখযোগ্য যে খৰোষ্ঠী বা 'খোটানী ধম্মপদ'ৰ সময় খ্ৰীঃপূঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ১ম শতাব্দী আৰু 'নিয়া প্ৰাকৃত'ৰ সময় খ্ৰীঃ ৩য় শতাব্দী বুলি পণ্ডিতসকলে অনুমান কৰিছে। এই ফালৰ পৰা ক্ৰান্তি স্তৰৰ সময় খ্ৰীঃপূঃ ১ম শতাব্দীৰ পৰা খ্ৰীঃ ৩য় শতাব্দী বুলি ধৰাহে যুগুত হয়।

ভাৰতবৰ্ষৰ বাহিৰত পোৱা হেতুকে এই নথিসমূহৰ ভাষাক 'বহিৰ্ভাৰতীয় প্ৰাকৃত' ৰূপে নামকৰণ কৰা হৈছে। কোনো কোনোৱে আকৌ ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চল বা প্ৰাচীন গান্ধাৰ ৰাজ্যত প্ৰচলিত কথিত ভাষাৰ লগত উল্লিখিত নথিসমূহৰ ভাষাগত সাদৃশ্যলৈ লক্ষ্য কৰি ইবোৰক 'গান্ধাৰ প্ৰাকৃত' বুলিছে।

**(খ) মধ্য স্তৰ বা সাহিত্যিক প্ৰাকৃত ঃ**

মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্য স্তৰটোৰ সময়ৰ পৰিব্যাপ্তি খ্ৰীষ্টীয় ১ম শতিকাৰ পৰা খ্ৰীষ্টীয় ৬ষ্ঠ শতিকা। এই সময়ছোৱাত ৰচিত বিপুল সাহিত্যৰাজিলৈ লক্ষ্য কৰি এই স্তৰটোক সাহিত্যিক প্ৰাকৃতৰ স্তৰ বুলিও কোৱা হয়। এইটো স্তৰৰ ভাষাৰ নিদৰ্শন নিম্নোক্ত নথিসমূহৰ মাজত সংৰক্ষিত হৈছে ঃ

(১) অশ্বঘোষৰ সংস্কৃত নাটক 'সাৰিপুত্ৰ প্ৰকৰণ'-ৰ প্ৰাকৃতাংশ (খ্ৰীঃ ১ম শতাব্দী);

(২) ভৰতৰ 'নাট্যশাস্ত্ৰ'ৰ 'ধ্ৰুৱা' গীতসমূহ;

(৩) সংস্কৃত নাটকত ব্যৱহৃত প্ৰাকৃতাংশ;

(৪) 'অৰ্ধ মাগধী'-ত ৰচিত জৈন ধৰ্মশাস্ত্ৰসমূহ; আৰু

(৫) 'মাহাৰাষ্ট্ৰী' প্ৰাকৃতত ৰচিত কাব্যপুথিসমূহ।

মন কৰিবলগীয়া যে শৌৰসেনী, মাগধী আৰু পৈশাচী সেই সময়ৰ অন্যতম 'সাহিত্যিক প্ৰাকৃত' আছিল যদিও, এই প্ৰাকৃত ভাষাকেইটাৰ মাধ্যমেৰে ৰচিত কোনো পূৰ্ণাঙ্গ সাহিত্যিক নিদৰ্শন পাবলৈ নাই। সংস্কৃত নাটকত শৌৰসেনী আৰু মাগধী যথাক্ৰমে মধ্যম আৰু নিম্ন চৰিত্ৰৰ মুখৰ ভাষা হিচাপে ব্যৱহৃত হৈছিল। কিন্তু স্বতন্ত্ৰভাৱে এই দুই প্ৰাকৃতত ৰচিত কোনো ৰচনা আজিকোপতি উদ্ধাৰ হোৱা নাই। একেদৰে বৈয়াকৰণকসলৰ উক্তি আৰু উদ্ধৃতিৰ বাহিৰে পৈশাচী প্ৰাকৃতৰো কোনো স্বতন্ত্ৰ নিদৰ্শন পোৱা নাযায়। এই প্ৰাকৃতত গুণাঢ্য নামৰ এগৰাকী অমিত প্ৰতিভাধৰ কথাকাৰে 'বড্‌ডকহা' নামৰ এখন মনোৰম গ্ৰন্থ ৰচনা কৰাৰ উল্লেখ পোৱা যায় যদিও উক্ত গ্ৰন্থৰ পাণ্ডুলিপি কালৰ বুকুত হেৰাই গ'ল। পৰৱৰ্তী কালৰ সংস্কৃত গ্ৰন্থ — সোমদেৱৰ 'কথাসৰিৎসাগৰ', ক্ষেমেন্দ্ৰৰ 'বৃহৎকথামঞ্জৰী' আৰু বুধস্বামীৰ 'বৃহৎকথা শ্লোকসংগ্ৰহ'-ৰ জৰিয়তেহে বড্ডকহাৰ স্বৰূপ সম্বন্ধে জানিব পৰা যায়।

**(গ) অন্ত্য স্তৰ বা অপভ্ৰংশ/অৱহট্‌ঠ ঃ**

মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰটোৰ সময় ধৰা হৈছে খ্ৰীষ্টীয় ৬ষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় ১০ম শতিকালৈ। এই স্তৰৰ নিদৰ্শন তলত উল্লেখ কৰা সাহিত্য-কৃতিসমূহৰ মাজত পোৱা যায় ঃ

(১) জৈন মতাৱলম্বীসকলৰ পৃষ্ঠপোষকতাত ৰচিত বিপুল অপভ্ৰংশ সাহিত্য;

(২) জৈন, শৈৱ-নাথ আৰু বৌদ্ধ সহজযান-বজ্ৰযান পন্থাৰ সাধকসকলৰ দ্বাৰা অৱহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশত ৰচনা কৰা নিজ নিজ ধৰ্ম-সাধনৰ গীত-পদ;

(৩) ধৰ্মীয় আদৰ্শ বহিৰ্ভূত অন্যান্য কাব্য।

আপুনি ইতিমধ্যে জানিব পাৰিছেই যে মধ্য-ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰটো দুভাগত বিভক্ত ঃ প্ৰাচীন অপভ্ৰংশ আৰু অৱহট্‌ঠ বা অৰ্বাচীন অপভ্ৰংশ। সাহিত্যিক প্ৰাকৃতৰ পৰিৱৰ্তিত ৰূপটোক প্ৰাচীন অপভ্ৰংশ আৰু আধুনিক ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰ পূৰ্বৰূপটোক অৰ্বাচীন অপভ্ৰংশ আখ্যা দিয়া হৈছে। পণ্ডিতসকলে প্ৰতিবিধ প্ৰাকৃতৰে একোটাহঁত অপভ্ৰংশ স্তৰৰ কথা কল্পনা কৰি লৈ আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ আৰু বিকাশৰ বুৰঞ্জী নিৰ্ণয় কৰিছে। মন কৰিবলগীয়া যে অপভ্ৰংশত ৰচিত সাহিত্যৰ ধাৰা নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱৰ বহু কাল পাছলৈকে— প্ৰায় ১৫শ শতাব্দী পৰ্যন্ত অব্যাহত আছিল।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) মধ্য ভাৰতীয় আৰ্যভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? (১০০টা শব্দৰ ভিতৰত লিখি উলিয়াওক।)

.....................................................................................................................

.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
(২) মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰ অনুসাৰে পোৱা নিদৰ্শনসমূহৰ এখন তালিকা প্ৰস্তুত কৰক।
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................
.............................................................................................................

## ২.৫ মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্য

মধ্য ভাৰতীয় আৰ্যভাষা বা প্ৰাকৃত ভাষাৰ প্ৰায় ডেৰ হাজাৰ জোৰা পৰিক্ৰমা কালানুক্ৰমিকভাৱে সুকীয়া সুকীয়া ভাষাতাত্ত্বিক বৈশিষ্ট্যেৰে সমৃদ্ধ হৈ উঠিছিল যদিও, সমগ্ৰ সময়ছোৱাত এই ভাষাৰ কেতবোৰ সাধাৰণ বা উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। দৰাচলতে মানুহৰ মুখ বাগৰি ঘটা পৰিৱৰ্তনৰ ফলত সৃষ্টি হোৱা এই ভাষাগত বৈশিষ্ট্যবোৰৰ বাবেই মধ্য ভাৰতীয় আৰ্যভাষা বৈদিক-সংস্কৃত বা প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ পৰা পৃথক হৈ পৰিছে। এইটো শিতানৰ পৰৱৰ্তী অংশত আপুনি এনে বৈশিষ্ট্যবোৰৰ বিষয়ে খৰচি মাৰি অধ্যয়ন কৰিবলৈ পাব।

### ২.৫.১ ধ্বনিতাত্ত্বিক বৈশিষ্ট্য

**(ক) স্বৰধ্বনি**

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ চৈধ্যটা স্বৰধ্বনিৰ ঠাইত মধ্য ভাৰতীয় আৰ্যভাষাত অ, আ, ই, ঈ, উ, ঊ, এ, ও— এই আঠোটা স্বৰধ্বনিৰ প্ৰয়োগ দেখা যায়। ঋ, ঌ, ৡ-ৰ ব্যৱহাৰ নাইকিয়া হ'ল। ঋ-ৰ ঠাইত অ, ই, উ, এ, অথবা স্বৰযুক্ত ৰ-ৰ প্ৰয়োগ হ'ল, যেনে—

| | | |
|---|---|---|
| ঋ > অ | ঃ | মৃগ > মগ ; কৃত > কত, কট |
| ঋ > ই | ঃ | ঋষি > ইসি |

| | | |
|---|---|---|
| ঋ > উ | ঃ | ঋষভ > উসহ |
| ঋ > এ | ঃ | গৃহ > গেহ |
| ঋ > স্বৰযুক্ত ৰ | ঃ | ঋদ্ধি > ৰিদ্ধি ; বৃক্ষ > ৰুক্‌খ, ৰুচ্ছ, ব্ৰচ্ছ |

(২) ঐ আৰু ঔ যৌগিক স্বৰ দুটা প্ৰায়ক্ষেত্ৰতে ক্ৰমে এ আৰু ও-ধ্বনিত পৰিণত হ'ল। যেনে— তৈল > তেল্ল, যৌৱন > জোব্বণ। অৱশ্যে পৰৱৰ্তী অক্ষৰত সংযুক্ত ব্যঞ্জন থাকিলে ঐ > ই, ঈ আৰু ঔ > উ, ঊ হোৱা দেখা যায়, যেনে— সৈন্ধব > সিন্ধব, মৌক্তিকম্ > মুত্তিঅং। কেতিয়াবা আকৌ যৌগিক ৰূপ গুচি সুকীয়া স্বৰ হিচাপেও ব্যৱহাৰ হয়, যেনে— কৈতব > কইঅব, যৌৱন > জউঅণ।

(৩) অয় আৰু অৱ দ্ব্যক্ষৰ দুটা স্বৰ-সংকোচনৰ ফলত ক্ৰমে এ আৰু ও-ধ্বনিলৈ ৰূপান্তৰিত হ'ল, যেনে— নয়তি > নেতি, নেদি, ণেই, অৱহসিত > ওহসিদ।

**(খ) ব্যঞ্জন ধ্বনি**

(১) মধ্য ভাৰতীয় আৰ্যভাষাত স্বৰমধ্যস্থিত স্পৰ্শবৰ্ণ ক, গ, চ, জ, ত, দ, প, ব প্ৰায়ে লোপ পালে কিংবা বৰ্গৰ প্ৰথম বৰ্ণৰ ঠাইত তৃতীয় বৰ্ণ হ'ল, যথা— লোক > লোঅ, নগৰ > ণঅৰ, লতা > লআ, লদা, মদন > মঅণ, কপি > কই, যুৱতী > জুঅই ইত্যাদি।

(২) স্বৰ মধ্যস্থিত অসংযুক্ত মহাপ্ৰাণ ধ্বনি প্ৰায়ে হ-লৈ ৰূপান্তৰিত হ'ল, যেনে— মুখ > মুহ, মেঘ > মেহ, পথিক > পহিঅ, বিধি > বিহি, শেফালিকা > সেহালিআ, লোভ > লোহ ইত্যাদি।

(৩) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ তিনিটা উষ্ম ধ্বনি ক্ৰমে শ, ষ, স-ৰ ঠাইত মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰত কেৱল স-ৰ ব্যৱহাৰ থাকিল, যথা— শাখা > সাহা, শিষ্য > সিস্‌স। অৱশ্যে মাগধী প্ৰাকৃতত 'শ'-হে ব্যৱহাৰ হোৱা দেখা যায়, যেনে— দিৱস > দিঅশ, পুৰুষ > পুলিশ, সুৰা > শুলা।

(৪) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ক্ষ-ধ্বনিটো মধ্য ভাৰতীয় আৰ্যভাষাত বিভিন্ন ধৰণে পৰিৱৰ্তিত হৈছিল, যেনে—

| | | |
|---|---|---|
| ক্ষ > ক্‌খ | ঃ | ইক্ষু > ইক্‌খু, চক্ষু > চক্‌খু (শৌৰ., পালি) |
| ক্ষ > চ্ছ | ঃ | মোক্ষ > মোচ্ছ (মাহা.) |
| ক্ষ > শ্‌ক | ঃ | প্ৰেক্ষতে > পেশ্‌কদি (মাগ.) |

(৫) পদান্তৰ বিসৰ্গযুক্ত অ-কাৰ মাগধীত এ-কাৰ আৰু অন্যান্য প্ৰাকৃতত ও-কাৰ হ'ল, যেনে— পুচ্ছিতঃ > পুশ্চিদে (মাগ.) স্নেহঃ > ণেহো, সন্দেহঃ > সংদেহো ইত্যাদি। অন্য স্বৰৰ পিছৰ বিসৰ্গ লোপ পালে।

(৬) সংযুক্ত ব্যঞ্জনৰ আৰু পদান্ত অনুস্বাৰৰ পূৰ্বৱৰ্তী দীৰ্ঘস্বৰ হ্ৰস্ব হ'ল, যথা— কৰ্তব্য > কত্তব্ব > কাতব্ব ; জানানাং > জণাণং।

(৭) পদান্তত ম-কাৰ থাকিলে তাৰ ঠাইত অনুস্বাৰ হ'ল, যেনে কথম্ > কহং।

(৮) অনুস্বাৰৰ বাহিৰে সকলো পদান্ত ব্যঞ্জন লুপ্ত হ'ল, যেনে— মালাং > মালং, কিন্তু, যাবৎ > জাব, তাবৎ > তাব।

(৯) ৰেফ্ ( ´ )-ৰ প্ৰয়োগ নাইকিয়া হ'ল। ৰেফযুক্ত বৰ্ণৰ ৰেফ্ লুপ্ত হ'ল আৰু বৰ্ণটোৰ দ্বিত্ব হ'ল, যেনে— কৰ্ণ > কণ্ণ, কৰ্ম > কম্ম, ধৰ্ম > ধম্ম।

(১০) য, জ-ৰ ঠাইত 'জ'-ৰ ব্যৱহাৰ বৃদ্ধি পালে।

(১১) মূৰ্ধন্যীভৱন, তালব্যীভৱন আৰু নাসিক্যভৱনৰ প্ৰৱণতাৰ ফলত ব্যঞ্জন ধ্বনিৰ প্ৰায়ক্ষেত্ৰতে গুণগত পৰিৱৰ্তন ঘটিল।

(১২) শব্দৰ আদি অৱস্থানত সংযুক্ত ব্যঞ্জন থাকিলে সি একক ব্যঞ্জনলৈ ৰূপান্তৰিত হ'ল, অথবা স্বৰভক্তিৰ দ্বাৰা সৰলীকৃত হ'ল, যথা— স্নেহ > ণেহ, গ্ৰহণম্ > গহণং, ক্লেশ > কিলেস ইত্যাদি। কেতিয়াবা স্বৰৰ আগমৰ দ্বাৰাও আদিস্থিত সংযুক্ত ব্যঞ্জন সৰল হ'ল যেনে— স্ত্ৰী > ইত্থী।

**(গ) সন্ধি**

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ এক উল্লেখযোগ্য বৈশিষ্ট্য আছিল সন্ধিৰ প্ৰাচুৰ্য। ওচৰা-উচৰিকৈ থকা দুটা বৰ্ণৰ মাজত য'তেই সম্ভৱ ত'তেই সন্ধি হোৱাটো এই ভাষাৰ এক নিয়মত পৰিণত হৈছিল। ইয়াৰ ফলত সন্ধিৰ প্ৰক্ৰিয়াটো যথেষ্ট জটিল হৈ পৰিছিল। মধ্য ভাৰতীয় আৰ্যভাষাত সন্ধিৰ জটিলতা ভালেখিনি হ্ৰাস পালে। পদান্ত ব্যঞ্জনৰ লোপৰ ফলত আৰু সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণৰ ফলত ব্যঞ্জন সন্ধি আৰু বিসৰ্গ সন্ধি এই স্তৰত নাইকিয়া হ'ল। স্বৰসন্ধিয়েও সংস্কৃতৰ বাধ্যতামূলক ৰীতি এৰি আপোন বাটেৰে বাট বুলিবলৈ ল'লে।

**(ঘ) মাত্ৰামূলক ছন্দ**

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ অক্ষৰৰ সংখ্যা আৰু গুৰু-লঘুৰ ভিত্তিত অক্ষৰমূলক ছন্দৰীতিৰ প্ৰৱৰ্তন হৈছিল। মধ্য ভাৰতীয় আৰ্যভাষাৰ স্তৰত অক্ষৰৰ উচ্চাৰণৰ কাল বা মাত্ৰা বিচাৰ কৰি ছন্দ নিৰ্ণয় কৰা হ'ল; অৰ্থাৎ, ছন্দ হৈ পৰিল মাত্ৰামূলক।

### ২.৫.২ ৰূপতাত্ত্বিক বৈশিষ্ট্য

**(ক) শব্দৰূপ**

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষাত অন্ত্যস্বৰ অনুসাৰে শব্দৰ ভিন ভিন ৰূপ কৰাৰ বৈশিষ্ট্য মধ্য ভাৰতীয় আৰ্যভাষাত লোপ পালে। অ-কাৰান্ত, ই-কাৰান্ত আৰু উ-কাৰান্ত শব্দৰ বাহিৰে অন্যান্য শব্দৰ ৰূপ অ-কাৰান্তৰ দৰে হ'ল। ই-কাৰান্ত আৰু উ-কাৰান্ত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ শব্দ অ-কাৰান্তৰ দৰেই ৰূপ হ'বলৈ ধৰিলে। ঋ-ধ্বনি অন্য স্বৰলৈ ৰূপান্তৰিত হোৱা হেতুকে ঋ-কাৰান্ত শব্দৰূপ নাইকিয়া হ'ল।

(২) পদান্ত ব্যঞ্জন লোপ হোৱাৰ ফলত পুংলিঙ্গ আৰু ক্লীৱলিঙ্গৰ ভেদ নোহোৱা হ'ল।

(৩) বচন থাকিল মাত্ৰ দুটা— একবচন আৰু বহুবচন। দ্বিবচন সম্পূৰ্ণ লোপ পালে আৰু তাৰ ঠাইত বহুবচনৰ ব্যৱহাৰ হ'ল।

(৪) বিশেষ্য আৰু সৰ্বনামৰ শব্দৰূপৰ প্ৰভেদ কমি আহিল। পঞ্চমী আৰু সপ্তমীৰ একবচনত আৰু ষষ্ঠীৰ বহুবচনত সৰ্বনামৰ বিভক্তিয়েই বিশেষ্যৰ ৰূপতো প্ৰয়োগ হ'বলৈ ধৰিলে।

(৫) প্ৰাচীন ভাৰতীয় আৰ্যভাষাত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গবাচক স্বৰান্ত শব্দৰ বহুবচনৰ প্ৰথমা আৰু দ্বিতীয়াৰ ৰূপ ভিন ভিন ধৰণে হৈছিল। পালি-প্ৰাকৃত-অপভ্ৰংশৰ স্তৰত এই ভেদ লুপ্ত হ'ল। আকৌ তৃতীয়াৰ বহুবচনৰ বিভক্তি '-হি' (< - ভিঃ) পঞ্চমী ৰূপেও ব্যৱহাৰ হ'বলৈ ল'লে। তদুপৰি, চতুৰ্থী আৰু সম্বন্ধপদৰ ষষ্ঠী একাকাৰ হৈ পৰিল।

(৬) বিভক্তিৰ ঠাইত অনুসৰ্গ বা অনুসৰ্গজাত প্ৰত্যয়ৰ দ্বাৰাও বিভিন্ন কাৰকৰ প্ৰকাশ হ'বলৈ ধৰিলে।

**(খ) ধাতুৰূপ**

(১) ধাতুৰূপৰ জটিলতা মধ্য ভাৰতীয় আৰ্যৰ স্তৰত ভালেখিনি হ্ৰাস পালে। বৈদিক সংস্কৃতৰ ধাতুৰ দহোটা গণৰ ঠাইত পালিত সাতোটা আৰু প্ৰাকৃতত তিনিটা গণহে ৰক্ষিত হ'ল। সকলো ধাতু ভ্বাদিগণীয়ৰ দৰে ৰূপ হ'বলৈ ধৰিলে।

(২) আত্মনেপদ আৰু পৰস্মৈপদ— এই দুই ক্ৰিয়াৰূপৰ ঠাইত মধ্য ভাৰতীয় স্তৰত কেৱল পৰস্মৈপদৰ ব্যৱহাৰ থাকিল।

(৩) শব্দৰূপৰ দৰে ধাতুৰূপতো দ্বিবচন লোপ পালে আৰু তাৰ ঠাইত বহুবচনৰ ব্যৱহাৰ চলিল।

(৪) প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ কাল আৰু ভাৱ প্ৰকাশক দহোটা ল-কাৰ (লট্, লোট্, বিধিলিঙ্, আশীৰ্লিঙ্, লঙ্, লিট্, লুঙ্, লৃঙ্, লুট্ আৰু লৃট্)-ৰ ঠাইত মধ্য ভাৰতীয় আৰ্যভাষাত মাত্ৰ লট্, লোট্, লৃট্ আৰু বিধিলিঙ্— এই চাৰিটাহে ৰক্ষিত হ'ল।

(৫) সংস্কৃতৰ নিষ্ঠান্ত (ত-প্ৰত্যয়ান্ত) পদক অতীত কালৰ সমাপিকা ক্ৰিয়া ৰূপে প্ৰয়োগ কৰাৰ ব্যাপক প্ৰচলন ঘটিল।

(৬) বৈদিক সংস্কৃতৰ অসমাপিকা ক্ৰিয়া-গঠনৰ বৈচিত্ৰ্য মধ্য ভাৰতীয় স্তৰত নাইকিয়া হ'ল।

**২.৫.৩ শব্দগত বৈশিষ্ট্য**

মধ্য ভাৰতীয় আৰ্যভাষাৰ শব্দ-ভাণ্ডাৰ মূলতঃ বৈদিক-সংস্কৃতৰ পৰা আহৰিত যদিও, এই স্তৰত ভালেমান নতুন শব্দৰ ব্যৱহাৰো লক্ষ্য কৰা যায়। এই শব্দবোৰৰ মূল বৈদিক-সংস্কৃতত পাবলৈ নাই। সম্ভৱতঃ এইবোৰ শব্দ স্থানীয় অন্য কোনো ভাষাৰ পৰা

অহা। প্ৰাকৃত ব্যাকৰণকাৰসকলে এইবোৰক ‘দেশী’ শব্দৰূপে অভিহিত কৰিছে। এই স্তৰৰ ভাষাৰ শব্দবোৰক এনেদৰে শ্ৰেণীবদ্ধ কৰি দেখুৱাব পাৰি ঃ—

**(১) তৎসম শব্দ ঃ যেনে,—** গঙ্গা, ইচ্ছা, জল, মালা, তৰু, সিন্ধু, দন্ত ইত্যাদি।

**(২) তদ্ভৱ শব্দ ঃ যেনে,—** অজ্জ (অদ্য), সদ্দ (শব্দ), অপ্পমত্ত (অপ্ৰমত্ত/অল্পমাত্ৰ), পসাদীকিদো (প্ৰসাদীকৃতঃ), দিট্‌ঠ (দৃষ্ট), সচ্চ (সত্য), কম্ম (কৰ্ম), হিঅঅ (হৃদয়), মুহ (মুখ) ইত্যাদি।

**(৩) দেশী শব্দ ঃ যেনে,—** চঙ্গ (সুন্দৰ), ছইল্ল (বিদগ্ধ), ছজ্জন্তি (দীপ্যন্তি), চক্‌খই (আস্বাদয়তি), টঙ্ক (উচ্চ), ছল্লী (বল্কলম্), মডহ (অল্প) ইত্যাদি। এনে আন কিছুমান শব্দ হ’ল— কুক্ক, কৰকৰায়, ঝসুৰ, বোলাৰিঅ, টপ্পৰ, টিল্লঅৰা, চিক্কণ, সিহণ, মহল্ল, মদ্দল, হলবোলো, হক্কাৰিঅ ইত্যাদি।

**(৪) বিদেশী শব্দ ঃ যেনে,—** হোৰা (গ্ৰীক হোৰ), সুৰঙ্গ/সুৰঈ (গ্ৰীক সুৰিংকস্), দম্ম (গ্ৰীক দাক্‌মে), মুদ্দ (পাৰ্চী মুদ্ৰায়), হজাৰো (পাৰ্চী হজাৰ), মোজা (পাৰ্চী মোজাহ), নমতি (পাৰ্চী নম্‌দহ), তবেল্লা (আৰবী তব্‌ল), কিতেবা (আৰবী কিতাব), সৰাফে (আৰবী সৰ্‌ৰাফ), ঠক্কুৰ (তুৰ্কী তিগিৰ) ইত্যাদি।

মধ্য ভাৰতীয় আৰ্যভাষাৰ এই বৈশিষ্ট্যসমূহ জনসাধাৰণৰ মুখ বাগৰি হোৱা দীৰ্ঘকালীন পৰিৱৰ্তনৰ ফল। এইবোৰ একেদিনাই বা একে সময়তে গঢ় লৈ উঠা নাছিল। সেইবাবে প্ৰথম অৱস্থাত (অশোকৰ অনুশাসন, পালি ভাষা) এই বৈশিষ্ট্যবোৰৰ বিকল্প ৰূপো প্ৰত্যক্ষ কৰা যায়। উদাহৰণস্বৰূপে মধ্য ভাৰতীয় স্তৰত ধাতুৰূপৰ আত্মনেপদ আৰু পৰস্মৈপদৰ ভিতৰত কেৱল পৰস্মৈপদৰ ব্যৱহাৰ থকা বুলি কোৱা হৈছে যদিও, অশোকৰ অনুশাসন আৰু পালি ভাষাত আত্মনেপদ ৰূপৰ ব্যৱহাৰো কিছু পৰিমাণে লক্ষ্য কৰা যায়। এনেদৰে বিক্ষিপ্তভাৱে দেখা দিয়া পৰিৱৰ্তনসমূহে পৰৱৰ্তী সময়ত এক শৃংখলিত ৰূপ লাভ কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) মধ্য ভাৰতীয় আৰ্যভাষাৰ ধ্বনিগত আৰু ৰূপগত বৈশিষ্ট্যবোৰ বাচি উলিয়াবলৈ যত্ন কৰক।

.................................................................................................

.................................................................................................

..........................................................................................................................

..........................................................................................................................

(২) বৈদিক সংস্কৃতৰ সংযুক্ত ব্যঞ্জনবোৰে পালি-প্ৰাকৃত-অপভ্ৰংশৰ স্তৰত কেনে পৰিণতি লাভ কৰিছিল। (৫০ টা শব্দৰ ভিতৰত লিখি উলিয়াওক।)

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

(৩) মধ্য ভাৰতীয় আৰ্যভাষাৰ শব্দ-সম্ভাৰৰ শ্ৰেণী বিভাজন কৰি দেখুৱাওক।

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

## ২.৬ সাৰাংশ (Summing Up)

আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে এই বিভাগটোত দুই ধৰণৰ বিষয়বস্তুৰ আলোচনা কৰা হৈছে। অৱশ্যে দুয়োটা বিষয় পৰস্পৰে পৰস্পৰৰ পৰিপূৰক। প্ৰথম পৰ্যায়ত মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ, বিকাশ আৰু স্তৰ বিভাজন সম্পৰ্কে আলোচনা কৰাৰ লগে লগে এই ভাষাৰ ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দসম্ভাৰগত সাধাৰণ বা উমৈহতীয়া বৈশিষ্ট্যবোৰ উল্লেখ কৰা হৈছে। লৌকিক সংস্কৃত পৰ্যায়তে বৈদিক সংস্কৃতৰ ভালেমান পৰিৱৰ্তন গঠিত হৈছে। পালি প্ৰাকৃত স্তৰত এই পৰিৱৰ্তন সৰ্বাধিক। বিশেষকৈ ধ্বনিগত পৰিৱৰ্তনৰ বাবে সংস্কৃত ভাষা মধ্য ভাৰতীয় আৰ্যভাষা স্তৰত বহলাংশ সৰলীকৃত হৈছে। ধ্বনিৰ ক্ষেত্ৰত সংস্কৃতৰ ১৪টা স্বৰৰ ঠাইত ম, ভা, আ ভাষাত ৮ স্বৰৰ ব্যৱহাৰ থাকিল। কেতবোৰ স্বৰ অন্য স্বৰলৈ পৰিৱৰ্তন হ'ল। ব্যঞ্জন বৰ্ণৰ ক্ষেত্ৰতো বহুতো পৰিৱৰ্তন হ'ল। বচন দুটা ৰক্ষিত থাকিল। ধাতুৰূপৰ জটিলতা লোপ পালে। কেৱল পৰস্মৈপদৰ ব্যৱহাৰহে থাকিল। ১০ টা ল-কাৰৰ ৪ টাহে ৰক্ষিত থাকে। এনেদৰে ম, ভা, আ ভাষা সৰলীকৃত হয়।

## ২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। মধ্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ আৰু বিকাশৰ বুৰঞ্জী দেখুৱাই এটি আলচ যুগুত কৰক।

২। মধ্য ভাৰতীয় আৰ্যভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? প্ৰতিটো স্তৰৰ একোটা পৰিচয় দাঙি ধৰক।

৩। সাহিত্যিক প্ৰাকৃত বুলিলে কি বুজায়? সাহিত্যিক প্ৰাকৃত কেই প্ৰকাৰৰ? প্ৰতিবিধৰ পৰিচয় দিয়ক।

৪। মধ্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ একাদিক্ৰমে উল্লেখ কৰক।

## ২.৮ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)

**অসমীয়া ঃ—**

অমূল্যচৰণ সেন ঃ *অশোকৰ অনুশাসনাৱলী*

দেবিদাস ভট্টাচাৰ্য ঃ *মধ্য ভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা*

ঃ *অশোকৰ অনুশাসনমালা*

নগেন ঠাকুৰ ঃ *প্ৰাকৃত সাহিত্য চয়ন*

(——) ঃ *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন*

(——) ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

লীলাৱতী শইকীয়া ঃ *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*

**ইংৰাজী ঃ—**

R. Thapar : *A History of India*

A. Sen : *Asoka's Edicts*

D.C. Sirkar : *Inscriptions of Asoka*

*M. Winternitz* : *History of Indian Literature*

*****

# তৃতীয় বিভাগ
# পালি ভাষা

**বিভাগৰ গঠনঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ পালি শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু নামকৰণৰ তাৎপৰ্য
৩.৪ পালি ভাষাৰ ঐতিহাসিক ক্ৰমবিকাশ
৩.৫ পালি ভাষাৰ জন্মস্থান
৩.৬ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য
 ৩.৬.১ ধ্বনিতত্ত্ব
 ৩.৬.২ ৰূপতত্ত্ব
৩.৭ পালি সাহিত্যৰ সাধাৰণ পৰিচয়
৩.৮ সাৰাংশ (Summing Up)
৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

## ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটোত আপোনালোকে মধ্যভাৰতীয় আৰ্যভাষাৰ যি স্তৰ বিভাজনৰ বিষয়ে অধ্যয়ন কৰিলে, সেই স্তৰ বিভাজনৰ অন্তৰ্গত আদি স্তৰৰ প্ৰথম সাহিত্যিক নিদৰ্শন হৈছে পালি ভাষা। এই বিভাগটিত মধ্যভাৰতীয় আৰ্য ভাষাৰ প্ৰথম স্তৰ পালি ভাষাৰ বিষয়ে আলোচনা কৰা হ'ব।

মানুহৰ মানসিক উৎকৰ্ষ সাধন আৰৰু সামাজিক মুক্তিৰ লক্ষ্য আগত লৈ গৌতম বুদ্ধই তৎকালীন ভাষাৰে জনসাধাৰণৰ মাজত তেওঁৰ আধ্যাত্মিক আৰু নৈতিক ধ্যান-ধাৰণা প্ৰচাৰ কৰিছিল। এইগৰাকী মনীষীৰ মহাপৰিনিৰ্বাণৰ (খ্ৰীঃ পূঃ ৪৮৪) অব্যৱহিত পৰৱৰ্তী কালত তেওঁৰ বাণীসমূহ অবিকৃত ৰূপত ধৰি ৰখাৰ প্ৰচেষ্টা আৰম্ভ হয়। অৱশেষত কেইবাশ বছৰ জোৰা চেষ্টাৰ অন্তত তিনিখনকৈ বৌদ্ধ মহাসংগীতি বা মহামেলৰ জৰিয়তে তেওঁৰ মৌখিকভাৱে প্ৰৱাহিত বচনসমূহ তৎকালীনভাৱে প্ৰচলিত ভাষাটোৰ পৰিমাৰ্জিত ৰূপৰ মাধ্যমেৰে একত্ৰ সংকলিত হয়। সময়ত বুদ্ধ-বচন বহন কৰা বৌদ্ধশাস্ত্ৰসমূহৰ ভাষাটো জনসাধাৰণৰ মাজত পালি ভাষাৰূপে জনাজাত হয়। গতিকে পালি ভাষাক মধ্য ভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ একমাত্ৰ সাহিত্যিক ভাষা বুলিব পাৰি। বৌদ্ধধৰ্ম শাস্ত্ৰৰ ভাষা হোৱা হেতুকে কোনো কোনোৱে ইয়াক 'বৌদ্ধ-প্ৰাকৃত' ৰূপেও নামকৰণ কৰিব খোজে।

এইটো বিভাগত আপুনি উল্লিখিত পালি ভাষাৰ আটাইবোৰ দিশ; যথা— পালি শব্দৰ ব্যুৎপত্তিগত দিশ, নামকৰণৰ তাৎপৰ্য, ঐতিহাসিক ক্ৰমবিকাশ, বৈশিষ্ট্য, সাহিত্যৰ পৰিচয় ইত্যাদি সম্পৰ্কে খৰচি মাৰি অধ্যয়ন কৰিবলৈ পাব।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি —

- মধ্যভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ প্ৰথম সাহিত্যিক নিদৰ্শন হিচাপে পালি ভাষাৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰি;
- বৌদ্ধশাস্ত্ৰৰ ভাষা হিচাপে পালি ভাষাৰ ঐতিহাসিক ক্ৰমবিকাশ বিশ্লেষণ কৰি দেখুৱাব পাৰিব;
- পালি ভাষাৰ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাব পাৰিব; আৰু
- পালি ভাষাত ৰচিত সাহিত্যৰ বিষয়ে যথাৰ্থ আলোচনা আগবঢ়াব পাৰিব।

### ৩.৩ পালি শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু নামকৰণৰ তাৎপৰ্য

'পালি ভাষা' শব্দগুচ্ছই মুলতঃ হীনযান পন্থী বৌদ্ধসকলৰ দ্বাৰা চৰ্চিত আৰু বৌদ্ধ-ধৰ্মশাস্ত্ৰ ৰচনাৰ বাবে ব্যৱহৃত মধ্যভাৰতীয় আৰ্যভাষাৰ আদি স্তৰৰ ভাষাটোক বুজায়। অৱশ্যে সেই ভাষাটোক কিয় 'পালি' আখ্যা দিয়া হ'ল, সেই সম্পৰ্কে নিশ্চিতভাৱে একো ক'ব নোৱাৰি। বৌদ্ধ-ধৰ্মশাস্ত্ৰ 'ত্ৰিপিটক' তথা অন্যান্য 'পালি' সাহিত্যত এই শব্দটোৰ ব্যুৎপত্তি সম্বন্ধে কোনো ব্যাখ্যা পোৱা নাযায়। পণ্ডিতসকলে বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰি পালি শব্দৰ ব্যুৎপত্তি তথা নামকৰণ সম্বন্ধে বিভিন্ন মত উত্থাপন কৰিছে। সেইবোৰৰ ভিতৰত উল্লেখযোগ্য বুলি বিবেচিত মতকেইটি তলত উল্লেখ কৰা হ'ল ঃ

(ক) কাৰো কাৰো মতে 'পল্লী'ৰ ভাষা পালি ভাষা। 'পল্লী' শব্দৰ অৰ্থ হৈছে 'চুবুৰি'। পালি যিহেতু তৎকালীন জনসাধাৰণৰ মুখৰ ভাষাৰ পৰিশীলিত ৰূপ, এতেকে 'পল্লী'ৰ পৰা ইয়াৰ ব্যুৎপত্তি মানি ল'বলৈ টান।

(খ) আন কিছুমানৰ মতে 'পালি' পাটলি শব্দৰ পৰিৱৰ্তিত ৰূপ। বৌদ্ধধৰ্মৰ পৰিব্যাপ্তিৰ কালত ইয়াৰ মূল কেন্দ্ৰস্থল আছিল পাটলিপুত্ৰ নগৰ। এতেকে 'পাটলি' শব্দ সময়ৰ বিৱৰ্তনত 'পালি' হৈছে। কিন্তু এই ক্ষেত্ৰতো পণ্ডিতসকল দ্বিধাগ্ৰস্ত। কাৰণ এখন নগৰৰ নামেৰে বৃহৎ জনগোষ্ঠী এটাৰ ভাষাৰ নামকৰণ সম্ভৱ নহয়।

(গ) কিছুমানে আকৌ 'পাঠ'ৰ পৰা 'পালি'ৰ উৎপত্তি হৈছে বুলি কৈছে। মন কৰিবলগীয়া বিষয় যে খ্ৰীষ্টীয় পঞ্চম শতাব্দীত 'বুদ্ধবাণী' বুজাবলৈ প্ৰথমবাৰৰ বাবে আচাৰ্য বুদ্ধঘোষৰ 'অট্‌ঠকথাত' ত 'পালি' শব্দৰ উল্লেখ পোৱা যায়, যথা — 'পালিমত্তংইধানীতং নথি অট্‌ঠকথাইধ' (পালি মাত্ৰ ইয়ালৈ অনা হৈছে, অৰ্থ কথা (ভাষ্য) অনা হোৱা নাই)। বুদ্ধঘোষে 'পালি' শব্দৰ দ্বাৰা নিঃসন্দেহে মূল 'পাঠ'(text ) বুজাইছে। ইয়াৰ আধাৰত পণ্ডিত Geiger এ মন্তব্য কৰিছে ঃ "The word Pali signifies only text" গতিকে পাঠ> পাল > পালি এনেদৰে শব্দটোৰ উৎপত্তি হৈছে। অৱশ্যে ভাষাতাত্ত্বিক দৃষ্টিকোণৰ পৰা এনে পৰিৱৰ্তনৰ ব্যাখ্যা দিয়া কঠিন।

(ঘ) এচাম পণ্ডিতৰ মতে পংক্তি শব্দৰ পৰা 'পালি' হৈছে। 'পংক্তি' শব্দৰ অৰ্থ আছিল 'বুদ্ধবচনৰ পংক্তি বিশেষ'। পাছলৈ অৰ্থবিস্তাৰ ঘটি 'বুদ্ধবচন' সংৰক্ষণ কৰা

ভাষাটোক বুজাবলৈ ল'লে। এই মতৰ ঘাই প্ৰৱক্তা হৈছে আচাৰ্য বিধুশেখৰ শাস্ত্ৰী। তেওঁ 'পালি প্ৰকাশ' নামৰ গ্ৰন্থত 'পংক্তি'ৰ পৰা 'পালি' ৰ উৎপত্তি হোৱা বুলি দৃঢ়মত পোষণ কৰিছে। প্ৰথম অৱস্থাত 'পালি' শব্দই বৌদ্ধশাস্ত্ৰৰ পংক্তি বা মূল শাস্ত্ৰ ত্ৰিপিটকক বুজাইছিল। পৰৱৰ্তী সময়ত ই বৌদ্ধশাস্ত্ৰৰ ভাষাক বুজাবলৈ ল'লে। অৱশ্যে এই ক্ষেত্ৰটো 'পংক্তি'ৰ পৰা 'পালি' হোৱাৰ ধ্বনিতাত্ত্বিক ব্যাখ্যা বিচাৰি পোৱা নাযায়।

(ঙ) কোনো কোনোৱে 'পালন কৰা' অৰ্থত 'পাল্' ধাতুৰ পৰা 'পালি' হোৱা বুলি অভিমত দিছে। পণ্ডিত ধৰ্মানন্দ কৌশাম্বীৰ মতে পালি হ'ল বুদ্ধবাণীৰ সংৰক্ষক এটি ভাষা। Childers ৰ Pali Dictionary ত 'সদ্দত্থং পালেতীতি পালি', অৰ্থাৎ শব্দ আৰু অৰ্থ পালন কৰা ভাষাই পালি বুলি উল্লেখ কৰা হৈছে। 'পাল' ধাতুৰ লগত 'ই' প্ৰত্যয়ৰ সংযোগত 'পালি'ৰ উৎপত্তি হৈছে। অধ্যাপক নগেন ঠাকুৰে অৱশ্যে পাল্ + ই > পালিৰ ব্যুৎপত্তিত 'ই' প্ৰত্যয়টোৰ কোনো ব্যাখ্যা বিচাৰি পোৱা নাযায় বুলি উল্লেখ কৰিছে। সেয়ে হ'লেও, "বুদ্ধৰ উপদেশ য'ত ৰক্ষিত বা পালিত, সিয়েই 'পালি' বুলি বুজিব পাৰি" বুলি তেওঁ মন্তব্য কৰিছে।

(চ) কোনো কোনোৱে 'পৰ্যায়' শব্দৰ পৰা 'পালি'ৰ উৎপত্তিৰ সম্ভাৱনা দেখুৱাইছে। তেওঁলোকৰ মতে পৰ্যায় = পৰিযায় > পলিয়ায় > পালি — এনেদৰে 'পালি'ৰ উদ্ভৱ হৈছে।

(ছ) ভাষাতত্ত্ববিদ সুকুমাৰ সেন মহাশয়ে সংস্কৃত 'পৰিভাষা'ৰ পৰা 'পালি'ৰ উৎপত্তি হ'ব পাৰে বুলি অনুমান কৰিছে। তেওঁৰ মতে, পৰিভাষা >* পাৰিভাষা > পালিভাষা > পালি হোৱাটো অস্বীকাৰ কৰিবলৈ টান।

(জ) কোনো কোনো পণ্ডিতে 'পেলেষ্টাইন' পাৰস্যৰ ৰাজবংশ আৰু ভাষা দুয়োটা বুজোৱা 'পহ্লবী' শব্দৰ পৰাও 'পালি'ৰ উৎপত্তিৰ সম্ভাৱনা দেখুৱাইছে। অৱশ্যে এই মতৰ ভিত্তি অতিশয় দুৰ্বল।

সি যি কি নহওক, 'পালি' শব্দৰ ব্যুৎপত্তি আৰু নামকৰণ সম্বন্ধে এনেদৰে নানা মুনিৰ নানা মত পোৱা যায় যদিও, এইবোৰৰ কোনো এটা বিশেষ মত সকলোৱে গ্ৰহণযোগ্য হৈ উঠা বুলি ক'ব নোৱাৰি। তথাপি পণ্ডিতসকলৰ মতসমূহ বিচাৰ-বিশ্লেষণ কৰি ইয়াৰ উৎস 'পাঠ' অথবা 'পাল' (পালন কৰা) অথবা 'পংক্তি'ৰ সৈতে জড়িত বুলি অনুমান কৰিব পাৰি। অৰ্থাৎ "য'ত বুদ্ধ-বচনৰ পাঠ বা পংক্তি পালিত বা ৰক্ষিত সিয়েই 'পালি'।"

**আত্মমুল্যায়ন প্ৰশ্ন**

পালি ভাষাৰ নামকৰণৰ তাৎপৰ্য ৩০ টা শব্দৰ ভিতৰত বিশ্লেষণ কৰক।

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৪ পালি ভাষাৰ ঐতিহাসিক ক্রমবিকাশ

পণ্ডিতসকলে সুসংবদ্ধ পালি ভাষাৰ উদ্ভৱৰ সময় খ্রীঃ পূঃ তৃতীয় শতাব্দীৰ পৰা খ্রীঃ দ্বিতীয় শতিকা বুলি অনুমান কৰিছে। কিন্তু, সেয়ে হ'লেও, খ্রীঃ পূঃ ষষ্ঠ শতাব্দীৰ পৰাই অসংবদ্ধভাৱে তৎকালীন কথিত প্রাকৃত ভাষাৰ মাধ্যমেৰে শিথিলধর্মী গাথা সাহিত্যৰ ৰচনাৰ প্রয়াস চলিছিল বুলি অনুমান কৰিব পাৰি। এনে শিথিলধর্মী মিশ্র ভাষাৰ জৰিয়তে 'বুদ্ধ-বচন'ৰ মৌখিক সংকলন কার্যও যে সেই কালত চলিছিল, সেই কথা 'বিনয়পিটক'-ত বুদ্ধঘোষে উদ্ধৃত কৰা এটি কাহিনীৰ পৰা জানিব পৰা যায়। কাহিনীটোৰ মতে, নতুনকৈ দীক্ষিত দুগৰাকী ব্রাহ্মণ শিষ্যই বুদ্ধদেৱৰ ওচৰত নিবেদন কৰিলে, 'প্রব্রজিত ভিক্ষুসকলে নিজ নিজ ভাষাত বুদ্ধবচনসমূহ আওৰাই সেইবোৰ দূষিত কৰিছে। অনুমতি দিলে আমি সেইবোৰক সংস্কৃত ৰূপ দিব পাৰোঁ।' ইয়াৰ উত্তৰত বুদ্ধই ক'লে, 'মোৰ বচন ছন্দত আৰোপিত নকৰিবা (সংস্কৃত ৰূপ নিদিবা); কৰিলে দুষ্কৃত নামৰ পাপ হ'ব। তেওঁলোকে নিজৰ ভাষাতে মোৰ বাণী গ্রহণ কৰক।' বুদ্ধদেৱে উল্লেখ কৰা এই 'নিজ ভাষা' 'সকায় নিৰুত্তিয়া' নামেৰে জনাজাত আছিল। বুদ্ধঘোষে 'সকায় নিৰুত্তিয়া'-ক মাগধী ভাষা বুলিছে যদিও ইয়াক পালি ভাষাৰ আদি ৰূপ আখ্যা দিয়াহে উচিত।

পালি ভাষা কাপ-মৈলামত কেতিয়াৰ পৰা আবদ্ধ হ'ল সেই কথা সঠিককৈ জনাৰ উপায় নাই। সেয়ে হ'লেও, এই কথা ঠিক যে বুদ্ধদেৱৰ মহাপৰিনির্বাণৰ (খ্রীঃ পূঃ ৪৮৪) পূর্বে এই কামত কোনেও হাত দিয়া নাছিল। প্রথম অৱস্থাত 'বুদ্ধবাণী'সমূহ 'গুৰু-শিষ্য-পৰম্পৰা'-ৰে মৌখিকভাৱে প্রৱাহিত হৈছিল। অৱশ্যে ভাষাৰ যথাযথ প্রয়োগৰ দিশত দুয়োপক্ষ অতিশয় কঠোৰ আৰু সতর্ক আছিল। সেইবাবেই এইবোৰ অবিকৃতভাৱে এক পুৰুষৰ পৰা আন এক পুৰুষলৈ চলি অহাটো সম্ভৱ হৈছিল।

সি যি কি নহওক, বুদ্ধ-বচনৰ 'মুখপাঠ'ৰ সূচনা হয় আনুমানিক ৪৪৭ খৃষ্ট-পূর্বাব্দত ৰাজগীৰ বা ৰাজগৃহত অনুষ্ঠিত প্রথম বৌদ্ধ-মহাসংগীতিত। ইয়াৰ এশ বছৰৰ পাছত বৈশালীত অনুষ্ঠিত দ্বিতীয় বৌদ্ধ-মহাসংগীতিত 'বুদ্ধ-বচন'ৰ আবৃত্তি কৰা হয় আৰু 'বিনয়' অংশ সংশোধিত কৰা হয়। তৃতীয় বৌদ্ধ-মহাসংগীতি অনুষ্ঠিত হয় অশোকৰ ৰাজত্বকালত — পাটলিপুত্রত, ২৪৭ খৃষ্ট পূর্বাব্দত। এই বৌদ্ধ মহামেলতে 'কথাবত্থু' নামৰ 'অভিধর্ম প্রকৰণ' সংকলিত হয় আৰু লিখিত ভাষা হিচাপে পালি ভাষাই আত্মপ্রকাশ কৰে। মন কৰিবলগীয়া যে অশোকে ভাৱৰু বৈৰাট অনুশাসনত ভিক্ষুসকলক সাতখন বৌদ্ধধর্ম সম্পর্কীয় গ্রন্থ অধ্যয়ন কৰিবলৈ উপদেশ দিছে। এনে উপদেশ নিশ্চয় লিখিত শাস্ত্র সম্পর্কে দিয়াটোহে সম্ভৱ।

অশোকৰ সময়তে সম্ভৱতঃ 'ত্রিপিটক' 'সুত্ত', 'বিনয়' আৰু 'অভিধর্ম'ৰ তিনিওটা অংশৰ সংকলন সমাপ্ত হৈছিল। এই ত্রিপিটককে অশোকৰ পুত্র বা ভাতৃ মহেন্দ্রই সিংহললৈ লৈ গৈছিল। অৱশ্যে Oldenberg, E. Muller আদি পণ্ডিতে সমুদ্রগামী বণিকসকলৰ জৰিয়তে মহেন্দ্রৰ যাত্রাৰ বহুপূর্বেই সিংহলত বৌদ্ধধর্মৰ প্রচাৰ আৰু প্রসাৰ ঘটিছিল বুলি মত প্রকাশ কৰিছে। সিংহলৰ বট্টগামনিৰ ৰাজত্বকালত (খ্রীঃ পূঃ ৮৮-৭৬) সিংহলী

বৰ্ণমালাত ত্ৰিপিটক লিপিবদ্ধ হয়। বৰ্তমান ভাৰতীয় লিপিত যি 'ত্ৰিপিটক'ৰ প্ৰচলন হৈ আছে, সেয়া সিংহলী ত্ৰিপিটকৰ প্ৰতিৰূপ মাথোন।

মুঠতে পৰৱৰ্তী সময়ত বৌদ্ধধৰ্ম-শাস্ত্ৰৰ ভাষা পালি ভাষা ৰূপে জনাজাত হয়। প্ৰথমে মৌখিকভাৱে সংৰক্ষিত 'বুদ্ধ-বচন' পৰৱৰ্তী সময়ত লিখিত সাহিত্যলৈ পৰিৱৰ্তিত হয়। বুদ্ধদেৱৰ মহাপৰিনিৰ্বাণৰ পাছৰে পৰা খ্ৰীষ্টীয় পঞ্চদশ শতাব্দী পৰ্যন্ত বৌদ্ধধৰ্মৰ মূলতত্ত্ব আৰু বৌদ্ধ আখ্যানৰ আধাৰত পালি ভাষাৰ মাধ্যমেৰে নানাবিধ সাহিত্য-ৰচনাৰ প্ৰয়াস চলে। পালি ভাষাৰ দুহেজাৰ বছৰীয়া সুদীৰ্ঘ পৰিক্ৰমাক পণ্ডিতসকলে মুঠ পাঁচটা স্তৰত ভাগ কৰিছে ঃ (ক) প্ৰথম স্তৰ — গাথা-সাহিত্যৰ যুগ, (খ) দ্বিতীয় স্তৰ-গদ্য-মিশ্ৰিত গাথা-কাব্যৰ যুগ, (গ) তৃতীয় স্তৰ— ত্ৰিপিটক যুগ, (ঘ) চতুৰ্থ স্তৰ — সংস্কৃত প্ৰভাৱিত গদ্য-সাহিত্যৰ যুগ আৰু (ঙ) পঞ্চম স্তৰ — টীকা- ভাষ্যৰ যুগ। তলত আপোনাৰ অধ্যয়নৰ সুবিধাৰ বাবে প্ৰতিটো স্তৰৰ একোটাহঁত চমু বিৱৰণ দিয়া হ'ল।

### (ক) প্ৰথম স্তৰগাথা-সাহিত্যৰ যুগ

বুদ্ধদেৱৰ জীৱদ্দশাত তেওঁৰ দ্বাৰা প্ৰচাৰিত শীল বা সজ-আচৰণৰ শিক্ষা আৰু ধৰ্মতত্ত্বৰ অন্যান্য বিষয়সমূহ প্ৰধানকৈ গাথাৰ মাধ্যমেৰে কাব্যভংগীৰে আলোচিত হৈছিল। সেইবাবে এই সময়ৰ পালি ভাষাক গাথা-সাহিত্যৰ যুগ বোলা হৈছে। ব্যাকৰণদুষ্ট প্ৰয়োগ আৰু অপ্ৰচলিত শব্দৰ বহুল ব্যৱহাৰ এই স্তৰৰ ভাষাৰ অন্যতম বিশেষত্ব। কেতবোৰ শব্দৰ অৰ্থ-উদ্‌ঘাটন অতিশয় দুৰূহ। প্ৰকাশভঙ্গীৰ কৃত্ৰিমতা এই স্তৰৰ ভাষাৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য।

### (খ) দ্বিতীয় স্তৰ — গদ্য-মিশ্ৰিত গাথা-কাব্যৰ যুগ

ৰাজগৃহত অনুষ্ঠিত প্ৰথম বৌদ্ধ মহামেলৰ পৰা বৈশালীত অনুষ্ঠিত দ্বিতীয় বৌদ্ধ মহামেল পৰ্যন্ত — এই এশ বছৰ কালক পালি ভাষাৰ ক্ৰমবিকাশৰ দ্বিতীয় স্তৰ বুলি ধৰা হয়। এই স্তৰত ভাষাৰ তেনে কোনো বিশেষ অগ্ৰগতি দেখিবলৈ পোৱা নাযায়। পূৰ্বৱৰ্তী স্তৰৰ গাথাবোৰৰ ব্যাখ্যাৰ বাবে আৰু সিবোৰৰ প্ৰসঙ্গ নিৰ্দেশৰ বাবে গাথাবোৰৰ লগত গদ্য সংযুক্ত হোৱাটোৱেই এইটো স্তৰৰ প্ৰধান বিশেষত্ব। সেইবাবে এইটো স্তৰক গদ্য-মিশ্ৰিত গাথা-সাহিত্যৰ যুগ বুলি কোৱা হৈছে।

### (গ) তৃতীয় স্তৰ — ত্ৰিপিটক যুগ

দ্বিতীয় বৌদ্ধ মহাসংগীতিৰ পৰা অশোকৰ পাছলৈকে, অৰ্থাৎ খ্ৰীষ্টীয় শতিকা আৰম্ভ হোৱাৰ আগলৈকে — এইছোৱা সময়ক পালি ভাষাৰ ক্ৰমবিৱৰ্তনৰ তৃতীয় স্তৰ বুলি ধৰা হয়। দৰাচলতে সম্ৰাট অশোকৰ শাসনকালতে পালি ভাষাৰ পৰিশীলিত সাহিত্যিক ৰূপটো গঢ় লৈ উঠে। গদ্য-পদ্য উভয় দিশতে এইটো স্তৰৰ ভাষাই সমৃদ্ধি লাভ

কৰে। বৌদ্ধশাস্ত্ৰ ত্ৰিপিটক এইটো স্তৰৰে ৰচনা। সবল প্ৰকাশভঙ্গী, সৰলতা আৰু স্বচ্ছতা, ব্যাকৰণদুষ্ট প্ৰয়োগৰ স্বল্পতা আদি এই স্তৰৰ ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। পাশ্চাত্য পণ্ডিত Geiger -এ এই স্তৰৰ ভাষাৰ বৈশিষ্ট্যলৈ লক্ষ্য কৰি এনেদৰে মন্তব্য কৰিছে ঃ "It is homogeneous, and uniform than the language of the Gathas. The archaic forms diminish more and more in number and partly disappear altogether."

**(ঘ) চতুৰ্থ স্তৰ — সংস্কৃত প্ৰভাৱিত গদ্য-সাহিত্যৰ যুগ**

খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা তৃতীয় শতিকা পৰ্যন্ত পালি ভাষা-সাহিত্যৰ ক্ৰমবিকাশৰ চতুৰ্থ স্তৰ। সম্ৰাট কনিষ্কৰ ৰাজত্বকাল (খ্ৰীঃ প্ৰথম শতাব্দী) এইটো স্তৰৰ অন্তৰ্ভুক্ত। বৌদ্ধ মহাযানীসকলৰ মাজত প্ৰচলিত সংস্কৃত ভাষাৰ প্ৰভাৱত এই স্তৰৰ পালি গদ্য-সাহিত্য সম্পূৰ্ণকৈ বিকশিত হয়। সংস্কৃতৰ দৰে দীৰ্ঘ সমাসবদ্ধ পদৰ ব্যৱহাৰ সংস্কৃত-আশ্ৰিত শব্দৰ প্ৰয়োগ এই স্তৰৰ ভাষাৰ অন্যতম বিশেষত্ব। মিলিন্দ-পঞ্‌হ্ (মিলিন্দ প্ৰশ্ন) এই সময়ৰ সৰ্বোৎকৃষ্ট ৰচনা। মহাযান পন্থাৰ মাধ্যমিক শাখাৰ প্ৰৱৰ্তক নাগাৰ্জুনৰ মতৰ ভিত্তিত বৌদ্ধভিক্ষু নাগসেনে এই গ্ৰন্থখনি ৰচনা কৰে। ইয়াৰ ভাষা সাৱলীল আৰু অভিজাত। 'বৌদ্ধ-মিশ্ৰ-সংস্কৃত' ভাষা এইটো যুগৰ অন্যতম অৱদান।

**(ঙ) পঞ্চম স্তৰ — টীকা-ভাষ্যৰ যুগ**

খ্ৰীষ্টীয় পঞ্চম শতাব্দীৰ পৰা পঞ্চদশ শতাব্দী পৰ্যন্ত — এই সময়ছোৱাক পালি ভাষাৰ ক্ৰমবিকাশৰ পঞ্চম স্তৰ বুলি ধৰা হৈছে। কোনো কোনোৱে এইটো যুগক পালি ভাষাৰ সোণালী যুগ বুলি অভিহিত কৰিছে। বুদ্ধঘোষ, বুদ্ধদত্ত আৰু ধৰ্মপাল— এই তিনিগৰাকী প্ৰসিদ্ধ বৌদ্ধ পণ্ডিতে ৰচনা কৰা বিপুল পৰিমাণৰ টীকা-টিপ্পনী আৰু অন্য ব্যক্তিৰ দ্বাৰা ৰচিত আখ্যান, কাব্যগ্ৰন্থ আদি মেটমৰা সাহিত্য-সম্ভাৰেৰে এইটো যুগ সমৃদ্ধিশালী হোৱাটোৱে তাৰ মূল কাৰণ। ইয়াৰ আগলৈকে পালি ভাষা বৌদ্ধধৰ্ম সম্পৰ্কীয় বিষয়বস্তুৰ মাজত সীমাবদ্ধ আছিল। এইটো যুগত সেই সীমা অতিক্ৰম কৰি মানুহৰ ভাৱ, ভাৱনা বিজড়িত বৰ্ণনাত্মক কাহিনীলৈ ভাষাৰ প্ৰসাৰ ঘটে। বিষয়োপযোগী ৰচনাশৈলী আৰু সাৱলীল তথা মৰ্যাদাসম্পন্ন ভাষাৰ প্ৰয়োগ এই স্তৰৰ সাহিত্যৰ এক উল্লেখযোগ্য বিশেষত্ব।

গাথা-সাহিত্যৰ পৰা টীকা-ভাষ্যৰ স্তৰলৈকে ক্ৰমশঃ উন্নতিৰ জখলাৰে বগুৰাবাই অহা পালি ভাষাৰ লাহে লাহে অৱক্ষয় আৰম্ভ হয়। অৱশেষত নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ আৰু উন্নতিৰ লগে লগে পালি ভাষাৰ বিলুপ্তি ঘটে।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালি ভাষাৰ ক্ৰমবিকাশৰ প্ৰধান স্তৰ কেইটিৰ বিশেষত্ব কি ? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

........................................................................................................

........................................................................................................

........................................................................................................

........................................................................................................

## ৩.৫ পালি ভাষাৰ জন্মস্থান

ভাৰতবৰ্ষত বৌদ্ধাচাৰ্যসকলে বৌদ্ধধৰ্ম্ম আৰু এই ধৰ্মৰ দাৰ্শনিক তাৎপৰ্যৰ প্ৰায় আটাইবোৰ কথা মুখ্যতঃ পালি ভাষাৰ মাধ্যমেৰে লিপিবদ্ধ কৰি থৈ গৈছে। সংস্কৃত আৰু সংস্কৃত-প্ৰাকৃত মিশ্ৰিত বৌদ্ধ-মিশ্ৰ সংস্কৃত ব্যৱহাৰ কৰিলেও তেনে শাস্ত্ৰৰ সংখ্যা নগণ্য। সেই হেতুকে বৌদ্ধ যুগৰ যথাৰ্থ ইতিহাস অধ্যয়নৰ বাবে পালি ভাষা-সাহিত্যৰ ওচৰ চাপিবলগীয়া হয়। বৌদ্ধ যুগত পালি ভাষা যে বহুল প্ৰচাৰিত জনপ্ৰিয় ভাষা আছিল তাক বিপুল পৰিমাণৰ পালি সাহিত্য কৃতিয়ে প্ৰমাণ কৰে। কিন্তু এই জনপ্ৰিয় সাহিত্যিক ভাষাটো কোন ঠাইৰ উপভাষাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠিছিল, আন কথাত এই ভাষাৰ জন্মস্থান কি সেই সম্পৰ্কে আজিকোপতি কোনো স্থিৰ সিদ্ধান্ত হোৱা নাই। প্ৰাচ্য-পাশ্চাত্য উভয় দেশৰ বিভিন্ন পণ্ডিতে এই সন্দৰ্ভত বিভিন্ন মতামত ব্যক্ত কৰাহে বৰং পৰিলক্ষিত হয়। কাৰোবাৰ মতে, ভাৰতবৰ্ষৰ পূব অঞ্চলত প্ৰচলিত কোনো এটি কথ্য প্ৰাকৃতৰ পৰা পালিৰ উৎপত্তি হৈছে। আন কাৰোবাৰ মতে মধ্য ভাৰতৰ কোনো প্ৰাকৃতৰ ভিত্তিত পালি ভাষা গঢ় লৈ উঠিছে। আন কোনোৱে আকৌ পশ্চিম বা উত্তৰ-পশ্চিম ভাৰতৰ কথিত প্ৰাকৃতৰ পৰা পালিৰ উদ্ভৱ হোৱা বুলি কৈছে। আপোনাৰ সুবিধাৰ বাবে তলত এই মতামতবোৰ চমুকৈ উল্লেখ কৰা হ'ল ঃ

(ক) E. Khun, Westerguard, R.O. Franke আদি ইউৰোপীয় পণ্ডিতে উজ্জয়িনীৰ উপভাষাৰ পৰাই পালিৰ জন্ম হোৱা বুলি অভিমত ব্যক্ত কৰিছে। এওঁলোকৰ মতে এই উপভাষাই আছিল অশোক-পুত্ৰ বা ভাতৃ মহেন্দ্ৰৰ মাতৃভাষা আৰু ইয়াৰ পৰাই তেওঁ সিংহল (বৰ্তমানৰ শ্ৰীলংকা) দেশলৈ বৌদ্ধধৰ্ম প্ৰচাৰ কৰিবলৈ গৈছিল। পণ্ডিত কেইজনাৰ এনে অভিমতৰ মূল ভিত্তি হ'ল— পালিৰ সৈতে অশোকৰ গিৰ্ণাৰ অনুশাসনৰ ভাষাগত মিল।

(খ) খ্ৰীঃ পূঃ প্ৰথম শতাব্দীত উৰিষ্যাৰ হাথিগুম্ফাৰ ৰজা খাৰবেলৰ অনুশাসনৰ ভাষাৰ লগত পালি ভাষাৰ সাদৃশ্যলৈ লক্ষ্য কৰি Oldenberg আৰু E. Muller-এ উৰিষ্যা অঞ্চলত প্ৰচলিত ভাষাৰ পৰাই পালি ভাষাৰ উদ্ভৱ হোৱা বুলি মত পোষণ কৰিছে।

দুয়োগৰাকী পণ্ডিতে মহেন্দ্ৰৰ সিংহল যাত্ৰাৰ বহু পূৰ্বেই এই অঞ্চলত বৌদ্ধধৰ্মৰ প্ৰচাৰ হৈছিল আৰু তাৰ অনুষংগ হিচাপে পালি ভাষা প্ৰতিষ্ঠিত বুলি ভাবে।

(গ) পালি আৰু পৈশাচী প্ৰাকৃতৰ সাদৃশ্যলৈ লক্ষ্য কৰি জাৰ্মান পণ্ডিত Sten Konow-এ বিন্ধ্য অঞ্চলক পালি ভাষাৰ জন্মস্থান হিচাপে চিহ্নিত কৰিছে। কাৰণ বিন্ধ্যৰ উত্তৰাঞ্চলত পৈশাচী প্ৰাকৃত কথিত ভাষা হিচাপে তৎকালীনভাৱে প্ৰচলিত আছিল।

(ঘ) ভাষাতত্ত্ববিদ পণ্ডিত G.A. Grierson -ৰ মতে পালি এক মিশ্ৰ ভাষা। ই তক্ষশীলা অঞ্চলত বিকশিত হৈছিল।

(ঙ) Windische - ৰ মতে পালি অৰ্ধ-মাগধীৰ এটি বিশেষ প্ৰকাৰ মাত্ৰ আৰু ইয়াৰ উদ্ভৱ স্থল হ'ল কোশল। Luders-ৰ মতেও অৰ্ধ-মাগধীৰ প্ৰাচীন ৰূপৰ পৰা পালি ভাষাৰ উদ্ভৱ হৈছে।

(চ) B. C. Law -ই ভাৰতবৰ্ষৰ পশ্চিম অঞ্চলৰ প্ৰাকৃত ভাষাৰ পৰা পালিৰ জন্ম হোৱা বুলি অনুমান কৰিছে। অশোকৰ গিৰ্ণাৰ অনুশাসনৰ ভাষা আৰু শৌৰসেনী প্ৰাকৃতৰ লগত সম্পৰ্ক থকা কোনো বিশেষ প্ৰাকৃতৰ পৰা পালিৰ উৎপত্তি হোৱা বুলি তেওঁ ধাৰণা কৰে।

(ছ) ভাষাচাৰ্য সুনীতি কুমাৰ চট্টোপাধ্যায়েও পালি ভাষাক শৌৰসেনীৰ লগত অধিক সম্পৰ্ক থকা বুলি ধাৰণা কৰিছে। তেওঁৰ মতে শৌৰসেনী আৰু মাগধীৰ প্ৰভাৱতে পালিৰ উৎপত্তি হৈছে।

(জ) Rhys Davids -এ পালি ভাষা কোশল অঞ্চলৰ কথিত ভাষাৰ ওপৰত ভিত্তি কৰি গঢ় লৈ উঠা বুলি মন্তব্য কৰিছে। তেওঁৰ মতে পালি এক সাহিত্যৰ প্ৰয়োজনত সৃষ্টি হোৱা ভাষাহে।

(ঝ) Winternitz, Geiger, Childers, James Alwis, বেণী মাধৱ বৰুৱা আদি পালি বিশেষজ্ঞসকলৰ মতে পালিৰ জন্মসূত্ৰ মাগধীৰ মাজতে নিহিত আছে। অৱশ্যে এই মাগধী প্ৰাকৃত ব্যাকৰণকাৰসকলে উল্লেখ কৰা, কিংবা সংস্কৃত নাট্যকাৰসকলে নিম্ন শ্ৰেণীৰ চৰিত্ৰত মুখত দিয়া সাহিত্যিক মাগধী প্ৰাকৃত নহয়; বৰং ই হৈছে তৎকালীন মগধ ৰাজ্য তথা সমগ্ৰ উত্তৰ ভাৰতত প্ৰচলিত সৰ্বসাধাৰণৰ দৈনন্দিন যোগাযোগৰ মাধ্যম— Lingua franca। মন কৰিবলগীয়া যে বৌদ্ধধৰ্মৰ ব্যাপক প্ৰচাৰৰ কালত মালবৰ ৰাজধানী উজ্জয়িনী আছিল সমগ্ৰ ভাৰতবৰ্ষৰ বাণিজ্যিক আৰু সাংস্কৃতিক কেন্দ্ৰভূমি। ইয়াত বিভিন্ন ভাষাৰ মানুহৰ সমাগম ঘটিছিল। উজ্জয়িনী অঞ্চলৰ উপভাষাৰ ভিত্তিত সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ এটি সংযোগী ভাষাৰ জন্ম হ'ল। ভাষাতত্ত্ববিদ সুকুমাৰ সেনে সেইবাবেই মন্তব্য কৰিছে যে দক্ষিণ ভাৰতৰ বৌদ্ধ-সম্প্ৰদায়সমূহে এই সংযোগী ভাষাটোকে ঘঁহি-মাজি পৰিশীলিত কৰি শাস্ত্ৰ-ৰচনাৰ উপযোগী কৰি তুলিছিল। পৰৱৰ্তী সময়ত এই ভাষা পালি ভাষা ৰূপে জনাজাত হ'ল।

ওপৰৰ আলোচনাৰ পৰা আপুনি এটা কথা স্পষ্টভাৱে বুজিলে যে পালি ভাষাৰ উদ্ভৱ তথা জন্মস্থান সম্বন্ধে যথেষ্ট মতভেদ আছে। তদুপৰি প্ৰায়ভাগ পণ্ডিতে ভাষাতত্ত্বৰ আধাৰত নিজ নিজ মতামত আগবঢ়াইছে। কিন্তু ভাষা এটাৰ উৎপত্তিৰ বিচাৰত অকল ভাষাতাত্ত্বিক আধাৰেই পৰ্যাপ্ত নহয়। তাৰ লগে লগে সামাজিক পটভূমি আৰু পাৰিপাৰ্শ্বিক দিশবোৰো বিচাৰ কৰি চোৱাৰ প্ৰয়োজন।

সমগ্ৰ উত্তৰ ভাৰত জুৰি বৌদ্ধধৰ্মই প্ৰসাৰ লাভ কৰাত সমকালীনভাৱে বাণিজ্যিক আৰু ৰাজনৈতিক কাৰণত ভাৰতৰ বিভিন্ন অঞ্চলত প্ৰচলিত প্ৰাকৃত উপভাষাবোৰৰ উপাদানৰ আধাৰত সৰ্বজনবোধ্য সৰ্বভাৰতীয় সংযোগী ভাষা এটাৰ সৃষ্টি হৈছিল। বৌদ্ধধৰ্মক অশোকে ৰাজধৰ্মৰ মৰ্যাদা দিয়া আৰু অহিংস নীতিৰ ওপৰত প্ৰতিষ্ঠিত বৌদ্ধমতে বণিজাৰু বৈশ্যসকলক বাণিজ্যৰ সুবিধা দিয়াটো এই প্ৰসঙ্গত মন কৰিবলগীয়া। সেই সময়ৰ বাণিজ্যিক পথসমূহত বৌদ্ধবিহাৰ স্থাপিত হৈছিল আৰু এইবোৰলৈ বিভিন্ন ঠাইৰ ভিক্ষু অহা-যোৱা কৰিছিল। বিহাৰবোৰত যি ধৰ্মালোচনা হৈছিল তাত সৰ্বজনবোধ্য ভাষা এটাৰ আৱশ্যকতা নুই কৰিব নোৱাৰি। প্ৰথমে নিজ ভাষাৰ মাধ্যমেৰে যোগাযোগ সাধন কৰিলেও, প্ৰয়োজনত সকলোৰে গ্ৰহণযোগ্য ভাষা এটাৰ সৃষ্টি পৰৱৰ্তী সময়ত নিশ্চয় হৈছিল। পালি ভাষা এনে প্ৰয়োজনতে সৃষ্টি হোৱা ভাষা বুলি ক'লে বোধহয় ভুল কোৱা নহ'ব। এই ফালৰ পৰা পালিৰ উদ্ভৱস্থল ভাৰতবৰ্ষৰ কোনো বিশেষ অঞ্চল নহৈ বৌদ্ধবিহাৰসমূহ ইয়াৰ জন্মস্থান হোৱাটোক অসম্ভৱ বুলিব নোৱাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালি ভাষাৰ জন্মস্থান সম্পৰ্কে বিভিন্ন পণ্ডিতে আগবঢ়োৱা অভিমতবোৰৰ কোনটো অধিক গ্ৰহণযোগ্য ? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

......................................................................................................

### ৩.৬ পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য

এইটো খণ্ডৰ ১নং বিভাগত মধ্যভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে আপুনি যিখিনি অধ্যয়ন কৰিলে সেইবোৰেই পালি ভাষাৰো সাধাৰণ বিশেষত্ব। অৱশ্যে সাহিত্যিক প্ৰাকৃতসমূহৰ তুলনাত পালি কিছু পুৰণি স্তৰৰ ভাষা হোৱা হেতুকে ইয়াত ভালেমান পুৰণি বৈশিষ্ট্যৰ সংৰক্ষণ লক্ষ্য কৰা যায়। আনকথাত পালি ভাষা সাহিত্যিক

প্ৰাকৃতৰ ভাষাতকৈ বহু পৰিমাণে বৈদিক সংস্কৃতৰ ওচৰ-চপা। তলত ভাষাটোৰ সাধাৰণ বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱা হ'ল।

### ৩.৬.১ ধ্বনিতত্ত্ব

(১) প্ৰাচীন ভাৰতীয় আৰ্যভাষা — বৈদিক-সংস্কৃতত স্বৰধ্বনিৰ সংখ্যা আছিল চৈধ্যটা। পালিত কিন্তু অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও— এই আঠোটা স্বৰধ্বনিৰ প্ৰয়োগহে পোৱা যায়; ঋ, ৠ, ৯, ৯ৌ, ঐ ঐ আৰু ঔ— এই স্বৰকেইটাৰ ব্যৱহাৰ পালিত পাবলৈ নাই। ৠ আৰু ৯ আৰু ৯ৌ-ৰ প্ৰয়োগ সম্পূৰ্ণ লোপ পালে; আনহাতে ঋ, ঐ, আৰু ঔ ভিন্ন ধ্বনিলৈ ৰূপান্তৰিত হ'ল ঃ

(ক) ঋ-কাৰ অ, ই, উ, এ, ৰু আৰু ৰি-লৈ পৰিৱৰ্তিত হ'ল যেনে —

ঋ>অ ঃ ঘৃতম, ঘতং, কৃত > কত

ঋ>ই ঃ ঋষিঃ > ইসি, তৃণ >তিন

ঋ >উ ঃ ঋজু > উজু , বৃদ্ধঃ>বুড্‌ঢো, ঋতু >উতু

ঋ>এ ঃ গৃহ >গেহ, বৃহৎফলঃ>বেহপ্‌ফলো

ঋ>ৰি ঃ ঋদ্ধিঃ >ৰিদ্ধি, ঋণ >ৰিণ

ঋ>ৰু ঃ বৃক্ষ > ৰুক্‌খ।

(খ) ঐ- কাৰৰ ঠাইত সাধাৰণতে এ- কাৰ আৰু কেতিয়াবা ই বা ঈ-কাৰৰ প্ৰয়োগ হ'বলৈ ধৰিলে, যেনে—

ঐ > এ ঃ শৈলঃ >সেলো, শৈক্ষ্যঃ > সেখো, বৈৰম্ > বেৰং

ঐ > ই ঃ অনৈক্যস্ৰাৱঃ > অনিক্কসাবো, সৈন্ধৱঃ > সিন্ধৱো

ঐ > ঈ ঃ গ্ৰৈৱেয়ং > গীৱেয্যং।

(গ) ঔ- কাৰ সাধাৰণতে ও- কাৰলৈ পৰিৱৰ্তিত হ'ল। কেতিয়াবা উ- কাৰো হোৱা দেখা যায়, যেনে —

ঔ>ও ঃ ঔদৰিকঃ > ওদৰিকো, উদকৌকতঃ > ওকমোকতো,
মহৌঘঃ এৰ > মহাঘো'ৰ

ঔ>উ ঃ মৌক্তিকম্ > মুত্তিকং, উৎসৌক্য > উস্‌সুক্ক

ঔ>অ ঃ সৌম্য > সম্ম

ঔ > আ ঃ গৌৰৱম্ > গাৰৱং।

(২) 'অয়' আৰু 'অৱ' দ্ব্যক্ষৰ ধ্বনি দুটাৰ দুই ধৰণৰ পৰিৱৰ্তন লক্ষ্য কৰিব পাৰি ঃ কেতিয়াবা দুয়োটা যথাযথভাৱে সংৰক্ষিত হৈছে আৰু কেতিয়াবা ক্ৰমে এ আৰু ও - লৈ ৰূপান্তৰ ঘটিছে, যথা —

অয় ঃ নয়তি >নেতি, জয়তি>জেতি/জয়তি

অৱ ঃ ভৱতি>ভোতি, হোতি/ ভৱতি; লৱণম্ > লোণং।

(৩) পালি ভাষাত সমীভূত দ্বিত্ব ব্যঞ্জন অথবা একে বৰ্গৰ নাসিক্য আৰু স্পৰ্শ ব্যঞ্জন হ'লে তাৰ পূৰ্বৱৰ্তী দীৰ্ঘ স্বৰ হ্ৰস্ব হয়, যেনে — নাস্তি>নত্থি, মাৰ্গ >মগ্‌গ, কান্তাং > কন্তং। কিন্তু সমীভূত যুগ্ম ব্যঞ্জন একক ব্যঞ্জনলৈ পৰিৱৰ্তিত হ'লে যুগ্ম ব্যঞ্জনৰ পূৰ্বৱৰ্তী হ্ৰস্ব স্বৰ দীৰ্ঘ হয়, যথা— স্পৰ্শ>ফাস, সিংহ> সীহ।

(৪) বৈদিক-সংস্কৃতৰ শ, ষ, স - এই উষ্ম ধ্বনিকেইটাৰ ঠাইত পালিত মাত্ৰ 'স'-ৰ প্ৰয়োগ পোৱা যায়, যেনে — শিষ্যঃ >সিস্‌সো, বৰ্ষ > বস্‌স, শব্দ > সদ্দ।

(৫) পদান্ত ম অনুস্বাৰলৈ ৰূপান্তৰিত হয়, যেনে — বুদ্ধম্ > বুদ্ধং, চিত্তম্ > চিত্তং।

(৬) পালিত অনুস্বাৰৰ বাহিৰে অন্য পদান্ত ব্যঞ্জন লোপ পায়, যেনে—

যাবৎ > যাব, সম্মক > সম্মা

(৭) ন-কাৰ কেতিয়াবা ণ-কাৰলৈ পৰিৱৰ্তিত হয়, যথা— নৰ > ণৰ

(৮) পালিত বিসৰ্গৰ প্ৰয়োগ নাই। সংস্কৃতৰ অন্ত্য অৱস্থানৰ বিসৰ্গযুক্ত অ-কাৰ (অঃ) পালিত ও-কাৰ হয় আৰু অন্য স্বৰৰ পাছত থাকিলে বিসৰ্গ লুপ্ত হয়, যেনে —

নৰঃ>নৰো, দেবঃ >দেবো; কিন্তু ভিক্ষুঃ> ভিক্‌খু।

অৱশ্যে দুই এঠাইত অঃ > এ হোৱাৰ উদাহৰণো পোৱা যায়, যেনে — জনঃ>জনে।

(৯) পালিত 'ৰেফ' (ˊ) -ৰ ব্যৱহাৰ পাবলৈ নাই। সংস্কৃতৰ ৰেফ্‌যুক্ত বৰ্ণৰ ৰেফ লোপ পায় আৰু বৰ্ণটোৰ দ্বিত্ব হয়, যেনে — ধৰ্ম>ধম্ম, সৰ্বঃ>সব্বো।

(১০)সংস্কৃতৰ ক্ষ পালিত আদি অৱস্থানত খ বা ছ হয়, যেনে — ক্ষেমঃ>খেমো। মধ্যস্থানত ক্‌খ বা চ্ছ হয় যেনে — চক্ষু>চক্‌খু, অক্ষি> অচ্ছি।

(১১) পালিত পদৰ আদিত সংযুক্ত ব্যঞ্জনৰ ৰ-ফলা লোপ পায়, যথা — গ্ৰহণম্>গহণং। মাজত থাকিলে ৰ যুক্ত বৰ্ণটোৰ দ্বিত্ব হয়, যেনে — নিদ্ৰা>নিদ্দা। কিন্তু একাধিক বৰ্ণৰ সৈতে ৰ- ফলা যুক্ত হ'লে কেৱল ৰ-ফলা লোপ পায়, যেনে ইন্দ্ৰঃ>ইন্দো।

(১২) পদৰ আদি অৱস্থানত প্ৰয়োগ হোৱা ব-কাৰ যুক্ত সংযুক্ত ব্যঞ্জনৰ ব-কাৰ লোপ পায়, যেনে — জ্বলতি > জলতি। পদৰ মাজত থাকিলে ব-কাৰ লোপ পায় আৰু ব-যুক্ত বৰ্ণটোৰ দ্বিত্ব হয়, যেনে — একত্বম্ > একত্তং। অৱশ্যে সন্ধিজাত ব-কাৰৰ লোপ নহয়।

(১৩) জ্ঞ, ন্য, ণ্য>ঞ্‌ঞ, যেনে — প্ৰজ্ঞা>পঞ্‌ঞা, অন্য>অঞ্‌ঞ, পুণ্য>পুঞ্‌ঞ।

(১৪) পালিত মধ্যস্থিত ব্যঞ্জনবোৰ প্ৰায়ে সমীভৱনৰ দ্বাৰা সৰলীকৃত হৈছিল। তদুপৰি ধ্বনি বিপৰ্যয়, স্বৰভক্তি আদিৰ ফলতো সংযুক্ত ধ্বনিৰ সৰলীকৰণ প্ৰত্যক্ষ কৰিব পাৰি ঃ

**সমীভৱন ঃ** সপ্ত > সত্ত, অল্প>অপ্প, মৃত্যু>মচ্চু, মধ্য>মজ্ঝ।

**ধ্বনি-বিপৰ্যয় ঃ** তৃষ্ণা>তণ্‌হা, প্ৰশ্ন>পণ্‌হ, পঞ্‌হ।

**স্বৰভক্তি ঃ** স্নেহ >সিনেহ, আৰ্য >অৰিয়, শ্লাঘা >সিলাঘা।

### ৩.৬.২ ৰূপতত্ত্ব

(১৫) ধ্বনিগত পৰিৱৰ্তনৰ ফলত সংস্কৃত শব্দৰূপৰ জটিলতা পালিত কিছু হ্ৰাস পাইছে। শব্দৰ অন্ত্যস্থিত ব্যঞ্জন লোপ পোৱাৰ কাৰণে পালিত ব্যঞ্জনান্ত শব্দৰূপৰ প্ৰয়োগ পাবলৈ নাই। অন্য স্বৰান্ত শব্দবোৰো অ-কাৰান্ত শব্দৰ দৰে ৰূপ হোৱাৰ প্ৰৱণতাই দেখা দিলে।

(১৬) পালিত দ্বিবচন নাই। তাৰ ঠাইত বহুবচনৰ প্ৰয়োগ হ'ল।

(১৭) এক বিভক্তিৰ ঠাইত আন এক বিভক্তিৰ প্ৰয়োগ সহজলভ্য হৈ পৰিল। উদাহৰণ স্বৰূপে — চতুৰ্থী আৰু ষষ্ঠীৰ বহুবচনৰ প্ৰভেদ লোপ পালে। সেইদৰে, পঞ্চমী আৰু তৃতীয়াৰ বহুবচনৰ ৰূপৰ ভিন্নতা লোপ পালে।

(১৮) লিঙ্গ তিনিটা পোৱা গ'লেও, কোনো কোনো শব্দৰ একাধিক লিঙ্গৰূপো দেখা যায়।

(১৯) পালিৰ ধাতুৰূপ অনেক পৰিমাণে সংস্কৃতৰ অনুগামী। সংস্কৃত ধাতুৰ দহোটা 'গণ' পালিত সাতোটা হৈছে। পৰস্মৈপদ আৰু আত্মনেপদ দুয়োবিধ ধাতুৰূপ পোৱা গ'লেও, আত্মনেপদৰ ব্যৱহাৰ আপেক্ষিকভাৱে কম।

(২০) কাল আৰু ভাৱ প্ৰকাশক সংস্কৃতৰ দহোটা 'ল'-কাৰ'-ৰ আঠোটা পালিত সংৰক্ষিত হৈছে ঃ বৰ্ত্তমান (লট্), পঞ্চমী (লোট্), সপ্তমী (বিধিলিঙ্); পৰোক্ষ (লিট্), হিয্যতনী (লঙ্), অয্যতনী (লুঙ্), ভবিস্‌সন্তি (লৃট্) আৰু কালাতিপত্তি (লৃঙ্)।

(২১) সংস্কৃতৰ কৰ্মবাচ্যত কেৱল আত্মনেপদী বিভক্তিৰ প্ৰয়োগ হৈছিল। পালিত এই ক্ষেত্ৰত আত্মনেপদী আৰু পৰস্মৈপদী দুয়োবিধ বিভক্তিৰ সংযোগেই লক্ষ্য কৰা যায়।

পালি ভাষাৰ সাধাৰণ বৈশিষ্ট্য এইবোৰেই। ইয়াৰ উপৰি স্বতঃমূৰ্ধণ্যীভৱন, ঘোষীভৱন, অঘোষীভৱন, স্বতঃ নাসিক্যীভৱন ইত্যাদি ধ্বনিগত বৈশিষ্ট্যও ভাষাটোত বিদ্যমান। তদুপৰি পালি সন্ধিৰ প্ৰকৃতিও সংস্কৃততকৈ ভিন্ন।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালি ভাষাৰ প্ৰধান ধ্বনিতাত্ত্বিক বৈশিষ্ট্য কি? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

### ৩.৭ পালি সাহিত্যৰ সাধাৰণ পৰিচয়

বুদ্ধদেৱৰ মহাপ্ৰয়াণৰ অব্যৱহিত পৰৱৰ্তী কালত ৰাজগীৰ বা ৰাজগৃহৰ বৈভাৰ পৰ্বতৰ সপ্তপৰ্ণী গুহাত থেৰ মহাকস্‌সপ (স্থবিৰ মহাকাশ্যপ)-ৰ পৌৰোহিত্যত অনুষ্ঠিত

প্ৰথম বৌদ্ধ মহাসভা (আনুমানিক ৪৪৭ খ্ৰীষ্ট পূৰ্বাব্দ)-ৰ পৰা খ্ৰীষ্টীয় পঞ্চদশ শতিকামানলৈকে যি বিপুল পৰিমাণৰ বৌদ্ধ-সাহিত্য ৰচিত হৈছিল, সেইবোৰকে সাধাৰণভাৱে পালি সাহিত্য আখ্যা দিয়া হয়। অৱশ্যে ৰাজগৃহৰ প্ৰথম বৌদ্ধ মহামেলৰ পৰা অশোকৰ ৰাজত্বকালত পাটলিপুত্ৰত অনুষ্ঠিত তৃতীয় বৌদ্ধ মহামেল পৰ্যন্ত সংকলিত বৌদ্ধশাস্ত্ৰৰ ভাষা পালি আছিল নে আন কিবা আছিল সেই কথা জনা নাযায়। বুদ্ধদেৱে নিজে কোনো শাস্ত্ৰ লিখি থৈ যোৱা নাই। তেওঁৰ মুখৰ বচনসমূহক শিষ্য-প্ৰশিষ্যসকলে যথাযথভাৱে লিপিবদ্ধ কৰাৰ প্ৰয়াসতে বিশাল বৌদ্ধশাস্ত্ৰৰ সৃষ্টি হৈছে। সম্ভৱতঃ এই সংকলন কাৰ্য তৎকালীনভাৱে কোশল-মগধ অঞ্চলত প্ৰচলিত ভাষাৰ মাধ্যমেৰে কৰা হৈছিল। বৌদ্ধধৰ্মৰ পৰিব্যাপ্তিৰ কালত বৌদ্ধবিহাৰ আৰু সংঘসমূহত নিয়মিতভাৱে চলা ধৰ্ম-ব্যাখ্যাৰ জৰিয়তে সম্ভৱতঃ এক সৰ্বজনবোধ্য ভাষাৰ সৃষ্টি হৈছিল আৰু বৌদ্ধশাস্ত্ৰই সেই ভাষাকে যুগৰ পাছত যুগ ধৰি পৰিবহন কৰি আহিছে। অশোক পুত্ৰ মহিন্দ্ৰ (মহেন্দ্ৰ)-ই এই শাস্ত্ৰকে বোধহয় সিংহললৈ লৈ গৈছিল। ভাৰতত অনুষ্ঠিত তিনিখন বৌদ্ধ মহামেলৰ জৰিয়তে সংকলিত আৰু পৰিশোধিত বুদ্ধবচনসমূহে অৱশেষত সিংহলৰাজ বট্টগামনিৰ ৰাজত্ব কালত (খ্ৰীষ্টপূৰ্ব প্ৰথম শতাব্দী) অৱশেষত স্থায়ী ৰূপ লাভ কৰে। মন কৰিবলগীয়া কথা যে পালি-সাহিত্যৰ কোনো পুথি ভাৰতবৰ্ষত উদ্ধাৰ হোৱা নাই। বৰ্তমান পালি ভাষাত ৰচিত যি বৌদ্ধশাস্ত্ৰ ভাৰতত প্ৰচলিত সেয়া সিংহলত সিংহলী লিপিৰে ৰচিত শাস্ত্ৰৰে লিখিত প্ৰতিৰূপ মাথোন।

সি যি কি নহওক, পালি ভাষাত বৌদ্ধধৰ্মক আশ্ৰয় কৰি যি বিপুল সাহিত্যৰাজিৰ উদ্ভৱ হৈছিল সেই আটাইবোৰকে বিষয়বস্তু, পৰিৱেশন আৰু ৰূপৰ ভিত্তিত অধ্যাপক নগেন ঠাকুৰে প্ৰধানকৈ দুটা ভাগত ভগাইছে ঃ (১) ত্ৰিপিটক আৰু (২) ত্ৰিপিটক বহিৰ্ভূত। আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে তলত এই দুয়ো প্ৰকাৰৰ সাহিত্যৰ চমু পৰিচয় দাঙি ধৰা হৈছে।

**(১) ত্ৰিপিটক ঃ** ‘ত্ৰি’ আৰু ‘পিটক’ এই দুই শব্দৰ সংযোগত ‘ত্ৰিপিটক’ নামটোৰ সৃষ্টি হৈছে আৰু ই বৌদ্ধসকলৰ মূল শাস্ত্ৰক বুজায়। ‘ত্ৰি’ মানে তিনি আৰু ‘পিটক’ মানে আধাৰ, পাত্ৰ বা পেৰা। শাস্ত্ৰখন (ক) সুত্ত, (খ) বিনয় আৰু (গ) অভিধম্ম -এই তিনিটা খণ্ডৰ সমষ্টি হোৱা বাবে ই ‘ত্ৰিপিটক’ৰূপে জনাজাত হৈছে। পালিত অৱশ্যে শাস্ত্ৰখনি ‘তিপিটক’ হিচাপেহে পোৱা যায়। বুদ্ধ-প্ৰৱৰ্তিত ধৰ্মমত, ভিক্ষু-ভিক্ষুণীৰ জীৱন-যাত্ৰাৰ প্ৰণালী আৰু বৌদ্ধ-দৰ্শনৰ প্ৰজ্ঞা সম্পৰ্কীয় শিক্ষা — এই তিনি প্ৰকাৰৰ বুদ্ধ-বচনৰ প্ৰতিটোকে একোটা আধাৰ বা ‘পিটক’ বুলি ধৰি লোৱা হৈছিল বাবেই শাস্ত্ৰখনিৰ নাম ত্ৰিপিটক বা তিপিটক হ’ল।

**ক) সুত্ত-পিটক ঃ** ‘সুত্ত’ (সংস্কৃত সূত্ৰ) শব্দৰ অৰ্থ বুদ্ধ-বাণী বা উক্তি। এইটো খণ্ডত বৌদ্ধধৰ্মৰ মূল সূত্ৰ বা তত্ত্বসমূহৰ ব্যাখ্যা সন্নিৱিষ্ট হোৱা বাবে ইয়াক ‘সুত্ত পিটক’ বোলা হৈছে। আন দুখন পিটকৰ তুলনাত এই পিটকখনৰ সাহিত্যিক মূল্যও কিছু বেছি।

সুত্ত-পিটক সৰ্বমুঠ পাঁচোটা 'নিকায়' বা সংকলনৰ সমষ্টি ঃ দীঘ-নিকায়, মজ্‌ঝিম-নিকায়, সংযুত্ত-নিকায়, অংগুত্তৰ-নিকায় আৰু খুদ্দক-নিকায়। ইয়াৰে প্ৰথম চাৰিখনত বুদ্ধদেৰৰ ধৰ্মবাণী আৰু তেওঁৰ জীৱনৰ বিভিন্ন পৰিঘটনা সংকলিত হৈছে। আনহাতে শেষৰখন হৈছে কেইখনমান মূল্যৱান গ্ৰন্থৰ একত্ৰ সংকলন। 'নিকায়', শব্দই ইয়াত বুদ্ধ-বচনৰ সংকলনকে বুজাইছে।

**দীঘ-নিকায়** ৩৪ টা দীৰ্ঘ আকাৰৰ 'সুত্ত' - ৰ সমষ্টি। ইয়াত বৌদ্ধ-ধৰ্মৰ মূল তত্ত্বসমূহৰ প্ৰাঞ্জল বিৱৰণ পোৱা যায়। মুঠ তিনিটা ভাগত বিভক্ত এই সংকলনটি সমসাময়িক ভাৰতবৰ্ষৰ সমাজ-জীৱনৰ এক প্ৰামাণ্য দলিল হিচাপে বিবেচিত।

**মজ্‌ঝিম নিকায়** ১৫২ টা মধ্যমীয়া আকাৰৰ স্বয়ংসম্পূৰ্ণ সূত্ৰ সন্নিবিষ্ট হৈছে। এইবোৰৰ মাজত বৌদ্ধধৰ্মৰ চতুৰাৰ্য সত্য, অনাত্মবাদ, কৰ্মবাদ আদিৰ উপৰি গৃহী-ভিক্ষুৰ সম্পৰ্ক, বৌদ্ধ-জৈনৰ সম্পৰ্ক, ব্ৰাহ্মণ্য ধৰ্মৰ যাগ-যজ্ঞ আদিৰ আলোচনা পোৱা যায়।

**সংযুত্ত নিকায়** ৫৬ টা সূত্ৰৰ সংকলন। বিষয় অনুযায়ী ১০/১২ টা 'সুত্ত' একত্ৰ কৰি পাঁচোটা বৰ্গত ভগাই ইয়াত আধ্যাত্মিক আৰু নৈতিক প্ৰমূল্যৰ শিক্ষা দিয়া হৈছে। এইখিনি নিকায়ৰ সাহিত্যিক মূল্য অপৰিসীম।

**অংগুত্তৰ নিকায়** শীল, সমাধি, প্ৰজ্ঞা, আদি নীতিমূলক কথাৰ বিৱৰণ দিয়া হৈছে। ইয়াত প্ৰায় দুহেজাৰ সৰু সৰু সুত্ত আছে আৰু সিবোৰ ১১টা 'নিপাত'- ত শ্ৰেণীবদ্ধ কৰা হৈছে।

**খুদ্দক নিকায়** সুত্ত পিটকৰ পঞ্চম তথা অন্তিম গ্ৰন্থ। দৰাচলতে ই ১৬ খন স্বয়ং সম্পূৰ্ণ গ্ৰন্থৰ একত্ৰ সংগ্ৰহ। এই গ্ৰন্থকেইখন হ'ল ঃ খুদ্দক পাঠ, ধম্মপদ, উদান, ইতিবুত্তক, সুত্ত নিপাত, বিমানবত্থু, পেতবত্থু, থেৰগাথা, থেৰীগাথা, জাতক, মহানিদ্দেস, চুল্ল নিদ্দেস, পটিসম্ভিধানমগ্‌গ, অবদান, বুদ্ধবংশ আৰু চৰিয়াপিটক। এইবোৰৰ ভিতৰত দ্বিতীয়খন গ্ৰন্থ ২৬ টা বৰ্গৰ সমষ্টি **ধম্মপদ**-এ উচ্চ দাৰ্শনিক গ্ৰন্থ হিচাপে বিশ্বজোৰা খ্যাতি অৰ্জন কৰিছে। **খুদ্দক পাঠ** প্ৰাথমিক শিক্ষাৰ্থীৰ বাবে ৰচিত। ইয়াত মুঠ ৯ টা পাঠ আছে। বৌদ্ধধৰ্মৰ ত্ৰিশৰণ ইয়াৰেই অন্তৰ্গত। আঠোটা বৰ্গত বিভক্ত **উদানত**বুদ্ধদেৰৰ জীৱনৰ বিশিষ্ট ঘটনা আৰু তেওঁৰ উপদেশাৱলীৰ সংকলন। সহজ-সৰল ভাষাৰে গদ্য-পদ্য উভয় ৰীতিৰে ৰচিত। **ইতিবুত্তক** এশ বাৰটা অনুচ্ছেদত বিভক্ত। **সুত্তনিপাত** পাঁচটা ভাগত বিভক্ত। বৌদ্ধধৰ্মৰ দৰ্শনতত্ত্ব বুজিবৰ বাবে আৰু সেই সময়ৰ ভাৰতবৰ্ষৰ সামাজিক আৰু ধৰ্মীয় ব্যৱস্থাপনাৰ সম্যক জ্ঞান আহৰণৰ বাবে ই অতি উপাদেয় গ্ৰন্থ। **বিমানবত্থু** আৰু **পেতবত্থু** যথাক্ৰমে সুকৃতিৰ পৰিণাম আৰু দুষ্কৃতিৰ ভয়াবহতা, দেৱলোক আৰু প্ৰেতলোকৰ বিৱৰণেৰে সাব্যস্ত কৰা হৈছে। **থেৰগাথা** আৰু **থেৰীগাথা** ক্ৰমে ভিক্ষু আৰু ভিক্ষুণীসকলৰ জীৱন-যাত্ৰাৰ বিৱৰণ। ভাৰতীয় পৰম্পৰাত প্ৰাচীন কালৰে পৰা প্ৰৱাহিত গীতি-কবিতাৰ উজ্জ্বল স্বাক্ষৰ ইয়াৰ গাথাসমূহে বহন কৰিছে। **জাতক** লোক-কথা বা সাধুকথা পৰ্যায়ৰ গ্ৰন্থ। ইয়াৰ সংখ্যা ৫৪৭ টা। ইয়াৰ কাহিনীৰ নায়ক পশু-পক্ষী মানুহ যিয়েই নহওক, বিগত কোনো জন্মত সি ভৱিষ্যৎ বুদ্ধৰ অৱতাৰ। **মহানিদ্দেশ** আৰু **চুল্লনিদ্দেশ** ব্যাখ্যা বা টীকা গ্ৰন্থ।

**পটিসম্বিধানমগ্‌গ**ত আছে বৌদ্ধধৰ্মৰ আলোচনা। **অৱদান**ত বুদ্ধ আৰু তেওঁৰ শিষ্যবৰ্গৰ মহৎ কীৰ্তিৰ বিৱৰণ কাহিনীৰ মাধ্যমেৰে প্ৰকাশিত হৈছে। **বুদ্ধবংস**ত বুদ্ধ আৰু তেওঁৰ পূৰ্বৰ ২৪ জন বুদ্ধ-অৱতাৰৰ বৰ্ণনা আছে। অন্তিম গ্ৰন্থ **চৰিয়াপিটক**ত ৩৫ টা জাতকৰ কাহিনী গাঁথা বা পদ্যৰ ৰূপত পৰিৱেশিত হৈছে।

**খ) বিনয় পিটকঃ বিনয় পিটক**ত বৌদ্ধ শ্ৰমণসকলৰ আচৰণ-বিধি, নিয়মানুৱৰ্তিতা আদিৰ বিষয়ে উল্লেখ আছে। ইয়াৰ ভাগ তিনিটা ঃ **সুত্ত বিভংগ, খন্ধক** আৰু **পৰিবাৰ পাঠ**।

বৌদ্ধসকলৰ আচাৰ-ব্যৱহাৰ আৰু জীৱন-প্ৰণালীৰ অৱশ্য পালনীয় নীতিসমূহ 'পাটিমোক্‌খ' (প্ৰতিমোক্ষ) হিচাপে জনাজাত। বিনয় পিটকৰ সাৰমৰ্ম হৈছে এই 'পাটিমোক্‌খ'। **সুত্ত-বিভংগ**ত তাৰেই বিৱৰণ আছে। **সুত্ত বিভংগ**ৰ ভাগ দুটা ঃ 'মহাবিভংগ' আৰু 'ভিক্‌খুনী বিভংগ'। একেদৰে খন্ধকৰো দুটা ভাগঃ 'মহাবগ্‌গ' আৰু 'চুল্লবগ্‌গ'। **খন্ধক**ক **সুত্ত বিভংগ**ৰ বিস্তৃত ব্যাখ্যা বুলিব পাৰি। ইয়াত বৌদ্ধ শ্ৰমণসকলৰ দৈনন্দিন জীৱন-পদ্ধতি আৰু সংঘ পৰিচালনাৰ নিয়ম-নীতিৰ বিস্তৃত বিৱৰণ সন্নিৱিষ্ট হৈছে। **বিনয় পিটক**ৰ অন্তিম ভাগ — **পৰিবাৰ পাঠ**ক সুত্ত বিভংগ আৰু খন্ধকৰ পৰিশিষ্ট বুলিব পাৰি। বহুতৰ মতে পৰিবাৰ পাঠ পৰৱৰ্তী কালৰ সংযোজন মাত্ৰ।

**গ) অভিধম্ম পিটক ঃ** ত্ৰিপিটকৰ অন্তিম ভাগ **অভিধম্ম পিটক**ত বৌদ্ধ দৰ্শনৰ তাত্বিক কথাবোৰৰ বিৱৰণ সন্নিৱিষ্ট হৈছে। পূৰ্বৱৰ্তী গ্ৰন্থসমূহত আলোচিত তাত্বিক ব্যাখ্যাই এইটো খণ্ডত এক শৃঙ্খলাবদ্ধ ৰূপ পৰিগ্ৰহ কৰিছে। ইয়াত মুঠ সাতখন গ্ৰন্থ সংকলিত হৈছে। সেইকেইখন হ'ল — ধম্মসংগণি, বিভংগ, ধাতু কথা, পুগ্‌গলপঞ্‌ঞত্তি, কথাবত্থু, যমক আৰু পট্‌ঠানপকৰণ বা মহাপকৰণ। প্ৰশ্নোত্তৰৰ মাধ্যমেৰে বিষয়বস্তুৰ উপস্থাপন অভিধম্ম পিটকৰ অন্যতম বৈশিষ্ট্য। ধম্মসংগণিত প্ৰধানকৈ চিত্ত, অৰ্থাৎ অন্তৰ্জগত আৰু পৰিৱৰ্তনশীল বাহ্যিক জগতৰ পদাৰ্থসমূহৰ বিষয়বোৰ শ্ৰেণীবিভক্ত কৰি সিবোৰৰ মাজৰ সম্বন্ধ বিচাৰ কৰা হৈছে। ধৰ্মৰ সংজ্ঞা-নিৰ্ণয় গ্ৰন্থখনিৰ মূল বক্তব্য বিষয়। **বিভংগক ধম্ম সংগণি**ৰ বিস্তৃতি বুলিব পাৰি। কাৰণ **ধম্মসংগণিত** উত্থাপিত ধৰ্মতত্ব ইয়াত বিশদভাৱে ব্যাখ্যা কৰা হৈছে। **ধাতুকথাত** ক্ষিতি, অপ, তেজ, মৰুৎ, ব্যোম আৰু বিজ্ঞান এই ধাতুৰ জ্ঞানৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হৈছে। এই গ্ৰন্থও **ধম্মসংগণি**ৰ লগত সম্পৰ্কিত। **পুগ্‌গলপঞ্‌ঞত্তি** হৈছে বৌদ্ধমাৰ্গৰ বিভিন্ন স্তৰৰ ব্যক্তিৰ চৰ্য আৰু অচৰ্য বিষয়ক আলোচনা। মোগ্‌গলিপুতত্ত তিসস্‌-ৰ নামত প্ৰচলিত **কথাবত্থু** থেৰবাদী বৌদ্ধমতৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্নৰ প্ৰয়াসেৰে ৰচিত। **যমকত ধম্মসংগণি**ৰ দৰে চিত্তবিষয়ক তত্ত্বৰ সমাৱেশ ঘটিছে। অভিধম্ম পিটকৰ শেষ গ্ৰন্থ **পট্‌ঠাণপকৰণ** বা **মহাপকৰণ**ত বিভিন্ন বস্তুৰ পাৰস্পৰিক সম্পৰ্ক নিৰ্ণয় বা আন কথাত বৌদ্ধ দৰ্শন অনুসাৰে কাৰ্য কাৰণ নিৰ্ণয় কৰাৰ চেষ্টা কৰা হৈছে।

ওপৰত উল্লেখ কৰি অহা **ত্ৰিপিটক**ৰ অন্তৰ্গত গ্ৰন্থসমূহ কেতিয়া, কি প্ৰসঙ্গত, কেনে ক্ৰমত লেখা হৈছিল, তাক জানিবৰ উপায় নাই। এইবোৰ গদ্য, পদ্য আৰু গদ্য-পদ্য মিশ্ৰিত ৰূপত পোৱা যায়।

**(২) ত্ৰিপিটক-বহিৰ্ভূত সাহিত্য ঃ** পালি ভাষাত ত্ৰিপিটক-ৰ বাহিৰেও অনেক গ্ৰন্থ ৰচিত হৈছিল। বৌদ্ধ-দৰ্শনৰ ঐতিহাসিক পৰিক্ৰমাত এইবোৰৰ মূল্য অপৰিসীম। এই গ্ৰন্থসমূহক নিম্নোক্ত ধৰণে শ্ৰেণীবিভাগ কৰা হৈছেঃ ক) মৌলিক গ্ৰন্থ, খ) টীকা-ভাষ্য, গ) বংশ সাহিত্য, ঘ) সংক্ষি প্ত গ্ৰন্থ, ঙ) কাব্য গ্ৰন্থ আৰু চ) অন্যান্য গ্ৰন্থ। তলত প্ৰতিবিধৰে চমু আলোচনা দাঙি ধৰা হৈছেঃ

**ক) মৌলিক গ্ৰন্থ ঃ** ত্ৰিপিটক-বহিৰ্ভূত মৌলিক গ্ৰন্থৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল — **মিলিন্দ পঞ্‌হ, নিদানকথা, নেত্তিপকৰণ** আৰু **পেটকোপদেস**।

**মিলিন্দ পঞ্‌হ** (মিলিন্দ প্ৰশ্ন) পালি-সাহিত্যৰ এক উৎকৃষ্ট সম্পদ। বৌদ্ধ মহাযান মতৰ মাধ্যমিক শাখাৰ প্ৰৱৰ্তক নাগাৰ্জুনৰ মত অৱলম্বন কৰি বৌদ্ধভিক্ষু নাগসেনে এই গ্ৰন্থখনি ৰচনা কৰা বুলি প্ৰসিদ্ধি আছে। গ্ৰন্থখনি প্ৰশ্নোত্তৰ ৰীতিৰে ৰচিত। ইয়াত প্ৰশ্নকৰ্তা হৈছে খ্ৰীঃ প্ৰথম শতিকাৰ উত্তৰ-পশ্চিম ভাৰতৰ সাকল নামৰ ৰাজ্যৰ গ্ৰীক ৰজা মিনাণ্ডাৰ বা মিনাণড্ৰোছ আৰু উত্তৰ দিওঁতা হৈছে নাগসেন। ইয়াত বৌদ্ধধৰ্মৰ বিবিধ জটিল তত্ত্ব চৌপাশৰ পৰিৱেশৰ পৰা আহৰিত উপমা-ৰূপকৰ সহায়ত অতি সহজভাৱে ব্যাখ্যা কৰা হৈছে। ইয়াৰ ভাষা অতিশয় মাৰ্জিত, সাৱলীল আৰু অভিজাতধৰ্মী।

**মিলিন্দ পঞ্‌হৰ** সমসাময়িকভাৱে (খ্ৰীঃ প্ৰথম শতাব্দী) ৰচিত অন্য দুখন মৌলিক গ্ৰন্থ হ'ল মহাকচ্চায়ন (মহাকাত্যায়ন) বিৰচিত **নেত্তিপকৰণ** আৰু **পেটকোপদেস**। গ্ৰন্থ দুখনিত যথাক্ৰমে বুদ্ধৰ উপদেশ আৰু পিটকৰ নিৰ্দেশসমূহ আলোচনা কৰা হৈছে।

গদ্য-পদ্য উভয় ৰীতিৰে ৰচিত **নিদান কথাত** বুদ্ধদেৱৰ জীৱন-কাহিনীৰ ধাৰাবাহিক বিৱৰণ পোৱা যায়। ইয়াৰ অংশ বিশেষ খুদ্দক-নিকায়তো পোৱা যায়।

**খ) টীকা-ভাষ্য ঃ** বৌদ্ধধৰ্মৰ মূল শাস্ত্ৰ **ত্ৰিপিটকৰ** ব্যাখ্যা সম্বলিত গ্ৰন্থসমূহক এইটো শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰিব পাৰি। বৌদ্ধ পৰম্পৰাত এইবোৰ অটঠ্‌কথাৰূপে জনাজাত। এই শ্ৰেণীৰ গ্ৰন্থৰ ৰচয়িতাসকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য হ'ল বুদ্ধঘোষ, বুদ্ধদত্ত, ধৰ্মপাল, মহানাম আৰু উপসেন। এইসকলৰ ভিতৰত আচাৰ্য বুদ্ধঘোষৰ ৰচনাই সৰহ। তেওঁৰ ৰচনাসমূহ হ'ল — **বিসুদ্ধিমগ্‌গ, সমন্তপাসাদিকা, কংখাবিতৰণী, সুমংগল বিলাসিনী, পপঞ্চসূদনী, সাৰত্থপকাসিনী, মনোৰথপুৰণী, ধম্মপদত্থকথা, সুত্তনিপাতত্থ কথা, পৰমত্থজ্যোতিক, জাতকত্থবন্ননা, অত্থসালিনী, সম্মোহ বিনোদিনী, ধাতু কথাপকৰণ-অটঠকথা, পুগ্‌গলপঞ্‌ঞত্তি-অট্‌ঠকথা, কথাবত্থু-অট্‌ঠকথা, যমকপকৰণ-অট্‌ঠকথা আৰু পট্‌ঠানপকৰণ-অটঠকথা**।

বৌদ্ধশাস্ত্ৰৰ আন এজন ভাষ্যকাৰ বুদ্ধদত্তৰ ৰচনাসমূহ হ'ল **উত্তৰবিনিচ্ছয়, বিনয়বিনিচ্ছয়, অভিধম্মাৱতাৰ, ৰূপাৰূপ বিভাগ** আৰু **মধুৰত্থবিলাসিনী**। আচাৰ্য ধৰ্মপালে **পৰমত্থাপদীপনী** নামেৰে এখন টীকা-গ্ৰন্থ প্ৰণয়ন কৰে আৰু **মহাকচ্চান** বিৰচিত **নেত্তি প্ৰকৰণৰ** এখনি ভাষ্য ৰচনা কৰে। আচাৰ্য মহানাম আৰু উপসেনৰ নামত প্ৰচলিত টীকাগ্ৰন্থ দুখন হ'ল যথাক্ৰমে **সদ্ধম্মপকাসিনী** আৰু **সদ্ধম্মপজ্জোতিকা**।

**গ) বংশ সাহিত্য ঃ** বুদ্ধদেৱৰ জীৱন, সংঘ আৰু সংগীতিৰ ইতিহাস তথা সিংহল ৰাজবংশৰ ইতিহাস সম্বলিত পালি-সাহিত্যসমূহক 'বংস' নামেৰে অভিহিত কৰা হৈছে। খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ পৰা ঊনবিংশ শতাব্দী পৰ্যন্ত সুদীৰ্ঘ কাল জুৰি ৰচিত এই শ্ৰেণীৰ সাহিত্যৰ ভিতৰত অজ্ঞাত লেখকৰ **দীপবংস** প্ৰাচীন আৰু ব্ৰহ্মদেশৰ **সাসনবংস** সবাতোকৈ অৰ্বাচীন। এই দুখনৰ উপৰি অন্যান্য বংশ সাহিত্য হ'ল — **মহাবংস, বোধিবংস, দাঠাবংস, থুপবংস, হত্থবনগল্লবিহাৰবংস, অনাগত বংস, চুলবংস, গন্ধবংস** ইত্যাদি।

**ঘ) সংক্ষিপ্ত গ্ৰন্থ ঃ** বৌদ্ধদৰ্শনৰ মূল তত্ত্বসমূহ সংক্ষেপে আয়ত্ত কৰাৰ বা ব্যৱহাৰ কৰাৰ উদ্দেশ্যেৰে ৰচিত গ্ৰন্থকেইখনক এই শ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা হৈছে। এইবোৰৰ ভিতৰত ধম্মপালৰ **সচ্চসংখেপ**, অনিৰুদ্ধৰ **অভিধম্মত্থ সংগ্ৰহ, নামৰূপ পৰিচ্ছেদ**, ক্ষেমাচাৰ্যৰ **নামৰূপ পসংসা**, ধম্মসিৰিৰ **মূলসিক্‌খা**, মহাসামিৰ **খুদ্দক সিক্‌খা** আদিৰ নাম উল্লেখযোগ্য। **কম্মবাচ্য, মহাপৰিও, সুত্ত-সংগ্ৰহ** আদিকো এই শ্ৰেণীত ধৰিব পাৰি।

**ঙ) কাব্য গ্ৰন্থ ঃ** খ্ৰীষ্টীয় দ্বাদশ শতাব্দীৰ পৰা পঞ্চদশ শতাব্দী পৰ্যন্ত — এই কালছোৱাত বুদ্ধদেৱৰ জীৱন আৰু তেওঁৰ মতবাদৰ আধাৰত কেইবাখনো কাব্যপুথি ৰচিত হৈছিল। এনে কাব্যৰ ভিতৰত উল্লেখযোগ্য হ'ল — বুদ্ধৰক্‌খিতৰ **জিনালংকাৰ**, কল্যাণিয় থেৰৰ **তেলকটাহগাথা**, বুদ্ধপ্পিয়ৰ **পজ্জমধু**, মেধংকৰৰ **জিনচৰিত** আৰু **লোকদীপসাৰ**, ধম্মকিত্তিৰ **পাৰমি মহাসতক** আৰু সীলবংসৰ **বুদ্ধালংকাৰ**।

**চ) অন্যান্য গ্ৰন্থ ঃ** পালি ভাষাত ব্যাকৰণ, অভিধান আৰু ছন্দ-অলঙ্কাৰ বিষয়ক যিকেইখন গ্ৰন্থ পোৱা যায়, সেইখিনিক এইটো শিতানৰ অন্তৰ্ভুক্ত কৰা হৈছে। এনে গ্ৰন্থসমূহে নিম্নোক্ত ধৰণে শ্ৰেণীভুক্ত কৰি দেখুৱাব পাৰি।

**ব্যাকৰণ** ঃ কাত্যায়ন বিৰচিত **কচ্চায়ন**, মোগ্‌গল্লায়নৰ **সদ্দলক্‌খন** আৰু অগগ্‌বংসৰ **সদ্দনীতি** পালি ভাষাৰ প্ৰধান ব্যাকৰণ পুথি। ইয়াৰ বাহিৰে অন্যান্য ব্যাকৰণ হ'ল — **ৰূপসিদ্ধি, বালাৱতাৰ, সদ্দবিন্দু, সদ্দমালা, সদ্দখভেদচিন্তা, কচ্চায়নভেদ, পদসাধনী, প্ৰয়োগসিদ্ধি, সুসদ্দসিদ্ধি, মহাসদ্দনীতি, চুল্লসদ্দনীতি** ইত্যাদি।

**অভিধান ঃ** মোগ্‌গল্লানৰ **অভিধানপ্পদীপিকা** আৰু সদ্ধম্মকিত্তিৰ **একক্‌খৰকোস** পালি ভাষাৰ প্ৰধান অভিধান।

**ছন্দ-অলংকাৰ ঃ** পালি ভাষাত এইবিধ ৰচনাৰ সংখ্যা নিচেই তাকৰ। ছন্দ বিষয়ক **বুত্তোদয়** আৰু অলংকাৰ বিষয়ক **সুবোধালংকাৰ** এই বিষয়ৰ দুখন প্ৰসিদ্ধ গ্ৰন্থ।

**আত্মমূল্যায়ন প্ৰশ্ন**

(১) পালি ভাষাত কি কি বিষয়ক কি কি গ্ৰন্থ ৰচিত হৈছিল? (৪৫ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

..........................................................................................................

..........................................................................................................

..........................................................................................................

## ৩.৮ সাৰাংশ (Summing Up)

এইটো বিভাগত আপোনাৰ অধ্যয়নৰ বিস্তৃতিৰ বাবে পালি ভাষাৰ প্ৰায় আটাইবোৰ দিশৰ আলোচনা কৰা হৈছে। মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰথম স্তৰৰূপে চিহ্নিত বৌদ্ধশাস্ত্ৰ ৰচনাৰ বাবে উদ্ভৱ হোৱা এই ভাষাটোৰ নাম পালি কিয় হ'ল আৰু শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ কি সেই কথা বিভাগটোৰ ১.৩ নং ছেদত আলোচনা কৰা হৈছে। ১.৪ নং ছেদত ভাষাটোৰ ক্ৰমবিকাশৰ দিশবোৰ বিচাৰ-বিশ্লেষণ কৰা হৈছে। ১.৫ নং ছেদত আছে পালি ভাষাৰ জন্মস্থান সম্পৰ্কীয় আলোচনা। দৰাচলতে পালি তৎকালীনভাৱে কথিত কোনো স্থানীয় ভাষাৰ পৰিশীলিত ৰূপ নে ই বাহিৰৰ পৰা অহা ভাষা সেই কথাকে এইটো ছেদত বিচাৰ কৰা হৈছে। ১.৬ ছেদত বৈদিক-সংস্কৃতৰ পৰা পালি ভাষাৰ কেনেদৰে ৰূপান্তৰ ঘটিছে তাক একাধিক উদাহৰণেৰে দেখুওৱা হৈছে। পৰিশেষত ১.৭ নং ছেদত পালি-সাহিত্যৰ চমু পৰিচয় দিয়া হৈছে।

আমি আশাকৰোঁ এই বিভাগটো অধ্যয়ন কৰি আপুনি পালি ভাষা আৰু সাহিত্যৰ বিভিন্ন দিশৰ জ্ঞান আহৰণ কৰিবলৈ সমৰ্থ হ'ব।

## ৩.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) পালি ভাষাৰ উৎপত্তি সম্পৰ্কে পণ্ডিতসকলে আগবঢ়োৱা মতবোৰ বিচাৰ কৰি এটি আলচ যুগুত কৰক।

(২) সংস্কৃতৰ ঋ, ঐ আৰু ঔ — এই তিনিটা স্বৰৰ পালি ভাষাত কেনে ধৰণৰ পৰিৱৰ্তন ঘটিছে উদাহৰণ সহ ফঁহিয়াই দেখুৱাওক।

(৩) সংস্কৃতৰ সংযুক্ত ব্যঞ্জনসমূহ পালি ভাষাত কেনে ৰূপ লাভ কৰিছে বহলাই আলোচনা কৰক।

(৪) সংস্কৃত আৰু পালি ভাষাৰ স্বৰ আৰু ব্যঞ্জনসমূহৰ দুখন তালিকা প্ৰস্তুত কৰক।

(৫) ৰূপতাত্ত্বিক দিশত পালি ভাষা সংস্কৃতৰ পৰা কেনেদৰে আঁতৰি আহিছে বিশ্লেষণ কৰি দেখুৱাওক।

(৬) তলত উল্লেখ কৰা গ্ৰন্থকেইখনৰ পৰিচয় দাঙি ধৰক ঃ

(ক) ত্ৰিপিটক, (খ) ধম্মপদ, (গ) জাতক, (ঘ) কথাবত্থু, (ঙ) মিলিন্দ পঞ্হ, (চ) থেৰগাথা (ছ) ধাতুকথা, (জ) দীঘ নিকায়, (ঝ) মহাবংস।

## ৩.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

দেবিদাস ভট্টাচাৰ্য ও
উষাৰঞ্জন ভট্টাচাৰ্য ঃ *ধম্মপদ*

নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

ঃ *প্ৰাকৃত সাহিত্য চয়ন*

ঃ *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন*

বিধুশেখৰ (শাস্ত্ৰী) ভট্টাচাৰ্য ঃ *পালি-প্ৰকাশ*

লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*

Geiger : *History of Pali Language and Literature*

M. Winternitz : *History of Indian Literature*


*****

# চতুৰ্থ বিভাগ
# প্ৰাকৃত ভাষা

**বিভাগৰ গঠনঃ**


৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ প্ৰাকৃত শব্দৰ ব্যুৎপত্তি আৰু প্ৰাকৃত নামৰ তাৎপৰ্য

৪.৪ প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশ

৪.৫ প্ৰাকৃত ভাষাৰ বৈশিষ্ট্য

৪.৫.১ ধ্বনিগত বৈশিষ্ট্য

৪.৫.২ ৰূপগত বৈশিষ্ট্য

৪.৫.৩ শব্দ-সম্ভাৰগত বৈশিষ্ট্য

৪.৬ সাহিত্যিক প্ৰাকৃত

৪.৬.১ মাহাৰাষ্ট্ৰী

৪.৬.২ শৌৰসেনী

৪.৬.৩ মাগধী

৪.৬.৪ অৰ্ধমাগধী

৪.৬.৫ পৈশাচী

৪.৭ প্ৰাকৃত সাহিত্য (শ্ৰেণী-বিভাগ আৰু পৰিচয়)

৪.৮ সাৰাংশ (Summing Up)

৪.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

৪.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ৪.১ ভূমিকা (Introduction)

এইটো বিভাগত আমি মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত প্ৰাকৃত ভাষা আৰু সেই ভাষাত ৰচিত সাহিত্যৰাজিৰ বিষয়ে অধ্যয়ন কৰিম। মধ্যভাৰতীয় আৰ্যভাষাৰ যি তিনিটা স্তৰ বিভাজন আমি প্ৰথম খণ্ডৰ প্ৰথম বিভাগৰ ১.৪ ছেদত পাই আহিছোঁ, তাৰে মধ্যৱৰ্তী স্তৰটোৰ ভাষাই হৈছে প্ৰাকৃত ভাষা আচলতে প্ৰাচীন ভাৰতীয় আৰ্যভাষাই। জনসাধাৰণৰ মুখ বাগৰি পৰিৱৰ্তিত হৈ যি ৰূপ লাভ কৰিছিল সেই ভাষাটোকে সামগ্ৰিকভাৱে প্ৰাকৃত ভাষাৰূপে অভিহিত কৰা হয় যদিও, আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে মধ্যস্তৰৰ ভাষাটোক প্ৰাকৃত ভাষাৰূপে দেখুৱাব বিচৰা হৈছে। ইয়াৰ পূৰ্বৱৰ্তী স্তৰত আমি অশোক অনুশাসনৰ প্ৰাকৃত আৰু বৌদ্ধ সাহিত্যৰ বাহক পালি ভাষা পাওঁ। আনহাতে আলোচ্য স্তৰটোৰ অব্যৱহিত পৰৱৰ্তী স্তৰত আছে অপভ্ৰংশ ভাষা।

সি যি কি নহওক, এইটো বিভাগত আমি প্ৰাকৃত শব্দৰ ব্যুৎপত্তিগত অৰ্থ, এই ভাষাৰ ধ্বনিগত, ৰূপগত আৰু শব্দসম্ভাৰগত বৈশিষ্ট্য, বিভিন্ন প্ৰকাৰৰ সাহিত্যিক প্ৰাকৃত আৰু প্ৰাকৃত সাহিত্যৰাজিৰ পৰিচয় —এই আটাইবোৰ দিশৰ আলোচনা পাম।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি—

- প্ৰাকৃত শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰিব পাৰিব;
- প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু বিকাশৰ বুৰঞ্জী ফঁহিয়াই দেখুৱাব পাৰিব;
- প্ৰাকৃত ভাষাৰ বৈশিষ্ট্যবোৰ বিশ্লেষণ কৰি দেখুৱাব পাৰিব;
- বিভিন্ন সাহিত্যিক প্ৰাকৃত ভাষাৰ স্বকীয়ত্ব নিৰূপণ কৰিব পাৰিব; আৰু
- প্ৰাকৃত সাহিত্যৰাজিৰ পৰিচয় দাঙি ধৰিবলৈ সমৰ্থ হ'ব।

## ১.৩ প্ৰাকৃত শব্দৰ ব্যুৎপত্তি আৰু প্ৰাকৃত নামৰ তাৎপৰ্য

ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিকাশৰ বুৰঞ্জীক পণ্ডিতসকলে যি তিনিটা স্তৰত ভাগ কৰিছে তাৰে দ্বিতীয় স্তৰটো সামগ্ৰিকভাৱে প্ৰাকৃত ভাষাৰ যুগ হিচাপে জনাজাত। এই যুগটো খ্ৰীষ্টপূৰ্ব ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দৰ্শম শতিকা পৰ্যন্ত পৰিব্যাপ্ত। এইটো স্তৰো আকৌ তিনিটা উপবিভাগত বিভক্ত ঃ আদি স্তৰ (পালি আৰু অশোকৰ অনুশাসনৰ ভাষা), মধ্য স্তৰ (সাহিত্যিক প্ৰাকৃত) আৰু অন্ত্য স্তৰ (অপভ্ৰংশ)। এইটো শিতানত আমি খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা ষষ্ঠ শতিকালৈ ছশ বছৰ জুৰি তৎকালীন সাহিত্যত ব্যৱহৃত মধ্য স্তৰটোৰ ভাষাৰ বা থোৰতে প্ৰাকৃত ভাষাৰ বিষয়ে অধ্যয়ন কৰিম।

মধ্য ভাৰতীয় আৰ্যভাষা প্ৰাকৃত নামেৰে কিয় জনাজাত হ'ল সি এক মৌলিক প্ৰশ্ন। এই নামৰ তাৎপৰ্য তথা প্ৰাকৃত শব্দটোৰ ব্যুৎপত্তিগত অৰ্থ অন্বেষণৰ বাবে আমি প্ৰাচীন কালৰে পৰা বৰ্তমানলৈ বিভিন্ন পণ্ডিতে আগবঢ়োৱা মতবোৰৰ ওচৰ চাপিব লাগিব। এই ক্ষেত্ৰত আমি প্ৰধানতঃ চাৰিটা মত পাওঁ ঃ (ক) 'প্ৰকৃতি' বা মূলৰ পৰা, অৰ্থাৎ সংস্কৃত ভাষাৰ পৰা যি ভাষাৰ সৃষ্টি হৈছে সেয়ে প্ৰাকৃত; (খ) প্ৰাকৃতিক বা স্বাভাৱিকভাৱে আহৰিত জনসাধাৰণৰ দৈনন্দিন জীৱনত প্ৰচলিত ভাষাই প্ৰাকৃত ভাষা; (গ) 'প্ৰাকৃত' অৰ্থাৎ সাধাৰণ লোকৰ যি বাগ্-ব্যৱহাৰ সেয়াই প্ৰাকৃত ভাষা; আৰু (ঘ) 'প্ৰাক্-কৃত' অৰ্থাৎ পূৰ্বৰ বা আন কথাত সংস্কৃততকৈ আগৰ যি ভাষা সি প্ৰাকৃত ভাষা।

ওপৰত উল্লিখিত মতকেইটাৰ ভিতৰত প্ৰথমটো মত, অৰ্থাৎ সংস্কৃতৰ পৰা প্ৰাকৃত ভাষাৰ উদ্ভৱ হোৱা কথাটো প্ৰাচীন ভাৰতীয় আলংকাৰিক আৰু বৈয়াকৰণসকলৰ দ্বাৰা সমৰ্থিত। কোনো কোনো পাশ্চাত্য পণ্ডিতেও এই মতকে সমৰ্থন কৰিছে। প্ৰাকৃত বৈয়াকৰণ হেমচন্দ্ৰৰ (*সিদ্ধহেমশব্দানুশাসনম্*) মতে, "প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভবং বা তত আগতং প্ৰাকৃতম্", অৰ্থাৎ প্ৰকৃতি বা মূল সংস্কৃতৰ পৰা যি আহিছে বা যাৰ উদ্ভৱ হৈছে, সেয়ে

প্ৰাকৃত। মাৰ্কণ্ডেয় কবীন্দ্ৰই *'প্ৰাকৃত সৰ্বস্ব'* নামৰ ব্যাকৰণখনত একে মন্তব্যকে কৰিছে যে "প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভবং প্ৰাকৃতমুচ্যতে"। আকৌ কৃষ্ণ পণ্ডিতৰ *'প্ৰাকৃত চন্দ্ৰিকা'* অনুসাৰে "প্ৰকৃতিঃ সংস্কৃতং তত্ৰ ভৱত্বাৎ প্ৰাকৃতং স্মৃতম্"। *'প্ৰাকৃত-সঞ্জীৱনী'* নামৰ গ্ৰন্থখনিৰ মতেও "প্ৰাকৃতস্য তু সৰ্বমেব সংস্কৃতং যোনিঃ"। বৈয়াকৰণসকলৰ উপৰি প্ৰসিদ্ধ ভাৰতীয় আলংকাৰিক আচাৰ্য দণ্ডীয়েও একে মতকে পোষণ কৰিছে। এনেদৰে বিচাৰ কৰিলে দেখা যায়, সংস্কৃতৰ পৰাই যে প্ৰাকৃত ভাষাৰ উদ্ভৱ হৈছে সেই সম্পৰ্কে প্ৰাচীন ভাৰতীয় পণ্ডিতসকল প্ৰায় একমত। অৱশ্যে এই সংস্কৃত পাণিনিৰ দ্বাৰা ব্যাকৰণৰ সূত্ৰত আবদ্ধ ধ্ৰুপদী সংস্কৃত ভাষা নহয়; বৰং ই বৈদিক ভাষা তথা সেই সময়ত প্ৰচলিত ভাৰতীয় আৰ্যভাষাৰ অন্তৰ্গত সকলো উপভাষাৰ এক সামগ্ৰিক ৰূপ। আলংকাৰিক ৰুদ্ৰটৰ *'কাব্যালংকাৰ'*ৰ টীকাকাৰ নমিসাধুৱে এনে অৰ্থতে প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু তাৎপৰ্যৰ বিচাৰ কৰিছে। তেওঁৰ মতে "সকল জগজন্তুনাং ব্যাকৰণাদিভিৰং নাহিত সংস্কাৰ সহজ বচন ব্যাপাৰ প্ৰকৃতিঃ। তত্ৰ ভৱ সৈৰ বা প্ৰাকৃতম্"।

ইউৰোপীয় পণ্ডিতসকলে 'প্ৰাকৃত' ভাষাৰ বিষয়ে কৰা মন্তব্যসমূহ তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি— (ক) সংস্কৃত নাটকাদিত ব্যৱহৃত সংস্কৃত ভিন্ন অন্য ভাষাৰ নাম প্ৰাকৃত; (খ) ভাৰতীয় আৰ্যভাষাৰ ইতিহাসৰ মধ্য যুগত প্ৰচলিত ভাষা; (গ) সাহিত্যিক ভাষাৰ পৰা পৃথক, জনসাধাৰণৰ মাজত প্ৰচলিত কথিত ভাষা।

উল্লিখিত মতকেইটাৰ প্ৰথম দুটাৰ ক্ষেত্ৰত মতদ্বৈধ নাথাকিলেও শেষৰ মন্তব্যটো মানি ল'বলৈ টান। বৰং ক'ব পাৰি জনসাধাৰণৰ মাজত প্ৰচলিত বৈদিক ভাষাৰ পৰিৱৰ্তিত ৰূপটোৰ নামেই 'প্ৰাকৃত'। এই প্ৰাকৃত ভাষাৰ পৰিমাৰ্জিত ৰূপটোকে সমসাময়িক কবি সাহিত্যিকসকলে সাহিত্যৰ বাহন হিচাপে ব্যৱহাৰ কৰিছিল। *'গৌড়বহো'* মহাকাব্যৰ ৰচক বাকপতিৰাজে 'সকলো ভাষা প্ৰাকৃতৰ অন্তৰ্গত আৰু প্ৰাকৃতৰ পৰাই সকলো ভাষা নিৰ্গত' বুলি কৰা মন্তব্যটো এই ক্ষেত্ৰত তাৎপৰ্যপূৰ্ণ। ওপৰত উল্লিখিত নমিসাধুৱে কোৱাৰ দৰে ব্যাকৰণ আদিৰ সূত্ৰৰ জৰিয়তে সংস্কাৰপ্ৰাপ্ত নোহোৱা সাধাৰণ মানুহৰ সহজ-সৰল বাগভঙ্গীয়েই 'প্ৰকৃতি' আৰু তাৰ পৰা উদ্ভৱ হোৱা ভাষাৰ নাম প্ৰাকৃত। অৰ্থাৎ প্ৰাকৃত ভাষা হ'ল জনসাধাৰণৰ স্বাভাৱিক কথিত ভাষা।

'প্ৰাকৃত' শব্দটো সম্ভৱতঃ 'সংস্কৃত'ৰ পৰা পৃথক ভাষাক বুজাবলৈ ব্যৱহাৰ কৰা হৈছিল। অৰ্থাৎ, মহামুনি পাণিনিয়ে সংস্কাৰ আৰু পৰিমাৰ্জন কৰা শিষ্টজনৰ সাহিত্যিক ভাষাৰ নাম সংস্কৃত আৰু তাৰ বিপৰীতে সাধাৰণজনৰ দৈনন্দিন জীৱনত প্ৰচলিত কথিত ভাষাৰ নাম প্ৰাকৃত — এনে তুলনাৰ আধাৰত 'প্ৰাকৃত' শব্দটোৰ সৃষ্টি হৈছে। ভাষাতত্ত্ববিদ ডঃ সুকুমাৰ সেনে *ভাষাৰ ইতিবৃত্ত* গ্ৰন্থত 'প্ৰাকৃত' নামটিৰ তাৎপৰ্য বিশ্লেষণৰ প্ৰসঙ্গত কৈছে, "প্ৰাকৃত বা প্ৰাকৃত ভাষাৰ প্ৰকৃত তাৎপৰ্য হৈছে 'প্ৰকৃতি' অৰ্থাৎ জনসাধাৰণে ব্যৱহাৰ কৰা ভাষা। শিষ্ট ব্ৰাহ্মণ্য সমাজৰ 'শুদ্ধ' ভাষা সংস্কৃত —এই নামৰ প্ৰতিৰূপ হিচাপে প্ৰাকৃত নামটি কল্পনা কৰি লোৱা হৈছে"। মন কৰিবলগীয়া যে সংস্কৃত নাটকত উচ্চ শ্ৰেণীৰ চৰিত্ৰ; যেনে— ৰজা, ব্ৰাহ্মণ আদিৰ সংলাপত কেতিয়াও প্ৰাকৃত ভাষা

প্ৰয়োগ কৰা নাই। বৰং মধ্যম আৰু নিম্নখাপৰ চৰিত্ৰৰ মুখতহে এই ভাষা প্ৰয়োগ কৰা হৈছে। এনে ঘটনাই 'প্ৰাকৃত' শব্দটি সাধাৰণজনৰ কথিত ভাষা বুজাবলৈ ব্যৱহাৰ হোৱাৰ দিশলৈকে আঙুলিয়ায়।

এইখিনিতে প্ৰসঙ্গ ক্ৰমে উল্লেখ কৰি থোৱা সমীচীন হ'ব যে সংস্কৃত আৰু প্ৰাকৃত ভাষাৰ উদ্ভৱ একে সময়তে হোৱা নাই। ভাৰতীয় আৰ্যভাষাৰ কথিত ৰূপটো আৰম্ভণিৰে পৰাই আছিল আৰু তাৰ পৰিমাৰ্জিত ৰূপটোত বেদ ৰচনা কৰা হৈছিল। পৰৱৰ্তী কালত মানুহৰ মুখ বাগৰি ই পৰিৱৰ্তিত হোৱাত বেদৰ ভাষাৰ বিশুদ্ধতা ৰক্ষাৰ্থে সংস্কৃত ভাষাৰ সৃষ্টি কৰা হয়। গতিকে সংস্কৃত হ'ল ব্যাকৰণ— নিৰ্দিষ্ট ভাষা তথা নিয়মানুশাসিত ভাষা। আনহাতে, প্ৰাকৃত ভাষা কিন্তু স্বচ্ছন্দ তথা স্বাভাৱিক। অৱশ্যে জনসাধাৰণৰ মাজত প্ৰচলিত এই কথিত ৰূপটোৰ আধাৰত সৃষ্ট কৃত্ৰিম সাহিত্যিক ভাষাৰ জৰিয়তে তৎকালীনভাৱে সাহিত্যাদি ৰচনা কৰা হৈছিল। এই ভাষা 'সাহিত্যিক প্ৰাকৃত' নামেৰে জনাজাত।

ভাৰতীয় পৰম্পৰাত 'প্ৰাকৃত' নামটিৰ প্ৰথম উল্লেখ পোৱা যায় আনুমানিক খ্ৰীষ্টীয় দ্বিতীয় শতিকাত ৰচিত ভৰত মুনিৰ *'নাট্যশাস্ত্ৰ'* ত। ইয়াৰ পাছত খ্ৰীষ্টীয় সপ্তম শতিকাত আচাৰ্য দণ্ডীয়ে সাহিত্যিক ভাষা হিচাপে প্ৰাকৃতক এক স্বতন্ত্ৰ ভাষা হিচাপে স্বীকৃতি দিয়ে। খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ মহামুনি পতঞ্জলিকৃত *'মহাভাষ্য'* ত সংস্কৃতৰ বিকৃত ৰূপক 'অপভ্ৰংশ' আখ্যা দিয়া হৈছিল। এই 'অপভ্ৰংশ' শব্দয়ো প্ৰকৃতপক্ষে লৌকিক বাগ্‌ভঙ্গী অৰ্থাৎ প্ৰাকৃতকে বুজায়।

মুঠতে ভাৰতীয় পৰম্পৰাত সংস্কৃততকৈ পৃথক যি লৌকিক ভাষা ৰূপ তাৰ নামেই প্ৰাকৃত।

**আত্মমূল্যায়ন প্ৰশ্ন**

এশমান শব্দৰ ভিতৰত প্ৰাকৃত শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু প্ৰাকৃত নামকৰণৰ তাৎপৰ্য বিশ্লেষণ কৰক।

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

### ৪.৪ প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু ক্ৰমবিকাশ

ভাৰতীয় আৰ্যভাষাৰ ইতিহাসৰ আলোচনাত খ্ৰীষ্ট পূৰ্ব ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দীলৈ প্ৰচলিত স্তৰটোক মধ্য ভাৰতীয় আৰ্যভাষা আখ্যা দিয়া হৈছে। এই

স্তৰটোক সামগ্ৰিকভাৱে প্ৰাকৃত ভাষাৰ যুগ বুলি কোৱা হয়। আমি ইতিমধ্যে খণ্ড -১-ত এই বিষয়ে অধ্যয়ন কৰি আহিছোঁ। ইয়াত মাথো মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰৰ অন্তৰ্গত প্ৰাকৃত ভাষাৰ বিষয়েহে অধ্যয়ন কৰিম। অৰ্থাৎ, এইটো শিতানত পালি, অনুশাসনৰ ভাষা বা প্ৰাচীন প্ৰাকৃত আৰু অপভ্ৰংশৰ আলোচনা পৰিহাৰ কৰা হ'ব।

আমি যিটো স্তৰৰ প্ৰাকৃত ভাষাৰ কথা এই আলোচনাত পাম সেইটো হৈছে মূলতঃ সাহিত্যাদি ৰচনাত ব্যৱহৃত প্ৰাকৃত ভাষা। এইটো স্তৰৰ ভাষা খ্ৰীষ্টীয় প্ৰথম শতিকাৰ আৰম্ভণিৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকালৈ বিস্তৃত। এই স্তৰৰ ভাষাৰ নিদৰ্শন নিম্নোক্ত ৰচনা-ৰাজিত পোৱা যায়—

(ক) খ্ৰীঃ প্ৰথম শতিকাত ৰচিত অশ্বঘোষৰ *'সাৰিপুত্ৰ প্ৰকৰণ'*ৰ প্ৰাকৃতাংশত;

(খ) খ্ৰীঃ দ্বিতীয় শতিকাৰ ভৰতৰ *নাট্যশাস্ত্ৰ*ত প্ৰাপ্ত ধ্ৰুৱা গীতবোৰৰ মাজত;

(গ) সংস্কৃত নাটকত ব্যৱহৃত সংলাপ, গাথা আৰু গীতবোৰৰ মাজত;

(ঘ) জৈন ধৰ্মশাস্ত্ৰকেইখনমানত;

(ঙ) তৎকালীন ভাষাত ৰচিত কাব্যসমূহৰ মাজত; আৰু

(চ) বৈয়াকৰণসকলে উল্লেখ কৰা উক্তি বা উদ্ধৃতিৰ মাজত।

বৈদিক যুগৰ কথিত ভাষাৰ পৰাই যে কালক্ৰমত প্ৰাকৃত ভাষাৰ উদ্ভৱ হৈছে সেই বিষয়ে কোনো দ্বিমত নাই। জনসাধাৰণৰ মুখ বাগৰি বৈদিক ভাষা এটা সময়ত এনে এটা স্তৰত উপনীত হ'ল যি স্তৰৰ ভাষাৰ সৈতে প্ৰাচীন ভাষাটোৰ যোগসূত্ৰ ক্ষীণ হৈ পৰিল। এই নতুন স্তৰটোৰ আৰম্ভণিতে আমি কেতবোৰ অনুশাসন পাওঁ য'ত পৰিৱৰ্তিত ভাষা-ৰূপটোৰ নিদৰ্শন স্পষ্টভাৱে সংৰক্ষিত হৈছে। সেইবোৰৰ অনুসন্ধান কৰি পণ্ডিতসকলে তৎকালীনভাৱে প্ৰচলিত চাৰিটা ঔপভাষিক ৰূপ উদ্ধাৰ কৰিছে— (১) উত্তৰ-পশ্চিমা বা গান্ধাৰ-উদীচ্যা, (২) দক্ষিণ-পশ্চিমা বা পশ্চিমা বা সৌৰাষ্ট্ৰ-প্ৰতীচ্যা, (৩) প্ৰাচ্য-মধ্যা, আৰু (৪) প্ৰাচ্যা। বিশেষকৈ সম্ৰাট অশোকে লিখোৱা অনুশাসনসমূহৰ মাজত এই চাৰিটা ঔপভাষিক ৰূপৰ স্পষ্ট পৰিচয় পোৱা যায়। ইয়াৰ সমসাময়িকভাৱে বৌদ্ধ মতাৱলম্বীসকলে তেওঁলোকৰ শাস্ত্ৰ-ৰচনাতো তৎকালীন কথিত ভাষাৰ পৰিমাৰ্জিত ৰূপটোকে ব্যৱহাৰ কৰিছে। এই ভাষা পালি ভাষাৰূপে জনাজাত। অনুশাসন তথা বৌদ্ধশাস্ত্ৰৰ ভাষাই কিন্তু তেতিয়াও প্ৰাচীন ভাষাৰ ভালেমান বৈশিষ্ট্য বহন কৰিছিল। উদাহৰণস্বৰূপে মধ্যভাৰতীয় আৰ্যভাষাত প্ৰাচীন ভাষাৰ আত্মনেপদ ৰূপৰ প্ৰয়োগ নাই বুলি যদিও কোৱা হয়, অনুশাসনৰ ভাষা আৰু পালিভাষাত কিন্তু আত্মনেপদৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। সেইদৰে প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ ধাতুৰ দহোটা গণৰ পালিত সাতোটাৰ ব্যৱহাৰ আছে। কিন্তু পৰৱৰ্তী কালৰ ভাষাত ইয়াৰ সংখ্যা তিনিটা হৈছেগৈ।

সি যি কি নহওক, 'প্ৰাকৃত' বুলিলে সামগ্ৰিকভাৱে সমগ্ৰ মধ্য ভাৰতীয় আৰ্যভাষাক বুজালেও ই যে খ্ৰীষ্টীয় প্ৰথম শতাব্দীৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দী পৰ্যন্ত সাহিত্যাদিত ব্যৱহৃত মধ্যস্তৰৰ ভাষাটোকহে বুজায় তাত সন্দেহৰ অৱকাশ নাই। ভালেমান ইউৰোপীয় পণ্ডিতে উল্লিখিত ভাষাটোক বুজাবলৈকে 'প্ৰাকৃত' শব্দটো ব্যৱহাৰ কৰিছে। মধ্যভাৰতীয়

আৰ্যভাষাৰ এগৰাকী বিশিষ্ট পণ্ডিত আৰ. পিশ্চেলে সেই বাবেই মন্তব্য কৰিছে, "By the term Prakrit, the Indian grammarians and rhetoricians comprehended a mulitude of literary languages." ইয়াৰ পৰা বুজিবলৈ অসুবিধা নহয় যে প্ৰাকৃত ভাষা মানে সাহিত্যত ব্যৱহৃত তৎকালীন ভাষা ৰূপ। খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা এই ভাষাই সংস্কৃত নাট্য-সাহিত্যত মধ্যম আৰু নিম্ন শ্ৰেণীৰ চৰিত্ৰৰ সংলাপ, নাটকৰ গীত আৰু কবিতাৰ মাজত স্থান লাভ কৰে। ইয়াৰ লগে লগে তৎকালীনভাৱে ৰচিত অন্যান্য সাহিত্যৰাজিতো এই ভাষাৰ ব্যাপক প্ৰয়োগ হ'বলৈ লয়।

খ্ৰীষ্টীয় প্ৰথম শতিকাৰ বৌদ্ধ পণ্ডিত অশ্বঘোষৰ দ্বাৰা ৰচিত *'সাৰিপুত্ৰ প্ৰকৰণ'*-ৰ জাৰ্মান পণ্ডিত লুডাৰ্ছে যি পাঠ চীনীয়-তুৰ্কীস্তানৰ পৰা উদ্ধাৰ কৰিছিল তাৰ সংলাপত সংস্কৃত আৰু প্ৰাকৃত দুয়োবিধ ভাষাৰ ব্যৱহাৰ লক্ষ্য কৰা যায়। পৰৱৰ্তী কালৰ সাহিত্যিক প্ৰাকৃতসমূহৰ অব্যৱহিত পূৰ্বৰূপ এই নাটৰ সংলাপত ব্যৱহৃত হৈছে বুলি বিভিন্ন পণ্ডিতে উল্লেখ কৰাটো এই প্ৰসঙ্গত মন কৰিবলগীয়া।

অশ্বঘোষৰ পাছত খ্ৰীষ্টীয় দ্বিতীয় শতিকামানত ৰচিত ভৰতমুনিৰ *'নাট্যশাস্ত্ৰ'*ৰ অন্তৰ্গত ধ্ৰুৱাগীতসমূহত প্ৰাকৃত ভাষাৰ ব্যৱহাৰ দেখিবলৈ পোৱা যায়। উল্লেখযোগ্য যে ভৰতমুনিয়ে নাটকত প্ৰাকৃত ভাষাৰ প্ৰয়োগ-বিধিৰ বিষয়েও শাস্ত্ৰখনিত উল্লেখ কৰিছে। পৰৱৰ্তী সংস্কৃত নাট্যকাৰসকলে সম্ভৱতঃ ভৰতমুনিৰ এনে ইঙ্গিতৰ আঁত ধৰিয়েই তেওঁলোকৰ নাটসমূহত বিভিন্ন প্ৰাকৃত ভাষা প্ৰয়োগ কৰিছে।

মধ্য ভাৰতীয় আৰ্যভাষাৰ প্ৰাথমিক স্তৰত পোৱা উপভাষাকেইটাৰ কথা এই শিতানৰ আৰম্ভণিতে উল্লেখ কৰা হৈছে। পৰৱৰ্তী সময়ত আৰ্য অধ্যুষিত ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত কেইটিমান আঞ্চলিক উপভাষা নিজস্ব বৈশিষ্ট্য সহকাৰে গঢ় লৈ উঠে। জনসাধাৰণৰ মুখে মুখে প্ৰচলিত এই প্ৰাকৃত উপভাষাবোৰৰ একোটাকৈ শিষ্ট ৰূপ সাহিত্যাদি ৰচনাতো ব্যৱহাৰ হ'বলৈ ধৰে। সংস্কৃত নাটকত ব্যৱহৃত এনে প্ৰাকৃতৰ কথা আমি ইতিমধ্যে পায়ে আহিছোঁ। সংস্কৃত ভাষাৰ আদৰ্শত সৃষ্টি হোৱা এনে প্ৰাকৃত উপভাষাবোৰৰ বিষয়ে তৎকালীন বৈয়াকৰণ বৰৰুচি, হেমচন্দ্ৰ, মাৰ্কণ্ডেয় আদিয়ে সবিশেষ আলোচনা কৰিছে। এই প্ৰাকৃত উপভাষাবোৰকে 'সাহিত্যিক প্ৰাকৃত' আখ্যা দিয়া হৈছে। সাহিত্য ৰচনাত ব্যৱহাৰ হোৱা এনে প্ৰাকৃতৰ সংখ্যা মূলতঃ পাঁচোটা ঃ মাহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্ধমাগধী আৰু পৈশাচী। অৱশ্যে বৈয়াকৰণ ভেদে আলোচ্য প্ৰাকৃত ভাষাৰ সংখ্যা ভিন ভিন হোৱাটো মন কৰিবলগীয়া।

সি যি কি নহওক, ওপৰত উল্লেখ কৰি অহা পাঁচোটা প্ৰাকৃতকে মূলতঃ 'সাহিত্যিক প্ৰাকৃত' বোলা হয় আৰু এই প্ৰাকৃত ভাষাকেইটাই একোটাহঁত নিৰ্দিষ্ট অঞ্চলৰ ভাষা-ৰূপ হিচাপে প্ৰতিষ্ঠা লাভ কৰে। উদাহৰণ স্বৰূপে উত্তৰ-পশ্চিম ভাৰতত 'পৈশাচী', দক্ষিণ-পশ্চিম বা পশ্চিমত 'মাহাৰাষ্ট্ৰী', মধ্য ভাৰতত 'শৌৰসেনী' আৰু পূব ভাৰতত 'অৰ্ধমাগধী' আৰু 'মাগধী'য়ে বিকাশ লাভ কৰে। এই প্ৰাকৃত ভাষাবোৰৰ ভিতৰত 'মাহাৰাষ্ট্ৰী'ক শ্ৰেষ্ঠ বা মূল প্ৰাকৃত হিচাপে ধৰি লৈ প্ৰাকৃত ব্যাকৰণকাৰসকলে অন্যান্য প্ৰাকৃতৰ বিষয়ে

আলোচনা কৰিছে। উল্লেখযোগ্য যে মাহাৰাষ্ট্ৰী প্ৰাকৃতত ভালেকেইখন উৎকৃষ্ট কাব্য ৰচিত হৈছে। সেইবোৰৰ ভিতৰত বাক্‌পতিৰাজৰ *‘গউড়বহো’*, প্ৰবৰসেনৰ *‘সেতুবন্ধ’*, নৃপতি হাল সংকলিত *গাহাসত্তসঈ* আদিৰ নাম ল’ব পাৰি। অৰ্ধমাগধী জৈনসকলৰ সাহিত্যত ব্যৱহাৰ হৈছিল। শৌৰসেনী আৰু মাগধীত ৰচিত কোনো স্বকীয় সাহিত্য কৰ্ম পোৱা নাযায় যদিও, সংস্কৃত নাটকৰ অধিকাংশ সংলাপ এই দুই প্ৰাকৃতত ৰচিত। শৌৰসেনীত প্ৰাচীন স্তৰৰ ভাষাৰ কিছু বৈশিষ্ট্য সংৰক্ষিত হোৱা বাবে ইয়াক নাৰী আৰু মধ্যম শ্ৰেণীৰ মুখত দিয়া হৈছে। আনহাতে মাগধীক প্ৰাকৃত ভাষাবোৰৰ ভিতৰত আটাইতকৈ বিকৃতি প্ৰাপ্ত ভাষা বুলি ধৰি লৈ নিম্ন শ্ৰেণীৰ চৰিত্ৰ, যেনে— ধীৱৰ, চমাৰ, চোৰ, জুৱাৰী আদিৰ মুখত দিয়া হৈছে। মন কৰিবলগীয়া যে সংস্কৃত নাটকত চৰিত্ৰই যি ভাষাতেই কথা নাপাতক গীত আৰু কবিতা গাব লাগিলে সদায় মাহাৰাষ্ট্ৰী প্ৰাকৃতত গাব লাগিছিল।

‘সাহিত্যিক প্ৰাকৃত’ ভাষাকেইটাৰ ভিতৰত ‘পৈশাচী’কো ধৰা হৈছে যদিও, এই ভাষাৰ কোনো সাহিত্যিক নিদৰ্শন পোৱা নাযায়। প্ৰাকৃত ব্যাকৰণকাৰসকলৰ সূত্ৰ আৰু প্ৰাসঙ্গিক নিদৰ্শনবোৰেই ইয়াৰ একমাত্ৰ ভিত্তি। এই প্ৰাকৃতত গুণাঢ্য নামৰ জনৈক কথা-শিল্পীয়ে *‘বড়্ডকহা’* নামৰ এখন গ্ৰন্থ ৰচনা কৰা বুলি পৰৱৰ্তী ৰচনাৰ পৰা জানিব পৰা যায়।

প্ৰধানকৈ সাহিত্য ৰচনাত ব্যৱহাৰ হ’লেও, এই প্ৰাকৃত ভাষাসমূহ যে তৎকালীন জনসাধাৰণৰ দৈনন্দিন জীৱনৰ যোগাযোগৰ মাধ্যম আছিল, তাক নক’লেও চলে। মহাৰাষ্ট্ৰ অঞ্চলৰ বাবে মাহাৰাষ্ট্ৰী, মগধ অঞ্চলত প্ৰচলিত বাবে মাগধী ইত্যাদি ভৌগোলিক নামকৰণ আৰু ভাষাৰূপবোৰত পোৱা অনেক বৈশিষ্ট্যই সেই কথাৰ প্ৰমাণ দাঙি ধৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। প্ৰাকৃত ভাষাৰ উদ্ভৱ আৰু বিকাশ ক’ত, কেতিয়া, কেনেদৰে হৈছিল? (৬০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

.................................................................................................

.................................................................................................

.................................................................................................

.................................................................................................

২। সংস্কৃত নাটকত কি কি প্ৰাকৃত ভাষাৰ ব্যৱহাৰ পোৱা যায় উল্লেখ কৰক। (২০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

.................................................................................................

.................................................................................................

.................................................................................................

## ৪.৫ প্ৰাকৃত ভাষাৰ বৈশিষ্ট্য

### ৪.৫.১ ধ্বনিগত বৈশিষ্ট্য

(১) বৈদিক-সংস্কৃতৰ চৈধ্যটা মূল স্বৰধ্বনিৰ ঠাইত প্ৰাকৃতত মাত্ৰ আঠোটাৰ প্ৰয়োগ লক্ষ্য কৰা যায়। সেইকেইটা হৈছে— অ, আ, ই, ঈ, উ, ঊ, এ আৰু ও। ঋৃ, ৯,৯ৃ-ৰ প্ৰয়োগ প্ৰাকৃতত সমূলি লোপ পালে। ঋ-কাৰ অ, ই, উ, এ, ৰ, ৰি, ৰু -লৈ পৰিৱৰ্তিত হ'ল। ঐ আৰু ঔৰ ঠাইত ক্ৰমে এ, অই, ই, আৰু ও, অউ আৰু উ -ৰ ব্যৱহাৰ হ'বলৈ ধৰিলে। তলত ঋ, ঐ, ঔ আৰু অন্য স্বৰৰ পৰিৱৰ্তনবোৰ একাদিক্ৰমে উল্লেখ কৰা হ'ল—

**(ক) ঋ-কাৰৰ পৰিৱৰ্তন ঃ**

| | | |
|---|---|---|
| ঋ > অ | ঃ | কৃত > কট,কঅ, কদ। |
| ঋ > ই | ঃ | ঋষি > ইসি, শৃগাল > সিআল। |
| ঋ > উ | ঃ | ঋষভ > উসহ, মৃণাল > মুণাল। |
| ঋ > এ | ঃ | গৃহ > গেহ। |
| ঋ > ৰ | ঃ | বৃক্ষ > ব্ৰচ্ছ। |
| ঋ > ৰি | ঃ | ঋদ্ধি > ৰিদ্ধি। |
| ঋ > ৰু | ঃ | বৃক্ষ > ৰুচ্ছ। |

**(খ) ঐ-কাৰৰ পৰিৱৰ্তন ঃ**

| | | |
|---|---|---|
| ঐ > এ | ঃ | শৈল > সেল, বৈৰ > বেৰ। |
| ঐ > অই | ঃ | কৈতৱ > কইঅৱ। |
| ঐ > ই, ঈ | ঃ | সৈন্ধৱ > সিন্ধৱ, ধৈৰ্য > ধীৰ। ঐ -কাৰৰ পিছত সংযুক্ত ব্যঞ্জন থাকিলে এনে পৰিৱৰ্তন হোৱা দেখা যায়। |

**(গ) ঔ-কাৰৰ পৰিৱৰ্তন ঃ**

| | | |
|---|---|---|
| ঔ > ও | ঃ | যৌৱন > জোব্বণ। |
| ঔ > অউ | ঃ | যৌৱন > জউঅণ, মৌলি > মউলি। |
| ঔ > উ | ঃ | মৌক্তিকম্ > মুত্তিঅং, সৌন্দৰ্য > সুন্দেৰং।ঔ -কাৰৰ পিছত সংযুক্ত ব্যঞ্জন ব্যৱহৃত হ'লে ঔ > উ লৈ পৰিৱৰ্তত হয়। |

**(ঘ) দ্ব্যক্ষৰ ধ্বনিৰ পৰিৱৰ্তন ঃ**

প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ দ্ব্যক্ষৰ স্বৰ 'অয়' আৰু 'অৱ' প্ৰাকৃতত যথাক্ৰমে 'এ' আৰু 'ও' -লৈ পৰিৱৰ্তিত হ'ল। যেনে—

| | | |
|---|---|---|
| অয় > এ | ঃ | নয়তি > ণেদি, ণেই, পূজয়তি > পূজেই, পূজেদি; |
| অৱ > ও | ঃ | অৱহসিত > ওহসিদ, অৱনত > ওণত |

**(৬) স্বৰ ধ্বনিৰ অন্যান্য পৰিৱৰ্তন ঃ**

(অ) অনুস্বাৰ আৰু সংযুক্ত ব্যঞ্জনৰ পূৰ্বৱৰ্তী দীৰ্ঘ স্বৰ হ্ৰস্ব হয়; যেনে— মালাং > মালং, কাব্য > কব্ব ইত্যাদি।

(আ) সংযুক্ত ব্যঞ্জনৰ ঠাইত একক ব্যঞ্জন হ'লে পূৰ্বৱৰ্তী দীৰ্ঘ স্বৰ হ্ৰস্ব হয়; যেনে— কৰ্তব্য > কাতব্, বিশ্বাস > বীসাস ইত্যাদি।

(ই) অনুস্বাৰৰ লোপত পূৰ্বৱৰ্তী হ্ৰস্ব স্বৰ দীৰ্ঘ হয়; যেনে— বিংশত্ > বীসা, ত্ৰিংশত > তীসা ইত্যাদি।

(ঈ) এক স্বৰৰ ঠাইত আন এক স্বৰৰ ব্যৱহাৰ প্ৰাকৃতত প্ৰায়ে লক্ষ্য কৰা যায়; যেনে— পক্ক > পিক্ক, প্ৰাকৃত > পউঅ, সদা > সই, পৃথিৱী > পুহৱী, ইক্ষু > উচ্ছু, নীড় > ণেড, মুকুল > মউল, নূপুৰ > নেউৰ, প্ৰকোষ্ঠ > পঅট্‌ঠ, বেদনা > বিঅণা ইত্যাদি।

(২) প্ৰাকৃতত 'ন'-ৰ ঠাইত 'ণ' হয়; যেনে— অৱনত > ওণত, নয়তি > ণেই। অৱশ্যে অৰ্ধমাগধীত আৰু পৈশাচীত 'ন' ৰ কোনো পৰিৱৰ্তন নহয়। পৈশাচীত ওলোটাকৈ 'ণ' ৰ ঠাইত 'ন' হোৱাহে দেখা যায়; যেনে- তৰুণী > তলুনী।

(৩) প্ৰাকৃতত 'য' > জ হয়; যেনে- যোগ্য > জোগ্‌গ। মাগধীত কিন্তু 'য' ৰক্ষিত হয়; যেনে- যাবৎ > যাব।

(৪) মাগধীৰ বাহিৰে আন প্ৰাকৃতত 'শ', 'ষ', 'স' > স হয়; যেনে- শিষ্য > সিস্‌স। মাগধীত কিন্তু শ, ষ, স > শ হয়। যেনে- প্ৰসীদন্তু > পশীদন্তু।

(৫) শব্দৰ আদিস্থিত অল্পপ্ৰাণ ব্যঞ্জন প্ৰাকৃতত কেতিয়াবা মহাপ্ৰাণ হয়; যেনে- কুব্জ > খুজ্জ, পনস > ফণস (মাগধীত পণস)।

(৬) আদিস্থিত দন্ত্য ধ্বনি কেতিয়াবা মূৰ্ধন্য আৰু তালব্য ধ্বনিলৈ পৰিৱৰ্তিত হয়; যেনে- দ্বাদশ > ডুৱাডস, তিষ্ঠ > চ্‌িটঠ ইত্যাদি।

(৭) পদাদিস্থিত ভ > হ; যেনে- ভৱতি > হোই, ভৱিতব্য > হোদব্ব।

(৮) শৌৰসেনী আৰু মাগধীত 'তাৱৎ' আৰু 'তে'-ৰ 'ত' 'দ'-লৈ পৰিৱৰ্তিত হয়; যেনে- তাৱৎ > দাৱ, তে > দে।

(৯) স্বৰ মধ্যস্থিত ক, গ, চ, জ, ত, দ, প, ব প্ৰাকৃতত, বিশেষকৈ মাহাৰাষ্ট্ৰী প্ৰাকৃতত প্ৰায়ে লোপ হয়; যেনে- লোক > লোঅ, যুগল > জুঅল, প্ৰচুৰ > পউৰ, ৰাজা > ৰাআ, গচ্ছতি > গচ্ছই, তদা > তআ, ৰূপ > ৰূঅ, দেবৰ > দিঅৰ ইত্যাদি। শৌৰসেনীত অৱশ্যে ত > দ হয়; যেনে- কৃত > কদ।

(১০) স্বৰ মধ্যৱৰ্তী মহাপ্ৰাণ ব্যঞ্জন খ, ঘ, থ, ধ, ফ, ভ সাধাৰণতে 'হ' -লৈ পৰিৱৰ্তিত হয়; যেনে- মুখ > মুহ, মেঘ > মেহ, কথম্ > কহং, বধিৰ >

বহিৰ, কফ > কহ, অভিনৱ > অহিণৱ ইত্যাদি। শৌৰসেনীত থ > ধ হয়; যেনে- কথয়তি > কধেদি।

(১১) স্বৰমধ্যস্থিত শ, ষ, স প্ৰায়ে 'হ' হয়; যেনে- একাদশ > এগাৰহ, পাষাণ > পাহাণ, দিৱস > দিঅহ।

(১২) পদান্তস্থিত 'ৱ' আৰু 'য়' প্ৰায়ে লুপ্ত হয়; যেনে- জীৱ > জীঅ, বায়ু > বাউ ইত্যাদি।

(১৩) পদান্তস্থিত সকলো স্পৰ্শ ব্যঞ্জন প্ৰাকৃতত লোপ পায়; যেনে- তাৱৎ > তাৱ, দাৱ; পশ্চাৎ > পচ্ছা ইত্যাদি। কেতিয়াবা লুপ্ত ব্যঞ্জনৰ ঠাইত অনুস্বাৰ বা অন্ত্যস্বৰৰ দীৰ্ঘীকৰণ হয়; যেনে- মনস্ > মনং, তৎ > তা ইত্যাদি।

(১৪) অন্ত্য অৱস্থানত থকা নাসিক্য ধ্বনিৰ অনুস্বাৰলৈ (ং) পৰিৱৰ্তন; যেনে- গতম্ > গঅং, গৃহম্ > গেহং, কথম্ > কহং, কধং ইত্যাদি।

(১৫) পদান্তত থকা বিসৰ্গ (ঃ) যুক্ত 'অ' (অঃ) প্ৰাকৃতত ও-কাৰলৈ পৰিৱৰ্তিত হয়; যেনে- এষঃ > এসো, পুত্ৰঃ > পুত্তো। মাগধীত কিন্তু এনে ক্ষেত্ৰত এ-কাৰৰ প্ৰয়োগ হয়; যেনে- ৰাজকীয়ঃ > লাঅকীএ, ভাসুৰঃ > ভাশুলে। অন্য স্বৰান্ত বিসৰ্গ মাথোন লোপ পায়; যেনে- পুত্ৰাঃ > পুত্তা, দেৱেভিঃ > দেৱেহি।

(১৬) প্ৰাকৃতত পদাদিস্থিত সংযুক্ত ব্যঞ্জনৰ এটা লোপ পায়; যেনে- স্নেহ > ণেহ, স্থিত > থিদ। কেতিয়াবা স্বৰভক্তিৰ দ্বাৰা ব্যঞ্জন দুটা পৃথক কৰা হয়; যেনে- ক্লেশ > কিলেস। কেতিয়াবা আকৌ আদি অৱস্থানলৈ স্বৰৰ আগম হয়; যেনে- স্ত্ৰী > ইত্থি।

(১৭) পদমধ্যৱৰ্তী সংযুক্ত ব্যঞ্জন প্ৰায়ে সমীভৱন প্ৰক্ৰিয়াৰে সৰল হয়, যেনে- কৰ্ম > কম্ম, লগ্ন > লগ্‌গ। কেতিয়াবা স্বৰভক্তিৰে সৰলীভূত হয়; যেনে- ৰত্ন > ৰঅণ, লদণ; হৰ্ষ > হৰিস; স্মৰতি > সুমৰই ইত্যাদি। কেতিয়াবা অপিনিহিতিৰ জৰিয়তেও সৰল হয়; যথা— আৰ্য > অৰিঅ। তদুপৰি ধ্বনি বিপৰ্যয় ঘটিও তেনে ব্যঞ্জন সৰলীকৃত হোৱা দেখা যায়; যেনে- কৃষ্ণ > কণ্‌হ, তৃষ্ণা > তণ্‌হা, জোৎস্না > জোণ্‌হা ইত্যাদি।

(১৮) 'ক্ষ' সংযুক্ত ধ্বনিৰ পৰিৱৰ্তন ভিন ভিন প্ৰাকৃতত ভিন ভিন হোৱা দেখা যায়; যেনে—

| | | |
|---|---|---|
| ক্ষ > ক্‌খ | ঃ | ইক্ষু > ইক্‌খু (শৌৰসেনী) |
| ক্ষ > শ্‌ক | ঃ | মোক্ষ > মোশ্‌ক (মাগধী) |
| ক্ষ > চ্ছ, ছ | ঃ | অক্ষি > অচ্ছি (মাহাৰাষ্ট্ৰী) |
| | | ক্ষণ > ছণ (,,) ইত্যাদি। |

### ৪.৫.২ ৰূপগত বৈশিষ্ট্য

(১) বৈদিক সংস্কৃতৰ শব্দৰূপৰ আৰু ধাতুৰূপৰ জটিলতা প্ৰাকৃতত হ্ৰাস পালে। পদান্ত ব্যঞ্জনৰ লোপৰ ফলত পুংলিঙ্গ আৰু ক্লীৱলিঙ্গৰ ভেদ নাইকিয়া হ'ল।

(২) পুংলিঙ্গ শব্দবোৰ আকৃতি নিৰ্বিশেষে অ-কাৰান্ত শব্দৰ দৰে ৰূপ হ'বলৈ ধৰিলে।

(৩) দ্বিবচন নাইকিয়া হ'ল আৰু দ্বিবচনৰ ঠাইত বহুবচন হ'ল।

(৪) শব্দৰূপৰ ক্ষেত্ৰত বিভক্তিৰ চিনবিলাক প্ৰায় একাকাৰ হ'ল। চতুৰ্থী আৰু পঞ্চমী বিভক্তিৰ ব্যৱহাৰ প্ৰায় নোহোৱা হ'ল। দ্বিতীয় আৰু ষষ্ঠী বিভক্তিয়ে চতুৰ্থীৰ আৰু তৃতীয় আৰু সপ্তমী বিভক্তিয়ে পঞ্চমী বিভক্তিৰ অৰ্থ বুজাবলৈ ল'লে।

(৫) সংস্কৃতত ধাতুসমূহক দহোটা গণত বিভক্ত কৰি ৰূপ কৰা হৈছিল। প্ৰাকৃতত এনে গণ বিভাজন লোপ পালে আৰু সকলো ধাতুক একগণীয় কৰাৰ, বিশেষকৈ ভূ-ধাতুৰ দৰে ৰূপ কৰাৰ, অৰ্থাৎ ভ্বাদিগণীয় কৰাৰ প্ৰৱণতা বৃদ্ধি পালে। ফলত ধাতুৰূপৰ বৈচিত্ৰ্য নোহোৱা হৈ পৰিল। শব্দৰূপৰ দৰে ধাতুৰূপতো দ্বিবচন নোহোৱা হ'ল।

(৬) সংস্কৃতৰ কাল আৰু ভাব প্ৰকাশক দহোটা ল-কাৰৰ ঠাইত প্ৰাকৃতত মাত্ৰ চাৰিটা ল-কাৰ থাকিলে— লট্-বৰ্তমান, লোট্-অনুজ্ঞা, লৃট্-ভৱিষ্যত আৰু বিধিলিঙ্।

(৭) সংস্কৃতত দুই প্ৰকাৰৰ ধাতুৰূপ— পৰস্মৈপদ আৰু আত্মনেপদৰ ব্যৱহাৰ আছিল। প্ৰাকৃতত আত্মনেপদৰ ব্যৱহাৰ প্ৰায় লোপ পালে। সকলো ধাতু পৰস্মৈপদী হিচাপে ৰূপ হ'বলৈ ধৰিলে।

### ৪.৫.৩ শব্দ-সম্ভাৰগত বৈশিষ্ট্য

প্ৰাকৃত ভাষাত চাৰি প্ৰকাৰৰ শব্দৰ ব্যৱহাৰ লক্ষ্য কৰা যায়— তৎসম, তদ্ভৱ, দেশী আৰু বিদেশী।

**তৎসম শব্দ ঃ** বৈদিক-সংস্কৃতৰ পৰা অবিকৃতভাৱে আহি প্ৰাকৃতত ব্যৱহাৰ হোৱা শব্দবোৰক তৎসম শব্দ আখ্যা দিয়া হৈছে; যেনে— গঙ্গা, অঙ্গ, তৰু, জল, মালা, হস্তী, দন্ত ইত্যাদি। সংস্কৃতৰ অশ্ব, শ্বন; উদন আদি শব্দৰ সলনি প্ৰাকৃতত সমাৰ্থসূচক ঘোটক, কুক্কুৰ, জল আদিৰ বহুল ব্যৱহাৰ লক্ষ্য কৰা যায়।

**তদ্ভৱ শব্দ ঃ** বৈদিক-সংস্কৃতৰ পৰা ধ্বনি পৰিৱৰ্তন ঘটি সৰলতৰ ৰূপ লোৱা শব্দবোৰ তদ্ভৱ শব্দ। প্ৰাকৃতত এই শ্ৰেণীৰ শব্দৰ ব্যৱহাৰ সৰ্বাধিক। মচ্ছ (মৎস্য), সদ্দ (শব্দ), ৰাঅউল (ৰাজকুল), দিট্ঠ (দৃষ্ট), হিঅঅ (হৃদয়), অজ্জ (অদ্য), হোদু (ভৱতু) আদি তেনে শ্ৰেণীৰ শব্দ।

**দেশী শব্দ ঃ** বৈদিক-সংস্কৃতত নথকা অথচ প্ৰাকৃতত সণ্ডালনীকৈ ব্যৱহাৰ হোৱা আৰ্যভিন্ন ভাষাৰ পৰা অহা শব্দবোৰক প্ৰাকৃত বৈয়াকৰণসকলে দেশী শব্দ আখ্যা দিছে। তেনে

কেতবোৰ শব্দ হ'ল— ছইল্ল (বিদগ্ধ), দুলি (কচ্ছপ), চঙ্গ (সুন্দৰ), খুত্ত (নিমগ্ন), ছুজ্জন্তি (দীপ্যন্তি), ছল্লী (বল্কলম্), উঅ (পশ্য), চক্খই (আস্বাদয়তি) ইত্যাদি।

**বিদেশী শব্দ ঃ** ভাৰতৰ বাহিৰৰ ভাষাৰ পৰাও অনেক শব্দ আহি প্ৰাকৃত ভাষাৰ শব্দ-সম্ভাৰৰ পৰিপুষ্টিত ইন্ধন যোগাইছে। বিভিন্ন ভাষাৰ পৰা অহা তেনে কিছুমান শব্দ তলত উল্লেখ কৰা হ'ল—

| | | |
|---|---|---|
| (১) | গ্ৰীক ভাষাৰ পৰা ঃ | হোৰা (হোৰ), সুৰঙ্গ (সুৰিংকছ), দম্ম (দ্ৰাক্মে)। |
| (২) | প্ৰাচীন পাৰছীৰ পৰা ঃ | হজাৰো (হজাৰ), নমতি (নম্দহ), মোজা (মোজাহ), নিমাজ (নমাজ) পেয়াজ, দোক্কানদাৰ, চুলতান ইত্যাদি। |
| (৩) | আৰবী-ফাৰছীৰ পৰা ঃ | তবেল্লা (তব্ল), কিতেবা (কিতাব), সলামো, গুলামো ইত্যাদি। |

**আত্মমূল্যায়ন প্ৰশ্ন**

১। বৈদিক-সংস্কৃতৰ ঋ, ঐ আৰু ঔ স্বৰৰ প্ৰাকৃতত কেনে পৰিৱৰ্তন ঘটিছে বিচাৰি উলিয়াওক।

.....................................................................................................

.....................................................................................................

.....................................................................................................

২। বৈদিক-সংস্কৃতৰ প্ৰাকৃতত ঘটা ব্যঞ্জন ধ্বনিৰ পৰিৱৰ্তন সম্পৰ্কীয় দহোটা বৈশিষ্ট্য লিখি উলিয়াওক।

.....................................................................................................

.....................................................................................................

.....................................................................................................

৩। প্ৰাকৃত ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যবোৰৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

.....................................................................................................

.....................................................................................................

.....................................................................................................

৪। প্ৰাকৃত ভাষাত প্ৰয়োগ হোৱা শব্দবোৰৰ শ্ৰেণী বিভাজন কৰি দেখুৱাওক।

.....................................................................................................

.....................................................................................................

.....................................................................................................

## ৪.৬ সাহিত্যিক প্ৰাকৃত

ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত খ্ৰীষ্টীয় তৃতীয় শতিকামানৰ ভিতৰত আৰ্যভাষাৰ যিবোৰ আঞ্চলিক ৰূপ স্বকীয় বৈশিষ্টেৰে গঢ় লৈ উঠিছিল সেই ভাষাবোৰ একোটাহঁত নিৰ্দিষ্ট আঞ্চলিক নামেৰে জনাজাত হৈ পৰিছিল। সমকালীনভাৱে এই ভাষাবোৰৰ একোটাহঁত শিষ্ট ৰূপ সাহিত্যাদি ৰচনাত ব্যৱহাৰ হৈছিল। বিভিন্ন প্ৰাকৃত বৈয়াকৰণে এনে প্ৰাকৃতৰ ব্যাকৰণগত সূত্ৰসমূহ নিৰ্দিষ্ট কৰি দিছিল। এনেদৰে গঢ় লৈ উঠা আৰু সাহিত্যাদিত ব্যৱহাৰ হোৱা প্ৰাকৃত ভাষাবোৰকে 'সাহিত্যিক প্ৰাকৃত' আখ্যা দিয়া হৈছে। প্ৰাকৃত ব্যাকৰণসমূহত বিভিন্ন প্ৰাকৃত ভাষাৰ উল্লেখ থাকিলেও, বা বৈয়াকৰণ ভেদে প্ৰাকৃত ভাষাৰ সংখ্যা ভিন ভিন হ'লেও, সাহিত্যিক প্ৰাকৃত বুলিলে মূলতঃ পাঁচোটা প্ৰাকৃত ভাষাক বুজা যায়— মাহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্ধমাগধী আৰু পৈশাচী। আপোনাৰ অৱগতিৰ বাবে তলত প্ৰতিবিধ প্ৰাকৃতৰ চমু পৰিচয় দাঙি ধৰা হ'ল—

### ৪.৬.১ মাহাৰাষ্ট্ৰী

প্ৰাকৃত ব্যাকৰণকাৰসকলে সকলো প্ৰকাৰৰ প্ৰাকৃতৰ ভিতৰত মাহাৰাষ্ট্ৰী প্ৰাকৃতক শ্ৰেষ্ঠ বুলি গণ্য কৰি তাৰ আদৰ্শত অন্যান্য প্ৰাকৃতৰ লক্ষণ বা বৈশিষ্ট্য নিৰূপণ কৰিছে। '*কাব্যাদৰ্শ*'ৰ ৰচয়িতা আচাৰ্য দণ্ডীৰ মতেও, 'মহাৰাষ্ট্ৰাশ্ৰয়াং ভাষাং প্ৰকৃষ্টং প্ৰাকৃতং বিদুঃ'। A. C. Woolner-এ 'Maharastri was regared as the Prakrit per excellence' বুলি সেই ভাষাৰ গৌৰৱ ঘোষণা কৰিছে।

আধুনিক মহাৰাষ্ট্ৰ প্ৰদেশৰ লগত মাহাৰাষ্ট্ৰীৰ নামকৰণগত সাদৃশ্য পৰিলক্ষিত হ'লেও, এই প্ৰাকৃত আছিল গোদাবৰী নদীৰ তীৰৰ পৰা মহাৰাষ্ট্ৰ-ৰাজস্থান পৰ্যন্ত এক বিস্তৃত ভূভাগত প্ৰচলিত ভাষা। স্বৰমধ্যস্থিত ব্যঞ্জন ধ্বনিৰ লোপৰ ফলত এই ভাষাটোৱে এক সাংগীতিক মাধুৰ্য আহৰণ কৰিছিল আৰু সেইবাবে ই গীত আৰু কবিতা ৰচনাৰ উপযোগী হৈ উঠিছিল। এই ভাষাত ৰচিত সাহিত্য-সম্ভাৰৰ শ্ৰেষ্ঠত্ব সৰ্বজন বিদিত। *গউড়বহো, সেতুবন্ধ, গাহাসত্তসঈ*, *বজ্জালগ্গ* আদি কেইবাখনো গীতিকাব্য আৰু মহাকাব্যই এই ভাষাৰ গৌৰৱ ঘোষণা কৰি আছে। সংস্কৃত নাটকৰ গীত আৰু কবিতাংশত মাহাৰাষ্ট্ৰী প্ৰাকৃত ব্যৱহাৰ হোৱাটোও এই প্ৰসঙ্গত উল্লেখনীয়। আধুনিক মাৰাঠী ভাষাৰ উদ্ভৱ আৰু বিকাশ এই প্ৰাকৃতৰ পৰাই হোৱা বুলি পণ্ডিতসকলে মন্তব্য কৰিছে।

তলত এই প্ৰাকৃতৰ প্ৰধান বৈশিষ্ট্যসমূহ উল্লেখ কৰা হ'ল—

(১) স্বৰমধ্যস্থিত অঘোষ অল্পপ্ৰাণ ব্যঞ্জনৰ লোপ; যেনে- সকল > সঅল, লোক > লোঅ, গগন > গঅণ, ৰজনী > ৰঅণী ইত্যাদি মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ ই অন্যতম প্ৰধান বৈশিষ্ট্য।

(২) স্বৰমধ্যৱৰ্তী মহাপ্ৰাণ ব্যঞ্জনৰ 'হ'-লৈ পৰিৱৰ্তন; যেনে- মুখ > মুহ, মেঘ > মেহ, কথং > কহং, শেফালিকা > সেহালিআ, লোভ > লোহ ইত্যাদি।

(৩) 'ক্ষ'-ৰ 'চ্ছ' বা 'ছ'-লৈ ৰূপান্তৰ; যেনে- অক্ষি > অচ্ছি, ক্ষণ > ছণ।

(৪) যুক্ত ব্যঞ্জন ত্ম > প্প; যেনে- আত্মন্ > অপ্‌পা।

(৫) অপাদান কাৰকত '-আহি' বিভক্তিৰ প্ৰয়োগ; যেনে- দূৰাৎ > দূৰাহি, মূলাৎ > মূলাহি।

(৬) সপ্তমীৰ একবচনৰ বিভক্তি '-স্মিন্' মাহাৰাষ্ট্ৰীত '-ম্মি' হয়; যেনে- পুত্ৰাস্মিন্ > পুত্তম্মি।

(৭) কৰ্মবাচ্যৰ -য় > '-ইজ্জ'; যেনে- গম্যতে > গমিজ্জই।

(৮) অসমাপিকা ক্ৰিয়াৰ '-ত্ত্বাচ > '-উণ', ঊণ; যেনে- দৃষ্টা > দট্‌ঠুণ।

(৯) নিমিত্তাৰ্থক ক্ৰিয়াৰ '-তুম' > '-উং'; যেনে- পুচ্ছিতুম্ > পুচ্ছিউং।

এইবোৰৰ উপৰি প্ৰাকৃত ভাষাৰ অন্যান্য সাধাৰণ বৈশিষ্ট্য মাহাৰাষ্ট্ৰীতো পোৱা যায়। তলত মাহাৰাষ্ট্ৰীৰ নিদৰ্শন হিচাপে *গাহাসত্তসঈ* ৰ এফাকি গাঁথা উল্লেখ কৰা হ'ল ঃ

*কইঅব ৰহিঅং পেম্মং ণ হি হোই মামি মানুসে লোএ।*

*জই হোই ণ তস্‌স বিৰহো বিৰহে হোন্তম্মি কো জীঅই।।*

(মানৰ সমাজত সখি ক'ত আছে ছলনাহীন প্ৰেম। যদি আছে তেন্তে তাত বিৰহ নাই। তথাপি যদি বিৰহ ঘটে তেন্তে কোন জীয়ে।)

### ৪.৬.২ শৌৰসেনী

এতিয়াৰ মথুৰা, দিল্লী-মীৰাট আদি অঞ্চলসমূহ পুৰণি কালত শূৰসেন প্ৰদেশ হিচাপে জনাজাত আছিল। পশ্চিম ভাৰতৰ এই অঞ্চলত প্ৰচলিত প্ৰাকৃত ভাষাকে 'শৌৰসেনী প্ৰাকৃত' ৰূপে নামকৰণ কৰা হৈছিল। এই প্ৰাকৃতক সংস্কৃত আৰু হিন্দীৰ মধ্যৱৰ্তী স্তৰ বুলিব পাৰি। সংস্কৃতৰ ব্যাপক প্ৰভাৱৰ হেতু এই প্ৰাকৃত বহু পৰিমাণে মূল ভাষাৰ ওচৰ চপা। মাহাৰাষ্ট্ৰী আৰু শৌৰসেনী দুয়োবিধ প্ৰাকৃত পশ্চিমা কথ্য-প্ৰাকৃতৰ পৰা আহিলেও, একমাত্ৰ সংস্কৃতৰ প্ৰভাৱৰ হেতুকে শৌৰসেনী মাহাৰাষ্ট্ৰীতকৈ ভিন্ন হৈ পৰিছিল।

শৌৰসেনী প্ৰাকৃতত ৰচিত কোনো সুকীয়া সাহিত্য পোৱা নাযায়। সংস্কৃত নাটকত এই প্ৰাকৃত নাৰী আৰু বিদূষক, জ্যোতিষী, সেনাপতি, ৰাজবিষয়া আদি মধ্যম শ্ৰেণীৰ পুৰুষৰ ভাষা হিচাপে প্ৰয়োগ কৰা হৈছিল। অন্যান্য প্ৰাকৃতৰ তুলনাত ই সংস্কৃতৰ ওচৰ চপা হেতুকেই সম্ভৱতঃ নাট্যকাৰসকলে তেনে প্ৰয়োগ কৰিছিল। পশ্চিমা হিন্দী আৰু তাৰ অন্তৰ্গত বিভিন্ন আধুনিক ভাৰতীয় আৰ্যভাষা এই প্ৰাকৃতৰ বিৱৰ্তনৰ পৰিণতি বুলি কোৱা হয়।

তলত শৌৰসেনী প্ৰাকৃতৰ স্বকীয় বিশেষত্বসমূহ উল্লেখ কৰা হ'ল —

(১) বৈদিক সংস্কৃতৰ 'ত' আৰু 'থ'ৰ যথাক্ৰমে 'দ' আৰু 'ধ' লৈ পৰিৱৰ্তন; যেনে-

গচ্ছতি > গচ্ছদি, কৃত > কদ, কথয়তি > কধেদি। আনকি সংযুক্ত ৰূপত থকা ‘ত’ -ও বহুসময়ত ‘দ’-লৈ ৰূপান্তৰিত হয়; যেনে- হস্ত > হন্দ।

(২) ক্ষ > ক্‌খ; যেনে- প্ৰেক্ষ > পেক্‌খ।

(৩) ৰ্য > জ্জ অথবা য্য; যেনে- আৰ্য > অজ্জ, অয্য।

(৪) ত্ম > ত্ত; যেনে- আত্মন্ > অত্ত।

(৫) অন্ত্য ‘ম’ -ৰ পিছত ‘ই’ বা ‘এ’ থাকিলে বিকল্পে ‘ণ’ -ৰ আগম হয়; যেনে- যুক্তম্ ইদম্ > জুত্তং ণিমং বা জুত্তমিমং, এবম্ এতৎ > এবং ণেদং বা এবমেদং।

(৬) সপ্তমীৰ একবচনৰ -স্মিন্ > -ম্‌হি। কোনো কোনো ক্ষেত্ৰত বিকল্পে -স্‌সিং হোৱাও দেখা যায়; যথা— সৰ্বস্মিন্ > সব্বম্‌হি, সব্বস্‌সিং।

(৭) কৰ্মবাচ্যৰ য় > ঈঅ; যেনে- গম্যতে > গমীয়দি।

(৮) অসমাপিকাৰ -ক্ত্বাচ্ > ইঅ; যেনে- কৃত্বা > কৰিঅ, গত্বা > গমিঅ। অৱশ্যে কৃ আৰু গম্ ধাতুত যুক্ত হ’লে বিকল্পে ‘দুঅ’ হোৱাও দেখা যায়; যেনে- কৃত্বা > কদুঅ, গত্বা > গদুঅ। কেতিয়াবা -ইঅ -ৰ পৰিৱৰ্তে -দূন আৰু -ত্তা-ৰ ব্যৱহাৰো লক্ষ্য কৰিব পাৰি; যথা- পঠিত্বা > পঢ়িদূন, পঢ়িত্তা।

(৯) নিমিত্তাৰ্থক ক্ৰিয়াৰ-তুম্ > দুং; যেনে- কৃতুম্ > কাদুং।

(১০) পঞ্চমীৰ একবচনত ‘দো’ আৰু ‘দু’ বিভক্তিৰ সংযোগ হয়; যেনে- জিনাৎ > যিণাদো, যিণাদু।

শৌৰসেনীৰ অন্যান্য বৈশিষ্ট্য প্ৰাকৃতৰ সাধাৰণ বৈশিষ্ট্যৰ সৈতে একে। তলত *অভিজ্ঞান শাকুন্তলম* নাটৰ পৰা এই প্ৰাকৃতৰ এটি নিদৰ্শন তুলি দিয়া হ’ল—

*জানুঅ, মচ্ছোদৰ-সংঠিদং তি ণত্থি সংদেহো। তধা অঅং বিস্‌সগন্ধো।*
*আগমো দাণিং এদস্‌স বিমৰিসিদৱো। তা এধ। ৰাঅউলং জেব গচ্ছম্‌হ।*

(জানুক, এইটো যে মাছৰ পেটত আছিল তাত কোনো সন্দেহ নাই। সেইবাবেই এনে কেচেমাকেচেম গোন্ধ। গতিকে ইয়াৰ প্ৰাপ্তিৰ বৃত্তান্ত চিন্তাৰ বিষয়ে। আহা আমি ৰাজ-হাউলীলৈ যাওঁ।)

### ৪.৬.৩ মাগধী

পূৰ্ব ভাৰতৰ প্ৰাচীন মগধ (দক্ষিণ বিহাৰ) অঞ্চলক কেন্দ্ৰ কৰি তৎকালীনভাৱে প্ৰচলিত প্ৰাচ্য কথ্য প্ৰাকৃতৰ পৰা যি সাহিত্যিক ৰূপৰ বিকাশ হৈছিল তাকেই মাগধী প্ৰাকৃত আখ্যা দিয়া হৈছে। এই প্ৰাকৃতৰ সৰ্বপ্ৰাচীন নিদৰ্শন হৈছে জোগীমাৰা গুহাত খোদিত শুতনুকা প্ৰত্নলিপি। ইয়াৰ প্ৰাচীনতম সাহিত্যিক ৰূপটো পোৱা যায় অশ্বঘোষৰ (খ্ৰীঃ ১ম শতিকা) *‘সাৰিপুত্ৰ প্ৰকৰণ’* ত। সংস্কৃত নাটকত এই প্ৰাকৃত মুখ্যতঃ হাস্য-কৌতুক সৃষ্টিৰ বাবে সাধাৰণ শ্ৰেণীৰ চৰিত্ৰৰ সংলাপত প্ৰয়োগ কৰা হৈছে। প্ৰাকৃত ব্যাকৰণকাৰসকলে মাগধীৰ কেইবাটাও বিভাষাৰ উল্লেখ কৰিছে; যথা— শাকাৰী, চাণ্ডালী, শাবৰী, টক্‌কী বা ঢক্‌কী ইত্যাদি। শাকাৰী আৰু শাবৰীক মাগধীৰ ‘বিশেষ

প্ৰকাৰ' আৰু চাণ্ডালীক 'বিকৃত ৰূপ' বুলি উল্লেখ কৰাটো এই প্ৰসঙ্গত মন কৰিবলগীয়া। বিশ্বনাথ কবিৰাজে *'সাহিত্য দৰ্পণ'*ত চণ্ডালাদিৰ সংলাপত 'চাণ্ডালী', কমাৰ, চমাৰ আদিৰ সংলাপত 'শাৱৰী', আৰু শক, শকাৰ আদিৰ মুখত 'শাকাৰী' প্ৰয়োগ কৰাৰ বিধান দিছে।

ভাৰতবৰ্ষৰ পূৰ্বাঞ্চলত প্ৰচলিত আধুনিক ভাৰতীয় আৰ্যভাষা— অসমীয়া, বাংলা, উৰিয়া, মৈথিলী, মগধী আৰু ভোজপুৰী মাগধী প্ৰাকৃতৰ বিৱৰ্তনৰ পৰিণতি বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। এই ভাষাকেইটাক 'মাগধীয় ভাষাগুচ্ছ' বুলিও কোৱা হয়।

মাহাৰাষ্ট্ৰী, শৌৰসেনী আদি প্ৰাকৃতৰ তুলনাত মাগধীৰ ধ্বনি-বৈশিষ্ট্য সম্পূৰ্ণ সুকীয়া। সম্ভৱতঃ পূব-প্ৰান্তত প্ৰচলিত অষ্ট্ৰিক, তিব্বতবৰ্মী আদি ভাষাৰ প্ৰভাৱত মাগধী প্ৰাকৃতে কিছু ভিন্ন ৰূপ পৰিগ্ৰহণ কৰিছিল। কোনো কোনো প্ৰাকৃত ব্যাকৰণকাৰে শৌৰসেনীকে মাগধীৰ মূল বুলি ঠাৱৰ কৰিছে।

তলত মাগধী প্ৰাকৃতৰ স্বকীয় বিশেষত্বসমূহ ফঁহিয়াই দেখুওৱা হ'ল—

(১) বৈদিক-সংস্কৃতৰ শ, ষ, স-ৰ ভিতৰত কেৱল 'শ'-ৰ ব্যৱহাৰ মাগধী প্ৰাকৃতৰ অন্যতম প্ৰধান বৈশিষ্ট্য; যেনে- দিৱস > দিঅশ, পুৰুষ > পুলিশ, সুৰা > শুলা ইত্যাদি। অৱশ্যে সংযুক্ত ব্যঞ্জনৰ স কেতিয়াবা ৰক্ষিত হোৱাও দেখা যায়; যেনে- প্ৰেক্ষসে > পেস্কশি, উপস্থিত > উবস্তিদ।

(২) 'ৰ'-ৰ ব্যৱহাৰ মাগধীত নাই। তাৰ ঠাইত 'ল' হয়; যেনে- কাদম্বৰী > কাদম্বলী, ৰোহিত > লোহিদ, সুৰা > শুলা ইত্যাদি।

(৩) জ > য; যেনে- জীৱিত > যীৱিদ, সহজঃ > সহযে।

(৪) পদমধ্যৱৰ্তী ত, থ > দ, ধ; যেনে- জানাতি > যাণাদি, কথয় > কধেহি।

(৫) পদান্তৰ বিসৰ্গযুক্ত অ (অঃ)-ৰ ঠাইত এ; যেনে- ঈশ্বৰঃ > ঈশলে, মৎস্যকঃ > মশ্চকে। কেতিয়াবা এ নহৈ ই হয়; যেনে- এষঃ ৰাজা > এশি লাআ।

(৬) র্জ, ৰ্য, দ্য > য্য; যেনে- অৰ্জুন > অয্যুণ, অকাৰ্য > অকায্য, অদ্য > অয্য।

(৭) জ্ঞ, ঞ্জ, ণ্য, ন্য > এ্ঞ; যেনে- প্ৰজ্ঞা > পঞ্ঞা, অঞ্জলি > অঞ্ঞলি, পুণ্য > পুঞ্ঞ, কন্যা > কঞ্ঞা।

(৮) ক্ষ > শ্‌ক, স্ক; যেনে- প্ৰেক্ষতে > পেশ্‌কদি, পেস্কদি।

(৯) চ্ছ > শ্চ (গচ্ছতি > গশ্চদি), ৰ্থ > স্ত (বিক্ৰয়াৰ্থম্ > বিক্কঅস্তং), ৰ্ত > স্ট (ভৰ্তা > ভস্টা), স্থ > স্ত (উপস্থিত > উবস্তিদ)।

(১০) সম্বোধনত অ-কাৰান্ত শব্দৰ আ-কাৰান্তলৈ পৰিৱৰ্তন; যেনে- হে পুৰুষ > হে পুলিশা।

(১১) ষষ্ঠীৰ একবচনৰ স্য সাধাৰণতে শ্‌শ হয়; যেনে- পুৰুষস্য > পুলিশ্‌শ। কেতিয়াবা কিন্তু -আহ হয়; যেনে- চাৰুদত্তস্য > চালুদত্তাহ।

(১২) ‘অস্মদ্’ শব্দৰ প্ৰথমাৰ একবচনত ‘অহম’ৰ ঠাইত, ‘হকে’, ‘হগে’ আৰু ‘অহকে’ — এই তিনিটা ৰূপৰ ব্যৱহাৰ পোৱা যায়।

(১৩) স্বাৰ্থিক -‘ক’ প্ৰত্যয়ৰ বহুল প্ৰয়োগ এই প্ৰাকৃতৰ এক বিশেষ বৈশিষ্ট্য; যেনে- ভৰ্তৃকঃ > ভস্টকে।

(১৪) অসমাপিকাৰ ক্ত্বাচ্ প্ৰত্যয় ‘-উণ’ আৰু ‘-দূণ’ হোৱাৰ উপৰি কেতিয়াবা ‘-দাণি’ ৰূপেও পোৱা যায়; যেনে- কৃত্বা > কৰিদাণি।

প্ৰাকৃতৰ অন্যান্য সাধাৰণ বৈশিষ্ট্য মাগধীৰ ক্ষেত্ৰতো প্ৰযোজ্য। তলত *অভিজ্ঞান শাকুন্তলম* নাটকৰ পৰা এই প্ৰাকৃতৰ এটি নিদৰ্শন উদ্ধৃত কৰা হ'ল—

*শহযে কিল যে বিণিন্দিদে ণ হু শে কম্ম বিবয্যণীঅকে পশুমালী কলেদি দালুণং অণুকম্পামিদুলে বি শোণিকে।*

(সহজাত বৃত্তি নিন্দনীয় হ'লেও পৰিত্যাগ কৰা উচিত নহয়। অনুকম্পাৰে হৃদয় ভৰি থাকিলেও কচায়ে পশুহত্যাৰ দৰে নিষ্ঠুৰ কাম কৰিবলগীয়া হয়।)

### ৪.৬.৪ অৰ্ধমাগধী

অশোকৰ অনুশাসনত প্ৰাপ্ত প্ৰাচ্যা-মধ্যা নামৰ আঞ্চলিক প্ৰাকৃত ভাষাৰ পৰা অৰ্ধমাগধীৰ উদ্ভৱ হোৱা বুলি অনুমান কৰা হৈছে। পূৰ্বোল্লিখিত শূৰসেন আৰু মগধৰ মধ্যৱৰ্তী কোশল অঞ্চল আছিল প্ৰাচ্যা-মধ্যা কথ্য ভাষাৰ মূল বাসভূমি। বৰ্তমান এই অঞ্চল উত্তৰ প্ৰদেশৰ লক্ষ্ণৌ, অৱধ আৰু অযোধ্যাৰ অন্তৰ্গত।

অৰ্ধ-মাগধী প্ৰধানকৈ জৈনসকলৰ ধৰ্মশাস্ত্ৰ ৰচনাত ব্যৱহাৰ হৈছিল। সেইবাবে ইয়াক জৈন-প্ৰাকৃত বুলিও কোৱা হয়। প্ৰাচীন ভাৰতীয় ব্যাকৰণকাৰসকলে জৈনসূত্ৰৰ ভাষাক ‘আৰ্যম্’, অৰ্থাৎ ঋষিসকলৰ ভাষা বুলিছিল। সেইবাবে এই প্ৰাকৃতৰ আন এটা নাম আৰ্য প্ৰাকৃত। কিছু পৰিমাণে মাগধীৰ লক্ষণযুক্ত হোৱা বাবে আৰু মাগধীৰ প্ৰতিৱেশী হোৱা হেতুকে বোধহয় এই প্ৰাকৃতে অৰ্ধ-মাগধীৰূপে প্ৰসিদ্ধি লাভ কৰিছে। মাগধীৰ লগে লগে এই প্ৰাকৃতত শৌৰসেনীৰ লক্ষণো বিদ্যমান। *‘সাহিত্য-দৰ্পণ’* ত ৰাজপুত্ৰ, সদাগৰ আদি চৰিত্ৰৰ সংলাপত অৰ্ধ-মাগধী ব্যৱহাৰ কৰিব লাগে বুলি নিয়ম বান্ধি দিছিল যদিও, সংস্কৃত নাট্যকাৰসকলে সেই নিয়ম সমূলি মানি চলা নাই।

নব্য ভাৰতীয় আৰ্যভাষা পূৰ্বী-হিন্দীৰ অন্তৰ্গত অৱধী, বঘেলী আৰু ছত্তিশগড়ী ভাষাৰ মূল অৰ্ধ-মাগধী বুলি অনুমান কৰা হৈছে। তলত এই প্ৰাকৃতৰ নিজস্ব বৈশিষ্ট্যবোৰ আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে দাঙি ধৰা হৈছে—

(১) বৈদিক-সংস্কৃতৰ ‘ৰ’ আৰু ‘ল’ দুয়োটা ধ্বনিৰ ব্যৱহাৰ অৰ্ধ-মাগধীত পোৱা যায় যদিও, মাগধীৰ দৰে কেতিয়াবা ৰ > ল হোৱাও বিৰল নহয়; যেনে- দাৰুন > দাৰুণ, দালুণ।

(২) স্বৰ মধ্যস্থিত লুপ্ত ব্যঞ্জনৰ ঠাইত প্ৰায়ে 'য়' শ্ৰুতিৰ ব্যৱহাৰ এই প্ৰাকৃতৰ এক প্ৰধান বিশেষত্ব; যেনে- সাগৰ > সায়ৰ, শৃগাল > সিয়াল ইত্যাদি।

(৩) স্বৰ মধ্যস্থিত 'গ' ধ্বনি কেতিয়াবা সংৰক্ষিত হৈছে। সাধাৰণতে ক > গ হৈ সংৰক্ষিত হোৱাৰ প্ৰৱণতা অধিক; যথা- লোক > লোগ, শাৱক > সাৱগ ইত্যাদি।

(৪) দুটা স্বৰৰ মাজত থকা অসংযুক্ত 'চ' আৰু 'জ'-ৰ ঠাইত 'ত' আৰু 'য়' দুয়োটাৰে ব্যৱহাৰ দেখা যায়; যেনে- ণাৰাচ > নাৰাত, পূজা > পূতা, প্ৰজাত > পয়ায় ইত্যাদি।

(৫) স্বৰ মধ্যৱৰ্তী প > ৱ; যেনে- পাপক > পাৱক।

(৬) 'ণ' আৰু 'ন'-ৰ বিকল্প ব্যৱহাৰ; যেনে- নদী > ণঈ, নঈ।

(৭) অন্যান্য প্ৰাকৃতৰ তুলনাত মূৰ্ধন্যীভৱনৰ প্ৰাধান্য; যেনে- ঔষধ > ওসঢ, দংশ > ডসই ইত্যাদি।

(৮) 'য' প্ৰায়ে লোপ পায়, কিংবা 'জ'-লৈ পৰিৱৰ্তিত হয়; যেনে- যথাখ্যাত > অহক্খায়, যথানামক > জহানামএ।

(৯) বিসৰ্গযুক্ত পদান্ত অ-কাৰ (অঃ)-ৰ ঠাইত 'এ' নাইবা 'ও'-ৰ ব্যৱহাৰ; যেনে- বৃদ্ধঃ > বুড্ঢো, বুড্ঢে।

(১০) সপ্তমীৰ একবচনৰ '-স্মিন্' বিভক্তিৰ 'ংসি'-লৈ ৰূপান্তৰ; যেনে- অস্মিন্ > অংসি, লোকস্মিন্ > লোগংসি।

(১১) সংযুক্ত ব্যঞ্জন একক ব্যঞ্জনত পৰিণত হোৱাৰ ফলত পূৰ্বৱৰ্তী স্বৰৰ ক্ষতিপূৰণমূলক দীৰ্ঘীকৰণ; যেনে- বৰ্ষ > বস্স > বাস।

(১২) ভূতকালৰ বহুবচনত 'ইংসু' প্ৰত্যয়ৰ ব্যৱহাৰ; যেনে- গচ্ছিংসু, যচ্ছিংসু ইত্যাদি।

(১৩) অসমাপিকা 'ক্ত্বাচ্' প্ৰত্যয়ৰ ঠাইত টু, ইত্তা, ইচ্চা, ইয়া-ৰ প্ৰয়োগ; যেনে- কৃত্বা > কট্টু, কৰেত্তা, কিচ্চা ইত্যাদি।

অৰ্ধমাগধীৰ অন্যান্য বৈশিষ্ট্য প্ৰাকৃতৰ সাধাৰণ বৈশিষ্ট্যবোৰৰ সৈতে একে। তলত অৰ্ধমাগধীৰ এটি নিদৰ্শন উদ্ধৃত কৰা হ'ল—

*তেণং কালেণং তেণং সমএণং সিন্ধুসোবীৰেসু জনপএসু বীয়ভএ নামং নয়ৰে হোত্থা উদায়ণে নামং ৰায়া, পভাবঈ দেৱী। তীসে জেট্ঠে পুতে অভিঈ নামং জুৱৰাহা হোত্থা।*

(সেই কালত সেই সময়ত সিন্ধু-সৌবীৰ জনপদত বীতভয় নামৰ নগৰত উদায়ণ নামৰ ৰজা আৰু প্ৰভাৱতী ৰাণী আছিল। তেওঁলোকৰ জ্যেষ্ঠপুত্ৰ অভিজিৎ আছিল যুৱৰাজ।)

### ৪.৬.৫ পৈশাচী

ভাৰতৰ উত্তৰ-পশ্চিম অঞ্চলত উদ্ধাৰ হোৱা মান্ছেহ্ৰা আৰু শাহ্বাঝ্গঢ়ী অনুশাসনৰ ভাষাৰ সৈতে থকা সাদৃশ্যলৈ লক্ষ্য কৰি পৈশাচী প্ৰাকৃত তৎকালীন উত্তৰ-পশ্চিমা কথিত ৰূপৰ পৰা উদ্ভৱ হোৱা বুলি ভাষাতত্ত্ববিদসকলে অনুমান কৰিছে। জৰ্জ

গ্ৰীয়াৰ্ছনৰ মতে হিন্দুকুশ পাৰ্বত্য অঞ্চলৰ দৰ্দ আৰু কাফিৰ ভাষাৰ সৈতে তথা কাশ্মীৰী ভাষাৰ সৈতে এই প্ৰাকৃতৰ লক্ষ্যণীয় মিল আছে।

এই প্ৰাকৃত পৈশাচী বা পৈশাচিকী নামেৰে জনাজাত হ'লেও, ইয়াক 'ভূত ভাষা' বা 'ভূত-বচন' বুলিও কোৱা হৈছে। 'পিশাচানাম্ ভাষা পৈশাচী' বুলি 'প্ৰাকৃত প্ৰকাশ'-ৰ টীকাত যি উল্লেখ পোৱা যায় তাৰ পৰা অনুমান হয় যে উত্তৰ-পশ্চিম অঞ্চলত বসবাস কৰা আৰ্যসকলক অন্যান্য স্থানৰ আৰ্য বাসিন্দাই কিছু হীন দৃষ্টিৰে চাইছিল। সম্ভৱতঃ এই অঞ্চলৰ ভাষা-সংস্কৃতিত তৎকালীনভাৱে পাৰস্য দেশৰ পাৰ্ছী ভাষা-সংস্কৃতিয়ে ব্যাপকভাৱে প্ৰভাৱিত কৰাটোৱে ইয়াৰ ঘাই কাৰণ। এই প্ৰাকৃতক সংস্কৃত নাটকাদিকে ধৰি কোনো শিষ্ট সাহিত্যত স্থান নিদিয়াটোৱেও তেনে অনুমানকে দৃঢ় কৰে। কাৰো কাৰো মতে 'পিশাচ' নামৰ পাৰ্বত্য জাতি এটাই ব্যৱহাৰ কৰা কাৰণেই এই প্ৰাকৃতৰ নাম পৈশাচী প্ৰাকৃত হ'ল।

সি যি কি নহওক, শিষ্ট সাহিত্যত স্থান নাপালেও লোক-সাহিত্যত এই প্ৰাকৃতৰ প্ৰচুৰ সমাদৰ আছিল। সংস্কৃত আলংকাৰিক আৰু প্ৰাকৃত ব্যাকৰণকাৰসকলে এই প্ৰাকৃতৰ বিষয়ে বহুল আলোচনা আগবঢ়োৱাৰ পৰাই সেই কথা বুজিব পাৰি।

পৈশাচী প্ৰাকৃতত ৰচিত কোনো সাহিত্য আজিকোপতি উদ্ধাৰ হোৱা নাই। প্ৰাকৃত ব্যাকৰণকাৰসকলে প্ৰসঙ্গক্ৰমে উল্লেখ কৰা উক্তি আৰু উদ্ধৃতিবোৰেই ইয়াৰ আলোচনাৰ একমাত্ৰ সম্বল। খ্ৰীষ্টীয় দ্বিতীয় শতিকামানত গুণাঢ্য নামৰ লেখক এগৰাকীয়ে এই প্ৰাকৃতত *'বড্‌ডকহা'* (বৃহৎকথা) নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল বুলি পৰৱৰ্তী উল্লেখৰ পৰা জনা যায়। এই গ্ৰন্থ লুপ্ত যদিও *'বৃহৎকথা শ্লোক-সংগ্ৰহ'*, *'বৃহৎকথামঞ্জৰী'*, *'কথাসৰিৎসাগৰ'* আদি সংস্কৃত অনুবাদৰ মাজত মূল গ্ৰন্থৰ অনেক কাহিনী সংৰক্ষিত হৈছে। সংস্কৃত আলংকাৰিক আৰু সাহিত্যকাৰসকলে গুণাঢ্যৰ সাহিত্য-কৃতি শ্ৰদ্ধাৰে স্মৰণ কৰালৈ চাই এই গৰাকী কথাকাৰ যে উত্তম শ্ৰেণীৰ লেখক আছিল তাক অনুমান কৰিব পাৰি। তদুপৰি এনে কাৰ্যই লোকভাষা হিচাপে পৈশাচীৰ জনপ্ৰিয়তাৰ কথাও সূচায়।

তলত পৈশাচী প্ৰাকৃতৰ স্বকীয় বিশেষত্বৰ এটি আভাস আপোনাৰ অৱগতিৰ অৰ্থে দাঙি ধৰা হ'ল —

(১) স্বৰমধ্যস্থিত সঘোষ ব্যঞ্জনৰ অঘোষীভৱন; যথা— নগৰ > নকৰ, ৰাজা > ৰাচা, মাধৱ > মাথপ, ভগৱতী > ফকৱতী ইত্যাদি।

(২) স্বৰমধ্যস্থিত একক অল্পপ্ৰাণ ব্যঞ্জনৰ অলোপ; যেনে- গগন > গকন, নগৰ > নকৰ।

(৩) ণ > ন আৰু ৰ > ল; যেনে- তৰুণী > তলুনী।

(৪) ত-ৰ অৱস্থিতি আৰু দ > ত; যেনে- ভগৱতী > ফকৱতী, মদনো > মতনো।

(৫) মাগধী প্ৰাকৃতৰ দৰে জ্ঞ, ন্য, ণ্য > ঞ্ঞ; যেনে- বিজ্ঞাতঃ > বিঞ্ঞাতো, কন্যা > কঞ্ ঞা, পুণ্য > পুঞ্ ঞ।

(৬) স্বৰভক্তিৰ দ্বাৰা সংযুক্ত ব্যঞ্জনৰ সৰলীকৰণ; যথা-স্নান > সনান, ভাৰ্যা > ভাৰিয়া।

(৭) পদান্তৰ বিসৰ্গযুক্ত অ (অঃ) -কাৰ ও -কাৰলৈ পৰিৱৰ্তন; যেনে- বিজ্ঞাতঃ > বিঞ্‌ঞাতো। অৱশ্যে কেতিয়াবা বিকল্প প্ৰয়োগো দেখা যায়।

(৮) কেতবোৰ শব্দৰ অনিয়মিত পৰিৱৰ্তন এই প্ৰাকৃতৰ এক প্ৰধান বিশেষত্ব; যেনে- ইব > পিব, কাৰ্য > কচ্চ, হৃদয় > হিঅঅকং।

(৯) কৰ্মবাচ্যৰ য-কাৰৰ ঠাইত য্য-ৰ প্ৰয়োগ; যেনে- গীয্তে >গিয্যতে।

(১০) অসমাপিকা ক্ত্বা > তূন; যেনে- কৃত্বা > কাতূন।

অন্যান্য বৈশিষ্ট্য প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰৰ সৈতে একে। তলত হেমচন্দ্ৰ সূৰীৰ *সিদ্ধহেমশব্দানুশাসনম্* -ৰ পৰা পৈশাচী প্ৰাকৃতৰ এটি নিদৰ্শন দাঙি ধৰা হ'ল।

*নচ্ছন্তস্স লীলাপাতুক্খেৱেন কম্পিতা বসুধা—*
*উচ্চযন্তি সমুদ্দা সইলা নিপতন্তি তং হলং নমথ।*

(নৃত্য কৰোঁতে যাৰ চঞ্চল পদ-চালনাত পৃথিৱী কম্পিত হয়, সমুদ্ৰ উথলি উঠে, পৰ্বত খহি পৰে —সেই হলধৰক নমস্কাৰ কৰোঁ।)

**আত্মমূল্যায়ন প্ৰশ্ন**

১। সাহিত্যিক প্ৰাকৃত ভাষাসমূহৰ (প্ৰতিটো ৫০টা শব্দৰ ভিতৰত) একোটা পৰিচয় দাঙি ধৰক।

..........................................................................................................
..........................................................................................................
..........................................................................................................

২। প্ৰতিবিধ সাহিত্যিক প্ৰাকৃতৰ পাঁচোটাকৈ স্বকীয় প্ৰধান বিশেষত্ব উল্লেখ কৰক। (২০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................
..........................................................................................................
..........................................................................................................

## ৪.৭ প্ৰাকৃত সাহিত্য (শ্ৰেণী বিভাগ আৰু পৰিচয়)

মধ্য ভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰত অৰ্থাৎ সাহিত্যিক প্ৰাকৃতৰ যুগটোত যি ৰচনাৰাজি পোৱা যায়, সেইবোৰক দুটা প্ৰধান ভাগত ভাগ কৰা হৈছে — (১) জৈন ধৰ্ম বিষয়ক ৰচনা আৰু (২) ধৰ্ম-নিৰপেক্ষ ৰচনা। তলত দুয়ো প্ৰকাৰৰ সাহিত্য-কৰ্মৰ চমু পৰিচয় দাঙি ধৰা হ'ল।

**(১) জৈন ধৰ্ম বিষয়ক ৰচনা ঃ**

জৈন ধৰ্মৰ সৈতে পোনপটীয়াভাৱে সম্পৰ্কিত ৰচনাৰাজিক দুটা ভাগত ভগোৱা হৈছে— (ক) সিদ্ধান্ত বা আগম শাস্ত্ৰ আৰু (খ) আগম বহিৰ্ভূত শাস্ত্ৰ।

**(ক) সিদ্ধান্ত বা আগম শাস্ত্ৰ ঃ** জৈন ধৰ্মৰ প্ৰাচীন ধৰ্মশাস্ত্ৰসমূহৰ আন নাম *সিদ্ধান্ত* বা *আগম শাস্ত্ৰ* । এই শাস্ত্ৰসমূহ অৰ্ধমাগধীত ৰচনা কৰা হৈছিল। 'আগম শাস্ত্ৰ'ৰ অন্তৰ্গত গ্ৰন্থসমূহ হ'ল— *অঙ্গ, উবংগ, পইন্ন, ছেয়সুত্ত, মুলসুত্ত, নন্দিসুত্ত* আৰু *অনুওগদাৰ* । এইবোৰৰ ভিতৰত 'অঙ্গ' ই হ'ল জৈনসকলৰ মূল শাস্ত্ৰ। অঙ্গ আৰু উবঙ্গ প্ৰতিটো দ্বাদশ গ্ৰন্থৰ সমষ্টি। 'উৱঙ্গ'বোৰ সংস্কৃতৰ পুৰাণবোৰৰ দৰে। দহখন বিভিন্ন গ্ৰন্থৰ সমষ্টি 'পইন্ন' স্তুতিমূলক আৰু ই ছন্দোবদ্ধ। 'ছেয়সুত্ত' আৰু 'মুলসুত্ত'-ৰ গ্ৰন্থসংখ্যা যথাক্ৰমে ছয় আৰু চাৰি। 'নন্দী' আৰু 'অনুওগদাৰ' অঙ্গাদি শাস্ত্ৰৰ অন্তিম গ্ৰন্থ। এই দুখন গ্ৰন্থত সমস্ত জৈনশাস্ত্ৰৰ পৰিচয় থকাৰ লগতে মহাবীৰকে ধৰি জৈনধৰ্মাচাৰ্যসকলৰ জীৱন-চৰিত গ্ৰথিত হৈছে।

জৈনসকলৰ দিগম্বৰ সম্প্ৰদায়ৰ মাজত আন চাৰিখন স্বতন্ত্ৰ শাস্ত্ৰৰ প্ৰচলন আছে— *প্ৰথমানুযোগ, কৰণানুযোগ, দ্ৰব্যানুযোগ* আৰু *চৰণানুযোগ* ।

**(খ) আগম বহিৰ্ভূত শাস্ত্ৰ ঃ** আগম বহিৰ্ভূত জৈন শাস্ত্ৰসমূহক তিনিটা ভাগত ভাগ কৰা হৈছে —

(অ) টীকা, (আ) উপাখ্যান আৰু (ই) দৰ্শন বিষয়ক।

**(অ) টীকা ঃ**

জৈনসকলৰ উভয় সম্প্ৰদায়ে আগম শাস্ত্ৰসমূহৰ অৰ্থবোধৰ বাবে কেতবোৰ ভাষ্য বা ব্যাখ্যাধৰ্মী গ্ৰন্থ ৰচনা কৰিছিল। শ্বেতাম্বৰ সম্প্ৰদায়ৰ দ্বাৰা ৰচিত এনে গ্ৰন্থক 'নিজ্জুত্তি' আৰু দিগম্বৰ সম্প্ৰদায়ে লিখা ৰচনাবোৰক 'চুণ্ণী' আখ্যা দিয়া হৈছিল। দুয়োবিধ ভাষ্য পদ্যাকাৰে ৰচিত। বিভিন্ন ব্যাখ্যাৰ প্ৰসঙ্গত এইবোৰত *ৰামায়ণ, মহাভাৰত, পঞ্চতন্ত্ৰ, জাতক* আৰু লোক-জীৱনত প্ৰচলিত বিভিন্ন কাহিনী বা উপকথাৰ অৱতাৰণা কৰা হৈছে। এইফালৰ পৰা টীকা গ্ৰন্থবোৰে সাহিত্যিক মূল্য দাবী কৰিব পাৰে।

**(আ) উপাখ্যান ঃ**

উপাখ্যান শ্ৰেণীৰ ভিতৰত বিমলসূৰিৰ জৈন ৰামায়ণ— *পউম চৰিঅ, পুৰাণ* বা *চৰিত, ধম্মকহা* আৰু *কথানক* উল্লেখযোগ্য।

ভাৰতীয় মহাকাব্য *ৰামায়ণ*ৰ জৈন সংস্কৰণেই হ'ল *পউম চৰিঅ* । খ্ৰীষ্টীয় তৃতীয় শতিকামানত জৈন মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত এই কাব্যখনিৰ কাহিনী ভাগক জৈন মতানুসাৰে উপস্থাপন কৰা হৈছে। ১১৮ টা সৰ্গ (উদ্দেস/পেব্বং) -ত বিভক্ত প্ৰায় ৯০০০ গাথা সম্বলিত এই উপাখ্যানমূলক কাব্যখনিত *পউম* শব্দৰ দ্বাৰা ৰামক বুজোৱা হৈছে। ৰাৱণক জৈন মতাৱলম্বী হিচাপে অতি উত্তম চৰিত্ৰৰূপে চিত্ৰিত কৰা হৈছে। কাব্যখনিৰ

শেষৰ ফালে নিজ-কৰ্মদোষৰ হেতু ৰাৱণ ৰামৰ হাতত নিহত হৈছে আৰু ৰামেও জৈন ধৰ্ম গ্ৰহণ কৰিছে। প্ৰকৃত পক্ষে জৈন ধৰ্মানুসাৰে জগত-সৃষ্টিৰ তত্ত্ব উপস্থাপন কৰাই কাব্যখনিৰ ঘাই উদ্দেশ্য।

জৈনসকলৰ বিভিন্ন মহাপুৰুষৰ জীৱনৰ আধাৰত শ্বেতাম্বৰ সম্প্ৰদায়ে *চৰিত* আৰু দিগম্বৰ সম্প্ৰদায়ে *পুৰাণ* নামেৰে এক শ্ৰেণীৰ জীৱনী-সাহিত্যৰ সৃষ্টি কৰিছিল। এইবোৰৰ ভিতৰত জিনসেন গুণভদ্ৰৰ *ত্ৰিষষ্টি লক্ষণ মহাপুৰাণ* আৰু হেমচন্দ্ৰ বিৰচিত *ত্ৰিষষ্টি শলাকা পুৰুষ* বিশেষভাৱে উল্লেখযোগ্য। গ্ৰন্থ দুখনিৰ ভাষা সংস্কৃত হ'লেও, মূল প্ৰাকৃত ৰচনা *চউগন্ন মহাপুৰিস চৰিয়* কিংবা সংঘদাস গণিনৰ *বসুদেৱ হিণ্ডি* ৰ সংস্কৃত ৰূপ বুলি জাৰ্মান পণ্ডিত উইণ্টাৰনিজে মন্তব্য কৰিছে।

উপাখ্যান তথা চৰিত জাতীয় আন এবিধ জৈন-সাহিত্য হৈছে *ধম্মকহা*। বিভিন্ন আখ্যান, উপাখ্যানৰ মাধ্যমেৰে জৈন ধৰ্ম বিষয়ক কৰ্মবাদ, জন্মান্তৰবাদ আদি তাত্ত্বিক কথাৰ অৱতাৰণা কৰাই এইবিধ ৰচনাৰ ঘাই উদ্দেশ্য। সাৱলীল প্ৰকাশভঙ্গী আৰু কাহিনীৰ লৌকিকতাই এইবোৰক সাহিত্যিক গুণসম্পন্ন কৰি তুলিছে। এনে ৰচনাৰ ভিতৰত উল্লেখযোগ্য হ'ল হৰিভদ্ৰ সূৰিৰ *সমৰাইচ্চকহা* । গদ্য-পদ্য মিশ্ৰিত এই গ্ৰন্থৰ ভাষা জৈন মাহাৰাষ্ট্ৰী। ইয়াৰ মুঠ নটা অধ্যায়ৰ প্ৰতিটোকে *ভৱ* ৰূপে অভিহিত কৰা হৈছে।

জৈনসকলৰ মাজত প্ৰচলিত আন এক শ্ৰেণীৰ ধৰ্মীয় গ্ৰন্থ হ'ল *কথানক* । ক্ষুদ্ৰ ক্ষুদ্ৰ কাহিনীৰ সমষ্টি এইশ্ৰেণীৰ ৰচনাৰ ভিতৰত আটাইতকৈ উল্লেখযোগ্য হ'ল *কালকাচাৰ্য কথানক*। গদ্য-পদ্য উভয় মাধ্যমেৰে ৰচিত এই গ্ৰন্থৰ ৰচয়িতা অজ্ঞাত। ৰাজকুমাৰ কালকৰ জৈনধৰ্ম গ্ৰহণ, উজ্জয়িনীৰ ৰজা গৰ্দভিল্লৰ হাতৰ পৰা ভনীয়েক সৰস্বতীৰ উদ্ধাৰৰ বাবে প্ৰজাবিদ্ৰোহৰ উদ্যোগ আৰু শকৰাজৰ দ্বাৰা উজ্জয়িনী অধিকাৰ— এয়ে *কালকাচাৰ্য কথানক* ৰ মূল কাহিনী। *কথানক* শ্ৰেণীৰ আন দুখন প্ৰখ্যাত গ্ৰন্থ হৈছে *কথাকোশ* আৰু *কথামহোদধি* ।

**(ই) দৰ্শন বিষয়ক ঃ**

জৈনসকলে উপাসনাৰ বাবে স্তৱ-স্তোত্ৰ, নৈতিক চৰিত্ৰ গঠনৰ বাবে নীতিমূলক কাব্য আৰু জৈনধৰ্ম বিষয়ক তত্ত্বমূলক গ্ৰন্থও ৰচনা কৰিছিল। এইবোৰৰ ভিতৰত স্তৱ-স্তোত্ৰ বিষয়ক *উৱসগ্‌গহৰ স্তোত্ৰ* (ভদ্ৰবাহু), *ভয়হৰ স্তোত্ৰ* (মানতুংগ), *ঋষভ পঞ্চাশিকা* (ধনপাল), *অজিয়সন্তিথয়* (নন্দিষেণ), *জয়তিহুয়ন স্তোত্ৰ* (অভয়দেৱ), *ইসিমণ্ডল* (ধৰ্মঘোষ) আদিৰ নাম ল'ব পাৰি। গৃহী আৰু সন্যাসীৰ উদ্দেশ্যে ৰচিত নীতিমূলক কাব্যৰ ভিতৰত *উৱএসমালা* (ধৰ্মদাস), *সীলোৱএসমালাকী* (জয়ৰ্তি), *গাথাকোশ* (মুনিচন্দ্ৰ সূৰি), *গাথা সহস্ৰী* (সময় সুন্দৰ) উল্লেখযোগ্য। আনহাতে জৈন দৰ্শন সম্পৰ্কীয় তত্ত্বমূলক ৰচনাৰ ভিতৰত *পৱয়ণসাৰ, সময়সাৰ, নিয়মসাৰ, মূলাচাৰ, ত্ৰিবৰ্ণাচাৰ, দব্বসংগ্ৰহ, নবতত্ত্ব প্ৰকৰণ, জীৱবিয়াৰ, ভৱভাৱনা* বিশেষভাৱে উল্লেখনীয়। কুন্দকুন্দ নামৰ জনৈক জৈন

পণ্ডিতৰ নামত প্ৰচলিত *পঞ্চত্থিয়সাৰ* আন এখন এই শ্ৰেণীৰ উল্লেখযোগ্য শাস্ত্ৰ। এইবোৰৰ মাজত জৈনসকলৰ পালনীয় কৰ্তব্যৰ প্ৰতি উপদেশ, দীক্ষা, স্তুতি, বন্দনা আৰু ধৰ্মতত্ত্বৰ আলোচনা সন্নিৱিষ্ট হৈছে যদিও, সাহিত্যৰ দিশৰ পৰা এইবোৰৰ বিশেষ মূল্য নাই। মন কৰিবলগীয়া যে উল্লিখিত আটাইকেইখন গ্ৰন্থৰ ভাষা প্ৰাকৃত।

**(২) ধৰ্ম-নিৰপেক্ষ ৰচনা**

কোনো বিশেষ ধৰ্মৰ প্ৰতি দায়বদ্ধতা নথকা, সাহিত্য ৰসেৰে পৰিপূৰ্ণ ভালেমান গ্ৰন্থ প্ৰাকৃত ভাষাত ৰচনা কৰা হৈছিল। এই শ্ৰেণীৰ সাহিত্যক পাঁচটা ভাগত ভগোৱা হৈছে ঃ (ক) কথা-সাহিত্য, (খ) মহাকাব্য, (গ) গীতিকাব্য (ঘ) অন্যান্য কাব্য আৰু (ঙ) নাট্য সাহিত্য।

**(ক) কথা-সাহিত্য ঃ** লোক-জীৱনত ৰূপকথা বা সাধুকথাৰ যি ব্যাপক জনপ্ৰিয়তা তাৰ পৰাই প্ৰাকৃত যুগৰ এচাম লেখকে কথা-সাহিত্যৰ সৃষ্টিৰ বাবে সম্ভৱতঃ অনুপ্ৰেৰণা পাইছিল। সেইবাবেই প্ৰাকৃত ভাষাত কথা-সাহিত্যৰ ব্যাপক প্ৰচলন হৈছিল। বিভিন্ন ধৰ্মমূলক গ্ৰন্থৰ মাজত আখ্যান-উপাখ্যানমূলক এনে কথা-সাহিত্য উভৈনদী হোৱাৰ উপৰি লৌকিক জীৱনৰ ভিত্তিতো এইবিধ উপাদেয় সাহিত্যৰ সৃষ্টি হৈছিল। এনে কথা-সাহিত্যৰ ভিতৰত প্ৰথমেই নাম ল'ব লাগে পৈশাচী প্ৰাকৃতত গুণাঢ্য নামৰ কথাশিল্পীয়ে ৰচনা কৰা *বড্ডকহা* (বৃহৎকথা) নামৰ গ্ৰন্থখনৰ।

গুণাঢ্য বিৰচিত *বড্ডকহা* ৰ অস্তিত্ব পাবলৈ নাই। অৱশ্যে কেইখনমান সংস্কৃত অনুবাদ গ্ৰন্থৰ মাজত এই গ্ৰন্থখনিৰ বিষয়বস্তু বিধৃত হৈছে — আৰ্যক্ষেমীশ্বৰৰ *বৃহৎ-কথা-শ্লোক সংগ্ৰহ*, ক্ষেমেন্দ্ৰৰ *বৃহৎ-কথা-মঞ্জৰী* আৰু সোমদেৱৰ *কথাসৰিৎসাগৰ* ত। সংস্কৃত নাট্যকাৰ ভাসৰ *স্বপ্নবাসৱদত্তা* আৰু *জৈন উপখ্যান* শ্ৰেণীৰ সাহিত্যতো *বড্ডাকহা* ৰ বিষয়বস্তুৰ প্ৰতিফলন ঘটা লক্ষ্য কৰা যায়।

*বড্ডকহা*ৰ মূল কাহিনীভাগ বৎসৰাজ উদয়ণৰ লগত বাসৱদত্তা আৰু পদ্মাৱতীৰ পৰিণয় আৰু পুত্ৰ নৰবাহনৰ জন্মৰ কথাৰে আৰম্ভ হৈছে। মূলতঃ নৰবাহন দত্তৰ যশ-কীৰ্তিৰ বৰ্ণনাই গ্ৰন্থখনৰ প্ৰধান উদ্দেশ্য।

*বড্ডকহা* ৰ ৰচনা কাল তথা গুণাঢ্যৰ সময় সম্বন্ধে সবিশেষ পাবলৈ নাই। কোনোৱে এই গৰাকী বিশিষ্ট কথাকাৰৰ সময় খ্ৰীষ্টীয় প্ৰথম বা দ্বিতীয় শতিকা বুলি, কোনোৱে পঞ্চম শতাব্দী বুলি আৰু আন কোনোৱে ষষ্ঠ শতাব্দী বুলি অনুমান কৰিছে। সময় যিয়েই নহওক, গুণাঢ্য যে অসাধাৰণ প্ৰতিভাশালী লেখক আছিল তাক সংস্কৃত আলংকাৰিক আৰু লেখকসকলৰ উল্লেখৰ পৰা সহজেই বুজিব পাৰি

*বড্ডকহা* গ্ৰন্থৰ ৰচনাক লৈ প্ৰচলিত কিংবদন্তিৰ লগত প্ৰতিষ্ঠানপুৰৰ সাতবাহন ৰজাৰ নাম জড়িত থকাটো মন কৰিবলগীয়া। তৎকালীন জনসাধাৰণৰ মাজত প্ৰচলিত বিবিধ ৰূপকথাই আছিল *বড্ডকহা*ৰ মূল উপজীৱ্য।

**(খ) মহাকাব্য ঃ** প্ৰাকৃত ভাষাত ৰচিত কেইবাখনো মহাকাব্য ৰচিত হোৱাৰ উল্লেখ পোৱা যায়, যদিও প্ৰৱৰসেনৰ *সেতুবন্ধ* আৰু বপ্পইৰাঅৰ (বাকপতিৰাজ) *গউড়বহো* ৰ বাহিৰে আন কাব্যৰ অস্তিত্ব পাবলৈ নাই। অভিনৱ গুপ্ত বিৰচিত *বিষমাবণ লীলা*, বিশ্বনাথ কবিৰাজৰ *কবলয়াশ্বৰিত*, সৰ্বসেনৰ *হৰিবিজয়* আৰু অজ্ঞাত কবিৰ *ৰামবিজয়* আদি কাব্য বৰ্তমানে লুপ্ত। তলত *সেতুবন্ধ* আৰু *গউড়বহো* ৰ পৰিচয় দাঙি ধৰা হৈছে।

**সেতুবন্ধ ঃ**

কাশ্মীৰৰাজ দ্বিতীয় প্ৰৱৰসেনৰ নামত প্ৰচলিত মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত *সেতুবন্ধ* মহাকাব্যৰ আন নাম *ৰাৱণবহো* বা *দহমুহবহো* । বিতস্তা নদীৰ ওপৰত সেতু নিৰ্মাণৰ ঘটনাক স্মৰণীয় কৰি ৰাখিবৰ বাবে ৰামায়ণৰ সেতুবন্ধন, ৰাৱণ-নিধন আৰু সীতা-উদ্ধাৰৰ ঘটনাক লৈ এই মহাকাব্যখনি ৰচিত হৈছিল বুলি অনুমান কৰা হৈছে। বহুতে অৱশ্যে দক্ষিণ ভাৰতৰ বাকটাক ৰাজবংশৰ দ্বিতীয় প্ৰৱৰসেনক এই কাব্যৰ ৰচক বুলি ক'ব খোজে। আনহাতে কোনো কোনোৱে কাব্যখনিৰ প্ৰতিটো সৰ্গৰ অন্তিম শ্লোকত উল্লেখ থকা *অনুৰাগ* শব্দলৈ লক্ষ্য কৰি কোনো অজ্ঞাত কবিয়ে এই কাব্য ৰচনা কৰি প্ৰৱৰসেনৰ নামত প্ৰচলন কৰা বুলিও অনুমান কৰে।

সি যি কি নহওক, এই মহাকাব্যখনি সৰ্বমুঠ পোন্ধৰটা সৰ্গত (অচ্ছাসঅ) বিভক্ত। কাব্যখনিত কবিৰ নিপুণ প্ৰতিভাৰ পৰিচয় পোৱা যায়। ইয়াত ধৰ্মীয় তত্ত্বৰ পৰিৱৰ্তে মানৰ বুদ্ধিমত্তা আৰু দৃঢ়তাৰ ঘোষণাৰ দ্বাৰা অশুভ শক্তিৰ পৰাজয় দেখুৱা হৈছে। মন কৰিবলগীয়া যে কাব্যখনিৰ প্ৰথমৰ আঠোটা সৰ্গত সাগৰ-তীৰলৈ যাত্ৰা কৰাৰ পৰা সেতু বন্ধনৰ ঘটনা সামৰা হৈছে। আনহাতে ৰাৱণ-নিধন আৰু সীতা-উদ্ধাৰৰ বিৰাট ঘটনাংশ মাত্ৰ অন্তিম চাৰিটা অধ্যায়ত সামৰি থোৱা হৈছে। যথোপযুক্ত শব্দ-চয়ন আৰু অলংকাৰ প্ৰয়োগৰ নিপুণতা কাব্যখনিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। উদাহৰণ হিচাপে কাব্যৰ একাদশ সৰ্গৰ অন্তৰ্গত সীতাৰ দ্বাৰা ৰামৰ মায়ামুণ্ড দৰ্শনৰ এটি শ্লোক উদ্ধৃত কৰা হ'ল—

*পেচ্ছই অ সৰহসোহৰিঅ-মণ্ডলগ্‌গাহিআঅ-বিসমচ্ছিণ্ণং।*

*দূৰধনুসংঘিঅঞ্চিঅসৰ-পুংখালিদ্ধসামলি' অবঙ্গং।।*

**গউড়বহো ঃ**

কনৌজৰাজ যশোবৰ্মাৰ সভাকবি বপ্‌পইৰাও (বাক্‌পতিৰাজ) বিৰচিত *গউড়বহো* (গৌড়বধঃ) মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত আন এখনি উল্লেখযোগ্য মহাকাব্য। এই কাব্য ৭৫০ খ্ৰীষ্টাব্দত ৰচনা কৰা বুলি অনুমান কৰা হৈছে। ইয়াৰ শ্লোক-সংখ্যা বাৰশতকৈ অলপ বেছি। কাব্যখনিৰ বিষয়বস্তু হৈছে কবিৰ পৃষ্ঠপোষক যশোবৰ্মাৰ গৌড়দেশ বিজয় আৰু গৌড়ৰাজৰ নিধন। কাহিনীভাগ ঐতিহাসিক যেনে লাগিলেও ইয়াত ইতিহাসৰ উপাদান নিচেই সামান্যহে পোৱা যায়। সম্ভৱতঃ পৃষ্ঠপোষক ৰজাৰ যশ-গৰিমা বৃদ্ধিৰ উদ্দেশ্যেৰে

এই কাব্য প্রণয়ন কৰা হৈছিল। যশোবৰ্মাৰ গুণৰাশি আড়ম্বৰপূৰ্ণ তথা অলংকাৰসমৃদ্ধ ভাষাৰে বৰ্ণনা কৰাটোৱেই তাৰ প্ৰমাণ। কাৰো কাৰো মতে কাব্যখনি অসমাপ্ত; প্ৰাপ্তখণ্ডটো মূল কাব্যৰ ভূমিকাহে মাত্ৰ।

মহাকাব্য বুলি ধৰিলেও দৰাচলতে কাব্যখনিত সেই শ্ৰেণীৰ কাব্যৰ লক্ষণ-বৈশিষ্ট্য বিশেষ পাবলৈ নাই। ইয়াত সৰ্গ বিভাজন নাই। বিষয়-বিন্যাসো প্ৰচলিত মহাকাব্যবোৰতকৈ পৃথক। প্ৰকৃত বিচাৰত ই এখন প্ৰশস্তিমূলক কাব্যহে। সেয়ে হ'লেও, গ্ৰাম্য জীৱনৰ দুৰ্লভ তথা সজীৱ চিত্ৰ আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ বিৰল বৰ্ণনাই কাব্যখনিক যথাৰ্থ সাহিত্যিক মূল্য দান কৰিছে। কবিৰ কৃতিত্বও সেইখিনিতে। কাব্যখনিৰ অন্তৰ্গত শ্লোক এটিত সংস্কৃত আৰু প্ৰাকৃতৰ যি তুলনা দিয়া হৈছে তাৰ পৰা অনুমান কৰিব পাৰি যে তৎকালীন প্ৰাকৃত কবিকুলে সংস্কৃত ভাঙি প্ৰাকৃতত পদ ৰচনা কৰিছিল।

### (গ) গীতিকাব্য ঃ

সমগ্ৰ প্ৰাকৃত-সাহিত্যৰ ভিতৰত গীতিকাব্যৰ ধাৰাটোক অতিশয় সমৃদ্ধিশালী আখ্যা দিয়া হৈছে। দৰাচলতে লোক-জীৱনৰ পৰা আহৰিত ভাষাৰে সেই জীৱনৰ প্ৰেম-বিৰহ, দুখ-যাতনাৰ ছবি বাস্তৱ দৃষ্টিৰে চিত্ৰায়িত হোৱা বাবেই এই বিশেষ ধাৰাটো শক্তিশালী হৈ উঠিছিল বুলি ক'ব পাৰি।

প্ৰাকৃত গীতি-কবিতাৰ সৰ্বপ্ৰাচীন নিদৰ্শন ভৰতৰ নাট্যশাস্ত্ৰত প্ৰাপ্ত 'ধ্ৰুৱা' গীতসমূহৰ মাজত পোৱা যায়। সেয়ে হ'লেও স্বতন্ত্ৰ শ্ৰেণীৰ গীতিকাব্য হিচাপে আমি *গাহাসত্তসঈ* আৰু *বজ্জালগ্‌গ* ৰ নাম ল'ব পাৰোঁ। তলত দুয়োখনি কাব্যৰ চমু পৰিচয় দাঙি ধৰা হৈছে।

### গাহাসত্তসঈ ঃ

প্ৰাকৃত গীতি-কবিতাৰ সৰ্বশ্ৰেষ্ঠ নিদৰ্শন হৈছে *গাহাসত্তসঈ* (গাথাসপ্তশতী)। সাতবাহন বংশৰ ৰজা হালে ভাৰতীয় লোক-জীৱনত পৰম্পৰাগতভাৱে মৌখিক ৰূপৰে প্ৰৱাহিত লোকায়ত জীৱনৰ সুৰ সম্বলিত বছা বছা গাথা কিছুমান একত্ৰ কৰি এই অপূৰ্ব গীতি -কাব্য সংকলনটি প্ৰচাৰ কৰিছিল। সংকলনটিত সৰ্বমুঠ সাতশটা গাথা সাতোটা শতকত শ্ৰেণীবদ্ধ কৰি থোৱা হৈছে বাবেই ইয়াৰ নাম *গাহাসত্তসঈ* । খ্ৰীষ্টীয় ৪০০-ৰ পৰা ৮০০ শতিকাৰ ভিতৰত এই গ্ৰন্থৰ সংকলন কাৰ্য সম্পন্ন হৈছিল বুলি অনুমান কৰা হৈছে।

সংকলনটিৰ অন্তৰ্গত অধিকাংশ গাথাৰ মূল সুৰ হৈছে প্ৰেম। গতিকে স্বাভাৱিক কাৰণতে ইয়াৰ মাজেৰে আদিৰস প্ৰৱাহিত হৈছে। এই প্ৰেম কিন্তু অভিজাত সমাজৰ নহয়; বৰং লোক-জীৱনৰ প্ৰেম। সাধাৰণ মানুহৰ প্ৰেমৰ মাজত পোৱা সুখ-দুখ, মান-অভিমান, বিৰহ-মিলন আদিৰ বাস্তৱ ছবি গ্ৰন্থখনিৰ প্ৰায়ভাগ কবিতাৰ মাজেৰে ফুটি

উঠিছে। অৱশ্যে কেইটিমান গাথাৰ মাজত প্ৰেম-আধাৰিত উপদেশো পোৱা যায়। মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত হোৱা বাবে সংকলনটিৰ গীতিধৰ্মিতা অনেক গুণে বৃদ্ধি পোৱা বুলি ক'লেও ভুল কৰা নহয়।

ভাৰতীয় জীৱনৰ চিৰ পৰিচিত গ্ৰাম্য জীৱনৰ অপূৰ্ব চিত্ৰৰ অংকন কাব্যখনিৰ আন এক উল্লেখযোগ্য বৈশিষ্ট্য। এইবোৰৰ মাজেৰে ৰচয়িতাসকলৰ কাব্য নৈপুণ্য অতি সুন্দৰভাৱে প্ৰতিফলিত হৈছে। ভাষাৰ পৰিশীলিত ৰূপ আৰু উচ্চমানৰ বৰ্ণনাই ইয়াৰ অন্তৰ্গত কবিতাসমূহ লোক-জীৱনৰ পৰা সংগ্ৰহ কৰি পৰিমাৰ্জন কৰাৰ ধাৰণা দিয়ে। সম্ভৱতঃ এনে হোৱাৰ বাবেই মুখে মুখে প্ৰচলিত অজ্ঞাত কবিৰ ৰচনাৰ পৰিশীলিত ৰূপটোৰ সৈতে পৰৱৰ্তী সময়ত বিভিন্ন কবিৰ নাম যুক্ত হৈ পৰিল। ইয়াৰ মাজত কেইবাগৰাকী মহিলা কবিৰ নামো পোৱা যায়।

গ্ৰন্থখনিৰ অন্তৰ্গত প্ৰতিটো গাথা দুটা শাৰীত সমাপ্ত। লোক-জীৱনৰ সাৰল্যতকৈ এইবোৰৰ মাজত গীতি-কবিতাৰ মাধুৰ্যহে অধিক লক্ষ্য কৰা যায়। সম্ভৱতঃ সংগ্ৰহৰ অন্তত কৰা পৰিমাৰ্জনেই ইয়াৰ মূল কাৰণ। হালৰ নামত প্ৰচলিত হ'লেও, ই কেইবাশতিকা জোৰা সংগ্ৰহ হোৱাও অসম্ভৱ নহয়। আধুনিক ৰোমাণ্টিক কবিতাতকৈও উচ্চখাপৰ এই গীতি-কাব্য সংকলনটি ভাৰতীয় সাহিত্যৰ ইতিহাসত এক মাইলৰ খুঁটি হিচাপে চিৰ পৰিচিত হৈ থাকিব।

**বজ্জালগ্‌গ ঃ**

জৈন কবি জয়বল্লভ-ৰ দ্বাৰা সংগৃহীত *বজ্জালগ্‌গ* প্ৰাকৃত গীতি-কবিতাৰ আন এক উল্লেখযোগ্য কাব্য-গ্ৰন্থ। সংগ্ৰহকৰ্তাৰ নামানুসাৰে কাব্যখনি *জয়বল্লহং* -ৰূপেও পৰিচিত। ইয়াত সৰ্বমুঠ ৭৯৫ টা গাথা সংকলিত হৈছে। কেতবোৰ গাথা গাহাসত্তসঈ ৰ সৈতে অভিন্ন। গ্ৰন্থখনিৰ বিশেষত্ব এইটোৱে যে ইয়াত গাথাসমূহ বিষয় অনুসাৰে একো একোটা নিৰ্দিষ্ট ব্ৰজ্যা-ত সজোৱা হৈছে। সংকলনটিৰ নাম সেইবাবেই *বজ্‌জালগ্‌গ* (ব্ৰজ্যালগ্ন) ৰখা হৈছে। সংগ্ৰহকৰ্তা জয়বল্লভ জৈন মতাৱলম্বী হ'লেও, গাথাসমূহত তাৰ কোনো প্ৰভাৱ পাবলৈ নাই; বৰং এইবোৰ *গাহাসত্তসঈ* ৰ দৰে বিভিন্ন কবিৰ মনোৰম ৰচনা। প্ৰায়ভাগ গাথাৰ বিষয় প্ৰেম হ'লেও, ইয়াত অন্যান্য ভাৱৰ গাথাও পোৱা যায়।

গ্ৰন্থখনিৰ সংকলনৰ সময় খ্ৰীষ্টীয় একাদশ বা দ্বাদশ শতিকা বুলি অনুমান কৰা হৈছে। ইয়াৰ ভাষা মাহাৰাষ্ট্ৰী প্ৰাকৃত।

**(ঘ) অন্যান্য কাব্য ঃ**

প্ৰসিদ্ধ প্ৰাকৃত ব্যাকৰণকাৰ হেমচন্দ্ৰ সূৰিয়ে *সিদ্ধহেমচন্দ্ৰশব্দানুশাসন* নামৰ যিখন ব্যাকৰণ ৰচনা কৰিছিল তাৰ অন্তৰ্গত সূত্ৰসমূহৰ উদাহৰণ দিবলৈ গৈ *কুমাৰপাল চৰিত* নামৰ এখনি মনোৰম কাব্য ৰচনা কৰিছিল। মাহাৰাষ্ট্ৰী প্ৰাকৃতত ৰচিত এই কাব্যখনিত মুঠ আঠোটা খণ্ড পোৱা যায়। ইয়াৰ অন্তিম সৰ্গ দুটাৰ বিষয়বস্তু জৈন ধৰ্মতত্ত্ব।

কাব্যখনিৰ বিষয়বস্তু কুমাৰপাল ৰজাক কেন্দ্ৰ কৰি বৰ্ণিত হৈছে। ৰজা কুমাৰ পাল তথা তেওঁৰ প্ৰজাবৰ্গৰ জৈনধৰ্মৰ প্ৰতি অনুৰাগৰ বিৱৰণৰ উপৰি কুমাৰপাল আৰু কোঙ্কনৰাজ মল্লিকাৰ্জুনৰ যুদ্ধ, কুমাৰপালৰ হাতত মল্লিকাৰ্জুনৰ পৰাভৱ আৰু পৰিশেষত মল্লিকাৰ্জুনৰ নিধন আদি বিষয় অতিশয় দক্ষতাৰে কাব্যখনিত বৰ্ণনা কৰা হৈছে।

### (ঙ) নাট্য সাহিত্য ঃ

খ্ৰীষ্টীয় প্ৰথম শতিকাৰ পৰা নাটকীয় কাহিনীৰ গতি-প্ৰৱাহক স্বাভাৱিক ৰূপ প্ৰদান কৰিবলৈ সংস্কৃত নাটকত চৰিত্ৰানুযায়ী প্ৰাকৃত ভাষাৰ ব্যৱহাৰ চলি আহিছিল। কালিদাস, ভাস, শূদ্ৰক আদি প্ৰসিদ্ধ সংস্কৃত নাট্যকাৰৰ নাটকসমূহলৈ লক্ষ্য কৰিলে তাৰ প্ৰমাণ পোৱা যায়। সম্ভৱতঃ তেনে কাৰণতে সম্পূৰ্ণ প্ৰাকৃত ভাষাত নাটক ৰচিত হোৱা নাছিল। খ্ৰীষ্টীয় দশম শতিকাৰ আদিভাগত কিন্তু এই পৰম্পৰা ভঙ্গ হয়। গুৰ্জৰ-প্ৰতিহাৰৰ ৰজা মহেন্দ্ৰপালৰ গুৰু কবিৰাজ ৰাজশেখৰে পত্নী অৱন্তীসুন্দৰীৰ অনুৰোধ ক্ৰমে *কপ্পূৰ মঞ্জৰী* (কৰ্পূৰমঞ্জৰী) নামৰ নাট এখনি সম্পূৰ্ণ প্ৰাকৃত ভাষাত ৰচনা কৰি এক নতুন পৰম্পৰাৰ সূচনা কৰে। নাট্যকাৰে অৱশ্যে ৰচনাখনিক 'নাটক' নুবুলি সট্টক আখ্যা দিছে। তেওঁৰ মতে 'সট্টক' 'নাটিকা'ৰ অনুৰূপ। মাত্ৰ সট্টকত 'প্ৰৱেশক' আৰু বিস্কম্ভক' নাথাকে। ৰচনাখনিত অঙ্ক বিভাজনো পাবলৈ নাই। তাৰ ঠাই পূৰণ কৰিছে চাৰিটা 'যৱনিকা'-ই।

ৰাজশেখৰে সট্টকখনিত প্ৰাকৃত ব্যৱহাৰৰো যথাৰ্থ ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে সংস্কৃত ৰচনা কঠুৱা আৰু প্ৰাকৃত কোমল, ঠিক পুৰুষ আৰু নাৰীৰ দৰে। সেইবাবে তেওঁ প্ৰাকৃত ভাষাকে নাট-ৰচনাৰ মাধ্যম হিচাপে গ্ৰহণ কৰিছে। সম্ভৱতঃ সংস্কৃত নাটকৰ অভিনয় অভিজাত লোকৰ বাবে হোৱা হেতুকে সাধাৰণজনৰ মনোৰঞ্জনৰ প্ৰতি লক্ষ্য ৰাখি ৰাজশেখৰে জনসাধাৰণৰ ভাষাত পৰীক্ষামূলকভাৱে এই নাটখনি ৰচনা কৰিছিল। আন প্ৰকাৰে সংস্কৃত ভাষাৰ প্ৰতি তৎকালীন অভিজাত সম্প্ৰদায়ৰ যি ৰক্ষণশীল দৃষ্টিভঙ্গী তাৰ বিৰুদ্ধে ৰাজশেখৰৰ ই এক অভিনৱ প্ৰতিবাদ বুলিবও পাৰি।

নাটখনিৰ কাহিনীভাগ অলপো গহীন প্ৰকৃতিৰ নোহোৱাটোৱেও লোক-প্ৰয়োজনৰ দিশটোলৈকে আঙুলিয়ায়। ইয়াৰ মূল বিষয়বস্তু হৈছে চণ্ডপাল নামৰ ৰজা এজনৰ ভৈৰৱানন্দ নামৰ এগৰাকী সিদ্ধপুৰুষে অলৌকিক শক্তিৰে আনি দিয়া কুন্তল ৰাজকন্যা কৰ্পূৰমঞ্জৰীৰ সৈতে হোৱা প্ৰেম, ৰাজমহিষী বিভ্ৰমলেখাৰ বাধা আৰু পৰিশেষত তেওঁৰেই (ৰাণীৰ) সহযোগত ৰজা আৰু কৰ্পূৰমঞ্জৰীৰ বিবাহ। এইখিনি ঘটনাকে অনুপম নাট্যশৈলীৰে নাট্যকাৰে উপস্থাপন কৰিছে। সম্পূৰ্ণ প্ৰাকৃত ভাষাত সট্টক নামৰ একশ্ৰেণীৰ নতুন নাট্যশৈলীৰ সৃষ্টি কৰা হেতুকে ভাৰতীয় নাট্যসাহিত্যত ৰাজশেখৰৰ নাম যুগমীয়া হৈ ৰ'ব।

নাট্যকাৰে 'সক্কদং পৰিহৰিঅ পাউদবংধে পউত্তো কঈ' বুলি প্ৰাকৃত ব্যৱহাৰৰ যথাৰ্থতা নাটৰ আৰম্ভণিতে ব্যক্ত কৰিছে যদিও, তেওঁ কোনো বিশেষ সাহিত্যিক প্ৰাকৃতৰ

নাম লোৱা নাই। সট্টকখনিৰ ভাষাগত দিশবোৰ বিশ্লেষণ কৰিলে দেখা যায় ইয়াত নাট্যকাৰে প্ৰাকৃত ভাষাৰ এক মিশ্ৰৰূপহে ব্যৱহাৰ কৰিছে। এই প্ৰাকৃতত মাহাৰাষ্ট্ৰীৰ উপাদান যিদৰে আছে শৌৰসেনীৰো লক্ষণ বৈশিষ্ট্য তেনেদৰে বিদ্যমান। তদুপৰি 'হক্কাৰিঅ', 'ছইল্ল' আদি প্ৰচুৰ দেশী শব্দও ইয়াত ব্যৱহৃত হৈছে। এইফালৰ পৰা *কৰ্পূৰমঞ্জৰী* ৰ প্ৰাকৃতক *ৰাজশেখৰী প্ৰাকৃত* বুলি অভিহিত কৰাহে যুক্তিসংগত যেন লাগে। কাৰণ এই প্ৰাকৃত ৰাজশেখৰৰ নিজা সৃষ্টি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। এশটা মান শব্দৰ ভিতৰত জৈনধৰ্ম বিষয়ক প্ৰাকৃত ৰচানৰ আভাস দিয়ক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

২। প্ৰাকৃতত ৰচিত মহাকাব্য কেইখনৰ বিষয়ে (প্ৰতিটো ৪০টা শব্দৰ ভিতৰত) একোটাকৈ টোকা প্ৰস্তুত কৰক।

.......................................................................................................

.......................................................................................................

.......................................................................................................

৩। একোটাকৈ টোকা লিখক (প্ৰতিটো ৩০টা শব্দৰ ভিতৰত) বড্ডকহা, গাহাসত্তসঈ, বজ্জালগ্গ, কৰ্পূৰমঞ্জৰী

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৪.৮ সাৰাংশ (Summing Up)

এইটো বিভাগত প্ৰাকৃত ভাষাৰ উদ্ভৱ, বিকাশ আৰু ব্যুৎপত্তিগত অৰ্থৰ পৰা আৰম্ভ কৰি এই ভাষাৰ বৈশিষ্ট্য, বিভিন্ন সাহিত্যিক প্ৰাকৃত আৰু প্ৰাকৃত সাহিত্য সম্বন্ধে আপুনি বিশদভাৱে অধ্যয়ন কৰিলে। প্ৰাকৃত ভাষা মধ্য ভাৰতীয় আৰ্যভাষাৰ দ্বিতীয় স্তৰৰ অন্তৰ্গত। এই স্তৰৰ ভাষাৰ সৈতে প্ৰাচীন ভাৰতীয় আৰ্যভাষা— বৈদিক-সংস্কৃতৰ বিস্তৰ প্ৰভেদ বিদ্যমান। আপুনি প্ৰাকৃত ভাষাৰ বৈশিষ্ট্যৰ আলোচনাত এই প্ৰভেদবোৰৰ কথা নিশ্চয় অধ্যয়ন কৰিবলৈ পাইছে।

মানুহৰ মুখ বাগৰি বৈদিক-সংস্কৃত ভাষাত যি ভাঙোন ধৰিছিল পৰৱৰ্তী কালত সি অঞ্চলভেদে ভিন ভিন ৰূপ ধাৰণ কৰিছিল। এনে আঞ্চলিক ৰূপৰ ভিত্তিতে পাঁচোটাকৈ

সাহিত্যিক প্ৰাকৃত গঢ় লৈ উঠিছিল। দৰাচলতে সাহিত্য-ৰচনাত ব্যৱহাৰ হোৱা বাবেই এই প্ৰাকৃত ভাষাবোৰক সাহিত্যিক প্ৰাকৃত বোলা হৈছে।

পৰিশেষত প্ৰাকৃত-সাহিত্য ৰাজিৰ যি আভাস এই অধ্যায়ত দিয়া হৈছে তাৰ অধ্যয়নৰ জৰিয়তে আপুনি সংস্কৃতৰ বিপৰীতে লৌকিক জীৱনৰ বাস্তৱ চিত্ৰ সম্বলিত এক শ্ৰেণীৰ নতুন সাহিত্যৰ পৰিচয় লাভ কৰিলে।

## ৪.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১। মধ্যভাৰতীয় আৰ্যভাষাৰ মধ্যস্তৰৰ ভাষা কি? সেই ভাষাৰ বিষয়ে বহলাই আলোচনা কৰক।

২। 'প্ৰাকৃত' শব্দৰ ব্যুৎপত্তিগত অৰ্থ আৰু 'প্ৰাকৃত' নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰি এই ভাষাৰ আঞ্চলিক ভিত্তি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

৩। প্ৰাকৃত ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ ফঁহিয়াই দেখুৱাওক।

৪। 'সাহিত্যিক প্ৰাকৃত' মানে কি? ই কেই প্ৰকাৰৰ? প্ৰতিবিধ সাহিত্যিক প্ৰাকৃতৰ বিশেষ লক্ষণবোৰ উল্লেখ কৰক।

৫। প্ৰাকৃত ভাষাত ৰচিত সাহিত্যৰাজিৰ বিষয়ে এটি চমু নিবন্ধ যুগুত কৰক।

৬। চমুকৈ আলোচনা কৰক ঃ

(ক) বৈদিক-সংস্কৃতৰ ঋ, ঐ, ঔ ধ্বনিৰ প্ৰাকৃতত ঘটা পৰিৱৰ্তন।

(খ) প্ৰাকৃত ভাষাৰ শব্দভাণ্ডাৰ।

(গ) জৈন সাহিত্য।

(ঘ) সংস্কৃত নাটকত প্ৰাকৃতৰ প্ৰয়োগ।

(ঙ) প্ৰাকৃত মহাকাব্য।

(চ) প্ৰাকৃত গীতিকাব্য।

(ছ) কৰ্পূৰমঞ্জৰী।

## ৪.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত অপভ্ৰংশ ভাষা আৰু সাহিত্য।*

(——) ঃ *প্ৰাকৃত সাহিত্য-চয়ন।*

(——) ঃ *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন।*

লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত পালি প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ।*

দেবিদাস ভট্টাচাৰ্য ঃ *মধ্য ভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা।*

মনমোহন ঘোষ ঃ *প্ৰাকৃত সাহিত্য।*

পৰেশচন্দ্ৰ মজুমদাৰ ঃ *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ।*

Sukumar Sen ঃ *A Comparative Grammar of Middle Indo Aryam*

R. Pischel ঃ *A Grammar of the Prakrit Language.*

A. C. woolner ঃ *Introductian to Prakrit.*

*****

## পঞ্চম বিভাগ
## অপভ্ৰংশ ভাষা

**বিভাগৰ গঠনঃ**


৫.১ ভূমিকা (Introduction)

৫.২ উদ্দেশ্য (Objectives)

৫.৩ অপভ্ৰংশ নামৰ তাৎপৰ্য

৫.৪ অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ

৫.৫ অপভ্ৰংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য

  ৫.৫.১ ধ্বনিতত্ত্ব

  ৫.৫.২ ৰূপতত্ত্ব

৫.৬ অপভ্ৰংশ আৰু অৱহট্‌ঠ

৫.৭ অপভ্ৰংশ সাহিত্য

৫.৮ সাৰাংশ (Summing Up)

৫.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

৫.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ৫.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত মধ্যভাৰতীয় আৰ্যভাষাৰ দ্বিতীয়স্তৰ প্ৰাকৃতৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটোত আপোনাক মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্ত্য স্তৰৰ অন্তৰ্গত অপভ্ৰংশ ভাষা সম্পৰ্কে আভাস দিবলৈ যত্ন কৰা হ'ব।

আনুমানিক খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীষ্টীয় দশম শতাব্দীলৈকে প্ৰাকৃত ভাষাৰ বিৱৰ্তনৰ শেষ স্তৰটোকে অপভ্ৰংশ ভাষা বুলি কোৱা হয় আৰু এই স্তৰত ৰচিত সাহিত্য ৰাজিয়ে হ'ল অপভ্ৰংশ সাহিত্য। আধুনিক ভাৰতীয় আৰ্যভাষা সৃষ্টি হোৱাৰ অব্যৱহিত পূৰ্বৱৰ্তী স্তৰটোৱে হৈছে অপভ্ৰংশ স্তৰ। প্ৰত্যেক সাহিত্যিক প্ৰাকৃতৰ পৰৱৰ্তী সৰলতৰ ৰূপটোৱে অপভ্ৰংশ। গ্ৰীয়াৰ্ছন, পিশ্চেল, সুনীতি কুমাৰ চট্টোপাধ্যায়, এ.চি. উল্‌নাৰ, সুকুমাৰ সেন প্ৰভৃতি বিজ্ঞসকলেও প্ৰাকৃত ভাষাৰ বিকাশৰ অন্তিম উপস্তৰক অপভ্ৰংশ আখ্যা দিছে।

প্ৰত্যেক প্ৰাকৃতৰে এটা অপভ্ৰংশ স্তৰ থকা বুলি কল্পনা কৰি লোৱা হয় আৰু তাৰ পৰাই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱ আৰু বিকাশ হোৱা বুলি ধৰি লোৱা হয়। উদাহৰণস্বৰূপে মাহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা মাহাৰাষ্ট্ৰী অপভ্ৰংশ আৰু তাৰ পৰাই আধুনিক মাৰাঠীৰ উদ্ভৱ হয়। বাকী আন আন সাহিত্যিক প্ৰাকৃত যেনে— মাগধী প্ৰাকৃত>মাগধী অপভ্ৰংশ> অসমীয়া-বাংলা, উড়িয়া, মৈথিলী, মগহী, ভোজপুৰী; শৌৰসেনী প্ৰাকৃত>শৌৰসেনী অপভ্ৰংশ> পশ্চিমা-হিন্দী আৰু গুজৰাটী, ৰাজস্থানী; অৰ্ধ-মাগধী

প্ৰাকৃত> অৰ্ধ-মাগধী অপভ্ৰংশ> পূৰ্ব হিন্দী ইত্যাদিৰ উদ্ভৱ হয়। অৱশ্যে এনেকৈ প্ৰত্যেক প্ৰাকৃতৰ একোটাকৈ অপভ্ৰংশ স্তৰৰ উল্লেখ কৰা হৈছে যদিও, কেৱল শৌৰসেনী প্ৰাকৃতৰহে অপভ্ৰংশৰ নিদৰ্শন পোৱা যায়। বাকীবোৰৰ অপভ্ৰংশ স্তৰ শৌৰসেনীৰ আৰ্হিৰে নিৰ্ণয় কৰি লোৱা হৈছে।

এই বিভাগটোত মধ্য ভাৰতীয় আৰ্যভাষাৰ উল্লিখিত স্তৰটোৰ আটাইবোৰ দিশৰ আলোচনা আপোনাৰ অধ্যয়নৰ সুবিধাৰ্থে সামৰি লোৱা হৈছে।

## ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটো অধ্যয়ন কৰাৰ অন্তত আপুনি —

- মধ্য ভাৰতীয় আৰ্যভাষাৰ অন্তিম স্তৰ অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব;
- অপভ্ৰংশৰ অন্যান্য স্তৰৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব;
- অপভ্ৰংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্যবোৰ ফঁহিয়াই দেখুৱাব পাৰিব;
- অপভ্ৰংশ ভাষাত ৰচিত সাহিত্য সম্বন্ধে সম্যক ধাৰণা আগবঢ়াব পাৰিব; আৰু
- সামগ্ৰিকভাৱে ভাষাৰ পৰিৱৰ্তনৰ সাধাৰণ সূত্ৰবোৰো বিশ্লেষণ কৰি দেখুৱাব পাৰিব।

## ৫.৩ অপভ্ৰংশ নামৰ তাৎপৰ্য

'অপভ্ৰংশ' শব্দটোৰ প্ৰথম উল্লেখ পোৱা যায় — আনুমানিক খ্ৰঃপূঃ দ্বিতীয় শতাব্দীৰ সংস্কৃত বৈয়াকৰণ পতঞ্জলি কৃত *মহাভাষ্য* ত। তেওঁ অৱশ্যে এই শব্দটোৰ দ্বাৰা কোনো বিশেষ ভাষাক বুজোৱা নাছিল। তাৰ সলনি তেওঁ সংস্কৃতৰ বিকৃত ৰূপ বা অপশব্দক অথবা অ-পাণিনীয় শব্দক বুজাইছিল। ভাষাৰ স্বাভাৱিক পৰিৱৰ্তন প্ৰক্ৰিয়াৰ ফলত নাইবা তৎকালীনভাৱে প্ৰচলিত আৰ্যভিন্ন ভাষাৰ উচ্চাৰণৰ প্ৰভাৱত বৈদিক সংস্কৃত শব্দৰ যি বিকৃতি বা পৰিৱৰ্তন ঘটিছিল তালৈ লক্ষ্য কৰি তেওঁ এনেদৰে মন্তব্য কৰিছিল ঃ *"ভূয়াংসোহপশব্দাঃ অল্পীয়াংসঃ শব্দাঃ। একৈকস্য হি শব্দস্য বহবোহপভ্ৰংশাঃ তদ্‌যথা গৌৰিতাস্য শব্দস্য 'গাৱী', 'গোপী', গোতা, গোপোতালিকা ইত্যেৱমাদয়োহপভ্ৰংশাঃ।"* অৰ্থাৎ, "অপশব্দ অনেক, শুদ্ধ শব্দ তাকৰীয়। একোটাহঁত শব্দৰ অনেক অপভ্ৰষ্ট ৰূপ দেখা যায়, যেনে — 'গৌ' শব্দৰ 'গাৱী', 'গোণী', 'গোতা', 'গোপোতালিকা' ইত্যাদি।"

আনুমানিক খ্ৰীষ্টীয় তৃতীয় শতাব্দীৰ ভৰত মুনিৰ *নাট্যশাস্ত্ৰ*তো 'ৱিভ্ৰষ্ট' শব্দ প্ৰাকৃত-তদ্ভৱ শব্দৰ অৰ্থত প্ৰয়োগ কৰা দেখা যায়।

মুঠতে খ্ৰীষ্টীয় তৃতীয় শতাব্দী পৰ্যন্ত **'অপভ্ৰংশ'** শব্দই কোনো বিশেষ ভাষাক বুজোৱাৰ প্ৰমাণ পাবলৈ নাই। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে সেই সময়ৰ কথিত

ৰূপত প্ৰচলিত ব্যাকৰণ বহিৰ্ভূত অ-সংস্কৃত অপশব্দক বুজাবলৈ 'অপভ্ৰংশ' শব্দটো ব্যৱহাৰ কৰা হৈছিল।

খ্ৰীষ্টীয় তৃতীয় শতিকাৰ পাছৰে পৰা লাহে লাহে 'অপভ্ৰংশ'ই এক স্বতন্ত্ৰ ভাষাৰূপে স্বীকৃতি লাভ কৰিবলৈ ধৰে আৰু সাহিত্যৰ বুকুতো ই স্থান লাভ কৰিবলৈ সমৰ্থ হয়। খ্ৰীষ্টীয় চতুৰ্থ শতিকাৰ মহাকবি কালিদাস বিৰচিত *বিক্ৰমোৰ্ৱশীয়ম্* নাটৰ চতুৰ্থ অঙ্কৰ গীতসমূহত অপভ্ৰংশ ভাষাৰ প্ৰয়োগ লক্ষ্য কৰা যায়। এইবোৰ প্ৰক্ষিপ্ত বুলি প্ৰমাণিত নহ'লে ব্যাকৰণকাৰসকলৰ দ্বাৰা স্বীকৃত অপভ্ৰংশ ভাষা খ্ৰীষ্টীয় চতুৰ্থ-পঞ্চম শতাব্দীতে সাহিত্যৰ বাহন হৈ পৰিছিল বুলি স্বীকাৰ কৰিব লাগিব। তদুপৰি, আনুমানিক তৃতীয় খ্ৰীষ্টাব্দৰ বুলি বিবেচিত স্বয়ম্ভুৰ জৈন ৰামায়ণ *পউম চৰিঅ* আৰু খ্ৰীষ্টীয় দ্বিতীয়-তৃতীয় শতিকাতে সংগ্ৰহ কাৰ্যৰ সূচনা হোৱা বুলি অনুমান কৰা ৰজা হালৰ *গাহাসত্তসঈ* অপভ্ৰংশ শব্দ আৰু বৈয়াকৰণিক ৰূপৰ প্ৰচুৰ প্ৰয়োগ লক্ষ্য কৰা যায়।

খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ সংস্কৃত আলংকাৰিক ভামহে *কাব্যালংকাৰ* গ্ৰন্থত সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ এই তিনিটা ভাষাৰ কথা স্পষ্টকৈ উল্লেখ কৰিছে। আকৌ, খ্ৰীষ্টীয় সপ্তম শতিকাৰ আলংকাৰিক আচাৰ্য দণ্ডীয়ে তেওঁৰ *কাব্যদৰ্শ* গ্ৰন্থত প্ৰাকৃত আৰু অপভ্ৰংশ দুয়োটাকে সুকীয়া ভাষাৰূপে নিৰ্দেশ কৰিছে। তেওঁৰ মতে *"আভীৰাদিগিৰঃ কাব্যেস্বপভ্ৰংশ ইতিস্মৃতাঃ শাস্ত্ৰে তু সংস্কৃতাদন্যদপভ্ৰংশতয়োদিতম্।"* অৰ্থাৎ, কাব্যত ব্যৱহৃত 'আভীৰ' প্ৰভৃতিৰ ভাষা তেওঁৰ মতে অপভ্ৰংশ। দণ্ডীৰ পৰৱৰ্তী ধনঞ্জয়, ৰুদ্ৰট আদিয়েও অপভ্ৰংশক স্বতন্ত্ৰ ভাষাৰ মৰ্যাদা দিছে।

সংস্কৃত ব্যাকৰণকাৰসকলৰ মতে সংস্কৃত ভিন্ন আটাইবোৰ প্ৰাকৃতেই অপভ্ৰংশৰ অন্তৰ্গত। ওপৰত উল্লেখ কৰা পতঞ্জলিৰ উক্তিয়েই তাৰ প্ৰমাণ। কিন্তু প্ৰাকৃত ব্যাকৰণকাৰসকলে অপভ্ৰংশক প্ৰাকৃতৰে এক প্ৰকাৰভেদ বুলি স্বীকৃতি দিছে। খ্ৰীষ্টীয় পঞ্চম শতিকাৰ বৰৰুচিৰ *প্ৰাকৃত প্ৰকাশ*ত অপভ্ৰংশৰ উল্লেখ দেখিবলৈ পোৱা যায়। হেমচন্দ্ৰ সূৰিয়ে *সিদ্ধহেমশব্দানুশাসনম্* গ্ৰন্থৰ অষ্টম অধ্যায়ত অপভ্ৰংশ ভাষাৰ বিষয়ে বিস্তৃত আলোচনা আগবঢ়াইছে। ইয়াৰ উপৰি পুৰুষোত্তমদেৱ, শেষকৃষ্ণ আদি প্ৰাকৃত ব্যাকৰণকাৰেও নিজ নিজ গ্ৰন্থত অপভ্ৰংশ সম্পৰ্কে বিস্তৃত আলোচনা কৰিছে।

ওপৰৰ আলোচনাৰ পৰা এই কথাই অনুমান হয় যে সময়ৰ লগে লগে বৈদিক-সংস্কৃতৰ পৰিৱৰ্তিত ৰূপটোৱে বৌদ্ধ আৰু জৈন মতাৱলম্বীসকলৰ প্ৰচেষ্টাত শিষ্টজনোচিত হৈ সাহিত্যিক মৰ্যাদা লাভ কৰিছিল আৰু তাৰ সমান্তৰালভাৱে জনসাধাৰণৰ মাজত তেনে ভাষাৰ মাধ্যমেৰে লৌকিক গীত-পদৰো সৃষ্টি হৈছিল। এনেদৰে জনপ্ৰিয় হৈ উঠা ভাষাটোকে সংস্কৃত আলংকাৰিকসকলে **'প্ৰাকৃতম অপভ্ৰষ্টম্'** বুলি অপভ্ৰংশ নামকৰণেৰে এই নতুন ৰূপটোক স্বতন্ত্ৰ ভাষাৰ মৰ্যাদা দান কৰিছিল।

সি যি কি নহওক, সাম্প্ৰতিক সময়ত ভাৰতীয় আৰ্যভাষাৰ ইতিহাস চৰ্চাত অপভ্ৰংশক মধ্য ভাৰতীয় আৰ্যভাষা বা আন কথাত প্ৰাকৃত যুগৰ অন্তিম স্তৰৰ ভাষাৰূপে স্বীকৃতি দিয়া হৈ আহিছে। অৰ্থাৎ, মধ্য ভাৰতীয় আৰ্যভাষাৰ যি তিনিটা সুস্পষ্ট স্তৰ

বিভাজন কৰা হৈছে তাৰে অন্তিম স্তৰৰ ভাষাটোৰেই হৈছে অপভ্ৰংশ আৰু ইয়াৰ পৰাই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহে বিকাশ লাভ কৰিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

অপভ্ৰংশ নামৰ তাৎপৰ্য ৫০টামান শব্দৰ ভিতৰত আলোচনা কৰি দেখুৱাওক।

.......................................................................

.......................................................................

.......................................................................

## ৫.৪ অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ

ভাষা হিচাপে অপভ্ৰংশই স্বীকৃতি পোৱাৰ আগতে সাহিত্যত ই স্থান পাইছিল। আনুমানিক তৃতীয় শতাব্দীৰ জৈন কবি বিমল সুৰিৰ *‘পউম চৰিঅ’* নামৰ জৈন ৰামায়ণত মাহাৰাষ্ট্ৰীৰ লগতে বহু পৰিমাণে অপভ্ৰংশ শব্দ-প্ৰয়োগৰ নিদৰ্শন পোৱা যায়। খ্ৰীষ্টীয় দ্বিতীয়-তৃতীয় শতাব্দী মানত সংকলন কৰা বুলি অনুমান কৰা হালৰ *‘গাহাসত্তসঈ’*-ৰ গীতি কবিতাসমূহতো মাহাৰাষ্ট্ৰীৰ লগত অপভ্ৰংশ শব্দ আৰু ৰূপৰ সংমিশ্ৰণ ঘটা পৰিলক্ষিত হয়। সেয়ে হ’লেও, খ্ৰীষ্টীয় চতুৰ্থ শতাব্দীৰ মহাকবি কালিদাসৰ *‘বিক্ৰমোৰ্ৰ্বশীয়ম্’* নাটকৰ চতুৰ্থ অংকৰ অপভ্ৰংশত ৰচিত গীতসমূহৰ ভাষাকে অপভ্ৰংশৰ প্ৰাচীনতম পূৰ্ণাংগ নিদৰ্শন বুলি বিবেচনা কৰা হয়।

এনেদৰে অপভ্ৰংশই সাহিত্যত স্থান পাই সাহিত্যৰ ভাষাৰূপে মৰ্যাদা লাভ কৰাৰ পাছতহে ই স্বতন্ত্ৰ ভাষা হিচাপে স্বীকৃতি লাভ কৰে। ষষ্ঠ শতিকাৰ চণ্ডই *‘প্ৰাকৃত লক্ষণ’*ত অপভ্ৰংশক সাহিত্যিক ভাষা হিচাপে মৰ্যাদা দিছে। চণ্ডই ভাষা হিচাপে অপভ্ৰংশৰ আলোচনা কৰা নাই যদিও, মাহাৰাষ্ট্ৰীৰ বিকল্প প্ৰয়োগ হিচাপে অপভ্ৰংশৰ কথা উল্লেখ কৰিছে। ষষ্ঠ শতাব্দীৰ সংস্কৃত আলংকাৰিক ভামহে তেওঁৰ *‘কাব্যালংকাৰ’* ত সংস্কৃত, প্ৰাকৃত আৰু অপভ্ৰংশ এই তিনিটা ভাষাৰ কথা স্পষ্টভাৱে উল্লেখ কৰিছে। সপ্তম শতিকাৰ আলংকাৰিক আচাৰ্য দণ্ডীয়ে তেওঁৰ *‘কাব্যাদৰ্শ’* -ত ‘আভিৰ প্ৰভৃতি জাতিৰ কাব্যত ব্যৱহৃত ভাষা অপভ্ৰংশ’ বুলি উল্লেখ কৰিছে। আলংকাৰিক ৰুদ্ৰতৰ *‘কাব্যালংকাৰ’*ৰ টীকাকাৰ নমিসাধুৱে ‘প্ৰাকৃতসেৱা অপভ্ৰংশ’, অৰ্থাৎ অপভ্ৰংশও অন্যান্য প্ৰাকৃতৰ দৰে এক প্ৰকাৰ প্ৰাকৃত বুলি মন্তব্য কৰিছে। একাদশ শতিকাৰ পুৰুযোত্তম আৰু তেওঁৰ সমসাময়িক হেমচন্দ্ৰই অপভ্ৰংশ ভাষা সম্বন্ধে বিস্তৃতভাৱে আলোচনা কৰিছে। প্ৰাকৃত বৈয়াকৰণ পুৰুযোত্তমে তেওঁৰ *‘প্ৰাকৃতানুশাসন’* ত সাহিত্যিক ভাষা হিচাপে অপভ্ৰংশৰ বৰ্ণনা কৰাৰ উপৰি অপভ্ৰংশৰ তিনিটা উপভাষা— ‘নাগৰক’ ‘ব্ৰাচড়ক’ আৰু ‘উপনাগৰক’ৰ আলোচনা কৰিছে।

হেমচন্দ্রয়ো তেওঁৰ *'সিদ্ধহেমচন্দ্র শব্দানুশাসনম্'*-ত মাহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্ধ-মাগধী, পৈশাচী, চুলিকা-পৈশাচী এই প্ৰধান প্ৰাকৃত ভাষাকেইটাৰ আলোচনা কৰাৰ উপৰি অপভ্ৰংশৰ লক্ষণ সম্বন্ধে বিস্তৃতভাৱে আলোচনা কৰিছে। সপ্তদশ শতিকাৰ আন এগৰাকী প্ৰসিদ্ধ প্ৰাকৃত বৈয়াকৰণ মাৰ্কণ্ডেয় কবীন্দ্ৰই তেওঁৰ *'প্ৰাকৃত সৰ্বস্ব'*-ত প্ৰাকৃত ভাষাসমূহক ভাষা, বিভাষা, অপভ্ৰংশ আৰু পৈশাচী এই চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰাৰ লগতে অপভ্ৰংশৰ 'নাগৰ', 'ব্ৰাচড়' আৰু 'উপনাগৰ' এই তিনিটাৰ ঔপভাষিক বৈশিষ্ট উল্লেখ কৰিছে।

অপভ্ৰংশ ভাষা জনসমাজৰ সৰলীকৃত কথ্যাশ্ৰিত ৰূপ। প্ৰাকৃত বৈয়াকৰণৰ সৰহ সংখ্যকে অপভ্ৰংশক প্ৰাকৃতৰ সৰলীকৃত ৰূপ বুলি আলোচনা নকৰি ইয়াক এটা স্বতন্ত্ৰ প্ৰাকৃত ভাষা হিচাপে আলোচনা কৰিছে। তেওঁলোকৰ আলোচনাত এইটো স্পষ্ট হৈ পৰিছে যে মাহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী আদিৰ দৰে অপভ্ৰংশও এটা স্বতন্ত্ৰ ভাষা।

অপভ্ৰংশৰ বিকাশ সাহিত্যিক প্ৰাকৃতৰ কালতে হৈছিল। সাহিত্যিক প্ৰাকৃতৰ সমান্তৰালভাৱে জনসাধাৰণৰ মাজত প্ৰাকৃতৰ কথ্য-ৰূপৰো প্ৰচলন আছিল। এই কথ্য ৰূপত লোক-গীত-পদৰ সৃষ্টি হৈছিল আৰু এই গীত-পদবোৰ উচ্চমানৰ আছিল। উদাহৰণস্বৰূপে কালিদাসৰ *'বিক্ৰমোৰ্বশীয়ম্'*-ৰ গীতসমূহলৈ আঙুলিয়াব পাৰি। তৎকালীন জনসাধাৰণৰ মাজত এনে গীত-মাতৰ জনপ্ৰিয়তালৈ লক্ষ্য কৰি ধৰ্মীয় সাহিত্যকাৰসকলে (বিশেষকৈ জৈন ধৰ্মাৱলম্বীসকলে) এই ভাষাৰ মাধ্যমেৰে সাহিত্য-ৰচনাত মনোযোগ দিবলৈ আৰম্ভ কৰে। ফলত ভাষাটোৰ ধৰ্মীয় তথা শিষ্ট ৰূপ এটা গঢ় লৈ উঠে। এইক্ষেত্ৰত বৌদ্ধ আৰু জৈনধৰ্মৰ সাহিত্যিকসকলৰ ভূমিকা উল্লেখনীয়। এনেদৰে বিকাশ লাভ কৰি অপভ্ৰংশ ভাষা প্ৰচলিত সাহিত্যিক প্ৰাকৃততকৈ অধিক সৰল অৱস্থালৈ গতি কৰিলে আৰু বিভিন্ন কথ্য উপাদানেৰে সমৃদ্ধ হ'ল। সেই কাৰণে সাহিত্যিক প্ৰাকৃতসমূহতকৈ অশোকৰ অনুশাসনৰ কথ্যধৰ্মী ৰূপৰ লগত অপভ্ৰংশৰ সম্বন্ধ আৰু সাদৃশ্য অধিক। যাৰ কাৰণে ইয়াক সাহিত্যিক প্ৰাকৃত কালৰ কথ্য উপাদানেৰে সমৃদ্ধ আৰু পৰিপুষ্ট এক পৰিমাৰ্জিত বা শিষ্ট ৰূপ বুলি ক'ব পাৰি। এইটোৱে হৈছে অপভ্ৰংশৰ প্ৰাচীন স্তৰ বা প্ৰাচীন অপভ্ৰংশ। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দী পৰ্যন্ত ইয়াৰ বিকাশৰ সময় সীমা নিৰ্ধাৰণ কৰিব পাৰি যদিও, সাহিত্যৰ ধাৰা খ্ৰীষ্টীয় দশম-একাদশ শতাব্দীমানলৈ অব্যাহত আছিল।

'অপভ্ৰংশ' শব্দৰ প্ৰথম উল্লেখ পোৱাৰে পৰা আলংকাৰিক আৰু বৈয়াকৰণসকলে অপভ্ৰংশ ভাষা সম্পৰ্কে কৰা মন্তব্য আৰু আলোচনাৰ লগতে অপভ্ৰংশ সাহিত্যৰ নিদৰ্শনসমূহ বিচাৰ-বিশ্লেষণ কৰি চালে অপভ্ৰংশ ভাষাৰ বিকাশৰ তিনিটা স্তৰ স্পষ্ট হৈ পৰে। সেই স্তৰকেইটা এনে ধৰণৰ ঃ

(১) পতঞ্জলিৰ সময়ৰ পৰা অৰ্থাৎ খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাৰ পৰা কালিদাসৰ আগলৈ অৰ্থাৎ খ্ৰীষ্টীয় তৃতীয় শতিকালৈ অপভ্ৰংশৰ প্ৰথম স্তৰ। এই স্তৰত অপভ্ৰংশ কোনো নিৰ্দিষ্ট ভাষা হিচাপে স্বীকৃত হোৱা নাছিল।

(২) খ্ৰীষ্টীয় তৃতীয় শতিকাৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতিকালৈ এই সময়ছোৱা অপভ্ৰংশৰ দ্বিতীয় স্তৰ। এই সময়ত সাহিত্যত প্ৰয়োগ হৈ ই সাহিত্যিক মৰ্যাদা লাভ কৰিছিল আৰু ইয়ে প্ৰাচীন অপভ্ৰংশ।

(৩) খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম-দ্বাদশ শতিকালৈ অপভ্ৰংশৰ তৃতীয় স্তৰ। এই স্তৰেই হৈছে অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠৰ স্তৰ।

প্ৰাচীন অপভ্ৰংশ স্তৰতকৈ অৰ্বাচীন স্তৰৰ ভাষা অধিক সৰল। ই আধুনিক ভাৰতীয় আৰ্যভাষাসমূহৰ পূৰ্বৰৰ্তী স্তৰ।

**আত্মমূল্যায়ন প্ৰশ্ন**

'অপভ্ৰংশ'ই ভাষা হিচাপে কেতিয়া স্বীকৃতি লাভ কৰিছিল ? অপভ্ৰংশ ভাষাৰ বিকাশৰ স্তৰ তিনিটাৰ আলোচনা কৰক।

..........................................................................

..........................................................................

..........................................................................

## ৫.৫ অপভ্ৰংশ ভাষাৰ সাধাৰণ বৈশিষ্ট্য

জনসাধাৰণৰ কথ্য ৰূপেই অপভ্ৰংশৰ মূল ভিত্তি হোৱা কাৰণে ই সাহিত্যিক প্ৰাকৃততকৈ বহু পৰিমাণে সৰলতৰ। কিন্তু সাহিত্যত ব্যৱহাৰ হোৱা অপভ্ৰংশৰ সাহিত্যিক ৰূপটোৱে সাহিত্যিক প্ৰাকৃতৰ ব্যাকৰণৰ আদৰ্শ অনুসৰণ কৰিছে। সেয়ে হ'লেও, অপভ্ৰংশৰ কিছুমান স্বকীয় ব্যাকৰণগত বৈশিষ্ট্য আছে, যিবোৰে ইয়াক সাহিত্যিক প্ৰাকৃতৰ পৰা পৃথক কৰি তুলিছে। প্ৰাকৃত ব্যাকৰণৰ নিয়ম-শৃংখলা অপভ্ৰংশত বহু পৰিমাণে শিথিল। প্ৰাকৃত ব্যাকৰণৰ আদৰ্শ অনুসৰণ কৰাৰ কাৰণে শব্দৰূপ আৰু ধাতুৰূপৰ ক্ষেত্ৰত প্ৰাকৃতৰ লগত অপভ্ৰংশৰ কিছু মিল আছে যদিও, ধ্বনিতত্ত্বৰ ক্ষেত্ৰত প্ৰাকৃতৰ লগত ইয়াৰ যথেষ্ট অমিল পৰিলক্ষিত হয়।

তলত অপভ্ৰংশৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট কিছু আলোচনা কৰা হ'ল ঃ

### ৫.৫.১ ধ্বনিতত্ত্ব

প্ৰাকৃতৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ ব্যৱহাৰৰ লগত অপভ্ৰংশৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনিৰ পাৰ্থক্য নাই যদিও, অপভ্ৰংশত ধ্বনিগত পৰিৱৰ্তন বিশেষভাৱে লক্ষ্য কৰা যায়।

**স্বৰ ধ্বনিৰ পৰিৱৰ্তন ঃ**

(ক) এক স্বৰৰ ঠাইত আন এক স্বৰৰ ব্যৱহাৰ অপভ্ৰংশৰ এটা প্ৰধান ধ্বনিগত বৈশিষ্ট্য। হেমচন্দ্ৰই 'স্বৰানাং স্বৰাঃ প্ৰায়োপভ্ৰংশে' বুলি কৈছে। মুঠতে অপভ্ৰংশত এটা স্বৰধ্বনিৰ ঠাইত অন্য এটা স্বৰধ্বনিৰ ব্যৱহাৰ বহুলভাৱে হোৱা পৰিলক্ষিত হয়; যেনে— তৃণ>প্ৰাকৃত তিণ> অপভ্ৰংশ তিণ, তণু, তিণু; জনঃ>প্ৰাকৃত-জণো> অপভ্ৰংশ- জণো, জণু, জণ ইত্যাদি।

(খ) অন্ত্য ই-কাৰ আৰু উ-কাৰৰ অনুনাসিকতা। যেনে— ভণিত>ভণিউঁ, অঙ্গানি> অঙ্গাইঁ ইত্যাদি।

(গ) অ-কাৰ আৰু উ-কাৰৰ পূৰ্বৱৰ্তী ম লুপ্ত; যেনে- যমুনা>জউ ণা, দুৰ্গম>দুগ্গউ ইত্যাদি।

(ঘ) স্বৰসংকোচন অপভ্ৰংশৰ অন্য এক বৈশিষ্ট্য; যেনে— মৃত্তিকা> মট্টি, ভাণ্ডাগাৰ> ভণ্ডাৰ, পিচ্ছিকা>পিচ্ছী; অন্ধকাৰ> অন্ধাৰ ইত্যাদি।

(ঙ) অন্ত্যস্থিত দীৰ্ঘস্বৰ হ্ৰস্ব হয়, যেনে— কমলা>কমল; সন্ধ্যা>সঞ্ঝ ইত্যাদি।

**ব্যঞ্জন ধ্বনিৰ পৰিবৰ্তন ঃ**

স্বৰধ্বনিৰ পৰিৱৰ্তনৰ দৰে ব্যঞ্জন ধ্বনিৰো বিভিন্ন পৰিৱৰ্তন অপভ্ৰংশত পৰিলক্ষিত হয় ঃ

(ক) স্বৰ মধ্যৱৰ্তী '-ম-' '-ৱঁ-' হিচাপে ব্যৱহাৰ হোৱাটো অপভ্ৰংশৰ অন্যতম বৈশিষ্ট্য; যেনে— কমলং>কৱঁলু, কুমাৰ>কুৱঁৰ ইত্যাদি।

(খ) উদ্বৃত স্বৰধ্বনিৰ ক্ষেত্ৰত 'ৱ' শ্ৰুতি ধ্বনিৰ আগম অপভ্ৰংশৰ এক বিশেষ বৈশিষ্ট্য। 'ৱ' শ্ৰুতি ধ্বনি প্ৰাকৃতত দেখা গৈছিল যদিও, অপভ্ৰংশতহে ইয়াৰ সম্প্ৰসাৰণ ঘটে; যেনে— সূত>প্ৰাকৃত-সুঅ>অপভ্ৰংশ-সুৱ, সুভগ> প্ৰাকৃত-সুহঅ> অপভ্ৰংশ-সুহৱ ইত্যাদি।

(গ) প্ৰাকৃতৰ যুগ্ম ব্যঞ্জনৰ এটা লোপ হোৱাৰ ফলত পূৰ্বৱৰ্তী হ্ৰস্ব স্বৰ অপভ্ৰংশত ক্ষতিপূৰণমূলক দীৰ্ঘীকৰণ (Compensatory lengthening) -ৰ জৰিয়তে দীৰ্ঘ হৈছিল। ই অপভ্ৰংশৰ এক অন্যতম বৈশিষ্ট্য। যেনে— কৰ্ম>কম্ম>কাম, সহস্ৰ>সহাস, ভৱিষ্য>ভৱীস। এনে লক্ষণ দেখা গ'লেও, যুগ্ম ব্যঞ্জন ধ্বনিৰ সংৰক্ষণো লক্ষ্য কৰিব পাৰি।

(ঘ) শ, ষ, স অপভ্ৰংশত 'হ' লৈ পৰিৱৰ্তন হোৱাৰ ব্যাপক প্ৰৱণতা দেখা যায়; যেনে— দ্বাদশ>বাৰহ; এষ>এহ; তস্য>তস্স>তাহ ইত্যাদি।

(ঙ) ৱ-কাৰৰ উ-কাৰলৈ পৰিৱৰ্তন; যেনে- স্বভাৱ>সহাউ; আহৱ>আহউ ইত্যাদি।

### ৫.৫.২ ৰূপতত্ত্ব

প্ৰাকৃততকৈ অপভ্ৰংশৰ ৰূপতত্ত্ব অধিক সৰলতৰ আৰু বৈচিত্ৰ্যহীন। অপভ্ৰংশৰ শব্দৰূপগত আৰু ধাতুৰূপগত বৈশিষ্ট্যসমূহ তলত উল্লেখ কৰা হ'ল।

**শব্দৰূপগত ঃ**

(ক) প্ৰাকৃতৰ দৰে অপভ্ৰংশতো অধিকাংশ শব্দই স্বৰান্ত প্ৰাতিপদিকত পৰিণত হ'ল যদিও, প্ৰধানতঃ অ, ই, উ- এই তিনি জাতীয় স্বৰান্ত শব্দৰূপহে দেখা যায়। ইয়াৰ ভিতৰত অ-কাৰান্ত শব্দৰূপৰ প্ৰাধান্য ঘটিল। অৰ্থাৎ সকলো শব্দৰূপেই অ-কাৰান্ত হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে। আনকি ইন্ ভাগান্ত অথবা উ-কাৰান্ত শব্দৰ ক্ষেত্ৰতো শেষত '-অ-' যুক্ত হোৱাৰ লক্ষণে দেখা দিলে; যেনে- স্বামিন্>সামিঅ; গুৰু>গৰুঅ ইত্যাদি।

(খ) বিভিন্ন কাৰক একাকাৰ হৈ মুখ্যতঃ তিনিটা শ্ৰেণীত পৰিণত হ'ল- (১) কৰ্তা-কৰ্ম; (২) কৰণ-অধিকৰণ, (৩) সম্প্ৰদান-অপাদান-সম্বন্ধ।

কৰ্তা আৰু কৰ্ম কাৰক প্ৰাকৃত স্তৰত পৃথক আছিল যদিও, অপভ্ৰংশত একাকাৰ হৈ পৰিল। অপাদান আৰু সম্প্ৰদান সম্বন্ধৰ লগত মিলি গ'ল আৰু কৰণ কাৰকে অধিকৰণৰ সমৰূপ ল'লে।

(গ) হ্ৰস্ব-দীৰ্ঘ স্বৰান্ত শব্দৰূপৰ পাৰ্থক্য নথকাৰ কাৰণে লিংগ ভেদৰ পাৰ্থক্য নোহোৱা হ'ল। স্ত্ৰীলিংগ শব্দও পুংলিংগৰ দৰে ৰূপ হ'বলৈ ল'লে। ক্লীৱলিংগ লুপ্ত হ'ল।

(ঘ) বিভক্তিৰ পৰিৱৰ্তে বিভিন্ন কাৰকত অনুসৰ্গৰ ব্যাপক প্ৰয়োগ ঘটিল ; যেনে— সম্বন্ধ পদত 'কেৰ', 'কেৰঅ'; কৰণ কাৰকত 'তণ', 'সোঁ', 'সহুঁ'; অধিকৰণত 'হোন্ত', 'হোন্তউ'; 'হোন্তি', 'মাঝ', 'উপ্পৰি' ইত্যাদি। ফলত অপভ্ৰংশত বিভক্তিহীনতাই প্ৰাধান্য লাভ কৰিলে।

(ঙ) স্বাৰ্থিক প্ৰত্যয়ৰ ব্যাপক প্ৰয়োগ হ'বলৈ ল'লে। -অ, -ড, -উল্ল আদি স্বাৰ্থিক প্ৰত্যয়ৰ ব্যৱহাৰ অপভ্ৰংশত অধিক পৰিমাণে দেখা যায়।

**ধাতুৰূপগত ঃ**

(ক) সংস্কৃতত 'কাল' আৰু 'ভাৱ' প্ৰকাশক দহ প্ৰকাৰৰ ল-কাৰ অপভ্ৰংশত একেবাৰে সীমিত হয়। এইটো অপভ্ৰংশৰ ধাতুৰূপৰ প্ৰধান বৈশিষ্ট্য। লট্ (বৰ্তমান) আৰু লোট (অনুজ্ঞা)-ৰ ব্যৱহাৰ প্ৰধানকৈ থাকিল। সম্ভাৱক বা বিধিলিঙ (optative) আৰু ভৱিষ্যত (লৃট)-ৰ ব্যৱহাৰ সীমিত হ'ল। অতীত কাল বুজাবলৈ অতীত কালবাচক কৃদন্তৰ প্ৰয়োগ ঘটিল। -অল্ল, -ইল্ল যোগ কৰিও অতীত কাল বুজোৱা হ'ল; যেনে— গঅল্ল, গইল্ল (গ'ল অৰ্থত)।

(খ) নিমিত্তাৰ্থক ক্ৰিয়া-গঠনত প্ৰাকৃতত ব্যৱহাৰ হোৱা -উং (মাহাৰাষ্ট্ৰী); -দুং(শৌৰসেনী), '-ওএ' বা 'ইওএ' (অৰ্ধ-মাগধী) আদি ৰূপবোৰ অপভ্ৰংশত '-এবং',

'-অণ', '-অণহং', '-অণহিং', '-এপ্পি', '-এপ্পিণু', '-এবি', '-এবিণু' আদি হিচাপে ব্যৱহাৰ হ'বলৈ ল'লে; যেনে— কৃ+তুম্>প্ৰাকৃত- কাউং, কাদুং > অপভ্ৰংশ- কৰেৰং, কৰণ, কৰণঅং, কৰণহিং, কৰণহং, কৰেপ্পি, কৰেপ্পিপু, কৰেবি, কৰেবিণু ইত্যাদি।

(গ) ল্যবৰ্থক অসমাপিকা বা পূৰ্বকালিক কৃদন্ত (Gerund) গঠনত প্ৰাকৃতৰ -ইঅ, -ঊণ, -দুণ, -দুঅ আদি অপভ্ৰংশত -ই, -ইউ, -ইবি, -অবি, -এপ্পি, -এবি, -এপ্পিণু, -এবিণু আদি হিচাপে ব্যৱহাৰ হ'বলৈ ধৰিলে; যেনে— কৃ+ত্বা>প্ৰাকৃত- কৰিঅ, কৰিঊণ, কৰিদুণ, কদুঅ>অপভ্ৰংশ - কৰি, কৰিউ, কৰিবি, কৰবি, কৰেপ্পি, কৰেৰি, কৰেপ্পিণু, কৰেৰিণু ইত্যাদি। তুমৰ্থক (নিমিত্তাৰ্থক) আৰু ল্যবৰ্থক অসমাপিকাৰ পাৰস্পৰিক বিনিময় অপভ্ৰংশৰ অন্যতম বৈশিষ্ট্য।

(ঘ) অপভ্ৰংশত ক্ৰিয়া-বিভক্তিৰ আমূল পৰিৱৰ্তন ঘটিল। বৰ্তমান, অনুজ্ঞা আৰু ভৱিষ্যতৰ ক্ষেত্ৰত প্ৰাকৃতজাত বিভক্তিৰ প্ৰয়োগ হ'লেও, সেইবোৰ পৰিৱৰ্তিত ৰূপত ব্যৱহাৰ হ'ল।

(ঙ) বৰ্তমান কালৰ কৃদন্ত প্ৰত্যয় '-অন্ত'ৰ (শতৃ) প্ৰয়োগ প্ৰাকৃতৰ দৰেই অপভ্ৰংশতো আছে যদিও, ভৱিষ্যত কৃদন্তৰ ৰূপ বেলেগ। প্ৰাকৃতৰ ভৱিষ্যত কৃদন্তৰ '-অব্ব' (সং '-তব্য'ৰ ঠাইত) অপভ্ৰংশত '-ইএব্বউং', '-এব্বউং', '-এৱা' আদি ৰূপৰ প্ৰয়োগ হ'ল; যেনে— কৃ+তব্য> প্ৰাকৃত-কতব্ব, কাতব্ব, কাঅব্ব, কাদব্ব>অপভ্ৰংশ- কৰিএব্বউং, কৰেব্বউং, কৰেৱা ইত্যাদি।

ওপৰৰ আলোচনাৰ পৰা এই কথা আপুনি স্পষ্টকৈ বুজিব পাৰিলে যে অপভ্ৰংশৰ ধ্বনিতত্ত্ব আৰু ৰূপতত্ত্ব সংস্কৃতৰ প্ৰভাৱৰ পৰা বহু নিলগত। অৰ্থাৎ ই বহুলাংশে সংস্কৃতৰ প্ৰভাৱমুক্ত।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) অপভ্ৰংশ ভাষাৰ বৈশিষ্ট্যসমূহ ৬০টামান শব্দত প্ৰকাশ পোৱাকৈ লিখি উলিয়াওক।

.......................................................................

.......................................................................

.......................................................................

২) অপভ্ৰংশক সংস্কৃতৰ পৰা বহু দূৰত বুলি কিয় কোৱা হৈছে? (৪০টা শব্দৰ ভিতৰত আলোচনা কৰক।)

.......................................................................

.......................................................................

.......................................................................

## ৫.৬ অপভ্ৰংশ আৰু অৱহট্‌ঠ

পূৰ্বৰ আলোচনাৰ পৰা আপোনাৰ নিশ্চয় 'অপভ্ৰংশ' সম্পৰ্কে এটা ধাৰণা হৈছে। তদুপৰি 'অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ' শিতানত আমি পাই আহিছোঁ যে অপভ্ৰংশ ভাষাৰ বিকাশৰ তিনিটা স্তৰ আছে। প্ৰথম স্তৰত খ্ৰীষ্টপূৰ্ব শতিকাত জনসাধাৰণৰ কথ্য ৰূপৰ অসংস্কৃত অপশব্দৰ অৰ্থত অপভ্ৰংশ, দ্বিতীয় স্তৰত সাহিত্যিক প্ৰাকৃতৰ কালত জনসাধাৰণৰ কথ্যৰূপৰ শিষ্টজনোচিত সাহিত্যিক ভাষাৰ অৰ্থত অপভ্ৰংশ আৰু তৃতীয় স্তৰত জনসাধাৰণৰ কথ্য ৰূপৰ সহজ-সৰল ভাষা অৰ্থত অথবা সাহিত্যিক প্ৰাকৃত বা সাহিত্যিক অপভ্ৰংশৰ বিকৃত বা অপভ্ৰষ্ট ৰূপৰ অৰ্থত লৌকিক বা অৱহট্‌ঠ।

সাহিত্যিক প্ৰাকৃতৰ কালতে খ্ৰীষ্টীয় তৃতীয় শতাব্দী মানৰ পৰা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীৰ ভিতৰত জনসাধাৰণৰ কথ্যৰূপটোৱে সাহিত্যিক প্ৰাকৃতৰ আদৰ্শত সাহিত্য সৃষ্টিৰ জৰিয়তে যেতিয়া প্ৰতিষ্ঠা লাভ কৰিলে তেতিয়া তাক 'অপভ্ৰংশ-প্ৰাকৃত' বুলি নামকৰণ কৰা হ'ল। ইয়ে 'প্ৰাচীন অপভ্ৰংশ' বা সাহিত্যিক অপভ্ৰংশ। আনহাতে জনসাধাৰণে দৈনন্দিন জীৱনত ব্যৱহাৰ কৰা প্ৰাচীন অপভ্ৰংশৰ কথ্যৰূপটো ক্ৰমান্বয়ে সৰলৰ পৰা সৰলতৰ অৱস্থালৈ গতি কৰিছিল। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীমানৰ পৰা এই সৰলতৰ ৰূপটো অধিক স্পষ্ট হৈ পৰে। এই পৰিৱৰ্তিত সৰল ৰূপটোত প্ৰথমে লৌকিক গীত-পদৰ সৃষ্টি হৈছিল আৰু পাছত লাহে লাহে সাহিত্যিক অপভ্ৰংশৰ আদৰ্শত এই পৰিৱৰ্তিত ৰূপটোৰ মাধ্যমেৰে সাহিত্যৰ সৃষ্টি হৈ খ্ৰীষ্টীয় অষ্টম- নৱম শতাব্দীমানত এক বিশিষ্ট ভাষাৰূপে ইয়াৰ আত্মপ্ৰকাশ হয়। প্ৰাকৃত-অপভ্ৰংশৰ পৰা ই সৰল বা বিকৃত বা অপভ্ৰষ্ট ৰূপ হোৱা কাৰণে ইয়াক 'অপিভ্ৰষ্ট' বা অবিহট্‌ঠ বোলা হৈছিল আৰু পাছলৈ ইয়ে 'অৱহট্‌ঠ' (অপভ্ৰষ্ট+বিভ্ৰষ্ট> অপভ্ৰষ্ট>অপিভ্ৰষ্ট>অবিহট্‌ঠ>অৱহট্‌ঠ) নাম পালে।

প্ৰাচীন অপভ্ৰংশতকৈ অৱহট্‌ঠ নতুন কাৰণে ই 'অৰ্বাচীন' আৰু লোক-সমাজৰ তথা লোক-ব্যৱহাৰৰ কথ্য উপাদান যথেষ্ট পৰিমাণে থকাৰ কাৰণে ই লৌকিক। প্ৰাকৃত যুগৰ শেষ স্তৰত পূব-ভাৰতৰ পৰা পশ্চিম ভাৰত পৰ্যন্ত সমগ্ৰ অঞ্চলতে অৱহট্‌ঠ আছিল লোক-জীৱনৰ ভাষা।

'অৱহট্‌ঠ' নামটোৰ প্ৰাচীনতম উল্লেখ 'প্ৰাকৃত পৈঙ্গল'-ৰ টীকাকাৰ চতুৰ্দশ শতাব্দীৰ লক্ষ্মীনাথ ভট্টই কৰিছে। অৱশ্যে ইয়াৰ বহু আগতেই 'প্ৰাকৃত-অপভ্ৰংশৰ বিকৃত ৰূপ' এই অৰ্থত 'অৱহট্‌ঠ' নামকৰণ হৈছিল।

প্ৰাচীন অপভ্ৰংশ আছিল সাহিত্যিক-প্ৰাকৃতাশ্ৰয়ী আৰু অৱহট্‌ঠ হৈছে লোকাশ্ৰয়ী, কথ্য ভাষাৰ গুণেৰে পৰিপুষ্ট। আধুনিক ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰ ই আছিল পূৰ্বস্তৰ। অৱহট্‌ঠ প্ৰথম অৱস্থাত লোকাশ্ৰয়ী আছিল বাবেই লোক-সাহিত্যৰো ই বাহন হৈ পৰিছিল। অষ্টম-নৱম শতিকাৰ পৰা অৱহট্‌ঠ ভাষাৰ জৰিয়তে জৈন, শৈৱ-নাথ আৰু বৌদ্ধ সহজযানী তথা বজ্ৰযানীসকলে বিভিন্ন ধৰ্মীয় গীত-পদ-দোহা আদি ৰচিবলৈ লোৱাৰে পৰা ইয়াৰ এটা সাহিত্যিক ৰূপ গঢ় লৈ উঠে। সন্দেহ নাই, এই সাহিত্যিক ৰূপটো গঢ় লৈ উঠিছিল

প্ৰাচীন অপভ্ৰংশ বা সাহিত্যিক অপভ্ৰংশক অনুসৰণ কৰিহে। সেইকাৰণে প্ৰাচীন অপভ্ৰংশ আৰু অৱহট্‌ঠৰ মাজত বিশেষ বৈয়াকৰণিক পাৰ্থক্য পোৱা নাযায়।

অৱহট্‌ঠৰ উদ্ভৱৰ সময় সীমা খ্ৰীষ্টীয় ষষ্ঠ শতাব্দী বুলি ধৰা হয় যদিও, সাহিত্য-সৃষ্টিৰ কাল অষ্টম-নৱম শতাব্দীৰ পৰা দশম-দ্বাদশ শতাব্দী পৰ্যন্ত বিস্তৃত। এই সাহিত্যৰ ধাৰাটো অৱশ্যে পঞ্চদশ শতাব্দীলৈকে চলি আছিল। বৌদ্ধ সহজযান পন্থৰ *'চৰ্যাপদ'* সমূহ প্ৰকৃততে পূব-ভাৰতত প্ৰচলিত অৱহট্‌ঠৰ শেহতীয়া নিদৰ্শন, যাক পূব-ভাৰতৰ আধুনিক আৰ্যভাষাসমূহৰ প্ৰথম সাহিত্যিক নিদৰ্শন বুলি বিবেচনা কৰা হয়। মৈথিলী কবি বিদ্যাপতিৰ *'কীৰ্তিলতা'* অৱহট্‌ঠৰ শেষ ৰচনা।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) অপভ্ৰংশ আৰু অৱহট্‌ঠৰ পাৰ্থক্য ৪০ টা মান শব্দৰ ভিতৰত নিৰ্ণয় কৰক।

.........................................................................

.........................................................................

.........................................................................

২) অৱহট্‌ঠ কেতিয়া কেনেকৈ উদ্ভৱ হৈছিল? (৫০ টা মান শব্দৰ ভিতৰত আলোচনা কৰক।)

.........................................................................

.........................................................................

.........................................................................

## ৫.৭ অপভ্ৰংশ সাহিত্য

প্ৰাকৃত-সাহিত্যৰ দৰে অপভ্ৰংশ-সাহিত্য-কৃতিতো জৈনসকলৰ যথেষ্ট বৰঙণি আছে। আন কথাত ক'বলৈ গ'লে জৈনসকলৰ সাহিত্যিক অৱদানেৰে অপভ্ৰংশ সাহিত্য সমৃদ্ধ আৰু পৰিপুষ্ট। প্ৰাকৃত-সাহিত্যত জৈন ধৰ্মতত্ত্বমূলক গ্ৰন্থৰ উপৰি বিশুদ্ধ সাহিত্য-ৰস-সমৃদ্ধ মহাকাব্য, গীতি-কাব্য আদি ৰচিত হৈছিল। কিন্তু অপভ্ৰংশত ৰচিত সকলো শ্ৰেণীৰ সাহিত্যই জৈনধৰ্মতত্ত্বৰ বাহক স্বৰূপ। এই ভাষাত ৰচিত ৰামায়ণ, পুৰাণমূলক আখ্যান কাব্য অথবা চৰিতমূলক কাব্য সকলোতে জৈনাদৰ্শ প্ৰচাৰৰ উদ্দেশ্য লক্ষ্য কৰা যায়। তথাপি ক'ব পাৰি যে প্ৰচাৰধৰ্মী হ'লেও, এইবোৰত কাব্যকাৰসকলৰ কাব্যিক প্ৰতিভা আৰু কাব্যগুণৰ যথেষ্ট সমাৱেশ ঘটিছে।

মন কৰিবলগীয়া কথা যে অপভ্ৰংশৰ বেচিভাগ কাব্যাদি ৰচিত হৈছিল প্ৰাকৃত যুগৰ শেষ স্তৰত; অৰ্থাৎ দশম-একাদশ শতিকাত। এই সময়ছোৱা অব্‌হট্‌ঠৰ লৌকিক ৰূপৰ আৰু নব্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱৰ সময়।

পালি আৰু প্ৰাকৃত ভাষাৰ তুলনাত অপভ্ৰংশত ৰচিত সাহিত্যৰ সংখ্যা কিছু সীমিত হ'লেও, এইবোৰ কাব্যগুণ বিৱৰ্জিত নহয়, বৰং বৈচিত্ৰ্যৰ সমাৱেশে এইবোৰক যথেষ্ট সাহিত্যিক গুণ সম্পন্ন কৰি তুলিছে। জৈন আচাৰ্যসকলে যিদৰে অপভ্ৰংশত প্ৰবন্ধ-কাব্য, আধ্যাত্মিক কাব্য, নীতি-কবিতা আদি ৰচনা কৰিছিল, ঠিক তেনেদৰে বৌদ্ধ সিদ্ধাচাৰ্যসকলেও তেওঁলোকৰ বিচিত্ৰ দৰ্শন তত্ত্ব আৰু ৰহস্যবাদী কবিতা আদি অপভ্ৰংশতেই ৰচনা কৰিছিল। আনকি অষ্টম শতিকাৰ পৰা চতুৰ্দশ শতিকালৈ সমগ্ৰ উত্তৰ ভাৰততে সংস্কৃতৰ প্ৰতিদ্বন্দ্বী সাধুভাষা হিচাপে লৌকিক সাহিত্যত অপভ্ৰংশই যথেষ্ট সমাদৰ লাভ কৰা দেখা যায়। ত্ৰয়োদশ শতিকাত পশ্চিম পঞ্জাৱৰ মুছলমান অধিবাসী আব্দুল ৰহমানে ৰচনা কৰা দূত কাব্য *'সন্দেশ ৰাসক'*, উত্তৰ ভাৰতৰ প্ৰসিদ্ধ কবি বিদ্যাপতিয়ে অৰ্বাচীন অপভ্ৰংশত ৰচনা কৰা *'কীৰ্তিলতা'* আৰু *'কীৰ্তিপতাকা'* আদিয়ে প্ৰমাণ কৰে যে সেই সময়ত অপভ্ৰংশ কবিকুলৰ সমাদৃত ভাষা আছিল।

ৰচনা ৰীতি আৰু বিষয়বস্তু অনুসৰি অপভ্ৰংশ সাহিত্যৰাজিক মুঠ ছটা ভাগত ভাগ কৰিব পাৰি ঃ

(১) আখ্যান কাব্য (ক) পুৰাণ কাব্য
(খ) চৰিত কাব্য
(২) দাৰ্শনিক বা আধ্যাত্মিক কাব্য
(৩) নীতি কবিতা
(৪) বৌদ্ধ দোহা
(৫) গীতি-কাব্য
(৬) অন্যান্য

**(১) আখ্যান কাব্য ঃ**

প্ৰাকৃত সাহিত্যৰ দৰে অপভ্ৰংশতো জৈনধৰ্মৰ মূল ভাৱাদৰ্শ প্ৰচাৰ কৰিবলৈ নানা আখ্যান-উপাখ্যান ৰচিত হৈছিল। *ৰামায়ণ, মহাভাৰত, হৰিবংশ* আৰু বিভিন্ন পুৰাণ-বৰ্ণিত কাহিনীৰ আধাৰত নিজ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যে অপভ্ৰংশত এক শ্ৰেণীৰ আখ্যান কাব্যৰ সৃষ্টি হৈছিল। উল্লেখযোগ্য যে এই আখ্যান কাব্যবোৰক নিজ ধৰ্ম প্ৰচাৰৰ উদ্দেশ্যেৰে মূলৰ পৰিৱৰ্তন সাধন কৰি নিজ মতবাদৰ বাহন কৰি তোলা হৈছিল আৰু ইয়াৰ ফলত পৰিচিত কাহিনীয়েও নতুন ৰূপ লাভ কৰিছিল। উদাহৰণস্বৰূপে— স্বয়ম্ভূৰ *'পউমচৰিঅ'* কাব্যত ৰাৱণে নিজৰ অনিষ্ট সাধনৰ আশংকা কৰি সীতাক মিথিলাত নিক্ষেপ কৰা, নাৰদৰ প্ৰৰোচনাত ৰাৱণে সীতাক হৰণ কৰাৰ কথা বৰ্ণনা কৰা হৈছে। তদুপৰি ৰাম জৈনসকলৰ তেষষ্ঠিজন মহাপুৰুষৰ অন্তৰ্গত ন জন বলদেৱৰ সৰ্বশেষ বলদেৱ। ৰাৱণ ন জন প্ৰতিবাসুদেৱৰ শেষৰজন প্ৰতিবাসুদেৱ। এনেধৰণৰ ৰামায়ণ, মহাভাৰত আৰু বিভিন্ন পুৰাণ আধাৰিত আখ্যান কাব্যসমূহক 'পুৰাণ' আখ্যা দিয়া হৈছে। ইয়াৰ লগতে আন এক প্ৰকাৰৰ আখ্যান কাব্য পোৱা যায়। এই প্ৰকাৰৰ কাব্যত কোনো ৰজা, ৰাজকুমাৰ বা

সাধুৰ জীৱন-কাহিনী বৰ্ণনা কৰি তাৰ মাজেদি জৈনধৰ্মৰ নীতি, ব্ৰত-মাহাত্ম্য আদি প্ৰকাশ কৰা হৈছে। এই বিবিধ আখ্যান কাব্যক চৰিউ বা চৰিত আখ্যা দিয়া হৈছে। সেই কাৰণে অপভ্ৰংশত ৰচিত আখ্যান কাব্যসমূহক 'পুৰাণ' আৰু 'চৰিত' এই দুটা ভাগত ভাগ কৰিব পাৰি।

'পুৰাণ'ৰ অন্তৰ্গত আখ্যান কাব্যবোৰৰ ভিতৰত *পউম চৰিঅ, হৰিবংশ পুৰাণ*, পুষ্পদন্তৰ *তিস্‌ট্‌ঠি মহাপুৰিসগণালংকাৰ* আদি বিশেষভাৱে উল্লেখযোগ্য।

'চৰিত'ৰ অন্তৰ্গত আখ্যান কাব্যবোৰৰ ভিতৰত *জসহৰচৰিউ, ণায়কুমাৰ চৰিউ, কৰকণ্ড চৰিউ, ণেমিণাহ চৰিউ, ভবিসত্তকহা* বিশেষভাৱে উল্লেখযোগ্য।

এই কাব্যসমূহৰ এটি চমু পৰিচয় দাঙি ধৰা হ'ল ঃ-

**(ক) পুৰাণ কাব্য ঃ**

***পউম-চৰিঅ* ঃ** খ্ৰীষ্টীয় অষ্টম-নৱম শতাব্দীৰ জৈন কবি স্বয়ম্ভূয়ে ৰামায়ণৰ কাহিনীৰ আধাৰত ৰচনা কৰা '*পউম-চৰিঅ*' অপভ্ৰংশৰ লেখত ল'বলগীয়া কাব্য। বিমল সুৰিৰ প্ৰাকৃতত '*পউম চৰিঅ*' -ৰ দৰে এইখন কাব্যতো পদ্ম, অৰ্থাৎ ৰামৰ কাহিনী বৰ্ণনা কৰা হৈছে। মূল ৰামায়ণৰ কাহিনীটো সম্পূৰ্ণ সলনি কৰি পাঁচটা কাণ্ডত বিভক্ত কৰি ৯০ টা পৰিচ্ছেদত জৈন মতানুসাৰে এই কাব্যখন ৰচনা কৰা হৈছে। ৰাম ইয়াত জৈনসকলৰ মহাপুৰুষৰ অন্যতম ন জন বলদেৱৰ শেষৰজন বলদেৱ, ৰাৱণ ন জন প্ৰতি বাসুদেৱৰ শেষৰজন প্ৰতিবাসুদেৱ। প্ৰাকৃতিক দৃশ্যৰ বৰ্ণনা, বিভিন্ন চৰিত্ৰৰ অংকন, অলংকাৰৰ প্ৰয়োগ আৰু মৰ্মস্পৰ্শী বৰ্ণনাৰ জৰিয়তে কবিৰ কাব্যিক প্ৰতিভা পৰিস্ফুট হৈছে।

***হৰিবংশ পুৰাণ*** ঃ স্বয়ম্ভূদেৱৰ আন এখন কাব্য '*হৰিবংশ পুৰাণ*' মহাভাৰতৰ অৱলম্বনত ৰচনা কৰা হৈছে আৰু জৈন ধৰ্মতত্ত্ব প্ৰচাৰৰ উদ্দেশ্যে কাহিনীৰ ৰূপদান কৰা হৈছে।

***তিসট্‌ঠিমহাপুৰিসগণালংকাৰ*** বা ***মহাপুৰাণ*** ঃ খ্ৰীষ্টীয় দশম শতাব্দীৰ সুখ্যাত কবি পুপ্‌ফয়ন্ত বা পুষ্পদত্তই '*তিসট্‌ঠিমহাপুৰিসগণালংকাৰ*' নামেৰে এক পুৰাণ জাতীয় কাব্য ৰচনা কৰিছিল। এই কাব্যৰ অন্য নাম মহাপুৰাণ। ৬৩ জন জৈন মহাপুৰুষৰ জীৱন-কাহিনীক লৈ এই মহাপুৰাণ ৰচিত হৈছে। ৩৭ টা অধ্যায়ত সমাপ্ত এই গ্ৰন্থ আদি আৰু উপপুৰাণ বুলি দুটা ভাগত বিভক্ত।

**(খ) চৰিত কাব্য ঃ**

***জসহৰচৰিউ*** (যশোধৰ চৰিত) ঃ জৈনসকলৰ জনপ্ৰিয় ৰজা যশোধৰৰ কাহিনী বৰ্ণনা কৰি '*জসহৰচৰিউ*' নামেৰে কবি পুষ্পদত্তই আন এখন কাব্য ৰচনা কৰিছিল। চাৰিটা সন্ধি বা পৰিচ্ছেদত বিভক্ত কাব্যখনিত ধৰ্মোপদেশ আছে যদিও কাব্যসুলভ গুণৰ কাৰণে ই এখন মোহনীয় কাব্য হৈ উঠিছে। অলংকাৰ-চাতুৰ্য কাব্যখনৰ বিশেষ আকৰ্ষণীয় দিশ।

***ণায়কুমাৰ চৰিউ*** (নাগকুমাৰ চৰিত) ঃ পুষ্পদত্তৰ অন্যতম কাব্য '*ণায়কুমাৰ চৰিউ*' জৈনসকলৰ ২৪ জন কামদেৱৰ ভিতৰত সকলোতকৈ ৰূপৱান কামদেৱ ণায়কুমাৰ বা

নাগকুমাৰৰ কাহিনীৰ অৱলম্বনত ৰচিত। এই কাব্যৰ লক্ষ্য হ'ল জৈনসকলৰ শ্ৰী পঞ্চমী ব্ৰত কথাৰ মাহাত্ম্য ঘোষণা। সমসাময়িক ভাৰতবৰ্ষৰ অনেক ভৌগোলিক তথ্যৰ সন্নিৱেশৰ উপৰি সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ আচাৰ-ব্যৱহাৰৰ উল্লেখ কাব্যখনিৰ অন্যতম আকৰ্ষণীয় দিশ।

***ভবিসত্ত বা ভবিসয়ত্তকহা* (ভৱিষ্যদত্ত কথা) ঃ** ধণয়াল বা ধন-পালৰ *'ভবিসত্ত'* বা *'ভবিসয়ত্ত কহা'* অপভ্ৰংশৰ এখন প্ৰসিদ্ধ কাব্য। নৱম-দশম শতাব্দীৰ বুলি অনুমান কৰা এই কাব্যখনক বিশিষ্ট ৰোমাণ্টিক কাব্য বুলিও কোৱা হয়। এই কাব্য চৰিত বা পুৰাণ জাতীয় কাব্যৰ অন্তৰ্গত নহয়। বৰং ই ব্ৰতকথা জাতীয় ধৰ্মকথাহে। পাঁচ বছৰ ধৰি পালন কৰিব লগা পঞ্চমী ব্ৰতৰ অতুলনীয় মাহাত্ম্য প্ৰচাৰৰ উদ্দেশ্যে এটি উপকথাক ইয়াত কাব্যৰূপ দিয়া হৈছে। কাব্যখনৰ নায়ক ভবিসয়ত্তৰ অনেক দুঃসাহসিক কাৰ্য আৰু অলৌকিক ঘটনাৰ সমাৱেশ কাব্যখনত সন্নিবিষ্ট হৈছে। বিভিন্ন কাব্যালংকাৰৰ সুনিপুণ প্ৰয়োগ, প্ৰকৃতি জগতৰ মনোমোহা চিত্ৰণ আৰু শৃংগাৰ-বীৰ-কৰুণ আদি ৰসৰ সমাৱেশে ইয়াক উপভোগ্য কৰি তুলিছে।

### (২) দাৰ্শনিক বা আধ্যাত্মিক কাব্য ঃ

অপভ্ৰংশত কেইবাখনো আধ্যাত্মিক বা দাৰ্শনিক তত্ত্বমূলক গ্ৰন্থ পোৱা যায়। এনে কাব্য ৰচকসকলৰ ভিতৰত জোইন্দুৰ নাম বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ ৰচিত গ্ৰন্থসমূহৰ ভিতৰত *'পৰমাত্ম প্ৰকাশ'*, *'যোগসাৰ'*, *'শ্ৰাৱকাৰ দোহা'*ৰ উল্লেখ বিশেষভাৱে কৰিব পাৰি। জোইন্দুৰৰ পিছত এই জাতীয় গ্ৰন্থৰ আন এজন ৰচক হ'ল ৰামসিংহ। তেওঁৰ নামত *'পাহুড দোহা'* (প্ৰভৃত দোহা) নামৰ গ্ৰন্থ এখন পোৱা যায়। দোহাসমূহত বৌদ্ধ, তান্ত্ৰিকতা আৰু শাক্ত প্ৰভাৱলৈ লক্ষ্য কৰি এইবোৰ অৱহট্‌ঠ যুগত ৰচিত বুলি অনুমান কৰা হয়।

### (৩) নীতি-কৱিতা ঃ

বৌদ্ধধৰ্মত প্ৰয়োজনীয় শিক্ষা আৰু উপদেশসমূহ মনত ৰাখিবলৈ যিদৰে কিছুমান ক্ষুদ্ৰ ক্ষুদ্ৰ সংক্ষেপ গ্ৰন্থ ৰচিত হৈছিল, জৈনধৰ্মতো তেনেদৰে অপভ্ৰংশ ভাষাৰ মাধ্যমেৰে কিছুমান নীতি-শিক্ষামূলক ক্ষুদ্ৰ-বৃহৎ গ্ৰন্থ ৰচিত হৈছিল। এইবোৰৰ ভিতৰত একাদশ শতিকাৰ শেষ আৰু দ্বাদশ শতিকাৰ আদি ভাগত ৰচিত জিনদত্ত সুৰিৰ *'উপদেসৰসায়ণৰস'*, *'কালস্বৰূপকুলক'*, *'চচ্চৰী'* সকলোতকৈ প্ৰসিদ্ধ। আন আন গ্ৰন্থৰ ভিতৰত মহেসৰ সুৰি বা মহেশ্বৰ সুৰিৰ *'সঞ্জম-মঞ্জৰী'*, সুপ্ৰভাচাৰ্যৰ *'বৈৰাগ্যসাৰ'* উল্লেখযোগ্য।

### (৪) বৌদ্ধ-দোহা ঃ

প্ৰাকৃতত 'গাথা' বা 'গাহা' বুলি অভিহিত কৰা গীতি-কবিতাৰ আদৰ্শেৰে অপভ্ৰংশ-অৱহট্‌ঠতো কিছুমান গীতি-কবিতা ৰচনা কৰা হৈছিল। এইবোৰকে 'দোহা' বুলি কোৱা হৈছে। জৈনধৰ্মাৱলম্বীসকলে অপভ্ৰংশৰ মাধ্যমেৰে এনে দোহা ৰচনা কৰিছিল আৰু বৌদ্ধধৰ্মাৱলম্বী সহজযানীসকলে অৱহট্‌ঠৰ মাধ্যমেৰে দোহা ৰচনা কৰিছিল।

সহজযানীসকলে ৰচনা কৰা দোহাসমূহক বৌদ্ধদোহা বুলি কোৱা হয়। বৌদ্ধদোহা ৰচনা কৰা ৰচকসকলক সিদ্ধাচাৰ্য বোলা হয়। এইবোৰত আধ্যাত্মিক দৰ্শনৰ তত্ব পৰিস্ফুট হোৱা কাৰণে আধ্যাত্মিক কাব্যৰ শ্ৰেণীত ধৰিব পাৰি।

**(৫) গীতি-কাব্য ঃ**

প্ৰক্ষিপ্ত বুলি অনুমান কৰা হয় যদিও, অপভ্ৰংশত ৰচিত গীতি-কবিতাৰ প্ৰাচীনতম নিদৰ্শন কালিদাসৰ 'বিক্ৰমোৰ্ৱশী' নাটকত পোৱা যায়। আদিৰসাত্মক এই গীতবোৰত সৰগৰ অপেস্বৰী উৰ্বশীৰ বিৰহত মৰ্ত্যৰ ৰজা পুৰুৰবাৰ অন্তৰ কিদৰে কাতৰ হৈ পৰিছিল তাৰ মৰ্মস্পশী চিত্ৰ অংকিত হৈছে। আন এগৰাকী প্ৰখ্যাত মুছলমান কবি আব্দুল ৰহমানৰ দ্বাৰা অৱহট্ঠত ৰচিত *'সংনেহ ৰাসউ'* বা 'সন্দেশ ৰাসক', গীতি-কাব্যৰ উল্লেখযোগ্য নিদৰ্শন। ই এখন ধৰ্মনিৰপেক্ষ ৰস-সাহিত্যৰ অন্তৰ্গত শৃংগাৰ ৰসাত্মক গীতি-কাব্য। কাব্যখনিৰ উল্লেখযোগ্য দিশ হ'ল এজন মুছলমান সম্প্ৰদায়ৰ লোকে সম্পূৰ্ণ হিন্দু পৰিৱেশত বা ভাৰতীয় কাব্য-ৰচনাৰ পৰম্পৰাৰে কাব্যখন ৰচনা কৰিছে।

**(৬) অন্যান্য ঃ**

এই ভাগত অপভ্ৰংশ আৰু অৱহট্ঠত ৰচিত উল্লেখযোগ্য কাব্য কেইখনমান অন্তৰ্ভুক্ত কৰা হৈছে। তলত সিবোৰৰ আভাস দাঙি ধৰা হ'ল ঃ

**প্ৰাকৃত-পৈঙ্গল ঃ** মাত্ৰাবৃত্ত আৰু বৰ্ণবৃত্ত ছন্দৰ উদাহৰণ দাঙি ধৰিবলৈ ৰচনা কৰা শ্লোকসমূহক লৈ *'প্ৰাকৃত-পৈঙ্গল'*ৰ সৃষ্টি হৈছে। ইয়াৰ ৰচক হ'ল পিঙ্গলাচাৰ্য। কাব্যখনৰ নামত প্ৰাকৃত থাকিলেও ইয়াৰ ভাষা অৱহট্ঠ বা অৰ্বাচীন অপভ্ৰংশ। চতুৰ্দশ শতাব্দী বা তাৰ কিছু পাছত 'প্ৰাকৃত-পৈঙ্গল' ৰচনা কৰা হৈছিল বুলি অনুমান কৰা হৈছে।

**কীৰ্তিলতা আৰু কীৰ্তিপতাকা ঃ** 'বিজ্জাবই' বা বিদ্যাপতিৰ দ্বাৰা ৰচিত এই গ্ৰন্থ দুখন অৱহট্ঠ ভাষাৰ আখ্যান-কাব্যৰ অন্তৰ্গত। গ্ৰন্থ দুখন অৱহট্ঠৰ শ্ৰেষ্ঠ কাব্যই নহয়, অৱহট্ঠ ৰচনাৰ শেষ প্ৰতিনিধিও। *কীৰ্তিলতা* -ত কবিৰ পৃষ্ঠপোষক মিথিলাৰ ৰজা কীৰ্তিসিংহৰ পিতৃবৈৰীৰ নিৰ্যাতনৰ কাহিনী চাৰিটা 'পল্লৱ'ত বৰ্ণনা কৰা হৈছে। সমসাময়িক সমাজখনৰ ঐতিহাসিক পৰিচয় ইয়াৰ মাজেৰে পৰিস্ফুট হৈছে।

আনখন কাব্য *'কীৰ্তিপতাকা'*ত ৰজা শিৱসিংহৰ কীৰ্তি আৰু প্ৰণয় কাহিনী বৰ্ণনা কৰা হৈছে। এই কাব্যখন পূৰ্ণাংগ ৰূপত এতিয়াও উদ্ধাৰ হোৱা নাই যদিও খণ্ডিতাংশৰ পৰা শৃংগাৰ আৰু বীৰৰসযুক্ত কাব্য বুলি সিদ্ধান্ত কৰা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১) সাহিত্যত অপভ্ৰংশৰ প্ৰয়োগ প্ৰথমে ক'ত, কেনেদৰে হৈছিল। (৫০ টা শব্দৰ ভিতৰত আলোচনা কৰক)

.....................................................................................

……………………………………………………………………

……………………………………………………………………

……………………………………………………………………

২) অপভ্ৰংশৰ সাহিত্যৰাজিক শ্ৰেণীবিভক্ত কৰি প্ৰতিটো ভাগৰ একোটা টোকা প্ৰস্তুত কৰক।

……………………………………………………………………

……………………………………………………………………

……………………………………………………………………

## ৫.৮ সাৰাংশ (Summing Up)

প্ৰাচীন ভাৰতীয় আৰ্যভাষা নানা পৰিৱৰ্তনৰ মাজেৰে মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰত প্ৰৱেশ কৰে। এই মধ্য ভাৰতীয় আৰ্যভাষাৰ শেষ স্তৰৰ প্ৰাকৃতৰ পৰিৱৰ্তিত ৰূপটোকে অপভ্ৰংশ ভাষা হিচাপে চিহ্নিত কৰা হৈছে। সাহিত্যিক প্ৰাকৃতৰ কালতে জনসাধাৰণৰ মাজত প্ৰাকৃতৰ যি সৰলীকৃত ৰূপ দৈনন্দিন জীৱনত কথ্য ভাষা হিচাপে প্ৰচলন হৈ আছিল সেই ভাষা পাছত অপভ্ৰংশ ৰূপে পৰিচিত হয়। এই কথ্যৰূপত নানা গীত-পদ আদি ৰচিত হৈছিল। কালিদাসৰ *'বিক্ৰমোৰ্ৱশীয়ম'* ত সন্নিবিষ্ট গীতবোৰত এই ভাষাৰ নিদৰ্শন প্ৰথমে লক্ষ্য কৰা যায় আৰু এই গীতখিনিকে অপভ্ৰংশৰ প্ৰাচীনতম নিদৰ্শন বুলি অভিহিত কৰা হয়।

প্ৰথম অৱস্থাত অপভ্ৰংশই কোনো ভাষা বিশেষক বুজোৱা নাছিল। অ-সংস্কৃত, অ-প্ৰাকৃত অপশব্দৰ অৰ্থতহেই ব্যৱহাৰ হৈছিল। খ্ৰীষ্টীয় ষষ্ঠ শতাব্দীমানৰ পৰাহে সংস্কৃত আলংকাৰিক আৰু প্ৰাকৃত বৈয়াকৰণসকলে অপভ্ৰংশক স্বতন্ত্ৰ ভাষা হিচাপে স্বীকৃতি দিয়ে। সাহিত্যিক প্ৰাকৃততকৈ অপভ্ৰংশ আছিল অধিক সৰলতৰ আৰু কথ্য উপাদানেৰে সমৃদ্ধ। এই সৰলতৰ ৰূপটোৱে সাহিত্যৰ মাধ্যমেৰে এক শিষ্ট ৰূপ পৰিগ্ৰহণ কৰে। ইয়ে অপভ্ৰংশৰ প্ৰাচীন স্তৰ বা প্ৰাচীন অপভ্ৰংশ । অৰ্থাৎ যি কথ্যাশ্ৰিত ভাষাই সাহিত্যানুশীলিত হৈ সাধুভাষাৰূপে সাহিত্যিক প্ৰাকৃতৰ কালতে প্ৰতিষ্ঠিত হৈ পৰিছিল সিয়েই অপভ্ৰংশৰ প্ৰাচীন স্তৰ বা প্ৰাচীন অপভ্ৰংশ।

আনহাতে এই প্ৰাচীন অপভ্ৰংশ বা সাহিত্যিক অপভ্ৰংশ চৰ্চাৰ কালত জনসাধাৰণৰ দৈনন্দিন কথ্যৰূপটো পৰিৱৰ্তিত ৰূপত বা ক্ৰমশঃ সৰলতৰ ৰূপত অব্যাহত আছিল আৰু বিভিন্ন লৌকিক গীত-পদ ইয়াৰ মাধ্যমেৰে ৰচিত হৈছিল। এই লোক-ব্যৱহাৰৰ কথ্যৰূপটো প্ৰাচীন অপভ্ৰংশতকৈ সৰল বা কিছু বেলেগ আছিল কাৰণে তাক 'অপিভ্ৰষ্ট' বা 'অৱহট্‌ঠ' আখ্যা দিয়া হয়। এই অৱহট্‌ঠ ৰূপটোকে অৰ্বাচীন অপভ্ৰংশ বা লৌকিক বা দেশী বচন বুলি কোৱা হয়।

প্ৰাচীন অপভ্ৰংশ আৰু অৰ্বাচীন অপভ্ৰংশ এই দুয়োটাতে সাহিত্য-ৰস-সমৃদ্ধ মহাকাব্য, গীতি-কাব্য আদি যে ৰচিত হৈছিল এই সম্পৰ্কে আপুনি পূৰ্বৰ আলোচনা পৰা বুজিব পাৰিছে।

মুঠতে অপভ্ৰংশ হ'ল নব্য ভাৰতীয় আৰ্যভাষাসমূহৰ উদ্ভৱৰ পূৰ্বৱৰ্তী স্তৰ।

## ৫.৯ আৰ্হি প্ৰশ্ন (Sample Questions)

১) অপভ্ৰংশ নামটোৰ তাৎপৰ্য ব্যাখ্যা কৰক।

২) অপভ্ৰংশ ভাষাৰ উদ্ভৱ আৰু বিকাশ সম্বন্ধে এটি আলচ যুগুত কৰক।

৩) ভাৰতীয় আৰ্যভাষাৰ ইতিহাসত অপভ্ৰংশৰ স্থান নিৰ্ণয় কৰি এটি টোকা প্ৰস্তুত কৰক।

৪) অপভ্ৰংশ ভাষা মধ্য ভাৰতীয় আৰ্য ভাষাৰ কোনটো স্তৰৰ অন্তৰ্গত? এই ভাষাৰ কি কি উপভাষা পোৱা গৈছে? অপভ্ৰংশ আৰু অৱহট্‌ঠৰ পাৰ্থক্য কি খৰচি মাৰি আলোচনা কৰক ।

৫) অপভ্ৰংশ ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ফঁহিয়াই দেখুৱাওক।

৬) অপভ্ৰংশ ভাষাত ৰচিত সাহিত্যৰাজিৰ এটি পৰিচয় দাঙি ধৰক।

## ৫.১০ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


| | | |
|---|---|---|
| নগেন ঠাকুৰ | ঃ | *পালি প্ৰাকৃত অপভ্ৰংশ ভাষা আৰু সাহিত্য* |
| (---------) | ঃ | *প্ৰাকৃত সাহিত্য চয়ন* |
| (---------) | ঃ | *প্ৰাকৃত সাহিত্যৰ অধ্যয়ন* |
| দেৱীদাস ভট্টাচাৰ্য ও উষাৰঞ্জন ভট্টাচাৰ্য | ঃ | *মধ্য ভাৰতীয় আৰ্যভাষা ও সাহিত্যেৰ ভূমিকা* |
| M. Winternitz | : | *A History of Indian Literature, Vol II* |
| A.C. Woolner | : | *Introduction to Prakrit* |
| G.V. Tagare | : | *Historical Grammar of Apabhramsa* |


*****

# ষষ্ঠ বিভাগ
# মধ্যভাৰতীয় আৰ্য ভাষাৰ ধ্বনি

**বিভাগৰ গঠনঃ**


৬.১ ভূমিকা (Introduction)
৬.২ উদ্দেশ্য (Objectives)
৬.৩ মধ্য ভাৰতীয় আৰ্যভাষাৰ স্বৰধ্বনি
৬.৪ মধ্য ভাৰতীয় আৰ্যভাষাৰ ব্যঞ্জনধ্বনি
৬.৫ মধ্য ভাৰতীয় আৰ্যভাষাত ধ্বনিৰ গুণ-বৃদ্ধি-সম্প্ৰসাৰণ
৬.৬ সাৰাংশ (Summing Up)
৬.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৬.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ৬.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত মধ্য ভাৰতীয় আৰ্য ভাষাৰ শেষ স্তৰ অপভ্ৰংশৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগত সামগ্ৰিকভাৱে মধ্য ভাৰতীয় আৰ্য ভাষাৰ ধ্বনিতত্ত্বৰ বিষয়ে ব্যাখ্যা আগবঢ়োৱা হ'ব।

পৃথিৱীৰ সকলো ভাষাৰে মূল সম্পদ হৈছে বাগধ্বনি। বাগধ্বনি দুবিধ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনি। প্ৰচীন ভাৰতীয় আৰ্য ভাষাৰ স্তৰতে বৈদিক সংস্কৃতৰ স্বৰ আৰু ব্যঞ্জন ধ্বনিবোৰৰ কেইটামান ধ্বনি ব্যৱহাৰ নোহোৱা হৈ লৌকিক সংস্কৃত ভাষাত প্ৰয়োগ হয়। মধ্য ভাৰতীয় আৰ্য ভাষাৰ সংস্কৃতত ধ্বনিসমূহৰ ব্যাপক পৰিৱৰ্তন হয়। বহুবোৰ ধ্বনিৰ ব্যৱহাৰ নোহোৱা হ'ল আৰু সেই ধ্বনিবোৰ পৰিবৰ্তন হৈ মধ্য ভাৰতীয় আৰ্য ভাষাত ব্যৱহাৰ হয়। এই বিভাগটিত মধ্য ভাৰতীয় আৰ্য ভাষাৰ ধ্বনিৰ সকলো দিশ ফঁহিয়াই চোৱা হ'ব। তাৰ লগতে সংস্কৃত আৰু অসমীয়া ধ্বনিৰ বিষয়েও আলোচনা দাঙি ধৰা হ'ব যাতে শিক্ষাৰ্থীসকলে সংস্কৃত, মধ্য ভাৰতীয় আৰ্য ভাষা আৰু অসমীয়া ভাষাৰ এটা তুলনামূলক আভাস লাভ কৰিব পাৰে।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্বৰধ্বনিৰ বিষয়ে ব্যাখ্যা আগবঢ়াব পাৰিব;
- মধ্য ভাৰতীয় আৰ্য ভাষাৰ ব্যঞ্জনধ্বনি বিচাৰ কৰিব পাৰিব;
- মধ্য ভাৰতীয় আৰ্য ভাষা স্তৰত ধ্বনিৰ গুণ-বৃদ্ধি-সম্প্ৰসাৰণ পৰ্যালোচনা কৰিব পাৰিব;

- ধ্বনিগত দিশসমূহত সংস্কৃত আৰু অসমীয়া ভাষাৰ লগত মধ্য ভাৰতীয় আৰ্য ভাষাৰ তুলনামূলক বিচাৰ কৰিব পাৰিব।

## ৬.৩ মধ্য ভাৰতীয় আৰ্য ভাষাৰ স্বৰধ্বনি

### ৬.৩.১ সংস্কৃতৰ স্বৰধ্বনি

বৈদিককে ধৰি সংস্কৃতত স্বৰধ্বনিৰ সংখ্যা চৈধ্যটা- অ আ ই ঈ উ ঊ ঋ ৠ ঌ ৡ এ ও ঐ ঔ। ইয়াৰ ভিতৰত দীৰ্ঘ ৡ ৰ উচ্চাৰণ আৰু প্ৰয়োগ বৈদিকতহে পোৱা যায়। পৰবৰ্তী ধ্ৰুপদী সংস্কৃতত ই সম্পূৰ্ণ লোপ পালে। হ্ৰস্ব ঌ ৰ উচ্চাৰণ আৰু প্ৰয়োগো কেৱল 'ক্ঌপ্' ধাতুতহে পোৱা যায়। দীৰ্ঘ ৠ ধ্বনিও সংস্কৃতত স্বতন্ত্ৰ ভাবে প্ৰয়োগ হোৱা দেখা নাযায়। বিশেষ বিশেষ ধাতুৰ শেষত, শব্দ গঠন বা শব্দৰূপতহে সাধাৰণতে ইয়াৰ প্ৰয়োগ দেখা যায়। গতিকে স্বৰ ধ্বনিৰ তালিকাত হ্ৰস্ব-দীৰ্ঘৰ মাজত এটা সামঞ্জস্য ৰক্ষা কৰিবৰ কাৰণে সংস্কৃতত স্বৰধ্বনিৰ সংখ্যা ১৪টা বুলি কোৱা হয় যদিও প্ৰকৃততে সংস্কৃতত স্বৰধ্বনি তেৰটাহে- অ আ ই ঈ উ ঊ ঋ ৠ ঌ এ ও ঐ ঔ।

**অ ঃ** ই মূলীয় নিম্ন বিবৃত হ্ৰস্ব স্বৰ। সংস্কৃতত এই স্বৰটোৰ দুই ধৰণৰ উচ্চাৰণ পোৱা গৈছিলঃ সংবৃত (ʌ) আৰু বিবৃত (a)। আধুনিক ভাৰতীয় আঞ্চলিক ভাষাবোৰত ইয়াৰ উচ্চাৰণ বৈচিত্ৰ্য আৰু বৃদ্ধি পালে। ইয়াৰ উচ্চাৰণ সাধাৰণতে ইংৰাজী law, ball শব্দৰ [a] ৰ দৰে। শ্বাসাঘাতৰ অভাৱত কেতিয়াবা বিবৃত 'অ' অতি হ্ৰস্ব স্বৰ [a] ৰূপেও উচ্চাৰিত হয়। অৱশ্যে এনে উচ্চাৰণৰ কোনো বৰ্ণগত মূল্য নাই।

**আঃ** ই মূলীয় নিম্ন বিবৃত দীৰ্ঘ স্বৰ। ইয়াৰ উচ্চাৰণ ইংৰাজী father, half শব্দৰ [a] ৰ দৰে। ভাৰতৰ বিভিন্ন প্ৰাদেশিক ভাষাত এই ধ্বনি বৰ্তমান কেন্দ্ৰীয় ধ্বনি হিচাপে উচ্চাৰিত হয়।

**ই, ঈঃ** এই দুটা ক্ৰমে প্ৰান্তীয় উচ্চ সংবৃত্ত হ্ৰস্ব আৰু দীৰ্ঘ স্বৰ। ইহঁতৰ উচ্চাৰণ ক্ৰমে ইংৰাজী pin আৰু pique শব্দৰ [i] ৰ দৰে।

**উ ঊঃ** এই দুটা ক্ৰমে মূলীয় উচ্চ সংবৃত হ্ৰস্ব আৰু দীৰ্ঘ ধ্বনি। ইহঁতৰ উচ্চাৰণ ক্ৰমে ইংৰাজী pull আৰু rule শব্দৰ [u] ৰ দৰে।

**এ, ও ঃ** এই দুয়োটাই উচ্চ মধ্য অৰ্দ্ধ সংবৃত্ত ধ্বনি। সংস্কৃতত এই ধ্বনি দুটা সদায় দীৰ্ঘ। এ আৰু ও- ৰ উচ্চাৰণ ক্ৰমে ইংৰাজী they, raid শব্দৰ [e] আৰু long, bone শব্দৰ [o] ৰ দৰে। দেখাত মৌলিক যেন লাগিলেও সাধাৰণতে এই ধ্বনি দুটাৰ সৃষ্টি হৈছে অ + ই = এ আৰু অ + উ = ও এনে দৰেহে। সেয়েহে এই ধ্বনি দুটা ছদ্মবেশী দ্বিস্বৰ বোলা হয়। সংস্কৃতত এই ধ্বনি দুটাক সন্ধ্যক্ষৰ বোলা হৈছে।

**ঐ, ঔঃ** সংস্কৃতত এই দুয়োটাই হ্ৰস্ব যৌগিক বা দ্বিস্বৰ ধ্বনি। বৰ্তমান ভাৰতৰ বিভিন্ন আঞ্চলিক ভাষাত এই ধ্বনি দুটা বিভিন্ন ধৰণে উচ্চাৰিত হয়। অসমীয়া আৰু উৰিয়াত এই ধ্বনি দুটা ক্ৰমে ɔi আৰু ɔu হিচাপে আৰু বঙলাত oi আৰু ou হিচাপে উচ্চাৰিত হয়।

**ঋ ঝৃ ৯ঃ** উচ্চাৰণৰ পিনৰপৰা ঋ ৯ হ্রস্ব আৰু ঝৃ দীৰ্ঘ। ৰ্ ল্ ব্যঞ্জন আধাৰিত বাবে এই স্বৰধ্বনি তিনিটাক অৰ্দ্ধস্বৰ বা অদ্ধ ব্যঞ্জন (semi vowel) বোলা হয়। এই ধ্বনিকেইটাৰ উচ্চাৰণ ক্ৰমে ইংৰাজী thunder, chamber শব্দৰ *ŗ* আৰু little, able শব্দৰ r*ļ* ৰ দৰে।

**স্বৰধ্বনিৰ শ্ৰেণীবিভাজন ঃ**

সংস্কৃতৰ স্বৰধ্বনিসমূহৰ ধ্বনিগুণ, মাত্রা, উচ্চাৰণ স্থান, ওঁঠ আৰু জিভাৰ কলন আৰু উৎস- এই কেইটা দিশৰ ওপৰত ভিত্তি কৰি শ্ৰেণী বিভাগ কৰিব পাৰি।

**(ক)** ঐতিহাসিক দৃষ্টিকোণ তথা ধ্বনিগুণ অনুসৰি সংস্কৃতৰ স্বৰধ্বনিকেইটাক তিনিটা ভাগত ভগাব পাৰি—

১। সৰল স্বৰ ঃ অ আ ই ঈ উ ঊ

২। দ্বিস্বৰ বা যৌগিক স্বৰ ঃ ইয়াৰ দুটা ভাগ

অ) বিশুদ্ধ দ্বিস্বৰ ঃ ঐ ঔ

আ) ছদ্মবেশী দ্বিস্বৰ ঃ এ ও

৩। কম্পিত বা তৰল স্বৰ ঃ ঋ ঝৃ ৯

**(খ)** মাত্রা বা স্বৰ দৈৰ্ঘ অনুযায়ী সংস্কৃত স্বৰকেইটাক দুটা ভাগত ভগাব পাৰিঃ

হ্রস্ব - অ ই উ ঋ ৯ ঐ ঔ

দীৰ্ঘ- আ ঈ ঊ ঝৃ এ ও

**(গ)** সংস্কৃত বৈয়াকৰণসকলে উচ্চাৰণৰ স্থান অনুযায়ীও স্বৰধ্বনিসমূহক শ্ৰেণীবিভাগ কৰিছে। ব্যঞ্জন ধ্বনিৰ দৰে স্বৰধ্বনিৰ উচ্চাৰণত উচ্চাৰণকৰণে উচ্চাৰণ স্থানত বায়ু প্ৰবাহ সম্পূৰ্ণ ৰোধ নকৰে। সেই কাৰণেই স্বৰধ্বনিসমূহক অনিয়ত ধ্বনি বুলিও কোৱা হয়। কিন্তু বিশেষ বিশেষ স্বৰধ্বনি উচ্চাৰণত উচ্চাৰণকৰণ বিশেষ বিশেষ উচ্চাৰণ স্থানৰ কাষ চাপি যায়। যিবোৰ উচ্চাৰণ স্থানৰ ওচৰ চাপি উচ্চাৰণকৰণে ভিন্ ভিন্ স্বৰধ্বনি উচ্চাৰণ কৰে, সেইবোৰ উচ্চাৰণ স্থানৰ নামানুসাৰি স্বৰধ্বনিবোৰৰ শ্ৰেণীবিভাগ কৰা হয়। উচ্চাৰণৰ স্থান অনুসৰি স্বৰধ্বনিবোৰক এনেদৰে ভগাব পাৰি —

কণ্ঠ্য (guttarals or Velars) ঃ অ আ

তালব্য (palatals) ঃ ই ঈ

ঔষ্ঠ্য (labials) ঃ উ ঊ

মূৰ্দ্ধন্য (cerebrals) ঃ ঋ ঝৃ

দন্ত্য (dentals) ঃ ৯

কণ্ঠ-তালব্য (gutturo-palatals) ঃ এ ঐ

কণ্ঠৌষ্ঠ্য (gutturo-labials) ঃ ও ঔ

একে উচ্চাৰণ স্থানৰ ওচৰৰপৰা সমান শক্তিৰে উচ্চাৰিত হোৱা ধ্বনি বা বৰ্ণক সবৰ্ণ (Homogeneous) বোলা হয়। যেনে- অ আ, ই ঈ আদি আৰু সবৰ্ণ নোহোৱাবোৰক অসবৰ্ণ (Heterogeneous) বোলা হয়। যেনে— অ ই উ আদি।

সংস্কৃতত প্ৰতিটো স্বৰকে মুখেৰে মাতি নাকেৰে উচ্চাৰণ কৰিব পাৰি। এই হিচাপেও স্বৰধ্বনিবোৰক দুভাগত ভগাব পাৰি— *অনুনাসিক* আৰু *অননুনাসিক*।

আধুনিক ভাষাবিদ তথা বৈয়াকৰণসকলে স্বৰধ্বনিৰ শ্ৰেণী-বিভাগ কৰিছে ওঁঠ আৰু জিভাৰ কলন অনুসৰি। সংস্কৃত সৰল স্বৰধ্বনি সেই মতে এনেদৰে শ্ৰেণীবিভাগ কৰিব পাৰি —

১। জিভাৰ অংশ অনুযায়ী ঃ

(i) প্ৰান্তীয় বা অগ্ৰ

(ii) মূলীয়া বা পশ্চ

২। জিভাৰ উচ্চাতা অনুসৰি ঃ

(i) উচ্চ

(ii) উচ্চ মধ্য

(iii) নিম্ন

৩। মুখ বিবৰৰ বিস্তৃতি অনুসৰি ঃ

(i) সংবৃত্ত

(ii) বিবৃত

৪। ওঁঠৰ অৱস্থান অনুযায়ী ঃ

(i) সংবৃতৌষ্ঠ্য

(ii) বিবৃতৌষ্ঠ্য

উল্লিখিত বিভাজন অনুসৰি এ, ও কে ধৰি সংস্কৃতৰ সৰল আৰু যৌগিক স্বৰকেইটাক এনেদৰে তালিকাভুক্ত কৰি দেখুৱাব পাৰি—

| | সন্মুখ | | পশ্চ | |
|---|---|---|---|---|
| | হ্ৰস্ব | দীৰ্ঘ | হ্ৰস্ব | দীৰ্ঘ |
| উচ্চ/সংবৃত | ই | ঈ | উ | ঊ |
| উচ্চ মধ্য/অৰ্ধ-সংবৃত | | এ | | ও |
| নিম্ন/বিবৃত | | | অ | আ |
| যৌগিক স্বৰ | ঐ | | ঔ | |

**(ঘ)** উৎস অনুযায়ী সংস্কৃত স্বৰধ্বনিসমূহক দুটা ভাগত ভগাব পাৰিঃ মুখ্য স্বৰধ্বনি আৰু গৌণ স্বৰধ্বনি। সংস্কৃত স্বৰধ্বনিবোৰৰ মূল হৈছে ভাৰত-ইউৰোপীয় ভাষাৰ ৩৩ টা স্বৰধ্বনি। সেয়া হৈছে —

হ্ৰস্ব স্বৰঃ অ ই উ এ (e) ও (o)

দীৰ্ঘ স্বৰঃ আ ঈ ঊ এ̱ (ē) ও̱ (ọ)

অতি হ্ৰস্ব স্বৰঃ ə

অৰ্দ্ধ স্বৰঃ য় ৱ

অৰ্দ্ধ ব্যঞ্জন ঃ

হ্ৰস্বঃ ঋ ঌ ন্ (ṇ) ম্ (ṃ)

দীৰ্ঘঃ ৠ ৡ ন্ (ṇ̄) ম্ (ṃ̄)

দ্বিস্বৰ ঃ

হ্ৰস্বঃ অই এই ঔ

অউ এউ ওউ

দীৰ্ঘঃ আই এই (ēi) ওই (ōi)

আউ এঊ (ēu) ওঊ (ōu)

ভাৰত-ইউৰোপীয় ভাষাৰ এই ৩৩টা স্বৰধ্বনি ক্ৰম বিকাশৰ বিভিন্ন স্তৰ অতিক্ৰমী বৈদিক সংস্কৃতত ১৪টা স্বৰত পৰিণত হয়। ইয়াৰে ই ঈ উ ঊ স্বৰধ্বনি কোনো পৰিবৰ্তন নোহোৱাকৈ মূল ভাৰত-ইউৰোপীয় ভাষাৰপৰা পোনে পোনে সংস্কৃত ভাষালৈ আহিছে। সেয়েহে এই কেইটাক মূখ্য স্বৰধ্বনি বোলা হয়। যেনে- ইঃভা, ইউ, *এস্তি > সং অস্তি; ঈঃভা, ইউ, ত্ৰী > সং, ত্ৰী; উঃভা, ইউ, নু > সং নু ; ঊঃভা, ইউ, ধূমোস্ > সং ধূমস্ আদি। ভাৰত-ইউৰোপীয় ভাষাৰ অতি হ্ৰস্ব স্বৰ **ə** আৰু কেতিয়াবা হ্ৰস্ব কম্পিত ধ্বনি ঋ সংস্কৃতত 'ই' হয়। যেনে- ভা, ইউ, পতেৰ > সং পিতা; ভা. ইউ, সৃথ > সং শিথিল।

আনহাতে, সংস্কৃতৰ অ আ এ ও ঐ ঔ আৰু কেতিয়াবা ঋ মূল ভাষাৰ আন আন স্বৰৰ পৰা গঢ় লৈ উঠিছে। সেয়েহে এই স্বৰধ্বনিখিনিক গৌণ স্বৰধ্বনি বুলি কোৱা হয়। উদাহৰণ স্বৰূপে, সং 'অ' স্বৰ ভাৰত ইউৰোপীয় ভাষাৰ অ এ ও স্বৰৰপৰা আহিছে এইদৰে—

| | | |
|---|---|---|
| ভাৰত-ইউৰোপীয় | ঃ | *অগ্ৰোস্ > সং, অজ্ৰস্ |
| ,, | ঃ | *মেধু > সং, মধু |
| ,, | ঃ | *দোন্তোস > সং. দন্তস্ |

সেইদৰে সংস্কৃত 'আ' স্বৰৰ মূলৰ অ এ̱ ও̱- ৰপৰা; 'এ' স্বৰ মূলৰ অই, এই, ওই; দ্বিস্বৰৰ পৰা 'ও' স্বৰ মূলৰ অউ, এউ, ওউ; দ্বিস্বৰৰপৰা; 'ঐ' স্বৰ মূলৰ দীৰ্ঘ দ্বিস্বৰ আই, এ̱ই ও̱ই আৰু ঔ মূলৰ দীৰ্ঘ দ্বিস্বৰ আউ, এ̱উ, ও̱উ- ৰপৰা আহিছে। কেতিয়াবা মূলৰ ঌ ধ্বনি সংস্কৃতত 'ঋ' হৈছে।

### ৬.৩.২ মধ্য ভাৰতীয় আৰ্যভাষা (পালি প্ৰাকৃত)ৰ স্বৰধ্বনি

মধ্য ভাৰতীয় আৰ্য ভাষাক আদ্য, মধ্য আৰু অন্ত্য- এই তিনিটা প্ৰাকৃত স্তৰত ভাগ কৰা হয় যদিও সাধাৰণভাবে এই তিনিটা স্তৰৰ প্ৰধান নিদৰ্শন হিচাপে পালি-প্ৰাকৃতকে মধ্য-অন্ত্য স্তৰৰ প্ৰাকৃতৰ প্ৰতিনিধিত্বমূলক ভাষা হিচাপে ধৰি তলত পালি-প্ৰাকৃতৰ স্বৰধ্বনিৰ বিষয়ে আলোচনা কৰা হ'ল।

পালি-প্ৰাকৃত স্বৰধ্বনিৰ মূল হৈছে সংস্কৃতৰ স্বৰধ্বনি। কিন্তু সংস্কৃতৰ আটাইবোৰ স্বৰধ্বনি পালি-প্ৰাকৃতত ৰক্ষিত হোৱা নাই। সংস্কৃতৰ তেৰটা স্বৰধ্বনিৰ ঠাইত পালি-প্ৰাকৃতৰ মাথো আঠোটা স্বৰধ্বনিহে ৰক্ষিত হৈছে। সেইকেইটা হৈছে- অ আ ই ঈ উ ঊ এ ও। এই স্বৰকেইটা যেনেদৰে উচ্চাৰিত হৈছিল, তেনেদৰে লিখাও হৈছিল। মাত্ৰা বা দৈৰ্ঘৰ ফালৰপৰা অ ই উ হ্ৰস্ব আৰু আ ঈ ঊ দীৰ্ঘ। এ ও ধ্বনি সংবৃত (closed) হ'লে হ্ৰস্ব আৰু বিবৃত (open) হ'লে তালব্য উ ঊ- ওষ্ঠ্য, এ-কণ্ঠ্যতালব্য আৰু ও কণ্ঠৌষ্ঠ্য। ওঁঠ আৰু জিভাৰ কলন অনুযায়ী পালি-প্ৰাকৃতৰ স্বৰ কেইটাৰ এনেদৰে তালিকাভুক্ত কৰিব পাৰি—

| **জিভাৰ অংশ ⟶** | **প্ৰান্তীয়** | **কেন্দ্ৰীয়** | **মূলীয়** |
|---|---|---|---|
| ওঁঠৰ অৱস্থান ⟶ | বিবৃতৌষ্ঠ্য | | সংবৃতৌষ্ঠ্য |
| জিভাৰ উচ্চতা ↓ | | | |
| মুখ বিবৰৰ বিস্তৃতি ↓ | | | |
| উচ্চ সংবৃত | ই ঈ | | উ ঊ |
| উচ্চ মধ্য অৰ্দ্ধসংবৃত | এ | | ও |
| নিম্ন বিবৃত | | আ | অ |

সংস্কৃতৰ কম্পিত স্বৰ ঋ, ৠ ঌ আৰু দ্বিস্বৰ ঐ ঔ পালি-প্ৰাকৃতত সম্পূৰ্ণ লোপ পালে আৰু তাৰ ঠাইত অন্য স্বৰধ্বনি গঢ় লৈ উঠিল।

**পালি-প্ৰাকৃতত কম্পিত স্বৰৰ পৰিবৰ্তন ঃ**

ইয়াত সংস্কৃতৰ দীৰ্ঘ ৠ সম্পূৰ্ণ লোপ পালে। হ্ৰস্ব ঋ >অ ই উ এ ৰ ৰি ৰু ধ্বনিলৈ আৰু ঌ > উ, ইলি ধ্বনিলৈ ৰূপান্তৰিত হ'ল। যেনে —

ঋ> অ; কৃত> পা. কত, প্ৰা. কঅ, কদ (শৌৰ.)
ঋ > ই; তৃণ>পা. তিন, প্ৰা. তিণ
ঋ> উ; ঋজু >পা. প্ৰা. উজু
ঋ > এ; গৃহ > পা. প্ৰা. গেহ
ঋ > ৰ; বৃহন্ত > পা. ব্ৰহা, ব্ৰহন্ত

ঋ > ৰি; ঋষি >পা. প্ৰা. ৰিসি; প্ৰাকৃতত কেতিয়াবা 'ইসি' ৰূপো পোৱা যায়।

ঋ > ৰু; বৃক্ষ > পা. ৰুক্খ, প্ৰা. ৰুচ্ছ (মহা.)

৯> উ, ইলি; ক্ৢপ > পা. কুও, প্ৰা. কিলিত্ত

**পালি-প্ৰাকৃতত দ্বিস্বৰৰ পৰিবৰ্তন ঃ**

ইয়াত সংস্কৃত ঐ > এ, ই, ঈ, অই আৰু সংস্কৃত ঔ> ও, উ, অউ ধ্বনিলৈ ৰূপান্তৰিত হ'ল। উদাহৰণ —

ঐ>এ; শৈল> পা. প্ৰা. সেল

ঐ>ই ঈ; সৈন্ধৱ> পা. প্ৰা. সিন্ধৱ

ধৈৰ্য > পা. প্ৰা. ধীৰ

ঐ > অই; চৈত্ৰ > পা. প্ৰা. চইত্ত

ঔ > ও; যৌৱন > পা. যোববন, প্ৰা. জোববণ

ঔ > উ; মৌক্তিক >পা. মুত্তিক, প্ৰা. মুত্তিঅ

ঔ > অউ; যৌৱন > প্ৰা. জউঅণ-

পালিত ঔ টো 'আ' আৰু 'অ' ৰূপেও পোৱা যায়। যেনে- গৌৰৱম্ > পা গাৰৱম্, সৌম্য > পা. সম্ম। সংস্কৃতত থকা দ্ব্যক্ষৰ স্বৰধ্বনি অয় আৰু অৱ পালিত দুই এটা শব্দত ৰক্ষিত হৈছে আৰু অধিকাংশ শব্দতে প্ৰাকৃতৰ দৰে ক্ৰমে এ, ও স্বৰধ্বনিলৈ পৰিবৰ্তন হৈছে। যেনে- জয়তি > পা. জয়তি, জেতি, প্ৰা. জেই, ভৱতি > পা. ভৱতি, হোতি, প্ৰা. হোতি, হোই, ভোতি, ভোই (মহা.) ভোদি (শৌ.)।

কম্পিত আৰু দ্বিস্বৰকেইটাৰ বাহিৰে যি আঠোটা স্বৰ পালি-প্ৰাকৃতত থাকিল, সেইকেইটা স্বৰো বিভিন্ন ধৰণৰ পৰিবৰ্তন ঘটিল। এটা ভিন্ন গুণবিশিষ্ট স্বৰৰ ঠাইত আন এটা ভিন্ন গুণবিশিষ্ট স্বৰৰ ব্যৱহাৰ পালি-প্ৰাকৃতৰ ধ্বনিতত্ত্বৰ এটি বিশেষ বৈশিষ্ট্য। অপভ্ৰংশ স্তৰত স্বৰ পৰিবৰ্তনৰ প্ৰৱণতা আৰু বৃদ্ধি পাইছিল। মুঠতে শ্বাসাঘাত, স্বৰসঙ্গতি, বৰ্ণবিপৰ্যয়, সমীভৱন, অপিনিহিতি, সম্প্ৰসাৰণ, মাত্ৰা নিয়ম আদি ধ্বনি পৰিবৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়াৰ কাৰণে পালি-প্ৰাকৃতত সংস্কৃতৰ সাধাৰণ স্বৰকেইটাৰ অৰ্থাৎ অ আ ই ঈ উ ঊ এ ও আদি স্বৰবোৰৰো পাৰস্পৰিক পৰিবৰ্তন ঘটিছিল। যেনে —

| | |
|---|---|
| অ> আ, ই, উ, এ; | অলিন্দ > আলিন্দ |
| | চন্দ্ৰমা>চন্দিমা |
| | প্ৰলোকয়তি>পুলোএদি |
| | শয্যা>সেজ্জা |
| আ> অ, ই; | আৰ্য> অজ্জ, অৰিঅ |
| | মাত্ৰ> মিত্ত |
| ই> অ, উ, এ, ও; | পৃথিৱী>পুহৱী |

| | |
|---|---|
| | ইষু>উসু |
| | পিণ্ড>পেণ্ড |
| | দ্বিধা>দোহা |
| ঈ>এ; | নীড়>নেড় |
| উ>অ,ই,এ,ও; | মুকুল>মউল |
| | পুৰুষ>পুৰিস |
| | ডুণ্ডুভ>দেড়্ডুভ |
| | পুষ্কৰ>পোক্খৰ |
| ঊ>এও; | নূপুৰ>নেউৰ |
| | মূল্য>মোল্ল |
| এ>ই; | বেদনা>বিঅনা |
| ও>অ, উ; | প্ৰকোষ্ঠ>পঅট্ঠ |
| | অন্যোন্য>অন্নুন্ন আদি। |

### ৬.৩.৩ অসমীয়া ভাষাৰ স্বৰধ্বনি

নব্য ভাৰতীয় আৰ্যভাষাৰ স্তৰত সংস্কৃত স্বৰধ্বনিবোৰৰ বিভিন্ন ধৰণৰ পৰিবৰ্তন হ'ল। স্বৰধ্বনি পৰিবৰ্তনৰ ক্ষেত্ৰত ডাঙৰ পৰিবৰ্তন হ'ল হ্ৰস্ব-দীৰ্ঘৰ মাজত থকা পাৰ্থক্যহীনতা। বঙলা-উৰিয়াৰ দৰে অসমীয়া ভাষাতো স্বৰৰ মাত্ৰা বা দৈৰ্ঘ সংস্কৃতৰ দৰে বৰ্ণগত (phonemic) নহয়। সেয়েহে অসমীয়া ভাষাত উচ্চাৰণৰ পিনৰপৰা স্বৰধ্বনিৰ সংখ্যা ৮টা, কিন্তু ব্যৱহাৰ বা প্ৰয়োগৰ পিনৰ পৰা ১১টা। লিখিত ৰূপত সংস্কৃতৰ ১৩ টা স্বৰধ্বনিৰ ১১টাই ৰক্ষিত হৈছে। কিন্তু উচ্চাৰণত সংস্কৃতৰ ৬টা ধ্বনিহে ৰক্ষিত হৈছে। সেইকেইটা যেনে- অ আ ই উ এ ও। ইয়াৰ লগতে অসমীয়াত আৰু দুটা স্বৰ নতুনকৈ গঢ় লৈ উঠিল। সেই দুটা হৈছে মধ্য সম এ' আৰু নিম্নাভাস অ'। এই বৰ্ণ দুটাৰ কাৰণে অসমীয়াত কোনো পৃথক ধ্বনি প্ৰতীক নথকাত এ আৰু অ- ৰ ওপৰত উৰ্দ্ধকমা (') দি সেই দুটাৰ উচ্চাৰণ বুজোৱা হয়। সেয়েহে অসমীয়া ভাষাৰ স্বৰধ্বনিৰ আলোচনা কৰোঁতে স্বৰৰ উচ্চাৰিত ৰূপ আৰু লিখিত ৰূপ, এই দুয়োটা দিশলৈ লক্ষ্য কৰিব লগা হয়।

মাত্ৰা বা দৈৰ্ঘৰ পিনৰপৰা অসমীয়া ভাষাৰ আঠোটা বিশিষ্ট স্বৰধ্বনিয়েই হ্ৰস্ব ধ্বনি। শব্দত অৱস্থানভেদে স্বৰৰ দীৰ্ঘ উচ্চাৰণ পোৱা যায় যদিও লিখোঁতে সেই দৈৰ্ঘলৈ মন কৰা নাযায়। উদাহৰণ স্বৰূপে 'সি' শব্দৰ 'ই'ৰ উচ্চাৰণ দীৰ্ঘ; কিন্তু লিখোঁতে অসমীয়াত হ্ৰস্ব 'ই' হে ব্যৱহৃত হয়। সেই 'দীঘল' শব্দ 'ঈ' ব্যৱহৃত হৈছে যদিও ইয়াৰ উচ্চাৰণ হ্ৰস্বহে। উ, ঊ- ৰ ক্ষেত্ৰতো একে কথা।

সংস্কৃতত অ আ সবৰ্ণ, দুয়োটা বৰ্ণই জিভাৰ মূল বা পশ্চভাগৰ দ্বাৰা উচ্চাৰিত মূলীয় ধ্বনি। কিন্তু অসমীয়াত এই দুয়োটা ভিন্ন গুণবিশিষ্ট স্বৰ অৰ্থাৎ ইহঁত অসবৰ্ণ, অ মূলীয় আৰু আ কেন্দ্ৰীয়। ঋ ধ্বনি অসমীয়াত ব্যৱহাৰ হয় যদিও বিশুদ্ধ স্বৰ হিচাপে

ইয়াৰ উচ্চাৰণ পোৱা নাযায়। অসমীয়াত ইয়াৰ উচ্চাৰণ 'ৰি' ৰ দৰে। তদ্ভৱ শব্দত ঋ- টো অ, ই স্বৰলৈ পৰিবৰ্তন হোৱা দেখা যায়। যেনে— ঘৃত > ঘি, গৃহ > ঘৰ। সংস্কৃতৰ দৰে অসমীয়াতো দ্বিস্বৰ বুজাবলৈ ঐ আৰু ঔ আছে; কিন্তু উচ্চাৰণত ইহঁত বিশুদ্ধ দ্বিস্বৰ নহয়। সাধাৰণতে অ'ই আৰু অ'উ হিচাপেহে ইহঁতৰ উচ্চাৰণ পোৱা যায়।

অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিকেইটা ওঁঠ আৰু জিভাৰ কলন অনুসৰি এনেদৰে ভাগ কৰিব পাৰি —

| **জিভাৰ অংশ ⟶** | **প্ৰান্তীয়** | **কেন্দ্ৰীয়** | **মূলীয়** |
|---|---|---|---|
| ওঁঠৰ অৱস্থান ⟶ | বিবৃতৌষ্ঠ্য | | সংবৃতৌষ্ঠ্য |
| জিভাৰ উচ্চতা ↓ | | | |
| মুখ বিবৰৰ বিস্তৃতি ↓ | | | |
| উচ্চ সংবৃত | ই | | উ |
| মধ্যসম অৰ্দ্ধসংবৃত | এ' | | ও |
| মধ্যাভাস অৰ্দ্ধসংবৃত | এ | | অ' |
| নিম্ন বিবৃত | | আ | অ |

প্ৰাকৃতৰ দৰে অসমীয়াতো স্বৰ সমীভৱন, স্বৰভক্তি, স্বৰসঙ্গতি আদি বিভিন্ন ধ্বনিগত প্ৰক্ৰিয়াৰ কাৰণে সংস্কৃতৰ সাধাৰণ স্বৰকেইটাৰ বিভিন্ন ধৰণৰ পৰিবৰ্তন হয়। যেনে- ৰিৰণ > বিৰিনা, দৰ্পন >দাপোন, হৰ্ষ>হৰিষ, ময়ুৰ>ম'ৰা চৈত্ৰ>চ'ত ইত্যাদি।

এইদৰে দেখা গ'ল যে সংস্কৃতৰ ১৩টা স্বৰধ্বনি পালি-প্ৰাকৃত মধ্য ভাৰতীয় আৰ্য ভাষা অসমীয়াত নতুনকৈ সৃষ্টি হোৱা এ' আৰু অস্বৰ ধৰি আঠোটা স্বৰলৈ ৰূপান্তৰিত হ'ল। সংস্কৃত আৰু বহল ভাবে প্ৰাকৃতত উচ্চাৰিত স্বৰ আৰু লেখিত স্বৰৰ মাজত পাৰ্থক্য নাছিল। কিন্তু অসমীয়াত উচ্চাৰিত স্বৰ আঠোটা আৰু লেখিত স্বৰ এঘাৰটা।

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃত স্বৰধ্বনি সমূহৰ শ্ৰেণীবিভাগৰ মূল ভিত্তি কি কি? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

..........................................................................

## ৬.৪ মধ্য ভাৰতীয় আৰ্যভাষাৰ ব্যঞ্জনধ্বনি

### ৬.৪.১ সংস্কৃত ব্যঞ্জন ধ্বনি

সংস্কৃতত বিশিষ্ট ব্যঞ্জনধ্বনি ৩৩ টা ক খ গ ঘ ঙ, চ ছ জ ঝ ঞ, ট ঠ ড ঢ ণ, ত থ দ ধ ন, প ফ ব ভ ম, য ৰ ল ৱ শ ষ স হ। সংস্কৃতত এই প্ৰতিটো ধ্বনিয়েই বিশিষ্ট অৰ্থাৎ বৰ্ণ। ইয়াত উচ্চাৰিত ধ্বনি আৰু বৰ্ণৰ মাজত কোনো পাৰ্থক্য নাই।

ইয়াৰ বাহিৰেও সংস্কৃতত আৰু কেইটামান ব্যঞ্জনধ্বনিৰ ব্যৱহাৰ দেখা যায়। সেই কেইটা হৈছে- অনুস্বাৰ (ং), বিসৰ্গ (ঃ), চন্দ্ৰবিন্দু (ঁ), ড় আৰু ঢ়, ক্ষ আৰু ৎ। অনুস্বাৰ আৰু বিসৰ্গক সংস্কৃতত অযোগৱাহ বৰ্ণ বোলা হয়; কাৰণ, পাণিনিয়ে উল্লেখ কৰি যোৱা বৰ্ণবিলাকৰ ভিতৰত এই দুটা বৰ্ণৰ উল্লেখ নাই অৰ্থাৎ 'অযোগ' কিন্তু ব্যৱহাৰত ইহঁতক দেখা যায়। অৰ্থাৎ, ৱাহ। সাধৰণতে অন্ত্য ম্ বৰ্ণৰ পৰিবৰ্তে অনুস্বাৰ আৰু অন্ত্য ম্ বৰ্ণৰ বা ৰ বৰ্ণৰ পৰিবৰ্তে বিসৰ্গৰ প্ৰয়োগ হয়। যেনে- স্থানম্ = স্থানং, বৰ্হিসন্ধি = বহিঃ সন্ধি, নমস্কাৰ = নমঃকাৰ আদি। বৰ্ণবিলাকৰ উচ্চাৰণ অনুনাসিক কৰিবৰ কাৰণেই বৰ্ণৰ শেষত অনুস্বাৰ ব্যৱহাৰ কৰা হয়। চন্দ্ৰ বিন্দুও সেই একে উদ্দেশ্যই অৰ্থাৎ বৰ্ণৰ উচ্চাৰণ অনুনাসিক কৰিবৰ কাৰণেই সদায় স্বৰৰ লগত ব্যৱহৃত হয়। অনুস্বাৰ আৰু বিসৰ্গ পূৰ্বস্থিত স্বৰধ্বনিক অৱলম্বন কৰি উচ্চাৰিত হয়।

সংস্কৃতত ড় ঢ় বিশিষ্ট ব্যঞ্জন নহয়; মূদ্ধৰ্ন্য ড ঢ ধ্বনি দুটা স্বৰৰ মাজত ব্যৱহৃত হ'লে সাধাৰণতে সিহঁতৰ উচ্চাৰণ ড় ঢ় হয়। ক্ষ ধ্বনি সংযুক্ত; ক্ আৰু ষ্ ধ্বনি দুটা মিলি ক্ষ হৈছে। পাণিনিৰ ব্যাকৰণত এই বৰ্ণৰ উল্লেখ নাই। ৎ-ক দন্ত্য ত বৰ্ণৰ হলন্ত ৰূপ বুলি ক'ব পাৰি।

সংস্কৃতৰ ৩৩টা বিশিষ্ট ব্যঞ্জন ধ্বনিক প্ৰধানতঃ উচ্চাৰণ স্থান (place of articulation) আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী (manner of articulation) বিভিন্ন ভাগত ভগাব পাৰি। উচ্চাৰণৰ স্থান অনুযায়ী ব্যঞ্জন ধ্বনিবোৰক ছটা ভাগত ভগাব পাৰি—

১. কণ্ঠ্য বা পশ্চতালব্য (velars)
২. তালব্য (palatals)
৩. মূৰ্দ্ধণ্য (cerebrals)
৪. দন্ত্য (dentals)
৫. ঔষ্ঠ্য (labials)
৬. কণ্ঠনালীয় (glottal)

উচ্চাৰণৰ ধৰণৰ ফালৰপৰাও এই ব্যঞ্জনখিনিক ছটা ভাগত ভগাব পাৰিঃ

১. স্পৰ্শ ধ্বনি (plossives)
২. উষ্ম ধ্বনি (spirants)
৩. কম্পিত (rolled)

৪. পাৰ্শ্ব (lateral)

৫. নাসিক্য (nasals)

৬. অৰ্দ্ধব্যঞ্জন (semi-vowels)

তলত তালিকা কৰি এই ব্যঞ্জবোৰ দেখুওৱা হ'ল ঃ

**সংস্কৃত ব্যঞ্জন ধ্বনি**

| উচ্চাৰণৰ স্থান | | ঔষ্ঠ্য | | দন্ত্য | | মূৰ্দ্ধণ্য | | তালব্য | | কণ্ঠ্য | | কণ্ঠনালীয় |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | ঘোষ |
| স্পৰ্শ ধ্বনি | অল্পপ্ৰাণ | প | ব | ত | দ | ট | ড | চ | জ | ক | গ | |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | ঠ | ঢ | ছ | ঝ | খ | ঘ | |
| নাসিক্য | | | ম | | ন | | ণ | | ঞ | | ঙ | |
| উষ্ম | | | | স | | ষ | | শ | | | | হ |
| পাৰ্শ্বিক | | | | | ল | | | | | | | |
| কম্পিত | | | | | | | ৰ | | | | | |
| অৰ্ধব্যঞ্জন | | | ৱ | | | | | | য় | | | |

এইদৰে মুখ বিবৰৰ বিভিন্ন অৱস্থানত অৰ্থাৎ ওপৰৰ ওঁঠ, দাঁত, মাজতালু, আগতালু, কণ্ঠ বা পাছতালু আৰু কণ্ঠনালত উচ্চাৰণ কৰণ তলৰ ওঁঠ (কেৱল ঔষ্ঠ্য ধ্বনিৰ ক্ষেত্ৰত) আৰু ঘাইকৈ জিভাৰ বিভিন্ন অংশই বায়ু প্ৰৱাহ ৰোধ কৰি বিভিন্ন প্ৰকাৰৰ ব্যঞ্জনধ্বনিৰ সৃষ্টি কৰিছিল। ঐতিহাসিক দৃষ্টি কোন অৰ্থাৎ মূল উৎসৰ ওপৰত ভিত্তি কৰি উল্লিখিত ব্যঞ্জন ধ্বনিসমূহক বহলভাবে দুটা ভাগত ভগাব পাৰি ঃ মুখ্য ব্যঞ্জন ধ্বনি (primary consonant) আৰু গৌণ ব্যঞ্জন ধ্বনি (secondary consonant)। যিবোৰ ব্যঞ্জন ধ্বনি মূল ভাৰত-ইউৰোপীয় ভাষাৰপৰা কোনো পৰিবৰ্তন নোহোৱাকৈ সংস্কৃতলৈ আহিছে সেইবোৰেই মূখ্য ব্যঞ্জনধ্বনি, ক-বৰ্ণ, ত-বৰ্ণ আৰু প-বৰ্ণৰ ধ্বনিখিনি আৰু ল,স ধ্বনি মূলৰপৰা সংস্কৃতলৈ অপৰিবৰ্তিত ভাবে আহিছে। সেয়েহে এইখিনি ব্যঞ্জনক মূখ্য ব্যঞ্জন ধ্বনি বোলা হয়। যেনে— গ্ৰীক. তনু > সং. তণু।

আনহাতে যিবোৰ ব্যঞ্জন মূল ভাৰত ইউৰোপীয় ভাষাৰ পৰা প্ৰত্যক্ষভাবে নাহি মূল ভাষাৰ ধ্বনি কিছুমানেই বিভিন্ন ধ্বনি পৰিবৰ্তনৰ ফলত সংস্কৃতত নতুনকৈ গঢ় লৈ উঠিছে বা আন উৎসৰপৰা আহি সংস্কৃতত ব্যৱহাৰ হৈছে, সেইবোৰেই গৌণ ব্যঞ্জন ধ্বনি। সংস্কৃতৰ তালব্য চ- বৰ্ণ আৰু মূৰ্দ্ধণ্য ট- বৰ্গৰ ধ্বনিকেইটাৰ লগতে শ, ষ আৰু হ ধ্বনি গৌণ ব্যঞ্জন ধ্বনি। এই ধ্বনিবোৰৰ অধিকাংশই ভাৰত-ইউৰোপীয় ভাষাৰ আন ধ্বনিৰপৰা গঢ় লৈ উঠিছে।

**তালব্য স্পৰ্শ আৰু তালব্য উষ্মধ্বনি ঃ**

মূল ভাৰত-ইউৰোপীয় ভাষাত ক- বৰ্ণৰ তিনি শ্ৰেণীৰ ব্যঞ্জন ধ্বনি আছিল। তালব্য (palatals), কণ্ঠ্য বা পশ্চতালব্য (velars বা gullurals) আৰু কণ্ঠৌষ্ঠ্য (labio-velars)। এই প্ৰতিটো বৰ্গৰে পাঁচোটাকৈ ধ্বনি প্ৰতীক আছিল। সেইবোৰ হৈছেঃ

তালব্য ঃ ক্‍ খ্‍ গ্‍ ঘ্‍ ঙ্‍ (k, kh, g, gh, η )

কণ্ঠ্য ঃ ক্ খ্ গ্ ঘ্ ঙ্ ($q$ $q^h$ $g$ $gh$ $\eta$ )

কণ্ঠৌষ্ঠ্য ঃ ক্ব, খ্ব, গ্ব, ঘ্ব, ঙ্ ($q^w$ $q^{wh}$ $g^w$ $g^{wh}$ $\eta$ )

এই তিনি শ্ৰেণীৰ কণ্ঠ্য ধ্বনিৰ পৰাই সাধাৰণতে সংস্কৃতত নতুনকৈ চ-বৰ্গৰ ধ্বনিসমূহ গঢ় লৈ উঠিল। সংস্কৃতত নতুনকৈ গঢ় লৈ উঠাৰ কাৰণেই এই ধ্বনিখিনিক নব্য তালব্য ধ্বনি (New Palatāls) বোলা হয়।

ভাৰত-ইউৰোপীয় পৰিয়ালৰ কিছুমান ভাষাত তালব্য ক্‍- টো উষ্মধ্বনিলৈ আৰু কিছুমানত কণ্ঠ্য ধ্বনিলৈ ৰূপান্তৰ হৈছিল। ইয়াৰ ভিত্তিতেই এই পৰিয়ালৰ ভাষাবোৰক সতম আৰু কেণ্টুম শাখাত ভাগ কৰা হৈছিল। সংস্কৃত সতম্ শাখাৰ ভাষা। ইয়াত মূলৰ তালব্য ক্‍>শ হয়। যেনে- পেকু >সং. পশু, দেক > সং. দশ। সেইদৰে মূলৰ তালব্য গ্‍ > জ হয়।

আনহাতে ভাৰত-ইউৰোপীয় ভাষাৰ কণ্ঠ্য আৰু কণ্ঠৌষ্ঠ্য ক-বৰ্গৰ ধ্বনিখিনি সংস্কৃতত সাধাৰণতে বিশুদ্ধ কণ্ঠ্য বা পশ্চতালব্য ক-বৰ্গৰ ধ্বনিলৈ ৰূপান্তৰ হৈছে। এই দুই শ্ৰেণীৰ কণ্ঠ্য ধ্বনিৰ পাছত যদি তালব্য ই, এ, য় ধ্বনি থাকে তেন্তে মূলৰ কণ্ঠ্য আৰু কণ্ঠৌষ্ঠ্য ধ্বনিবোৰ সংস্কৃতত তালব্য চ- বৰ্গৰ ধ্বনিলৈ ৰূপন্তৰিত হয়। তালব্য ধ্বনিৰ পৰিবৰ্তনৰ এই সূত্ৰটো পোনতে Collitz নামৰ এগৰাকী ভাষাবিজ্ঞানীয়ে আবিষ্কাৰ কৰিছিল। সেই কাৰণে সূত্ৰ বা তত্ত্বক (Collitz law of Palatālisation) বুলি কোৱা হয়। মূলৰ কণ্ঠ্য আৰু কণ্ঠৌষ্ঠ্য সংস্কৃতত তালব্য ধ্বনিলৈ ৰূপান্তৰ হোৱাৰ উদাহৰণ—

- এৰ্কোস্ (erqos)> সং. অৰ্চতি

- ঔগেস্ (auges)> সং. ওজস্

-ক্বিদ্ ($q^w$id)> সং. চিদ্

-পেঙ্ক্বে (penq$^w$e)> সং. পঞ্চ আদি।

সংস্কৃত 'ছ' ধ্বনিটোৰ ভাৰত ইউৰোপীয় স্খ ($s^{kh}$) ধ্বনিৰ পৰা হোৱা বুলি কোৱা হৈছে। যেনে— স্খিদ (skhid)>সং. ছিদ্। গতিকে সংস্কৃতৰ তালব্য উষ্ম **শ** আৰু চ-বৰ্গৰ ধ্বনিবোৰ ক্ৰমে ভাৰত-ইউৰোপীয় ভাষাৰ তালব্য 'ক' আৰু কণ্ঠ্য আৰু কণ্ঠৌষ্ঠ্য ধ্বনিৰ ধ্বনিগত পৰিবৰ্তনৰ ফলত গঢ় লৈ উঠা গৌণ ব্যঞ্জন ধ্বনি।

**মূৰ্দ্ধন্য স্পৰ্শ ট-বৰ্গৰ ধ্বনি আৰু মূৰ্দ্ধন্য উষ্ম ষ ধ্বনি ঃ**

জিভাৰ আগটোৱে মূৰ্দ্ধ বা আগতালুত স্পৰ্শ কৰাৰ ফলত উচ্চাৰিত হোৱা মূৰ্দ্ধন্য ট- বৰ্গৰ ধ্বনিবোৰ আৰু আগতালুত ঘৰ্ষণৰ দ্বাৰা সৃষ্টি হোৱা মূৰ্দ্ধন্য উষ্ম 'ষ' ধ্বনিবোৰ সংস্কৃতত নতুন ধ্বনি। মূল ভাৰত ইউৰোপীয় ভাষাত, আনকি ভগ্নী স্থানীয় ইৰাণীয় ভাষাতো এই ধ্বনিবোৰ পোৱা নাযায়। এই ধ্বনিবোৰৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতে

বিভিন্ন মত আগবঢ়াইছে, Fortunatov, whitney আদি ভাষাবিদে সংস্কৃতৰ মূৰ্দ্ধন্য ধ্বনি ভাৰত-ইউৰোপীয় দন্ত্য ধ্বনিৰপৰা উদ্ভৱ হোৱা বুলি মত প্ৰকাশ কৰিছে। Fortunatov-ৰ মতে- মূলৰ 'ল' ধ্বনিৰ পাছত দন্ত্য স্পৰ্শ বা স-ধ্বনি থাকিলে ভাৰতীয় আৰ্য ভাষাত 'ল' লুপ্ত হয় আৰু পিছত থকা দন্ত্য ধ্বনি মূৰ্দ্ধন্যলৈ ৰূপান্তৰ হয়। যেনে— * পুল্‌ত (pulta) > পুট; ভেলস্ (fhels) > সং, ভাষা-তে আদি। কিন্তু সংস্কৃতত মূৰ্দ্ধন্য ধ্বনি থকা আৰু এনে অনেক শব্দ আছে, যিবোৰত এই সূত্ৰ নাখাটে। হুইটনিয়েও ভাৰত-ইউৰোপীয় দন্ত্য ধ্বনিয়েই পৰিবেশ অনুযায়ী সংস্কৃতত মূৰ্দ্ধন্য ধ্বনিলৈ পৰিবৰ্তন হৈছে বুলি কৈছে যদিও এই ক্ষেত্ৰত তেওঁ মূৰ্দ্ধন্য ধ্বনিৰ প্ৰাধান্য থকা ভাৰতৰ আদিম অধিবাসীসকলৰ ভাষাৰ প্ৰভাৱলৈকো আঙুলিয়াইছে। Hoernle, John Beams আদিয়ে মত প্ৰকাশ কৰিছে যে এক প্ৰকাৰ অৰ্দ্ধমূৰ্দ্ধন্য ধ্বনি আদি আৰ্য ভাষাত আছিল আৰু তাৰপৰাই পিছৰ কালত দন্ত্য আৰু মূৰ্দ্ধন্য ধ্বনিবোৰ পৃথক হৈ ওলায়। কিন্তু দুই-এক পশ্চিমীয়া পণ্ডিতৰ লগতে অধিকাংশ ভাৰতীয় পণ্ডিতে দ্ৰাবিড়ীয় ভাষাৰ প্ৰভাৱতে সংস্কৃতত মূৰ্দ্ধন্য ধ্বনি গঢ় লৈ উঠে বুলি কয়। দ্ৰাবিড়ী ভাষাসমূহত মূৰ্দ্ধন্য ধ্বনিৰ উচ্চাৰণ মন কৰিবলগীয়া বিশেষত্ব। আৰ্যসকল ভাৰতলৈ অহাৰ সময়ত দ্ৰাবিড়ভাষী সকলে সমগ্ৰ উত্তৰ-মধ্য ভাৰতত বসতি কৰিছিল আৰু সেই অঞ্চলত তেওঁলোকৰ সংস্কৃতিৰ ব্যাপকতা আছিল অধিক। আৰ্যসকলে বিভিন্ন প্ৰকাৰে দ্ৰাবিড়সকলৰ সেই বসতি স্থান অধিকাৰ কৰি ক্ৰমান্বয়ে পশ্চিমৰপৰা উত্তৰ-মধ্য অঞ্চললৈ তেওঁলোকৰ সংস্কৃতিৰ বিস্তাৰ ঘটায়। এইদৰে পাৰস্পৰিক সংস্পৰ্শজনিত কাৰণত ভাৰতীয় আৰ্যভাষাত দ্ৰাবিড়ভাষাৰ প্ৰভাৱ পৰিল আৰু মূৰ্দ্ধন্য ধ্বনি যুক্ত ভালেমান দ্ৰাবিড় ভাষাৰ শব্দ ভাৰতীয় আৰ্য ভাষা সংস্কৃতত সোমাই পৰিল। বৈদিকতকৈ সংস্কৃতত আৰু সংস্কৃততকৈ প্ৰাকৃতত মূৰ্দ্ধন্য ধ্বনিৰ ব্যাপক প্ৰয়োগেও দ্ৰাবিড়ীয় ভাষাৰ ব্যাপক প্ৰভাৱৰে ইঙ্গিত দিয়ে। প্ৰাকৃত মূল আৰু অজ্ঞাত মূলৰ পৰাও সংস্কৃতত মূৰ্দ্ধন্য ধ্বনি গঢ় লৈ উঠিছে। কেতিয়াবা স্বত:স্ফুৰ্ত নাসিক্যিভৱনৰ ফলতো সংস্কৃতত মূৰ্দ্ধন্য ধ্বনি গঢ় লৈ উঠা দেখা যায়।

**কণ্ঠনালীয় সঘোষ উষ্ম 'হ' ধ্বনি ঃ**

এই ধ্বনিও ভাৰত-ইউৰোপীয় ভাষাত নাই। মূল ভাষাৰ বিভিন্ন ধ্বনিৰ ধ্বনিগত পৰিবৰ্তনৰ ফলস্বৰূপে সংস্কৃতত এই ধ্বনিটো গঢ় লৈ উঠিছে। হুইটনিৰ মতে 'The h is not an original sound, but comes, in nearly all cases from an older $g^h$'' (Sanskrit Grammar, 1977, p. 23), প্ৰাচীন ইৰাণীয় সংস্কৃতত 'স' ধ্বনি প্ৰায়ে 'হ' হিচাপে উচ্চাৰিত হৈছিল, কিন্তু সংস্কৃতত 'স' একেদৰে আছিল। যেনে- বৈদিক বা সংস্কৃতৰ আসি, অসুৰ, সপ্ত আদি শব্দ ইৰাণীয়ত অহি, অহুৰ, হপ্ত ৰূপে পোৱা যায়। গতিকে 'হ' ধ্বনিৰ উৎপত্তিত ইৰাণীয় প্ৰভাৱৰ কথাও ক'ব পাৰি। ভাৰত-ইউৰোপীয় ভাষাৰ তালব্য আৰু কণ্ঠৌষ্ঠ্য ঘোষ মহাপ্ৰাণ ঘ্ আৰু ঘ্ব আৰু কেতিয়াবা ধ আৰু ভ ধ্বনি সংস্কৃতত 'হ' হোৱা দেখা যায়।

### ৬.৪.২ পালি-প্ৰাকৃতৰ ব্যঞ্জন ধ্বনি ঃ

অশোকৰ অনুশাসনৰপৰা অপভ্ৰংশলৈ, এই সুদীৰ্ঘ সময়ৰ প্ৰাকৃত ভাষালৈ লক্ষ্য কৰিলে দেখা যায় যে ন ণ আৰু শ ষ স- এই কেইটাৰ বাহিৰে বাকী ২৮ টা ব্যঞ্জন প্ৰাকৃতত প্ৰায় একে ধৰণে ৰক্ষিত হৈছিল। অশোকৰ অনুশাসন আৰু পালিত দন্ত্য-মূৰ্দ্ধন্য দুয়োটা নাসিক্য ধ্বনিৰ ব্যৱহাৰ হৈছিল। কিন্তু পৈশাচী আৰু মাগধীৰ বাহিৰে আন প্ৰাকৃতত কেৱল ন ব্যৱহৃত হৈছিল। অশোকৰ অনুশাসনত এৰা-ধৰাকৈ তিনিওটা উষ্ম ধ্বনিৰ ব্যৱহাৰ হৈছিল। মাগধীত শ- ৰহে প্ৰয়োগ দেখা যায়। কিন্তু আন সাহিত্যিক প্ৰাকৃত আৰু পালিত 'স' ৰহে প্ৰয়োগ আছে। এনেবোৰ দিশৰপৰা বিচাৰ কৰি উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী পালি-প্ৰাকৃতৰ ব্যঞ্জনধ্বনিক এনেদৰে তালিকা কৰি দেখুৱাব পাৰি—

**পালি - প্ৰাকৃতৰ ব্যঞ্জন ধ্বনিৰ তালিকা**

| উচ্চাৰণৰ স্থান | | ওষ্ঠ্য | | দন্ত্য | | মূৰ্দ্ধন্য | | তালব্য | | কণ্ঠ্য | | কণ্ঠনালীয় |
|---|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | ঘোষ |
| স্পৃষ্ট | অল্পপ্ৰাণ | প | ব | ত | দ | ট | ড | চ | জ | ক | গ | |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | ঠ | ঢ | ছ | ঝ | খ | ঘ | |
| নাসিক্য | | | ম | | ন | | ণ | | ঞ | | ঙ | |
| উষ্ম | | | | স | | | | শ (মাগ.) | | | | হ |
| পাৰ্শ্বিক | | | | | ল | | | | | | | |
| কম্পিত | | | | | | | ৰ | | | | | |
| অৰ্ধব্যঞ্জন | | | ৱ | | | | | | য় | | | |

এইদৰে দেখা যায য-ৰ বাহিৰে সংস্কৃতৰ আন ৩২টা ব্যঞ্জন ধ্বনি সামগ্ৰিকভাবে ৰক্ষিত হৈছে। মন কৰিবলগীয়া যে এই ৩২টা ধ্বনি পালি-প্ৰাকৃতত শব্দৰ সকলো অৱস্থানতে সংস্কৃতৰ দৰে একে ৰূপত ব্যৱহৃত নহয়। পালি-প্ৰাকৃতত 'ঙ' আদ্য অৱস্থানত ব্যৱহৃত নহয়। মাজত বা শেষতো ই অনুস্বাৰ (ং) হিচাপেহে উচ্চাৰিত হৈছিল। অপভ্ৰংশত পদান্ত আৰু পদ মধ্যস্থিত 'ম' অনুনাসিক হৈছিল। 'য়' ধ্বনি পালিত ৰক্ষিত। কিন্তু মাগধীৰ বাহিৰে আন প্ৰাকৃতত 'য়'ৰ ঠাইত প্ৰায়ে 'জ' হৈছিল। 'ৱ' ধ্বনি পালি-প্ৰাকৃতত ৰক্ষিত, কিন্তু অপভ্ৰংশত অন্ত্য অৱস্থানত থাকিলেও ই প্ৰায়ে 'উ' হৈছিল। যেনে— উৎসৱ>উচ্চউ।

ইয়াৰ বাহিৰেও ওপৰত উল্লিখিত প্ৰায় আটাইবোৰ ব্যঞ্জন ধ্বনিৰ পালি-প্ৰাকৃতত বিভিন্ন ধ্বনিগত কাৰণত যেনে- অঘোষীভৱন, ঘোষীভৱন, মহাপ্ৰাণীভৱন, অল্পপ্ৰাণী ভৱন, তালব্যভৱন, মূৰ্দ্ধন্যভৱন আদি প্ৰক্ৰিয়াৰ কাৰণে বিভিন্ন ধৰণৰ পৰিবৰ্তন ঘটিছে। পালিতকৈও প্ৰাকৃতত ব্যঞ্জন ধ্বনিৰ ব্যাপক পৰিবৰ্তন দেখা যায়। প্ৰাকৃতত স্বৰমধ্যবৰ্তী ব্যঞ্জন ধ্বনিবোৰৰ ব্যাপক পৰিবৰ্তন ঘটিছে। এনে পৰিবৰ্তনৰ দুটামান হৈছে—

১) স্বৰমধ্যবৰ্তী ক গ চ জ ত দ প আদি শৌৰসেনীৰ বাহিৰে প্ৰায়বোৰ প্ৰাকৃততে লোপ পাইছে। মহাৰাষ্ট্ৰী প্ৰাকৃতৰ এইটো এটা বিশেষ বৈশিষ্ট্য। যেনে- লোক>লোঅ, নদী>নঈ আদি।

২) স্বৰমধ্যবৰ্তী খ ঘ থ ঠ ফ ভ ধ্বনি ‘হ’ লৈ পৰিবৰ্তন হয়। যেনে- শাখা>সাহা, নাথ>নাহ আদি।

৩) কেতিয়াবা স্বৰ মধ্যবৰ্তী প>ব হয়। যেনে- শপথ>সবহ।

৪) কেতিয়াবা স্বৰ মধ্যবৰ্তী ফ>ভ হয়। যেনে- সফল>সহল, সভল।

৫) হ>ধ; যেনে- সংহাৰ>সংধাৰ আদি।

৬) সংস্কৃতত শ ষ স কেতিয়াবা ‘ছ’ হয়। যেনে- সুধা>ছুহা, ষষ্ঠ>ছট্‌ঠ আদি।

ৰ- জাতীয় মূৰ্দ্ধণ্য ড় ঢ় প্ৰাকৃতত নাই। বিসৰ্গও লুপ্ত। সাধাৰণতে অ-কাৰান্ত বিসৰ্গ লুপ্ত হয় আৰু আন স্বৰান্ত বিসৰ্গ পৰবৰ্তী ব্যঞ্জন অনুৰূপে সমীভৱন হয়।

এইদৰে সংস্কৃতৰ প্ৰধান ব্যঞ্জনসমূহ পালি-প্ৰাকৃতত প্ৰায় ৰক্ষিত হৈছে। কেৱল নাসিক্য আৰু উষ্মধ্বনিৰ ক্ষেত্ৰত কিছু পৰিবৰ্তন দেখা যায়।

### ৬.৪.৩ অসমীয়া ভাষাৰ ব্যঞ্জন ধ্বনি ঃ

সংস্কৃতৰ ব্যঞ্জনসমূহৰ উচ্চাৰণৰ দিশৰপৰা অসমীয়াত ভালেখিনি পৰিবৰ্তন ঘটিল। সংস্কৃতৰ তালব্য ধ্বনিৰ উচ্চাৰণ অসমীয়াত লোপ পালে। দন্ত্য স্পৰ্শ ধ্বনিবোৰে দন্তমূলীয় হিচাপে উচ্চাৰিত হয়। সংস্কৃত ‘য়’ ধ্বনি অসমীয়াত সাধাৰণতে ‘জ’ আৰু ‘ৱ’ ধ্বনি বিশেষকৈ আদ্য অৱস্থানত ‘ব’ হিচাপে উচ্চাৰিত হয়। উষ্ম ধ্বনি শ ষ স ধ্বনি অসমীয়াত পশ্চতালব্য অঘোষ উষ্ম স (×) হিচাপে উচ্চাৰণ হয়, মুঠতে উচ্চাৰণ অনুযায়ী সংস্কৃত ৩৩টা ব্যঞ্জন ধ্বনি অসমীয়া ভাষাত য়, ৱ অৰ্ধব্যঞ্জনকে ধৰি ২৩টা ব্যঞ্জনত পৰিণত হ’ল। উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী এই ২৩টা ব্যঞ্জনক এনেদৰে তালিকা ভুক্ত কৰিব পাৰি —

**অসমীয়া বিশিষ্ট ব্যঞ্জন ধ্বনিৰ তালিকা**

| উচ্চাৰণৰ স্থান | | ঔষ্ঠ্য | | দন্তমূলীয় | | তালব্য | | কণ্ঠ বা পশ্চ তালব্য | | কণ্ঠ নালীয় | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ |
| স্পৰ্শ ধ্বনি | অল্পপ্ৰাণ | প | ব | ত | দ | | | ক | গ | | |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | | | খ | ঘ | | |
| নাসিক্য | | | ম | | ন | | | | ঙ | | |
| উষ্ম | | | | চ | জ | | | স (X) | | | হ |
| পাৰ্শ্বিক | | | | | ল | | | | | | |
| কম্পিত | | | | | ৰ | | | | | | |
| অৰ্ধ-ব্যঞ্জন | | | ৱ | | | | য় | | | | |

মন কৰিবলগীয়া যে অসমীয়াত দন্তমূলীয় ধ্বনি বুজাবলৈ কোনো চিহ্ন বা ধ্বনি প্ৰতীক নাই। সংস্কৃত দন্ত্য ধ্বনিৰ আৰ্হিত লিখা দন্ত্য ধ্বনি কেইটাকে অসমীয়াত দন্তমূলীয় ধ্বনি হিচাপে ব্যৱহাৰ কৰা হয়। সেইদৰে পশ্চতালব্য অঘোষ উষ্ম ধ্বনি বুজাবলৈও

অসমীয়াত কোনো ধ্বনি প্ৰতীক নাই। × -ৰে বুজোৱা এই ধ্বনিটো অসমীয়াত স বা ষ হিচাপে লিখা হয়। তদুপৰি সংস্কৃত উষ্মধ্বনি তিনিটা বিভিন্ন পৰিবেশত দন্তমূলীয়া উষ্ম চ, হ হিচাপেও উচ্চাৰিত হয়। যেনে- কলস>কলহ, ত্ৰিশ>ত্ৰিচ্ আদি। অসমীয়া ভাষাত উচ্চাৰিত উল্লিখিত ২৩টা ধ্বনিৰ ভিতৰত ঙ, য় আৰু ৱ শব্দৰ আদ্য অৱস্থানত ব্যৱহাৰ নহয়।

অসমীয়া ভাষাৰ লিখিত ৰূপত সংস্কৃত ভাষাৰ তালিকাত যোগ হোৱা আৰু নোহোৱা আটাইবোৰ ব্যঞ্জন ব্যৱহৃত হৈছিল। সেই হিচাপে ড় ঢ় ং ঃ ঁ আৰু ক্ষ ধ্বনিও লিখিত অসমীয়া ভাষাত ব্যৱহৃত হয়। সংস্কৃত তালব্য চ-বৰ্গ, মূৰ্দ্ধণ্য ট-বৰ্গৰ ধ্বনি বোৰৰ লগতে উষ্ম ধ্বনি শ ষ স অসমীয়া ভাষাৰ সংস্কৃত তৎসম শব্দত অপৰিবৰ্তিত ৰূপত ব্যৱহৃত হয়। কিন্তু সেইবোৰ ধ্বনি অসমীয়াত সংস্কৃতৰ দৰে উচ্চাৰিত নহয়। ঞ ধ্বনি শব্দত ব্যৱহৃত হ'লে য়ঁ বা ইয়ঁ- ৰ দৰে উচ্চাৰণ হয়। ঙ টো দুটা স্বৰৰ মধ্যবৰ্তী স্থানত একক হিচাপে উচ্চাৰিত হয়। কিন্তু ব্যঞ্জনান্ত হ'লে ং হয়। যেনে- খং, খঙাল।

এইদৰে সংস্কৃতৰ ৩৩টা ব্যঞ্জনধ্বনি পালি-প্ৰাকৃতত প্ৰায় ৩২টা আৰু অসমীয়াত ২৩টা ধ্বনি পৰিণত হ'ল। সংস্কৃত আৰু প্ৰাকৃতত উচ্চাৰিত আৰু লেখিত ধ্বনিৰ মাজত পাৰ্থক্য নাছিল। কিন্তু অসমীয়াত লেখিত ব্যঞ্জন ধ্বনি ৪১টা, কিন্তু ইয়াৰে উচ্চাৰিত হয় মাত্ৰ য় ৱ -কে ধৰি ২৩টা ব্যঞ্জনহে।

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃতত মূখ্য আৰু গৌণ ব্যঞ্জন বুলিলে কোনখিনি ব্যঞ্জনধ্বনিক বুজা যায়? (৩০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................................

.....................................................................................

.....................................................................................

## ৬.৫ মধ্য ভাৰতীয় আৰ্যভাষাত ধ্বনিৰ গুণ-বৃদ্ধি-সম্প্ৰসাৰণ

মূল ভাৰত-ইউৰোপীয় ভাষাত এটা ধাতুৰপৰা হোৱা বিভিন্ন ৰূপত ধাতুৰ মূল স্বৰধ্বনিৰ এক নিৰ্দিষ্ট ক্ৰম অনুযায়ী পৰিবৰ্তন হৈছিল আৰু ইয়াৰ ফলত একেমূল ধাতুৰ পৰা সৃষ্ট ৰূপবিলাকৰো অৰ্থৰ সালসলনি হৈছিল। সুৰাঘাত আৰু শ্বাসাঘাতৰ স্থান পৰিবৰ্তনৰ ফলতেই ধাতুৰ অন্তৰ্গত স্বৰধ্বনিৰ বিশেষ ক্ৰম অনুযায়ী এনে পৰিবৰ্তন হৈছিল। অপশ্ৰুতি (ablaut) বুলি অভিহিত কৰা এনে পৰিবৰ্তন ইন্দো-ইউৰোপীয়ৰ অন্তৰ্গত সংস্কৃতকে ধৰি গ্ৰীক লেটিন আদি প্ৰধান ভাষাবোৰত দেখা গৈছিল। ধাতুৰ স্বৰ পৰিবৰ্তনৰ ক্ৰম (grade) আছিল তিনিটা ঃ (ক) গুণ strong বা normal, (খ) বৃদ্ধি lengthened

আৰু (গ) ক্ষয়িত weka বা reduced সংস্কৃত বৈয়াকৰণ, সকলে ধাতু বা প্ৰতিপাদিকৰ স্বৰৰ এনে হ্ৰস্ব-দীৰ্ঘ ক্ৰম লক্ষ্য কৰি এই তিনিটা ক্ৰমক গুণ, বৃদ্ধি আৰু সম্প্ৰসাৰণ বুলি কৈছিল। সংস্কৃতত গুণ-বৃদ্ধি-সম্প্ৰসাৰণ শ্বাসাঘাতৰ স্থান পৰিবৰ্তনৰ ওপৰত নিৰ্ভৰশীল।

**৬.৫.১ সংস্কৃতত গুণ স্বৰ ঃ**

সংস্কৃতত এনে গুণ স্বৰ পাঁচোটা- **অ এ ও অৰ্** আৰু **অল্**। সাধাৰণ স্বৰ 'অ' যদি 'অ' হিচাপে ৰৈ যায় আৰু ইঈ>এ, উঊ>ও, ঋ>অৰ্ আৰু ঌ>অল্ হয়, তেন্তে সাধাৰণ স্বৰকেইটাৰ তেনে পৰিবৰ্তনকে স্বৰৰ গুণ হোৱা বুলি কোৱা হয়। সাধাৰণতে স্বৰৰ গুণ হোৱা মানে 'অ' স্বৰৰ বাহিৰে আনকেইটা সাধাৰণ স্বৰৰ আগত 'অ' এটা increment হিচাপে যোগ হোৱা বুজায়। মন কৰিবলগীয়া যে সন্ধিৰ বাহিৰে একেটা মূল শব্দৰপৰা নতুন নতুন শব্দ গঠন কৰোঁতে সাধাৰণ স্বৰৰ আগত 'অ' যোগ হোৱাটো স্পষ্টকৈ দেখুৱাব নোৱাৰি। তলত গুণ স্বৰৰ উদাহৰণ দাঙি ধৰা হ'ল—

অ>অ; দহ্ + ক্ত = দগ্ধ

অ + ই>এ; দ্বিচ্+ নিচ্ + তি= দ্বেষয়তি

অ + উ>ও; ৰুহ্ + নিচ্ + তি= ৰোহয়তি

ঋ>অৰ্; কৃ+অনট্ = কৰণ

ঌ>অল্; তৰ+ঌ কাৰঃ =তৰলকাৰ ঃ আদি।

**বৃদ্ধি স্বৰ ঃ**

গুণিত স্বৰকেইটাৰ আগত 'অ' increment হিচাপে যোগ দিলে বৃদ্ধি স্বৰ পোৱা যায়। বৃদ্ধি স্বৰো পাঁচোটা ঃ **আ ঐ ঔ আৰ্** আৰু **আল্**। এই বৃদ্ধি স্বৰ কেইটা পোৱা যায় এনেদৰে— অ+আ>আ; অ+এ>ঐ, অ+ও>ঔ, অ+অৰ্>আৰ্ আৰু অ+অল্>আল্। অল্ 'আল্' হোৱাৰ উদাহৰণ বিৰল। আনবোৰ বৃদ্ধি স্বৰৰ উদাহৰণ হ'ল—

অ+অ>আ; জ্বল্ + নিচ্ +তি = জ্বালয়তি

অ+এ>ঐ; শিৱ + ষ্ণ = শৈৱ

অ+ও> ঔ; স্তু + তি = স্তৌতি

অ+অৰ্ > আৰ; কৃ+ ন্যৎ = কাৰ্য

**সম্প্ৰসাৰণ ঃ**

সম্প্ৰসাৰণ মূল শব্দ বা ধাতু অক্ষৰত থকা অৰ্দ্ধব্যঞ্জন আৰু তৰল ধ্বনি ৰ, ল-ৰ গুণৰ অৱক্ষয় হয়। সাধাৰণতে মূল শব্দ বা ধাতুত বিভিন্ন প্ৰত্যয় বা বিভক্তি যোগ হ'লে ধাতু অক্ষৰত থকা য়>ই, ৱ>উ, ৰ>ঋ আৰু ল->ঌ হয়। ধ্বনি পৰিবৰ্তনৰ এনে প্ৰক্ৰিয়াকে সম্প্ৰসাৰণ হোৱা বুলি কোৱা হয়। ল->ঌ হোৱাৰ উদাহৰণ বিৰল। যেনে—

য়>ই; যজ্ + ক্তিন্>ইষ্টিঃ

ৱ>উ; ৱদ্ + ক্তিন > উক্তি

ৰ>ঋ; প্ৰচ্ছ্ + তি> পৃচ্ছতি

উল্লিখিত উদাহৰণবোৰত য় ৱ অৰ্দ্ধ ব্যঞ্জনে সৰল ই উ স্বৰৰ গুণ আৰু ৰ ব্যঞ্জন কম্পিত ঋ স্বৰৰ গুণ লাভ কৰিছে।

### ৬.৫.২ পালি-প্ৰাকৃতত স্বৰৰ গুণ বৃদ্ধি

পালি-প্ৰাকৃতত স্বৰৰ গুণ, বৃদ্ধি প্ৰায় নাই বুলি ক'ব পাৰি; কিন্তু সম্প্ৰসাৰণ যথেষ্ট দেখা যায়। পালি-প্ৰাকৃতত নিজাকৈ স্বৰৰ গুণ-বৃদ্ধি নাই যদিও সংস্কৃতৰ গুণ বৃদ্ধিৰ ৰূপ কিছুমান ইয়াত ব্যৱহাৰ হোৱা যায়। বিশেষকৈ সংস্কৃতৰ বৰ্তমান কালৰ ধাতু ৰূপৰ গুণিত ৰূপটো নিজন্ত ধাতুৰ ৰূপৰ বৃদ্ধি ৰূপটো পালি-প্ৰাকৃতত কিছু পৰিমানে ৰক্ষিত হৈছে। যেনে—

ধ্বনি ক্ৰম ঃ হস্ + তি> হসতি> পা. হসতি প্ৰা. হসই
চল্ +তি>চলতি> পা. চলিত প্ৰা. চলই

বৰ্দ্ধিত ক্ৰম ঃ হস্+নিচ্ + তি>হাসয়তি> পা. হাসেতি, প্ৰা. হাসেই
কৃ + নিচ্ + তি> কাৰয়তি> পা. কাৰেতি
প্ৰা. কাৰেই

মন কৰিব লগীয়া যে সংস্কৃতৰ পাঁচোটা ধ্বনিত স্বৰৰ কেৱল 'অ' টো আৰু পাঁচোটা বৃদ্ধি স্বৰৰ কেৱল 'আ' টো পালি-প্ৰাকৃতত ৰক্ষিত হৈছে।

**সম্প্ৰসাৰণ ঃ**

পালি-প্ৰাকৃতত স্বৰৰ সম্প্ৰসাৰণ বিশেষভাবে দেখা যায়। সংস্কৃতৰ দৰে ইয়াতো য়>ই আৰু ৱ>উ হয়। তদুপৰি সংস্কৃতৰ দ্ব্যক্ষৰ স্বৰধ্বনি অয় আৰু অৱ পালি-প্ৰাকৃতত ক্ষয়িত হৈ ক্ৰমে এ আৰু ও হয়। পালি-প্ৰাকৃতত ঋ ৯ লোপ পোৱাৰ কাৰণে ৰ ল -ৰ ঠাইত কম্পিত ধ্বনিৰ ব্যৱহাৰ দেখা নাযায়। যেনে—

য় >ই ঈ; ব্যঞ্জন>প্ৰা. বিঅন, বীঅণ
ব্যতিক্ৰম> পা. বীতিক্কম

ৱ>উ; শ্বন>পা. সূন. প্ৰা. সূণ
দ্বিবিধ> পা. দুবিধ

অয়>এ; জয়তি>পা. জেতি, প্ৰা. জেই

অৱ> ও; ভৱতি> পা. ভোতি, হোতি
প্ৰা. হোই, হোদি (শৌ.)
অৱকাশ> প্ৰা. ওআস

### ৬.৫.৩ অসমীয়াত স্বৰৰ গুণ-বৃদ্ধি

স্বৰধ্বনিৰ এনে নিৰ্দিষ্টক্ৰমত পৰিবৰ্তন অসমীয়া ভাষাত দেখা নাযায়। কিন্তু স্বৰসঙ্গতি, অভিশ্ৰুতি, স্বৰ সংকোচন, স্বৰাগম, স্বৰসমীভৱন, বৰ্ণবিপৰ্যয় ইত্যাদি কাৰণত- অসমীয়াত সংস্কৃতৰ স্বৰধ্বনিবোৰৰ বিভিন্ন ধৰণৰ পৰিবৰ্তন হয়। এনে পৰিবৰ্তনক সংস্কৃতৰ গুণ-বৃদ্ধি, সম্প্ৰসাৰণৰ অন্তৰ্ভুক্ত কৰিব নোৱাৰি, উদাহৰণস্বৰূপে, সংস্কৃত 'বিশ্ব' শব্দ প্ৰাকৃতৰ 'বেল্ল'ৰ মাজেৰে অসমীয়া 'বেল' হয়। সেইদৰে দৰ্পন>দাপোন, ঘাৰ্ম্ম>ঘাম হয়। এনেদৰে সংস্কৃত শব্দৰ আদ্যক্ষৰত থকা ই>এ, অ>আ প্ৰক্ৰিয়াক অসমীয়াত স্বৰ গুণ বা বৃদ্ধি বোলা নহয়। অৱশ্যে এনেবোৰ শব্দত ই আৰু অ স্বৰে ক্ৰমে গুণিত আৰু বৃদ্ধি ৰূপ লাভ কৰিছে বুলিব পাৰি, আদ্য অৱস্থানৰ দৰে সংস্কৃতৰ মধ্য আৰু অন্ত্যৰ অৱস্থানত থকা স্বৰবোৰে অসমীয়াত বিভিন্ন ধৰণে পৰিবৰ্তন হয়। কেতিয়াবা সংস্কৃতৰ 'অৱ' দ্ব্যক্ষৰ স্বৰধ্বনি প্ৰাকৃতৰ দৰে অসমীয়া এ বা ও হয়। যেনে- নৱমল্লিকা>নেৰালি, লৱন>লোন। এনে পৰিবৰ্তনকো সংস্কৃতৰ দৰে সম্প্ৰসাৰণ নুবুলি স্বৰ সংকোচনহে বোলা হয়। মুঠতে বিভিন্ন ধ্বনিগত প্ৰক্ৰিয়াৰ কাৰণে অসমীয়াত সংস্কৃতৰ সাধাৰণ স্বৰধ্বনিবোৰৰ বিভিন্ন ধৰণৰ পৰিবৰ্তন হয়, কিন্তু সংস্কৃতত হোৱাৰ দৰে গুণ, বৃদ্ধি, সম্প্ৰসাৰণ নহয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

গুণ-বৃদ্ধি সম্প্ৰসাৰণ বুলিলে কি বুজা? (৬০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................

..........................................................................................

..........................................................................................

..........................................................................................

### ৬.৬ সাৰাংশ (Summing Up)

এই বিভাগত ভাৰতীয় আৰ্যভাষাৰ তিনিওটা স্তৰত অৰ্থাৎ প্ৰাচীন ভাৰতীয় আৰ্য ভাষা বা সংস্কৃত, মধ্য ভাৰতীয় আৰ্য ভাষা বা পালি-প্ৰাকৃত আৰু নব্য ভাৰতীয় আৰ্য ভাষা অসমীয়াত সংস্কৃত স্বৰ আৰু ব্যঞ্জন ধ্বনিবোৰৰ উচ্চাৰণ আৰু প্ৰয়োগৰ দিশৰপৰা কেনে ধৰণৰ পৰিবৰ্তন ঘটিল, সেই স্বৰ ব্যঞ্জনৰ মুল উৎস কি সেই বিষয়ে আলোচনা কৰা হৈছে। লগতে সেই তিনিওটা স্তৰৰ ভাষাত স্বৰধ্বনি পৰিবৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়াবোৰ বিশেষকৈ সংস্কৃতৰ গুণ-বৃদ্ধি সম্প্ৰসাৰণ আৰু পালি-প্ৰাকৃত অসমীয়াত স্বৰ সংকোচন, স্বৰৰ দীৰ্ঘীভৱন, অপিনিহিতি, স্বৰভক্তি আদি ধ্বনি পৰিবৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়াৰ ফলত হোৱা সংস্কৃতৰ স্বৰবোৰৰ বিভিন্ন পৰিবৰ্তনৰ বিষয়েও ইয়াত আলোচনা

দাঙি ধৰা হৈছে। এই বিভাগটোৰ অধ্যয়নে আপোনাক সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়াৰ বাগধ্বনি অৰ্থাৎ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী সৃষ্টি হোৱা স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিবোৰৰ উচ্চাৰণ, প্ৰয়োগ, শ্ৰেণীবিভাগ আৰু সিবোৰৰ ঘাইকৈ স্বৰধ্বনিবোৰৰ বিভিন্ন ক্ৰমত হোৱা পৰিবৰ্তনৰ বিষয়ে জনাত বিশেষভাৱে সহায় কৰিব।

## ৬.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সংস্কৃতৰ স্বৰধ্বনিবোৰৰ শ্ৰেণী বিভাজনৰ মূল ভিত্তি কি কি? পালি-প্ৰাকৃতৰ স্বৰধ্বনিৰ লগত সংস্কৃত স্বৰধ্বনিৰ তুলনামূলক আলোচনা দাঙি ধৰক।

২. সংস্কৃতৰ স্বৰ ধ্বনিবোৰে অসমীয়াত কেনেধৰণৰ পৰিবৰ্তন লাভ কৰিলে বহলাই আলোচনা কৰক।

৩. সংস্কৃতত ব্যঞ্জন ধ্বনি কেইটা আৰু কি কি? কিহৰ ভিত্তিত এই ব্যঞ্জনবোৰক শ্ৰেণীবিভাগ কৰিব পাৰি? অসমীয়াত এই ব্যঞ্জন ধ্বনিবোৰৰ কেনে ধৰণৰ পৰিবৰ্তন ঘটিল, সেই বিষয়ে বহলাই আলোচনা কৰক।

৪. সংস্কৃতৰ তালব্য আৰু মূৰ্দ্ধন্য ধ্বনিখিনিৰ উৎস দেখুৱাই এটি আলোচনা দাঙি ধৰক।

৫. গুণ-বৃদ্ধি আৰু সম্প্ৰসাৰণ বুলিলে আমি কি বুজো? সংস্কৃত আৰু পালি-প্ৰাকৃতত-গুণ-বৃদ্ধি-আৰু সম্প্ৰসাৰণৰ কাৰণে স্বৰধ্বনিৰ কেনেধৰণৰ পৰিবৰ্তন হয়। আলোচনা কৰক।

## ৬.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ঃ *সমগ্ৰ ব্যাকৰণ কৌমুদী*

উপেন্দ্ৰ নাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

গোলোকচন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণ প্ৰবেশ*

দেৱীদাস ভট্টাচাৰ্য ঃ *মধ্য ভাৰতীয় আৰ্যভাষা আৰু সাহিত্য*

নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

পৰেশচন্দ্ৰ মজুমদাৰ ঃ *সংস্কৃত আৰু প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ*

বিধু শেখৰ শাস্ত্ৰী ঃ *পালি-প্ৰকাশ*

A.C. Woolner : *Introduction to Prakrit*

T. Burrow : *The Sanskrit Language*

W.D. Whitney : *Sanskrit Grammar*

R. Pischel : *A Grammar of the Prakrit Language*


* * * * *

## সপ্তম বিভাগ
## সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ সন্ধি বিচাৰ

**বিভাগৰ গঠনঃ**


৭.১ ভূমিকা (Introduction)
৭.২ উদ্দেশ্য (Objectives)
৭.৩ সংস্কৃত ভাষাৰ সন্ধি
  ৭.৩.১ বহিৰ্সন্ধি
  ৭.৩.২ অন্তৰ্সন্ধি
৭.৪ পালি-প্ৰাকৃতৰ সন্ধি
  ৭.৪.১ বহিৰ্সন্ধি
  ৭.৪.২ অন্তৰ্সন্ধি
৭.৫ অসমীয়া ভাষাৰ সন্ধি
  ৭.৫.১ বহিৰ্সন্ধি
  ৭.৫.২ অন্তৰ্সন্ধি
৭.৬ সাৰাংশ (Summing Up)
৭.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৭.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ৭.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ সন্ধি আৰু শ্বাসাঘাত সম্পৰ্কে বিচাৰ কৰা হ'ব।

সন্ধি শব্দৰ সাধাৰণ অৰ্থ হ'ল মিলন বা সংযোগ বা জোৰা লগা। ভাষাৰ ক্ষেত্ৰত সন্ধি বুলিলে দুটা ভিন্ন শব্দ লগ লগা বুজায়। এই ক্ষেত্ৰত প্ৰথম শব্দৰ শেষ ধ্বনি আৰু দ্বিতীয় শব্দৰ আদি ধ্বনিৰ মাজত সংযোগ সাধিত হয়। সেই সংযোগৰ ফলতে ধ্বনিৰূপৰ পৰিৱৰ্তন ঘটে। শব্দত থকা স্বৰ আৰু ব্যঞ্জন ধ্বনি অনুসৰি এই ধ্বনিবোৰৰ কেনেধৰণৰ পৰিৱৰ্তন হয়। সেই বিষয়ে এই বিভাগটিত আলোচনা আগবঢ়োৱা হ'ব।

### ৭.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে —

- সন্ধি যে এক জটিল প্ৰক্ৰিয়া, সেই বিষয়ে জানিব পাৰিব,
- সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ সন্ধি আৰু ইয়াৰ শ্ৰেণী বিভাজন দেখুৱাব পাৰিব;

- সংস্কৃতৰ সন্ধিৰ জটিলতা কেনেদৰে পালি-প্ৰাকৃত আৰু অসমীয়াত সৰল হৈ পৰিল তাক বিচাৰ কৰিব পাৰিব;
- সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়াৰ শ্বাসাঘাত সম্পৰ্কে মতামত আগবঢ়াব পাৰিব।

## ৭.৩ সংস্কৃত ভাষাৰ সন্ধি

সংস্কৃতত সন্ধি অপৰিহাৰ্য, সন্নিহিত দুটা বৰ্ণৰ মাজত যতেই সম্ভৱ ত'তেই সন্ধিৰ প্ৰয়োগ কৰা হৈছিল। বিশেষকৈ নতুন পদগঠনত, উপসৰ্গ আৰু ধাতুৰ সংযোগত আৰু সমাসত সন্ধি অপৰিহাৰ্য। সন্ধিৰ ফলত ভাষা সংক্ষিপ্ত আৰু শুৱলা হয়।

সংস্কৃতত সন্ধি এক জটিল প্ৰক্ৰিয়া। সন্ধিৰ কাৰণে ইয়াত একেলগে আঠ নটা শব্দ লগ লাগি এটা শব্দৰ দৰে ব্যৱহৃত হয়। সংস্কৃতত ঐ আৰু ঔ-ৰ বাহিৰে আন দ্বিস্বৰৰ প্ৰয়োগ নাই। দুটা স্বৰ ওচৰা-ওচৰিকৈ ব্যৱহৃত হ'ব লগা হ'লেই তাক সন্ধিৰ দ্বাৰা অৰ্থাৎ মাজত ৰ, য়, ৱ আদি সন্ধ্যক্ষৰ ব্যৱহাৰ কৰি পৃথক কৰা হয়।

সংস্কৃত বৈয়াকৰণসকলে মিলন হোৱা বৰ্ণ দুটাৰ ধ্বনিগুণৰ ওপৰত ভিত্তি কৰি সংস্কৃত সন্ধিক তিনিটা ভাগত ভাগ কৰিছে — স্বৰসন্ধি, ব্যঞ্জনসন্ধি আৰু বিসৰ্গ সন্ধি। স্বৰসন্ধিত স্বৰ আৰু স্বৰৰ মাজত, ব্যঞ্জনসন্ধিত ব্যঞ্জন আৰু ব্যঞ্জনৰ মাজত বা ব্যঞ্জন আৰু স্বৰৰ মাজত আৰু বিসৰ্গ সন্ধিত বিসৰ্গ আৰু স্বৰ বা ব্যঞ্জনৰ মাজত সন্ধি হয়। বিসৰ্গও ব্যঞ্জন, সেই হিচাপে বিসৰ্গ সন্ধিক ব্যঞ্জন সন্ধিৰ ভিতৰতে ধৰা হয়। এই তিনিওবিধ সন্ধিৰ বৰ্ণৰ মিলনৰ প্ৰকৃতি অনুসৰি (Nature of Combination) পাশ্চাত্য পণ্ডিতসকলে সন্ধিক বহলভাৱে দুটা ভাগত ভগাইছেঃ **বহিৰ্সন্ধি** (External Sandhi) আৰু **অন্তৰ্সন্ধি** (Internal Sandhi)। বহিৰ্সন্ধি হ'ল দুটা শব্দৰ মাজত হোৱা সন্ধি আৰু অন্তৰ্সন্ধি হ'ল শব্দৰ লগত প্ৰত্যয় বা বিভক্তিৰ সন্ধি। বহিৰ্সন্ধিত মিলন হোৱা শব্দ দুটা সহজে চিনি উলিয়াব পাৰি। কিন্তু অন্তৰ্সন্ধিত শব্দ বা ধাতুৰ লগত প্ৰত্যয় বা বিভক্তিটো এনেদৰে মিলি যায় যে সেই ভাষাটোৰ সন্ধিৰ নিয়ম নাজানিলে তাক সহজে চিনি উলিয়াব নোৱাৰি। সংস্কৃত স্বৰ, ব্যঞ্জন আৰু বিসৰ্গ সন্ধি এই বহিৰ্সন্ধি আৰু অন্তৰ্সন্ধিৰ অন্তৰ্গত।

### ৭.৩.১ বহিৰ্সন্ধি

পূৰ্বে উল্লেখ কৰা হৈছে যে সংস্কৃত বহিৰ্সন্ধিৰ তিনিটা ভাগ — স্বৰ, ব্যঞ্জন আৰু বিসৰ্গ বহিৰ্সন্ধি। এনে সন্ধিত প্ৰথম শব্দৰ শেষ স্বৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰৰ মাজত মিলন বা সন্ধি হয়। যেনে -

দেৱ + অসুৰ = দেৱাসুৰ
মুনি + ইন্দ্ৰ = মুনিন্দ্ৰ
নৰ + ইন্দ্ৰ = নৰেন্দ্ৰ আদি।

সংস্কৃতত স্বৰ বহিৰ্সন্ধিৰ ভালেমান নিয়ম আছে। ওপৰত মাত্ৰ তিনিটা নিয়মেৰে অৰ্থাৎ অ + অ = আ, ই + ই = ঈ আৰু অ + ই = এ হৈ ভিন্ন অৰ্থ বিশিষ্ট তিনিটা নতুন দেৱাসুৰ, মুনিন্দ্ৰ আৰু নৰেন্দ্ৰ গঠন হোৱাটোহে দেখুওৱা হৈছে (অধিক নিয়মৰ বাবে *সংস্কৃত ব্যাকৰণ প্ৰভা*, সন্ধি- অধ্যায় চাওক)।

**ব্যঞ্জন বহিৰ্সন্ধিত** সাধাৰণতে প্ৰথম শব্দৰ শেষ ব্যঞ্জন আৰু দ্বিতীয় শব্দৰ আদি ব্যঞ্জনৰ মাজত মিলন হয়। কেতিয়াবা ব্যঞ্জন আৰু স্বৰ মিলিও ব্যঞ্জন সন্ধি হয়।

মৃৎ+ময়=মৃণ্ময়

দিক্+বিজয়=দিগ্বিজয়

মহান্+আদিত্য=মহানাদিত্য

সংস্কৃত ব্যঞ্জন বহিৰ্সন্ধিৰো ভালেমান নিয়ম আছে। উদাহৰণ স্বৰূপে, প্ৰথম শব্দৰ শেষত বৰ্গৰ প্ৰথম ধ্বনি আৰু দ্বিতীয় শব্দৰ আদিত বৰ্গৰ পঞ্চম ধ্বনি থাকিলে প্ৰথম শব্দৰ শেষত থকা বৰ্গৰ প্ৰথম ধ্বনি সেই বৰ্গৰ পঞ্চম ধ্বনিলৈ ৰূপান্তৰ হৈ দ্বিতীয় শব্দৰ আদি ধ্বনিৰ লগত লগ লাগে। ওপৰৰ 'মৃণ্ময়' শব্দটো এই প্ৰক্ৰিয়াৰে সাধিত শব্দ। সেইদৰে প্ৰথম শব্দৰ শেষত প্ৰথম ধ্বনি আৰু দ্বিতীয় শব্দৰ আদিত বৰ্গৰ তৃতীয় ধ্বনি থাকিলে প্ৰথম শব্দৰ শেষত থকা বৰ্গৰ প্ৰথম ধ্বনিটো সেই বৰ্গৰে তৃতীয় ধ্বনিলৈ ৰূপান্তৰ হৈ দ্বিতীয় শব্দৰ আদিৰ ধ্বনিৰ লগত লগ লাগে। যেনে- দিগ্বিজয়। এইদৰে সংস্কৃত ব্যঞ্জন বহিৰ্সন্ধিৰো ভালেমান নিয়ম আছে।

**বিসৰ্গ বহিৰ্সন্ধিত** প্ৰথম শব্দৰ শেষত থকা বিসৰ্গ আৰু দ্বিতীয় শব্দৰ আদিত থকা স্বৰ বা ব্যঞ্জনৰ মাজত মিলন হয়। যেনে—

বহিঃ + সন্ধি = বহিৰ্সন্ধি,

নমঃ + কাৰ = নমস্কাৰ

পূৰ্ণ + চন্দ্ৰ = পূৰ্ণশ্চন্দ্ৰ আদি।

সংস্কৃতত বিসৰ্গ সন্ধিৰো ভালেমান নিয়ম আছে। মন কৰিবলগীয়া যে বিসৰ্গ বিশেষ বিশেষ স্বৰ আধাৰিত যদিও ইয়াৰ সন্ধি প্ৰক্ৰিয়া ব্যঞ্জন সন্ধিৰ লগত একে। সেয়েহে সংস্কৃতত বিসৰ্গ সন্ধিক ব্যঞ্জন সন্ধিৰ ভিতৰত ধৰি আলোচনা কৰা হয়।

### ৭.৩.২ অন্তৰ্সন্ধি

বহিৰ্সন্ধিৰ দৰে সংস্কৃত অন্তৰ্সন্ধিকো স্বৰ, ব্যঞ্জন আৰু বিসৰ্গ অন্তৰ্সন্ধি- এই তিনিটা ভাগত ভাগ কৰা হয় যদিও বিসৰ্গ অন্তৰ্সন্ধিৰ ব্যৱহাৰ দেখা নাযায়। সেয়েহে স্বৰ আৰু ব্যঞ্জন অন্তৰ্সন্ধিৰ বিষয়েহে আলোচনা কৰা হ'ব।

**স্বৰ অন্তৰ্সন্ধি ঃ** এনে সন্ধিত প্ৰথম শব্দ বা ধাতুৰ শেষ স্বৰ আৰু প্ৰত্যয় বা বিভক্তিৰ আদি স্বৰৰ মাজত মিলন হয়। যেনে—

পো + অন = পৱন

নৌ + ইক = নাৱিক          আদি।

উল্লিখিত উদাহৰণ দুটাত 'পো' শব্দৰ 'ও' ৰ লগত 'অন' প্ৰত্যয়ৰ 'অ' ধ্বনিৰ মিলন হৈ 'পৱন' শব্দ সিদ্ধ হৈছে। সেইদৰে 'নৌ' শব্দৰ 'ঔ' ৰ লগত 'ইক' প্ৰত্যয় 'ই' মিলি 'নাৱিক' সিদ্ধ হৈছে। শব্দ দুটাত ব্যৱহাৰ হোৱা 'ৱ'ক সন্ধ্যক্ষৰ বোলা হয়।

**ব্যঞ্জন অন্তৰ্সন্ধি ঃ** এনে সন্ধিত প্ৰথম শব্দ বা ধাতুৰ শেষ ব্যঞ্জনৰ লগত দ্বিতীয় প্ৰত্যয় বা বিভক্তিৰ আদি ব্যঞ্জনৰ মাজত মিলন হয়। যেনে—

অদ + ন = অন্ন

যুজ্ + ক্ত = যুক্ত

দিশ্ + সু = দিক্ষু      আদি।

এই শব্দকেইটা ক্ৰমে দ্+ন=ন্ন, জ্+ক=ক্ত আৰু শ্+স্=ক্ষ হৈ অন্তৰ্সন্ধি সাধিত হৈছে।

সংস্কৃতৰ ব্যঞ্জন বহিৰ্সন্ধি আৰু ব্যঞ্জন অন্তৰ্সন্ধিক একপ্ৰকাৰ সমীভৱন বুলিব পাৰি। কিয়নো এনে সন্ধিত পৰবৰ্তী ধ্বনিয়ে পূৰ্বৱৰ্তী ধ্বনিক, পূৰ্বৱৰ্তী ধ্বনিয়ে পৰবৰ্তী ধ্বনিক আৰু কেতিয়াবা দুয়োটা ধ্বনিয়ে পাৰস্পৰিক প্ৰভাৱ বিস্তাৰ কৰি ধ্বনিগুণৰ পৰিবৰ্তন ঘটায়।

## ৭.৪ পালি-প্ৰাকৃতৰ সন্ধি

### ৭.৪.১ বহিৰ্সন্ধি

সংস্কৃতৰ দৰে পালি-প্ৰাকৃতত বহিৰ্সন্ধি অৰ্থাৎ শব্দ আৰু শব্দৰ মাজত হোৱা সন্ধি আছে যদিও এনে সন্ধিৰ পৰিমাণ তেনেই কম। সাধাৰণতে গদ্যতকৈ পদ্য বা কবিতাতহে বহিৰ্সন্ধিৰ ব্যৱহাৰ অধিক। মন কৰিবলগীয়া যে সংস্কৃতৰ দৰে পালি-প্ৰাকৃতৰ সকলো বহিৰ্সন্ধি একোটা নিৰ্দ্দিষ্ট নিয়মেৰে সাধিত নহয়। সংস্কৃতৰ শব্দ-সন্ধিতকৈ তুলনামূলক ভাৱে তেনেই সৰল। পালি-প্ৰাকৃতৰ শব্দ সন্ধি সাধাৰণতে স্বাভাৱিক। এনে সন্ধিৰ কিছুমান নিয়মানুশাসিত (যেনে- পক্ক +ওদন=পক্কোদন) আৰু কিছুমান নিয়মবিহীন (যেনে— এৱ + ইতি = এৱাতি)। পূৰ্বে উল্লেখ কৰা হৈছে যে পালি-প্ৰাকৃতত ব্যঞ্জন সন্ধি নাই। সংস্কৃতত ব্যঞ্জন সন্ধিৰ জটিলতাই সৰ্বাধিক। কিন্তু পালি-প্ৰাকৃতত পদান্ত ব্যঞ্জন লোপ হোৱাৰ কাৰণে ব্যঞ্জন সন্ধিৰ জটিলতা নাইকিয়া হৈ পৰিল। সমীভৱনৰ ব্যাপকতা পালি-প্ৰাকৃতৰ এক মনকৰিবলগীয়া বিশেষত্ব। পালিতকৈও প্ৰাকৃতত সমীভৱনৰ প্ৰাধান্য বেছি। পদ মধ্যস্থিত সংযুক্ত ব্যঞ্জনবোৰ সৰল হৈ পৰাত সন্ধিৰে দুটা শব্দক লগ লগোৱাটো সম্ভৱ নোহোৱা হ'ল। তদুপৰি পদমধ্যস্থিত একক একক অল্পপ্ৰাণ বৰ্ণ লোপ পোৱাত যি উদ্‌বৃত্ত স্বৰৰ সৃষ্টি হ'ল, তাৰ লগত পূৰ্বৰ স্বৰৰো সন্ধি নোহোৱা হ'ল। সেয়েহে পালিতকৈও প্ৰাকৃতত সন্ধি তেনেই সৰল হৈ পৰিল। তলত পালি আৰু প্ৰাকৃতৰ সন্ধি পৃথককৈ দেখুওৱা হ'ল।

**পালি বহির্সন্ধি ঃ**

পালিভাষাৰ বহির্সন্ধিক **তিনিটা ভাগত** ভগাব পাৰি— **স্বৰ বহির্সন্ধি, মিশ্র** বা **বমিস্‌সক বহির্সন্ধি** আৰু **অনুস্বাৰ** বা **নিগ্‌গহীত বহির্সন্ধি**। প্রাকৃততকৈ পালি সন্ধি সংস্কৃতৰ বেছি ওচৰ চপা। সেয়েহে পালি বহির্সন্ধিত সংস্কৃত বহির্সন্ধিৰ ৰীতি কিছু পৰিমাণে ৰক্ষিত হৈছে। কিন্তু অধিকাংশ ক্ষেত্রতো পালিভাষাৰ নিজস্ব নিয়মেৰে এনে সন্ধি গঠিত হৈছে। তলত ইবোৰৰ উদাহৰণ দাঙি ধৰা হ'ল—

**স্বৰ বহির্সন্ধি ঃ** প্রথম শব্দৰ শেষ স্বৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰৰ মাজত পালিত এনেদৰে সন্ধি হয় —

নগৰ+উপমং=নগৰোপমং, নগৰূপমং
পুৰিস+উত্তমং=পুৰিসুত্তমং
পঞ্ঞা+আয়ুধ=পঞ্ঞায়ুধ
সীঘ+অস্‌সো=সীঘ'সসো
অৰলা+অস্‌সং=অৰলস্‌সং আদি।

পালি স্বৰ বহির্সন্ধিত সংস্কৃত স্বৰ বহির্সন্ধিৰ বিশেষ প্রভাৱ দেখা যায়।

**মিশ্র বা বমিস্‌সক সন্ধি ঃ** পালি মিশ্র সন্ধি স্ব প্রকৃতিৰে সাধিত হৈছে। ইয়াত প্রথম শব্দৰ শেষ স্বৰ আৰু দ্বিতীয় শব্দৰ আদি ব্যঞ্জনৰ লগত মিলন হয়। যেনে —

মুনি + চৰে = মুনী চৰে
যথা + ভাবি = যথভাবি
এসো + ধম্ম = এসধম্ম আদি।

**অনুস্বাৰ বা নিগ্‌গহীত সন্ধি ঃ** এনে সন্ধিত প্রথম শব্দৰ শেষ অনুস্বাৰ আৰু দ্বিতীয় শব্দৰ আদি স্বৰ বা ব্যঞ্জনৰ মাজত সন্ধি হয়। অনুস্বাৰ সন্ধিক মিশ্র সন্ধিৰ ভিতৰত ধৰিও আলোচনা কৰিব পাৰি। যেনে—

থলং + চ = থলঞ্চ
পুং + লিঙ্গ = পুল্লিংগ
সং + লাপো = সল্লাপো
তৱ + এথ = তমত্থং আদি।

এইদৰে দেখা যায় যে পালিত সংস্কৃত নিয়মানুগ আৰু সংস্কৃত নিয়ম বহির্ভূত দুয়োবিধ সন্ধি দেখা যায়।

**প্রাকৃত বর্হিসন্ধি ঃ** প্রাকৃত ভাষাৰ সন্ধিকো সংস্কৃত নিয়মানুসন্ধি আৰু সংস্কৃত নিয়ম বহির্ভূত- দুয়োধৰণৰ সন্ধি দেখা যায়। দৰাচলতে সংস্কৃত নিয়ম বহির্ভূত সন্ধিয়েই প্রাকৃতৰ নিজা সন্ধি। সি যি কি নহওক, প্রাকৃতৰ বহিসন্ধিক দুটা ভাগত ভগোৱা হৈছে— **স্বৰ বহির্সন্ধি আৰু মিশ্র বহির্সন্ধি**।

**স্বৰ বহির্সন্ধি ঃ** সংস্কৃতৰ আৰ্হিত সাধিত হোৱা প্ৰাকৃত বহিৰ্সন্ধিতো প্ৰথম শব্দৰ শেষ স্বৰ আৰু দ্বিতীয় শব্দৰ আদিৰ স্বৰৰ মাজত মিলন হয়। *গাহাসত্ত সঈ, কর্পূৰ মঞ্জৰী* আদি প্ৰাকৃত সাহিত্যৰ পৰা ইয়াৰ উদাহৰণ দাঙি ধৰা হ'ল—

নৰ + ইন্দ্ৰ = নৰিন্দ

মহা + উৎসৱ = মহূসব

দীন + আণণি = দীণাণণি

পন্‌হ + উত্তৰং = পণ্‌হোত্তৰং আদি।

**মিশ্ৰ বহির্সন্ধি ঃ** অনুস্বাৰ সন্ধিকো মিশ্ৰ বহিৰ্সন্ধিৰ ভিতৰত ধৰিব পাৰি। পালিৰ তুলনাত প্ৰাকৃতত অনুস্বাৰ বহিৰ্সন্ধিৰ উদাহৰণ তেনেই কম। মিশ্ৰ বহিৰ্সন্ধিত প্ৰথম শব্দৰ শেষ স্বৰ বা অনুস্বাৰৰ লগত দ্বিতীয় শব্দৰ আদি ব্যঞ্জনৰ মাজত সন্ধি হয়। যেনে-

দিস + চক্কং = দিসাঅক্কং

নি + কলঙ্কা = নিক্কলঙা

একং + একং = একমেকং আদি।

## ৭.৪.১ বহির্সন্ধি

পালি-প্ৰাকৃত সন্ধিৰ জটিলতা হ্ৰাস পালে। সংস্কৃতত গদ্য-পদ্য সকলোতে সন্ধিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। পালি-প্ৰাকৃতত পদ্যতহে সন্ধিৰ বিশেষভাৱে হোৱা দেখা যায়। পালি-প্ৰাকৃতত পদ-মধ্যৱৰ্তী ব্যঞ্জন লোপ হোৱাৰ কাৰণে স্বৰ সংযুক্তিৰ বিশেষ ব্যৱহাৰ হ'বলৈ ধৰিলে। ফলত সংস্কৃত সন্ধি পালি-প্ৰাকৃতত তেনেই সৰল হৈ পৰিল। পালি-প্ৰাকৃতত পদান্ত ব্যঞ্জন লোপ পোৱাৰ কাৰণে সংস্কৃত ব্যঞ্জন সন্ধিও এই স্তৰৰ ভাষাত নোহোৱা হৈ পৰিল। সংস্কৃতত থকা শব্দ আৰু শব্দৰ মাজৰ সন্ধিও পালি-প্ৰাকৃতত খুব কম শব্দতহে বৰ্তি থাকিল। কিন্তু শব্দৰূপ আৰু ধাতুৰূপত শব্দৰ লগত প্ৰত্যয়-বিভক্তিৰ সন্ধি ৰক্ষিত হ'ল।

## ৭.৪.২ অন্তর্সন্ধি

পালি-প্ৰাকৃতৰ অন্তৰ্সন্ধিৰ তিনিটা ভাগ — **স্বৰ, মিশ্ৰ** আৰু **অক্ষৰ অন্তর্সন্ধি।**

**স্বৰ অন্তর্সন্ধি ঃ** পালি-প্ৰাকৃততো প্ৰথম শব্দ বা ধাতুৰ শেষ স্বৰ আৰু দ্বিতীয় প্ৰত্যয় বা বিভক্তিৰ আদি স্বৰৰ লগত হোৱা সন্ধিয়েই স্বৰ অন্তৰ্সন্ধি। যেনে-—

পালিৰ উদাহৰণ ঃ অপ্‌পমাদ + এণ = অপমাদেন

আয়ুধ + এণ = আয়ুধেন

পুত্ত + এণ = পুত্তেন আদি।

প্ৰাকৃতৰ উদাহৰণ ঃ বঅণ + এণ = বঅণেণ

মহুৰ + এণ = মহুৰেণ আদি।

পালি-প্ৰাকৃতৰ স্বৰ অন্তৰ্সন্ধিৰ এই উদাহৰণবোৰ সংস্কৃত স্বৰসন্ধিৰ অনুগত। এই স্তৰৰ ভাষাৰ নিজা ৰূপটোত এনে অন্তৰ্সন্ধিৰ ব্যৱহাৰ বিৰল।

**মিশ্ৰ অন্তৰ্সন্ধিঃ** এনে সন্ধিতো প্ৰথম শব্দ বা ধাতুৰ শেষ স্বৰ আৰু দ্বিতীয় প্ৰত্যয় বা বিভাজিত আদি ব্যঞ্জনৰ লগত মিলন হয়। পালি-প্ৰাকৃতত এনে সন্ধিৰ উদাহৰণো বৰ কম। কিয়নো প্ৰায়ক্ষেত্ৰতে মিলন হোৱা ধ্বনি দুটাৰ গুণগত পৰিবৰ্তন নহৈ প্ৰথম শব্দ বা ধাতুৰ লগত প্ৰত্যয় বা বিভাজিতো সাধাৰণভাবে লগ লাগি যায়।

| | |
|---|---|
| পালিৰ উদাহৰণ ঃ | ভূত+ সু = ভূতেসু |
| | ভজমান + স্স = ভজমানস্স |
| | ৰাজ + ম্হি = ৰাজম্হি আদি |
| প্ৰাকৃতৰ উদাহৰণ ঃ | কন্ন + হি = কণ্ণেহি |
| | ভূ + তব্য = হোঅবব, হোদবব আদি। |

**অক্ষৰ সন্ধি ঃ** এই বিধ সন্ধি হৈছে শব্দৰ ভিতৰৰ ধ্বনি পৰিবৰ্তন। পালি-প্ৰাকৃতত সংস্কৃতৰ যক্ত ধ্বনি বা একক ধ্বনি ধ্বনি পৰিবৰ্তনৰ বিভিন্ন প্ৰক্ৰিয়াৰে ভিন ভিন ধ্বনিলৈ পৰিবৰ্তন হয়। বিশেষকৈ যুক্ত ধ্বনিবোৰৰ সমীভৱন প্ৰক্ৰিয়াৰে হোৱা পৰিবৰ্তনক অক্ষৰ সন্ধিৰ ভিতৰত ধৰা হয়। যেনে —

অগ্নি>অগ্গি (পা. প্ৰা.)

অদ্য>অজ্জ (পা. প্ৰা.) আদি।

## ৭.৫ অসমীয়া ভাষাৰ সন্ধি

সংস্কৃতৰ আৰ্হিত পালি-প্ৰাকৃতৰ সন্ধিকো বহলভাবে **বহিৰ্সন্ধি** আৰু **অন্তৰ্সন্ধি** — এই দুটা ভাগত ভগাব পাৰি। সন্ধি হোৱা ধ্বনি দুটাৰ গুণৰ ওপৰত ভিত্তি কৰি পালি বহিৰ্সন্ধিক **স্বৰ বহিৰ্সন্ধি, মিশ্ৰ** বা **বমিস্সক বহিৰ্সন্ধি** আৰু **অনুস্বৰ** বা **নিগ্‌গহীত** বহিৰ্সন্ধিত ভগাব পাৰি। সেইদৰে প্ৰাকৃতৰ বহিৰ্সন্ধিক দুটা ভাগত ভগাব পাৰি — **স্বৰ বহিৰ্সন্ধি** আৰু **মিশ্ৰ বহিৰ্সন্ধি**। আনহাতে পালি-প্ৰাকৃতৰ অন্তঃ সন্ধিক তিনিটা ভাগত ভাগ কাৰ হৈছে —

(ক) **স্বৰ অন্তৰ্সন্ধি**

(খ) **মিশ্ৰ অন্তৰ্সন্ধি**

(গ) **অক্ষৰ অন্তৰ্সন্ধি**

### ৭.৫.১ বহিৰ্সন্ধি

পূৰ্বে উল্লেখ কৰা হৈছে যে নব্য ভাৰতীয় আৰ্য ভাষা অসমীয়াতো সংস্কৃত সন্ধিৰ জটিলতা ভালেখিনি হ্ৰাস পালে। সন্ধিৰ নিয়মৰ পিনৰপৰাও অসমীয়া সন্ধি সংস্কৃত

সন্ধিতকৈ সম্পূৰ্ণ পৃথক হৈ পৰিল। বিশেষকৈ বৰ্হিসন্ধি অৰ্থাৎ শব্দ আৰু শব্দৰ মাজৰ সন্ধি অসমীয়া ভাষাৰ নিজস্ব ৰূপটোও নাইকিয়া হৈ পৰিল। কিন্তু আন ভাৰতীয় আৰ্য ভাষাৰ দৰে অসমীয়াতো অজস্ৰ সংস্কৃত তৎসম শব্দ আছে। সংস্কৃততে বহিৰ্সন্ধি সিদ্ধ হৈ সেই শব্দবোৰ অসমীয়াত ব্যৱহৃত হৈছে। যেনে- হিমালয়, মহেন্দ্ৰ, দেৱাশীষ, মৃণ্ময়, জগন্নাথ আদি শব্দ। এই শব্দবোৰ সংস্কৃতৰ সন্ধি নিয়ম অনুযায়ীয়ে সাধিত হৈছে। ইবোৰৰ সন্ধি হোৱা প্ৰক্ৰিয়া অসমীয়াত ব্যাখ্যা নকৰিলেও চলে। তথাপি অসমীয়া ব্যাকৰণত সংস্কৃত সন্ধিৰ নিয়মেৰে এই শব্দবোৰ সাধিত হোৱা দেখুওৱা হৈছে। যেনে- 'অ' ৰ পিছত 'আ' থাকিলে দুয়ো মিলি 'আ' হয়। ওপৰৰ হিমালয় (হিম-আলয়) শব্দটো এই নিয়মেৰে সাধিত হৈছে। ইয়াৰ আৰ্হিতে অসমীয়াত এনে কিছুমান শব্দ গঢ় হৈ উঠিছে, যিবোৰত শব্দ আৰু শব্দৰ মাজত সন্ধি সাধিত হৈছে। এই শব্দবোৰ কেতিয়াবা সংস্কৃত তৎসম আৰু তৎসম হ'ব পাৰে, কেতিয়াবা বিদেশী আৰু সংস্কৃত তৎসম শব্দ হ'ব পাৰে আৰু কেতিয়াবা দুয়োটা ঘৰুৱা অসমীয়া শব্দ হ'ব পাৰে। যেনে—

মন+অন্তৰ=মনান্তৰ

যশ+আকাঙ্খা=যশাকাঙ্খা

জ্যোতি+ইন্দ্ৰ=জ্যোতিন্দ্ৰ

দিল্লী + ঈশ্বৰ = দিল্লীশ্বৰ

ভাৰত + ঈশ্বৰ = ভাৰতেশ্বৰ

ভোট + অধিকাৰ = ভোটাধিকাৰ

ফিল্ম + উৎসৱ = ফিল্মোৎসৱ আদি।

তৎসম আৰু তৎসম শব্দৰ মাজত সাধিত হোৱা মনান্তৰ, জ্যোতিন্দ্ৰ আদি শব্দ অসমীয়া মতে সাধিত শব্দ। সংস্কৃতত সেইবোৰৰ ৰূপ হ'ব ক্ৰমে মনোহন্তৰ, জ্যোতিৰিন্দ্ৰ আদি।

অসমীয়া ভাষাৰ মৌখিক ৰূপটোত কেতিয়াবা শব্দ আৰু শব্দৰ মাজত সন্ধি হোৱা শুনিবলৈ পোৱা যায়। যেনে- ডাক্ + ঘৰ = ডাগঘৰ, পাক্ + ঘৰ = পাগঘৰ। এই শব্দ দুটাত প্ৰথম শব্দৰ অন্ত্য 'ক্' আৰু দ্বিতীয় শব্দৰ আদ্য 'ঘ' মিলি 'গ' উচ্চাৰণ হৈছে। কিন্তু এয়া কথিত ৰূপতহে শুনা যায়, লিখোঁতে সদায় ডাকঘৰ, পাকঘৰেই লিখা হয়। ইয়াৰ বিপৰীতে কামৰূপী উপভাষাত মধ্য ধ্বনি লোপৰ ফলত দুটা শব্দৰ মাজত প্ৰায়ে বহিৰ্সন্ধি হয়। যেনে — তোৰ দৰে = তোদ্দৰে, তাক ধৰি = তাদ্‌ধৰি আদি।

নব্য ভাৰতীয় আৰ্য ভাষা অসমীয়াত সংস্কৃত সন্ধিৰ জটিলতা আৰু হ্ৰাস পালে। অসমীয়া ভাষাৰ নিজস্ব ৰূপটোত শব্দ আৰু শব্দৰ মাজৰ সন্ধি লোপ পালে। কিন্তু নতুন শব্দ গঠন, ধাতুৰূপ আৰু শব্দৰূপ আদিত শব্দ আৰু প্ৰত্যয়-বিভক্তিৰ মাজৰ সন্ধি ৰক্ষিত হ'ল।

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃত আৰু পালি-প্ৰাকৃতৰ বহিৰ্সন্ধিৰ বিষয়ে আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.................................................

.................................................

.................................................

.................................................

### ৭.৫.২ অসমীয়া অন্তৰ্সন্ধি

অসমীয়া ভাষাত অন্তৰ্সন্ধিৰহে প্ৰাধান্য আছে। অসমীয়াত অন্তৰ্সন্ধিৰ দুটা ভাগ স্বৰ অন্তৰ্সন্ধি আৰু মিশ্ৰ অন্তৰ্সন্ধি। মনকৰিবলগীয়া যে অসমীয়াত সৰহ সংখ্যক শব্দই ব্যঞ্জনান্ত হোৱাত আৰু প্ৰত্যয় বা বিভক্তিবোৰৰ আদ্যক্ষৰ প্ৰায়ে স্বৰ হোৱাত ইয়াত ব্যঞ্জন সন্ধিৰ সলনি ব্যঞ্জন আৰু স্বৰৰ মাজত হোৱা মিশ্ৰ সন্ধিৰহে ব্যৱহাৰ দেখা যায়। স্বৰ বা মিশ্ৰ অন্তৰ্সন্ধি হওঁতে সন্ধি হোৱা ধ্বনি দুটাৰ মাজত প্ৰায়ে 'য়' আৰু 'ৱ' শ্ৰুতিৰ আগম হয়।

স্বৰ অন্তৰ্সন্ধি ঃ খা + অন = খাৱন
ধো + অন = ধোৱন
গাঁও + অলীয়া = গাঁৱলীয়া আদি।

মিশ্ৰ অন্তঃৰ্সন্ধি ঃ ধান + অনি = ধাননি
জোল + ঈয়া = জুলীয়া
ৰ'দ + আলি = ৰ'দালি আদি।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালি-প্ৰাকৃত আৰু অসমীয়া অন্তৰ্সন্ধিৰ বিষয়ে আলোচনা কৰক। (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.................................................

.................................................

.................................................

.................................................

.................................................

সামগ্ৰিকভাৱে অসমীয়া ভাষাৰ সন্ধিকো বহিৰ্সন্ধি আৰু অন্তৰ্সন্ধি- এই দুটা ভাগত ভগাব পৰা যায়। কিন্তু অসমীয়া ভাষাৰ নিজস্ব ৰূপটোত বহিৰ্সন্ধি অৰ্থাৎ শব্দ আৰু শব্দৰ মাজত সন্ধি হোৱা দেখা নাযায়। কিন্তু অসমীয়া ভাষাৰ সংস্কৃতীয়া ৰূপটোত অৰ্থাৎ তৎসম শব্দবোৰত সংস্কৃততে সন্ধি-সিদ্ধ বহিৰ্সন্ধিৰ ভালেমান উদাহৰণ দেখা যায়। তাৰ আৰ্হিতে অসমীয়াত ভোটাধিকাৰ, ফিল্মোৎসৱ আদি বহিৰ্সন্ধি সিদ্ধ শব্দৰ ব্যৱহাৰ দেখা যায়। ইয়াৰ বিপৰীতে অসমীয়াত অন্তৰ্সন্ধিৰ প্ৰয়োগ অপৰিহাৰ্য। ঘাইকৈ নতুন শব্দ গঠনত, শব্দৰূপ আৰু ধাতুৰূপত অন্তৰ্সন্ধিৰ ব্যৱহাৰ মন কৰিবলগীয়া।

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া সন্ধিৰ শ্ৰেণীবিভাজন দেখুৱাওক। (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

..................................................................

..................................................................

..................................................................

..................................................................

## ৭.৬ সাৰাংশ (Summing Up)

এই বিভাগটিত সন্ধিৰ সংজ্ঞা, সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া সন্ধিৰ বিবিধ প্ৰকাৰ আৰু প্ৰতি প্ৰকাৰৰ সন্ধিৰ বিষয়ে উদাহৰসহ আলোচনা কৰা হ'ল। এই আলোচনাৰ পৰা দেখা গৈছে যে ভাৰতীয় আৰ্য ভাষাৰ তিনিওটা স্তৰত অৰ্থাৎ প্ৰাচীন ভাৰতীয় আৰ্যভাষা সংস্কৃতত, মধ্য ভাৰতীয় আৰ্য ভাষা পালি-প্ৰাকৃতত আৰু নব্য ভাৰতীয় আৰ্য ভাষা অসমীয়াত সন্ধিয়ে ক্ৰমে জটিলতৰ স্তৰৰ পৰা সৰলতৰ আৰু সৰলতৰ স্তৰৰপৰা আৰু সৰলতৰ স্তৰলৈ গতি কৰিছে। সন্ধিৰ কাৰণে এই তিনিওটা স্তৰৰ ভাষাত বিশেষকৈ সংস্কৃতত সন্ধি হোৱা ধ্বনি দুটাই বিস্তৃত ৰূপত ভিন্ন ৰূপ পৰিগ্ৰহ কৰিছে। ধ্বনি পৰিবৰ্তনৰ এনে প্ৰক্ৰিয়াৰ বিষয়ে জানিবলৈও সন্ধিৰ বিষয়ে ভালকৈ অৱগত হ'ব লাগিব।

## ৭.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১. সন্ধি বুলিলে কি বুজা যায়? সংস্কৃতত সন্ধি কোন ক্ষেত্ৰত বিশেষভাৱে দেখা যায়? সংস্কৃত সন্ধিৰ বিষয়ে চমুকৈ লিখক।

২. সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া সন্ধিৰ শ্ৰেণীবিভাগ কৰি সেই সম্পৰ্কে চমুকৈ আলোচনা কৰক।

৩. বহির্সন্ধি বুলিলে কি বুজা যায়? সংস্কৃত আৰু পালি-প্ৰাকৃতৰ বহির্সন্ধিৰ বিষয়ে আলোচনা কৰক।

৪. অন্তৰ্সন্ধি কাক বোলে? সংস্কৃত আৰু অসমীয়া অন্তৰ্সন্ধিৰ বিষয়ে উদাহৰণসহ লিখক।

৫. পালি-প্ৰাকৃতত অন্তৰ্সন্ধি কেই প্ৰকাৰ আৰু কি কি? উদাহৰণসহ আলোচনা কৰক।

## ৭.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত অপভ্ৰংশ ভাষা আৰু সাহিত্য*

লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ঃ *সমগ্ৰ ব্যাকৰণ কৌমুদী*

A.C. Woolner : *Introduction of Prakrit*

W.Geiger : *Pali Language and Literature*


*****

# দ্বিতীয় খণ্ড ঃ মধ্য ভাৰতীয় আৰ্যভাষাৰ ৰূপতত্ত্ব

প্ৰথম বিভাগ ঃ মধ্যভাৰতীয় আৰ্যভাষাৰ বচন, লিংগ আৰু কাৰক
দ্বিতীয় বিভাগ ঃ মধ্যভাৰতীয় আৰ্যভাষাৰ শব্দৰূপ
তৃতীয় বিভাগ ঃ সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ মুখ্য ধাতুৰ ৰূপ
চতুৰ্থ বিভাগ ঃ সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ গৌণ ধাতুৰূপ

# প্ৰথম বিভাগ

## মধ্যভাৰতীয় আৰ্যভাষাৰ বচন, লিংগ আৰু কাৰক

**বিভাগৰ গঠনঃ**

১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ মধ্যভাৰতীয় আৰ্যভাষাৰ বচন
১.৪ মধ্যভাৰতীয় আৰ্যভাষাৰ লিঙ্গ
১.৫ মধ্যভাৰতীয় আৰ্যভাষাৰ কাৰক আৰু কাৰক বিভক্তি
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ১.১ ভূমিকা (Introduction)

পূৰ্ববৰ্তী খণ্ডটিৰ শেষৰ বিভাগ দুটাত মধ্য ভাৰতীয় আৰ্যভাষাৰ ধ্বনিতত্ত্বৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত মধ্যভাৰতীয় আৰ্যভাষাৰ ৰূপতত্ত্বৰ তিনিটা গুৰুত্বপূৰ্ণ দিশ বচন, লিঙ্গ আৰু কাৰকৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

নামমূল বা প্ৰাতিপদিকৰ পাছত বিভিন্ন সৰ্গ সংযোগ কৰি বচন, লিংগ আৰু কাৰকৰ ভাৱ প্ৰকাশ কৰা হয়। একেদৰে বচন, লিঙ্গ আৰু কাৰকৰ বিভিন্ন বিভাজনো পোৱা যায়। মধ্যভাৰতীয় আৰ্য ভাষা অৰ্থাৎ পালি প্ৰাকৃতত এইবোৰৰ বিভাজন আৰু সৰ্গ সংযোগৰ প্ৰক্ৰিয়া সংস্কৃতৰ তুলনা বহু পৰিমাণে সৰল হৈ পৰে। এই বিভাগটিত মধ্যভাৰতীয় আৰ্যভাষাৰ স্তৰত বচন, লিঙ্গ আৰু কাৰকৰ দিশত কি কি পৰিৱৰ্তন হয় তাৰ বিষয়ে আলোচনা কৰা হ'ব। বিষয়বস্তু বোধগম্যতা স্পষ্ট কৰাৰ বাবে সংস্কৃত আৰু অসমীয়া ভাষাৰ ক্ষেত্ৰতো তিনিওটি বিষয়ৰ সন্দৰ্ভত আলোচনা দাঙি ধৰা হ'ব।

### ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- মধ্যভাৰতীয় আৰ্যভাষাৰ বচনৰ লগতে সংস্কৃত আৰু অসমীয়া ভাষাৰ বচন সন্দৰ্ভত কিছু কথা জানিব পাৰিব;
- সংস্কৃত, পালিপ্ৰাকৃত আৰু অসমীয়াৰ লিংগৰ ধৰণা লাভ কৰিব পাৰিব;
- সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ কাৰকৰ বিষয়ে আলোচনা কৰিব পাৰিব।

## ১.৩ মধ্যভাৰতীয় আৰ্যভাষাৰ বচন

সুপ্-তিঙাদি বিভক্তিযুক্ত পদৰ সংখ্যা যিহৰ দ্বাৰা নিৰূপিত হয় তাকেই বচন বোলে। সংস্কৃতত বিভক্তিসমূহতে বচনৰ অৰ্থ নিহিত হৈ থাকে। দৰাচলতে বচন অনুযায়ী থকা বিভক্তিৰ দ্বাৰাই সংখ্যাৰ ধাৰণা কৰা হয়। সংস্কৃতত বচন তিনিটা পোৱা যায়ঃ একবচন, দ্বিবচন আৰু বহুবচন। এটাক বুজালে একবচন, দুই বা দুটাক বুজালে দ্বিবচন আৰু দুটাতকৈ অধিক বুজালে বহুবচন বোলে। বচন অনুসৰি প্ৰতিটো বিভক্তিৰ তিনিটাকৈ ৰূপ আৰু সেই অনুসৰি সাত প্ৰকাৰৰ সুপ্ বিভক্তিৰ একৈশটা ৰূপ পোৱা যায়। সেই বোৰ এনেধৰণৰঃ

| | **একবচন** | **দ্বিবচন** | **বহুবচন** |
|---|---|---|---|
| প্ৰথমা | সু | ঔ | জস্ |
| দ্বিতীয়া | অম্ | ঔ | শস্ |
| তৃতীয়া | টা | ভ্যাম্ | ভিস্ |
| চতুৰ্থী | ঙে | ভ্যাম্ | ভ্যস্ |
| পঞ্চমী | ঙসি | ভ্যাম্ | ভ্যস্ |
| ষষ্ঠী | ঙস্ | ওস্ | আম্ |
| সপ্তমী | ঙি | ওস্ | সুপ্ |

এই বিভক্তিসমূহৰ আদি বৰ্ণ ‘সু’ আৰু অন্ত্য বৰ্ণ ‘প’; সেই বাবে প্ৰাতিপদিকৰ বচন আৰু কাৰক নিৰ্ণয় কৰা এই বিভক্তিবোৰক একেলগে ‘সুপ্’ বিভক্তি বোলা হয়। বিভক্তিসমূহত থকা উ, জ, শ, ঙ, প, লোপ হয়। ‘স’ বিসৰ্গ হয়। উদাহৰণ স্বৰূপে অ-কাৰান্ত ‘নৰ’ শব্দৰ প্ৰথমাৰ ৰূপ —

| | **একবচন** | **দ্বিবচন** | **বহুবচন** |
|---|---|---|---|
| প্ৰথমা | নৰ + সু > নৰস্/নৰঃ | নৰ + ঔ > নৰৌ | নৰ + জস্ > নৰ + অস্ >নৰাস্ > নৰাঃ |

তদুপৰি বিশেষ কিছুমান শব্দৰ ৰূপত, বিশেষকৈ অ-কাৰন্ত শব্দৰূপত বিভক্তিটোৰ আকৃতিৰ পৰিৱৰ্তন ঘটে। যেনে— অ-কাৰান্ত শব্দত তৃতীয়াৰ বহুবচনৰ ‘-ভিস’ > ‘-ঐস’ (ঐঃ) হয়। তেনেদৰে অ-কাৰান্ত শব্দৰ তৃতীয়াৰ এক বচনৰ ‘-টা’, পঞ্চমীৰ একবচনৰ ‘-ঙসি’, ষষ্ঠীৰ একবচনৰ ‘ঙস্’ ক্ৰমান্বয়ে ‘-ইন’, ‘-আৎ’ আৰু ‘-স্য’ হয়।

পালি-প্ৰাকৃতত বচন দুটা পোৱা যায়— একবচন আৰু বহুবচন। সংস্কৃতৰ দ্বিবচন পালি-প্ৰাকৃতত লোপ পালে। দ্বিবচনৰ ঠাই বহুবচনে ল’লে। দুটা বুজোৱা শব্দৰ আগত দ্বে, দুৱে, ৱে, দো আদি শব্দ ব্যৱহাৰ হ’ল। যেনে ঃ দো মোৰা।

পালি-প্ৰাকৃতৰ দৰে অসমীয়াতো বচন দুটা পোৱা যায় ঃ একবচন আৰু বহুবচন। অসমীয়াত দ্বিবচন নাই। দুটাৰ অৰ্থ প্ৰকাশ কৰিবলৈ ‘দুই’ৰ ‘দু’-ৰ লগত নিৰ্দ্দিষ্টবাচক -টা, -টো, -টি, -জন, -জনা, -জনী, -খন, -ডাল আদি প্ৰত্যয় যোগ কৰা হয়। যেনে ঃ কলম দুটা, বহী দুখন ইত্যাদি। কেতিয়াবা সংজ্ঞা শব্দৰ পিছত যোৰ, দ্বয়, উভয় আদি শব্দ

প্ৰয়োগ কৰিও দুটাৰ অৰ্থ বুজোৱা হয়। বচন অনুযায়ী অসমীয়াত শব্দৰূপ বেলেগ নহয়। সংস্কৃতত বিভক্তিতে সংখ্যা বা বচনৰ অৰ্থ নিহিত হৈ থাকে। অসমীয়াত কিন্তু একবচনৰ পদত বহুবচন বুজোৱা প্ৰত্যয় কিছুমান লগাই বহুবচনৰ অৰ্থ প্ৰকাশ কৰা হয় আৰু তাৰ পিছতহে বিভক্তি লগ লাগে।

**আত্মমূল্যায়ন প্ৰশ্ন**

সুপ্ বিভক্তি বুলিলে কি বুজা যায়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.....................................................................................

.....................................................................................

.....................................................................................

## ১.৪ মধ্যভাৰতীয় আৰ্যভাষাৰ লিঙ্গ

সংস্কৃতত পুংলিঙ্গ, স্ত্ৰীলিঙ্গ আৰু ক্লীৱলিঙ্গ এনেদৰে তিনিটা ভাগত বিভক্ত কৰি নামশব্দৰ লিঙ্গ নিৰূপন কৰা হয়। সংস্কৃতৰ লিঙ্গ নিৰ্ণয় এক জটিল প্ৰক্ৰিয়া। কিয়নো কেতিয়াবা অৰ্থ লক্ষ্য কৰি, কেতিয়াবা প্ৰত্যয়লৈ আৰু কেতিয়াবা শব্দৰ গঠন বা আকৃতি অনুযায়ী লিঙ্গ নিৰ্ণয় কৰা হয়। যেনে— 'ভাৰ্যা', 'দাৰ', 'কলত্ৰ' এই তিনিওটা শব্দই 'তিৰোতা' অৰ্থ প্ৰকাশ কৰে যদিও 'ভাৰ্যা' স্ত্ৰীলিঙ্গ, 'দাৰ' পুংলিঙ্গ আৰু 'কলত্ৰ' ক্লীৱলিঙ্গ। 'বন্ধু' অৰ্থত 'মিত্ৰ' শব্দ ক্লীৱলিঙ্গ, কিন্তু 'সূৰ্য' অৰ্থত 'মিত্ৰ' পুংলিঙ্গ। সংস্কৃতত কেৱল অৰ্থৰ প্ৰতি লক্ষ্য কৰি লিঙ্গ নিৰূপন কৰাটো টান। সংস্কৃতৰ লিঙ্গ ব্যাকৰণগত (Grammatical)। কিয়নো ইয়াত চেতন-অচেতন বস্তুৰ ভেদ নাৰাখি পুংলিঙ্গ-স্ত্ৰীলিঙ্গ আদি নিৰ্ণীত হয় আৰু ই সমগ্ৰ বাক্য গাঁঠনিত প্ৰভাৱ পেলায়।

সংস্কৃতত কোনবোৰ শব্দ পুংলিঙ্গ, স্ত্ৰীলিঙ্গ আৰু ক্লীৱলিঙ্গ তাৰ বিধান দিয়া আছে। সেই মৰ্মে কেতিয়াবা অৰ্থ অনুযায়ী, কেতিয়াবা শব্দৰ গঠন বা আকৃতি অনুযায়ী আৰু কেতিয়াবা প্ৰত্যয় সংযোগ অনুযায়ী লিঙ্গ নিৰূপন কৰা হয়। অৰ্থ লক্ষ্য কৰি দেৱবাচক (দেৱ, অমৰ, সুৰ, ৱিবুধ, ব্ৰহ্মা, ৰুদ্ৰ, বিষ্ণু), অসুৰবাচক (দানৱ, দৈত্য, দস্যু, অসুৰ), সূৰ্যবাচক (সূৰ্য, দিবাকৰ, মিত্ৰ, ৰবি, মিহিৰ), চন্দ্ৰবাচক (চন্দ্ৰ, সোম, ইন্দু, শশধৰ), বায়ুবাচক (বায়ু, পৱন, মৰুৎ), মেঘবাচক (মেঘ, জলধৰ, ৱাৰিৎভৃ), পৰ্বতবাচক (পৰ্ব্বত, গিৰি, শৈল, অচল) শব্দবোৰ পুংলিঙ্গ। তেনেদৰে লতাবাচক (লতা, ৱল্লী), ভূবাচক (ভূ, ভূমি, অচলা, ক্ষিতি, ধৰিত্ৰী, মেদিনী), নদীবাচক (নদী, তটিনী, সৰিৎ, তৰঙ্গিনী), নিশাবাচক (নিশা, ৰাত্ৰি, যামিনী, ৰজনী), ৱিদুৎ (বিজুলী) বাচক (চঞ্চলা, চপলা, সৌদামিনী) শব্দবোৰ স্ত্ৰীলিঙ্গ। অৰ্থ অনুসৰি মুখ, নয়ন, লৌহ, মাংস, ৰুধিৰ, জল, হল, বস্ত্ৰ, কাষ্ঠ, অমৃত, বন্ধু অৰ্থত মিত্ৰ আৰু অন্নবাচক, নক্ষত্ৰবাচক শব্দবোৰ ক্লীৱলিঙ্গ।

শব্দৰ গঠন বা আকৃতি অনুযায়ী যিবিলাক অ-কাৰান্ত শব্দৰ শেষৰ অ-কাৰৰ আগত ক্, ষ্, ণ্, ভ্, ম্, বা ৰ্ থাকে সেই শব্দবোৰ পুংলিঙ্গবাচক। যেনে ঃ লোক, তুষ, কণ, কুম্ভ, হোম, হৰ ইত্যাদি। কিন্তু অন্ত্য ম-কাৰান্ত শব্দবোৰ ক্লীৰলিঙ্গ। যেনে— তৃণম্, স্বৰ্ণম্, শৰীৰম্ ইত্যাদি। তেনেদৰে ৰিংশতিৰ পৰা নৱতি পৰ্যন্ত সংখ্যাবাচক শব্দবোৰ আৰু তিথিবাচক শব্দবোৰ স্ত্ৰীলিঙ্গ যেনে— ৰিংশতি, ত্ৰিংশৎ, দ্বিতীয়া, তৃতীয়া ইত্যাদি। শত, সহস্ৰ, অযুত, লক্ষ, নিযুত ইত্যাদি শব্দবোৰ সাধাৰণতে ক্লীৰলিঙ্গ। সেইদৰে দুটা মাথোন স্বৰবৰ্ণ থকা অস্, ইস্ আৰু অন্-ভাগান্ত শব্দবোৰ ক্লীৰলিঙ্গ। তদুপৰি কাৰণম্, শৰণম্, লক্ষণম্, পদম্ আদি শব্দবোৰ সদায় ক্লীৰলিঙ্গ।

প্ৰত্যয়ানুযায়ী ঘঞ্ (পাঠ, যাগ), অল্ (গ্ৰহ, দ্ৰোহ), ণঙ্ (যত্ন, প্ৰশ্ন, যজ্ঞ), ইমন্ (গৰিমা, লঘিমা, প্ৰেমা) প্ৰত্যয়ান্ত শব্দবোৰ পুংলিঙ্গবাচক। তেনেদৰে আপ্, ঙষি আৰু ঙীপ যুক্ত শব্দবোৰ (অজা, অশ্বা, ফৰ্ত্ৰী, ৰাজ্ঞী), দীৰ্ঘ উ প্ৰত্যয়ান্ত শব্দ (বালিকা, নাটিকা, মহিষী, তপস্বিনী), ক্তিন্ প্ৰত্যয়ান্ত শব্দ (গতি, বুদ্ধি, সৃষ্টি), ভাৱবাচ্যৰ অৰ্থত হোৱা ক্বিপ্ প্ৰত্যয়ান্ত শব্দ (আপত্, বিপত্), তল্ প্ৰত্যয়ান্ত শব্দ (সাধুতা, নম্ৰতা, পটুতা) স্ত্ৰীলিঙ্গৰ অন্তভূৰ্ক্ত। তেনেদৰে ভাৱবাচ্যত ব্যৱহাৰ হোৱা ক্ত প্ৰত্যয়ান্ত শব্দ (গতম্, স্নাতম্), তব্য, অনীয়, যৎ আৰু ণ্যৎ প্ৰত্যয়ান্ত শব্দ (গন্তব্যম্, স্নাতব্যম্, গমনীয়ম্, দেয়ম্, কাৰ্য্যম্), ষ্য্য প্ৰত্যয়ান্ত শব্দ (সৌভাগ্যম্) আৰু ত্ব প্ৰত্যয়ান্ত শব্দ (সাধুত্বম্) সদায় ক্লীৰলিঙ্গ হয়।

সংস্কৃতত শব্দবোৰ ৰূপ কৰোঁতে এই তিনিটা লিঙ্গ অনুসৰি সিহঁতৰ ৰূপসমূহো ভিন্নতৰ হয়। সেই বাবে সংস্কৃতত শব্দৰূপত লিঙ্গৰ ভূমিকা গুৰুত্বপূৰ্ণ।

সংস্কৃতৰ তিনিওটা লিঙ্গ পালি-প্ৰাকৃতত ৰক্ষিত যদিও সংস্কৃতৰ ব্যাকৰণগত লিঙ্গ লোপ পালে। অৰ্থানুযায়ী, শব্দৰ গঠন বা আকৃতি অনুযায়ী লিঙ্গ নিৰ্ণয় কৰাৰ যি পদ্ধতি সংস্কৃতত আছিল, পালি-প্ৰাকৃতত সেই পদ্ধতিৰ ভালেখিনি পৰিবৰ্তন ঘটিল। নতুন নিয়মেৰে লিঙ্গ নিৰ্ণয় কৰাৰ পদ্ধতি গঢ় লৈ উঠিল। পুংলিঙ্গবাচক শব্দত স্ত্ৰী প্ৰত্যয় যোগ দি স্ত্ৰীলিঙ্গ আৰু অনুস্বাৰ যোগ দি ক্লীৰলিঙ্গ গঠন কৰা হ'ল। তেনেদৰে সংস্কৃতৰ পুংলিঙ্গ শব্দ প্ৰাকৃতত ক্লীৰলিঙ্গ হ'ল আৰু ক্লীৰলিঙ্গ শব্দ পুংলিঙ্গ হ'ল। যেনে— সংস্কৃতত 'অগ্নি' পুংলিঙ্গ, কিন্তু প্ৰাকৃতত ক্লীৰলিঙ্গ। সংস্কৃতৰ ক্লীৰলিঙ্গ 'বৃক্ষ' শব্দ প্ৰাকৃতত 'ব্ৰছা' বা 'ৰুকখ' হৈ পুংলিঙ্গ হ'ল।

সংস্কৃতত প্ৰত্যেক লিঙ্গৰ ৰূপ ভিন ভিন, কিন্তু প্ৰাকৃতত পুংলিঙ্গ আৰু ক্লীৰলিঙ্গ শব্দৰ ৰূপ কৰ্তা আৰু কৰ্ম কাৰকৰ বাহিৰে সকলোতে একে। গতিকে লিঙ্গ অনুযায়ী সংস্কৃতত শব্দৰূপৰ যি বৈচিত্ৰ্য আছিল, সেয়া প্ৰাকৃত স্তৰত সৰল হৈ প্ৰধানতঃ দুটা লিঙ্গত পৰিণত হ'ল- পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ।

সংস্কৃতৰ লিঙ্গ বৈচিত্ৰ্য অসমীয়াতো নোহোৱা হ'ল। প্ৰাণীবাচক শব্দৰ ক্ষেত্ৰতহে অসমীয়াত মাথোন লিঙ্গভেদ হয়। অসমীয়া ভাষাৰ লিঙ্গ সম্পূৰ্ণৰূপে অৰ্থভিত্তিক অৰ্থাৎ অৰ্থ অনুসৰিহে মতা নে মাইকী চিনি উলিওৱা হয়। সেই ফালৰ পৰা অসমীয়াত লিঙ্গ দুবিধ— পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ। অসমীয়াত লিঙ্গ নিৰপেক্ষ ৰূপো কিছুমান আছে। যেনে—

মানুহ, হাতী, মাছ ইত্যাদি। এনে শব্দবোৰক উভয় লিঙ্গত ধৰা হয়। অসমীয়াত লিঙ্গ নিৰ্ণয় কৰিবলৈ এনেধৰণৰ ৰীতি অৱলম্বন কৰা হয় —

(১) মূল ৰূপৰ আগত মতা আৰু মাইকী শব্দ যোগ কৰি অথবা এই ৰূপৰ পিছত নিৰ্দ্দিষ্টতাবচক- টো, -জন, -জনী আদি প্ৰত্যয় যোগ কৰি লিঙ্গ নিৰূপন কৰা হয়। যেনে— মতা কুকুৰ, মাইকী কুকুৰ, মানুহজন, মানুহজনী ইত্যাদি।

(২) বেলেগ বেলেগ শব্দ ব্যৱহাৰ কৰিও লিঙ্গ নিৰ্ণয় কৰিব পাৰি। যেনে— স্বামী-স্ত্ৰী, ডেকা-গাভৰু ইত্যাদি।

(৩)-ঈ, -অনী, -নী, -ৰী আদি স্ত্ৰীপ্ৰত্যয় যোগ দিও লিঙ্গ নিৰূপন কৰা হয়। যেনে— খুৰা-খুৰী, পগলা-পাগলী, মিকিৰ-মিকিৰনী, বৰা-বৰানী, বেঙা-বেঙুৰী ইত্যাদি।

অসমীয়াত ব্যাকৰণগত লিঙ্গ নাই। বিশেষ্যৰ লিঙ্গ অনুযায়ী অসমীয়াত বিশেষণ আৰু ক্ৰিয়াপদৰ লিঙ্গ সলনি নহয়। যেনে—

ভাল ল'ৰাই সদায় সঁচা কয়।
ভাল ছোৱালীয়ে সদায় সঁচা কয়।

এই দুটা বাক্যত পুংলিঙ্গবাচক 'ল'ৰা' আৰু 'ছোৱালী' শব্দৰ বাবে 'ভাল' বিশেষণৰ আৰু 'কয়' ক্ৰিয়াপদৰ কোনো পৰিৱৰ্তন হোৱা নাই। অৱশ্যে দুই-এটা বিশেষণ শব্দৰ কেতিয়াবা লিঙ্গ অনুসৰি পৰিৱৰ্তন হোৱা দেখা যায়। যেনে— ৰূপহ কোঁৱৰ, ৰূপহী কুঁৱৰী।

অৰ্থগত লিঙ্গ বৈশিষ্ট্যৰ বাবেই অসমীয়াত লিঙ্গ অনুযায়ী শব্দৰূপ নহয়। সকলো লিঙ্গত একে বিভক্তিয়েই যোগ হয়।

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃত লিঙ্গৰ জটিলতা অসমীয়াত কেনেদৰে সৰল হ'ল? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................
..............................................................................
..............................................................................

### ১.৫ মধ্যভাৰতীয় আৰ্যভাষাৰ কাৰক আৰু কাৰক বিভক্তি

যিহৰ দ্বাৰা শব্দৰ সংখ্যা আৰু কাৰক বুজিব পৰা যায় তাকে বিভক্তি বোলে। যেনেঃ প্ৰথমা, দ্বিতীয়া, তৃতীয়া ইত্যাদি। বিভক্তি দুবিধঃ উপপদ বিভক্তি আৰু কাৰক বিভক্তি। কিছুমান নিৰ্দ্দিষ্ট অব্যয়ৰ যোগত কিছুমান নিৰ্দ্দিষ্ট বিভক্তি হয়, তাকেই উপপদ

বিভক্তি বোলে। 'প্ৰতি', 'অনু' আদি অব্যয়ৰ যোগত দ্বিতীয়া বিভক্তি যোগ হয়। যেনে— 'মানৱং প্ৰতি' - 'মানৱ' শব্দত যি দ্বিতীয়া বিভক্তি যোগ হৈছে সেয়া উপপদ বিভক্তি। আনহাতে 'মানৱমাহ্বায়তি' 'মানৱ' শব্দত যি দ্বিতীয়া বিভক্তি যোগ হৈছে সেয়া কাৰক বিভক্তি। সাধাৰণতে কোনো এঠাইত যদি উপপদ বিভক্তি আৰু কাৰক বিভক্তি উভয়কে ব্যৱহাৰ কৰিব লগা হয়, তেন্তে উপপদ বিভক্তিৰ পৰিৱৰ্তে কাৰক বিভক্তিহে প্ৰয়োগ কৰিব লাগে।

'ক্ৰিয়ান্বয়ি কাৰকম্' অৰ্থাৎ ক্ৰিয়াৰ লগত সম্বন্ধ থকা ৰূপেই হ'ল কাৰক। ক্ৰিয়াৰ লগত বিভক্তিযুক্ত নামশব্দৰ সম্বন্ধ বা অন্বয় সাধনেই কাৰক। ক্ৰিয়াৰ বাহিৰে অন্য পদৰ লগত সম্বন্ধ বুজোৱা শব্দ কাৰক নহয়। সংস্কৃতত কাৰক ছটা পোৱা যায়— কৰ্তা, কৰ্ম, কৰণ, সম্প্ৰদান, অপাদান আৰু অধিকৰণ। আনহাতে বিভক্তি সাতোটাঃ প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, পঞ্চমী, ষষ্ঠী আৰু সপ্তমী। যি প্ৰধানভাবে কোনো এটা কাম সম্পাদন কৰে, সেয়াই কৰ্তা কাৰক। কৰ্তা কাৰকত প্ৰথমা বিভক্তি হয়। যাৰ ওপৰত ক্ৰিয়া হয় বা কৰ্তাই যাৰ ওপৰত ক্ৰিয়া কৰি সম্পূৰ্ণতা লভে, সেয়াই কৰ্ম কাৰক। কৰ্মকাৰকত দ্বিতীয়া বিভক্তি হয়। যিহৰ দ্বাৰা কৰ্তাই ক্ৰিয়া নিষ্পন্ন কৰে সেয়াই কৰণ কাৰক। কৰণ কাৰকত তৃতীয়া বিভক্তি হয়। যাক কোনো বস্তু দান কৰা, সেয়া সম্প্ৰদান। সম্প্ৰদান কাৰকত চতুৰ্থী বিভক্তি যোগ হয়। যাৰ পৰা অথবা যিহৰ পৰা উৎপন্ন হোৱা, আঁতৰ হোৱা বুজায়, সেয়াই হৈছে অপাদান কাৰক। অপাদান কাৰকত পঞ্চমী বিভক্তি হয়। য'ত বা যিহৰ আধাৰত ক্ৰিয়া সম্পাদিত হয়, সেয়াই অধিকৰণ কাৰক। অধিকৰণ কাৰকত সপ্তমী বিভক্তি যোগ হয়। প্ৰচলিত সংস্কৃত ব্যাকৰণত শব্দৰূপৰ আলোচনাত সম্বন্ধ পদ আৰু সম্বোধনক ধৰি আঠোটা কাৰক দেখুৱা হৈছে। কিন্তু সম্বন্ধ পদ আৰু সম্বোধন কাৰক নহয়। কাৰোবাৰ লগত কিবা সম্বন্ধ বুজাবলৈ বা দুটা নামশব্দৰ লগত পাৰস্পৰিক সম্বন্ধৰ অৰ্থ জ্ঞাপন কৰা বুজাবলৈ সম্বন্ধ পদ হয়। সম্বন্ধ বুজাবলৈ ষষ্ঠী বিভক্তি প্ৰয়োগ কৰা হয়। সম্বন্ধ কাৰক নহয়; কিয়নো সম্বন্ধ পদৰ কোনো ক্ৰিয়াৰ লগত সম্বন্ধ নাথাকে। তেনেদৰে সম্বোধনতো ক্ৰিয়াৰ লগত নামপদৰ পোনপটীয়া সম্বন্ধ স্থাপিত নহয়। সেই বাবেই সম্বোধনক কাৰক বুলিব নোৱাৰি। কিন্তু সম্বন্ধ পদৰ দৰে সম্বোধনৰো তিনিটা বচন অনুযায়ী ৰূপ হয়। তেনেদৰে সম্বোধনৰ বাবে বেলেগ বিভক্তি নাই। প্ৰথমাৰ দ্বিবচন আৰু বহুবচনৰ বিভক্তিয়েই সম্বোধনৰ দ্বিবচন আৰু বহুবচনত প্ৰয়োগ হয়; মাথোন একবচনতহে কোনো কোনো শব্দৰ বেলেগ ৰূপ হোৱা দেখা যায়।

কাৰক অনুযায়ী বিভক্তিসমূহৰ ব্যৱহাৰ এনেদৰে দেখুৱাব পাৰি —

**অ-কাৰান্ত শব্দ -'নৰ'**

| **কাৰক** | **বিভক্তি** | **একবচন** | **দ্বিবচন** | **বহুবচন** |
|---|---|---|---|---|
| কৰ্তা | প্ৰথমা | নৰ+সু= নৰঃ | নৰ+ঔ= নৰৌ | নৰ+জস্ = নৰাঃ |
| কৰ্ম | দ্বিতীয়া | নৰ+অম= নৰম্ | নৰ+ঔ= নৰৌ | নৰ+শস্= নৰাণ |

| | | | | |
|---|---|---|---|---|
| কৰণ | তৃতীয়া | নৰ+টা= নৰেণ | নৰ+ভ্যাম= নৰাভ্যাম্ | নৰ+ভিস্= নৰৈঃ |
| সম্প্ৰদান | চতুৰ্থী | নৰ+ঙে= নৰায় | নৰ+ভ্যাম্= নৰভ্যাম্ | নৰ+ভ্যস্= নৰেভ্যঃ |
| অপাদান | পঞ্চমী | নৰ+ঙসি= নৰাৎ | নৰ+ভ্যাম্= নৰাভ্যাম্ | নৰ+ভ্যস্= নৰেভ্যঃ |
| অধিকৰণ | সপ্তমী | নৰ+ঙি=নৰে | নৰ+ওস্=নৰয়োঃ | নৰ+সুপ্=নৰেষু |
| সম্বন্ধ পদ | ষষ্ঠী | নৰ+ঙস্=নৰস্য | নৰ+ওস্=নৰয়োঃ | নৰ+আম্=নৰাণাম্ |
| সম্বোধন | | নৰ | নৰৌ | নৰাঃ |

সমকাৰকত্ব বা কাৰক বিভক্তিৰ অভিন্নতা পালি-প্ৰাকৃতৰ শব্দৰূপৰ এটি বিশেষ বৈশিষ্ট্য। সম্প্ৰদান আৰু সম্বন্ধপদৰ একবচনৰ বিভক্তি একাকাৰ হোৱাৰ লগতে কৰণ আৰু অপাদানৰ বহুবচন একে হৈ পৰিল। স্ত্ৰীলিঙ্গৰ বিশেষ্যৰ একবচনৰ ৰূপ কৰণৰ পৰা অধিকৰণলৈকে একাকাৰ হ'ল অৰ্থাৎ একে বিভক্তিয়েই সংযোগ হ'ল। আনহাতে অপভ্ৰংশ স্তৰত এই একাকাৰৰ প্ৰৱণতা বেছি হোৱা দেখা যায়। কৰ্তা কাৰক আৰু কৰ্মকাৰক প্ৰাকৃতত পৃথক অস্তিত্বৰে বৰ্তি থাকিলেও অপভ্ৰংশত সেই প্ৰভেদ নাইকিয়া হৈ এটা সাধাৰণ মুখ্য কাৰকত পৰিণত হ'ল। অপাদান কাৰক সম্প্ৰাদান-সম্বন্ধৰ লগত মিলি গৈছে, কৰণ কাৰক অধিকৰণৰ লগত এক হৈ পৰিছে। অপভ্ৰংশত কাৰকৰ অস্তিত্ব থাকিল মাত্ৰ তিনিটাৰঃ কৰ্তা-কৰ্ম, কৰণ-অধিকৰণ, সম্প্ৰদান-অপাদান-সম্বন্ধ। এনে সৰলতাৰ পৰাই পৰৱৰ্তী নব্য-ভাৰতীয় আৰ্য ভাষাসমূহত নতুন কাৰক প্ৰণালী গঢ়ি উঠিছে।

পালি-প্ৰাকৃতত বিকল্প বিভক্তিৰ ব্যৱহাৰ দেখা যায়। পালিত অ-কাৰান্ত শব্দৰ তৃতীয়া আৰু পঞ্চমীৰ একবচনত '-হি'ৰ ঠাইত কেতিয়াবা '-ভি' হয়; পঞ্চমীৰ একবচনত '-স্মা' আৰু সপ্তমীৰ একবচনত '-স্মি'ৰ সলনি ক্ৰমে '-ম্হা' আৰু '-ম্হি' হয়। তেনেদৰে ই-কাৰান্ত শব্দৰ প্ৰথমা আৰু দ্বিতীয়াৰ বহুবচনত '-য়ো'ৰ ঠাইত '-নো' হয়। প্ৰাকৃতৰ শব্দৰূপৰ বিভক্তিসমূহ পালিৰ সৈতে একে যদিও প্ৰাকৃতত বিকল্প '-ই', স্ত্ৰীলিঙ্গৰ প্ৰথমা দ্বিতীয়াৰ বহুবচনত বিকল্পে '-উ' আৰু '-ও' বিভক্তি, তৃতীয়া-চতুৰ্থী-ষষ্ঠী- সপ্তমীৰ একবচনত বিকল্পে '-অ', '-আ', '-ই', '-এ', বিভক্তি যোগ হয়। এনে বিকল্প বিভক্তিৰ বাবেই পালিতকৈ প্ৰাকৃতৰ শব্দৰূপ সুকীয়া হৈ আত্মপ্ৰকাশ কৰিছে। আনহাতে অপভ্ৰংশত দুটা প্ৰধান বৈশিষ্ট্য দেখা যায়— বিভক্তিহীনতা বা শূন্যবিভক্তিৰ প্ৰচলন আৰু অনুপদৰ প্ৰয়োগ। প্ৰথমা-দ্বিতীয়াৰ একবচনত বিভক্তিহীনতা বা কাচিৎ 'উ' বিভক্তিৰ ব্যৱহাৰ, বহুবচনতো বিভক্তিহীনতা; তৃতীয়াৰ একবচনত পালি- প্ৰাকৃতৰ '-এণ' বা '-ণ'ৰ সলনি '-এঁ'; পঞ্চমীৰ একবচনত পালি-প্ৰাকৃতৰ '-স্মা' বা '-হি'ৰ ঠাইত '-হুঁ', '-হেঁ'; ষষ্ঠীৰ একবচনত পালি-প্ৰাকৃতৰ '-সস্' ৰ ঠাইত '-হুঁ' বা '-সু' বা '-স্সু' সপ্তমীৰ একবচনত পালি-প্ৰাকৃতৰ '-স্মিং', '-স্মি', '-স্হি'ৰ ঠাইত '-হিঁ' বা '-মি' হ'ল। তেনেদৰে অপাদানত 'হোন্ত', 'হোন্তউ', 'হোন্তি', 'ঠিউ'; সম্বন্ধত 'কেৰ', 'কেৰঅ'; কৰণত 'তণ', 'সহুঁ', 'সো'; অধিকৰণত 'মাঝ', উপ্পৰি' আদি অনুপদৰ দ্বাৰা পদ গঠনৰ ৰীতি প্ৰতিষ্ঠা হ'ল। এনে অনুপদীয় ৰীতি পৰৱৰ্তী নব্য- ভাৰতীয় আৰ্যভাষাসমূহত বেছিকৈ প্ৰচলিত হোৱা দেখা যায়।

পালি-প্ৰাকৃত-অপভ্ৰংশৰ বিভক্তি বোৰ তলত দেখুওৱা হ'ল —

**পালিৰ বিভক্তি**

| **কাৰক** | **বিভক্তি** | **একবচন** | **বহুবচন** |
|---|---|---|---|
| কৰ্তা | ১মা | ও (বিসৰ্গৰ ঠাইত) | আ (আসে) |
| কৰ্ম | ২য়া | ং | এ |
| কৰণ | ৩য়া | এন (আ) | হি, ভি (এহি, এভি) |
| সম্প্ৰদান | ৪ৰ্থী | স্স (য়) | নং |
| অপাদান | ৫মী | স্মা, ম্হা | হি , ভি (এহি, এভি) |
| অধিকৰণ | ৭মী | স্মিং, ম্হি (এ) | সু |
| সম্বন্ধপদ | ৬ ষষ্ঠী | স্স (য়) | ণং |

**প্ৰাকৃতৰ বিভক্তি**

| **কাৰক** | **বিভক্তি** | **একবচন** | **বহুবচন** |
|---|---|---|---|
| কৰ্তা | ১মা | ও,এ (বিসৰ্গৰ ঠাইত) | আ (ণো, ও, উ) |
| কৰ্ম | ২য়া | ং | আ (ণো, এ, উ, ও) |
| কৰণ | ৩য়া | এণ (অ,আ, ই, এ) | হি, হিং, ভিং |
| সম্প্ৰদান | ৪ৰ্থী | স্স (অ, এ) | ণং (ণ) |
| অপাদান | ৫মী | হি (ও, আ, উ) | হিংতো, সুন্তো (হি, হিং) |
| অধিকৰণ | ৭মী | স্মি, ম্হি (এ) | সু (সুং) |
| সম্বন্ধপদ | ৬ ষষ্ঠী | স্স (আহ) (আএ) | ণং (ণ) |

(বিকল্প বিভক্তিসমূহৰ বন্ধনীৰ ভিতৰত দিয়া হৈছে।)

**অপভ্ৰংশৰ বিভক্তি**

| **কাৰক** | **বিভক্তি** | **একবচন** | **বহুবচন** |
|---|---|---|---|
| কৰ্তা | ১মা | ০(উ) | ০, আ |
| কৰ্ম | ২য়া | ং (উ) | ০, আ |
| কৰণ | ৩য়া | এঁ (এণ) | হি, হিং |
| সম্প্ৰদান | ৪ৰ্থী | হো, সু (স্সু) | হুঁ, ণ |
| অপাদান | ৫মী | হুঁ, হেঁ | হুঁ, হিঁ |
| অধিকৰণ | ৭মী | হিঁ, মি (স্মি) | হিঁ |
| সম্বন্ধপদ | ৬ ষষ্ঠী | হুঁ, সু (স্সু) | হুং, ণ |

অসমীয়াত কাৰক অনুযায়ীহে শব্দৰূপ হয়, অৰ্থাৎ কাৰক অনুযায়ী লগ লগা বিভিন্ন বিভক্তি আৰু অনুপদৰে পদ সাধন কৰি তাৰ দ্বাৰা ক্ৰিয়াৰ লগত সম্বন্ধ স্থাপন কৰা হয়। সংস্কৃত বা পালি-প্ৰাকৃততকৈ অসমীয়াত কাৰক আৰু কাৰকৰ ভাৱপ্ৰকাশৰ প্ৰণালী ভিন্ন। অপভ্ৰংশৰ কাৰক প্ৰণালীৰ লগতহে ইয়াৰ অধিক মিল দেখা যায়। অসমীয়াত কাৰক ছটা পোৱা যায়— কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত, অপাদান আৰু অধিকৰণ। সংস্কৃতৰ সম্প্ৰদান কাৰক অসমীয়াত নাই। কিয়নো অসমীয়াত কাৰোবাক যি কোনো বস্তু দিয়া অৰ্থত কৰ্মকাৰকহে হয়। সংস্কৃতত কৰ্ম কাৰকত দ্বিতীয়া বিভক্তি আৰু সম্প্ৰদান কাৰকত চতুৰ্থী বিভক্তি যোগ হৈ শব্দৰ ৰূপ সুকীয়া সুকীয়া হয়। অসমীয়াত সম্প্ৰদান কাৰক নাই যদিও চতুৰ্থী বিভক্তিযুক্ত এটি নতুন কাৰক পোৱা যায়ঃ নিমিত্ত কাৰক। অসমীয়া ভাষাত প্ৰতি, দিশ, নিমিত্ত আদি অৰ্থত ক্ৰিয়াৰ সৈতে কিছুমান শব্দৰ সম্পৰ্ক নিশ্চিত হয় আৰু এইটোকে নিমিত্ত কাৰক বোলে। নিমিত্ত কাৰকত চতুৰ্থী বিভক্তি হয়। যেনেঃ তাই কাজিৰঙালৈ গৈছিল। সংস্কৃতৰ দৰে অসমীয়াত সম্বোধনত কোনো বিভক্তি যোগ নহয় আৰু ই কাৰকৰো অন্তৰ্গত নহয়। আকৃতি বা শব্দৰ গঠন অনুযায়ী সংস্কৃতত সম্বোধন পদৰ পৰিবৰ্তন হয়; কিন্তু কোনো বিভক্তি নাই। অসমীয়াত অপাদানৰ কাৰণে কোনো বিভক্তি নাই। সম্বন্ধপদৰ ষষ্ঠী বিভক্তিৰ -'ৰ'ৰ পিছত 'পৰা' অনুপদ যোগ দি অপাদানৰ অৰ্থ প্ৰকাশ কৰা হয়। অসমীয়াত কেতিয়াবা এটা কাৰকৰ বিভক্তিৰে আন এটা কাৰকৰ ভাবো প্ৰকাশ কৰা হয়।

অসমীয়াত কাৰকৰ ভাৱ প্ৰকাশ কৰিবলৈ অৰ্থাৎ বাক্যত ব্যৱহাৰ হোৱা শব্দৰ লগত সম্বন্ধ ৰাখি বাক্যত পদ ৰূপে ব্যৱহাৰ কৰিবলৈ ছয়বিধ বিভক্তি ব্যৱহাৰ কৰা হয়। এইবোৰক শব্দ বিভক্তি বা কাৰক বিভক্তি বুলি কোৱা হয়। সেইবোৰ হৈছে —

| **কাৰক** | **বিভক্তি** | **স্বৰান্ত শব্দৰ পিছত** | **ব্যঞ্জনান্ত শব্দৰ পিছত** |
|---|---|---|---|
| কৰ্তা | প্ৰথমা | -০, -এ, (-ই) | -০, -এ |
| কৰ্ম | দ্বিতীয়া | -০, -ক | -০, -অক |
| কৰণ | তৃতীয়া | -এ, -ৰে | -এৰে |
| নিমিত্ত | চতুৰ্থী | -লৈ | -অলৈ |
| অধিকৰণ | সপ্তমী | -ত | -অত |
| সম্বন্ধপদ | ষষ্ঠী | -ৰ | -অৰ |

অসমীয়াত অপাদানৰ দৰে কৰণ কাৰকতো কেতিয়াবা 'দ্বাৰা', 'হতুৱাই' যোগ কৰি সেই কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। 'কৈ' বা 'কৰি' অনুপদ যোগ দিও অধিকৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। এই প্ৰাকৃতিবোৰ পদৰ শেষত যোগ হয় বাবে ইয়াক অনুপদ বুলি কোৱা হয় আৰু এইবোৰ বিভক্তি যোগ হোৱাৰ পিছত পদত লগ লাগে। অনুপদৰে কাৰকৰ ভাৱ প্ৰকাশ কৰা ৰীতি অপভ্ৰংশ স্তৰতে প্ৰতিষ্ঠা হয় আৰু এই অনুপদীয় ৰীতি পৰৱৰ্তী নব্য ভাৰতীয় সকলো ভাষাতে দেখা পোৱা যায়। অসমীয়াত সাধাৰণতে কৰণ, অপাদান আৰু অধিকৰণতহে অনুপদ যোগ হোৱা দেখা যায়।

**আত্মমূল্যায়ন প্ৰশ্ন**

পালি-প্ৰাকৃতৰ বিকল্প বিভক্তিসমূহ কি কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক।)

.................................................................

.................................................................

.................................................................

.................................................................

**সৰ্বনাম 'মই' শব্দ**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | মই | —— | আমি |
| দ্বিতীয়া - | মো-ক | —— | আমা-ক |
| তৃতীয়া - | মো-ৰে | —— | আমা-ৰ দ্বাৰা |
| চতুৰ্থী - | মো-লৈ | —— | আমা-লৈ |
| পঞ্চমী - | মো-ৰ | —— | আমা-ৰ |
| ষষ্ঠী- | মো-ত | —— | আমা-ত |
| সপ্তমী - | মো-ৰ পৰা | —— | আমা-ৰ পৰা |

**আত্মমূল্যায়ন প্ৰশ্ন**

১) সংস্কৃতৰ স্বৰান্ত শব্দৰূপক কি কি ভাগত ভাগ কৰিব পাৰি ? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................

.................................................................

.................................................................

.................................................................

২) অসমীয়া শব্দৰূপক সংস্কৃতৰ নিচিনাকৈ বিভাজন কৰিব পাৰি নে ? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.................................................................

.................................................................

.................................................................

.................................................................

## ১.৭ সাৰংশ (Summing Up)

ৰূপতত্ত্বৰ দিশত সংস্কৃতৰ জটিলতা মধ্যভাৰতীয় আৰ্য ভাষাত বহুলাংশে হ্ৰাস পায়। বচন, লিঙ্গ, কাৰক বিভক্তি, শব্দৰূপৰ বিভাজন আদি আটাইবোৰ দিশতে এই পৰিবৰ্তন ঘটে। সংস্কৃতৰ তিনিটা বচনৰ ঠাইত পালি-প্ৰাকৃত আৰু অসমীয়াত দুটাহে ৰক্ষিত হয়। সংস্কৃতৰ লিঙ্গ তিনিটা আৰু ইয়াৰ নিৰ্ণয় প্ৰক্ৰিয়া অত্যন্ত জটিল আছিল। পালি-প্ৰাকৃতত তিনিওবিধ লিঙ্গ ৰক্ষিত যদিও সংস্কৃতৰ ব্যাকৰণগত লিঙ্গ লোপ পাই ইয়াৰ জটিলতা হ্ৰাস পায়। অসমীয়াত মাত্ৰ দুটা লিঙ্গহে ৰক্ষিত হয় আৰু সংস্কৃতৰ লিঙ্গৰ বৈচিত্ৰ্যতা নোহোৱা হয়। কাৰক আৰু বিভক্তিৰ ক্ষেত্ৰতো সংস্কৃতৰ জটিলতা পালি-প্ৰাকৃত আৰু অসমীয়াত বচন আৰু লিঙ্গ অনুযায়ী সৰল হৈ পৰে। এই দিশত পালি-প্ৰাকৃতত বিকল্প বিভক্তিৰ প্ৰয়োগ মনকৰিবলগীয়া। অসমীয়াত সংস্কৃতৰ সম্প্ৰদান কাৰক নোহোৱা হৈ পৰিল আৰু অপাদানৰ কাৰণেও কোনো বিভক্তিৰ প্ৰয়োগ নোহোৱা হ'ল।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) মধ্যভাৰতীয় আৰ্যভাষাৰ বচন সম্পৰ্কে আলোচনা কৰক। সংস্কৃতৰ বচনৰ ধাৰণা পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাত কেনেদৰে সৰলতৰ হ'ল বুজাই লিখক।

(২) সংস্কৃত কাৰক বিভক্তিৰ এটি চমু পৰিচয় দি পালি-প্ৰাকৃতত এইবোৰ কেনেদৰে ৰক্ষিত হৈছে আলোচনা কৰক।

(৩) সংস্কৃত, পালি-প্ৰাকৃতৰ শব্দ বিভক্তিৰ তিনিখন পৃথক পৃথক তালিকা যুগুত কৰি সিবিলাকৰ প্ৰয়োগ সম্পৰ্কে এটি টোকা লিখক।

(৪) অসমীয়া কাৰকৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা লিখক।

(৫) সংস্কৃত ব্যঞ্জনান্ত শব্দৰূপৰ এটি আভাস দিয়ক।

(৬) সংস্কৃতত লিঙ্গ নিৰ্ণয়ৰ প্ৰধান উপায় কি কি ? সংস্কৃতৰ লগত অসমীয়া লিঙ্গ নিৰ্ণয়ৰ পদ্ধতি একেনে ? আলোচনা কৰক।

## ১.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


গোলোক চন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ঃ *সংস্কৃত-ব্যাকৰণ-কৌমুদী*

হৰিচন্দ্ৰ ভট্টাচাৰ্য ঃ *সংস্কৃত-ব্যাকৰণ-প্ৰভা*

লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*


*****

## দ্বিতীয় বিভাগ
## মধ্যভাৰতীয় আৰ্যভাষাৰ শব্দৰূপ

**বিভাগৰ গঠনঃ**

২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ সংস্কৃত ভাষাৰ শব্দৰূপ
২.৪ মধ্যভাৰতীয় আৰ্য ভাষাৰ শব্দৰূপ
২.৫ অসমীয়া ভাষাৰ শব্দৰূপ
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ বচন লিঙ্গ আৰু কাৰকৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত তিনিওটা ভাষাস্তৰৰ শব্দৰূপৰ বিষয়ে বিশ্লেষণ আগবঢ়োৱা হ'ব।

নামমূল বা প্ৰাতিপদিকৰ (Nominal base or stem) পাছত বিভিন্ন সৰ্গ সংযোগ কৰি বচন, লিংগ আৰু কাৰকৰ ভাৱ প্ৰকাশ কৰা হয়। এইদৰে কাৰক, বিভক্তি, বচন আৰু লিঙ্গ অনুযায়ী নামমূল বা প্ৰতিপদিকৰ ভিন ভিন ৰূপ হোৱা প্ৰাণালীয়েই হ'ল শব্দৰূপ (Declension)।

সংস্কৃত শব্দৰূপৰ প্ৰণালী পালি-প্ৰাকৃতত বহুখিনি সৰল হৈছে আৰু পালি-প্ৰাকৃতৰ পৰা অসমীয়া ভাষাত সি আৰু সৰলতৰ হৈ আত্মপ্ৰকাশ কৰিছে। সংস্কৃতৰ শব্দৰূপ যথেষ্ট জটিল। সংস্কৃত শব্দৰূপৰ জটিলতা পালি-প্ৰাকৃতত লোপ পালে আৰু অসমীয়াতো সংস্কৃতৰ জটিল শব্দৰূপে সৰল ৰূপ লাভ কৰিলে।

এই বিভাগটিত সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া শব্দৰূপৰ এটি তুলনামূলক আলোচনা দাঙি ধৰা হ'ব।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ আলোচিত কথাখিনি অধ্যয়ন কৰাৰ অন্তত আপুনি-

- সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া শব্দৰূপৰ শ্ৰেণীবিভাজনৰ বিষয়ে জানিব পাৰিব;


- সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়াত নাম শব্দবোৰে কাৰক বিভক্তি, বচন আৰু লিংগ অনুযায়ী কেনেধৰণৰ ৰূপ পৰিগ্ৰহ কৰে তাৰ এটি সম্যক ধাৰণা কৰিব পাৰিব;
- কেইটামান বিশেষ শব্দৰ শব্দৰূপ ব্যাখ্যা কৰিব পাৰিব।

## ২.৩ সংস্কৃত ভাষাৰ শব্দৰূপ

সংস্কৃত শব্দৰূপক প্ৰধানকৈ দুটা ভাগত ভাগ কৰিব পাৰি— নামশব্দ ৰূপ (nominal declension) আৰু সৰ্বনাম শব্দৰ ৰূপ (pronominal declension)। সাধাৰণতে নামশব্দই বিশেষ্য, বিশেষণ, সংখ্যাবাচক আৰু সৰ্বনাম শব্দ সামৰি লয়। কিন্তু শব্দ-ৰূপৰ ক্ষেত্ৰত বিশেষ্য, বিশেষণ আৰু সংখ্যাবাচক শব্দবোৰৰ ৰূপৰ লগত সৰ্বনাম শব্দবোৰৰ ৰূপৰ প্ৰভেদ পৰিদৃষ্টমান। এই প্ৰভেদৰ ভিত্তিতেই নাম শব্দৰ ৰূপক nominal আৰু pronominal এই দুটা ভাগত বিভক্ত কৰা হৈছে।

শব্দবোৰৰ আকৃতি বা গঠন অনুযায়ী অৰ্থাৎ শব্দবোৰৰ অন্ত্যত থকা স্বৰ বা ব্যঞ্জন অনুসৰি নাম শব্দৰ ৰূপক এনেদৰে ভাগ কৰিব পাৰি —

**নাম শব্দৰ ৰূপ** (বিশেষ্য বা সংজ্ঞাবাচক শব্দ)




**স্বৰান্ত শব্দৰূপ ঃ** স্বৰেৰে শেষ হোৱা শব্দৰূপেই স্বৰান্ত শব্দৰূপ। যেনে— নৰ, মুনি, লতা, নদী, সাধু ইত্যাদি। স্বৰান্ত শব্দবোৰক ওপৰত দেখুৱাৰ দৰে প্ৰধানকৈ তিনিটা শ্ৰেণীত বিভাজন কৰিব পাৰি—

(১) অ-শ্ৰেণী বা অ-কাৰান্ত (২) ই আৰু উ-শ্ৰেণী বা ই-কাৰান্ত আৰু উ-কাৰান্ত (৩) আ, ঈ, ঊ-শ্ৰেণী বা আ-কাৰান্ত, ঈ-কাৰান্ত আৰু ঊ-কাৰান্ত। অ-শ্ৰেণী বা অ-কাৰান্ত শব্দই সমস্ত স্বৰান্ত শব্দৰ ভিতৰত প্ৰধান। এই শ্ৰেণীয়ে বহুখিনি পুংলিঙ্গ আৰু ক্লীৱলিঙ্গ শব্দক সামৰি লোৱাৰ উপৰিও শব্দৰূপৰ ক্ষেত্ৰত ভালেখিনি বৈশিষ্ট্য আছে। যেনে—

(১) অ-কাৰান্ত শব্দৰ কোনো স্ত্ৰীবাচক ৰূপ নাই; মাথোন পুংলিঙ্গ আৰু ক্লীৱলিঙ্গবাচক ৰূপহে হ'ব পাৰে।

(২) অ-কাৰান্ত শব্দবিলাকত সুপ-বিভক্তিসমূহে বেলেগ বেলেগ ৰূপ লয়। যেনে— অ-কাৰান্ত শব্দৰ শেষত- ভিস্, টা, ঙসি, ঙস্ বিভক্তি যোগ হ'লে সেইবোৰৰ ঠাইত ক্ৰমে- ঐস্ -ইন (-এন) -আৎ আৰু -স্য হয়। নিদৰ্শন স্বৰূপে- নৰ+ভিস্>নৰৈঃ; নৰ+টা>নৰেণ; নৰ+ঙসি>-নৰাৎ; নৰ+ঙস্>নৰস্য ইত্যাদি।

(৩) অ-কাৰান্ত শব্দসমূহত সুপ্-বিভক্তি যোগ হ'লে শেষ স্বৰটোৱে গুণ বা বৃদ্ধি ৰূপ লাভ কৰে। যেনে —

প্ৰথমাৰ বহুবচন ঃ নৰ+ঙসি>নৰাঃ (অ+অ>আ)

পঞ্চমীৰ একবচন ঃ নৰ+ঙসি>নৰাৎ (অ+অ>আ)

সপ্তমীৰ একবচন ঃ নৰ+ঙি>নৰে (অ+ই>এ)

অ-কাৰান্ত শব্দৰূপৰ স্বৰৰ এনে গুণ-বৃদ্ধি এক উল্লেখযোগ্য বৈশিষ্ট্য।

(৪) অ-কাৰান্ত ক্লীৱলিঙ্গবাচক শব্দ কৰ্তা আৰু কৰ্ম-কাৰকৰ বাহিৰে আন কাৰকত অ-কাৰান্ত পুংলিঙ্গ শব্দৰ দৰে একে ৰূপ হয়। যেনে— পুংলিঙ্গ অ-কাৰান্ত 'নৰ' শব্দ ।

| | **একবচন** | **দ্বিবচন** | **বহুবচন** |
|---|---|---|---|
| কৰ্তা কাৰক- | নৰঃ | নৰৌ | নৰাঃ |
| কৰ্ম কাৰক- | নৰম্ | নৰৌ | নৰাণ্ |

**ক্লীৱলিঙ্গ অ-কাৰান্ত 'মিত্ৰ' শব্দ**

| | **একবচন** | **দ্বিবচন** | **বহুবচন** |
|---|---|---|---|
| কৰ্তা কাৰক- | মিত্ৰম্ | মিত্ৰে | মিত্ৰাণি |
| কৰ্ম কাৰক- | মিত্ৰম্ | মিত্ৰে | মিত্ৰাণি |

ইয়াৰ অন্য কাৰকসমূহৰ ৰূপ অ-কাৰান্ত পুংলিঙ্গৰ দৰে হয়।

(৫) অ-কাৰান্ত শব্দৰূপৰ দ্বিবচনত স্বৰাগম এটি উল্লেখনীয় দিশ; কিয়নো সম্প্ৰাদান আৰু অপাদানত '-ভ্যাম্' বিভক্তি যোগ হ'লে 'আ' আগম হয়। সেইদৰে সম্বন্ধ আৰু অধিকৰণত '-ওস্' বিভক্তি যোগ হ'লে 'য়' হয়। যেনে— নৰ+ভ্যাম্ > নৰাভ্যাম্; নৰ+ওস্ > নৰ+ওঃ> নৰয়ো।

(৬) অ-কাৰান্ত শব্দৰ বহুবচনত কৰ্তাকাৰকত বহুবচনৰ বিভক্তি '-জস্' (অস্) যোগ হ'লে স্বৰৰ বৃদ্ধি হয়। যেনেঃ নৰ+জস>নৰ+অস্>নৰাঃ (অ-অ-আ)।

(৭) কৰ্ম কাৰকত পুংলিঙ্গ শব্দত শস্ > আন্ হয় আৰু কৰণ কাৰকত ভিস্ > ঐঃ হয়। তেনেদৰে সম্বন্ধ পদত বহুবচনৰ বিভক্তি -আম > নাম হয়। যেনে— নৰ + আম্ >নৰাণাম। সেইদৰে অধিকৰণত '-সুপ' বিভক্তি যোগ হ'লে 'এ' তালব্য স্বৰৰ প্ৰভাৱত স>ষ হয়। যেনে— নৰ + সুপ্ > নৰসু > নৰেসু।

যদিও শব্দৰূপৰ ক্ষেত্ৰত সংস্কৃতত জটিলতা দেখা যায় তথাপিও বৈদিকতকৈ সংস্কৃতৰ শব্দৰূপ ভালেখিনি সৰল। অ-কাৰান্ত শব্দৰূপত বৈদিকত দুটা ৰূপ আছিল;

কিন্তু সংস্কৃতত এটা হ'ল। যেনে— কর্তাকাৰকত বহুবচনত দেৱাঃ, দেৱাসঃ, কিন্তু সংস্কৃতত অকল দেৱাঃ। তেনেদৰে কৰণ কাৰকৰ বহুবচনত নৰৈঃ, নৰেভিঃ, কিন্তু সংস্কৃতত নৰৈঃ। অ-কাৰান্ত ক্লীৱলিঙ্গৰ শব্দৰূপতো বৈদিকত কৰ্তাকাৰকৰ বহুবচনত দুটা ৰূপ আছিল। যেনে— ফলা, ফলানি; কিন্তু সংস্কৃতত মাথোন 'ফলা'হে থাকিল। তেনেদৰে ই-কাৰান্ত, উ-কাৰান্ত শব্দৰূপৰ ক্ষেত্ৰতো দুটাকৈ থকা ৰূপবোৰ সংস্কৃতত মাথোন এটাহে থকা দেখা যায়।

সংস্কৃতত ই-কাৰান্ত আৰু উ-কাৰান্ত পুংলিঙ্গৰ শব্দৰূপ অ-কাৰান্ত পুংলিঙ্গৰ দৰেই ৰূপ লয়; কিন্তু আকৃতিৰ বৈশিষ্ট্যৰ বাবে বেলেগ বেলেগ হৈ দেখা দিয়ে। ক্লীৱলিঙ্গৰ ই-উ-কাৰান্ত শব্দৰূপৰ প্ৰধান বিশেষত্ব হ'ল কৰণ কাৰকৰ পৰা অধিকৰণ কাৰকলৈকে অ-কাৰান্ত ক্লীৱলিঙ্গৰ দৰে ৰূপ নহৈ এটা 'ন' প্ৰাতিপদিকত যোগ হয় আৰু স্বৰ আগম হয়। যেনেঃ ৱাৰিণা, ৱাৰিণে, ৱাৰিণঃ, ৱাৰিণি ইত্যাদি।

আ/ঈ/ঊ-কাৰান্ত শব্দসমূহ প্ৰধানকৈ স্ত্ৰীলিঙ্গবাচক। এই শ্ৰেণীত লতা, নদী, বধূ আদি শব্দ পোৱা যায়।

**মধ্যৱৰ্তী বা অন্তৰৱৰ্তী শব্দৰূপঃ** এই শ্ৰেণীত আংশিকভাৱে স্বৰান্ত আৰু আংশিকভাৱে ব্যঞ্জনান্ত গুণ থকা শব্দৰূপসমূহ পৰে। ঋ-কাৰান্ত আৰু দ্বি-স্বৰান্ত শব্দৰূপ এই মধ্যৱৰ্তী বা অন্তৰৱৰ্তী শ্ৰেণীৰ অন্তৰ্গত। সংস্কৃত পিতৃ, মাতৃ দাতৃ, ভ্ৰাতৃ, জামাতৃ আদি শব্দবোৰ ঋ-কাৰান্ত আৰু ৰৈ, গ্লৌঃ আদি শব্দবোৰ দ্বি-স্বৰান্ত শ্ৰেণীৰ ভিতৰত পৰে। সংস্কৃত বৈয়াকৰণসকলে এইবিলাক স্বৰান্ত শব্দ ৰূপৰ ভিতৰতে সাঙুৰিছে। কিন্তু কিছুমান ৰূপত স্বৰান্ত শব্দৰূপৰ বৈশিষ্ট্য থাকিলেও কিছুমানত দেখা নাযায়; ব্যঞ্জনান্ত শব্দৰ কৰ্মকাৰকৰ বহুবচনত '-ন' হয়। উদাহৰণ স্বৰূপে— ঋষীণ্, শিশুন, পতীন আদি। এইদৰে ঋ-কাৰান্ত 'পিতৃ' শব্দতো 'পিতৄন্' পোৱা যায়। সম্বন্ধপদৰ বহুবচনৰ 'নাম্' বিভক্তি যোগ হ'লে 'পিতৃনাম্' পোৱা যায়। এনেধৰণে স্বৰান্ত শব্দৰূপৰ বিশেষত্ব ৰক্ষিত হৈছে। আনহাতে ব্যঞ্জনান্ত শব্দও কৰ্মকাৰকৰ একবচনত '-অম্' হয়; ঋ-কাৰান্ত পিতৃ, মাতৃ শব্দ কৰ্মকাৰকৰ একবচনত পিতৰম্, মাতৰম্ হয়। এনেদৰে ব্যঞ্জনান্ত শব্দত কৰণ কাৰকৰ একবচনত '-আ' বিভক্তি যোগ হয়। যেনে— মনসা, আশিষা, ৱিদুষা আদি। ঋ-কাৰান্ত পিতৃ, মাতৃ শব্দতো কৰণকাৰকৰ একবচনত '-আ' যোগ হৈ পিত্ৰা, মাত্ৰা ৰূপ হয়। অধিকৰণৰ একবচনতো ব্যঞ্জনান্ত শব্দৰ দৰে ঋ-কাৰান্ত শব্দত '-ই' যোগ হয়। যেনে— পিতৰি, মাতৰি আদি।

সেইদৰে দ্বি-স্বৰান্ত শ্ৰেণীয়েও স্বৰান্ত হৈও ব্যঞ্জনান্ত শব্দৰ দৰে ৰূপ লোৱা দেখা যায়। সেই বাবেই এই শ্ৰেণী মধ্যৱৰ্তী বা অন্তৰৱৰ্তী শ্ৰেণীৰ ভিতৰত পৰে। এই শ্ৰেণীৰ বিশেষত্ব হ'ল যে ব্যঞ্জনান্ত শব্দৰূপৰ বৈশিষ্ট্য বহন কৰিলেও ঐ- প্ৰাতিপদিকৰ ৰূপ উ-কাৰান্ত শব্দৰূপৰ লগত যথেষ্ট সাদৃশ্য দেখা যায়।

**ব্যঞ্জনান্ত শব্দৰূপঃ** যিবোৰ শব্দৰ অন্ত্যধ্বনি ব্যঞ্জন সেইবোৰেই ব্যঞ্জনান্ত শব্দ। যেনে— মহৎ, পথিন্, ৰাজান্ আত্মন্ ইত্যাদি। ব্যঞ্জনান্ত শব্দ আৰু স্বৰান্ত শব্দৰ মাজত

কেৱল অন্ত্যধ্বনিৰ ক্ষেত্ৰতেই পাৰ্থক্য নহয়, ৰূপগত ক্ষেত্ৰতো দেখা যায়। যেনে— কৰ্মকাৰকৰ বহুবচনৰ বিভক্তি স্বৰান্ত শব্দত '-ম' হয়; ব্যঞ্জনান্ত শব্দত '-অম্' হয়। উদাহৰণ স্বৰূপে-আত্মানম্ (আত্মন্-অম) ৰাজানম্ (ৰাজন্-অম); বিভক্তি যোগ হোৱা বাবে শব্দটোৰ আভ্যন্তৰীণ পৰিৱৰ্তন হোৱা দেখা যায়। কিন্তু স্বৰান্ত শব্দত '-ম' যোগ হ'লে এইধৰণৰ পৰিৱৰ্তন হোৱা দেখা নাযায়। যেনে— দেৱম্, পতিম্। এনেদৰে স্বৰান্ত শব্দত সম্বন্ধ পদৰ একবচনত '-স্য' (-ঙস্>স্য) হয়। যেনে— দেৱ+ঙস্ > দেৱস্য। কিন্তু ব্যঞ্জনান্ত শব্দত '-অস' (সঃ) হয়। যেনে— আত্মনঃ, ৰাজ্ঞঃ। স্বৰান্ত শব্দত সম্বন্ধৰ বহুবচনত '-নাম' বিভক্তি যোগ হয়। যেনে— দেৱানাম (দেৱ+আম)। কিন্তু ব্যঞ্জনান্ত শব্দত প্ৰায়ে '-আম' হয়। যেনে— ৰাজ্ঞাম্। ব্যঞ্জনান্ত প্ৰাতিপদিকক দুই প্ৰকাৰত ভগাব পাৰি— মৌলিক বা ধাতুমূলক আৰু সাধিত।

ব্যঞ্জনান্ত শব্দবোৰৰ ৰূপ লক্ষ্য কৰি পৰিৱৰ্তনীয় আৰু অপৰিৱৰ্তনীয়, এইদৰে দুটা ভাগত ভাগ কৰিব পাৰি। যিবোৰ শব্দ ৰূপ কৰোঁতে আভ্যন্তৰীণ পৰিৱৰ্তন হয়, সেয়াই পৰিৱৰ্তনীয়। যেনে— ৱিদ্বস্, শ্ৰেয়স্, জঘ্নিৱস্ ইত্যাদি। যিবোৰ শব্দ ৰূপ কৰোঁতে প্ৰাতিপদিকৰ কোনো আভ্যন্তৰীণ পৰিৱৰ্তন নহয়, সেয়াই অপৰিৱৰ্তনীয়। যেনে— সমাজ, বণিজ্, গুনিন্, নিশ্ ইত্যাদি।

প্ৰাতিপদিক আৰু বিভক্তিৰ মাজত প্ৰত্যয় লগ লাগিলে প্ৰাতিপদিকৰ আভ্যন্তৰীণ পৰিৱৰ্তন ঘটি দুই বা তিনিধৰণৰ ৰূপ হয়। এই ৰূপবোৰ প্ৰৱল হ'ব পাৰে, দুৰ্বল হ'ব পাৰে আৰু মধ্যমীয়া হ'ব পাৰে। উদাহৰণ স্বৰূপে বৰ্তমান আৰু ভৱিষ্যত কালৰ কৃদন্ত ৰূপ '-অন্ত' (ৱন্ত) যোগ হ'লে প্ৰৱল ৰূপ আৰু '-অৎ', '-উষ্' যোগ হ'লে দুৰ্বল ৰূপ গঠিত হয়।

সেইদৰে '-ৱৎ' যোগ হ'লে মধ্যমীয়া ৰূপ গঠন হয়। উদাহৰণ স্বৰূপে শতৃ (বৰ্তমান কৃদন্ত) প্ৰত্যয়ান্ত 'ৱিদ্বস্' শব্দটোৰ কৰ্তা, কৰ্ম আৰু কৰণ কাৰকৰ একবচন, দ্বিবচন আৰু বহুবচনত ৰূপ কৰি দেখুৱা হ'ল —

| | **একবচন** | **দ্বিবচন** | **বহুবচন** |
|---|---|---|---|
| কৰ্তা ১মা— | ৱিদ্বান্ | ৱিদ্বাংসৌ | ৱিদ্বাংসঃ |
| কৰ্ম ২য়া— | ৱিদ্বাংসম্ | ৱিদ্বাংসৌ | ৱিদুষঃ |
| কৰণ ৩য়া— | ৱিদুষা | ৱিদ্বদ্ভ্যাম্ | ৱিদ্বদ্ভিঃ |

কিন্তু এনে কিছুমান শব্দ আছে যিবোৰ ৰূপ কৰোঁতে মূল ৰূপৰ কোনো পৰিৱৰ্তন নহয়। মাথোন কাৰক অনুযায়ী প্ৰাতিপদিকৰ স্বৰৰ কিছু পৰিবৰ্তন হয়। ব্যঞ্জনৰ আভ্যন্তৰীণ পৰিবৰ্তন নোহোৱা এনে ব্যঞ্জনান্ত শব্দৰূপেই অপৰিৱৰ্তনীয় ব্যঞ্জানান্ত।

**সৰ্বনাম শব্দৰ ৰূপ ঃ** সংস্কৃতত বিশেষ্য আৰু সৰ্বনাম শব্দ ৰূপত একে সুপ্ বিভক্তিকে প্ৰয়োগ কৰা হয় যদিও কিছুমান সৰ্বনাম আৰু বিশেষ্য শব্দৰ ৰূপৰ মাজত পাৰ্থক্য দেখা যায়। সাধাৰণতে ব্যক্তিবাচক সৰ্বনামৰ ৰূপৰ ক্ষেত্ৰত আৰু বেছিভাগ পুংলিঙ্গ-

বাচক সৰ্বনাম শব্দৰ ৭মী একবচনত 'স্মিন্' বিভক্তিৰ যোগ হয়। 'স্মিন্' বিভক্তি কেতিয়াবা বিশেষ্য শব্দত যোগ নহয়।

সৰ্বনাম শব্দবোৰৰ ৰূপগত বৈশিষ্ট্যলৈ লক্ষ্য কৰি সৰ্বনাম শব্দৰ ৰূপক প্ৰধানকৈ দুটা ভাগত বিভক্ত কৰিব পাৰি — (ক) লিঙ্গ নিৰ্বিশেষে ব্যক্তিবাচক সৰ্বনামৰ ৰূপ আৰু (খ) প্ৰশ্নবোধক আৰু সম্বন্ধবাচক সৰ্বনামসহ নিৰ্দেশবোধক সৰ্বনামৰ ৰূপ।

উত্তম পুৰুষৰ ব্যক্তিবাচক সৰ্বনাম 'অস্মদ্' আৰু মধ্যম পুৰুষৰ ব্যক্তিবাচক সৰ্বনাম 'যুষ্মদ' শব্দৰ ৰূপ দেখুৱা হ'ল —

**অস্মদ্ (মই, আমি- পুং, ক্লী)**

| | | **একবচন** | **দ্বিবচন** | **বহুবচন** |
|---|---|---|---|---|
| কৰ্তা | ১মা | অহম্ | আৱাম্ | ৱয়ম্ |
| কৰ্ম | ২য়া | মাম্, মা | আৱাম্, নৌ | অস্মান, নঃ |
| কৰণ | ৩য়া | ময়া | আৱাভ্যাম্ | অস্মাভিঃ |
| সম্প্ৰদান | ৪ৰ্থী | মহ্যম্, মে | আৱাভ্যাম্, নৌ | অস্মভ্যম্ , নঃ |
| অপাদান | ৫মী | মৎ | আৱাভ্যাম্ | অস্মৎ |
| সম্বন্ধপদ | ৬ষ্ঠী | মম, মে | আৱয়ো, নৌ | অস্মাকম্, নঃ |
| অধিকৰম | ৭মী | ময়ি | আৱয়োঃ | অস্মাসু |

**যুষ্মদ্ (তুমি, তোমালোক- পুং, স্ত্ৰী, ক্লী)**

| | | **একবচন** | **দ্বিবচন** | **বহুবচন** |
|---|---|---|---|---|
| কৰ্তা | ১মা | ত্বম্ | যুৱাম্ | যুয়ম্ |
| কৰ্ম | ২য়া | ত্বাম্, ত্বা | যুৱাম্, ৱাম্ | যুষ্মান্ৱঃ |
| কৰণ | ৩য়া | ত্বয়া | যুৱাভ্যাম্ | যুষ্মাভিঃ |
| সম্প্ৰদান | ৪ৰ্থী | তুভ্যম্, তে | যুৱাভ্যাম্,ৱাম | যুষ্মাভ্যম্, ৱঃ |
| অপাদান | ৫মী | ত্বৎ | যুৱাভ্যাম্ | যুষ্মৎ |
| সম্বন্ধপদ | ৬ষ্ঠী | তৱ, তে | যুৱয়োঃ, ৱাম্ | যুষ্মাকম্, ৱঃ |
| অধিকৰম | ৭মী | ত্বয়ি | যুৱয়োঃ | যুষ্মাসু |

ওপৰৰ শব্দ ৰূপৰ পৰা দেখা যায়, কৰ্তাকাৰকত প্ৰথমাৰ তিনিওটা বচনত আৰু কৰ্মকাৰকৰ দ্বিতীয়াৰ একবচন আৰু দ্বিবচনত একে ধৰণৰ 'ম' (অম্) বিভক্তি লগ লাগে আৰু মূল শব্দটোৰ ৰূপৰ পৰিৱৰ্তন ঘটে। সেইদৰে দ্বিতীয়াৰ বহুবচনত দুয়োটা শব্দৰে ৰূপ ক্ৰমে অস্মান্, নঃ আৰু যুষ্মান্, ৱঃ হয়। তেনেদৰে সম্বন্ধপদৰ ষষ্ঠীৰ বহুবচনৰ বিভক্তি 'আম্' কিন্তু দুয়োটা (অস্মদ্ আৰু যুষ্মদ্) শব্দত 'কম্' (অম্) হয়। সেইদৰে চতুৰ্থী, পঞ্চমী, ষষ্ঠীৰ একবচন আৰু চতুৰ্থী, পঞ্চমীৰ বহুবচনৰ ৰূপতো সাধাৰণ সুপ্ বিভক্তিয়ে ভিন্ন ৰূপ লোৱা দেখা যায়। অস্মদ্ শব্দ মাথোন পুংলিঙ্গ-ক্লীৱলিঙ্গত আৰুযুষ্মদ্ শব্দ তিনিওটা লিঙ্গতে ৰূপ হয়।

প্ৰথম পুৰুষৰ ব্যক্তিবাচক সৰ্বনাম 'তদ্' শব্দৰ ৰূপ তলত দেখুওৱা হ'ল—

**তদ্ (তেওঁ, তেওঁলোক, সেই- পুং)**

| | | একবচন | দ্বিবচন | বহুবচন |
|---|---|---|---|---|
| কৰ্তা | ১মা | সঃ | তৌ | তে |
| কৰ্ম | ২য়া | তম্ | তৌ | তান্ |
| কৰণ | ৩য়া | তেন | তাভ্যাম্ | তৈঃ |
| সম্প্ৰদান | ৪ৰ্থী | তস্মৈ | তাভ্যাম্ | তেভ্যঃ |
| অপাদান | ৫মী | তস্মাৎ | তাভ্যাম্ | তেভ্যঃ |
| সম্বন্ধপদ | ৬ষ্ঠী | তস্য | তয়োঃ | তেষাম্ |
| অধিকৰণ | ৭মী | তস্মিন্ | তয়োঃ | তেষু |

**তদ্ (এইটো, সেই -ক্লী)**

| | | একবচন | দ্বিবচন | বহুবচন |
|---|---|---|---|---|
| কৰ্তা | ১মা | তৎ | তে | তানি |
| কৰ্ম | ২য়া | তৎ | তে | তানি |

**তদ্ (তাই, সেই -ক্লী)**

| | | একবচন | দ্বিবচন | বহুবচন |
|---|---|---|---|---|
| কৰ্তা | ১মা | সা | তে | তাঃ |
| কৰ্ম | ২য়া | তাম্ | তে | তাঃ |
| কৰণ | ৩য়া | তয়া | তাভ্যাম্ | তাভিঃ |
| সম্প্ৰদান | ৪ৰ্থী | তস্যৈ | তাভ্যাম্ | তাভ্যঃ |
| অপাদান | ৫মী | তস্যাঃ | তাভ্যাম্ | তাভ্যঃ |
| সম্বন্ধপদ | ৬ষ্ঠী | তস্যাঃ | তয়োঃ | তাসাম্ |
| অধিকৰণ | ৭মী | তস্যাম্ | তয়োঃ | তাসু |

ওপৰৰ শব্দ ৰূপৰ পৰা দেখা যায় কৰ্তাকাৰকৰ প্ৰথমাৰ একবচনত পুংলিঙ্গ হ'লে 'সঃ' আৰু স্ত্ৰীলিঙ্গ হ'লে 'সা' হয়। অৱশ্যে কৰ্তা কাৰকৰ প্ৰথমাৰ ক্লীৱলিঙ্গ হ'লে 'তদ্' শব্দৰ আদ্যক্ষৰ ৰক্ষিত হয়। তেনেদৰে অন্যান্য কাৰকৰ ৰূপবোৰতো 'তদ্' শব্দৰ আদি অক্ষৰ ৰক্ষিত হৈছে। অৰ্থাৎ অস্মদ বা যুষ্মদৰ দৰে ইয়াৰ মূল ৰূপৰ সম্পূৰ্ণ পৰিৱৰ্তন নহয়। 'তদ্' শব্দৰ ৰূপ পুংলিঙ্গ হ'লে অ-কাৰান্ত পুংলিঙ্গ শব্দৰ দৰে আৰু স্ত্ৰীলিঙ্গ হ'লে আ-কাৰান্ত স্ত্ৰীলিঙ্গ শব্দৰ দৰে ৰূপ হয়। তেনেদৰে ক্লীৱলিঙ্গ হ'লে প্ৰথমা আৰু দ্বিতীয়াৰ বাহিৰে বাকীবোৰ বিভক্তিত পুংলিঙ্গৰ দৰে ৰূপ হয়। মাথোন পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ হ'লে ষষ্ঠীৰ বহুবচনত ব্যঞ্জনান্ত শব্দৰ দৰে 'আম' বিভক্তি লগ লাগে; যেনে— তেষাম্ (পুং), তাসাম (স্ত্ৰী.) আৰু সপ্তমী একবচনত 'স্মিন্' বিভক্তি যোগ হয়; যেনে— তস্মিন্। সাধাৰণতে 'তদ্' শব্দৰ দৰেই নিৰ্দেশবোধক সৰ্বনাম ইদম্, অদম্; প্ৰশ্নবোধক কিম্ আৰু সম্বন্ধবাচক যদ্ শব্দৰ ৰূপ হয়।

## ২.৪ মধ্যভাৰতীয় আৰ্যভাষাৰ শব্দৰূপ

পালি-প্ৰাকৃতত সংস্কৃতৰ স্বৰান্ত আৰু ব্যঞ্জনান্তৰ বিপৰীতে সকলো শব্দই স্বৰান্ত। পদান্ত ব্যঞ্জনৰ লোপেই ইয়াৰ প্ৰধান কাৰণ। সেই হেতু পালি-প্ৰাকৃতত স্বৰান্ত শব্দৰূপহে আছে ব্যঞ্জনান্ত শব্দৰূপ নাই। তদুপৰি স্বৰান্ত শব্দৰূপৰ ভিতৰত ঋ-কাৰান্ত আৰু দ্বি-কাৰান্ত অৰ্থাৎ ঐ, ঔ-কাৰান্ত শব্দৰূপো পালি-প্ৰাকৃতত লুপ্ত হ'ল। কিয়নো সংস্কৃতৰ ঋ, ঐ, ঔ পালি-প্ৰাকৃতত লোপ পালে আৰু তাৰ সলনি অন্য সৰল স্বৰ গঢ় লোৱাৰ লগতে সেই স্বৰ অনুযায়ীহে শব্দবোৰ ৰূপ গ্ৰহণ কৰিলে। গতিকে প্ৰাকৃত স্তৰত এবিধহে শব্দৰূপ পোৱা যায়- স্বৰান্ত শব্দৰূপ। সংস্কৃতত অ-কাৰান্ত শব্দৰ ৰূপ আপেক্ষিকভাৱে সৰল আৰু বেছি হোৱাৰ বাবে প্ৰাকৃত স্তৰত সাদৃশ্যৰ প্ৰভাৱেৰে অ-কাৰান্ত শব্দ ৰূপৰ প্ৰাধান্য বাঢ়ি গ'ল; পালিতকৈ প্ৰাকৃতত (সাহিত্যিক প্ৰাকৃতত) আৰু প্ৰাকৃততকৈ অপভ্ৰংশত অ-কাৰান্ত শব্দৰূপৰ প্ৰাধান্য অধিক। প্ৰাকৃতত অ-কাৰান্ত শব্দৰূপৰ বাহিৰেও আন শ্ৰেণীৰ শব্দৰূপৰ বিশেষত্ব ৰক্ষিত হোৱা পৰিলক্ষিত হ'লেও অপভ্ৰংশত সাধাৰণতে অ-কাৰান্ত শব্দৰূপহে দেখা যায়।

পালি-প্ৰাকৃত-অপভ্ৰংশৰ শব্দৰূপৰ নিদৰ্শন হিচাপে কেইটামান শব্দ ৰূপ তলত দেখুওৱা হ'ল ঃ

**পালি শব্দৰূপ**

**অ-কাৰান্ত (পুংলিঙ্গ) শব্দৰূপ**

**বুদ্ধ (বুদ্ধঃ)**

| | | **একবচন** | | **বহুবচন** |
|---|---|---|---|---|
| প্ৰথমা | - | বুদ্ধে | ---- | বুদ্ধা |
| দ্বিতীয়া | - | বুদ্ধং | ---- | বুদ্ধে |
| তৃতীয়া | - | বুদ্ধেন | ---- | বুদ্ধেহি, বুদ্ধেভি |
| চতুৰ্থী | - | বুদ্ধসস্, বুদ্ধায় | ---- | বুদ্ধানং |
| পঞ্চমী | - | বুদ্ধা, বুদ্ধস্মা, বুদ্ধম্হা | ---- | বুদ্ধেহি, বুদ্ধেভি |
| ষষ্ঠী | - | বুদ্ধস্স, বুদ্ধায় | ---- | বুদ্ধানং |
| সপ্তমী | - | বুদ্ধে, বুদ্ধস্মিং, বুদ্ধম্হি | ---- | বুদ্ধেসু |
| সম্বোধন | - | বুদ্ধো | ---- | বুদ্ধা |

**ই-কাৰান্ত (পুংলিঙ্গ) শব্দৰূপ**

**আগ্গি (অগ্নি)**

| | | **একবচন** | | **বহুবচন** |
|---|---|---|---|---|
| প্ৰথমা | - | অগ্গি | ---- | অগ্গী, অগ্গীও, অগ্গিনো |

| | | | | |
|---|---|---|---|---|
| দ্বিতীয়া | - | অগ্‌গিং | ----- | অগগী, অগ্‌গ, অগ্‌গিনো |
| তৃতীয়া | - | অগ্‌গিণা | —— | অগ্‌গীহি, অগ্‌গীহিং |
| চতুৰ্থী | - | অগ্‌গিসস্ | ----- | অগ্‌গীণং, অগ্‌গীণ |
| পঞ্চমী | - | অগ্‌গিদ্ধ, অগগিদো, অগ্‌মহা | —— | অগ্‌গীহি, অগ্‌গীও, অগ্‌গিহি, অগ্‌গীসুংতো |
| ষষ্ঠী | - | অগ্‌গিনোং, অগ্‌গিস্‌স | —— | অগ্‌গীনং |
| সপ্তমী | - | অগ্‌গিস্মি, অগ্‌গিম্‌হি | —— | অগ্‌গিসু, অগ্‌গীসু |
| সম্বোধন | - | অগ্‌গি | —— | অগ্‌গী, অগ্‌গিয়ো |

## উ-কাৰান্ত (পুংলিঙ্গ) শব্দৰূপ

## ভিক্‌খু (ভিক্ষু)

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | ভিক্‌খু | —— | ভিক্‌খৱো |
| দ্বিতীয়া - | ভিক্‌খুং | —— | ভিক্‌খূ, ভিক্‌খৱো |
| তৃতীয়া - | ভিক্‌খুনা | —— | ভিক্‌খূহি, ভিক্‌খূভি |
| চতুৰ্থী - | ভিক্‌খুনো, ভিক্‌খুস্‌স | ---- | ভিক্‌খূনং |
| পঞ্চমী - | ভিক্‌খুনা, ভিকখুস্মা, ভিকখুম্‌হা | —— | ভিক্‌খূহি, ভিকখূভি |
| ষষ্ঠী - | ভিক্‌খুনো, ভিক্‌খুসস্ | —— | ভিক্‌খূনং |
| সপ্তমী - | ভিক্‌খুস্মিং , ভিক্‌খুম্‌হি | —— | ভিক্‌খুসু |
| সম্বোধন - | প্ৰথমাৰ সৈতে একে। | | |

## অ-কাৰান্ত (স্ত্ৰীলিঙ্গ) শব্দৰূপ

## কঞ্‌ঞা (কন্যা)

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | কঞ্‌ঞা | ----- | কঞ্‌ঞা, কঞ্‌ঞায়ো |
| দ্বিতীয়া - | কঞ্‌ঞং | ----- | কঞ্‌ঞা, কঞ্‌ঞায়ো |
| তৃতীয়া - | কঞ্‌ঞায় | ----- | কঞ্‌ঞাহি, কঞ্‌ঞাভি |
| চতুৰ্থী - | কঞ্‌ঞায় | ----- | কঞ্‌ঞানং |
| পঞ্চমী - | কঞ্‌ঞায় | ----- | কঞ্‌ঞাহি, কঞ্‌ঞাভি |
| ষষ্ঠী - | কঞ্‌ঞায় | ----- | কঞ্‌ঞানং |
| সপ্তমী - | কঞ্‌ঞায়, কঞ্‌ঞায়ং | ----- | কঞ্‌ঞাসু |
| সম্বোধন - | কঞ্‌ঞে | ----- | কঞ্‌ঞা, কঞ্ঞায়ো |

## ব্যঞ্জনান্ত প্ৰাতিপদকিৰ (পুংলিঙ্গ) স্বৰান্ত ৰূপ

### ৰাআ (ৰাজন্)

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | ৰাআ | ----- | ৰাআণো, ৰাআ |
| দ্বিতীয়া - | ৰাআণং | ----- | ৰাআণো |
| তৃতীয়া - | ৰণ্ণা, ৰাইণা | ----- | ৰএ্ঞএঞহি, ৰাএহি, |
| চতুৰ্থী - | ৰএ্ঞএ্ঞা, ৰাঅস্‌স, ৰাইনো | ----- | ৰাআণং, ৰাআন |
| পঞ্চমী - | ৰএ্ঞএ্ঞা, ৰাআদু, ৰাজহা | ----- | ৰএ্ঞএঞহি, ৰাজুহি |
| ষষ্ঠী - | ৰএ্ঞএ্ঞা, ৰাজস্‌স, ৰাজিনো- | ---- | ৰাআণং |
| সপ্তমী - | ৰএ্ঞএ্ঞা, ৰাঅস্মিং, ৰাজম্‌হি | ----- | ৰাএসু |
| সম্বোধন - | ৰাআ (ৰাজা) | ----- | ৰাআনো (ৰাজা) |

## সৰ্বনাম শব্দৰূপ

### উত্তম পুৰুষ ঃ অহং < সং অহম্ (অস্মদ)

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | অহং | ----- | ময়ং, অম্‌হে |
| দ্বিতীয়া - | মং, মমং | ----- | অম্‌হাকং, অম্‌হে |
| তৃতীয়া - | ময়া, মে | ----- | অম্‌হেহি, অম্‌হেভি |
| চতুৰ্থী - | মম্, মমং, মজ্ঝং, মে | ----- | অস্মাকং, অম্‌হাকং |
| পঞ্চমী - | মএ, মে | ----- | অম্‌হেহি, অমহেভি |
| ষষ্ঠী - | মম, মমং, মজঝং, মে | ----- | অস্মাকং, অম্‌হাকং |
| সপ্তমী - | ময়ি, মএ | ----- | অম্‌হেসু |

## প্ৰাকৃত শব্দৰূপ

### অ-কাৰান্ত (পুংলিঙ্গ) শব্দৰূপ

### পুত্ত (পুত্ৰ)

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | পুত্তে | ----- | পুত্তা |
| দ্বিতীয়া - | পুত্তং | ----- | পুত্তা, পুত্তে |
| তৃতীয়া - | পুত্তেণ | ----- | পুত্তেহি, পুত্তেহিং |
| চতুৰ্থী - | পুত্তস্‌স, পুত্তাঅ | ----- | পুত্তাণং |
| পঞ্চমী - | পুত্তা, পুত্তাদো, পুত্তাদু পুত্তাও, পুত্তাহি | ----- | পুত্তাহিংতো, পুত্তেসুন্তো |

| | | | |
|---|---|---|---|
| ষষ্ঠী- | পুত্তাস্স | —— | পুত্তাণং, পুত্তাণ |
| সপ্তমী - | পুত্তস্মি, পুত্তে | —— | পুত্তেসু, পুত্তেসুং |

**ই-কাৰান্ত (পুংলিঙ্গ) শব্দৰূপ**

**অগ্‌গি (অগ্নি)**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | অগ্‌গী | —— | অগ্‌গী, অগ্‌গীও, অগ্‌গিণো |
| দ্বিতীয়া - | অগ্‌গি | —— | অগ্‌গিণো |
| তৃতীয়া - | অগ্‌গিণা | —— | অগ্‌গীহিং, অগ্‌গীহি |
| চতুৰ্থী - | অগ্‌গিসস্ | —— | অগ্‌গীণং, অগ্‌গীণ |
| পঞ্চমী - | অগ্‌গীও, অগ্‌গিহি | —— | অগ্‌গীহিংতো, |
| | অগ্‌গিদু, অগ্‌গীদো | —— | অগ্‌গীসুংতো |
| ষষ্ঠী- | অগ্‌গিস্স, অগ্‌গিণো | —— | অগ্‌গীণং, অগগীণ |
| সপ্তমী - | অগ্‌গিস্মি, অগ্‌গিম্হি | —— | অগ্‌গীসু, অগগীসুং |

**উ-কাৰান্ত (পুংলিঙ্গ) শব্দৰূপ**

**বাউ (বায়ু)**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | বাউ | —— | বাউ, বাউও, বাউণো |
| দ্বিতীয়া - | বাউং | —— | বাউণো |
| তৃতীয়া - | বাউণা | —— | বাউহিং, বাউহি |
| চতুৰ্থী - | বাউস্স, বাউণো | —— | বাউণং, বাউণ |
| পঞ্চমী - | বাউও, বাউদো, বাদু | —— | বাউহিংতো, বাউসুংতো |
| ষষ্ঠী- | বাউস্স, বাউণো | —— | বাউণং, বাউণ |
| সপ্তমী - | বাউস্মি | —— | বাউসুং |

**আ-কাৰান্ত (স্ত্ৰীলিঙ্গ) শব্দৰূপ**

**মালা**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | মালা | —— | মালা, মালাউ, মালাও |
| দ্বিতীয়া - | মালং | —— | মালা, মালাউ, মালাও |

| | | | |
|---|---|---|---|
| তৃতীয়া - | মালাএ, মালাই, মালাঅ | ----- | মালাহি, মালাহিং |
| চতুৰ্থী - | মালাএ, মালাই, মালাঅ | ----- | মালাণং, মালাণ |
| পঞ্চমী - | মালাদো, মালাদু, মালাও | ----- | মালাহিংতো, মালাসুংতো |
| ষষ্ঠী- | মালাএ, মালাই, মালাঅ | ----- | মালাণং, মালাণ |
| সপ্তমী - | মালাএ, মালাই, মালাঅ | ----- | মালাসুং |

**সংস্কৃতত ঋ-কাৰান্ত পুংলিঙ্গৰ শব্দৰ প্ৰাকৃতত ৰূপ**

**পিআ, পিদা (পিতৃ)**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | পিআ, পিদা | ----- | পিঅৰো, পিদৰো |
| দ্বিতীয়া - | পিঅৰং, পিদৰং | ----- | পিঅৰো, পিদৰো |
| তৃতীয়া - | পিউণা, পিদুণা | ----- | পিউহিং, পিদুহিং |
| চতুৰ্থী - | পিউণো, পিদুস্স | ----- | পিউণং, পিদুণং |
| পঞ্চমী - | পিআউ, পিআও, পিদাদো, পিদাদু | ----- | পিআসুন্তো, পিদাসুন্তো পিআহিংতো, পিদাহিংতো |
| ষষ্ঠী- | পিউণো, পিদুস্স | ----- | পিউণং, পিদুণং |
| সপ্তমী - | পিঅৰে, পিদৰে | ----- | পিউসুং, পিদুসং, পিউসু, পিদুসু। |

**সংস্কৃত ব্যঞ্জনান্ত শব্দৰ প্ৰাকৃতত ৰূপ**

**ৰাআ (ৰাজন্)**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | ৰাআ | ----- | ৰাআণো, ৰাআ |
| দ্বিতীয়া - | ৰাঅং, ৰাআণং | ----- | ৰাআণো, ৰাএ, ৰাআণে |
| তৃতীয়া - | ৰণ্ণা, ৰাইণা | ----- | ৰাত্ৰহিং, ৰাত্ৰহি |
| চতুৰ্থী - | ৰণ্ণো, ৰাইণো, | ----- | ৰাআণং, ৰাআণং |
| পঞ্চমী - | ৰাআদো, ৰাআদু ৰাআও, ৰাআহি | ----- | ৰাআহিংতো, ৰাআসুংতো |
| ষষ্ঠী- | ৰণ্ণো, ৰাইণো | ----- | ৰাআণং, ৰাআনং |
| সপ্তমী - | ৰাত্ৰ, ৰাঅম্মি | ----- | ৰাত্ৰসু, ৰাত্ৰসুং |

**সৰ্বনাম শব্দৰূপ**

**উত্তম পুৰুষ সৰ্বনাম ঃ অহং < সং অহম্ (অস্মদ)**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | অহং, হং, অহঅং | —— | অম্হে, ৱঅং |
| দ্বিতীয়া - | মং, মমং, মি | —— | আম্হে, ণো, ণে |
| তৃতীয়া - | মএ, মই | —— | অম্হেহিং, অম্হেহি |
| চতুৰ্থী - | মম, মে, মহ, মজ্ঝ | —— | অম্হেহিং ণো |
| পঞ্চমী - | মসাদো, মমাও | —— | অম্হাহিংতো, অম্হাসুংতো |
| ষষ্ঠী - | মম, মে, মহ, মজ্ঝ | —— | অম্হাণং, ণো |
| সপ্তমী - | মই, মত্ৰ, মমস্মি | —— | অম্হেসু, অম্হেসুং |

**অপভ্ৰংশ শব্দৰূপ**

**অ-কাৰান্ত (পুংলিঙ্গ) শব্দৰূপ**

**পুত্ত (পুত্ৰ)**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | পুত্ত, পুত্তু | —— | পুত্ত, পুত্তা |
| দ্বিতীয়া - | পত্তং, পুত্তু | —— | পুত্ত, পুত্তা |
| তৃতীয়া - | পুত্তেণ, পুত্তেঁ | —— | পুত্তেহিং |
| চতুৰ্থী - | পুত্তহো, পুত্তসু | —— | পুত্তহুঁ, পুত্তাণ |
| পঞ্চমী - | পুত্তহুঁ, পুত্তহেঁ | —— | পুত্তহুঁ, পুত্তহিঁ |
| ষষ্ঠী - | পুত্তহো, পুত্তসু | —— | পুত্তহুঁ, পুত্তাণ |
| সপ্তমী - | পুত্তহিঁ, পুত্তমি | —— | পুত্তহিঁ |

**সৰ্বনাম শব্দৰূপ**

**প্ৰথম পুৰুষৰ সৰ্বনাম**

**হঁউ (অস্মদ্)**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | হঁউ, অম্হি, ম্হি | —— | অম্হে |
| দ্বিতীয়া - | মঁই | —— | অম্হই |
| তৃতীয়া - | মই, মঁই | —— | অম্হেহিঁ |
| চতুৰ্থী - | মজঝু, মহুঁ, মহঁ, মহ | —— | অম্হ, অম্হই, অমহহু |
| পঞ্চমী - | মহুঁ | —— | অম্হ |
| ষষ্ঠী - | মজঝু, মহুঁ, মহঁ, মহ | —— | অম্হ, অমহই, অমহহু |
| সপ্তমী - | মই | —— | অম্হাসু |

## ২.৫ অসমীয়া ভাষাৰ শব্দৰূপ

অসমীয়া শব্দৰূপ সংস্কৃততকৈ যথেষ্ট সৰল হোৱাৰ লগতে শব্দ-ৰূপৰ প্ৰক্ৰিয়াটো যথেষ্ট পৰিমাণে সলনি হোৱা দেখা যায়। অসমীয়া শব্দ ৰূপক নাম শব্দৰ ৰূপ আৰু সৰ্বনাম শব্দৰ ৰূপ অথবা স্বৰান্ত আৰু ব্যঞ্জনান্ত শব্দৰ ৰূপ এইদৰে বিভাজন কৰিব নোৱাৰি। কিয়নো নাম শব্দ আৰু সৰ্বনাম শব্দৰ অসমীয়াত একেধৰণেই ৰূপ হয়। মাথোন কৰ্তাকাৰকৰ বাদে অন্য কাৰকত সৰ্বনাম শব্দৰ একাটা তীৰ্যক ৰূপ হয়। অসমীয়াত কাৰক অনুযায়ীহে শব্দৰূপ ভিন্ন হয়। মাথোন শব্দৰূপৰ নিদৰ্শন স্বৰূপে তলত কেইটামান শব্দ ৰূপ কৰি দেখুওৱা হ'ল —

**অ-কাৰান্ত 'গাধ' শব্দ**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | গাধ-ই | ----- | গাধবোৰ-এ, গাধবোৰ |
| দ্বিতীয়া - | গাধ-ক | ----- | গাধবোৰ-ক |
| তৃতীয়া - | গাধ-ৰে | ----- | গাধবোৰ-ৰে |
| চতুৰ্থী - | গাধ-লৈ | ----- | গাধবোৰ-লৈ |
| পঞ্চমী - | গাধ-ৰ পৰা | ----- | গাধবোৰ-ৰ পৰা |
| ষষ্ঠী- | গাধ-ৰ | ----- | গাধবোৰ-ৰ |
| সপ্তমী - | গাধ-ত | ----- | গাধবোৰ-ত |

**ই-কাৰান্ত 'নিগনি' শব্দ**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | নিগনি-এ (নিগনিয়ে) | ----- | নিগনিবোৰ্-এ, নিগনিবোৰে |
| দ্বিতীয়া - | নিগনি-ক | ----- | নিগনিবোৰ-ক |
| তৃতীয়া - | নিগনি-ৰে | ----- | নিগনিবোৰে-ৰে |
| চতুৰ্থী - | নিগনি-লৈ | ----- | নিগনিবোৰ-লৈ |
| পঞ্চমী - | নিগনি-ৰ পৰা | ----- | নিগনিবোৰ-ৰ পৰা |
| ষষ্ঠী- | নিগনি-ৰ | ----- | নিগনিবোৰ-ৰ |
| সপ্তমী - | নিগনি-ত | ----- | নিগনিবোৰ-ত |

**সৰ্বনাম 'মই' শব্দ**

| | একবচন | | বহুবচন |
|---|---|---|---|
| প্ৰথমা - | মই | ----- | আমি |
| দ্বিতীয়া - | মো-ক | ----- | আমা-ক |
| তৃতীয়া - | মো-ৰে | ----- | আমা-ৰ দ্বাৰা |

| | | | |
|---|---|---|---|
| চতুৰ্থী - | মো-লৈ | ----- | আমা-লৈ |
| পঞ্চমী - | মো-ৰ পৰা | ----- | আমা-ৰ পৰা |
| ষষ্ঠী- | মো-ৰ | ----- | আমা-ৰ |
| সপ্তমী - | মো-ত | ----- | আমা-ত |

**আত্মমূল্যায়ন প্ৰশ্ন**

১) সংস্কৃতৰ স্বৰান্ত শব্দৰূপক কি কি ভাগত ভাগ কৰিব পাৰি ? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................

.....................................................................

২) অসমীয়া শব্দৰূপক সংস্কৃতৰ নিচিনাকৈ বিভাজন কৰিব পাৰি নে ? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................

.....................................................................

## ২.৬ সাৰংশ (Summing Up)

সংস্কৃতৰ শব্দৰূপৰ জটিলতা পালি-প্ৰাকৃত আৰু অসমীয়া বহুলাংশে হ্ৰাস পায়। বচন, লিঙ্গ, কাৰক বিভক্তি, শব্দৰূপৰ বিভাজন আদি আটাইবোৰ দিশতে এই পৰিবৰ্তন ঘটে। সংস্কৃতৰ তিনিটা বচনৰ ঠাইত পালি-প্ৰাকৃত আৰু অসমীয়াত দুটাহে ৰক্ষিত হয়। সংস্কৃতৰ লিঙ্গ তিনিটা আৰু ইয়াৰ নিৰ্ণয় প্ৰক্ৰিয়া অত্যন্ত জটিল আছিল। পালি-প্ৰাকৃতত তিনিওবিধ লিঙ্গ ৰক্ষিত যদিও সংস্কৃতৰ ব্যাকৰণগত লিঙ্গ লোপ পাই ইয়াৰ জটিলতা হ্ৰাস পায়। অসমীয়াত মাত্ৰ দুটা লিঙ্গহে ৰক্ষিত হয় আৰু সংস্কৃতৰ লিঙ্গৰ বৈচিত্ৰ্যতা নোহোৱা হয়। কাৰক আৰু বিভক্তিৰ ক্ষেত্ৰতো সংস্কৃতৰ জটিলতা পালি-প্ৰাকৃত আৰু অসমীয়াত বচন আৰু লিঙ্গ অনুযায়ী সৰল হৈ পৰে। এই দিশত পালি-প্ৰাকৃতত বিকল্প বিভক্তিৰ প্ৰয়োগ মনকৰিবলগীয়া। অসমীয়াত সংস্কৃতৰ সম্প্ৰদান কাৰক নোহোৱা হৈ পৰিল আৰু অপাদানৰ কাৰণেও কোনো বিভক্তিৰ প্ৰয়োগ নোহোৱা হ'ল। শব্দৰূপৰ শ্ৰেণীবিভাজনৰ জটিলতাও পালি-প্ৰাকৃত আৰু অসমীয়াত সৰলীকৃত হ'ল।

## ২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) সংস্কৃতৰ শব্দৰূপক কেই শ্ৰেণীত ভগাব পাৰি? প্ৰতিটো ভাগৰ চমু পৰিচয় দি সংস্কৃত আৰু অসমীয়া শব্দৰূপৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

(২) সংস্কৃত, পালি-প্ৰাকৃত ভাষাৰ শব্দৰূপৰ এটি তুলনামূলক আলোচনা যুগুত কৰক। অসমীয়াত ই কেনেদৰে সৰলীভূত হৈছে তাৰো এটি আভাস দিয়ক।

(৩) সংস্কৃত কাৰক বিভক্তিৰ এটি চমু পৰিচয় দি পালি-প্ৰাকৃতত এইবোৰ কেনেদৰে ৰক্ষিত হৈছে আলোচনা কৰক।

(৪) সংস্কৃত, পালি-প্ৰাকৃতৰ শব্দ বিভক্তিৰ তিনিখন পৃথক পৃথক তালিকা যুগুত কৰি সিবিলাকৰ প্ৰয়োগ সম্পৰ্কে এটি টোকা লিখক।

(৫) অসমীয়া কাৰকৰ বৈশিষ্ট্য সম্পৰ্কে এটি টোকা লিখক।

(৬) সংস্কৃত ব্যঞ্জনান্ত শব্দৰূপৰ এটি আভাস দিয়ক।

(৭) সংস্কৃতত লিঙ্গ নিৰ্ণয়ৰ প্ৰধান উপায় কি কি? সংস্কৃতৰ লগত অসমীয়া লিঙ্গ নিৰ্ণয়ৰ পদ্ধতি একেনে? আলোচনা কৰক।

## ২.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


গোলোক চন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ ঃ *সংস্কৃত-ব্যাকৰণ-কৌমুদী*

হৰিচন্দ্ৰ ভট্টাচাৰ্য ঃ *সংস্কৃত-ব্যাকৰণ-প্ৰভা*

লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*


*****

## তৃতীয় বিভাগ
## সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ মুখ্য ধাতুৰ ৰূপ

**বিভাগৰ গঠনঃ**

৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Objectives)
৩.৩ সংস্কৃত ভাষাৰ মুখ্য ধাতুৰ ৰূপ
  ৩.৩.১ গণ বিভাজন
  ৩.৩.২ ল-কাৰ বিভাজন
৩.৪ পালি-প্ৰাকৃতৰ মুখ্য ধাতুৰ ৰূপ
  ৩.৪.১ গণ বিভাজন
  ৩.৪.২ ল-কাৰ বিভাজন
৩.৫ অসমীয়া ভাষাৰ মুখ্য ধাতুৰ ৰূপ
৩.৬ সাৰাংশ (Summing Up)
৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ শব্দৰূপৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত তিনিওটা ভাষাৰ মুখ্য ধাতুৰ ৰূপৰ বিভিন্ন দিশসমূহ বিশ্লেষণ কৰা হ'ব।

ক্ৰিয়াৰ মূলেই হৈছে ধাতু। ধাতুত পুৰুষ, বচন, কাল আৰু ভাৱ অনুযায়ী বিভিন্ন ক্ৰিয়া বিভক্তি যোগ হয়। ধাতুত ক্ৰিয়াবিভক্তি যোগ হ'লেহে একোটা সমাপিকা ক্ৰিয়া (Finite Verb) গঠন হয় অৰ্থাৎ কোনো কাৰ্য সম্পন্ন কৰা বা হোৱাৰ অৰ্থ নিৰূপন কৰে। ধাতুত বিভক্তি যোগ হৈ ক্ৰিয়াৰ বিভিন্ন ৰূপ আৰু প্ৰকাৰ্য নিৰ্দেশ কৰাই হ'ল ধাতুৰূপ। চমু কথাত, ধাতুৰূপ (Conjugation) বুলি ক'লে বিভিন্ন বচন, পুৰুষ, কাল আৰু ভাৱ অনুসৰি বিভিন্ন ক্ৰিয়া-বিভক্তিৰ সংযোগত ধাতুসমূহৰ বিভিন্ন ৰূপ হোৱাকে বুজা যায়।

সংস্কৃতৰ ধাতুৰূপৰ প্ৰণালী জটিল আৰু বৈচিত্ৰ্যপূৰ্ণ। পালিৰ ধাতুৰূপ অৱশ্যে বহুখিনি সংস্কৃতৰ অনুগামী; প্ৰাকৃত স্তৰত সেই জটিলতা নোহোৱা হৈ সৰল হৈছে। অসমীয়াত সংস্কৃতৰ ধাতুৰূপ অধিক সৰলতৰ ৰূপত আত্মপ্ৰকাশ কৰিলে। সংস্কৃতৰ পৰা স্বতন্ত্ৰ ৰূপত আত্মপ্ৰকাশ কৰা অসমীয়া ধাতুৰূপৰ প্ৰাকৃতৰ লগত সাদৃশ্য লক্ষ্য কৰা যায়।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ আলোচিত কথাখিনি অধ্যয়ন কৰাৰ অন্তত আপুনি-

- সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়া ধাতুৰূপৰ শ্ৰেণীবিভাজন সম্পৰ্কে জ্ঞাত হ'ব পাৰিব;

- সংস্কৃতৰ গণবিভাজন সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে পালি-প্ৰাকৃত আৰু অসমীয়াত ই কেনেদৰে ৰক্ষিত হৈছে তাক জানিবলৈ সমৰ্থ হ'ব;
- তিনিওটা ভাষাৰ ল-কাৰৰ বিষয়ে পৰ্যালোচনা কৰিব পাৰিব।

### ৩.৩ সংস্কৃত ভাষাৰ মুখ্য ধাতুৰ ৰূপ

সংস্কৃত ধাতুৰূপৰ দুটা ভাগত বিভক্ত কৰিব পাৰি। সেই ভাগ দুটা এনেধৰণৰঃ

(ক) মুখ্য ধাতুৰূপ (Primary Conjugation)

(খ) গৌণ ধাতুৰূপ (Secondary Conjugation)

দৰাচলতে ধাতুবোৰত বিভক্তি যোগ হোৱাৰ ধৰণলৈ লক্ষ্য কৰিয়েই এনেদৰে বিভাজন কৰা হয়। যিবোৰ ধাতুত মাথোন তিঙ্ বিভক্তি যোগ কৰি বিভিন্ন সমাপিকা ক্ৰিয়া গঠন কৰা হয়, সেই ধাতুৰ ৰূপকে মুখ্য বা মৌলিক ধাতুৰূপ বোলা হয়।

সাধাৰণতে সংস্কৃতত দুই প্ৰকাৰেৰে ক্ৰিয়াপদ গঠন হ'ব পাৰে। যেনে—

(১) ধাতুৰ পিছত তিঙ্ বিভক্তি যোগ কৰি

(২) ধাতুৰ পিছত কৃৎ প্ৰত্যয় (-ক্ত, ক্তৱতু, -ত্বাচ আদি) যোগ কৰি।

এই দুই প্ৰকাৰৰ ভিতৰত প্ৰধান হৈছে — তিঙ্ বিভক্তি আৰু এই বিভক্তিকেই সংস্কৃতত ক্ৰিয়া বিভক্তি বুলি কোৱা হয়। যিবোৰ বিভক্তি ধাতুৰ লগত যোগ কৰা হয় তাকে তিঙ্ বিভক্তি বোলে। পাণিনিৰ মতে এই বিভক্তিবোৰৰ প্ৰথমটো '-তি' আৰু শেষৰটো '-মহিঙ্'। প্ৰথমৰ '-তি' আৰু শেষৰ '-মহিঙ্'ৰ 'ঙ'লৈ সংস্কৃতৰ গোটেইবোৰ ক্ৰিয়া- বিভক্তিক একেলগে তিঙ্ বিভক্তি বুলি কোৱা হয়। ধাতুত এই তিঙ্ বা ক্ৰিয়া বিভক্তি যোগ হ'লেহে একোটা সমাপিকা ক্ৰিয়া (Finite Verb) সম্পন্ন হয়।

#### ৩.৩.১ গণ বিভাজন

তিঙ্ বিভক্তি যোগ হোৱাৰ লগে লগে সংস্কৃত ভাষাৰ ধাতুবোৰৰ ভালেমান পৰিৱৰ্তন হয়। সেই পৰিৱৰ্তনৰ প্ৰকৃতিলৈ লক্ষ্য কৰি ধাতুবোৰক এক শৃংখলালৈ আনিবৰ বাবে একো একোটা শ্ৰেণীত বিভাজন কৰা হৈছে। এনে শ্ৰেণীকে গণ বুলি কোৱা হয়। সেই ফালৰ পৰা সংস্কৃতৰ ধাতুবোৰক দহটা গণত বিভাজন কৰা হৈছে। ইয়াকে 'দশগণ' বোলে। এই দশ গণ এনেধৰণৰ ভ্বাদি, অদাদি, হ্বাদি, দিৱাদি, স্বাদি, তুদাদি, ৰুধাদি, তনাদি, ক্ৰাদি আৰু চুৰাদি।

সাধাৰণতে প্ৰতিটো গণৰ অন্তৰ্গত ধাতুবোৰৰ প্ৰথম ধাতুটোৰ নাম অনুসৰি গণবোৰৰ নাম নিৰ্ণয় কৰা হৈছে। নিদৰ্শন স্বৰূপে ভূ ধাতুকে আদি কৰি দা, ধৃ, পঠ্, ভাষ্, কৃষ, অট্, লভ্, শুভ্, হস্ আদি যিবোৰ ধাতু একে ধৰণেৰে পৰিৱৰ্তিত হৈছে, সেইবোৰ ধাতুকে ভ্বাদি-গণীয় ধাতু বোলে। সেইদৰে অদ্ ধাতুকে ধৰি যিবোৰ ধাতু একে ধৰণেৰে


ৰূপ হয় সেইবোৰ অদাদি-গণীয় ধাতু। তেনেদৰে হ্বাদি-গণীয়ৰ আদি ধাতু হু; দিৱাদি-গণীয়ৰ আদি ধাতু দিৱ্, স্বাদি-গণীয়ৰ আদি ধাতু সু, তুদাদিৰ তুদ্, ৰুধাদিৰ ৰুধ্, তনাদিৰ তন্, ক্ৰ্যাদিৰ ক্ৰী আৰু চুৰাদিৰ চুৰ্।

বিকৰণৰ ওপৰত ভিত্তি কৰিয়েই গণ বিভাজন কৰা হয়। সংস্কৃতত প্ৰতিটো ধাতুৰ ৰূপ কৰোঁতে বিশেষ বিশেষ বিকৰণ (Stemaffix) যোগ হয়। অৰ্থাৎ ধাতুৰ ৰূপ কৰোঁতে ধাতু আৰু তিঙ্ বিভক্তিৰ মাজত একোটা বিশেষ বৰ্ণৰ আগম হয় আৰু তাৰ ফলত নতুন ক্ৰিয়ামূল উৎপন্ন হয়। এনেদৰে আগম হোৱা বৰ্ণকেই বিকৰণ বোলে। বিকৰণ যোগ হৈ যি ক্ৰিয়াপদ গঠন কৰে, সেয়া বিভিন্ন কাল, ভাব, বচন আৰু পুৰুষ অনুসৰি ৰূপ হয়। আচলতে এই বিকৰণ বদ্ধৰূপ বা এবিধ অৰ্থহীন প্ৰত্যয়। উদাহৰণ স্বৰূপে √ৰুধ্ ধাতুত লটৰ পৰস্মৈপদী বিভক্তি যোগ হ'লে প্ৰথম পুৰুষৰ একবচনত ধাতুৰূপ হয় 'ৰুণদ্ধি', ইয়াত ধাতুৰ অন্ত্য স্বৰৰ পাছত 'ন্' বিকৰণৰ আগম হৈছে আৰু ই ধাতু আৰু বিভক্তিৰ মাজত সোমাই পৰিছে। আনহাতে লট্, লোট্ আৰু বিধিলিঙ্ত ৰূপ কৰোঁতে ধাতু আৰু বিভক্তিৰ মাজত বিকৰণ যোগ হৈ ধাতুটোৰ ৰূপৰ পৰিৱৰ্তন হয়। এনেধৰণৰ বিকৰণৰ আধাৰতেই সংস্কৃতৰ গণসমূহক পুনৰাই দুটা ভাগত ভাগ কৰিব পাৰি। যেনেঃ

(ক) অ-যুক্ত শ্ৰেণী বা অ-বিকৰণযুক্ত শ্ৰেণী।

(খ) অ-হীন শ্ৰেণী বা অ-ভিন্ন বিকৰণযুক্ত শ্ৰেণী।

যিবিলাক গণৰ ধাতু ৰূপ কৰোঁতে ধাতু আৰু বিভক্তিৰ মাজত 'অ' যোগ হয় বা অ-বিকৰণৰ আগম হয়, তাকে অ-যুক্ত বা অ-বিকৰণযুক্ত শ্ৰেণী বোলে। আনহাতে যিবিলাকত অ-ৰ বাহিৰে অন্য স্বৰ বা ব্যঞ্জনৰ আগম হয় অথবা কোনো বিকৰণ যোগ নহয় তাকে অ-ভিন্ন বিকৰণযুক্ত শ্ৰেণী বোলে। ৰেখা চিত্ৰৰ সহায়ত নিম্নোক্ত ধৰণেৰে দেখুৱাব পাৰি —




বিভিন্ন গণৰ ধাতুবিলাকক বিকৰণ যোগ হোৱাৰ বৈশিষ্ট্যনুযায়ী বেলেগ বেলেগ নামেৰে অভিহিত কৰা হৈছে। যেনেঃ শ্বাসাঘাত যুক্ত-শ্ৰেণী, য়-শ্ৰেণী, নু-শ্ৰেণী, উ-শ্ৰেণী ইত্যাদি।

**অ-বিকৰণযুক্ত শ্ৰেণী ঃ**

**(ক) শ্বাসাঘাতবিহীন অ-শ্ৰেণীঃ** ভ্বাদিগণীয় ধাতুসমূহ এই শ্ৰেণীৰ অন্তৰ্গত। সংস্কৃতত এই শ্ৰেণীৰ ধাতুৰ সংখ্যাই সৰ্বাধিক। ভ্বাদি-গণীয় ধাতু কিছুমান এনেধৰণৰঃ

ভূ, ৰদ, জি, সন্জ আদি। এই শ্ৰেণীৰ ধাতুসমূহত ধাতু আৰু বিভক্তিৰ মাজত অ-বিকৰণ যোগ হয়। এই শ্ৰেণীৰ ধাতুৰূপত শ্বাসাঘাত অ-ৰ ওপৰত নপৰি ধাতু অক্ষৰতহে পৰে। সেই হেতু এই গণৰ অন্তৰ্ভুক্ত ধাতুবোৰ শ্বাসাঘাতবিহীন অ-শ্ৰেণীৰ। যেনেঃ√ভূ+অ+তি>ভৰতি; √হস্+অ+তি>হসতি ইত্যাদি।

**(খ) শ্বাসাঘাত যুক্ত অ-শ্ৰেণীঃ** তুদাদি গণীয় ধাতুসমূহ এই শ্ৰেণীৰ অন্তৰ্গত। তুদ্, ইষ্, মৃ, মুচ্, কৃ, চৰ্চ, লিখ্, সিচ আদি এই শ্ৰেণীৰ অন্তৰ্গত। ভ্বাদিগণীয় ধাতুসমূহৰ দৰে ধাতু আৰু বিভক্তিৰ মাজত অ-বিকৰণ যোগ হয় আৰু সেই অ-ৰ ওপৰত শ্বাসাঘাত পৰে। সেইবাবে এই শ্ৰেণীৰ ধাতুসমূহ শ্বাসাঘাতযুক্ত অ-শ্ৰেণীৰ। যেনেঃ √তুদ + অ + তি > তুদ´তি। তুদ´তি শব্দৰ ওপৰত থকা ' ' ' এই চিন শ্বাসাঘাতসূচক। ভবাদিগণীয় আৰু তুদাদিগণীয় ধাতুৰ মাজত পাৰ্থক্য হ'ল আগম হোৱা অ-ৰ ওপৰত শ্বাসাঘাত হোৱা বা নোহোৱাটো।

**(গ) য়-শ্ৰেণীঃ** দিৱাদি গণীয় ধাতুসমূহ এই শ্ৰেণীৰ অন্তৰ্গত। দিৱাদি গণীয় ধাতু কিছুমান হৈছে — দিৱ্, জন্, ৰিদ, অস্, কূপ, তৃপ্, পদ্, মন্, শপ্ ইত্যাদি। এই শ্ৰেণীৰ ধাতুসমূহত ধাতুসমূহত ধাতু আৰু বিভক্তিৰ মাজত 'য়' বিকৰণ যোগ হয়। 'য়' বিকৰণ যোগ হোৱাৰ কাৰণে এই গণীয় ধাতুসমূহ য়-শ্ৰেণীৰ। যেনেঃ √দিৱ্+য়+তি>দীব্যতি। এই য় শ্বাসাঘাতহীন। 'য়' শ্বাসাঘাতযুক্ত হ'লে কৰ্মবাচ্যৰ অৰ্থ প্ৰকাশ কৰে। দিৱাদিগণীয় ধাতুৰূপৰ লগত সাধিত নামধাতুৰ ধাতুৰূপৰ মিল আছে।

**(ঘ) অয়- শ্ৰেণীঃ** চুৰাদিগণীয় ধাতুসমূহ এই শ্ৰেণীৰ অন্তৰ্গত। চুৰ্, পূজ্, অৰ্চ্, শব্দ্, কথ্, গণ্, তড়্, পীড়্, বঞ্চ্, ৰচ্, ৰূপ্, সূচ্ আদি এই শ্ৰেণীত পৰে। এই শ্ৰেণীৰ ধাতুবোৰত ধাতু আৰু বিভক্তিৰ মাজত 'অয়' বিকৰণ যোগ হয়। সেয়েহে এই গণীয় ধাতুসমূহ অয়-শ্ৰেণীৰ। এই 'অয়' নিচ্ প্ৰত্যয় জাত, কিন্তু নিচ্ প্ৰত্যয়ৰ অৰ্থ (অৰ্থাৎ নিজন্তৰ) প্ৰকাশিত নহয়। যেনে— √চুৰ+অয়+তি>চোৰয়তি। 'অয়' বিকৰণৰ আদি স্বৰত শ্বাসাঘাত পৰে আৰু স্বৰৰ গুণ-বৃদ্ধি হয়। যেনেঃ চুৰ-চোৰয়তি (উ-ও); তড়-তাড়য়তি (অ-আ)।

**অ-ভিন্ন বিকৰণযুক্ত শ্ৰেণী ঃ**

**(ক) ধাতু শ্ৰেণীঃ** অদাদিগণীয় ধাতুসমূহ এই শ্ৰেণীৰ অন্তৰ্গত। অদ্, অস্, হন্, লিহ, দুহ, স্বগ্, দ্বিষ, যা, মৃজ, ৰচ্, ৰা, স্না আদি এই শ্ৰেণীত পৰে। এই শ্ৰেণীৰ ধাতুসমূহত কোনো বিকৰণ যোগ নহয়। ধাতুসমূহ প্ৰত্যক্ষভাবে বিভক্তিৰ লগ লাগে। কোনো বিকৰণ যোগ নহয় বাবে এই গণীয় ধাতুবোৰক ধাতু শ্ৰেণী বোলে। যেনেঃ √অস্+তি>অস্তি। হন্তি, য়াতি আদি একেধৰণেৰে ৰূপ হয়। কেতিয়াবা ধাতু আৰু বিভক্তিৰ সমীভৱন প্ৰক্ৰিয়াৰ সন্ধি হয়। যেনেঃ √অদ্+তি>অত্তি।

**(খ) দ্বিত্ব বা দ্বিৰুক্ত শ্ৰেণীঃ** হ্বাদি বা জুহোত্যাদি গণীয় ধাতুসমূহ এই শ্ৰেণীৰ অন্তৰ্গত। এই শ্ৰেণীৰ ধাতু কিছুমান হৈছেঃ হা, দা, ধা, মা, ভৃ, ভী আদি। এই শ্ৰেণীৰ

অন্তৰ্গত ধাতুবোৰ ৰূপ কৰিলে মূল ধাতুটো দ্বিত্ব বা দ্বিৰুক্ত হয়। কোনো বিকৰণ ধাতু আৰু বিভক্তিৰ মাজত যোগ নহয়। ধাতুৰ ব্যঞ্জনে দ্বিত্ব ৰূপ লাভ কৰে বাবে এই গণীয় ধাতুসমূহ দ্বিত্ব বা দ্বিৰুক্ত শ্ৰেণীৰ। যেনেঃ √দা+তি-দদাতি। এই শ্ৰেণীৰ ধাতু ৰূপৰ কেইটিমান বিশেষত্ব দেখা যায়। যেনেঃ হা, হু আদি ৰূপ কৰোঁতে 'জ' আগম হৈ জহা, জহু (জহো) হয়। যেনে— √হা+তি>জহাতি, √হু+তি>জুহোতি। তেনেদৰে √ধা, √ভী, √ভৃ আদি মহাপ্ৰাণমূলক ধাতু দ্বিৰুক্ত হওঁতে প্ৰথম মহাপ্ৰাণ অল্পপ্ৰাণ হয়। যেনেঃ √ধা+ তি >দধাতি।

**(গ) ন-শ্ৰেণী বা মধ্যৱৰ্তী নাসিক্য শ্ৰেণীঃ** ৰুধাদি গণীয় ধাতুসমূহ এই শ্ৰেণীৰ অন্তৰ্গত। এই শ্ৰেণীৰ ধাতু কিছুমান এনেধৰণৰঃ পিষ্, ভিদ্, ছিদ্, ভুজ ইত্যাদি। এই গণীয় ধাতুসমূহৰ ৰূপ কৰিলে ধাতুটোৰ মাজত 'ন' সোমায়। ধাতু ব্যঞ্জনৰ পাছত 'অ' এটা আগম হয় আৰু তাৰ মাজত 'ন' বিকৰণ সোমাই বাবে এই গণীয় ধাতুসমূহক ন-শ্ৰেণী বা মধ্যৱৰ্তী নাসিক্য শ্ৰেণী বোলে। যেনেঃ √ৰুধ্+ৰুণ্ধ+অ+তি>ৰুণদ্ধি।

**(ঘ) না-শ্ৰেণীঃ** ক্ৰ্যাদি গণীয় ধাতুবোৰ এই শ্ৰেণীত পৰে। জ্ঞা, অশ্, গ্ৰন্থ, ক্লিশ্, ক্ষ্ক্ষুভ্, স্ত, পূষ, আদি এই শ্ৰেণীৰ অন্তৰ্গত। এই শ্ৰেণীৰ ধাতুৰ ৰূপ কৰোঁতে ধাতুৰ অন্তত 'না' বিকৰণ যোগ হয়। সেই বাবে এই গণীয় ধাতুসমূহক না-শ্ৰেণী বোলা হৈছে। যেনেঃ √ক্ৰী+না+তি>ক্ৰীণাতি।

**(ঙ) নু-শ্ৰেণীঃ** স্বাদিগণীয় ধাতুবোৰ এই শ্ৰেণীৰ অন্তভুৰ্ক্ত। এই শ্ৰেণীৰ ধাতু কেইটিমান এনেধৰণৰঃ আপ্, শ্ৰু, সাধ্, ক্ষি, চি, পৃ, মি আদি। সংস্কৃতত এই শ্ৰেণীৰ ধাতুৰ সংখ্যা কম। এই শ্ৰেণীৰ ধাতুৰ ৰূপ কৰিলে ধাতু আৰু বিভক্তিৰ মাজত 'নু' বিকৰণ যোগ হয়। অৱশ্যে আগম হয় বাবেই ইয়াক নু-শ্ৰেণী বুলি কোৱা হয়। যেনেঃ √শ্ৰু+নু+ তি>শৃণোতি।

**(চ) উ-শ্ৰেণীঃ** এই শ্ৰেণীত তনাদি গণীয় ধাতুবোৰ পৰে। এই শ্ৰেণীৰ অন্তৰ্গত ধাতু কিছুমান হ'ল— তন্, কৃ, মন্, ক্ষণ, তৃণ, মৃণ, ইত্যাদি। এই শ্ৰেণীৰ ধাতুৰ ৰূপ কৰোঁতে ধাতু আৰু বিভক্তিৰ মাজত এটা 'উ' বিকৰণৰ আগম হয়। সেই বাবেই এই গণীয় ধাতুক উ-শ্ৰেণী বোলে। যেনেঃ √তন্+উ+তি>তনোতি। নু-শ্ৰেণীৰ লগত পাৰ্থক্য মাথোন ইয়াত 'ন'টো নাথাকে।

তদুপৰি সংস্কৃতত এনে কিছুমান ধাতু আছে যিবোৰ ওপৰোক্ত নিয়মৰ ভিতৰত নপৰে। যেনে— 'গম্' ধাতুৰ ৰূপ কৰিলে গমতি নহয়, গচ্ছতিহে হয়। সেই ফালৰ পৰা 'চ্ছ' শ্ৰেণীৰ হ'ব লাগে। কিন্তু এনে ধাতুবোৰ সংস্কৃতত ভ্বাদিগণীয় অ-শ্ৰেণীৰ অন্তৰ্গত।

এনেদৰে বিকৰণৰ ওপৰত ভিত্তি কৰি সংস্কৃত ধাতুবোৰক বিভিন্ন শ্ৰেণীত বিভাজন কৰি শৃংখলাবদ্ধভাৱে সজাবলৈ চেষ্টা কৰা হৈছে যদিও ধাতুৰূপৰ বিভিন্ন ব্যতিক্ৰমে সংস্কৃত ধাতুৰূপক অধিক জটিল কৰি তুলিছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃতত গণবিভাজনৰ মূল ভিত্তি কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................

..............................................................................

..............................................................................

### ৩.৩.২ ল-কাৰ বিভাজন

তিঙ্ বিভক্তবোৰক কাল আৰু ভাব অনুসৰি দহ ভাগত ভাগ কৰিব পাৰি। কাল অনুযায়ী তিঙ্ বিভক্তবোৰক ছটা ভাগত ভগাব পাৰি ঃ লট্ (বৰ্তমান বা নিৰ্দেশক বৰ্তমান), লঙ্ (অনদ্যতন অতীত), লুঙ্ (সামান্য অতীত), লিট্ (পৰোক্ষ অতীত), লৃট্ (ভৱিষ্যত বা নিৰ্দেশক ভৱিষ্যত) আৰু লুট্ (অনদ্যতন ভৱিষ্যত)। ভাব অনুযায়ী তিঙ্ বি ভক্তবোৰৰ চাৰিটা ভাগ এনেধৰণৰ ঃ লোট্ (অনুজ্ঞা), লৃঙ্ (সম্ভাৱ্য), বিধিলিঙ্ (বিধি বা নিয়ম বা উচিৎ অৰ্থ প্ৰকাশক) আৰু আশীৰ্লিঙ্ (আশীৰ্বাদসূচক)। বিধিলিঙ্ আৰু আশীৰ্লিঙৰ বিধি আৰু আশী অংশ বাদ দি দুয়োটাকে একেলগে লিঙ্ বুলিও কোৱা হয়।

সংস্কৃতৰ এই তিঙ্ বিভিক্তবোৰৰ প্ৰতিটোৰে আৰম্ভণিত 'ল' আছে বাবে এইবোৰক 'ল-কাৰ' বুলি কোৱা হয়। ল-কাৰসমূহ একেধাৰে সময়জ্ঞাপক আৰু ভাবজ্ঞাপক। অৰ্থাৎ এফালে কোনো এটা কাম কৰা বা হোৱাৰ সময়ৰ ধাৰণা দিয়ে আৰু আনফালে বক্তাৰ মানসিক ভংগীৰ (যেনেঃ আদেশ, অনুৰোধ, আশীৰ্বাদ ইত্যাদি) আভাস দিয়ে। সেইফালৰ পৰা ল-কাৰসমূহ আধুনিক অৰ্থৰ একেলগে কাল আৰু ভাব প্ৰকাশক। দহটা ল-কাৰৰ ভিতৰত লট্, লঙ্, লুঙ্, লিট্, লৃট্, লুট্, এই ছটাই ক্ৰিয়াৰ কাল (the time of action) আৰু লোট্, লৃঙ্, লিঙ্ (বিধিলিঙ্ আৰু আশীলিঙ্) এই কেইটাই ক্ৰিয়াৰ প্ৰণালী (the manner of action) বুজায়।

প্ৰত্যেকটো তিঙ্ বিভক্তিক দুটা ভাগত ভাগ কৰিব পাৰি। সেই ভাগ দুটা হৈছেঃ পৰস্মৈপদ (Active voice) আৰু আত্মনেপদ (Middle voice)। প্ৰত্যেক ভাগতে তিনিটাকৈ পুৰুষ আৰু তিনিটাকৈ বচন আছে। পুৰুষ তিনিটা হ'লঃ প্ৰথম পুৰুষ (third person), মধ্যম পুৰুষ(second person) আৰু উত্তম পুৰুষ (first person)। অস্মদ্ আৰু যুষ্মদ্ শব্দই ক্ৰমান্বয়ে উত্তম আৰু মধ্যম পুৰুষ বুজায়। ইয়াৰ বাহিৰে সংস্কৃতত সকলো শব্দই প্ৰথম পুৰুষ বুজায়। বচন তিনিটা হ'লঃ একবচন, দ্বিবচন আৰু বহুবচন। গতিকে পৰস্মৈপদ আৰু আত্মনেপদ নটা-নটা মিলি সৰ্বমুঠ ওঠৰটা আকৃতি পোৱা যায়। পৰস্মৈপদ দহটা ল-কাৰত নব্বৈটা আৰু আত্মনেপদ দহটা ল-কাৰত নব্বৈটা ধৰি সংস্কৃতত সৰ্বমুঠ তিঙ্ বিভক্তি (ক্ৰিয়া বিভক্তি)ৰ সংখ্যা এশ আশীটা। তলত ল-কাৰৰ বা তিঙ্ বিভক্ত্যন্ত শব্দৰ প্ৰয়োগ সম্পৰ্কে আলোচনা কৰা হ'ল—

**লট্ ঃ** লট্ বিভক্তিয়ে বৰ্তমান কালৰ লগতে অনিৰ্দিষ্ট ভাবো বুজায়। কিন্তু কেতিয়াবা অতীত আৰু ভৱিষ্যত প্ৰসঙ্গতে অৰ্থাৎ যি ক্ৰিয়া আগতে শেষ হৈছে আৰু অলপ পাছত শেষ হ'ব সেই অৰ্থতো লট্ প্ৰয়োগ হয়।

**লঙ্, লুঙ্, লিট্** — এই তিনিটা অতীত কাল বুজাবলৈও ব্যৱহাৰ কৰা হয়।

(ক) **লঙ্** ঃ ধাতুৰ পিছত অনদ্যতন অতীত কালত লঙ্ বিভক্তিৰ প্ৰয়োগ কৰা হয়। অৰ্থাৎ আজিৰ পৰা আগতে যি ঘটনা ঘটি গৈছে।

(খ) **লুঙ্** ঃ সামান্য অতীত কাল বুজাবলৈ ধাতুৰ পিছত লুঙ্ বিভক্তি যোগ কৰা হয়।

(গ) **লিট্** ঃ যি ঘটনা বহুদিনৰ আগতে সম্পন্ন হৈ গৈছে, যি বক্তাৰ অগোচৰত বহু আগতে সম্পন্ন হৈছে, তেনেকুৱা ঘটনা বুজাবলৈ ধাতুৰ পিছত লিট্ বিভক্তি যোগ হয়।

এই তিনিটা অতীত কালৰ প্ৰয়োগ বৈদিকত সুনিৰ্দিষ্ট আছিল। পাৰ্থক্য আছিল তিনিটাৰ মাজত অৰ্থগত। যেনে —

লঙ্- স অগচ্ছৎ
লুঙ্- স অগমৎ
লিট্- স জগাম

এই তিনিওটাৰ মাজত পাৰ্থক্য সংস্কৃতত লোপ পাই মাথোন 'গ'ল' অৰ্থহে থাকিল।

**লৃট্ আৰু লুট্ ঃ** ধাতুৰ পাছত সাধাৰণ ভৱিষ্যত বা আগলৈ হ'ব তেনে অৰ্থত লৃট্ বিভক্তি যোগ হয়। ধাতুৰ ৰূপ কৰোঁতে 'স্য' যোগ হয়; অৰ্থাৎ ভৱিষ্যত কাল বুজাবলৈ বৰ্তমান কালৰ দৰে বিভক্তি নাই; সেয়ে 'স্য' যোগ হোৱাৰ পাছত বৰ্তমান কালৰ বিভক্তি যোগ কৰা হয়।

আজিৰ পিছত যি ঘটনা হ'ব তেনে ভৱিষ্যত বুজাবলৈ ধাতুৰ পিছত লুট্ বিভক্তি যোগ কৰা হয়। সংস্কৃতত লুট্‌ৰ প্ৰয়োগ দেখা নাযায়। সাধাৰণতে ভৱিষ্যত কালৰ অৰ্থত লৃট্ বিভক্তিহে ব্যৱহাৰ কৰা দেখা যায়।

**লোট্ ঃ** লোট্ বিভক্তিৰ প্ৰয়োগ সাধাৰণতে আদেশ, অনুৰোধ, প্ৰাৰ্থনা, উপদেশ আদি অৰ্থত কৰা হয়। প্ৰধানতঃ মধ্যম পুৰুষতহে ইয়াৰ ব্যৱহাৰ হয়।

**লৃঙ্ ঃ** 'এটা ক্ৰিয়া হ'লে আন এটা ক্ৰিয়া হোৱাৰ সম্ভৱ আছিল'- এনে প্ৰসঙ্গত অতীত আৰু ভৱিষ্যত কালত 'লৃঙ্' বিভক্তি যোগ হয়। বৈদিকত ইয়াৰ প্ৰচলন আছিল যদিও সংস্কৃতত তাৰ প্ৰয়োগ কম।

**লিঙ্ ঃ** ইয়াৰ দুটা ভাগ — বিধিলিঙ্ আৰু আশীৰ্লিঙ্।

**(ক) বিধিলিঙ্ ঃ** বিধি অৰ্থাৎ নিয়ম, প্ৰাৰ্থনা, নিমন্ত্ৰণ আদি অৰ্থ প্ৰকাশ কৰিবলৈ ধাতুৰ পিছত বিধিলিঙ্ বিভক্তিৰ ব্যৱহাৰ কৰা হয়।

**(খ) আশীৰ্লিঙ্ ঃ** আশীৰ্বাদ অৰ্থ প্ৰকাশ কৰিবলৈ ধাতুৰ পিছত আশীৰ্লিঙ্ বিভক্তি যোগ কৰা হয়।

তলত 'লট্'ৰ বিভক্তি আৰু তাৰ ধাতুৰূপ চানেকি হিচাপে দাঙি ধৰা হ'ল —

**লট্- পৰস্মৈপদ**

| | **প্ৰথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | তি | সি | মি |
| দ্বিবচন | তস্ | থস্ | ৱস্ |
| বহুবচন | অন্তি | থ | মস্ |

**আত্মনেপদ**

| | **প্ৰথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | তে | সে | এ |
| দ্বিবচন | আতে | আথে | ৱহে |
| বহুবচন | অন্তে | ধ্বে | মহে |

ভূ ধাতুত পৰস্মৈপদী বিভক্তি যোগ হ'লে তাৰ ৰূপ হয় এনেধৰণৰ —

| | **প্ৰথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | ভৱতি | ভৱসি | ভৱামি |
| দ্বিবচন | ভৱতঃ | ভৱথঃ | ভৱাৱঃ |
| বহুবচন | ভৱন্তি | ভৱথ | ভৱামঃ |

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃতৰ 'তিঙ্' বিভক্তিবোৰক কিয় ল-কাৰ নামেৰে জনা যায়? (২০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

## ৩.৪ পালি-প্ৰাকৃতৰ মুখ্য ধাতুৰ ৰূপ

সংস্কৃতৰ ধাতুৰূপৰ জটিলতা আৰু বৈচিত্ৰ্য পালি-প্ৰাকৃতত ভালেখিনি হ্ৰাস পালে। অৱশ্যে পালিৰ ধাতুৰূপ ভালেখিনি সংস্কৃতৰ অনুগামী হৈয়ে থাকিল। পালিতকৈ প্ৰাকৃতৰ ধাতুৰূপ বেছি সৰল হৈ পৰিল। পালিত সংস্কৃত ধাতুৰ দহোটা গণৰ ভিতৰত সাতোটা গণ ৰক্ষিত হৈছে। সেইবোৰ হৈছেঃ ভূৱদি ( ভ্বাদি), ৰুধদি (ৰুধাদি), দিৱদি

(দিৱাদি), সদি (স্বাদি), কিয়দি (ক্র্যাদি), তনদি (তনাদি) আৰু চুৰদি (চুৰাদি)। পালিত সংস্কৃতৰ অদাদি, তুদাদি আৰু হ্বাদি গণীয় ধাতুবোৰ ভ্বাদি গণীয়ৰ দৰে ৰূপ হ'ল। আনহাতে ব্যৱহৃত হৈ থকা গণবিলাকৰ ৰূপো সকলো ক্ষেত্ৰত সংস্কৃতৰ দৰে হোৱা নাছিল। যেনেঃ চুৰাদি গণীয়ৰ √চুৰ ধাতুৰ ৰূপ সংস্কৃতত প্ৰথম পুৰুষৰ একবচনত 'চোৰয়তি, কিন্তু পালিত 'চুৰেই' হোৱা দেখা যায়।

### ৩.৪.১ গণ বিভাজন

প্ৰাকৃতত সংস্কৃতৰ গণ বিভাজনৰ ভালেখিনি পৰিৱৰ্ত্তন হোৱা দেখা যায়। প্ৰধানতঃ প্ৰাকৃতত গণ দুটা। সেয়া 'অ-গণ' আৰু 'এ-গণ'। কিন্তু এই দুটাত পেলাব নোৱাৰা ধাতুসমূহক লৈ 'অন্যান্য-গণ' বুলি এটা ভাগ কৰিব পাৰি।

**অ-গণঃ** শ্বাসাঘাতবিহীন অ-শ্ৰেণী ভ্বাদি গণীয় ধাতুৰ দৰে ৰূপ হয়। সংস্কৃতৰ শ্বাসাঘাত বিহীন অ-শ্ৰেণী বা ভ্বাদিগণীয়, শ্বাসাঘাতযুক্ত অ-শ্ৰেণী বা তুদাদি গণীয়, য়-শ্ৰেণী দ্বিৱাদি গণীয়, ন-শ্ৰেণী ৰুধাদিগণীয়, না-শ্ৰেণী ক্ৰ্যাদিগণীয়, নু-উ-শ্ৰেণী স্বাদিগণীয় আৰু তনাদিগণীয় সকলোবোৰ প্ৰাকৃতত অ-গণীয়ৰ অন্তৰ্গত। যেনে- ভৱতি>হোই, মৃদনাতি- মড্ডই ইত্যাদি।

**এ-গণঃ** প্ৰাকৃতৰ এ-শ্ৰেণী চুৰাদিগণীয় 'অয় শ্ৰেণীৰ দৰে ৰূপ হয়। সংস্কৃতৰ চুৰাদিগণীয় ধাতুৰ এয়> এ হয়। যেনেঃ চোৰয়তি>চোৰেই। তদুপৰি প্ৰাকৃতৰ কেইটামান সাধাৰণ ধাতু আৰু নিজন্ত, নামধাতু এই 'এ' গণৰ অন্তৰ্গত। মন কৰিবলগীয়া কথা যে প্ৰাকৃতত দুটা গণৰ অস্তিত্ব বিচাৰি পোৱা যায় যদিও চুৰাদিগণীয়, তুদাদিগণীয়ত পৰিণত হোৱা অৰ্থাৎ অয়>অ আৰু তুদাদিগণীয় চুৰাদিগণীয়ত পৰিণত হোৱা অৰ্থাৎ অয়>এ হয়। যেনে— কথয়তি>কহেই/কহই; পটয়তি>ফাডেই>ফাডই।

**অন্যান্য গণ ঃ** সংস্কৃতৰ দ্বিত্ব শ্ৰেণীৰ হ্বাদিগণীয় ধাতু সমূহ আৰু অ/এ গণত অন্তৰ্ভুক্ত কৰিব নোৱাৰা ধাতুসমূহক প্ৰাকৃতত অন্যান্য গণৰ ভিতৰত ধৰি লোৱা হৈছে। যদিও দ্বিত্ব শ্ৰেণীৰ ধাতুৰূপৰ দ্বিত্ব হোৱাৰ আভাস প্ৰাকৃতত আছে সেয়া কিন্তু শেষৰফালে ৰক্ষিত হোৱা নাই। যেনে— √স্থা = তিষ্ঠ + তি>ঠ্ঠিতি; প্ৰাকৃতত চিত্থদি, চিখদি আৰু অপভ্ৰংশত থাহি হৈছে। সাধাৰণ ধাতু কিছুমানো প্ৰাকৃতত সুকীয়া ৰূপ লৈছে। যেনে— √ভূ + অ>ভূৱ; কিন্তু কেতিয়াবা প্ৰাকৃতত 'হো' হোৱাও দেখা যায়। প্ৰাকৃতত মাথোন ভ্বাদিগণীয় বা তুদাদিগণীয় আৰু চুৰাদিগণীয় ধাতু থাকিল যদিও; সিও কিন্তু শেষত ভ্বাদিগণীয়ৰ দৰে ৰূপ গ্ৰহণ কৰিলে। মুঠতে সংস্কৃতৰ যি গণ বিভাজন সেয়া প্ৰাকৃতত নাইকিয়া হৈ পৰিল।

### ৩.৪.২ ল-কাৰ বিভাজন

সংস্কৃতৰ ধাতুৰূপৰ জটিলতা আৰু বৈচিত্ৰ্য পালি-প্ৰাকৃতত বহু পৰিমাণে কম হোৱা দেখা যায়। পালিৰ ধাতুৰূপত একবচন আৰু বহুবচন আছে, দ্বিবচন নাই। সংস্কৃতৰ

দৰে প্ৰথম, মধ্যম, আৰু উত্তম তিনিটা পুৰুষৰেই ব্যৱহাৰ থাকিল। কাল আৰু ভাব প্ৰকাশক সংস্কৃতৰ দহোটা ল-কাৰৰ আঠোটাহে পালিত ৰক্ষিত। সেই সমূহ এনেধৰণ —

কাল প্ৰকাশক পাঁচোটা ল-কাৰ —

লট্ (বত্তমানা)
লিট্ (পৰোক্খ)
লঙ্ (হিয্যতনী)
লুঙ্ (অয্যতনী)
লৃট (ভৱিস্সন্তি)

ভাব প্ৰকাশক তিনিটা ল-কাৰঃ

লোট্ (পঞ্চমী)
লৃঙ্ (কালাতিপত্তি)
বিধিলিঙ্ (সত্তমী)

সংস্কৃতৰ কাল প্ৰকাশক লুট্ আৰু ভাবপ্ৰকাশক আশীর্লিঙ্ পালিত লুপ্ত হ'ল। ওপৰোক্ত আঠোটা ল-কাৰৰ তিঙ্ বিভক্তিবোৰ সংস্কৃতৰ দৰে পালিতো পৰস্মৈপদ আৰু আত্মনেপদ এই দুটা ভাগত বিভক্ত। পালিত কেতিয়াবা আত্মনেপদৰ বিভক্তিৰ ঠাইত পৰস্মৈপদৰ বিভক্তি যোগ হয়। কেতিয়াবা সংস্কৃতৰ যি কোনো ধাতুক পালিত উভয় পদী কৰা দেখা যায়। যেনে- সংস্কৃতৰ পৰস্মৈপদী ভূ-ধাতু পালিত পৰস্মৈপদী- আত্মনেপদী দুই ধৰণে ৰূপ হৈছিল- ভৱতি, ভৱতে।

পালি তিঙ্ বিভক্তিৰ চানেকি হিচাপে লট্-ৰ পৰস্মৈপদী আৰু আত্মনেপদী বিভক্তিবোৰ তলত দেখুওৱা হ'ল —

**পৰস্মৈপদ**

| | **প্ৰথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | তি | সি | মি |
| বহুবচন | অন্তি | থ | ম |

**আত্মনেপদ**

| | **প্ৰথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | তে | সে | এ |
| বহুবচন | অন্তে | ৱহে | ম্হে |

সংস্কৃতৰ ধাতুৰূপ পালিৰ তুলনাত প্ৰাকৃতত বেছি সৰল হোৱা দেখা যায়। পালিৰ দৰেই প্ৰাকৃতত বচন দুটা আৰু পুৰুষ তিনিটা থাকিল। প্ৰাকৃতত কাল প্ৰকাশক ল-কাৰ দুটা ঃ লট্ (বর্তমান) আৰু লৃট্ (ভৱিষ্যত)। অতীত কালৰ ভেদ প্ৰকাশক লঙ্, লিট্ আৰু লুঙ্ লোপ পালে। ইয়াৰ ঠাইত ত- প্ৰত্যয়ান্ত নিষ্ঠান্ত পদ অতীত কালৰ অৰ্থত প্ৰাকৃতত সমাপিকা ক্ৰিয়া ৰূপে ব্যৱহাৰ হ'ল; ই কেতিয়াবা সহায়ক ক্ৰিয়াযুক্ত আৰু কেতিয়াবা

সহায়ক ক্ৰিয়াহীন কৃদন্তৰ ৰূপতো ব্যৱহৃত হ'ল। পালিত লঙ্‌, লিট্‌, লুঙৰ প্ৰয়োগৰ পাৰ্থক্য সংস্কৃতৰ দৰেই ৰক্ষিত আছিল। কেতিয়াবা বৈদিকৰ দৰে লঙ্‌, লুঙ্‌ৰ আগত অ-কাৰৰ আগমো পালিত হৈছিল আৰু বৈদিকৰ দৰে লুঙ্‌ৰ প্ৰথম পুৰুষৰ একবচনত 'ই' বিভক্তি যোগ হোৱা লক্ষণো পালিত ৰক্ষিত। কিন্তু প্ৰাকৃতত কোনো কোনো ধাতুত -ই, -অ, যোগ হোৱা দেখা যায় যদিও সেইবোৰ অতীত কালৰ কৃদন্ত প্ৰত্যয়ৰ পৰিৱৰ্তিত ৰূপহে। গতিকে প্ৰাকৃততে তিঙ্‌ বিভক্তিৰ ঠাইত কৃৎ প্ৰত্যয়ৰ ব্যৱহাৰেৰে অতীত কাল বুজোৱা ৰীতি প্ৰতিষ্ঠিত হ'ল বুলি ক'ব পাৰি। প্ৰাকৃতত আত্মনেপদী লোপ হোৱাত সকলো ধাতু পৰস্মৈপদী হ'ল। বিকল্প বিভক্তিৰ ব্যৱহাৰ প্ৰাকৃতৰ ধাতুৰূপৰ এটা বিশেষ বৈশিষ্ট্য।

প্ৰাকৃতত ভাব প্ৰকাশক ল-কাৰ দুটা ঃ লোট্‌ আৰু বিধিলিঙ্‌। অৱশ্যে বিধিলিঙ্‌ৰ প্ৰয়োগ সীমিত। প্ৰাকৃতত তিঙ্‌ বিভক্তিৰ চানেকি হিচাপে 'লট্‌'ৰ পৰস্মৈপদী বিভক্তিবোৰ তলত দাঙি ধৰা হ'ল —

| | **প্ৰথম পুৰুষ** | **মধ্যম পুৰুষ** | **উত্তম পুৰুষ** |
|---|---|---|---|
| একবচন | ই (দি) | সি | মি |
| বহুবচন | ন্তি | হ (ধ) | মো |

**আত্মমূল্যায়ন প্ৰশ্ন**

১। সংস্কৃতৰ কেইটামান পালি-প্ৰাকৃতত ৰক্ষিত হ'ল? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

........................................................................

........................................................................

........................................................................

........................................................................

২। পালিত কালৰ ধাৰণা কোন? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

........................................................................

........................................................................

........................................................................

........................................................................

### ৩.৫ অসমীয়া ভাষাৰ মুখ্য ধাতুৰ ৰূপ

সংস্কৃত ধাতুৰ গণ বিভাজন প্ৰাকৃত স্তৰতে একগণীয়ত পৰিণত হৈ লোপ হৈছিল। নব্য ভাৰতীয় আৰ্য ভাষাৰ স্তৰ অসমীয়াত ইয়াৰ অস্তিত্ব সম্পূৰ্ণৰূপে নাইকিয়া হৈ পৰিল। মাথোন সংস্কৃতৰ বিভিন্ন গণৰ অন্তৰ্ভুক্ত ধাতু কিছুমানহে পৰিৱৰ্তিত ৰূপত অসমীয়াত

ব্যৱহাৰ হৈ থাকিল। যেনে— ভৱতি> প্ৰা. হোই>অস. হয়। অসমীয়াত ধাতুৰ কোনো গণ বিভাজন নাই। বৰঞ্চ ধাতুবোৰৰ উৎপত্তি আৰু গঠনৰ প্ৰতি লক্ষ্য কৰি অসমীয়া ধাতুবোৰক এনেদৰে ভাগ কৰিব পাৰিঃ মৌলিক, সাধিত আৰু সংযোগ মূলক বা সংযুক্ত।

**মৌলিক ধাতুঃ** যিবিলাক ধাতু মূলতে ধাতু বা প্ৰকৃতি, বা এটা মাথো প্ৰাকৃতি লৈ গঠিত, যাক কোনো ক্ষুদ্ৰতম অৰ্থপূৰ্ণ গোটত বিভাজন কৰিব নোৱাৰি তাকেই **মৌলিক ধাতু** বোলে। যেনে— কৰ্, পঢ়, লেখ, নাচ্, বাজ্, গম্ ৰো ইত্যাদি।

**সাধিত ধাতু ঃ** যিবোৰ ধাতু একাধিক প্ৰাকৃতি লৈ গঠিত আৰু যাৰ অন্তৰ্গত প্ৰাকৃতিবোৰৰ এটা হ'ল ধাতু বা নামমূল বা অনুকাৰৰ ৰূপ আৰু আনবোৰ প্ৰাকৃতি প্ৰত্যয় সেইবোৰেই সাধিত ধাতু। যেনেঃ লিখা, চৰিয়া, ভুকুৰা, গুৰিয়া, দপদপা ইত্যাদি।

**সংযোগমূলক বা সংযুক্ত ধাতু ঃ** যিবোৰ ধাতু নামমূলৰ লগত ধাতুশব্দ যোগ হৈ, ধাতুশব্দৰ লগত সংযোজক বা অসমাপিকা 'ই' যোগ হৈ, নিমিত্তাৰ্থক 'ইবলৈ' যুক্ত হৈ বা অতীত কৃদন্তৰ 'আ' যুক্ত হৈ গঠিত হয় তাকেই সংযোগমূলক বা সংযুক্ত ধাতু বোলে। যেনে— ছল কৰ্, উঠি যা, খাবলৈ ধৰ্, দেখা কৰ্ ইত্যাদি।

অসমীয়া ধাতুৰূপ সংস্কৃত-পালি-প্ৰাকৃতৰ পৰা সম্পূৰ্ণৰূপে সুকীয়া ৰূপত আত্মপ্ৰকাশ কৰিছে। তিঙ্ বিভক্তি বুজোৱা সংস্কৃতৰ কাল প্ৰকাশক ছটা ল-কাৰৰ ভিতৰত লট্, লঙ্, লুঙ্ আৰু লৃট্‌ৰ প্ৰয়োগহে পৃথকৰূপত অসমীয়াত আছে। অসমীয়াত লট্ নিত্য আৰু স্বৰূপ বৰ্তমানৰূপে; লঙ্, লুঙ্ সাধাৰণ আৰু পূৰ্ণভূত ৰূপে আৰু লৃট্ ভৰিষ্যতকাল ৰূপে ৰক্ষিত হৈছে।

অসমীয়াত ধাতুবোৰক পাঁচোটা কালত ৰূপ কৰি দেখুৱাব পাৰিঃ নিত্য বৰ্তমান, স্বৰূপ বৰ্তমান, সাধাৰণ ভূত, পূৰ্ণ ভূত আৰু ভৰিষ্যত কাল।

বচন, পুৰুষ আৰু ল-কাৰ অনুযায়ী সংস্কৃতত ধাতুসমূহ ৰূপ কৰা হৈছিল। বচন অনুযায়ী অসমীয়াত ধাতুৰ ৰূপ নহয়। সংস্কৃতৰ দৰেই অসমীয়াত পুৰুষ তিনিটা (উত্তম পুৰুষ (First Person) মধ্যম পুৰুষ (Second Person) আৰু তৃতীয় পুৰুষ (Third Person) যদিও অসমীয়াত মধ্যম পুৰুষৰ দুটা ৰূপঃ তুচ্চাৰ্থক আৰু মান্যাৰ্থক। সেই অনুযায়ী ক্ৰিয়াপদৰ বিভক্তিও সুকীয়া সুকীয়া হয়।

সংস্কৃতত ল-কাৰবোৰেই আছিল কালবাচক আৰু ভাববাচক বিভক্তি, যিবোৰ বচন আৰু পুৰুষ অনুসৰি বেলেগ বেলেগ। অসমীয়াত নিত্য বৰ্তমানৰ বাহিৰে বাকীকেইটা কালত কালবাচক আৰু পুৰুষবাচক বিভক্তি ভিন্ ভিন্। নিত্য বৰ্তমান কালত ধাতুটোত পুৰুষ বিভক্তি লগ লাগে। অতীত কাল আৰু ভৰিষ্যত কালতো কালবাচক আৰু পুৰুষবাচক বিভক্তি বেলেগ বেলেগ। অসমীয়াত কালবাচক প্ৰত্যয় চাৰিটা। সংস্কৃতৰ ভাবপ্ৰকাশক চাৰিটা ল-কাৰৰ ভিতৰত মাথোন লোট্‌ৰ অস্তিত্ব বিচাৰি পোৱা যায় যদিও ই দুই ধৰণৰ ভাব-ৰূপত প্ৰযুক্ত হ'লঃ নিৰ্দেশক আৰু অনুজ্ঞা। সকলো কালৰ সকলো পুৰুষতে নিৰ্দেশক ভাব দেখা যায় কিন্তু অনুজ্ঞা ভাব মাথোন বৰ্তমান কালৰ মধ্যম আৰু প্ৰথম পুৰুষতহে

ব্যৱহাৰ হয়। অসমীয়াত ক্রিয়াৰ কালৰ ভাগ অনুসৰি কালবাচক প্রত্যয় আৰু পুৰুষবাচক বিভক্তিৰ চানেকিখন দেখুওৱা হ'ল —

| কাল | কালৰ অৱস্থাৰ ভাগ | কালবাচক প্ৰত্যয় | পুৰুষ বাচক বিভক্তি | | | |
|---|---|---|---|---|---|---|
| | | | প্ৰথম পুৰুষ | মধ্যম পুৰুষ | | উত্তম পুৰুষ |
| | | | | মান্য | তুচ্ছ | |
| বৰ্তমান | অনুজ্ঞা | —— | অক/ওক | আ | ০ | |
| | নিৰ্দেশক ঃ | | | | | |
| | নিত্য বৰ্তমান | —— | এ | আ | অ | ওঁ |
| | স্বৰূপ বৰ্তমান | ইছ্ | এ | আ | অ | ওঁ |
| অতীত | সাধাৰণ ভূত | ইল্ | এ | আ | ই | ওঁ |
| | পূৰ্ণ ভূত | ইছিল্ (ইছ্-ইল) | ০ | আ | ই | ওঁ |
| ভৱিষ্যত | | ইব | ০ | আ | ই | ইম্, ম |

**আত্মমূল্যায়ন প্ৰশ্ন**

সংস্কৃতৰ ল-কাৰ অসমীয়াত কেনেদৰে পৰিৱৰ্তিত হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................

..........................................................................

..........................................................................

..........................................................................

## ৩.৬ সাৰাংশ (Summing Up)

সংস্কৃতৰ ধাতুৰূপক মুখ্য আৰু গৌণ এই দুটা ভাগত ভাগ কৰিব পাৰি। সচৰাচৰ সাধাৰণতে ধাতুৰ পিছত তিঙ্ বিভক্তি যোগ কৰি সংস্কৃতত ক্রিয়াপদ গঠন কৰা হয়। তিঙ্ বিভক্তি যোগ হোৱাৰ পিছত হোৱা পৰিৱৰ্তনক লক্ষ্য কৰি সংস্কৃতৰ ধাতুবোৰক দহটা গণত ভাগ কৰা হৈছে। পালিত এই দহটা গণৰ ভিতৰত সাঁতোটা গণ ৰক্ষিত হ'ল। আনহাতে প্রাকৃতত গণ হ'ল দুটা। অসমীয়াত সংস্কৃতৰ গণৰ অস্তিত্ব সম্পূৰ্ণৰূপে লোপ পালে।

সংস্কৃতৰ তিঙ্ বিভক্তিবোৰক আকৌ কাল আৰু ভাগ অনুসৰি দহটা ল-কাৰত ভাগ কৰা হৈছে। ইয়াৰে পালিত আঠোটা আৰু প্রাকৃতত দুটা ৰক্ষিত হয়। সংস্কৃতৰ কাল প্রকাশক ছটা ল-কাৰৰ ভিতৰত চাৰিটাৰ প্রয়োগহে পৃথক ৰূপত অসমীয়াত আছে। সংস্কৃতৰ ভাৱবাচক চাৰিটা ল-কাৰৰ ভিতৰত অসমীয়াত নিৰ্দেশক আৰু অনুজ্ঞা ৰূপত 'লোট' ৰ অস্তিত্বহে বিচাৰি পোৱা যায়।

### ৩.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) সংস্কৃতত ধাতু মুঠতে কেইটা আৰু কি কি ‘গণ’ত কিয়া ভাগ কৰা হৈছে ফঁহিয়াই দেখুৱাওক। পালি-প্ৰাকৃত আৰু অসমীয়াত সেই ধাতুৰ কেনেদৰে ‘গণ’ বিভাগ আছে নে নাই চমুকৈ লিখক।

(২) সংস্কৃত ধাতুৰ ‘গণ’ বিভাগৰ যথাযথ উদাহৰণ দাঙি ধৰি ব্যাখ্যামূলক টোকা যুগুত কৰক।

(৩) ল-কাৰ বুলিলে কি বুজা যায়? সংস্কৃতৰ ল-কাৰ কেইপ্ৰকাৰ আৰু কি কি? পালি-প্ৰাকৃত আৰু অসমীয়াত এই ল-কাৰ কেনেদৰে ৰক্ষিত হৈছে, আলোচনা কৰক।

(৪) সংস্কৃত ভাষাৰ ধাতুৰ শ্ৰেণীবিভাগৰ বিষয়ে লিখক আৰু অসমীয়া ভাষাৰ ধাতুৰ শ্ৰেণীবিভাগৰ সংস্কৃতৰ ধাতুৰ শ্ৰেণীবিভাগৰ লগত কেনেধৰণৰ যোগসূত্ৰ আছে বিচাৰ কৰক।

(৫) সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ ধাতুৰূপৰ সকলো দিশ সামৰি এটি টোকা যুগুত কৰক।

### ৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


গোলোক চন্দ্ৰ গোস্বামী : *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

নগেন ঠাকুৰ : *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ : *সমগ্ৰ ব্যাকৰণ-কৌমুদী*

হৰিচন্দ্ৰ ভট্টাচাৰ্য : *সংস্কৃত ব্যাকৰণ প্ৰভা*

লীলাৱতী শইকীয়া বৰা : *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*

দেৱীদাস ভট্টাচাৰ্য : *মধ্য ভাৰতীয় আৰ্য ভাষা ও সাহিত্য*

পৰেশ চন্দ্ৰ মজুমদাৰ : *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ*

# চতুৰ্থ বিভাগ
# সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ গৌণ ধাতুৰূপ

**বিভাগৰ গঠনঃ**


৪.১ ভূমিকা (Introduction)

৪.২ উদ্দেশ্য (Objectives)

৪.৩ সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ গৌণ ধাতুৰ ৰূপ

৪.৩.১ ণিজন্ত ধাতু

৪.৩.২ সনন্ত ধাতু

৪.৩.৩ যঙন্ত ধাতু

৪.৩.৪ নামধাতু

৪.৩.৫ কৰ্মবাচ্যৰ গঠন

৪.৩.৬ তুমুনন্ত

৪.৩.৭ ক্ৰিয়াবাচক বিশেষ্য

৪.৭ সাৰাংশ (Summing Up)

৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ৪.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত মধ্য ভাৰতীয় আৰ্য ভাষাৰ মুখ্য ধাতুৰূপৰ বিষয়ে পৰ্যালোচনা কৰি অহা হৈছে। এই বিভাগটিত মধ্যভাৰতীয় আৰ্য-ভাষাৰ গৌণধাতু ৰূপৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

মৌলিক ধাতুবোৰৰ পিছত বিভিন্ন প্ৰত্যয় যোগ কৰাৰ পিছত যিবোৰ ধাতু গঠন হয় সেয়াই গৌণ ধাতু। গৌণধাতুক গঠিত ধাতু বুলিও কোৱা হয়। সাধিত ধাতুৰ পিছত বিভিন্ন ক্ৰিয়া বিভক্তি লগ লাগি গৌণ ধাতুৰ ৰূপ সাধন কৰা হয়। এই বিভাগটিত সংস্কৃত, পালি, প্ৰকৃত আৰু অপভ্ৰংশৰ গৌণ ধাতুৰূপৰ বিষয়ে পৰ্যালোচনা কৰা হ'ল।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ আলোচিত কথাখিনি অধ্যয়ন কৰাৰ অন্তত আপুনি-

- মধ্যৱৰ্তী স্বৰৰ আৰ্য ভাষাসমূহত কি থকা গৌণধাতুবোৰৰ, প্ৰকাৰ গঠন সম্পৰ্কে জানিব পাৰিব;
- সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ গৌণ ধাতুৰ ৰূপ অনুধাৱন কৰিব পাৰিব।

## ৪.৩ সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ গৌণ ধাতুৰ ৰূপ

বিশেষ বিশেষ প্ৰত্যয় যোগত ন-ন ধাতু গঠন কৰি পিছত তিঙ্ বিভক্তি অনুসৰি সেই ধাতুবোৰৰ ৰূপ কৰাকে গৌণ ধাতুৰ ৰূপ বোলে। অৰ্থাৎ সাধিত ধাতুৰ ৰূপেই গৌণ ধাতুৰ ৰূপ বুলিব পাৰি। গৌণ ধাতুৰ ৰূপত ক্ৰিয়া পদবোৰ সমাপিকা আৰু অসমাপিকা দুই ৰূপত পোৱা যায়। নিজন্ত ধাতু, সনন্ত ধাতু, যঙন্ত, নামধাতু আৰু কৰ্ম বাচ্যৰ গঠন সমাপিকা ক্ৰিয়া ৰূপত পাব পৰা গৌণ ধাতু। আনহাতে তুমুনন্ত, কৃদন্ত, ক্ৰিয়াবাচক বিশেষ্য অসমাপিকা ক্ৰিয়াপদত পোৱা যায়। তলত সংস্কৃত পালি-প্ৰাকৃত আৰু অসমীয়াত এই ধাতুবোৰৰ কেনেদৰে গঠন আৰু ৰূপ হয় সেই বিষয়ে আলোচনা কৰা হ'ল—

### ৪.৩.১ ণিজন্ত ধাতু ঃ

সংস্কৃতত প্ৰেৰণা অৰ্থ প্ৰকাশ কৰিবলৈ ধাতুৰ পিছত 'ণিচ্' প্ৰত্যয় যোগ কৰা হয়। তাকেই নিজন্ত বোলে (নিচ্ + অন্ত = নিজন্ত)। 'ণিচ্' প্ৰত্যয়ৰ ণ আৰু চ লোপ হৈ মাথোন ই থাকে। 'ণিচ্' প্ৰত্যয় যোগ হ'লে ধাতু অক্ষৰত থকা স্বৰৰ গুণ, বৃদ্ধি, সন্ধি হয়। তাৰ ফলত অয় (আয়) হয়। ধাতুটো আ-কাৰান্ত হ'লে 'অয়' 'পয়' হয় আৰু আপয় ৰূপে দেখা দিয়ে। যেনেঃ √দৃশ +অয় + তি = দৰ্শয়তি কিন্তু √জ্ঞা+ পয়+ তি=জ্ঞাপয়তি।

পালি-প্ৰাকৃতত ণিজন্ত ধাতুৰূপৰ কোনো নিজস্ব বৈশিষ্ট্য নাই। 'অয়' আৰু 'আপয়' বিকৰণৰ সংযোগতে পালিত নিজন্ত গঠন হয়। কেতিয়াবা 'অয়' আৰু 'আপয়' ক্ৰমান্বয়ে 'এ' আৰু 'আপে' হয়।

-অয় ঃ √গম্+অয়+তি>গময়তি

-আপয় ঃ√ হা+আপয়+তি>হাপয়তি

-অয়-এ ঃ √গম্+এ+তি>গমেতি

-আপয়-আপে ঃ √কৰ+আপে+তি>কাৰাপেতি

প্ৰাকৃতত 'অয়' আৰু 'পয়'ৰ ক্ৰমে '-এ' আৰু '-ৱে' যোগ হয় আৰু ধাতুৰ স্বৰৰ বৃদ্ধি হয়। যেনে—

√কৰ্+অয়+তি>কৰ্+এ+ই, দি > কাৰেই, কাৰেদি

√আজ্ঞা+পয়+তি>আণা+ৱে+ই, দি > আণৱেই, আণৱেদি।

অসমীয়াত মৌলিক ধাতুৰ পিছত -আ, -উৱা আৰু -ওৱা প্ৰত্যয় যোগ দি ণিজন্ত ধাতু গঠন কৰা হয়। যেনে—

-আ ঃ √পঢ়+আ>পঢ়া

-উৱা ঃ √পঢ়+উৱা>পঢুৱা

-ওৱা ঃ √কৰ+ওৱা>কৰোৱা

### ৪.৩.২ সনন্ত ধাতু ঃ

সংস্কৃতত ইচ্ছা কৰা অৰ্থ প্ৰকাশ কৰিবলৈ ধাতুৰ পিছত সন্ প্ৰত্যয় যোগ কৰা হয়। 'সন্' প্ৰত্যয়ৰ 'ন' লোপ হৈ 'স' থাকে। এইবিধ ধাতু গঠনৰ কেইটিমান বিশেষত্ব

হ'ল— 'সন্' প্রত্যয় যোগ হ'লে ধাতু দ্বিত্ব হয় (√পা -পিপাসতি); ধাতুৰ অন্তস্বৰ দীৰ্ঘ হয়; ধাতু ঋ-কাৰান্ত হ'লে ঋ-ৰ পৰিবৰ্তে 'ঈষ্' হয় (√তৃ-তিতীৰ্ষতি)।

পালি-প্ৰাকৃতত এইবিধ ধাতুৰ ব্যৱহাৰ নিয়মিতভাৱে দেখা নাযায়। অৱশ্যে পালিত কিছু সংখ্যকৰ প্ৰয়োগ আছে যদিও প্ৰাকৃতত নাই বুলিবই পাৰি আৰু যি দুই-এটা পোৱা যায় তাৰো গঠন পালিৰ দৰে। যেনে— সংস্কৃত চিকিৎসতি>তিকিচ্ছতি (পালি), তিগিচ্ছহ (প্ৰাকৃতঃ অৰ্দ্ধ মাগধী)।

অসমীয়াত এনেধৰণৰ ধাতুৰ ব্যৱহাৰ পোৱা নাযায়।

**৪.৩.৩ যঙন্ত ধাতু ঃ**

পুনঃপুনঃ আৰু অতিশয় বুজাবলৈ সংস্কৃত ধাতুৰ পিছত 'যঙ্' প্ৰত্যয় যোগ হয়। 'যঙ্' প্ৰত্যয়ৰ 'য' থাকে। যঙন্ত ধাতু আত্মনেপদী আৰু ভ্বাদিগণীয়, যেনে— পুনঃ পুনঃ পচতি (পচ্) পাপচ্যতে। সন্-প্ৰত্যয়ান্ত ধাতুৰ দৰে যঙ্-প্ৰত্যয়ান্ত ধাতু দ্বিত্ব হয়।

পালি-প্ৰাকৃতত সনন্ত ধাতুৰ দৰে যঙন্ত ধাতুৰ ব্যৱহাৰো কম। পালিত পোৱা গ'লেও প্ৰাকৃতত ইয়াৰ প্ৰয়োগ সীমিত। পালিত যঙন্ত ধাতুৰ ব্যৱহাৰত 'য'ৰ ঠাইত 'অ' হোৱা দেখা যায়। যেনে— লালপ্যতে>লালপ্পতি; চঞ্চল্যতে>চঞ্চলতি। প্ৰাকৃতৰ ভিতৰত কেৱল অৰ্ধ-মাগধীত ইয়াৰ দুই এটা ৰূপ পোৱা যায় আৰু ইয়াৰ গঠন বৈশিষ্ট্য পালিৰ দৰেই।

অসমীয়াত সংস্কৃত সনন্ত বা যঙন্ত অনুৰূপ ধাতু দেখিবলৈ পোৱা নাযায়। কিন্তু অপভ্ৰংশ স্তৰত ধ্বন্যাত্মক শব্দ যঙন্তৰ দৰে দ্বিত্ব হৈছিল; অসমীয়াত প্ৰচলিত ধ্বন্যাত্মক ধাতুসমূহ, বিশেষকৈ দ্বিত্ব বা দ্বিৰুক্তিৰে গঠিত ধাতুসমূহক ইয়াৰ অন্তৰ্ভুক্ত কৰিব পাৰি। কিন্তু অসমীয়া ধ্বন্যাত্মক ধাতুৰ গঠনৰ বৈশিষ্ট্য সুকীয়া। নামধাতুৰ- আ প্ৰত্যয়ৰে ধ্বন্যাত্মক ধাতুৰ গঠন হয়। যেনে— কল্‌কল্+আ=কল্‌কলা; ধপ্‌ধপ্+আ=ধপ্‌ধপা ইত্যাদি। অপভ্ৰংশতো এনেধৰণৰ বৈশিষ্ট্য পোৱা যায়। যেনেঃ গম্মাগম্মই।

**৪.৩.৪ নামধাতু ঃ**

বিশেষ্য আৰু বিশেষণ শব্দ ধাতুৰূপে ব্যৱহাৰ হ'লে নামধাতু হয়। নামধাতু সাধিত ধাতুৰ অন্তৰ্গত হ'লেও কোনো কোনো বৈয়াকৰণে এই শ্ৰেণীৰ ধাতুক এক বিশেষ শ্ৰেণীৰ ধাতু বুলি গণ্য কৰিব খোজে, কাৰণ আন ধাতুৰ দৰে এই শ্ৰেণী ধাতু মূল ধাতুৰ পৰা উৎপন্ন নহয়, বৰঞ্চ বিশেষ্য আৰু বিশেষণৰ পৰাহে হয় আৰু ক্ৰিয়াৰূপে ব্যৱহাৰ হয়।

সংস্কৃতত নামধাতুৰ গঠন ণিজন্তৰ দৰেই। ইয়াতো -'অয়' আৰু '-পয়' লগ লাগে। মাথোন পাৰ্থক্য হ'ল ণিজন্ত ৰূপ গঠন হয় ধাতুৰ পৰা; আনহাতে নামধাতুৰ ৰূপ গঠন হয় বিশেষ্যৰ পৰা আৰু কেতিয়াবা বিশেষণৰ পৰা। যেনেঃ শব্দ+অয়+তে>শব্দায়তে। তেনেদৰে পুত্ৰীয়তি, ৰাজায়তে, সুখায়তে ইত্যাদি।

পালিত বিশেষ্য, বিশেষণ আৰু কেতিয়াবা সৰ্বনামত-অয়, -আয়, -ইয়, -এ, যোগ কৰি নামধাতু গঠন কৰা হয়। যেনে —

পমান (প্ৰমাণ) +অয়+তি>পমাণয়তি

ধুম+আয়+তি>ধুমায়তি

বিবাদ+ইয়+তি>বিবাদিয়তি

পুত্ত+ঈয়+তি>পুত্তয়তি

সমাধান+এ+তি>সমাধাণেতি

প্ৰাকৃতত -আঅ (<আয়) আৰু -ৰে (<আপয় (১) নামমূলত যোগ হৈ নামধাতু গঠিত হয়। যেনে —

-আয়>আঅঃ সুখায়তি > সুহাঅই (মহাৰাষ্ট্ৰী)

সুহাঅদি (শৌৰসেনী)

-আপয়>-ৰে ঃ সুখাপয়তি>সুহাৰেই (মহাৰাষ্ট্ৰী)

সুহাৰেদি (শৌৰসেনী)

কেতিয়াবা কোনো বিকৰণ যোগ নোহোৱাকৈও নামমূল নামধাতু হিচাপে ব্যৱহাৰ হোৱা দেখা যায়। যেনে —

সুহামি (< সুখ-)

দুক্খামি (< দুঃখ-ঃ

মিস্সই (< মিশ্ৰ-) ইত্যাদি।

অসমীয়াত নামধাতু সংস্কৃতৰ দৰে নামশব্দৰ পৰাই পোৱা যায় যদিও গঠনৰ ক্ষেত্ৰত কিছু পাৰ্থক্য বিদ্যমান। সংস্কৃতত নাম শব্দত ক্যচ বা কাম্যচ্ প্ৰত্যয়ৰ পৰা উদ্ভূত '-অয়' আৰু '-পয়' বিকৰণ যোগ দি তাৰ পিছত বিভক্তি লগাই ক্ৰিয়াপদ কৰা হয়। কিন্তু অসমীয়াত নাম বা বিশেষ্য শব্দত -আ, -ইয়া, -উৱা প্ৰত্যয় যোগ কৰি নামধাতু গঠন কৰা হয়। যেনে —

-আ ঃ কিল্ + আ = কিলা

-ইয়া ঃ চৰ্ + ইয়া = চৰিয়া

-উৱা ঃ আগ্ + উৱা = আগুৱা

সংস্কৃত বা পালি-প্ৰাকৃতত ণিজন্ত, নামধাতু আদি গঠনত লগ লগা প্ৰাকৃতিবোৰ বিকৰণ, কিন্তু অসমীয়াত সেয়া প্ৰত্যয়।

**৪.৩.৫ কৰ্মবাচ্যৰ গঠন ঃ**

কৰ্মবাচ্যৰ গঠন প্ৰক্ৰিয়াও সাধিত ধাতুৰ ভিতৰত পৰে। সংস্কৃতত ধাতুৰ পিছত '-য' বিকৰণ যোগ হৈ আত্মনেপদী বিভক্তি প্ৰয়োগৰ দৰে কৰ্মবাচ্য সাধন কৰা হয়। যেনেঃ গম+য়+তে=গম্যতে। তেনেদৰে জীয়ন্তে, পীয়ন্তে, পাল্যন্তে ইত্যাদি।

সংস্কৃতৰ দৰে ধাতুৰ পিছত '-য' বিকৰণ যোগ হৈ পালিত কৰ্মবাচ্য সাধন হয়, কিন্তু এই '-য'ৰ সংশ্লেষণ হয়, কেতিয়াবা পূৰ্বৱৰ্তী ব্যঞ্জনৰ লগত সমীভূত হয়, কেতিয়াবা য>ইয় বা ইয্য হয় আৰু কেতিয়াবা -য>ঈ বা ঈয় হয়। যেনে —

√দা + য + তে > দিয়তে, দিয্যতি ইত্যাদি।

সংস্কৃতৰ কৰ্মবাচ্যত কেৱল আত্মনেপদী বিভক্তি যোগ হৈছিল, কিন্তু পালিত আত্মনেপদী আৰু পৰস্মৈপদী দুই প্ৰকাৰ বিভক্তিয়েই যোগ হয়।

প্ৰাকৃততো কৰ্মবাচ্য গঠন হয় ধাতুৰ পিছত '-য' বিকৰণ যোগ হৈ। এই '-য' কেতিয়াবা ধাতুৰ অন্ত্য ব্যঞ্জনৰ লগত সমীভৱন হয়; কেতিয়াবা '-ঈঅ' হিচাপে পৰিবৰ্দ্ধিত হয় আৰু কেতিয়াবা স্বতোদ্বিত্বভৱনেৰে '-ইজ্জ' হিচাপে ৰূপ পৰিবৰ্তন হয়। যেনেঃ

গম্ +য +তে =গম্যতে>গম্মই

গম্ +ঈঅ + দি =গমীঅদি

গম্ +ইজ্জ + ই =গমিজ্জই

সাধাৰণতে শৌৰসেনী-মাগধীত '-ঈঅ' আৰু মহাৰাষ্ট্ৰীত '-ইজ্জ' ব্যৱহৃত হয়। কৰ্মবাচ্যৰ প্ৰত্যয় যোগ হ'লে সংস্কৃতৰ আত্মনেপদী বিভক্তিৰ ঠাইত প্ৰাকৃতত পৰস্মৈপদী বিভক্তি ব্যৱহাৰ হয়।

অসমীয়াত কৰ্মবাচ্য গঠনৰ প্ৰক্ৰিয়া সুকীয়া ধৰণৰ আৰু এই ক্ষেত্ৰত অসমীয়াৰ কিছুমান নিজস্ব বিশেষত্ব আছে।

(১) কৰ্মবাচ্য গঠনৰ বাবে ধাতুত '-আ' যোগ কৰি তাৰ পিছত 'হয়' বা 'যায়' সহায়ক ক্ৰিয়া যোগ কৰা হয়। অ-কাৰান্ত বা আ-কাৰান্ত ধাতুত '-আ' যোগ কৰিলে মাজত 'ৱ' হয়। যেনেঃ ক+আ= কোৱা যেনে—

পুখুৰীত মাছ পোৱা যায়।

পাঁচনী ধাতুৰ পৰাও এই নিয়মেৰে কৰ্মবাচ্যৰ ক্ৰিয়া গঠন কৰিব পাৰি। পাঁচনী ধাতু সদায় আ-কাৰান্ত হয় আৰু ইয়াৰ পিছত কৰ্মবাচ্যৰ প্ৰত্যয় '-আ' লগ লাগি দুইটাৰ ৰূপ '-ওৱা' বা '-উৱা' হয়। যেনে —

কৰ+আ=কৰা+আ>কৰোৱা

শো+আ=শোৱা+আ>শুউৱা

এইদৰে প্ৰত্যয় নিষ্পন্ন নহৈ সহায়ক ক্ৰিয়া ব্যৱহাৰেৰে বিশ্লেষণাত্মক ৰীতিৰে কৰ্মবাচ্যৰ অৰ্থ নিৰ্দেশ কৰা অসমীয়া ভাষাৰ এক বৈশিষ্ট্য।

(২) অসমীয়াত কৰ্মবাচ্যৰ ক্ৰিয়াপদ অন্য এক প্ৰকাৰেও গঠন কৰা হয়। অৱশ্যে সকলো ধাতুৰ পৰা এই প্ৰকাৰৰ কৰ্মবাচ্য গঠন কৰিব নোৱাৰি। দেখ্, শুন্, বুজ্, পাৰ আদি কেইটামান সীমিত ধাতুৰ পৰাহে গঠন কৰিব পৰা যায়। এই কেইটা ধাতুত অসমাপিকাৰ -ই বিভক্তি যোগ কৰি কৰ্মবাচ্য গঠন হয়। যেনে— দেখ+ই=দেখি, শুন্+ই=শুনি, বুজ+ই=বুজি, পাৰ+ই=পাৰি। তেনেদৰে এই কেইটাৰে নঞাৰ্থক ক্ৰিয়াৰ ৰূপো গঠন

কৰিব পাৰি। যেনে— ন+দেখ্+ই>নেদেখি, ন+শুন+ই>নুশুনি, ন+ বুজ্+ ই>নুবুজি ইত্যাদি। একেদৰে গঠিত হোৱা কৰ্মবাচ্যৰ কৰ্মই কৰ্তা যেন হয় আৰু ক্রিয়া প্রথম পুৰুষৰ (সচৰাচৰ তৃতীয় পুৰুষ বুলি উল্লেখ হোৱা) হয়। যেনে—

(১) ল'ৰা-ছোৱালীবোৰৰ হুলস্থুল দূৰৰ পৰাই শুনি;

বা

ল'ৰা-ছোৱালীবোৰৰ হুলস্থুলত একোকে নুশুনি;

(২) অসমৰ পৰা হিমালয় দেখি;

বা

অসমৰ পৰা হিমালয় নেদেখি;

সহায়ক ক্রিয়াযুক্ত কৰ্মবাচ্যৰ দৰে অসমাপিকাৰ '-ই' যোগ কৰি সীমিত ধাতুৰ পৰা কৰ্মবাচ্য গঠনৰ ৰীতিও অসমীয়া ভাষাৰ নিজস্ব বৈশিষ্ট্য।

**৪.৩.৬ তুমুনন্ত ঃ**

সংস্কৃতত নিমিত্ত, ইচ্ছা আদি ভাৱ প্রকাশ কৰিবলৈ ধাতুৰ 'তুমুন্' প্রত্যয় যোগ কৰা হয়। 'তুমুন্'ৰ 'উন্' লোপ হৈ মাথোন 'তুম্' থাকে। যেনেঃ গম+তুমুন্ (তুম্)> গন্তুম, যাবলৈ। এই 'তুমুন্' প্রত্যয়ে ক্রিয়াৰ অসমাপিকা ৰূপটো প্রকাশ কৰে।

পালিত সংস্কৃতৰ 'তুমুন্' (তুম্) প্রত্যয় 'তুং' হোৱাৰ লগতে তৰে, তুয়ে, তায়ে প্রভৃতি প্রত্যয় যোগ হৈ তুমৰ্থক অসমাপিকা ক্রিয়া গঠন হোৱা দেখা যায়। যেনেঃ

-তুং ঃ দা+তুং > দাতুং

-তৰে ঃ দা+তৰে > দাতৰে

-তুয়ে ঃ মৰ্+তুয়ে > মৰিতুয়ে

-তায়ে ঃ খাদ+অয়ে > খাদিতায়ে

প্রাকৃতত সংস্কৃতৰ 'তুমুন্' (তুম্) প্রত্যয়ৰ একাধিক বিৱৰ্তিত ৰূপ দেখা যায়। তুম্ প্রত্যয় মহাৰাষ্ট্ৰীত 'উং', শৌৰসেনী- মাগধীত 'দুং', অৰ্ধমাগধীত 'ইত্তএ'-'ত্তয়ে' হৈছে। যেনে—

-উং (মহাৰাষ্ট্ৰী) ঃ কাউং = -কৃ+তুম

-দুং (শৌৰসেনী-মাগধী) = কাদুং, কৰিদুং (কত্তুম্)

-ইত্তএ/ওয়ে (অৰ্দ্ধমাগধী) = চিট্টিওএ, গচ্ছিওয়ে

সংস্কৃত 'তুম্' প্রত্যয় অসমীয়াত ৰক্ষিত হোৱা নাই। ইয়াৰ পৰিবৰ্তে ক্রিয়াৰ ভৱিষ্যত কালৰ তৃতীয় পুৰুষৰ ৰূপৰ পিছত অনুপদ 'লৈ' যোগ কৰি তুমুন্ বা নিমিত্ত অৰ্থ প্রকাশ কৰা হয়। যেনেঃ নিবলৈ, আনিবলৈ, ক'বলৈ, পঢ়িবলৈ ইত্যাদি।

**কৃদন্ত ঃ** কিছুমান ধাতুত কিছুমান বিশেষ প্রত্যয় যোগ কৰি কৃদন্ত গঠন কৰা হয়। অসমাপিকা ক্রিয়াৰ কাৰ্য বুজাবলৈ ইয়াক ব্যৱহাৰ কৰা হয়। গঠনৰ ওপৰত ভিত্তি কৰি

সংস্কৃত কৃদন্তক তিনি ভাগত ভাগ কৰিব পাৰি— বৰ্তমান কৃদন্ত, অতীত কৃদন্ত আৰু ভৱিষ্যত কৃদন্ত।

**(ক) বৰ্তমান কৃদন্ত ঃ** 'শতৃ' আৰু 'শানচ্' প্ৰত্যয় ধাতুৰ পিছত যোগ দি বৰ্তমান কৃদন্ত গঠন কৰা হয়। 'শতৃ'ৰ 'অৎ' আৰু 'শানচ'ৰ 'আন' বা 'মান' হয়। যেনেঃ √দৃশ+শতৃ (অৎ) >পশ্চাৎ; √দৃশ+শানচ্ (মান) > দৃশ্যমান। কিছুমান ধাতুৰ পিছত যেনে অদাদিগণীয় আ-কাৰান্ত ধাতুৰ পিছত আৰু তুদাদি গণীয় ধাতুৰ পিছত 'শতৃ'ৰ 'অৎ'ৰ ঠাইত বিকল্পে 'ন' হয়, তদুপৰি স্ত্ৰীলিংগত শতৃ-প্ৰত্যয়ান্ত ভ্বাদি, দিৱাদি গণীয় ধাতুত 'ন' যোগ হয়।

**(খ) অতীত কৃদন্ত ঃ** 'ক্ত' আৰু 'ক্তৱতু' প্ৰত্যয় ধাতুৰ পিছত যোগ দি অতীত কৃদন্ত গঠন কৰা হয়। 'ক্ত'ৰ 'ত' আৰু 'ক্তৱতু'ৰ 'তৱৎ' বা 'ৱৎ' থাকে। 'ক্ত' আৰু 'ক্তৱতু' প্ৰত্যয়ান্ত শব্দ অতীত কালৰ সমাপিকা ক্ৰিয়াৰ দৰে যদিও অতীত কালৰ অসমাপিকা ক্ৰিয়াও গঠন কৰিব পাৰে। তদুপৰি প্ৰয়োগ হয় বিশেষণ শব্দৰ দৰে ৰূপ কৰিহে কিছুমান ধাতুৰ পিছত বিকল্পে 'ই আগম' হয় আৰু বিশেষণৰ ৰূপ লয়। যেনেঃ ৰুদ-ৰুদিত, ৰুদিতৱৎ। কেতিয়াবা 'ক্ত' প্ৰত্যয়ান্ত শব্দৰ 'ত' 'ন'-কাৰত পৰিণত হয়। বিশেষকৈ দ-কাৰান্ত ধাতুৰ পিছত তেনে হোৱা দেখা যায়। যেনেঃ ভিদ্-ভিন্ন। ক্বসু-কানচ্ প্ৰত্যয় ধাতুৰ পিছত যোগ দিও অতীত কাল বুজোৱা হয় আৰু দুয়োটাও বিশেষণৰ দৰে প্ৰয়োগ হয়।

**(গ) ভৱিষ্যত কৃদন্ত ঃ** ধাতুৰ পিছত 'স্যতৃ' আৰু 'স্যমান' প্ৰত্যয় যোগ কৰি ভৱিষ্যত কৃদন্ত গঠন কৰা হয়। 'স্যতৃ'ৰ 'স্যৎ' থাকে। যেনে —

কৃ-কৰিষ্যৎ, কৰিষ্যমান; কৰিবলগীয়া, যাবলগীয়া, কৰিব খোজা, যাব খোজা আদি অৰ্থত স্যতৃ-স্যমান প্ৰত্যয়ান্ত শব্দ ভৱিষ্যত কালৰ কৃদন্ত বিশেষণ হয়। তব্য, অনীয়, যৎ আদি কৃৎ প্ৰত্যয় যোগ কৰিও ঔচিত্য অৰ্থত কৰ্ম আৰু ভাববাচ্যত ভৱিষ্যত কালৰ কৃদন্ত বিশেষণ গঠন হ'ব পাৰে। পঠিতব্য, ৰমনীয়, জ্ঞেয়, দেয় আদি ঔচিত্য অৰ্থত ব্যৱহাৰ হোৱা ভৱিষ্যত কালসূচক কিছুমান কৃদন্ত বিশেষণ।

পালি-প্ৰাকৃততো সংস্কৃতৰ দৰে তিনিটা কালত কৃদন্তৰ ব্যৱহাৰ হয়।

(ক) **বৰ্তমান কৃদন্তঃ** শতৃ-জাত-'অং' (ং), '-অন্ত' আৰু শানচ্ জাত '-আন, '-মান' প্ৰত্যয়ৰে পালিত বৰ্তমানকালিক কৃদন্ত গঠন হয়। যেনেঃ

-অং (ং) ঃ কৰং (কৰ্+ং)

-অন্ত ঃ কৰন্ত (কৰ্+অন্ত)

-আন ঃ কৰাণ (কৰ্+আন)

-মান ঃ কৰমান (কৰ্+মান)

সাধাৰণতে পালিত পৰস্মৈপদী ধাতুৰ পিছত '-অং', '-অন্ত' আৰু আত্মনেপদী ধাতুৰ পিছত '-আন', '-মান' যোগ হয়। সংস্কৃতৰ দৰে সকলো ক্ষেত্ৰত নিৰ্দ্দিষ্ট নিয়ম ৰক্ষিত হোৱা দেখা নাযায়।

আনহাতে প্ৰাকৃতত বৰ্তমান কালৰ কৃদন্ত গঠন হয় '-ন্ত' আৰু '-মান' প্ৰত্যয়ৰৰ যোগত। শতৃ-শানচ্‌জাত আৰু বিশেষণৰ দৰেই দুয়োটা ব্যৱহৃত হয়। যেনেঃ

-ন্ত ঃ পুচ্ছন্ত (স্ত্ৰীলিংগত -ন্তা, ন্তী হয়)

-মাণ ঃ সুণমান (স্ত্ৰীলিংগত -মাণা, -মাণী হয়)

অৰ্দ্ধ মাগধীত '-মাণ', '-মীণ' হোৱা দেখা যায়। অপভ্ৰংশ স্তৰত '-ন্ত' (অন্ত' স্বাৰ্থিক -ক যুক্ত হৈ '-ন্তক' (-ন্তঅ) হোৱা দেখা যায়।

**(খ) অতীত কৃদন্ত ঃ** পালি প্ৰাকৃতত অতীত কৃদন্ত গঠন হয় '-ত'/'-ন', 'ইত', '-তৱা' '-তাৱী' প্ৰত্যয়ৰ যোগত যেনে —

পালিঃ -ত/-ন ঃ ৰুদ্‌+ত>ৰোদিত, ৰুন্ন, ৰোণং

-তৱা ঃ ভূজ্ +তৱা>ভুত্তৱা

-তাৱী ঃ ভূজ্‌+তাৱী>ভুত্তাৱী

প্ৰাকৃত ঃ -ত ঃ গত>গঅ (মহাৰাষ্ট্ৰী), গদ (শৌৰসেনী)

-ইত ঃ গৃহীত>গহিঅ (মহাৰাষ্ট্ৰী), গহিদ (শৌৰসেনী)

-ণ ঃ ৰুদিত>ৰুণ্ণ

**(গ) ভৱিষ্যত কৃদন্ত ঃ** পালিত ভৱিষ্যত কৃদন্ত গঠন কৰিবলৈ -তব্ব, '-অনীয়', '-যয', '-সসং', '-সসমান' প্ৰত্যয় ব্যৱহাৰ কৰা হয়। যেনে —

-তব্ব ঃ দা+ তব্ব >দাতব্ব

-অনীয় ঃ দা+অনীয় >দানীয়

-যয্ ঃ দা+যয্ >দেযয্

-স্‌সং ঃ গম্ +স্‌সং >গৰ্মিস্‌সং

-স্‌সমান ঃ গম্‌+স্‌সমান >গমিস্‌সমান

আনহাতে প্ৰাকৃতত '-অব্ব'/'-দব্ব', '-অণীঅ'/'-অণিজ্জ', '-জ্‌জ', '-স্‌সং' প্ৰত্যয়ৰ দ্বাৰা ভৱিষ্যত কৃদন্ত গঠন হয়। যেনেঃ

-অব্ব/-দব্ব ঃ হোঅব্ব (মহাৰাষ্ট্ৰী), হোদৰ (শৌৰসেনী), হোয়াব্ব (অৰ্দ্ধমাগধী)

-অণীআ/-অণিজ্জঃ পূঅণীয় (শৌৰসেনী), কয়্য় (অৰ্দ্ধমাগধী)

স্‌সং ঃ কৰিস্‌সং (< কৰিষ্যাৎ)

সংস্কৃত, পালি-প্ৰাকৃতৰ দৰে অসমীয়াতো তিনিটা কালত কৃদন্তৰ ব্যৱহাৰ দেখা যায়।

**(ক) বৰ্তমান কৃদন্ত ঃ** বৰ্তমান কৃদন্ত বুজাবলৈ ধাতুৰ পিছত '-ওঁতে' যোগ কৰা হয়। ইয়াৰ দ্বাৰা কোনো এটা ক্ৰিয়া চলি থকা বা হৈ থকা অৱস্থা বুজায়, অৰ্থাৎ কোনো ক্ৰিয়া হৈ থাকোতে আন ক্ৰিয়া সমাপন হোৱা বুজালে হৈ থকা ক্ৰিয়াত '-ওঁতে' যোগ হয়। যেনেঃ খা+ ওঁতে=খাওঁতে; ভাত খাওঁতে কথা ক'ব নালাগে। মগধীয় ভাষাবোৰৰ ভিতৰত একমাত্ৰ অসমীয়াতে বৰ্তমান কৃদন্ত গঠন কৰিবলৈ '-ওঁতে' ব্যৱহাৰ কৰা হয়।

**(খ) অতীত কৃদন্ত ঃ** অতীত কৃদন্ত গঠন কৰিবলৈ ধাতুৰ পিছত '-আ' প্ৰত্যয় যোগ কৰা হয়। ইয়াৰ দ্বাৰা কোনো এটা কাৰ্য শেষ হোৱা বা কাৰ্যৰ সাধন বুজায়। যেনেঃ তাৰ কোৱা হ'ল। অতীত কৃদন্ত বিশেষণ ৰূপেও ব্যৱহাৰ হয়। যেনেঃ কৰা কাম ভালদৰে কৰিবা।

**(গ) ভৰিষ্যত কৃদন্ত ঃ** 'ইব' প্ৰত্যয়ৰ লগত 'লগা' বা 'লগীয়া' যোগ কৰি ভৰিষ্যত কৃদন্ত গঠন কৰা হয়। ভৰিষ্যত কৃদন্ত বিশেষণ ৰূপেও ব্যৱহৃত হয়। যেনেঃ

কৰিবলগীয়া (কৰ্+ইব+লগা) কাম

খাবলগীয়া (খা+ব+লগীয়া ) আপেল।

**৪.৩.৭ ক্ৰিয়াবাচক বিশেষ্য (Gerund) ঃ**

'ল্যপ্' আৰু 'ক্তাচ্' প্ৰত্যয়ৰ যোগত সংস্কৃতত ক্ৰিয়াবাচক বিশেষ্য গঠন হয়। ইয়াৰ দ্বাৰা আগতে হৈ যোৱা অসমাপিকা ক্ৰিয়াৰ অৰ্থ বুজায় বা পূৰ্বকালিক অসমাপিকাৰ অৰ্থ বুজায়। 'ল্যপ্' প্ৰত্যয় ধাতুৰ আগত উপসৰ্গ থাকিলে আৰু 'ক্তাচ্' প্ৰত্যয় উপসৰ্গ নাথাকিলে যোগ কৰা হয়। 'ল্যপ্'ৰ 'য' আৰু 'ক্তাচ্'ৰ 'ত্বা' থাকে। যেনে— আ+দা+ল্যাপ্ (য)> আদায়, লৈ যোৱাৰ অন্তত; দা+ক্তাচ্ (ত্বা)> দত্বা, দি দিয়াৰ অন্তত।

সংস্কৃতত ক্ৰিয়াবাচক বিশেষ্য গঠন কৰাৰ যি নিয়ম আছিল, পালি-প্ৰাকৃত উভয়তে সেয়া নাইকিয়া হ'ল আৰু অপভ্ৰংশ স্তৰত একাকাৰ হৈ পৰিল। উপসৰ্গ নাথাকিলেও 'য' প্ৰত্যয় আৰু উপসৰ্গ থাকিলেও 'ত্বা' প্ৰত্যয় যোগ হ'ব পাৰে। যেনেঃ

অভি-বন্ধ+য >অভিবন্ধিয়

অভি-বন্ধ+ত্বা >অভিবন্ধিত্তা (পালি)

উপ-আ+গচ্ছ+ত্বা >উৱাগচ্ছিত্তা (প্ৰাকৃত)

পালিত ক্ৰিয়াবাচক বিশেষ্য গঠন হয় '-যা', '-ত্বা', '-ত্বান' '-তূণ', '-তূনা' প্ৰত্যয়ৰ যোগত। যেনে—

-য ঃ উপ+নী+য >উপনীয়

-ত্বা ঃ উপ+নী +ত্বা >উপনেত্বা

-ত্বান ঃ গম্+ ত্বান >গত্বান

-তূন ঃ গম্ +তূন>গন্তূন

-তূনা ঃ গম্+তূনা >গন্তূনা

তেনেদৰে প্ৰাকৃতত ক্ৰিয়াবাচক বিশেষ্য গঠিত হয়' '-ইঅ', '-ঊণ', '-দূণ', '-দূঅ', '-ত্তা' প্ৰত্যয়ৰ যোগত। যেনেঃ

-ইঅ ঃ কৰ+ ইঅ > কৰিঅ। '-ইঅ' সকলো প্ৰাকৃততে ব্যৱহাৰ হয়।

-ঊণ, -দূণঃ মহাৰাষ্ট্ৰী আৰু মাগধীত -ঊণ আৰু শৌৰসেনীত -দূণ ব্যৱহাৰ কৰা হয়। যেনেঃ হসিঊণ (মহাৰাষ্ট্ৰী), হোউণ (মাগধী), হসিদূণ (শৌৰসেনী)।

-দূঅঃ শৌৰসেনীত ইয়াৰ প্ৰয়োগ দেখা যায়। বিশেষকৈ কৃ আৰু গম্ ধাতুৰ পিছত, যেনেঃ ঃ কদূঅ (কৃত্বা), গদুঅ (গত্বা)।

-ত্তাঃ ইয়াৰ ব্যৱহাৰ মাথোন অৰ্দ্ধমাগধীতহে দেখা যায়। যেনেঃ জাণিত্বা (জ্ঞাত্বা), পুচ্ছিত্তা (পৃষ্টা)।

প্ৰাকৃতৰ '-ইঅ', '-ঊণ', '-দুণ', '-দুঅ' আদি অপভ্ৰংশত '-ই', '-ইউ', '-ইৰি', '-অৰি', '-এপ্পি', '-এবি', '-এপ্পিনু', '-এৰিণু' আদি হিচাপে ব্যৱহাৰ হয়। যেনেঃ কৃ+ ত্বা>প্ৰাকৃত- কৰিঅ, কৰিঊণ, কৰিদুণ, কদুঅ>অপভ্ৰংশ -কৰি, কৰিউ, কৰিবি, কৰবি, কৰেপ্পি, কৰেপ্পিণু, কৰেৰিণু ইত্যাদি। তুমৰ্থক আৰু ল্যৰৰ্থক অসমাপিকাৰ পাৰস্পৰিক বিনিময় অপভ্ৰংশৰ বৈশিষ্ট্য।

ভৱিষ্যত কালত এটা ক্ৰিয়া হ'লেহে আন এটা ক্ৰিয়া হ'ব পাৰে এনে অৰ্থত আগৰ ক্ৰিয়াত '-ইলে' আৰু অতীত কালত এটা ক্ৰিয়াৰ পাছত আন এটা ক্ৰিয়া সমাপন হোৱা বুজালে আগৰ ক্ৰিয়াত '-ইলত' যোগ হৈ অসমাপিকা গঠিত হ'ব পাৰে। ইয়াকেই অসমীয়াত Gerund বুলি কোৱা হয়। এই দুই অসমাপিকাৰ ৰূপ গঠন হয় অতীত কালৰ কৃৎ প্ৰত্যয় '-ইল'ৰ লগত সপ্তমীৰ নাম বিভক্তি '-এ' আৰু '-ত' যোগ হৈ ঃ -ইল+এ= ইলে, -ইল+ত= ইলত। যেনে — মই আহিলে কামটো কৰিবা, শিক্ষক আহিলত ছাত্ৰ-ছাত্ৰীবোৰ মনে মনে থাকিল।

## ৪.৪ সাৰাংশ (Summing Up)

সংস্কৃতৰ ধাতুৰূপক মুখ্য আৰু গৌণ এই দুটা ভাগত ভাগ কৰিব পাৰি। সচৰাচৰ সাধাৰণতে ধাতুৰ পিছত তিঙ্ বিভক্তি যোগ কৰি সংস্কৃতত ক্ৰিয়াপদ গঠন কৰা হয়। তিঙ্ বিভক্তি যোগ হোৱাৰ পিছত হোৱা পৰিৱৰ্তনক লক্ষ্য কৰি সংস্কৃতৰ ধাতুবোৰক দহটা গণত ভাগ কৰা হৈছে। পালিত এই দহটা গণৰ ভিতৰত সাঁটোতা গণ ৰক্ষিত হ'ল। আনহাতে প্ৰাকৃতত গণ হ'ল দুটা। অসমীয়াত সংস্কৃতৰ গণৰ অস্তিত্ব সম্পূৰ্ণৰূপে লোপ পালে।

গৌণ ধাতুৰ ণিজন্ত, সনন্ত, যঙন্ত আদি ধাতুৰ প্ৰয়োগ সংস্কৃততকৈ পালি-প্ৰাকৃতত হ্ৰাস পায়। যঙন্ত ধাতুৰ পালিত প্ৰয়োগ থাকিলেও প্ৰাকৃতত ই অতি সীমিত। অসমীয়াত সনন্ত বা যঙন্ত ধাতু দেখিবলৈ পোৱা নাযায়। কিন্তু ধন্যাত্মক আৰু দ্বিত্ব ধাতুসমূহক যঙন্ত শ্ৰেণীৰ ধাতুত অন্তৰ্ভুক্ত কৰিব পাৰি। কৰ্মবাচ্য, তুমুনন্ত, কৃদন্ত, ক্ৰিয়াবাচক বিশেষ্য আদি গঠন প্ৰক্ৰিয়াও সংস্কৃততকৈ পালি-প্ৰাকৃত আৰু অসমীয়াত সৰল হৈ পৰে।

## ৪.৫ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) সংস্কৃতত ধাতু মুঠতে কেইটা আৰু কি কি 'গণ'ত কিয়া ভাগ কৰা হৈছে ফঁহিয়াই দেখুৱাওক। পালি-প্ৰাকৃত আৰু অসমীয়াত সেই ধাতুৰ কেনেদৰে 'গণ' বিভাগ আছে নে নাই চমুকৈ লিখক।

(২) সংস্কৃত ধাতুৰ ‘গণ’ বিভাগৰ যথাযথ উদাহৰণ দাঙি ধৰি ব্যাখ্যামূলক টোকা যুগুত কৰক।

(৩) ল-কাৰ বুলিলে কি বুজা যায়? সংস্কৃতৰ ল-কাৰ কেইপ্ৰকাৰ আৰু কি কি? পালি-প্ৰাকৃত আৰু অসমীয়াত এই ল-কাৰ কেনেদৰে ৰক্ষিত হৈছে, আলোচনা কৰক।

(৪) সংস্কৃত ভাষাৰ ধাতুৰ শ্ৰেণীবিভাগৰ বিষয়ে লিখক আৰু অসমীয়া ভাষাৰ ধাতুৰ শ্ৰেণীবিভাগৰ সংস্কৃতৰ ধাতুৰ শ্ৰেণীবিভাগৰ লগত কেনেধৰণৰ যোগসূত্ৰ আছে বিচাৰ কৰক।

(৫) সংস্কৃত, পালি-প্ৰাকৃত আৰু অসমীয়া ভাষাৰ ধাতুৰূপৰ সকলো দিশ সামৰি এটি টোকা যুগুত কৰক।

## ৪.৬ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


গোলোক চন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

নগেন ঠাকুৰ ঃ *পালি-প্ৰাকৃত-অপভ্ৰংশ ভাষা আৰু সাহিত্য*

ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰ ঃ *সমগ্ৰ ব্যাকৰণ-কৌমুদী*

হৰিচন্দ্ৰ ভট্টাচাৰ্য ঃ *সংস্কৃত ব্যাকৰণ প্ৰভা*

লীলাৱতী শইকীয়া বৰা ঃ *সংস্কৃত-পালি-প্ৰাকৃত আৰু অসমীয়া ব্যাকৰণ*

দেৱীদাস ভট্টাচাৰ্য ঃ *মধ্য ভাৰতীয় আৰ্য ভাষা ও সাহিত্য*

পৰেশ চন্দ্ৰ মজুমদাৰ ঃ *সংস্কৃত ও প্ৰাকৃত ভাষাৰ ক্ৰমবিকাশ*


* * *

# তৃতীয় খণ্ড ঃ
# নৱভাৰতীয় আৰ্যভাষা আৰু মগধীয় ভাষাৰ ধ্বনিতত্ত্ব


প্ৰথম বিভাগ ঃ নব্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয়

দ্বিতীয় বিভাগ ঃ মগধীয় ভাষাসমূহৰ উদ্ভৱ আৰু সাধাৰণ বৈশিষ্ট্য

তৃতীয় বিভাগ ঃ মগধীয় ভাষাসমূহৰ পৰিচয় আৰু ভাষাগত বৈশিষ্ট্য

চতুৰ্থ বিভাগ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বিশিষ্ট স্বৰ

পঞ্চম বিভাগ ঃ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনি

# প্ৰথম বিভাগ
# নব্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ পৰিচয়

**বিভাগৰ গঠনঃ**


১.১ ভূমিকা (Introduction)
১.২ উদ্দেশ্য (Objectives)
১.৩ নব্যভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ
১.৪ নব্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্য
১.৫ নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ পৰিচয়
১.৫.১ মহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা উদ্ভৱ ভাষা
১.৫.২ শৌৰসেণী প্ৰাকৃতৰ পৰা উদ্ভুত ভাষা
১.৫.৩ অৰ্ধমাগধী প্ৰাকৃতৰ পৰা উদ্ভুত ভাষা
১.৫.৪ পৈশাছী প্ৰাকৃতৰ পৰা উদ্ভুত ভাষা
১.৫.৫ মাগধী প্ৰাকৃতৰ পৰা উদ্ভুত ভাষা
১.৬ সাৰাংশ (Summing Up)
১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ১.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী খণ্ডৰ বিভাগবোৰত মধ্যভাৰতীয় আৰ্যভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যৰ বিষয়ে পৰ্যালোচনা কৰি অহা হৈছে। এই বিভাগটিত নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ পৰিচয় দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ব।

আমি জানো যে ভাৰত ইউৰোপীয় ভাষা পৰিয়ালৰ এটা ঠাল খৃ.পূ.-১৫০০ শতিকামানত ভাৰতবৰ্ষত প্ৰৱেশ কৰিছিল। ভাৰতলৈ অহা এই ঠালটোৱে হ'ল ভাৰতীয় আৰ্য। এই ঠালটোৰ লোকসকলৰ ভাষাটোক ভাৰতীয় আৰ্য ভাষা বুলি কোৱা হয়। এই আৰ্য ভাষাই প্ৰাচীন ভাৰতীয় আৰ্য, মধ্য ভাৰতীয় আৰ্য এই দুটা স্তৰৰ মাজেৰে আহি খ্ৰীঃ দশম আৰু দ্বাদশ শতিকাৰ ভিতৰত নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱ হয়। মধ্য ভাৰতীয় আৰ্য ভাষাৰ শেষ স্তৰ বিভিন্ন অৱহটঠৰ পৰা এই নব্য ভাৰতীয় আৰ্য ভাষা সমূহৰ উৎপত্তি হয়। এই বিভাগটিত নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ সাধাৰণ বৈশিষ্ট্য দাঙি ধৰাৰ লগতে নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ চমু পৰিচয় দাঙি ধৰা হ'ব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱ সম্পৰ্কে জানিব পাৰিব;

- নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ সাধাৰণ বৈশিষ্ট্য আলোচনা কৰিব পাৰিব;
- নব্য ভাৰতীয় আৰ্য-ভাষাসমূহৰ পৰিচয় লাভ কৰিব পাৰিব।

## ১.৩ নব্য ভাৰতীয় আৰ্যভাষাৰ উদ্ভৱ

মধ্য ভাৰতীয় আৰ্য ভাষাৰ ক্ৰম বিৱৰ্তনৰ ফলত ঠিক একে সময়তে নহ'লেও আনুমানিক খৃষ্টীয় দশমৰপৰা দ্বাদশ শতিকাৰ ভিতৰত গঢ় লৈ উঠা ভাষাবোৰেই হৈছে নব্য বা আধুনিক ভাৰতীয় আৰ্য ভাষা। গ্ৰীয়াৰছন প্ৰমুখ্যে দুই-এক ভাষাবিদৰ মতে প্ৰতিটো সহিত্যিক প্ৰাকৃতৰে একোটা অপভ্ৰংশ স্তৰ আছে আৰু সেই অপভ্ৰংশৰ অন্তিম স্তৰ অৰ্বাচিনী অপভ্ৰংশ বা অৱহট্‌ঠ বিভিন্ন প্ৰদেশ আৰু অঞ্চলত কালগত আৰু স্থানগত ৰূপান্তৰ হৈ অসমীয়া, বঙলা, উৰিয়া, হিন্দী আদি ভাষাত পৰিণত হ'ল। সেই হিচাপে মহাৰাষ্ট্ৰৰ পৰা মাৰাঠী; শৌৰসেনীৰপৰা পশ্চিমা হিন্দী, ৰাজস্থানী, গুজৰাটী, মাগধীৰপৰা অসমীয়া, বঙলা, উৰিয়া, অৰ্দ্ধমাগধীৰপৰা পূৰ্বী হিন্দী আৰু শৌৰসেনীৰ প্ৰভাৱত হিমালয়ী বা পাহাৰী, পাঞ্জাৰী আদি আধুনিক ভাষাবোৰ গঢ় লৈ উঠিছে বুলি কোৱা হয়। কিন্তু প্ৰাচীনকালত ভাষাবোৰৰ মাজত পাৰস্পৰিক ধাৰ ইমান বেছিকৈ চলিছিল যে কোনো এটা ভাষাক একোটা নিৰ্দিষ্ট প্ৰাকৃত বা অপভ্ৰংশৰ অন্তৰ্ভূক্ত কৰিব নোৱাৰি। উদাহৰণ স্বৰূপে, মাগধী অপভ্ৰংশৰপৰা উদ্ভূত অসমীয়া ভাষাৰ লগত শৌৰসেনী প্ৰভাৱিত পাঞ্জাৰী ভাষাৰ শব্দগত দিশত ভালেখিনি মিল আছে। নব্য ভাৰতীয় আৰ্য ভাষাবোৰক নটা শাখাত ভাগ কৰা হৈছে—ঃ দক্ষিণ-পশ্চিমা, পশ্চিমা, দৰ্দীয়, উত্তৰ-পশ্চিম, উত্তৰ-হিমালয়ী, মধ্য, প্ৰাচ্য-মধ্যা, প্ৰাচ্যা বা পূৰ্বী শাখা আৰু বিদেশী শাখা। এই নটা শাখা বা গোটৰ অন্তৰ্গত ভাষাসমূহক আকৌ বহিৰঙ্গ আৰু অন্তৰঙ্গ, এই দুটা ভাগত ভাগ কৰা হৈছে। কিন্তু এনে বিভাজন বৰ স্পষ্ট নহয়। কিয়নো ভাৰতীয় আৰ্য ভাষাৰ প্ৰত্যেক স্তৰ আৰু উপস্তৰত পৰ্যাপ্ত পৰিমানে পাৰস্পৰিক মিশ্ৰণ ঘটিছে আৰু মান্য ভাষাইও যথেষ্ট প্ৰভাৱ পেলাইছে। অন্তৰঙ্গ-বহিৰঙ্গ ভাষাৰ মাজত যে একেবাৰে মিল নাই, এনে নহয়। উদাহৰণ স্বৰূপে অসমীয়া বহিৰঙ্গ ভাষাৰ ভিতৰত আৰু পাঞ্জাৰী অন্তৰঙ্গ ভাষাৰ ভিতৰত পৰে। কিন্তু দুয়োটা ভাষাৰে শব্দগত দিশত ভালেখিনি মিল দেখা যায়।

## ১.৪ নব্য ভাৰতীয় আৰ্যভাষাৰ সাধাৰণ বৈশিষ্ট্য

বিভিন্ন দৃষ্টিকোণৰপৰা নব্য ভাৰতীয় আৰ্য ভাষাবোৰক এনে দৰে ভাগ কৰা হয় যদিও এই ভাগবোৰৰ মাজত পাৰস্পৰিক সম্পৰ্ক অতি নিবিড়। নব্য ভাৰতীয় আৰ্য ভাষাবোৰৰ মাজত এনে কিছুমান সামূহিক বৈশিষ্ট্য আছে, যাৰ কাৰণে এই ভাষাবোৰক নিৰ্দিষ্টভাবে একোটা ভাষা গোটৰ অন্তৰ্ভূক্ত কৰিব নোৱাৰি। তলত নব্য ভাৰতীয় আৰ্য ভাষাবোৰৰ সাধাৰণ বৈশিষ্ট্যকেইটামান দাঙি ধৰা হ'ল—

**ধ্বনিগত ঃ**

১) সংস্কৃত সংযুক্ত ব্যঞ্জনৰ একক ধ্বনিলৈ ৰূপান্তৰ আৰু কিছুমান শব্দত পূৰ্ববৰ্তী হ্ৰস্ব স্বৰ দীৰ্ঘ স্বৰলৈ পৰিবৰ্তন; যেনে- কৰ্ম > কাম, মধ্য > মাজ, হস্ত > হাত আদি।

২) পদৰ মাজত শ্ৰুতিৰ ব্যৱধান নাথাকিলে ওচৰা-ওচৰিকৈ থকা স্বৰধ্বনিৰ লোপ বা সংকোচন; যেনে- মৃত্তিকা > মট্টিআ > মাটি, ঘৃত > ঘিঅ > ঘি।

৩) নাসিক্য ব্যঞ্জন ধ্বনি আন ব্যঞ্জনৰ লগত যুক্ত হৈ থাকিলে পূৰ্ববৰ্তী স্বৰধ্বনিৰ লগত বৰ্তি থাকিল। যেনে- দন্ত > দাঁত, কণ্টক > কাঁইট, কাঁটা আদি।

**ৰূপগত ঃ**

১) পদান্ত স্বৰধ্বনি বিকৃত বা লুপ্ত হোৱাৰ কাৰণে প্ৰাচীন লিঙ্গৰ পাৰ্থক্য প্ৰায় নোহোৱা হৈ পৰিল। গুজৰাটী আৰু মাৰাঠীৰ বাহিৰে আন ভাষাত ক্লীৱ লিঙ্গৰ লুপ্ত হ'ল। সিংহলীত নতুনকৈ সপ্ৰাণ আৰু অপ্ৰাণ- এই দুই লিঙ্গৰ সৃষ্টি হ'ল। আনবোৰ ভাষাত পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ থাকিল। কিন্তু এই দুটা লিঙ্গৰ মাজত থকা পাৰ্থক্যও সংস্কৃতৰ দৰে নহয়।

২) বচন সকলো ভাষাতে দুটা; বহুবচন বুজোৱা নতুন প্ৰত্যয় আৰু বহুত্ববাচক শব্দৰ প্ৰয়োগ।

৩) লুপ্ত প্ৰাচীন কাৰক-বিভক্তিৰ ঠাইত অনুপদ (post position) আৰু অনুপদজাত নতুন কাৰক-বিভক্তিৰ ব্যৱহাৰ।

৪) ল-কাৰ আৰু গণ বিভাজন লোপ পালে। নিষ্ঠা আৰু শতৃ প্ৰত্যয়ৰ যোগত অতীতকালৰ আৰু কেতিয়াবা তব্য প্ৰত্যয়ৰ যোগত ভৱিষ্যত কালৰ পদগঠন হ'বলৈ ধৰিলে।

৫) প্ৰাচীন কাল আৰু ভাবৰ ভিতৰত কেৱল বৰ্তমান আৰু অনুজ্ঞা ভাৱ ৰক্ষিত হ'ল। যৌগিক কালৰ ব্যৱহাৰ এই স্তৰৰ ভাষাৰ এটি বিশেষত্ব।

৬) আৰবী, পাৰ্চী, ইংৰাজী আদি ভাষাৰ শব্দৰ পৰ্যাপ্ত ব্যৱহাৰ।

৭) ছন্দ পদ্ধতি সমমাত্ৰিক আৰু মাত্ৰামূলক আৰু কেতিয়াবা অক্ষৰ মূলক।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। ভাৰতীয় আৰ্য ভাষাক কেইটা আৰু কি কি স্তৰত ভাগ কৰা হৈছে? প্ৰতিটো স্তৰৰ সময় উল্লেখ কৰিব। (৬০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................

..................................................................................................

..........................................................................................................

..........................................................................................................

২। নব্য ভাৰতীয় আৰ্য ভাষাত লকাৰ আৰু গণ বিভাজনৰ ধাৰণা বৰ্ত্তি থাকিল নে? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ১.৫ নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ পৰিচয়

আমি সকলোৱে জানো যে মধ্য ভাৰতীয় আৰ্যৰ স্তৰত প্ৰধানত পাঁচোটা প্ৰাকৃত ভাষাৰ গঢ় লৈ উঠিছিল। এই প্ৰাকৃত ভাষাই কালক্ৰমত সৰলীকৃত ৰূপ পৰিগ্ৰহণ কৰিছিল আৰু সেই সৰলীতৰ ৰূপটোৱেই হ'ল অপভ্ৰংশ বা অৱহটঠ। এই অপভ্ৰংশ স্তৰৰ পৰাই আধুনিক ভাৰতী আৰ্য ভাষাসমূহৰ সৃষ্টি হৈছে। খ্ৰীঃ দশম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত এই নব্য বা আধুনিক আৰ্য ভাষাসমূহৰ বিকাশ হয়। অপভ্ৰংশ অনুসৰি এই ভাষাসমূহৰ উৎপত্তি এনেদৰে দেখুৱাব পাৰি—

মহাৰাষ্ট্ৰী প্ৰাকৃত > মহাৰাষ্ট্ৰী অপভ্ৰংশ > মাৰাঠী ভাষা

মাগধী প্ৰাকৃত > মাগধী অপভ্ৰংশ > অসমীয়া, বাংলা, ওড়িআ, মৈথেলী, মগহী, ভোজপুৰী

শৌৰসেনী প্ৰাকৃত > শৌৰসেনী অপভ্ৰংশ > পশ্চিমা হিন্দী, ৰাজস্থানী, গুজৰাটী

অৰ্ধ মাগধী প্ৰাকৃত > অৰ্ধমাগধী অপভ্ৰংশ > পূৰ্বী হিন্দী

পৈশাচী প্ৰাকৃত > পৈশাচী অপভ্ৰংশ > হিমালয়ী বা পহাড়ী, পাঞ্জাৱী

#### ১.৫.১ মহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা উদ্ভত ভাষা

**মাৰাঠী ভাষা** ঃ মহাৰাষ্ট্ৰী প্ৰাকৃতৰ পৰা উদ্ভূত প্ৰধান ভাষা হ'ল মাৰাঠী ভাষা। ই ভাৰতবৰ্ষৰ অষ্টম অনুসূচীৰ দ্বাৰা স্বীকৃত এটা উল্লেখযোগ্য ভাষা। মাৰাঠী ভাষা প্ৰধানকৈ মাহাৰাষ্ট্ৰ ৰাজ্যত প্ৰচলিত। মহাৰাষ্ট্ৰৰ উপৰি গোৱা, কৰ্ণাটক, তামিলনাডু, তেলেংগানা, গুজৰাট, মধ্যপ্ৰদেশ, ছত্তিছগড় আদি ৰাজ্য আৰু দাদৰ আৰু নগৰ ভূভেলি আৰু দমন আৰু ডিউ কেন্দ্ৰীয় শাসিত অঞ্চলত এই ভাষাৰ প্ৰচলন আছে। ভাৰতবৰ্ষৰ ওপৰি অষ্ট্ৰেলিয়া, কানাডা, ওমান, ইজৰাইল, মৰিছাছ, আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, নিউজিলেণ্ড আদি দেশতো এই ভাষাৰ প্ৰচলন আছে। ২০১১ চনৰ পিয়ল অনুসৰি মাৰাঠী ভাষা কোৱা ৮.৩ কোটি লোক আছে। ভাৰতবৰ্ষত হিন্দী, বাংলা আৰু তেলেগু ভাষাৰ পাছতে

এই ভাষীৰ সংখ্যা। এই ভাষা কওঁতাৰ সংখ্যা পৃথিৱীৰ ভিতৰত ১৩ নং স্থানত আছে। মাৰাঠী ভাষা মহাৰাষ্ট্ৰ আৰু গোৱাৰ চৰকাৰী ভাষা।

মাৰাঠী ভাষা লিপি হ'ল দেৱনাগৰী। এই ভাষাৰ বিকাশৰ ধাৰাটোক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি—

১। প্ৰাচীন মাৰাঠী (খ্ৰী. ১০০০-১৩০০)

২। মধ্য মাৰাঠী (খ্ৰী. ১৩০০-১৮০০)

৩। আধুনিক মাৰাঠী (খ্ৰী. ১৮০০-বৰ্তমানলৈ)

মাৰাঠী ভাষাত সৰ্বমুঠ ৪২টা কথিত ৰূপ অৰ্থাৎ উপভাষিক ৰূপ পোৱা যায়। এইবোৰৰ ভিতৰত কেতবোৰ প্ৰধান ঔপভাষিক ৰূপ হ'ল— বৰ্হাদী, জাদিবোলী, মালৱালী, সংগামেশ্বৰী, অগ্ৰী, ৱাৰ্লি, ৱাদবলী, সমাদেৰী আদি। এইবোৰৰ ওপৰি তামিলনাডু, অন্ধ্ৰপ্ৰদেশ আৰু কৰ্ণাটক ৰাজ্যত মাৰাঠী ভাষাৰ কেতবোৰ ঔপভাষিক ৰূপ পোৱা যায় যিবোৰ দ্ৰাৱিড় ভাষাগোষ্ঠীৰ প্ৰভাৱ পুষ্ঠ। সেইবোৰ হ'ল— তাজাৱুৰ, নামদেৱ সিম্পী মাৰাঠী, অ'ৰৈই মাৰাঠী, ভাস্কৰ মাৰাঠী ইত্যাদি।

মাৰাঠী ভাষাৰ বৈশিষ্ট্যঃ

১। মাৰাঠী ভাষাত বিশিষ্ট স্বৰ ধ্বনি ৮টা স্বৰধ্বনিৰ আখৰ ১৪টা।

২। মাৰাঠী ভাষাত ব্যঞ্জণধ্বনিৰ আখৰ ব্যৱহাৰ হয় ৩৮টা কিন্তু উচ্চাৰণত অৰ্থাৎ বিশিষ্ট ব্যঞ্জন ধ্বনি ৪১টা।

৩। স্বৰৰ অনুনাসিকতা পোৱা নাযায়।

৪। সংস্কৃতৰ 'ঋ' ধ্বনিৰ উচ্চাৰণ মাৰাঠীত 'ৰু' হয়।

৫। বচন ব্যাকৰণগত বিষয়। বচন দুবিধ — এক বচন আৰু বহু বচন। প্ৰত্যয়ৰ সংযোগত একবচনৰ পৰা বহুবচন কৰা হয়।

৬। মাৰাঠী ভাষাত লিংগ তিনিবিধ— পুংলিগ, স্ত্ৰীলিংগ আৰু ক্লীৱ লিংগ। এই ভাষাত লিংগ ব্যাকৰণগত বিষয়। এই ভাষাত লিংগ নিৰ্ণয় প্ৰক্ৰিয়া জটিল। প্ৰতিটো শব্দই একোটা নিৰ্দিষ্ট লিংগৰ অন্তৰ্ভুক্ত।

৭। মাৰাঠী ভাষাত পুৰুষ তিনিবিধ— প্ৰথমপুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। এই ভাষাত পুৰুষ ব্যকৰণগত বিষয়।

৮। মাৰাঠী ভাষাত বিশেষণবোৰ কাল অনুযায়ী ব্যৱহাৰ হয়। কাল অনুযায়ী ধাতুৰ পাছত নিৰ্দিষ্ট প্ৰত্যয় যোগ কৰি বিশেষণৰ ৰূপ দিয়া হয়।

৯। মাৰাঠী ভাষাত ক্ৰিয়াৰ কাল তিনিপ্ৰকাৰৰ— বৰ্তমান, অতীত আৰু ভৱিষ্যত। বৰ্তমান কালৰ নিত্য বৰ্তমান আৰু স্বৰূপ বৰ্তমান; অতীত কালৰ সাধাৰণ অতীত, সংযোজক অতীত, স্বৰূপ অতীত, সম্ভাব্য অতীত আৰু অপূৰ্ণ অতীত; আৰু ভৱিষ্যত কালৰ সাধাৰণ ভৱিষ্যত আৰু সম্ভাব্য ভৱিষ্যত— এই কেইটা উপবিভাগ আছে।

### ১.৫.২ শৌৰসেণী প্ৰাকৃতৰ পৰা উদ্ভূত ভাষা

শৌৰসেণী প্ৰাকৃতৰ পৰা অহা তিনিটা প্ৰধান নব্য ভাৰতীয় আৰ্য ভাষা হ'ল পশ্চিমা হিন্দী, গুজৰাটী আৰু ৰাজস্থানী।

পশ্চিমা হিন্দী ঃ পশ্চিমা হিন্দী নব্য ভাৰতীয় আৰ্য ভাষাবোৰৰ ভিতৰত উল্লেখযোগ্য ভাষা। বৰ্তমান ভাৰতবৰ্ষত প্ৰচলিত হিন্দী ভাষাৰ মান্যৰূপ। এই ভাষাটোকে সাধাৰণভাৱে হিন্দী ভাষা বুলি জনা যায়। এই ভাষাটো ৮ম অনুসূচীৰ স্বীকৃতপ্ৰাপ্ত ভাষা। এই ভাষাটো ভাৰতবৰ্ষৰ লগতে পাকিস্তানতো প্ৰচলিত। ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম ভাৰত আৰু মধ্য ভাৰতত এই ভাষাৰ প্ৰচলন। বিশেষকৈ হাৰিয়ানা, উত্তৰ প্ৰদেশৰ পশ্চিম অঞ্চল আৰু মধ্য প্ৰদেশৰ বুন্দেলখান্দ অঞ্চলত এই ভাষাৰ প্ৰধান বসতি। তদুপৰি ভাৰতবৰ্ষৰ প্ৰায় সকলো অঞ্চলতে এই ভাষাৰ প্ৰচলন আছে। এই ভাষাৰে কথিত ৰূপ বিহাৰ অঞ্চল আৰু মহাৰাষ্ট্ৰতো ব্যাপকহাৰত প্ৰচলন আছে।

এই ভাষাৰ কেইবাটাও উপভাষা আছে। তাৰ ভিতৰত হাৰিয়ানা, ব্ৰজ-ভাষা, বুন্দেলী, কণৌজী খাৰবলী আৰু হিন্দুস্তানী অন্যতম। ইয়াৰে খাৰবলী উপভাষাটোৰ ভিত্তিতে হিন্দী ভাষাৰ মান্যৰূপটো গঢ় লৈছে। হিন্দুস্থানী উপভাষাই ভাৰতবৰ্ষৰ অন্যান্য ৰাজ্যত প্ৰচলিত কথিত ৰূপবোৰক সামৰি লয়। পাকিস্তানত প্ৰচলিত হিন্দী ভাষাৰ কথিত ৰূপটোকো হিন্দুস্থানী বুলি কোৱা হয়। পশ্চিমা হিন্দীত দেৱনাগেৰী লিপি প্ৰচলন আছে। এই ভাষাৰো বিকাশকো অন্যান্য নব্য ভাৰতীয় আৰ্য ভাষাৰ নিচিনাকৈ তিনিটা স্তৰত বিভাজন কৰি আলোচনা কৰিব পাৰি—

১। আদি কাল (খ্ৰীঃ ১০০০ ৰ পৰা খ্ৰীঃ ১৫০০ লৈ)

২। মধ্য কাল (খ্ৰীঃ ১৫০০ ৰ পৰা খ্ৰীঃ ১৮০০ লৈ)

৩। আধুনিক কাল (খ্ৰীঃ ১৮০০ ৰ পৰা বৰ্তমানলৈ)

পশ্চিমা হিন্দী ভাষাৰ বৈশিষ্ট্যঃ

১। পশ্চিমা হিন্দী ভাষাৰ স্বৰ ধ্বনি ১১ টা

২। ব্যঞ্জণধ্বনি ৩৩ টা

৩। সংস্কৃতৰ 'ঋ' ধ্বনিৰ উচ্চাৰণ 'ৰি' নিচিনা।

৪। বচন দুবিধ— একবচন আৰু বহুবচন

৫। লিংগ দুবিধ— পুংলিগ আৰু স্ত্ৰীলিংগ। লিঙ্গ এই ভাষাত ব্যাকৰণগত বিষয়।

৬। ক্ৰিয়াৰ কাল তিনিবিধ— বৰ্তমান, অতীত আৰু ভৱিষ্যত।

৭। এই ভাষাত আৰবী, উৰ্দু, পাৰ্চী ভাষাৰ শব্দৰ প্ৰয়োগ অধিক।

৮। তৎসম শব্দৰ পয়োভৰ দেখা যায়।

**ৰাজস্থানী ভাষা ঃ**

শৌৰসেনী প্ৰাকৃতৰ পৰা অহা আন এটা নব্য ভাৰতীয় আৰ্য ভাষা হ'ল ৰাজস্থানী ভাষা। এই ভাষা প্ৰধানকৈ ভাৰতবৰ্ষৰ পশ্চিম প্ৰান্তৰ ৰাজস্থান, মালৱা; হাৰিয়ানা, গুজৰাট

আৰু মধ্য প্ৰদেশৰ দাঁতিকাষৰীয়া অঞ্চলত প্ৰচলিত। ৰাজস্থান প্ৰদেশৰ মাৰোৱাৰী সম্প্ৰদায়ৰ লোকসকল বেপাৰ বাণিজ্যৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যৰ লগতে বিদেশতো বাস কৰি আছে। সেই অঞ্চলবোৰতো তেওঁলোকে নিজৰ ভাষা ব্যৱহাৰ কৰে। এই ভাষাক লিখিত ৰূপ দিয়াৰ বাবে 'দেৱনাগেৰী' লিপি ব্যৱহাৰ কৰা হয়। ২০১১ চনৰ পিয়ল মতে এই ভাষা ব্যৱহাৰ কাৰীৰ সংখ্যা ২.৫ কোটি।

ৰাজস্থানী ভাষাৰ ভালেমান উপভাষিক ৰূপ পোৱা যায়। এই উপভাষাসমূহৰ ভিতৰত মাৰোৱাৰী, মেৱাৰী, ধুনধাৰী, হাৰাউতি, মেৰতী, চেখাৱতী, ৰাগ্ৰী অন্যতম। এই প্ৰধান উপভাষা বিলাকৰ বিভিন্ন উপবিভাগ পোৱা যায়।

ৰাজস্থানী ভাষাৰ বৈশিষ্ট্যঃ

১। ৰাজস্থানী ভাষাত ব্যৱহৃত স্বৰধ্বনি ১০ টা

২। ব্যঞ্জনধ্বনিৰ সংখ্য ৩১টা

৩। বচন দুটা আৰু লিংগ দুই প্ৰকাৰৰ।

৪। ক্ৰিয়াৰ কাল তিনিবিধ— বৰ্তমান, অতীত আৰু ভৱিষ্যত।

৫। বাক্যৰ মূল গাঁথনি কৰ্তা-কৰ্ম-ক্ৰিয়া।

৬। শব্দ ভাণ্ডৰৰ ক্ষেত্ৰত আৰবী পাৰ্চী ভাষাৰ শব্দৰ প্ৰয়োগ অত্যন্ত বেছি।

গুজৰাটী ভাষা ঃ শৌৰসেনী প্ৰাকৃতৰ পৰা অহা আন এটা উল্লেখযোগ্য আধুনিক ভাৰতীয় আৰ্য ভাষা হ'ল গুজৰাটী ভাষা। এই ভাষা প্ৰধানকৈ গুজৰাট ৰাজ্যত প্ৰচলিত। গুজৰাটৰ ওপৰি মহাৰাষ্ট্ৰৰ মুম্বাইৰ কিছু অংশত এই ভাষাৰ প্ৰচলন আছে। ভাৰতবৰ্ষৰ ওপৰি পাকিস্তান, আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলণ্ড, কানাডা, কেনিয়া, দক্ষিণ আফ্ৰিকা আদি বিদেশ ৰাষ্ট্ৰতো এই ভাষাৰ প্ৰচলন আছে। ২০১১ চনৰ পিয়ল মতে ভাৰতবৰ্ষত এই ভাষা কওঁতা ৫.৫৫ কোটি। এই ভাষাত দেৱনাগেৰী লিপিৰ অন্তৰ্গত 'আবুগিদা' লিপি ব্যৱহাৰ কৰা হয়।

গুজৰাটী ভাষাৰ বহুকেইটা উপভাষা আছে। তাৰ ভিতৰত মান্য গুজৰাটী, সৌৰাষ্ট্ৰ গুজৰাটী, অম্বাৰতী গুজৰাটী, কাটিআৰবী গুজৰাটী অন্যতম। ইয়াৰ ওপৰি পাৰ্ছী সম্প্ৰদায়ে ব্যৱহাৰ কৰা পাৰ্ছী গুজৰাটী আৰু গুজৰাটী মুচলিম বোহ্ৰা সম্প্ৰদায়ে ব্যৱহাৰ কৰা লিচান-উদ-দাৱাদ গুজৰাটী ভাষাৰে দুটা কথিত ৰূপ। এইবোৰৰ ওপৰি খাৰৱা, কাকৰী, তাৰিমুখী এইকেইটা কথিত ৰূপো গুজৰাটী ভাষাত পোৱা যায়।

ৰাজস্থানী ভাষাৰ বৈশিষ্ট্যঃ

১। গুজৰাটী ভাষাত স্বৰধ্বনি ১২ টা। সংস্কৃতৰ 'ঋ' ধ্বনি গুজৰাটী ভাষাত ভাষাত 'ৰু' হৈছে।

২। গুজৰাটী ভাষাত ব্যঞ্জণধ্বনি ৩৪টা

৩। বচন দুবিধ— একবচন আৰু বহুবচন।

৪। গুজৰাটী ভাষাত লিংগ তিনিবিধ— পুংলিগ, স্ত্ৰীলিংগ আৰু ক্লীৱলিংগ।

৫। ক্ৰিয়াৰ কাল তিনিপ্ৰকাৰৰ— বৰ্তমান, অতীত আৰু ভৱিষ্যৎ।

৬। বাক্যৰ গঠন— কৰ্তা-কৰ্ম-ক্ৰিয়া

৭। বিশেষণ বিশেষ্যৰ আগত বহে আৰু পৰসৰ্গৰ ব্যৱহাৰ আছে।

৮। শব্দভাণ্ডাৰ আৰ্যমূলীয় আৰু আন ভাষাৰ পৰা ধাৰ কৰা।

### ১.৫.৩ অৰ্ধ মাগধী ভাষাৰ পৰা অহা ভাষা

**পূৰ্বী হিন্দী** ঃ অৰ্ধমাগধী প্ৰাকৃতৰ পৰা অহা আধুনিক ভাৰতীয় আৰ্য ভাষা হ'ল পূৰ্বী হিন্দী। এই ভাষা উত্তৰ প্ৰদেশৰ অৱধ অঞ্চল, মধ্য প্ৰদেশৰ বাঘেলখাণ্ড অঞ্চল আৰু ছত্তিচগড় ৰাজ্যত প্ৰধানকৈ পূৰ্বী হিন্দী ভাষা প্ৰচলিত। ভাৰতবৰ্ষৰ ওপৰি নেপাল, কেৰিবিয়ান, মৰিচাচ, দক্ষিণ আফ্ৰিকা, বাংলাদেশ আদিতো এই ভাষাৰ প্ৰচলন আছে। এই ভাষাত প্ৰয়োগ হোৱা লিপি হ'ল দেৱনাগেৰী।

পূৰ্বী হিন্দী ভাষাতো ভালেমান ঔপভাষিক ৰূপ আছে। ইয়াৰ প্ৰধান উপভাষাবোৰ হ'ল অৱধী উপভাষা, বাঘেলী উপভাষা আৰু ছত্তিচগড়ী উপভাষা। ইয়াৰ অৱধী উপভাষা উত্তৰ প্ৰদেশৰ বিভিন্ন অঞ্চল, বাঘেলী উপভাষা মধ্য প্ৰদেশৰ কিছু অংশ আৰু উত্তৰ প্ৰদেশৰ কিছু অঞ্চলত প্ৰচলিত। ছত্তিচগড়ী উপভাষা ছত্তিচগড় আৰু মধ্য প্ৰদেশৰ কিছু অঞ্চলত প্ৰচলিত। উল্লেখযোগ্য, পূৰ্বী হিন্দী ভাষাৰ অৱধী উপভাষা ভোজপুৰী ভাষাৰ প্ৰভাৱপুষ্ঠ।

পূৰ্বী হিন্দীভাষাৰ বৈশিষ্ট্যঃ

১। পূৰ্বী হিন্দী ভাষাৰ স্বৰধ্বনি ১১টা। স্বৰৰ হ্ৰস্বদূৰ্ঘৰ প্ৰয়োগ আছে।

২। পূৰ্বী হিন্দী ভাষাতো ব্যঞ্জণধ্বনি ৩৩ টা।

৩। বচন দুবিধ— একবচন আৰু বহুবচন।

৪। লিংগ দুই প্ৰকাৰৰ— পুংলিঙ্গ আৰু স্ত্ৰীলিঙ্গ।

৫। ক্ৰিয়াৰ কাল তিনিপ্ৰকাৰৰ— বৰ্তমান, অতীত আৰু ভৱিষ্যৎ।

৬। কাল, পুৰুষ আৰু বচন অনুসৰি ক্ৰিয়াই ৰূপ পায়।

৭। কৰ্তা-কৰ্ম আৰু ক্ৰিয়া বাক্যৰ মূল গাঁথনি।

৮। এই ভাষাত বিহাৰী ভাষাগুচ্ছৰ প্ৰভাৱ সৰ্বাধিক।

৯। শব্দ আৰু শব্দ গঠন প্ৰক্ৰিয়া পশ্চিমা হিন্দীৰ নিচিনা।

### ১.৫.৪ পৈশাচী প্ৰাকৃতৰ পৰা অহা ভাষা

**পাঞ্জাৱী ভাষা** ঃ পৈশাচী প্ৰাকৃতৰ পৰা অহা এটি উল্লেখযোগ্য নব্য ভাৰতীয় আৰ্য-ভাষাহ'ল পাঞ্জাৱী ভাষা। এই ভাষা ভাৰতবৰ্ষৰ পাঞ্জাৱ প্ৰদেশ আৰু পাকিস্তানৰ পাঞ্জাৱ প্ৰদেশত প্ৰচলিতষ। এই দুখন দেশৰ বাহিৰেও পৃথিৱীৰ বিভিন্ন দেশত বাস কৰা শিখ সম্প্ৰদায়ৰ লোকসকলে এই ভাষা ব্যৱহাৰ কৰে। ২০১১ চনৰ পিয়লমতে ভাৰতবৰ্ষত এই ভাষা কোৱা লোকৰ সংখ্যা ৩.১১ কোটি। ২০২৩ চনৰ লোকপিয়ল মতে ৮.৮৯ কোটি লোকে পাকিস্তানত এই ভাষা কয়। ভাৰতবৰ্ষত এই ভাষা লিখিবলৈ গুৰমুখী লিপি ব্যৱহাৰ হয় আৰু পাকিস্তানত শাহমুখী লিপি ব্যৱহাৰ হয়।

পাঞ্জাৱী ভাষাৰ ভাৰতবৰ্ষত প্ৰচলিত মূল উপভাষা সমূহ হ'ল— মাজ্‌হি, মালৱাই, দোৱাবী, পুঅধি আদি। ইয়াৰে মাজ্‌হি ঔপভাষিক ৰূপক ভিত্তি কৰি পাঞ্জাৱী ভাষাৰ মান্য ৰূপটো গঢ়লৈ উঠিছে। পাকিস্তানত প্ৰচলিত পাঞ্জাৱী ভাষাটিৰো ভালেমান ঔপভাষিক ৰূপ পোৱা যায়।

পাঞ্জাৱী ভাষাৰ বৈশিষ্ট্যঃ

১। পাঞ্জাৱী ভাষাত স্বৰধ্বনিৰ সংখ্যা ১০টা।

২। ব্যঞ্জণধ্বনিৰ সংখ্যা ২৮ টা।

৩। পাঞ্জাৱী ভাষাত বচন দুটা, লিংগ দুবিধ আৰু কাৰক ছবিধ।

৪। বাক্যৰ মূল গাঁথনি ঃ কৰ্তা-কৰ্ম-ক্ৰিয়া।

৫। শব্দ ভাণ্ডাৰ ক্ষেত্ৰত তদ্ভৱ শব্দৰ প্ৰয়োগ অধিক। আৰৱী পাৰ্চী শব্দৰো অত্যাধিক প্ৰয়োগ আছে।

### ১.৫.৫ মাগধী প্ৰাকৃতৰ পৰা উদ্ভূত ভাষা

মাগধী প্ৰাকৃতৰ পৰা ৬টা নব্য ভাৰতীয় আৰ্য ভাষাৰ সৃষ্টি হৈছে। সেই ভাষাবোৰ হ'ল— অসমীয়া, বাংলা, ওড়িআ, ভোজপুৰী, মৈথেলী আৰু মগহী। এই ভাষাবোৰৰ বিষয়ে পৰৱৰ্তী বিভাগত আলোচনা দাঙি ধৰা হৈছে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। নব্য ভাৰতীয় আৰ্য-ভাষাবোৰত কি কি লিপি ব্যৱহাৰ হয়? (৩০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

২। নৱ ভাৰতীয় আৰ্য ভাষাবোৰৰ কি কি দিশত অধিক সাদৃশ্য পৰিলক্ষিত হয়? (৫০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

..................................................................................................

### ১.৬ সাৰাংশ (Summing Up)

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সৰলতৰ ৰূপটোৱে হ'ল প্ৰাকৃত ভাষা। প্ৰাকৃত স্তৰত অঞ্চল অনুসৰি ভালেমান আঞ্চলিক ৰূপ গঢ় লৈ উঠিছিল। এই ৰূপসমূহৰ ভিতৰত মহাৰাষ্ট্ৰী, মাগধী, অৰ্ধ মাগধী, শৌৰসেনী আৰু পৈশাচী অন্যতম। এই প্ৰাকৃত ভাষাৰ

শেষ স্তৰটো হ'ল অপভ্ৰংশ বা অৱহটঠ স্তৰ। এই অৱহটঠ স্তৰৰ পৰাই নব্য ভাৰতীয় আৰ্য ভাষাবোৰৰ সৃষ্টি হয়। সেই অনুসৰি মহাৰাষ্ট্ৰীৰ পৰা মাৰাঠী; শৌৰসেনীৰ পৰা পশ্চিমা হিন্দী, ৰাজস্থানী আৰু গুজৰাটী; পৈশাচীৰ পৰা পাঞ্জাৱী আৰু পাহাৰী; অৰ্ধ মাগধীৰ পৰা পূৱী-হিন্দী আৰু মাগধীৰ পৰা অসমীয়া, বাংলা, ওড়িআ, ভোজপুৰী, মৈথেলী আৰু মগহী ভাষাৰ সৃষ্টি হয়। একেটা ভাষা পৰিয়ালৰ পৰা সৃষ্টি হোৱা বাবে ভাষাবোৰৰ মাজত ভাষাগত সাদৃশ্য দেখিবলৈ পোৱা যায়।

## ১.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। নব্যভাৰতীয় আৰ্য ভাষাসমূহৰ উদ্ভৱ সম্পৰ্কে এটি আলোচনা দাঙি ধৰক।

২। নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ ভাষাগত ক্ষেত্ৰৰ বিষয়ে এটি টোকা প্ৰস্তুত কৰক।

৩। নব্য ভাৰতীয় আৰ্য ভাষাবোৰৰ সাদৃশ্য-বৈসাদৃশ্য সম্পৰ্কে বিচাৰ কৰক।

৪। চমুটোকা লিখক

(ক) পশ্চিমা হিন্দী (খ) ৰাজস্থানী ভাষা (গ) মাৰাঠী ভাষা

(ঘ) নব্য ভাৰতীয় আৰ্য ভাষা সমূহৰ ধ্বনি

## ১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


উপেন্দ্ৰনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, বিকাশ আৰু সমৃদ্ধি*

দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ তুলনামূলক অধ্যয়ন*

দীপ্তি ফুকন পাটগিৰি (সম্পা.) ঃ *আধুনিক ভাৰতীয় আৰ্য ভাষা*

পৰেশ চন্দ্ৰ মজুমদাৰ ঃ *আধুনিক ভাৰতীয় ভাষা প্ৰসঙ্গে*

সুকুমাৰ সেন ঃ *ভাষাৰ ইতিবৃত্ত*


*****

## দ্বিতীয় বিভাগ
## মগধীয় ভাষাসমূহৰ উদ্ভৱ আৰু সাধাৰণ বৈশিষ্ট্য

**বিভাগৰ গঠনঃ**


২.১ ভূমিকা (Introduction)
২.২ উদ্দেশ্য (Objectives)
২.৩ মগধীয় ভাষাসমূহৰ উদ্ভৱ
২.৪ মাগধী প্ৰাকৃত
২.৫ মগধীয় ভাষাসমূহৰ সাধাৰণ বৈশিষ্ট্য
২.৬ সাৰাংশ (Summing Up)
২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)
২.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ২.১ ভূমিকা (Intriduction)

পূৰ্বৱৰ্তী বিভাগটি নব্য ভাৰতীয় আৰ্য ভাষাৰ সাধাৰণ পৰিচয় আগবঢ়োৱা হৈছে। এই বিভাগটিত মগধীয় ভাষাসমূহৰ উদ্ভৱৰ বিষয়ে আলোচনা কৰা হ'ব।

মাগধী প্ৰাকৃতৰ শেষস্তৰ মাগধী অপভ্ৰংশৰ পৰাই পূৰ্ব ভাৰতৰ ছটা প্ৰধান ভাষা— অসমীয়া, বাংলা, উড়িয়া, ভোজপুৰী, মগহী বা মগধী আৰু মৈথিলীৰ জন্ম হৈছে। এই ছটা ভাষাকে মগধীয় ভাষা বুলি কোৱা হয়। মাগধী প্ৰাকৃতৰ কোনো নিদৰ্শন পোৱা নাযায়। ভাষাকেইটাত মাগধী প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ ৰক্ষিত হৈছে। ভাষাসমূহ নিজস্ব বৈশিষ্ট্যৰে বিকাশ লাভ কৰিছে। তদুপৰি একেটা উৎসৰ পৰা ওলোৱা হেতুকে আটাইকেইটা ভাষাৰ কেতবোৰ সাধাৰণ ভাষাতাত্ত্বিক বৈশিষ্ট্যও পৰিলক্ষিত হয়। এই বিভাগটিত মাগধী প্ৰাকৃতৰ ভাষাগত বৈশিষ্ট্য মগধীয় ভাষাসমূহৰ উদ্ভৱ আৰু মগধীয় ভাষামূহৰ সাধাৰণ বৈশিষ্ট্য সমূহ বিচাৰ কৰাৰ প্ৰয়াস কৰা হৈছে।

### ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ আলোচিত কথাখিনি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- মগধীয় ভাষাসমূহৰ উদ্ভৱ সম্পৰ্কে পৰ্যালোচনা দাঙি ধৰিব পাৰিব;
- মাগধী অপভ্ৰংশৰ আদি স্তৰ মাগধী প্ৰাকৃতৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ ব্যাখ্যা কৰিব পাৰিব;
- মগধীয় ভাষাসমূহৰ পৰিচয় লাভ কৰিব পাৰিব; আৰু
- মগধীয় ভাষাসমূহৰ সাধাৰণ ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহৰ বিশ্লেষণ আগবঢ়াব পাৰিব।

### ১.৩ মগধীয় ভাষাসমূহৰ উদ্ভৱ

ভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ ইতিহাসক তিনিটা স্তৰ বা যুগত ভগোৱা হয়— (১) প্ৰাচীন ভাৰতীয় আৰ্য, (২) মধ্য ভাৰতীয় আৰ্য আৰু (৩) নব্য বা আধুনিক ভাৰতীয় আৰ্য। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সময় খ্ৰীঃ পূঃ দ্বাদশ শতিকাৰ পৰা খ্ৰীঃ পূঃ ষষ্ঠ শতিকা লৈকে। এই স্তৰৰ নিদৰ্শন হ'ল বেদ-উপনিষদৰ ভাষা বা বৈদিক ভাষা আৰু বিভিন্ন পুৰাণ, কাব্য আদিৰ সংস্কৃত ভাষা। দ্বিতীয় স্তৰৰ সময় খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টাব্দ দশক শতিকালৈকে। বিবিধ প্ৰত্নলেখ, বৌদ্ধ ধৰ্ম শাস্ত্ৰৰ ভাষা, পালি, বিভিন্ন সাহিত্যিক প্ৰাকৃত আৰু অপভ্ৰংশ অৱহট্‌ঠ হ'ল এই স্তৰৰ নিদৰ্শন। নব্য ভাৰতীয় আৰ্য ভাষাৰ সময় খ্ৰীঃ দশম শতাব্দীৰ পৰা বৰ্তমানলৈকে। অসমীয়া, বাংলা, উড়িয়া, হিন্দী, মাৰাঠী, পাঞ্জাৱী, ভোজপুৰী আদি ভাষাসমূহে এই স্তৰটোক প্ৰতিনিধিত্ব কৰে।

প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ সৰলীকৃত ৰূপটোৱে হ'ল **মধ্য ভাৰতীয় আৰ্য** ভাষা। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাই ধ্বনিগত আৰু ৰূপগত দিশৰ পৰিৱৰ্তনৰ মাজেদি যি সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিলে সেই স্তৰটোকে মধ্যভাৰতীয় আৰ্য ভাষা বুলি কোৱা হয়। খ্ৰীঃপূঃ ষষ্ঠ শতিকামানৰ পৰা ভাৰতীয় আৰ্য ভাষাৰ প্ৰাচীন স্তৰৰ পৰা বহুখিনি আঁতৰি আহি এই স্তৰটোৱে আত্মপ্ৰকাশ কৰে। সামগ্ৰিকভাৱে এই স্তৰটোক প্ৰাকৃত আখ্যা দিয়া হৈছে।

মধ্যভাৰতীয় আৰ্য ভাষাৰ ক্ৰমবিকাশৰ স্তৰটোক আকৌ তিনিটা ভাগত ভগাব পাৰি—

(ক) আদি প্ৰাকৃত (খ্ৰীঃপূঃ ৬ ষ্ঠশতাব্দীৰ পৰা খ্ৰীঃ প্ৰথম শতাব্দী লৈকে।

(খ) মধ্য প্ৰাকৃত (খ্ৰীঃ প্ৰথম শতাব্দীৰ পৰা খ্ৰীঃ ষষ্ঠ শতিকা লৈকে)

(গ) অন্ত্য প্ৰাকৃত (খ্ৰীঃ ষষ্ঠ শতাব্দীৰ পৰা খ্ৰীঃ দশম শতাব্দীলৈকে)

সুনীতি কুমাৰ চট্টোপাধ্যায়ে ভাষাগত পৰিবৰ্ত্তনৰ দিশৰ পৰা প্ৰথম আৰু দ্বিতীয় স্তৰৰ মাজত অন্য এটা স্তৰৰ উপস্থিতি দেখুৱাইছে। এই স্তৰটোক **ক্ৰান্তি স্তৰ** বুলি কোৱা হয়। খৰোষ্ঠী লিপিত লিখিত মধ্য-এছিয়াৰ খোটান অঞ্চলত প্ৰাপ্ত *খোটানী ধম্মপদ*, মধ্য এছিয়াৰ নিয়া অঞ্চলত প্ৰাপ্ত বিভিন্ন দলিল-পত্ৰত ব্যৱহাৰ হোৱা **নিয়া-প্ৰাকৃত** এই স্তৰৰ নিদৰ্শন।

যদিও খ্ৰীঃপূঃ ৬ষ্ঠ শতিকাৰ পৰা আদি স্তৰৰ প্ৰাকৃতৰ সময় ধৰা হয়, তথাপি সম্ৰাট অশোকৰ সময় অৰ্থাৎ খ্ৰীঃপূঃ তৃতীয় শতিকাৰ পৰাহে এই স্তৰৰ নিদৰ্শন পোৱা যায়। অশোকৰ শিলালিপি, অন্যান্য প্ৰত্নলেখ (হাথিগুম্ফা, গৰুড় স্তম্ভ লিপি, খাৰবেল অনুশাসন আদি), বৌদ্ধ সাহিত্যৰ ভাষা পালি, বৌদ্ধ মহাযান সম্প্ৰদায়ৰ 'মিশ্ৰ প্ৰাকৃত' আদি এই স্তৰৰ নিদৰ্শন। অশোকৰ অনুশাসনবোৰত অঞ্চলভেদে ভিন ভিন ভাষাগত ৰূপ দেখা যায়। গতিকে অনুমান কৰিব পাৰি যে এই স্তৰতে ভাৰতীয় আৰ্য ভাষাৰ কেতবোৰ আঞ্চলিক ৰূপে গা কৰি উঠিছিল। এই আঞ্চলিক ৰূপ কেইটাই হ'ল প্ৰাকৃতৰ প্ৰাচীনতম ৰূপ। এই ৰূপবোৰ হ'ল—

(ক) উত্তৰ -পশ্চিমা বা গান্ধাৰ-উদীচ্য (প্ৰাচীন গান্ধাৰ, পঞ্জাৱ আৰু সিন্ধু অঞ্চলকে ধৰি অবিভক্ত ভাৰতবৰ্ষৰ উত্তৰ-পশ্চিম অঞ্চলত)

(খ) পশ্চিমা বা সৌৰাষ্ট্ৰ-প্ৰতীচ্যঃ (প্ৰাচীন সৌৰাষ্ট্ৰ অৰ্থাৎ বৰ্তমানৰ গুজৰাট-ৰাজস্থান আদি অঞ্চলত)

(গ) দক্ষিণী (বিদৰ্ভ, মহাৰাষ্ট্ৰ অঞ্চলত)

(ঘ) মধ্যদেশীয় বা প্ৰাচ্য মধ্যা (প্ৰাচীন অৱন্তী, শূৰসেন, কুৰু, পাঞ্চাল আদি অঞ্চলত)

(ঙ) পূৰ্বী বা প্ৰাচ্যা (প্ৰাচীন মগধ-কোশল অৰ্থাৎ বৰ্তমানৰ অযোধ্যা-সাকেতকে ধৰি বিহাৰ পৰ্যন্ত ভাৰতৰ পূৰ্বাঞ্চলত)

ব্যাপক অৰ্থত প্ৰাকৃত শব্দটোৱে ভাৰতীয় আৰ্য ভাষাৰ মধ্যস্তৰটোক বুজালেও প্ৰকৃততে এই অভিধাটোৱে মধ্যভাৰতীয় আৰ্য ভাষাৰ দ্বিতীয় স্তৰটোকহে সূচায়। অশ্বঘোষৰ *সাৰিপুত্ৰ প্ৰকৰণ*-ৰ প্ৰাকৃতাংশ, ভৰতৰ *নাট্যশাস্ত্ৰ*-ৰ প্ৰাকৃতত ৰচিত ধ্ৰুৱাগীত, ভাস-কালিদাস আদি নাট্যকাৰসকলৰ নাটকত ব্যৱহৃত প্ৰাকৃতাংশ, প্ৰাকৃতত ৰচিত জৈন ধৰ্মশাস্ত্ৰ, প্ৰাকৃতত ৰচিত বিবিধ কাব্য আৰু কবিতা এই স্তৰৰ নিদৰ্শন।

আদি স্তৰতে গঢ় লৈ উঠা আঞ্চলিক ৰূপবোৰৰ পৰাই পাচোঁটা প্ৰাকৃত সৃষ্টি হয়— মহাৰাষ্ট্ৰী, শৌৰসেনী, মাগধী, অৰ্ধ মাগধী আৰু পৈশাচী। এইবোৰ অঞ্চল বিশেষৰ জনসাধাৰণৰ মুখৰ ভাষা নাছিল। সাহিত্যত ব্যৱহৃত মাৰ্জিত ভাষাহে আছিল। সেয়েহে এই প্ৰাকৃতবোৰক **সাহিত্যিক প্ৰাকৃত** বুলি কোৱা হয় আৰু স্তৰটোকো 'সাহিত্যিক প্ৰাকৃতৰ স্তৰ' বুলি জনা যায়। সংস্কৃত নাট্যকাৰসকলে শিক্ষিতা নাৰী, অশিক্ষিত যুৱক আৰু বিদূষকৰ মুখত শৌৰসেনী, অশিক্ষিত, সাধাৰণ শ্ৰেণীৰ চৰিত্ৰৰ মুখত মাগধী প্ৰাকৃত আৰু নাৰী কণ্ঠৰ গীতত মহাৰাষ্ট্ৰী প্ৰাকৃত ব্যৱহাৰ কৰিছিল। তদুপৰি প্ৰবৰসেনৰ *ৰাবণবহো* (৬ষ্ঠ- ৭ম শতিকা), বপুইৰাঅৰ *গৌড়বহো* (৮ম শতিকা) আদি মহাৰাষ্ট্ৰ প্ৰাকৃতত ৰচিত কাব্য। মহাৰাষ্ট্ৰী প্ৰাকৃতকে শ্ৰেষ্ঠ সাহিত্যিক প্ৰাকৃত হিচাপে গণ্য কৰা হয়। অৰ্ধ-মাগধীত ৰচিত হোৱা সাহিত্য হ'ল জৈনসকলৰ ধৰ্মীয় সাহিত্য। পৈশাচী প্ৰাকৃতত বৰ্তমানে অপ্ৰাপ্ত *বড্ডকহা* (বৃহৎকথা) নামৰ কাব্য এখন ৰচিত হোৱা বুলি জনা যায়।

মধ্য ভাৰতীয় আৰ্য ভাষাৰ অন্ত্য স্তৰটোক অপভ্ৰংশ-অৱহট্‌ঠ স্তৰ বুলিও কোৱা হয়। অপভ্ৰংশ শব্দটো পোনপ্ৰথমে পতঞ্জলিয়ে তেওঁৰ *মহাভাষ্য*-ত উল্লেখ কৰে। 'ভাষা অৰ্থাৎ সংস্কৃতৰ পৰা ভ্ৰষ্ট'—এনে অৰ্থ বুজাবলৈ অপভ্ৰংশ শব্দটিৰ প্ৰয়োগ কৰা হৈছিল। ভাষাগত বৈশিষ্ট্যলৈ লক্ষ্য কৰি ইয়াক দুটা স্তৰত ভগোৱা হৈছে—

(ক) প্ৰাচীন অপভ্ৰংশ আৰু

(খ) অৰ্বাচীন অপভ্ৰংশ বা অৱহট্‌ঠ।

প্ৰাচীন অপভ্ৰংশৰ বিস্তৃতি কাল খ্ৰীঃ ষষ্ঠ শতিকাৰ পৰা অষ্ঠম শতিকালৈকে আৰু অৱহট্‌ঠৰ সময় হ'ল খ্ৰীঃ অষ্টম শতিকাৰ পৰা খ্ৰীঃ একাদশ-দ্বাদশ শতিকালৈকে।

যদিও মধ্যস্তৰৰ আৰ্য ভাষাৰ শেষ সময় দশম শতিকা বুলি ধৰা হয়, এই ভাষাৰ প্ৰয়োগ খ্ৰীঃ একাদশ-দ্বাদশ শতিকালৈকে আছিল। ইতিমধ্যে আধুনিক ভাৰতীয় ভাষাসমূহৰ উদ্ভৱ হৈছিল। ড° সুকুমাৰ সেনৰ মতে মধ্যভাৰতীয় আৰ্যৰ যি সাৰ্বজনীন ৰূপটি অশিষ্ট লোকসাহিত্যৰ বাহক হৈ উঠিছিল সিয়ে **প্ৰাচীন অপভ্ৰংশ** আৰু প্ৰাচীন অপভ্ৰংশৰ যি অৰ্বাচীন ৰূপটি আধুনিক ভাৰতীয় আৰ্যৰ অব্যৱহিত পূৰ্ব অৱস্থা সিয়েই **অৰ্বাচীন অপভ্ৰংশ** বা **অৱহট্‌ঠ**। প্ৰাকৃত ভাষাবোৰে যেতিয়া সাহিত্যিক মৰ্যাদা লাভ কৰি জন-সাধাৰণৰ কথিত ভাষাৰ পৰা আঁতৰি আহিল তেতিয়াই কথিত ভাষাই অপভ্ৰংশ স্তৰত প্ৰবেশ কৰে আৰু অপভ্ৰংশয়ো যেতিয়া জনসাধাৰণৰ ভাষাৰ পৰা পৃথক হৈ পৰিল, তেতিয়াই ভাৰতীয় আৰ্য ভাষাই অৱহট্‌ঠৰ মাজেৰে আধুনিক স্তৰত প্ৰৱেশ কৰে। বিশিষ্ট বৈয়াকৰণিক পুৰুষোত্তমদেৱে অপভ্ৰংশৰ তিনিটা আঞ্চলিক ৰূপ দেখুৱাইছে— ১।নাগৰক, ২।ব্ৰাচড়ক আৰু ৩। উপনাগৰক। এই তিনিটাৰ ভিতৰত নাগৰক অপভ্ৰংশকে শ্ৰেষ্ঠ বুলি বিবেচনা কৰা হয়। এই অপভ্ৰংশতে সাহিত্য ৰচিত হৈছিল।

গ্ৰীয়াৰ্ছন, পিশ্চেল, সুনীতি কুমাৰ চট্টোপাধ্যায়, উলনাৰ, সুকুমাৰ সেন প্ৰভৃতি ভাষাবিদসকলে প্ৰাকৃত ভাষাৰ বিকাশৰ শেষ উপস্তৰক 'অপভ্ৰংশ' আখ্যা দিছে। তেওঁলোকৰ মতে প্ৰত্যেক সাহিত্যিক প্ৰাকৃতে কালক্ৰমত সৰলীকৃত ৰূপ পৰিগ্ৰহণ কৰিছিল আৰু সেই সৰলতৰ ৰূপটোৱেই হ'ল **অপভ্ৰংশ**। মধ্যস্তৰৰ প্ৰতিটো সাহিত্যিক প্ৰাকৃতৰেই ভিত্তিৰূপে একোটি মৌখিক প্ৰাকৃত আছিল আৰু তাৰেই স্বাভাৱিক পৰিণতি হয় সেই প্ৰাকৃতৰ অপভ্ৰংশত। যেনে—

মহাৰাষ্ট্ৰী প্ৰাকৃত > মহাৰাষ্ট্ৰী অপভ্ৰংশ
মাগধী প্ৰাকৃত > মাগধী অপভ্ৰংশ
শৌৰসেনী প্ৰাকৃত > শৌৰসেনী অপভ্ৰংশ
অৰ্ধ মাগধী প্ৰাকৃত > অৰ্ধ মাগধী অপভ্ৰংশ
পৈশাচী প্ৰাকৃত > পৈশাচী অপভ্ৰংশ

এনেদৰে প্ৰত্যেকটো প্ৰাকৃতৰ অপভ্ৰংশ স্তৰৰ কথা স্বীকাৰ কৰা হৈছে যদিও, শৌৰসেনী অপভ্ৰংশৰ বাহিৰে অন্য অপভ্ৰংশৰ নিদৰ্শন পোৱা নাযায়।

খ্ৰীঃ একাদশ শতিকাৰ বিশিষ্ট বৈয়াকৰণ হেমচন্দ্ৰ, দ্বাদশ শতিকাৰ বৈয়াকৰণ পুৰুষোত্তম, সপ্তদশ শতিকাৰ বৈয়াকৰণ মাৰ্কণ্ডেয় আদিয়ে অপভ্ৰংশক সাহিত্যিক প্ৰাকৃতৰ লগতে অন্যতম প্ৰাকৃতৰূপে বা স্বতন্ত্ৰ ভাষাৰূপে বিশ্লেষণ কৰিছে। তেওঁলোকৰ মতে শৌৰসেনী, মহাৰাষ্ট্ৰী, মাগধী আদি প্ৰাকৃতৰ নিচিনাকৈ অপভ্ৰংশও এটা সুকীয়া ভাষা।

অপভ্ৰংশ সম্পৰ্কত এনে ভিন্ন মত থাকিলেও গ্ৰীয়াৰ্ছন প্ৰমুখ্যে অন্যান্য ভাষাবিদসকলে প্ৰাকৃত ভাষাৰ যি অপভ্ৰংশ স্তৰৰ কথা অৱতাৰণা কৰিছে তাক অধিকাংশ পণ্ডিতে মানি লৈছে। সেই অপভ্ৰংশ স্তৰৰ পৰাই আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ সৃষ্টি হৈছে। যেনে—

মহাৰাষ্ট্ৰী প্ৰাকৃত > মহাৰাষ্ট্ৰী অপভ্ৰংশ > আধুনিক মাৰাঠী

মাগধী প্ৰাকৃত > মাগধী অপভ্ৰংশ > অসমীয়া, বাংলা, উড়িয়া, মৈথিলী, মগহী, ভোজপুৰী

শৌৰসেনী প্ৰাকৃত > শৌৰসেনী অপভ্ৰংশ > পশ্চিমা হিন্দী আৰু গুজৰাটী-ৰাজস্থানী

অৰ্ধ মাগধী প্ৰাকৃত > অৰ্ধ মাগধী অপভ্ৰংশ > পূৰ্ব হিন্দী

খ্ৰীঃ দশম শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহৰ বিকাশ হয়।

**অসমীয়া, বাংলা, উড়িয়া, মাগধী, মৈথেলী** আৰু **ভোজপুৰী** ভাষাৰ মাগধী অপভ্ৰংশৰ পৰা বিকাশ হৈছে। এই ভাষা কেইটাক মগধীয় ভাষাগুচ্ছ হিচাপে নামকৰণ কৰা হৈছে।

আগতে উল্লেখ কৰা হৈছে যে মাগধী অপভ্ৰংশৰ কোনো নিদৰ্শন পোৱা নাযায়। তথাপিও পণ্ডিতসকলে পূব ভাৰতৰ ভাষাসমূহৰ প্ৰাচীনতম নিদৰ্শনৰ পৰা ইয়াৰ ৰূপ নিৰ্ণয় কৰিছে। নিদৰ্শনবোৰৰ পৰাই মাগধী অপভ্ৰংশৰ তিনিটা ধাৰা ঠাৰৰ কৰা হৈছে—

(ক) পশ্চিম মাগধী অপভ্ৰংশ

(খ) মধ্য মাগধী অপভ্ৰংশ, আৰু

(গ) প্ৰাচ্য বা পূৰ্ব মাগধী অপভ্ৰংশ।

পশ্চিম মাগধী অপভ্ৰংশৰ পৰা ভোজপুৰী, মধ্য মাগধী অপভ্ৰংশৰ পৰা মৈথিলী আৰু মগধী বা মাগহী আৰু পূৰ্ব মাগধী অপভ্ৰংশৰ পৰা অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ উদ্ভৱ হয়। মাগধী প্ৰাকৃতৰ যি ভাষাগত্তিক বৈশিষ্ট্য সেই বৈশিষ্ট্যসমূহ এই ভাষাসমূহত ৰক্ষিত হৈছে। মাগধী প্ৰাকৃতৰ ভাষাতাত্ত্বিক বৈশিষ্টিসমূহে এই ভাষাসমূহৰ স্বৰূপ বিচাৰ কৰাত আমাক সহায় কৰে। এতিয়া আমি মাগধী প্ৰাকৃতৰ ভাষাগত বৈশিষ্ট্যসমূহ আলোচনা কৰিম।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

কি কি স্তৰৰ মাজেৰে মগধীয় ভাষাসমূহৰ উদ্ভৱ হৈছে? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.........................................................

.........................................................

.........................................................

.........................................................

.........................................................

## ২.৪ মাগধী প্ৰাকৃত

সাহিত্যিক প্ৰাকৃতসমূহৰ ভিতৰত এটি অন্যতম প্ৰাকৃত হ'ল মাগধী প্ৰকৃত। প্ৰাচীন মগধক (দক্ষিণ বিহাৰ) কেন্দ্ৰ কৰি জনসাধাৰণৰ কথ্যৰূপৰ পৰা যি সাহিত্যিক প্ৰাকৃতৰ সৃষ্টি হৈছিল সেয়াই হ'ল মাগধী প্ৰাকৃত। প্ৰাকৃত বৈয়াকৰণসকলে শাকাৰী, চাণ্ডালী, শাবৰী আদি কেইবাটাও প্ৰাকৃতৰ বিভাষা বা উপভাষাৰ উল্লেখ কৰিছে। শাকৰী, শাবৰীক 'ৱিশেযো মাগধ্যাঃ' বুলি আৰু চাণ্ডালীক মাগধীৰ বিকৃত ৰূপ (মাগধী বিকৃতি) বুলি তেওঁলোকে মতপোষণ কৰিছে।

সংস্কৃত নাটকত মাগধী প্ৰাকৃতক অশিক্ষিত, অনভিজাত লোকৰ ভাষা হিচাপে ব্যৱহাৰ কৰা হৈছিল। খ্ৰীঃ প্ৰথম শতিকাৰ অশ্বঘোষৰ *সাৰিপুত্ৰ প্ৰকৰণ*-ত প্ৰথম এই প্ৰাকৃতৰ প্ৰয়োগ দেখা যায়। কালিদাস, শূদ্ৰক আদি নাট্যকাৰসকলে সাধাৰণ জীৱনৰ বৈচিত্ৰ্য ফুটাই তুলিবৰ কাৰণে আৰু হাস্যৰসৰ সৃষ্টি কৰিবলৈ তেওঁলোকৰ নাটকত এই প্ৰাকৃতৰ প্ৰয়োগ কৰিছিল। আলংকাৰিকসকলে চণ্ডাল, পুক্কশসকলৰ মুখত 'চণ্ডালী', কৰ্মকাৰ, চৰ্মকাৰ আদি লোকৰ মুখত 'শাবৰী', শকাৰ আৰু শকসকলৰ মুখত 'শাকাৰী' বিভাষাৰ প্ৰয়োগ কৰিব লাগে বুলি বিধান দিছে। অৱশ্যে ৰাজ-অন্তেষপুৰৰ কুঁজা, বাওনা আদি পৰিচাৰকৰ মুখত মাগধী প্ৰাকৃত প্ৰয়োগৰ বিধান দিয়া আছে। শূদ্ৰকৰ *মৃচ্ছকটিকা*-ত মাগধীৰ বিভাষাসমূহৰ সুন্দৰ প্ৰয়োগ দেখা যায়।

প্ৰাচীন মগধেই মাগধীৰ কেন্দ্ৰস্থল আছিল যদিও পূব ভাৰতৰ এক বিস্তৃত অঞ্চলত ইয়াৰ প্ৰচলন আছিল। পূব ভাৰতত আৰ্য ভিন্ন কোল, দ্ৰাবিড়, তিব্বত-বৰ্মী আদি ভাষাৰ প্ৰচলন আছিল। এই আৰ্য ভিন্ন ভাষাবোৰৰ প্ৰভাৱত মাগধী প্ৰাকৃতৰ ধ্বনি পৰিবৰ্ত্তনে ধ্বনি সংস্থান, শব্দ সাধনৰ প্ৰক্ৰিয়া আদিত অন্য প্ৰাকৃতৰ তুলনাত সুকীয়া ৰূপ পৰিগ্ৰহণ কৰিছিল। সেয়েহে মাগধী প্ৰাকৃত বিশেষ বৈশিষ্ট্যপূৰ্ণ হৈ উঠিছিল। মাগধী প্ৰাকৃতৰ ভাষাগত প্ৰধান বৈশিষ্ট্যসমূহ চমুকৈ তলত দাঙি ধৰা হ'ল—

**ধ্বনিগত বেশিষ্ট্য ঃ**

১। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ 'ৰ' ধ্বনি 'ল'ত পৰিণত হৈছিল।

যেনে- ৰত্ন > লদন; ৰাজ্ঞা > লঞ্ঞা

কাদম্বৰী > কাদম্বলী, ৰোহিত > লোহিত

নৰঃ > নলে ইত্যাদি।

২। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ উষ্ম শ, ষ, স ধ্বনি কেইটা মাগধীত 'শ' ধ্বনিত পৰিণত হৈছিল। যেনে—

দিবসঃ > দিঅশে, পুৰুষঃ > পুলিশে,

সুৰা > শুলা ইত্যাদি।

৩। প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ ‘জ’ ধ্বনি ‘য’ত পৰিণত হৈছে। যেনে—
জাতি > যাদি, জানাতি > যানাদি
জীৱিত > যীৱিদ, সহজঃ > সহযে ইত্যাদি।

৪। পদ মধ্যস্থিত একক ‘ত’, ‘থ’ ক্ৰমে ‘দ’, ‘ধ’ ত পৰিণত হৈছে। যেনে—
জীৱিতম্ > যীবিদে, অতিথি > অদিধি
কথয় > কধেহি ইত্যাদি

৫। অনুনাসিক যুক্তব্যঞ্জন জ্ঞ, ঞ্জ, ণ্য আদি তালব্য নাসিক্য ‘ঞ্ঞ’ হৈছে।
যেনে— ৰাজ্ঞা > লঞ্ঞা, অঞ্জলি > অঞ্ঞলি
পুণ্য > পুঞ্ঞ ইত্যাদি।

৬। র্জ, র্য, দ্য > য্য হৈছে। যেনে—
অৰ্জুন > অয্যুণ, অকাৰ্য্য > অকয্য,
বিদ্যা > বিয্যা ইত্যাদি।

৭। ক্ষ > শ্ক হয়। যেনে— প্ৰেক্ষামি > পেশ্কামি

৮। চ্ছ > শ্চ হয়। যেনে— গচ্ছতি > গশ্চদি, গচ্ছ > গশ্চ।

৯। র্থ > স্ত; যেনে— অৰ্থ > অস্ত

১০। স্থ > স্ত; যেনে— উপস্থিত > উপস্তিদ

১১। তৃ > ষ্ট; ভৰ্তৃক > ভষ্টক

**ৰূপগত বৈশিষ্ট্য ঃ**

১। কৰ্তাকাৰকৰ ১মা বিভক্তি বিসৰ্গযুক্ত অঃ ‘এ’ হয়।
যেনে—নৰঃ > নলে, পুত্তঃ > পুত্তে

২। সম্বন্ধ কাৰকত কেতিয়াবা ‘-আহ’ বিভক্তিযুক্ত হয়।
যেনে—চাৰুদত্তস্য > চালুদত্তাহ

৩। সম্বোধনত অ-কাৰান্ত শব্দ আ-কাৰান্ত হয়;
যেনে— হে পুৰুষ > হে পুলিশা

৪। সংস্কৃতৰ ‘অস্মদ’ সৰ্বনামৰ তিনিটা ৰূপ মাগধীত পোৱা যায়।
যেনে—‘হকে’, ‘হগে’ আৰু ‘অহকে’।

৫। মাগধী প্ৰাকৃতত ‘-ক’ স্বাৰ্থিক প্ৰত্যয়ৰ বহুল প্ৰয়োগ দেখা যায়।
যেনে—ভৰ্তৃকা > ভষ্টকে

৬। কৃ, গম, মৃ ধাতুৰ পিছৰ ‘ক্ত’ প্ৰত্যয় মাগধীত ‘-ড’ হয়।
যেনে—কৃতঃ > কডে, মৃতঃ > মডে

৭। অসমাপিকাৰ ‘ত্বাচ্’ প্ৰত্যয় কেতিয়াবা ‘-দাণি’ হয়।
যেনে—কৃত্বা > কৰিদাণি।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

সাহিত্যত মাগধী প্ৰাকৃতৰ কেনেদৰে প্ৰয়োগ হৈছে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................

.....................................................................

.....................................................................

## ২.৫ মগধীয় ভাষাসমূহৰ সাধাৰণ বৈশিষ্ট্য

সুকুমাৰ সেনে *ভাষাৰ ইতিবৃত্ত* গ্ৰন্থখনত মগধীয় ভাষাসমূহৰ কিছুমান সাধাৰণ বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে এই বৈশিষ্ট্যসমূহ হ'ল— (ক) অতীত কাল বুজাবলৈ '-ল' প্ৰত্যয়ৰ ব্যৱহাৰ। যেনে— অস. দেখিলে, বাংলা দেখলে, ভোজপুৰী দেখলে, মৈথিলী দেখলক। (খ) '-ব' প্ৰত্যয় যোগে ভৱিষ্যৎ কাল গঠন; আৰু (গ) অতীত কালৰ প্ৰথম পুৰুষত সকৰ্মক আৰু অকৰ্মক ক্ৰিয়াৰ ৰূপভেদ। মগধীয় ভাষাসমূহলৈ লক্ষ্য কৰিলে এই কেইটা বৈশিষ্ট্যৰ উপৰি আন কেইটামান বৈশিষ্ট্যও চকুত পৰে। এই বৈশিষ্ট্যবোৰ তলত দাঙি ধৰা হ'ল—

**ধ্বনিগত ঃ**

(১) সংস্কৃতৰ 'অ' ধ্বনিৰ আটাইবোৰ মগধীয় ভাষাত সংবৃত /ɔ/ উচ্চাৰণ পোৱা যায়।

(২) সংস্কৃতৰ 'চ' বৰ্ণৰ স্পৰ্শ উচ্চাৰণৰ বিপৰীতে এই ভাষাসমূহত ঘৃষ্ট উচ্চাৰণ হয়।

(৩) 'ঙ' ধ্বনি ধ্বনিমান ৰূপে প্ৰয়োগ হয়।

(৪) সংস্কৃতৰ 'ং' ধ্বনি এই ভাষাসমূহত /ম্/ন্/ঙ/-ৰ নিচিনা উচ্চাৰণ হয়।

(৫) যুক্ত ব্যঞ্জনৰ সৰলীকৰণৰ ক্ষেত্ৰত ক্ষতিপূৰক দীৰ্ঘিকৰণ হয়।

যেনে— হস্ত>বা অস. বাংলা হাত্, উড়িয়া, বিহাৰী হাথ কৰ্ম; অস. বিহাৰী, বাংলা, উড়িয়া-কাম।

(৬) য়/ৱ শ্ৰুতিৰ আগম হৈ উচ্চাৰণ উজু হয়।

যেনে— শৃগাল > বাংলা. অস. শিয়াল; উড়িয়া. সিআল, বিহাৰী. সিআৰ।

(৭) পদান্ত স্বৰ সংকোচন হয়। যেনে— মৃত্তিকা > অস. উৰি. মাটি, বিহা. মাটী, মাঁটী।

(৮) আটাইকেইটা ভাষাতে শ্বাসাঘাতৰ প্ৰভাৱ দেখা যায়।

যেনে— কুম্ভকাৰ > অস., বাংলা. কুমাৰ, উড়ি. কুম্ভাৰ, মৈথি. কুম্হাৰ, ভোজ. কোঁহৰ।

**ৰূপগত ঃ**

(১) সংস্কৃতৰ তিনিটা লিংগৰ ঠাইত দুটাহে ৰক্ষিত হ'ল। ক্লীৱলিংগ পুংলিংগৰ লগত মিলি গ'ল। আটাইকেইটা ভাষাতে লিঙ্গৰ শিথিলতা লক্ষ্য কৰা যায়।

(২) সংস্কৃতৰ দুটা বচনহে ৰক্ষিত হয়। বহুবচন বুজাবলৈ আটাইবোৰ ভাষাতে বহুবচনৰ প্ৰত্যয় আৰু বহুবচনাত্মক ৰূপৰ প্ৰয়োগ হয়।

(৩) সৰ্বনামৰ দিশত উল্লেখযোগ্য বৈশিষ্ট্য হ'ল সম্বন্ধপদত পুৰুষবাচক সৰ্বনামৰ ক্ষেত্ৰত সকলো ভাষাতে 'ৰ' বিভক্তিৰ প্ৰয়োগ। যেনে— অস. মোৰ, আমাৰ, বাংলা. মোৰ আমাৰ/আমাদেৰ, উড়িয়া. মোৰ/আম্ভৰ; ভোজপুৰী. হমৰ্/হমাৰ্।

(৪) 'ল' প্ৰত্যয়ৰ সংযোগত অতীতৰ কৃদন্ত গঠন। যেনে— অস. চলিলে, বাংলা চলিল, উড়িয়া. চালিলা, ভোজপুৰী. দেখলে, মৈথিলী. চললাহ।

(৫) 'অছ্' ধাতু যোগে যৌগিক কালৰ ক্ৰিয়া গঠন। যেনে— অস. গৈছে, গৈছিল; বাংলা. গিয়াছে, গিয়াছিল; উড়িয়া. কৰুছি, কৰিছি; মৈথিলী. সুতইত ছী।

(৬) ক্ৰিয়াহীন বাক্য গঠন মগধীয় ভাষাসমূহৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। যেনে— অস. মই এজন মানুহ; বাংলা. আজ শুভদিন, উড়িয়া. আজি মো জন্ম দিন ইত্যাদি।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

১। ধ্বনিগত দিশত মগধীয় ভাষাসমূহৰ কি বিশেষ বৈশিষ্ট্য দেখা যায়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

...........................................................
...........................................................
...........................................................

২। ৰূপগত দিশত কোনকেইটা দিশত মগধীয় ভাষাসমূহ সংস্কৃতৰ পৰা আঁতৰি আহিছে? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

...........................................................
...........................................................
...........................................................

## ২.৬ সাৰাংশ (Summing Up)

মধ্যভাৰতীয় আৰ্যভাষাৰ স্তৰৰ বিভিন্ন প্ৰাকৃতৰ পৰা পৰৱৰ্তী সময়ত একোটা অপভ্ৰংশ স্তৰৰ সৃষ্টি হয়। এই অপভ্ৰংশ স্তৰসমূহৰ পৰাই খ্ৰীষ্টীয় দশম শতিকা মানৰ পৰা

নব্যভাৰতীয় আৰ্যভাষাসমূহৰ জন্ম প্ৰক্ৰিয়া আৰম্ভ হয় আৰু খ্ৰীষ্টীয় দ্বাদশ শতিকা মানত এই ভাষাসমূহে পৰিপূৰ্ণতা লাভ কৰে। পূৰ্ব ভাৰতত মাগধী প্ৰাকৃতৰ পৰৱৰ্তী স্তৰ মাগধী অপভ্ৰংশৰ পৰা অসমীয়া, বাংলা, উড়িয়া, ভোজপুৰী, মগহী বা মগধী আৰু মৈথিলী — এই ছটা আধুনিক ভাষাৰ জন্ম হয়। এই ভাষা ছটাকে মগধীয় ভাষা বুলি কোৱা হয়। মাগধী অপভ্ৰংশৰ নিদৰ্শন পোৱা নগ'লেও মাগধী প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ এই ভাষাসমূহত ৰক্ষিত হোৱা দেখা যায়। বিভিন্ন পৰিৱৰ্তন আৰু পৰিবৰ্দ্ধনৰ ফলস্বৰূপে এই ভাষাসমূহে পৰিপূৰ্ণতা লাভ কৰি স্বকীয় ভাষা হিচাপে প্ৰতিষ্ঠিত হয়। এই ভাষাসমূহে স্বকীয়তা লাভ কৰিলেও একে মূলৰ পৰা উদ্ভূত হোৱা বাবে ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশত কিছুমান উমৈহতীয়া বৈশিষ্ট্য দেখা যায়।

## ২.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১) মগধীয় ভাষাসমূহৰ উদ্ভৱ সম্পৰ্কে আলোচনা কৰক।

২) 'মগধীয় ভাষা' বুলিলে কি বুজায় ? এই ভাষাসমূহৰ সাধাৰণ বৈশিষ্ট্য আলোচনা কৰক।

৩) মাগধী প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ কি কি? অসমীয়া ভাষাত এই বৈশিষ্ট্যসমূহ কেনেদৰে ৰক্ষিত হৈছে?

৪) মগধীয় ভাষাসমূহৰ পৰিচয় দাঙি ধৰি সাধাৰণ বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

৫) চমুটোকা লিখক ঃ
(ক) মাগধী অপভ্ৰংশ, (খ) মাগধী প্ৰাকৃত,
(গ) সাহিত্যত মাগধী প্ৰাকৃতৰ প্ৰয়োগ

## ১.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


উপেন্দ্ৰনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, বিকাশ আৰু সমৃদ্ধি*

সুকুমাৰ সেন ঃ *ভাষাৰ ইতিবৃত্ত*

পৰেশ চন্দ্ৰ মজুমদাৰ ঃ *আধুনিক ভাৰতীয় ভাষা প্ৰসঙ্গে*

দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ তুলনামূলক অধ্যয়ন*

Banikanta Kakati : *Assamese, Its Formation and Development*

G.A. Grierson : *Linguistic Survey of India, Vol.*


*****

# তৃতীয় বিভাগ
# মগধীয় ভাষাসমূহৰ পৰিচয় আৰু ভাষাগত বৈশিষ্ট্য

**বিভাগৰ গঠনঃ**


৩.১ ভূমিকা (Introduction)

৩.২ উদ্দেশ্য (Objectives)

৩.৩ মগধীয় ভাষাসমূহৰ পৰিচয়

৩.৩.১ অসমীয়া ভাষা

৩.৩.২ বাংলা ভাষা

৩.৩.৩ ওড়িআ ভাষা

৩.৩.৪ ভোজপুৰী ভাষা

৩.৩.৫ মগহী বা মগধী ভাষা

৩.৩.৬ মৈথিলী ভাষা

৩.৪ সাৰাংশ (Summing Up)

৩.৫ আৰ্হি প্ৰশ্ন (Sample Questions)

৩.৬ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত মগধীয় ভাষাসমূহৰ উদ্ভৱ আৰু সাধাৰণ বৈশিষ্ট্য সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত মগধীয় ভাষাসমূহৰ পৰিচয় আৰু ভাষাগত বৈশিষ্ট্যসমূহ চমুকৈ দাঙি ধৰা হ'ব।

মগধীয় ভাষা বুলিলে অসমীয়া, বাংলা, ওড়িআ, ভোজপুৰী, মগহী বা মগধী আৰু মৈথিলী ভাষাক বুজোৱা হয়। এই ভাষা কেইটাৰ মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হৈছে। এই ভাষাসমূহৰ উদ্ভৱৰ সময় খ্ৰী. দশম শতিকাৰ পৰা খ্ৰী. দ্বাদশ শতিকা বুলি ধৰা হয়। অৱশ্যে অসমীয়া ভাষাৰ নিদৰ্শন তাৰো আগৰেপৰাই পোৱা যায়। একেটা উৎসৰ পৰা ওলোৱা বাবে ভাষাসমূহৰ মাজত সাদৃশ্য দেখা যায় যদিও ভাষাসমূহৰ ভাষাগত দিশৰ সকলো ক্ষেত্ৰতে নিজস্ব বৈশিষ্ট্যৰে পৰিপূৰ্ণ। এই বিভাগটিত মগধীয় ভাষাসমূহৰ পৰিচয় দাঙি ধৰাৰ লগতে ভাষাসমূহৰ ভাষাগত বৈশিষ্ট্যসমূহ সংক্ষেপে দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

## ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- মগধীয় ভাষাসমূহৰ পৰিচয় লাভ কৰিব পাৰিব;

- মগধীয় ভাষাসমূহৰ গতি-প্ৰকৃতি বিচাৰ কৰিব পাৰিব;
- মগধীয় ভাষা সমূহৰ ভাষাগত বৈশিষ্ট্য বিশ্লেষণ কৰিব পাৰিব।

## ৩.৩ মগধীয় ভাষাসমূহৰ পৰিচয়

আমি আগতে উনুকিয়াই আহিছোঁ যে মাগধী প্ৰাকৃতৰ পৰা বিকাশ লাভ কৰা আধুনিক ভাৰতীয় আৰ্য ভাষাসমূহকে **মগধীয় ভাষা** বুলি কোৱা হয়। এই মগধীয় ভাষা ছটা— অসমীয়া, বাংলা, উড়িয়া, মৈথিলী, মগহী বা মগধী আৰু ভোজপুৰী। ইয়াৰে মৈথিলী, মগহী আৰু ভোজপুৰী বিহাৰত প্ৰচলিত। সেয়ে এই তিনিটা ভাষাক একেলগে **বিহাৰী** ভাষা বুলি কোৱা হয়। 'বিহাৰী' নামকৰণ গ্ৰীয়াৰ্ছনে কৰিছিল। এই ভাষাসমূহৰ চমু পৰিচয় তলত আলোচনা কৰা হ'ল—

### ৩.৩.১ অসমীয়া ভাষা

আগৰ বিভাগটিত আমি আলোচনা কৰি আহিছোঁ যে প্ৰাচ্য বা পূৰ্ব মাগধী অপভ্ৰংশৰ পৰাই অসমীয়া ভাষাৰ উদ্ভৱ হয়। গ্ৰীয়াৰ্ছনৰ মতে মাগধী অপভ্ৰংশ পূৱ দিশত তিনিটা দিশেৰে বিস্তাৰিত হৈছিল। উত্তৰ পূব দিশত উত্তৰ-বাংলা আৰু অসমীয়া, দক্ষিণত উড়িয়া আৰু এই দুয়োটাৰে মাজত বাংলা। ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ে গ্ৰীয়াৰ্ছনৰ মতৰ ওপৰত ভিত্তি কৰি পূৰ্বী মাগধী অপভ্ৰংশক চাৰিটা ভাগত ভগাইছে— (১) ৰাঢ়, (২) বাৰেন্দ্ৰ, (৩) কামৰূপী আৰু (৪) বঙ্গ। ৰাঢ়ৰ পৰা মান্য বাংলা আৰু উড়িয়া; বাৰেন্দ্ৰৰ পৰা উত্তৰ কেন্দ্ৰীয় বাংলা, বঙ্গৰ পৰা পূব-বাংলা আৰু কামৰূপী শাখাৰ পৰাই অসমীয়া ভাষাৰ জন্ম হৈছে। মুঠতে মগধকেন্দ্ৰিক প্ৰাচ্য উপভাষাই বিশাল জনজাতীয় লোকৰ মাজত বিকাশ লাভ কৰি বিভিন্ন ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক পৰিৱৰ্তেনেৰে খ্ৰীঃ সপ্তম শতিকামানৰ পৰাই সুকীয়া ৰূপ পৰিগ্ৰহণ কৰে আৰু সম্ভৱতঃ খ্ৰীঃ দশম একাদশ শতিকামানৰ ভিতৰত অসমীয়া ভাষাই স্বতন্ত্ৰ ৰূপত আত্মপ্ৰকাশ কৰে।

খ্ৰীঃ ষষ্ঠ-সপ্তম শতিকাৰ পৰা খ্ৰীঃ দ্বাদশ শতিকালৈ হিন্দু ৰজাসকলৰ তামৰ ফলিবোৰত অসমীয়া ভাষাৰ বৈশিষ্ট্যসূচক ধ্বনিমূলক নিদৰ্শন পোৱা যায়। তামৰ ফলিৰ ভাষাই অসমীয়া ভাষাৰ চিত্ৰ স্পষ্ট কৰি দিলেও অসমীয়া ভাষাৰ বিস্তৃত নিদৰ্শন চৰ্যাপদবোৰৰ ভাষাতহে পোৱা যায়। খ্ৰীঃ দশম শতিকাৰ এই চৰ্যাপদবোৰৰ ভাষাত, ধ্বনিগত, ৰূপগত আৰু শব্দগত দিশত অসমীয়া ভাষাৰ ভালেমান মিল পোৱা যায়। চৰ্যাপদবোৰৰ ভাষাই হ'ল উদ্ভৱকালৰ অসমীয়া স্তৰৰ পৰা বৰ্ত্তমানৰ স্তৰলৈকে অসমীয়া ভাষাৰ যোগসূত্ৰ। সেই হিচাপত অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ধাৰাটোক এনেদৰে ভাগ কৰিব পাৰি—

(ক) উদ্ভৱকালীন অসমীয়া (খ্ৰীঃ সপ্তম শতিকাৰ পৰা খ্ৰীঃ দ্বাদশ শতিকালৈ)

(খ) পুৰণি অসমীয়া (খ্ৰীঃ এয়োদশ শতিকাৰ পৰা খ্ৰীঃ ষোড়শ শতিকালৈ)

(গ) মধ্যযুগীয় অসমীয়া (খ্ৰীঃ সপ্তদশ শতিকাৰ পৰা খ্ৰীঃ ঊনবিংশ শতিকাৰ প্ৰথম ভাগলৈ)

(ঘ) আধুনিক অসমীয়া (খ্ৰীঃ ঊনবিংশ শতিকাৰ পৰা বৰ্তমানলৈ)

তামৰ ফলি অথবা চৰ্যাপদৰ ভাষাত বিশুদ্ধ অসমীয়া ৰূপৰ নিদৰ্শন পোৱা নাযায়। বিশুদ্ধ অসমীয়া ভাষাৰ নিদৰ্শন পোৱা যায় ত্ৰয়োদশ শতিকাৰ প্ৰাৰম্ভৰপৰা। সেই সময়ৰে পৰা অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ধাৰাটোক এনে ধৰণে ভাগ কৰিব পাৰি—

| | | | |
|---|---|---|---|
| (ক) | প্ৰাচীন অসমীয়া | ঃ | খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ পৰা ষোড়শ শতিকালৈ |
| (খ) | মধ্য অসমীয়া | ঃ | খ্ৰীঃ ষোড়শ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ প্ৰথম ভাগ |
| (গ) | আধুনিক অসমীয়া | ঃ | খ্ৰীঃ ঊনবিংশ শতিকাৰ পৰা বৰ্তমানলৈ |

**প্ৰাচীন অসমীয়া ঃ**

প্ৰাচীন অসমীয়া ভাষাৰ যুগটোক দুটা উপস্তৰত ভাগ কৰিব পাৰি— প্ৰাকশংকৰী যুগ আৰু শংকৰী যুগ। খ্ৰীঃ ত্ৰয়োদশ শতিকাৰ শেষ ভাগ অথবা চতুৰ্দশ শতিকাৰ আদি ভাগৰ বুলি অনুমান কৰা হেম সৰস্বতীৰ *প্ৰহ্লাদ চৰিত* খনকে বিশুদ্ধ অসমীয়া ভাষাৰ প্ৰথম লিখিত নিদৰ্শন বুলি ধৰা হয়। এই সময়ৰে পৰা খ্ৰীঃ পঞ্চদশ শতিকালৈ প্ৰাক্-শংকৰী যুগ আৰু খ্ৰীঃ পঞ্চদশ শতিকাৰ পৰা খ্ৰীঃ ষোড়শ শতিকালৈকে শংকৰী যুগ। প্ৰাক্-শঙ্কৰী যুগৰ কবি পাঁচজন— হেম সৰস্বতী, ৰুদ্ৰকন্দলি, হৰিবৰ বিপ্ৰ, কবিৰত্ন সৰস্বতী আৰু মাধৱ কন্দলি। মাধৱ কন্দলিৰ *ৰামায়ণ* খন সাহিত্যৰ লগতে ভাষাৰ ইতিহাসৰ ফালৰ পৰাও অতি মূল্যবান। গ্ৰন্থখনৰ ভাষাই খ্ৰীঃ চতুৰ্দশ শতিকাতে যে অসমীয়া ভাষাই পৰিপুষ্টিতা লাভ কৰিছিল তাক সাব্যস্ত কৰে। শংকৰী যুগৰ উল্লেখযোগ্য কবি সাহিত্যিকসকল হ'ল— শংকৰদেৱ, মাধৱদেৱ, ৰামসৰস্বতী, বৈকুণ্ঠনাথ ভট্টাচাৰ্য আদি। শংকৰদেৱে ব্ৰজাৱলি ভাষাত নাটক, কাব্য, গীত আদি ৰচনা কৰি অসমীয়া ভাষা সাহিত্যক গতি প্ৰদান কৰিলে। এই যুগৰ শেষ ভাগত বৈকুণ্ঠনাথ ভট্টাচাৰ্য বা ভট্টদেৱৰ হাতত অসমীয়া গদ্যই জন্মলাভ কৰে। তেওঁৰ *কথা- ভাগৱত, কথা-গীতা* অসমীয়া ভাষা সাহিত্যৰ অমূল্য সম্পদ।

এই স্তৰৰ অসমীয়া ভাষাৰ যুক্তাক্ষৰ বহু সৰলীকৃত। হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতা, দন্ত-মূৰ্ধন্যৰ অভেদ প্ৰয়োগ, সৰ্বনামৰ বিশেষ ধৰণৰ প্ৰয়োগ, বহুবচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগৰ বিচিত্ৰতা, সংযোগাত্মক প্ৰত্যয়ৰ ব্যৱহাৰ আদি এই স্তৰৰ ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য। বিশেষ ক্ৰিয়াৰূপৰ ব্যৱহাৰ, তৎসম আৰু তদ্ভৱ শব্দৰ সমন্বয়, আৰ্য ভিন্ন আৰু বিদেশী শব্দৰ প্ৰয়োগ আদিও এই স্তৰৰ ভাষাৰ প্ৰধান বৈশিষ্ট্য।

প্ৰাচীন অসমীয়া ভাষাস্তৰৰ অন্য কেইজনমান কবি সাহিত্যিক হ'ল— পীতাম্বৰ, মনকৰ, দুৰ্গাবৰ আদি পাঁচালী কাব্যকাৰসকল। তেওঁলোকৰ ভাষাত পশ্চিম অসমৰ ঔপভাষিক ৰূপৰ প্ৰয়োগ মনকৰিবলগীয়া দিশ।

**মধ্য যুগৰ অসমীয়া ঃ**

খ্ৰীঃ সপ্তদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ আৰম্ভণিলৈ এই সময়ছোৱা অসমীয়া ভাষা সাহিত্যৰ বাবে অতি উল্লেখযোগ্য সময়। এই সময়ছোৱাতে অসমীয়া ভাষা সাহিত্যৰ কেন্দ্ৰ নামনি অসমৰ পৰা আহোম ৰাজধানীলৈ স্থানান্তৰিত হয়। আহোম ৰজাসকলৰ পৃষ্ঠ-পোষকতাত নানা ধৰণৰ বুৰঞ্জী আৰু বিবিধ বিষয়ৰ কিতাপ পত্ৰত অসমীয়া ভাষাই নতুন জীপ পায়। বুৰঞ্জী সাহিত্যৰ ভাষাই অসমীয়া ভাষাৰ বিকাশত নতুন দিশ এটাৰ সংযোগ ঘটায়। সেই সময়ছোৱাতে অসমৰ সত্ৰ-নামঘৰ আদিৰ আশ্ৰয়ত চৰিত সাহিত্যৰ উদ্ভৱ হয়। চৰিত পুথিসমূহৰ ভাষা অসমীয়া ভাষাৰ বিকাশৰ অন্যতম বাহক। গদ্য আৰু পদ্য উভয়তে ৰচিত বুৰঞ্জী আৰু চৰিত সাহিত্যই মধ্যযুগৰ অসমীয়া ভাষাক নতুনত্ব প্ৰদান কৰে। *সাতসৰী অসম বুৰঞ্জী, তুঙ্গখুঙ্গীয়া বুৰঞ্জী, গুৰু চৰিত কথা, শঙ্কৰ চৰিত* আদি এই বিষয়ৰ উল্লেখযোগ্য ৰচনা। এই সময়ছোৱাৰ আনকেইখনমান উল্লেখযোগ্য গ্ৰন্থ হ'ল— *হস্তী বিদ্যাৰ্ণৱ, ঘোঁৰানিদান, কথা-ৰামায়ণ* আদি।

এই যুগৰ ভাষাত ধ্বনিৰীতিৰ কেতবোৰ বিশেষ পৰিৱৰ্তন লক্ষ্য কৰা যায়। শব্দ বিভক্তিৰ প্ৰয়োগ, ক্ৰিয়াৰ বিভিন্ন ৰূপ, বহু বচনাত্মক প্ৰত্যয়ৰ প্ৰয়োগ, নিৰ্দিষ্টতাবাচক প্ৰত্যয় ব্যৱহাৰ আদিৰ ক্ষেত্ৰত এই যুগৰ ভাষা বিশেষ বৈশিষ্ট্যপূৰ্ণ হৈ পৰিছে। এই সময়ৰ গদ্যত সংস্কৃত ভাষাৰ প্ৰয়োগ, প্ৰচলিত কথ্য ৰূপৰ ব্যৱহাৰ, ফকৰা-যোজনা, জতুৱা-খণ্ড বাক্য আদিৰ লগতে বঙলা-ফাৰ্চী আদি শব্দৰ প্ৰয়োগ মনকৰিবলগীয়া।

**আধুনিক অসমীয়া ঃ**

১৮৪৬ খ্ৰীঃত মিছনাৰীসকলে শিৱসাগৰৰ পৰা প্ৰথম অসমীয়া আলোচনী অৰুনোদই প্ৰকাশ কৰি উলিয়ায়। তাৰ লগে লগে অসমৰ জাতীয় জীৱনত এক নতুন প্ৰৱাহৰ আগমন হৈ আধুনিক অসমীয়া ভাষাৰ জন্ম হয়। তেওঁলোকে সেই সময়তে ভাষা বিষয়ৰ লগতে অন্যান্য বিষয়ৰ কিতাপ পত্ৰ-লিখিবলৈ লয়। এই বিভিন্ন পুথি-পাজিত ব্যৱহাৰ হোৱা তেওঁলোকৰ ভাষা আছিল সৰল আৰু উচ্চাৰণ অনুগামী। যুক্ত ধ্বনিবিলাক ভাঙি সৰল কৰি লৈছিল। শ, স, ষ-ৰ ভিতৰত 'স'; য, জ-ৰ ভিতৰত জ; চ, ছ-ৰ ভিতৰত কেৱল চ-ৰ ব্যৱহাৰ সেই সময়ৰ ভাষাৰ বিশেষত্ব। তৎসম আৰু তদ্ভৱ শব্দৰ মাজত কোনো পাৰ্থক্য তেওঁলোকৰ ভাষাত দেখা নাযায়। এই সময়ৰ ভাষাৰ অন্য এটা উল্লেখযোগ্য লক্ষণ হ'ল— সংস্কৃতমূলীয়, হিন্দী, আৰবী, পাৰ্চী, পৰ্তুগীজ, ইংৰাজী আদি শব্দৰ ব্যৱহাৰ।

বিশ্বযুদ্ধৰ পিছৰ কালত অসমীয়া ভাষাই নতুন সাজ পৰিধান কৰে। ৰমন্যাস আৰু বাস্তৱবাদৰ ঢলে অসমীয়া ভাষাৰ ৰূপ সলনি কৰি দিয়ে। স্বাধীনতাৰ পিছত ভাষাৰ চিন্তা-চৰ্চা, ভাষা-আইন, শিক্ষাৰ মাধ্যমৰ সলনি আদিয়ে পৰিভাষিক শব্দৰ আগমন ঘটাই আৰু অসমীয়া ভাষাৰ শব্দ ভাণ্ডাৰ চহকী কৰে। বৰ্ত্তমান সময়ৰ অসমীয়া ভাষাত ফকৰা-

যোজনা, প্ৰবচন আদিৰ প্ৰয়োগ কমিছে যদিও পৃথিৱীৰ বিভিন্ন সাহিত্যৰ পৰশ লাগি কিছুমান প্ৰতিভাশালী লেখকৰ হাতত অসমীয়া গদ্য পৰিপুষ্ট হৈ উঠিছে।

**আধুনিক অসমীয়াৰ বৈশিষ্ট্য ঃ**

১। স্বৰবৰ্ণৰ উচ্চাৰণত হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতা।

২। দন্ত্য আৰু মূৰ্দ্ধন্য ধ্বনিৰ উচ্চাৰণ লোপ; তাৰ ঠাইত দন্তমূলীয় ধ্বনিৰ প্ৰয়োগ।

৩। তালব্য ধ্বনিৰ লোপ।

৪। শ, স, ষ ধ্বনিৰ ঠাইত পশ্চ-তালব্য স (×) ধ্বনিৰ প্ৰয়োগ।

৫। নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ প্ৰয়োগৰ বিচিত্ৰতা।

৬। প্ৰতিধ্বন্যাত্মক শব্দৰ ব্যৱহাৰ।

৭। সম্বন্ধবাচক শব্দৰ পিছত বিভিন্ন পুৰুষ অনুযায়ী পুৰুষবাচক নিৰ্দিষ্টতাবাচক -ৰ, -এৰ্, -আ আৰু -এক্ প্ৰত্যয়ৰ ব্যৱহাৰ।

৮। বয়স অনুযায়ী সম্বন্ধ বুজাবলৈ ককাই-ভাই, বাই-ভনী আদি ভিন্ন শব্দৰ প্ৰয়োগ।

৯। নঞাৰ্থক বুজাবলৈ ক্ৰিয়াৰ আগত 'ন' ৰূপৰ যোগ; ক্ৰিয়াৰ প্ৰথম স্বৰ অনুযায়ী 'ন' ৰূপৰ সমীভৱন হয়।

১০। স্বাৰ্থিক বা ক্ৰিয়াবাচক প্ৰত্যয়ৰ ব্যৱহাৰ।

১১। ক্ৰিয়া-হীন বাক্য গঠন।

১২। অষ্ট্ৰিক, তিব্বত-বৰ্মীয়, দ্ৰাবিড়ীয়, বিদেশী ভাষাৰ শব্দৰ ব্যৱহাৰ।

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া ভাষাৰ নিদৰ্শন কেতিয়াৰে পৰা পোৱা যায়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৩.২ বাংলা ভাষা

মগধীয় ভাষাসমূহৰ ভিতৰত বাংলা ভাষা অন্যতম। এই ভাষা ভাৰতবৰ্ষৰ লগতে বাংলাদেশতো প্ৰচলিত। ভাৰতবৰ্ষৰ পশ্চিমবংগ আৰু ত্ৰিপুৰা ৰাজ্যত ই চৰকাৰী ভাষা।

ঔপভাষিক দৃষ্টিকোণেৰে চালে বাংলা ভাষাৰ চাৰিটা উপভাষা পোৱা যায়—

(ক) ৰাঢ়, (খ) বাৰেন্দ্ৰ (গ) কামৰূপী আৰু (ঘ) ব্যঙ্গ।

ৰাঢ় উপভাষা কলিকতা, পূৱ বৰ্ধমান, হাওড়া, হুগলী, বাঁকড়া, মুৰ্লিদাবাদ, দক্ষিণ মালদহ আৰু মেদিনীপুৰ অঞ্চলত প্ৰচলিত। এই উপভাষা পশ্চিমবঙ্গৰ প্ৰধান উপভাষা। উত্তৰবঙ্গৰ মালদহ, দক্ষিণ দিনাজপুৰ, ৰাজশাহী আদি অঞ্চলত বাৰেন্দ্ৰ উপভাষা প্ৰচলিত। বাৰেন্দ্ৰ আৰু ৰাঢ় উপভাষাৰ মাজত পাৰ্থক্য অতি নগণ্য। দক্ষিণ দাৰ্জিলিং, জলপাইগুড়ি, কোচবিহাৰ, ৰংপুৰ, কাছাৰ, ত্ৰিপুৰা, উত্তৰ দিনাজপুৰ আদি অঞ্চলত প্ৰচলিত কামৰূপী উপভাষাত বাৰেন্দ্ৰ আৰু বঙ্গ উপভাষাৰ প্ৰভাৱ দেখা যায়। বঙ্গ উপভাষা পূৰ্ববঙ্গ অৰ্থাৎ বৰ্তমানৰ বাংলা দেশৰ ঢাকা, মৈমনসিং, ফৰিদপুৰ, চট্টগ্ৰাম, নোয়াখুলি, খুলনা আদি অঞ্চলত প্ৰচলিত।

বাংলা ভাষাৰ ইতিহাসক ইয়াৰ সাহিত্যিক নিদৰ্শনৰ ওপৰত নিৰ্ভৰ কৰি তিনিটা যুগত ভাগ কৰিব পাৰি। যেনে—

১। প্ৰাচীন বাংলা।

২। মধ্য বাংলা।

৩। আধুনিক বাংলা।

মধ্য বাংলাক আকৌ আদি-মধ্য বাংলা, অন্ত্য-মধ্য বাংলা এই দুটা স্তৰত ভাগ কৰিব পাৰি। প্ৰাচীন বাংলাৰ সময় খ্ৰীঃ ১০০০-১২০০লৈ; আদি-মধ্য বাংলাৰ সময় খ্ৰীঃ ১২০০-১৫০০লৈ, অন্ত্য-মধ্য বাংলাৰ সময় খ্ৰীঃ ১৫০০-১৮০০লৈ আৰু আধুনিক বাংলাৰ সময় খ্ৰীঃ ১৮০০ ৰ পৰা বৰ্তমান কাললৈ ধৰা হৈছে।

**প্ৰাচীন বাংলা ঃ**

এই যুগটোৰ নিদৰ্শন হ'ল চৰ্যাপদ বা চৰ্যাগীত। বৌদ্ধ ধৰ্মৰ সহজযান পন্থীসকলৰ ধৰ্মীয় গীত বা দোহাসমূহৰ মাজত বাংলা ভাষাৰ প্ৰাচীন নিদৰ্শন সংৰক্ষিত হৈ আছে। মনকৰিবলগীয়া যে চৰ্যাগীতৰ ভাষাই অকল বাংলা ভাষাৰে প্ৰতিনিধিত্ব নকৰে। অসমীয়া, বাংলা, উড়িয়া আদি নব্য ভাৰতীয় আৰ্য ভাষাসমূহৰ প্ৰত্ন ৰূপ এটাৰে এইবোৰে আভাস দিয়ে। সম্ভৱতঃ নব্য ভাৰতীয় আৰ্য ভাষাসমূহ স্বতন্ত্ৰ ভাষাৰূপে গঢ় লোৱাৰ পূৰ্বে এই চৰ্যাগীতসমূহ ৰচিত হৈছিল।

তৎসম শব্দৰ প্ৰয়োগ, সংযুক্ত ব্যঞ্জনৰ সৰলীকৃত ৰূপ এই স্তৰৰ বাংলা ভাষাৰ প্ৰধান বৈশিষ্ট্য।

**মধ্য বাংলা ঃ**

মধ্য যুগৰ বাংলা সাহিত্যৰ প্ৰথম স্তৰৰ (আদি মধ্য বাংলা) প্ৰধান নিদৰ্শন হ'ল বড়ু চণ্ডীদাসৰ *শ্ৰীকৃষ্ণ কীৰ্ত্তন*। চৰ্যাপদৰ দৰে অৱশ্যে শ্ৰীকৃষ্ণকীৰ্ত্তনো অসমীয়া ভাষাৰ পুৰণি নিদৰ্শন। এই স্তৰৰ আন কেতবোৰ সাহিত্যিক নিদৰ্শন হ'ল- মালাধৰ বসুৰ *শ্ৰীকৃষ্ণ বিজয়*, কৃত্তিদাসৰ *শ্ৰীৰাম পাঁচালী*, বিজয় গুপ্তৰ *পদ্মাপুৰাণ*, আৰু বিপ্ৰদাস পিপলাইৰ

*মনসা বিজয়*। অৱশ্যে *শ্ৰীকৃষ্ণ কীৰ্ত্তন*-ৰ বাহিৰে অন্য ৰচনাবোৰৰ ভাষাই অন্ত্যমধ্য স্তৰৰ ভাষাকহে প্ৰতিনিধিত্ব কৰা যেন লাগে।

দ্বিতীয় স্তৰৰ (অন্ত্য-মধ্য যুগ) মধ্য বাংলা সাহিত্যক বিষয়বস্তু অনুসৰি সাতোটা ভাগত ভাগ কৰিব ৰাৰি—

(১) আখ্যান সাহিত্য, (২) জীৱনী সাহিত্য, (৩) পদাৱলী সাহিত্য, (৪) অনুবাদ সাহিত্য, (৫) নাথসাহিত্য, (৬) ইসলামী সাহিত্য আৰু (৭) লোক-সাহিত্য।

আখ্যান সাহিত্যৰ তিনিটা বিভাগ আছে- মনসামঙ্গল, চণ্ডীমংগল আৰু ধৰ্মমঙ্গল। বংশীদাস চক্ৰবৰ্তী, মুকুন্দৰাম চক্ৰবৰ্তী, দ্বিজমাধৱ, ভাৰতচন্দ্ৰ এই শ্ৰেণী সাহিত্যৰ অন্যতম সাহিত্যিক। জীৱনী সাহিত্যত প্ৰধানকৈ ঠাই পাইছে বৈষ্ণৱ সন্তৰ জীৱন আলেখ্যই। প্ৰধানকৈ চৈতন্যদেৱৰ জীৱন-গাথাই এই শ্ৰেণী সাহিত্যৰ ঘাই উপজীব্য। পদাৱলী সাহিত্য মধ্যযুগৰ বাংলা সাহিত্যৰ শ্ৰেষ্ঠ সম্পদ। বিদ্যাপতি এই শ্ৰেণী সাহিত্যৰ পথ প্ৰদৰ্শক। *ৰামায়ণ* আৰু *মহাভাৰত*-ৰ বিষয়বস্তুৰ আধাৰতে অনুবাদ সাহিত্য গঢ় লৈ উঠিছে। অৱশ্যে বিভিন্ন পুৰাণ আৰু উপপুৰাণৰ কাহিনী ভাগৰো অনুবাদ এই শ্ৰেণীৰ সাহিত্যৰ অন্তৰ্ভুক্ত হৈছে। কৃত্তিবাস এই সময়ছোৱাৰ উল্লেখযোগ্য কাব্যকাৰ। মীননাথ, জালন্ধৰিপদ, গোৰক্ষপাদ, কানুপাদ, ৰামাই পণ্ডিত আদি নাথ-সাহিত্যৰ শ্ৰেষ্ঠ কবি। নাথধৰ্মৰ তত্ত্বমূলক বিষয় এই শ্ৰেণী সাহিত্যৰ প্ৰাতিপাদ্য বিষয়। দৌলৎ কাজী, আলাওল আদি কবিৰ হাতত বাংলা ইসলামী সাহিত্যৰ জন্ম হৈছিল। এই শ্ৰেণী সাহিত্যৰ ভাষাত হিন্দী-ফাৰ্চী ভাষাৰ প্ৰভাৱ স্পষ্ট। প্ৰবচন, আখ্যানমূলক, সংগীতমূলক আৰু নাট্যমূলক লোকসাহিত্য সংকলন এই যুগৰ বাংলা সাহিত্যৰ উল্লেখযোগ্য সংযোজন। এই সাহিত্যসমূহত ব্যৱহৃত ভাষাৰ উল্লেখযোগ্য বৈশিষ্ট্য হ'ল পদান্ত অ-কাৰ লুপ্ত, নামধাতুৰ ব্যাপক ব্যৱহাৰ, বৈশিষ্ট্যপূৰ্ণ কাৰক, শব্দ বিভক্তি আদি।

**আধুনিক বাংলা ঃ**

অষ্টাদশ শতিকাৰ শেষাৰ্দ্ধৰ পৰাই আধুনিক বাংলা সাহিত্যৰ বিকাশ হয়। ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, মাইকেল মধুমূদন দত্ত আদিয়ে আধুনিক বাংলা সাহিত্যৰ বিকাশত অভূতপূৰ্ব বৰঙণি আগবঢ়ায়। উপন্যাস, চুটিগল্প, কবিতা আদি ৰচনাৰে আধুনিক বাংলা সাহিত্য উজ্বলি উঠে। আধুনিক বাংলা সাহিত্যৰ পূৰোধাসকল হ'ল— বংকিম চন্দ্ৰ চট্টোপাধ্যায়, ৰবীন্দ্ৰনাথ ঠাকুৰ, শৰৎ চন্দ্ৰ চট্টোপাধ্যায়, বিভূতিভূষণ বন্দোপাধ্যায়, তাৰাশঙ্কৰ বন্দোপাধ্যায়, মানিক চন্দ্ৰ বন্দোপাধ্যায় আদি। বিভিন্ন সামাজিক, সাংস্কৃতিক আৰু বৌদ্ধিক পটভূমিত ৰচিত ৰচনাসমূহৰ মাজেৰে এই সাহিত্যিকসকলৰ হাতত বাংলা সাহিত্য বিকশিত হৈ পৰে। এই লেখক সকলৰ ভাষাত ইংৰাজী শব্দৰ আগমন, কাৰকবাচক অনুসৰ্গৰ বহুল প্ৰয়োগ, স্বৰসংগতি আৰু অপিনিহিতিৰ ব্যৱহাৰ আদি উল্লেখযোগ্য দিশ।

**আধুনিক বাংলা ভাষাৰ প্ৰধান বৈশিষ্ট্য ঃ**

১। বাংলা ভাষাৰ স্বৰ ধ্বনি সাতোটা আৰু ব্যঞ্জনধ্বনি সাতাইশটা। স্বৰ ধ্বনিৰ উচ্চাৰণত হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতা বাংলা ভাষাৰ প্ৰধান বৈশিষ্ট্য।

২। স্ত্ৰী প্ৰত্যয় দুটা— ঈ (ই) আৰু নী (ই)

৩। -ৰা, -গুলি/গুলা বহুবচনাত্মক প্ৰত্যয় আৰু সব, গণ সমষ্টিবাচক ৰূপ যোগেও বহুবচন বুজোৱা হয়।

৪। কাৰক চাৰিটা- কৰ্তা, কৰ্ম, কৰণ-অধিকৰণ আৰু সম্বন্ধ।

৫। সৰ্বনাম দুবিধ— পুৰুষবাচক আৰু নিৰ্দেশক সৰ্বনাম।

৬। ক্ৰিয়াৰ কাল দুবিধ— যৌগিক আৰু কৃদন্ত। যৌগিক কাল দুবিধ— বৰ্তমান আৰু ভৱিষ্যৎ; কৃদন্ত কাল তিনিবিধ— অতীত, ভৱিষৎ আৰু নিত্যবৃত্ত।

৭। অসমাপিকা ক্ৰিয়াৰ প্ৰত্যয় তিনিটা— (ক) -ই/-ইয়া, (খ) -ইলে আৰু (গ) -ইতে।

৮। বাক্য গঠনৰ অংশ দুটা— উদ্দেশ্য আৰু বিধেয়।

৯। উক্তি দুবিধ— প্ৰত্যক্ষ আৰু পৰোক্ষ। পৰোক্ষ উক্তিৰ ব্যৱহাৰ কম।

১০। বাক্য তিনিবিধ— সৰল বাক্য, জটিল বাক্য আৰু যৌগিক বাক্য।

১১। শব্দ ভাণ্ডাৰত ফাৰ্চী— আৰবী, পৰ্তুগীজ, ইংৰাজী আদি বিদেশী ভাষাৰ প্ৰভাৱ দেখা যায়।

### ৩.৩.৩ ওড়িআ ভাষা

মগধীয় ভাষাসমূহৰ এটা ঐতিহ্যপূৰ্ণ আৰু সমৃদ্ধ ভাষা হ'ল ওড়িআ। প্ৰাচ্য বা পূৰ্ব মাগধী অপভ্ৰংশৰ দক্ষিণ দিশত বিস্তাৰিত ঠালটোৰ পৰাই ওড়িআ ভাষাৰ উদ্ভূত হয়। এই ভাষা উৰিষ্যা ৰাজ্যত প্ৰচলিত আৰু ৰাজ্যখনৰ চৰকাৰী ভাষা। ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীমতে স্বীকৃতপ্ৰাপ্ত ভাষাসমূহৰ ভিতৰত ওড়িআ অন্যতম। খ্ৰীঃ নৱম শতিকামানৰ পৰাই ওড়িআ ভাষা সাহিত্যৰ ধাৰাবাহিকতা দেখা যায়।

ওড়িআ ভাষাৰ চাৰিটা ঔপভাষিক ৰূপ দেখিবলৈ পোৱা যায়। (ক) দক্ষিণ উৰিষ্যাৰ উপভাষা ঃ গঞ্জাম আৰু কোৰাপুট জিলাত প্ৰচলিত; (খ) পশ্চিম উৰিষ্যাৰ উপভাষা ঃ সম্বলপুৰ, সুন্দৰপুৰ, বোলাঙ্গীৰ, বউধ-কোন্দমল আৰু কালাহাণ্ডী এই পাঁচখন জিলাত এই উপভাষাৰ প্ৰচলন আছে। মধ্য প্ৰদেশৰ ৰায়পুৰ, সৰণগড় আৰু ৰায়গড়ৰ সীমান্তৱৰ্তী অঞ্চলতো এই উপভাষাৰ প্ৰচলন থকা দেখা যায়। (গ) উত্তৰ উৰিষ্যাৰ উপভাষাঃ বালেশ্বৰ আৰু ময়ূৰভঞ্জ জিলাত এই উপভাষাৰ প্ৰচলন আছে। পশ্চিমবঙ্গৰ মেদিনীপুৰ জিলাৰ সীমান্তৱৰ্তী অঞ্চলতো এই উপভাষাৰ প্ৰচলন পৰিলক্ষিত হয়। (ঘ) মধ্য উৰিষ্যাৰ উপভাষা ঃ এই উপভাষা প্ৰচলিত থকা অঞ্চলসমূহ হ'ল— কটক, পুৰী, ভূৱনেশ্বৰ আদি। এই উপভাষা মান্যভাষা ৰূপে স্বীকৃত।

ওড়িআ ভাষা সাহিত্যৰ নিদৰ্শনসমূহলৈ লক্ষ্য ৰাখি এই ভাষাৰ বিকাশৰ ধাৰাটোক পাঁচোটা যুগত বিভাজন কৰিব পাৰি—

(১) প্ৰাক্ শাৰলা যুগ (খ্ৰীঃ নৱম— খ্ৰীঃ ত্ৰয়োদশ শতিকা)

(২) শাৰলা যুগ (খ্ৰীঃ চতুৰ্দশ— খ্ৰীঃ ষোড়শ শতিকা)

(৩) পঞ্চসথা যুগ (খ্ৰীঃ ষোড়শ— খ্ৰীঃ সপ্তদশ শতিকা)

(৪) ৰীতি যুগ (খ্ৰীঃ সপ্তদশ— খ্ৰীঃ ঊনবিংশ শতিকা)

(৫) আধুনিক যুগ (খ্ৰীঃ ঊনবিংশ শতিকা— বৰ্তমানলৈ)

প্ৰাক্ শাৰলা যুগৰ সাহিত্যিক নিদৰ্শনসমূহ মৌখিক সাহিত্য আৰু ব্ৰতকথাসমূহত পোৱা যায়। এই যুগৰ লিখিত নিদৰ্শন হ'ল চৰ্যাপদ বা চৰ্যাগীতবোৰ। যিবোৰক উত্তৰ ভাৰতৰ আৰ্য-ভাষাসমূহৰ উমৈহতীয়া নিদৰ্শন বুলি ধৰা হয়। তৎসম শব্দৰ প্ৰয়োগ আৰু বিভিন্ন ক্ৰিয়া ৰূপৰ ব্যৱহাৰ এই যুগৰ ভাষাৰ প্ৰধান বৈশিষ্ট্য।

শাৰলা যুগৰ উল্লেখযোগ্য কবি হ'ল মহাকবি শাৰলা দাস। তেওঁৰ নামেৰে এই যুগটোৰ নামকৰণ কৰা হৈছে। তেওঁৰ দ্বাৰা ৰচিত *মহাভাৰত* উড়িয়া সাহিত্যৰ অমূল্য সম্পদ। এই যুগৰ আন দুজন প্ৰভাৱশালী কবি হ'ল— অৰ্জুন দাস (*ৰামবিভা*) আৰু শিশুশংকৰ (*ঊষাভিলাষ*)। এই যুগৰ পৰাই বিশুদ্ধ উড়িয়া ভাষাত লিখিত সাহিত্যৰ পৰম্পৰা আৰম্ভ হয়।

পঞ্চসথা যুগৰ উল্লেখযোগ্য সাহিত্যিক পাঁচজন। পাঁচোজন সাহিত্যিকে প্ৰতিনিধিত্ব কৰা এই যুগটোক পঞ্চসখা যুগ হিচাপে নামকৰণ কৰা হৈছে। তেওঁলোকৰ ৰচনাসমূহ হ'ল— বলৰাম দাসৰ *ৰামায়ণ, গুপ্তগীতা, বিৰাটগীতা, বট অবকাশ*; জগন্নাথ দাসৰ *ভাগৱত পুৰাণ*; অচ্যুতানন্দ দাসৰ *গুৰুভক্তিগীতা, অণাকাৰ সংহিতা, হৰিবংশ;* যশোবন্ত দাসৰ *গোবিন্দ চন্দ্ৰ, ব্ৰহ্মগীতা* আৰু *শিৱ স্বৰোদয়*; আৰু অনন্ত দাসৰ *সেতুদ্বয়*। এই কবিসকলৰ ৰচনাৰ মাজেৰে ধৰ্মীয় সাধনা প্ৰতিফলিত হৈছে। তেওঁলোকৰ ৰচনাই উড়িয়া ভাষা সাহিত্যক গতি প্ৰদান কৰিছে।

ৰীতিযুগৰ উল্লেখযোগ্য উড়িয়া সাহিত্যিকসকল হ'ল— দীন কৃষ্ণদাস (*ৰসকল্লোল*), ভূপতি পণ্ডিত (*প্ৰেম পঞ্চামৃত*), দেৱদুৰ্লভ দাস (*ৰহস্য মঞ্জৰী*), দ্বাৰকাদাস (*পৰচেগীতা*), উপেন্দ্ৰ ভঞ্জ (৮২ খন গ্ৰন্থ ৰচনা কৰে) আদি। এই যুগৰ অন্যতম বৈশিষ্ট্য হ'ল কাব্য সাহিত্যচৰ্চাৰ লগে লগে গদ্যৰ উদ্ভৱ। এই সময়তে ছপাশাল প্ৰতিষ্ঠা হয় আৰু আলোচনী আদি প্ৰকাশ পায়। আলোচনীসমূহে উড়িয়া ভাষা- সাহিত্যৰ বিকাশত বিশেষ ভূমিকা পালন কৰে।

ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা ওড়িআ আধুনিক সাহিত্যৰ আৰম্ভ হয়। কবিতা, চুটিগল্প, উপন্যাস আদি শিতানত সাহিত্য-চৰ্চা হ'বলৈ কৰে। প্ৰতিটো শিতানৰ সাহিত্যতে বিভিন্ন বিষয়বস্তুৱে স্থান পায়। ফকীৰ মোহন সেনাপতি, ৰাধানাথ ৰায় আৰু মধুসূদন ৰাও এই তিনিজন আধুনিক উড়িয়া সাহিত্যৰ অগ্ৰণী সাহিত্যিক। তেওঁলোকৰ

ৰচনাৰাজিয়ে আধুনিক উড়িয়া সাহিত্যৰ উত্তৰণ ঘটাইছে। প্ৰাচীন শব্দৰ বিলোপ, বিদেশী শব্দৰ আগমন এই যুগৰ ভাষাৰ অন্যতম বৈশিষ্ট্য।

**ওড়িআ ভাষাৰ ভাষাতাত্ত্বিক বৈশিষ্ট্য ঃ**

১। ওড়িআ ভাষাৰ স্বৰধ্বনি ছটা আৰু ব্যঞ্জন ধ্বনি একত্ৰিশটা। স্বৰধ্বনিৰ হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্য নাই যদিও কেতবোৰ শব্দত ইয়াৰ উপস্থিতি দেখা যায়।
যেনে— না (নাই); নাআ (নাঁও)।

২। সংস্কৃতৰ 'ঋ' ধ্বনি ওড়িআত 'ৰু' হিচাপে উচ্চাৰিত হয়।
যেনে— অমৃত > অম্ৰুত।

৩। পূৰ্বী ভাষাসমূহত নথকা প্ৰাচীন ণ (n) আৰু ল় (l) ধ্বনিৰ ব্যৱহাৰ আছে।

৪। সংস্কৃতৰ শিশ্ ধ্বনিসমূহ ওড়িআত দণ্ডমূলীয় স্ (S) হিচাপে উচ্চাৰিত হয়।

৫। শ্ব্যাসাঘাত পৰে শব্দৰ আৰম্ভণিৰ পৰা প্ৰথম অথবা দ্বিতীয় অক্ষৰত।

৬। স্বৰ সংগতি দেখা যায়। অনুনাসিকতাও বিশিষ্ট ধ্বনি।

৭। শব্দসমূহ লিংগ নিৰপেক্ষ।

৮। বহুবচনৰ প্ৰত্যয় -এ আৰু -মান।

৯। কৰ্ম কাৰকত -কু, অপাদান -ঠুঁ, -ৰু, -উ; সম্বন্ধপদত -ৰ, (বহুবচনত-ঙ্কৰ) আৰু অধিকৰণ কাৰকত -ত বিভক্তিৰ প্ৰয়োগ হয়।

১০। -ইল আৰু -ইব প্ৰত্যয় যোগে ক্ৰমে অতীত আৰু ভৱিষ্যত কালৰ ক্ৰিয়া গঠন হয়। কইল (কৰিল), খাইবি (খাবি)

১১। অস্ত্যৰ্থক ক্ৰিয়া অছ্ আৰু -যি/-থা যোগে যৌগিক কাল গঠিত হয়।
যেনে— কৰিছি, কৰুথিব ইত্যাদি।

**আত্মমূল্যায়ন প্ৰশ্ন**

কোনখিনি সময়ৰে পৰা ওড়িআ ভাষাৰ সাহিত্যিক নিদৰ্শন দেখিবলৈ পোৱা যায়? (৩০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

### ৩.৩.৪ ভোজপুৰী ভাষা

বিহাৰী ঠালৰ এটা অন্যতম ভাষা হ'ল ভোজপুৰী। বিহাৰ ৰাজ্যৰ পশ্চিম অঞ্চল আৰু উত্তৰ প্ৰদেশৰ পূব অঞ্চলৰ বেনাৰস, জৌনপুৰ, গাজীপুৰ, কালিয়া, গোৰক্ষপুৰ, বস্তী, আজমগড়, শাহাবাদ, চম্পাৰণ, সাৰণ, ৰাচি, সৰগুজা আদি অঞ্চলত এই ভাষাৰ প্ৰচলন আছে।

ভোজপুৰী ভাষাৰ লিখিত নিদৰ্শন অতি নগণ্য। লোকসাহিত্যত এই ভাষাৰ মাধুৰ্য দেখিবলৈ পোৱা যায়। কবীৰৰ দ্বাৰা প্ৰণীত দোহাসমূহ এই ভাষাৰ উল্লেখযোগ্য প্ৰাচীন নিদৰ্শন। কবীৰৰ শিষ্য সন্তকবি ধৰমদাসেও এই ভাষাত সাহিত্য সৃষ্টি কৰিছিল।

বৰ্তমান কালত এই ভাষাত কিছুমান মননশীল সাহিত্য ৰচিত হৈছে। নাটক, উপন্যাস, চুটিগল্প আদিৰ মাধ্যমেৰে সাহিত্য সৃষ্টিৰ লগতে আলোচনী আদি প্ৰকাশ হৈ ভাষাটিক সজীৱতা প্ৰদান কৰিছে। এই ভাষাত নিৰ্মিত কথাছবিয়ে বিশেষ সমাদৰ লাভ কৰিবলৈ সমৰ্থ হৈছে।

**ভাষাতাত্ত্বিক বৈশিষ্ট্য ঃ**

১। 'অ' ধ্বনি দুই ধৰণে উচ্চাৰিত হয়। বিবৃত 'অ' /ʌ/ আৰু সংবৃত 'অ' /ɔ/

২। লিংগৰ শিথিলতা বিশেষ বৈশিষ্ট্য। যেনে— হমাৰ/হমাৰি গাই

৩। -অন্‌হি, -অন্‌হ বিভক্তি যোগে বহুবচন। যেনে— ঘৰ- ঘৰণহি।

৪। শব্দমূলৰ হ্ৰস্ব-দীৰ্ঘ -অতিদীৰ্ঘ ভেদ। যেনে— মালী- মলিয়া- মলিয়ৱা।

৫। দ্বিতীয়া, চতুৰ্থী আৰু ষষ্ঠীত '-কে'; তৃতীয়া, পঞ্চমীত -সে, -সেঁ; সপ্তমীত -সেঁ, পৰ আদি কাৰক বিভক্তিৰ ব্যৱহাৰ হয়।

৬। -অল আৰু -অব যোগে ক্ৰমে অতীত আৰু ভৱিষ্যৎ কাল গঠন। যেনে— হম্ দেখলী/ দেখবি।

৭। যৌগিক কাল বুজাবলৈ ৰহ্ আৰু বাড়্ /বাট্ সহায়ক ধাতুৰ প্ৰয়োগ। যেনে— হম্ দেখত্ বাটী।

৮। অস্ত্যৰ্থক ধাতুৰ লগত '-খে' প্ৰত্যয় যোগ হোৱা ভোজপুৰী ভাষাৰ এটি বিশিষ্ট বৈশিষ্ট্য। যেনে— হোখে (হয়)।

### ৩.৩.৫ মগহী বা মগধী ভাষা

গ্ৰীয়াৰ্ছনে চিহ্নিত কৰা বিহাৰী ভাষাৰ এটি অন্যতম ভাষা হ'ল মগহী বা মগধী ভাষা। এই ভাষা মধ্য মাগধী অপভ্ৰংশৰ পৰা উদ্ভুত। বিহাৰৰ পাটনা, গয়া, মুঙ্গেৰ, ভাগলপুৰ আৰু পালমৌ জিলাৰ পশ্চিমাঞ্চলত এই ভাষা প্ৰচলিত। গয়া অঞ্চলত প্ৰচলিত কথিত ৰূপেই হ'ল ইয়াৰ আদৰ্শ ভাষাৰূপ।

জয়কান্ত মিশ্ৰ, সুভদ্ৰ ঝা, কৃষ্ণকান্ত মিশ্ৰ আদি পণ্ডিতসকলৰ মতে মগহী স্বতন্ত্ৰ ভাষা নহয়। এই ভাষা মৈথিলী ভাষাৰে উপভাষা। উদয় নাৰায়ণ তিৱাৰী, ৰাহুল সাংকৃত্যায়ন, কৃষ্ণদেৱ উপাধ্যায়, সম্পত্তি অৰ্যাণী, সূৰ্যদেও শাস্ত্ৰী আদি পণ্ডিতসকলে মগহী ভাষাক স্বতন্ত্ৰ ভাষা বুলি অভিমত ডাঙি ধৰিছে।

এই ভাষাৰ কেন্দ্ৰভূমি মগধ, গয়া অঞ্চল প্ৰাচীন কালৰ বৌদ্ধ যুগৰ শিক্ষা-সংস্কৃতিৰ প্ৰধান পীঠস্থান আছিল। দ্বাদশ শতিকাৰ তুৰ্কীসকলৰ আক্ৰমণৰ ফলস্বৰূপে এই অঞ্চলৰ গৌৰৱ ম্লান হৈ পৰে। পৰৱৰ্তী সময়ত ৰাজনৈতিক হীনমান্যতাৰ ফলস্বৰূপে অঞ্চলটিৰ

ভাষিক সচেতনতাও ক্ষুন্ন হৈ পৰিবলৈ ধৰে। সেই সময়ছোৱাত শিক্ষিত লোকসকল হিন্দী, ব্ৰজ, অৱধী আৰু উৰ্দু ভাষাৰ প্ৰতি অনুৰক্ত হৈ পৰে। ফলত এই ভাষাৰ চৰ্চা আৰু শিক্ষিত জনৰ অৱহেলাৰ বাবে এই ভাষাটি এটা অমাৰ্জিত আঞ্চলিক ভাষালৈ পৰ্যবসিত হয়। বৰ্তমান সময়ত এই ভাষাৰ প্ৰতি জনসাধাৰণৰ সচেতনতা কিছু পৰিমাণে জাগ্ৰত হোৱাৰ উমান পোৱা যায়। এই ভাষা ব্যৱহাৰ কৰা লোকৰ সংখ্যা বৃদ্ধি পোৱাটোৱে এই কথাটোৰ সাক্ষ্য দিয়ে।

মগহী ভাষাৰ প্ৰাচীন সাহিত্যিক নিদৰ্শন পোৱা নাযায়। কিন্তু লোকসাহিত্য (লোকগীত, গাথাসাহিত্য আদি) ৰচনাৰ দিশত এই ভাষা অতি সমৃদ্ধ। বৰ্তমান সময়ত এই ভাষাত সাহিত্য সৃষ্টিৰ চেষ্টা চলিছে। 'বিহাৰ মাগধী মণ্ডল'-এ *বিহান* নামৰ মাহেকীয়া আলোচনী প্ৰকাশিত কৰি এই দিশত উল্লেখযোগ্য ভূমিকা পালন কৰিছে। স্বৰ্গত জৈনাথ পণ্ডিতৰ হাতত আধুনিক চুটিগল্পই জনপ্ৰিয়তা অৰ্জন কৰিছে। তদুপৰি শ্ৰীকান্ত শাস্ত্ৰী আৰু ৰামচন্দন সম্পাদিত *মগহী কহানী সেংগৰণ*, শ্ৰীকান্ত শাস্ত্ৰী সম্পাদিত *মগহী লোকগীত*, ৰামনন্দনৰ উপন্যাস *আদমী আ দেওতা*, সম্পত্তি অৰ্যাণী সম্পাদিত *মগহী লোকগীত*, ৰামনন্দনৰ *কৌমুদী মহোৎসৱ* নাটক আদি উল্লেখযোগ্য মগহী সাহিত্য। সম্পত্তি অৰ্যানীয়ে সম্প্ৰতি হিন্দী ভাষাত এই ভাষাৰ *মগহী ব্যাকৰণ কোল* নামেৰে এখনি ব্যাকৰণ লিখি উলিয়াইছে।

**ভাষাতাত্বিক বৈশিষ্ট্য ঃ**

(১) 'অ' ধ্বনিৰ সংবৃত্ত /ɔ/, বিবত /ʌ/ আৰু অতিহ্ৰস্ব /ɞ/ উচ্চাৰণ পোৱা যায়।

(২) ধ্বনিসমূহৰ হ্ৰস্ব আৰু দীৰ্ঘ উচ্চাৰণ আছে।

(৩) এই ভাষাৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য হ'ল লিংগৰ শিথিলতা।
যেনে— ৰামকে ঘৰ/বহিন, ভুক্‌খল গইয়া/বৈলা গাই/বলধ।

(৪) শব্দমূলৰ হ্ৰস্ব-দীৰ্ঘ-দীৰ্ঘতৰ ভেদ দেখা যায়।
যেনে— ঘোড়/ঘোড়া/ঘোড়বা/ঘোড়ৌৱৰা।

(৫) বহুবচনৰ প্ৰত্যয় '-ন'; যেনে ঃ ঘোড়া-ঘোড়ন।

(৬) দ্বিতীয়াত -কে, ৩য়া/৫মীত - সে, ৬ষ্ঠীত -কে, -কেৰ, ৭মীত -মে বিভক্তি লগ লাগে। গৌণ কৰ্মত - লা, -লাগি প্ৰয়োগ হয়।

(৭) সৰ্বনাম-মূল; কতৃ ঃ 'হম' (তিৰ্যক 'মোৰা'), সম্বন্ধ ঃ 'হামৰা', (বহুবচনত হমনী/হমৰণী) ইত্যাদি।

(৮) অল আৰু অৱ যোগ কৰি ক্ৰমে অতীত আৰু ভৱিষ্যত কালৰ ক্ৰিয়াপদ গঠন।
যেনে— হম্ তস্বীৰ দেখলী/দেখৱ।

(৯) বৰ্তমান আৰু অতীত কালত 'হো ধাতুৰ সংযোগত যৌগিক কালৰ ক্ৰিয়া গঠন।
যেনে— দেখইত হে/হই ।

### ৩.৩.৬ মৈথিলী ভাষা

বিহাৰী শাখাৰ অন্য এটি ভাষা হ'ল মৈথিলী। এই ভাষা মধ্য মাগধী প্ৰাকৃতৰ পৰা ওলাইছে। ভোজপুৰীতকৈ মগধী ভাষাৰ লগত এই ভাষাৰ সাদৃশ্য অধিক। সাহিত্য অকাদেমীয়ে এই ভাষাক স্বতন্ত্ৰ সাহিত্যিক ভাষাৰূপে স্বীকৃতি প্ৰদান কৰিছে। বৰ্তমান বিহাৰৰ মিথিলা (প্ৰাচীন বিদেহ অঞ্চল) অঞ্চলক কেন্দ্ৰ কৰি দ্বাৰভাঙ্গা, মজফ্ফৰপুৰ, মুঙ্গেৰ, ভাগলপুৰ, পূৰ্ণিয়া, উত্তৰ চাওঁতাল পৰগণা, পূৰ্ব চম্পাৰণ আদি জিলাত এই ভাষাৰ প্ৰচলন আছে। এই ভাষাৰ আদৰ্শৰূপ উত্তৰ দ্বাৰভাঙ্গা উপভাষা।

বিহাৰী ভাষাসমূহৰ ভিতৰত ভাষা সাহিত্যৰ ঐতিহ্য আৰু সংস্কৃতিৰ দিশত মৈথিলী ভাষা অতি চহকী। এই ভাষাৰ সাহিত্যৰ ঐতিহ্য অতি প্ৰাচীন। চৰ্যাপদত এই ভাষাৰ প্ৰথম নিদৰ্শন পোৱা যায়। চৰ্যাপদক বাদ দিলে ইয়াৰ প্ৰাচীন সাহিত্যিক নিদৰ্শন হ'ল চতুৰ্দশ শতিকাৰ জ্যোতিৰীশ্বৰ ঠাকুৰৰ *বৰ্ণৰত্নাকৰ* বা *বৰ্ণন* ৰত্নাকৰ। বিদ্যাপতি এই ভাষাৰ শ্ৰেষ্ঠ কবি। তেওঁৰ ৰচিত পদাৱলী-সাহিত্যৰ প্ৰভাৱ গোটেই পূব ভাৰততে বিয়পি পৰিছিল। উমাপতি ওজাৰ সপ্তদশ শতিকাত ৰচিত *পাৰিজাত হৰণ* —এই ভাষাৰ প্ৰথম নাট। গোবিন্দ ঠাকুৰ, কাশীনাথ, ৰামনাথ, শ্ৰীধৰ আদি এই ভাষাৰ প্ৰাচীন স্তৰটোৰ উল্লেখযোগ্য সাহিত্যিক।

মৈথিলী ভাষীসকলে এটা সময়ত হিন্দী ভাষাকে তেওঁলোকৰ সংস্কৃতিৰ বাহক হিচাপে ব্যৱহাৰ কৰিছিল। ফলত এই ভাষাৰ সাহিত্য আৰু সংস্কৃতিৰ ওপৰত হিন্দী ভাষাৰ প্ৰভাৱ অধিক। অৱশ্যে বৰ্তমান সময়ত এই লোকসকলৰ মাজত ভাষিক সচেতনতা বৃদ্ধি পাইছে আৰু নিজৰ ভাষা সাহিত্যৰ সমৃদ্ধিৰ বাবে উঠিপৰি লাগিছে।

এই ভাষাৰ প্ৰধান ভাষাতাত্বিক বৈশিষ্ট্যসমূহ এনেধৰণৰ—

(১) অ-কাৰৰ সংবৃত /ɔ/ আৰু বিবৃত /ʌ/ উচ্চাৰণ।

(২) পদান্ত অ, ই, উ ধ্বনিৰ অতিহ্ৰস্ব উচ্চাৰণ।

(৩) শব্দমূলৰ হ্ৰস্ব-দীৰ্ঘ-অতিদীৰ্ঘ ভেদ। যেনে— ঘৰ-ঘৰৱা-ঘৰউৱা

(৪) লিংগৰ শিথিলতা, যেনে— তোৰ/তোৰী বেটী

(৫) সবহি/সভ্ আৰু 'লোকনি' শব্দ যোগে বহুবচন গঠন।
যেনে— চাকৰ সভ আএল, দেৱতা লোকনি।

(৬) ২য়াত -কে, -কাঁ; ৩য়াত/৫মীত -স, ৬ষ্ঠীত -ক, -কেৰ, ৭মীত -মে বিভক্তিৰ ব্যৱহাৰ।

(৭) -অল আৰু -অব প্ৰত্যয়যোগে ক্ৰমে অতীত আৰু ভৱিষ্যত কাল গঠন।
যেনে— হম্ খ্যাএল, আএব।

(৮) সহায়ক ক্ৰিয়াৰূপে 'থিক' ৰূপৰ প্ৰয়োগ। যেনে— থিকহু, থিকহ।

(৯) যৌগিকপদৰ সহায়ত কৰ্মবাচ্য গঠন;
যেনে— ই কাজ কএল অছি (এই কামটো কৰা হ'ল)।

(১০) -ব, -ল ৰ যোগত ভাববাচক বিশেষ্য পদ গঠিত হয়।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

বিহাৰী ভাষাৰ সাধাৰণ বৈশিষ্ট্যসমূহ কি কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## ৩.৪ সাৰাংশ (Summing Up)

মগধীয় ভাষাগুচ্ছ বুলিলে অসমীয়া, বাংলা, উৰিয়া, ভোজপুৰী, মগহী বা মগধী আৰু মৈথিলী এই ভাষা কেইটাকে বুজোৱা হয়। মাগধী প্ৰকৃতৰ পৰা ওলোৱা বাবে এইদৰে কোৱা হয়। এই ভাষাসমূহৰ ভিতৰত ভোজপুৰী, মগধী আৰু মৈথিলী এই ভাষা তিনিটাক একেলগে বিহাৰী ভাষা বুলিও কোৱা হয়। এই ভাষা সমূহৰ ভিতৰত অসমীয়া ভাষাৰ শব্দাগত নিদৰ্শন ষষ্ঠ-সপ্তম শতিকাৰ তামৰ ফলিবোৰত পোৱা যায়। চৰ্যাপদ এই ভাষাৰ প্ৰথম সাহিত্যিক নিদৰ্শন। চৰ্যাপদক বাংলা ভাষাৰ লগতে অন্য মগধী ভাষাবোৰৰো প্ৰথম নিদৰ্শন বুলিয়ে কোৱা হয়। বিশুদ্ধ অসমীয়া ভাষাৰ সাহিত্যিক নিদৰ্শন ত্ৰয়োদশ শতিকাৰ পৰা পোৱা যায়। খ্ৰী. নৱম শতিকাৰ পৰা উৰিয়া সাহিত্যৰ ধাৰাবাহিকতা পোৱা যায়। অৱশ্যে অন্যান্য মগধীয় ভাষা সমূহৰ নিচিনাকৈ এই ভাষাৰো প্ৰথম সাহিত্যিক নিদৰ্শন চৰ্যাপদ। বিহাৰী ভাষা সমূহৰ ভিতৰত মৈথিলী ভাষা আন দুটাৰ তুলনাত সাহিত্যৰ দিশত বেছি চহকী। অন্য ভাষা দুটাৰ পুৰণি সাহিত্যিক নিদৰ্শন তেনেদৰে পোৱা যায়। ভাষাগত বৈশিষ্ট্যৰ ক্ষেত্ৰত আটাইবোৰ ভাষাৰ সাদৃশ্য থাকিলেও স্বকীয়তা বিৰাজমান।

## ৩.৫ আৰ্হি প্ৰশ্ন (Sample Questions)

১) 'মগধীয় ভাষা' বুলিলে কি বুজায়? এই ভাষাসমূহৰ পৰিচয় দাঙি ধৰক।

২) মগধীয় ভাষাসমূহৰ পৰিচয় দাঙি ধৰি ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ পৰ্যালোচনা কৰক।

৩) 'বিহাৰী ভাষা' বুলিলে কোনকেইটা ভাষাক বুজায়। ভাষাকেইটাৰ পৰিচয় দাঙি ধৰি ভাষাতাত্ত্বিক বৈশিষ্ট্যসমূহ আলোচনা কৰক।

৪) মাগধী প্ৰাকৃতৰ বৈশিষ্ট্যসমূহ কি কি? অসমীয়া ভাষাত এই বৈশিষ্ট্যসমূহ কেনেদৰে ৰক্ষিত হৈছে?

৫) মগধীয় ভাষাসমূহৰ পৰিচয় দাঙি ধৰি সাধাৰণ বৈশিষ্ট্যসমূহ বিচাৰ কৰক।

৬) উৰিয়া ভাষাৰ বিষয়ে এটি টোকা লিখি উৰিয়াভাষাৰ ভাষাগত বৈশিষ্ট্যবোৰ দাঙি ধৰক।

৭) চমুটোকা লিখক ঃ

(ক) মাগধী অপভ্ৰংশ, (খ) ভোজপুৰী ভাষা, (গ) মৈথিলী ভাষা,

(ঘ) মগহী ভাষা, (ঙ) বাংলা ভাষাৰ ধ্বনিতত্ত্ব।

### ৩.৬ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


উপেন্দ্ৰনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, বিকাশ আৰু সমৃদ্ধি*

সুকুমাৰ সেন ঃ *ভাষাৰ ইতিবৃত্ত*

পৰেশ চন্দ্ৰ মজুমদাৰ ঃ *আধুনিক ভাৰতীয় ভাষা প্ৰসঙ্গে*

দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ তুলনামূলক অধ্যয়ন*

Banikanta Kakati : *Assamese, Its Formation and Development*

G. A. Grierson : *Linguistic Survey of India, Vol.*


*****

# চতুৰ্থ বিভাগ
# অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বিশিষ্ট স্বৰ

**বিভাগৰ গঠনঃ**


৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Objectives)
৪.৩ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বিশিষ্ট স্বৰধ্বনি আৰু আখৰ
৪.৪ অসমীয়া বাংলা আৰু ওড়িআ ভাষাৰ দ্বিস্বৰ
৪.৫ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ অনুনাসিকতা
৪.৬ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনিৰ প্ৰয়োগ
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ৪.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত মগধীয় ভাষাসমূহ পৰিচয় দাঙি ধৰি অহা হৈছে। এই বিভাগটিত মগধীয় ভাষাগুচ্ছৰ তিনিটা প্ৰধান ভাষা অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ধ্বনিৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

অসমীয়া, বাংলা আৰু ওড়িআ - এই তিনিওটা ভাষা মাগধী প্ৰাকৃতৰ শেষ স্তৰ মাগধী অপভ্ৰংশৰ পৰা সৃষ্টি হৈছে। খ্ৰীষ্টাব্দ দশম শতিকাৰ পৰা এই তিনিওটা ভাষাই জন্ম লাভ কৰি বিকাশৰ পথত অগ্ৰসৰ হৈছে। সমগোত্ৰীয় ভাষাৰূপে এই তিনিওটা ভাষাৰে কেতবোৰ সাদৃশ্য লক্ষ্য কৰা যায়। অৱশ্যে প্ৰত্যেকটো ভাষাৰে কেতবোৰ আচুতীয়া বৈশিষ্ট্যও আছে। ধ্বনি হৈছে ভাষাৰ প্ৰধান আৱশ্যকীয় উপাদান। ভাষা এটা বিশ্লেষণৰ ক্ষেত্ৰত ধ্বনিৰ প্ৰয়োগ-বিচাৰে বিশেষ গুৰুত্ব লাভ কৰে। অৰ্থাৎ ধ্বনিতত্ত্বই ভাষাৰ বৈশিষ্ট্য নিৰূপণ কৰোঁতে প্ৰধান ভূমিকা গ্ৰহণ কৰে। অসমীয়া, বাংলা আৰু ওড়িআ ধ্বনিতত্ত্বৰ কেতবোৰ বিশেষ বৈশিষ্ট্য লক্ষ্য কৰা যায়। বিশেষকৈ বানান আৰু উচ্চাৰণৰ ক্ষেত্ৰত এই কেইটা ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ মাজত ভালেখিনি পাৰ্থক্য আছে। এই বিভাগৰ আলোচনাত অসমীয়া, বাংলা আৰু উৰিয়া ভাষাৰে স্বৰধ্বনিৰ তুলনামূলক ধাৰণা এটা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ব।

## ৪.২ উদ্দেশ্য (Objectives)

এই বিভাগটিৰ আলোচিত কথাখিনি অধ্যয়ন কৰাৰ অন্তত আপুনি-

- অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বিশিষ্ট্য স্বৰধ্বনি আৰু এইবোৰৰ প্ৰয়োগ বিশ্লেষণ সম্পৰ্কে অৱগত হ'ব পাৰিব,

- তিনিওটা ভাষাৰ ব্যঞ্জনধ্বনি আৰু ইহঁতৰ প্ৰয়োগ বিশ্লেষণ বিচাৰ কৰিব পাৰিব,
- এই ভাষা কেইটাত ব্যৱহৃত আখৰবোৰ জানিব পাৰিব।

## ৪.৩ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বিশিষ্ট স্বৰধ্বনি

অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনিৰ প্ৰয়োগৰ ক্ষেত্ৰত কেইটামান উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। সংস্কৃত বৰ্ণমালাত থকা এঘাৰটা স্বৰবৰ্ণ এই তিনিওটা ভাষাৰে বৰ্ণমালাত প্ৰয়োগ হৈছে। সেইকেইটা হ'ল — অ, আ, ই, ঈ, উ, ঊ, ঋ, এ, ঐ, ও, ঔ। কিন্তু উচ্চাৰণৰ ক্ষেত্ৰত প্ৰতিটো ভাষাৰ ক্ষেত্ৰতে কিছু পাৰ্থক্য আছে। সংস্কৃতৰ এঘাৰটা স্বৰধ্বনিৰ ঠাইত অসমীয়া ভাষাত আঠোটা, বাংলা ভাষাত সাতোটা আৰু ওড়িআ ভাষাত ছটা স্বৰধ্বনিহে উচ্চাৰিত হয়। স্বৰধ্বনিবোৰ ওঁঠ আৰু জিভাৰ কলন অনুসৰি শ্ৰেণীবিভাগ কৰা হয়। উল্লেখযোগ্য যে উচ্চাৰণত ওঁঠ দুটা হয় বিবৃত হৈ থাকে, নহয় সংবৃত হৈ থাকে। ওঁঠ দুটা সংবৃত হৈ থাকিলে সংবৃতৌষ্ঠ্য স্বৰধ্বনি আৰু বিবৃত হৈ থাকিলে বিবৃতৌষ্ঠ্য স্বৰ ধ্বনি বোলা হয়। আনহাতে, জিভাৰ অৱস্থান অনুযায়ী পথালিয়ে প্ৰন্তীয় প্ৰান্তীয়, কেন্দ্ৰীয় আৰু মূলীয়; জিভাৰ থিয় দিশটো অনুযায়ী উচ্চ, উচ্চমধ্য, মধ্য নিম্নমধ্য আৰু নিম্নস্বৰ ধ্বনি হিচাপে বিভাজন কৰিব পাৰি। তলত এই অনুসৰি অসমীয়া, বাংলা আৰু উৰিয়া ভাষাৰ স্বৰধ্বনিবোৰক তালিকাভূক্ত কৰি ধ্বনিসমূহৰ বৰ্ণনা দিবলৈ প্ৰয়াস কৰা হ'ল।

**অসমীয়া ভাষাৰ স্বৰধ্বনিঃ**

অসমীয়া ভাষাত ব্যৱহাৰ হোৱা স্বৰধ্বনি আঠোটা। সেইবোৰ হ'ল— অ', অ, আ, ই, এ', এ, উ আৰু ও। এই স্বৰধ্বনিবোৰক তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি—

| | ওঁঠৰ আকৃতি অনুসৰি → | বিবৃতৌষ্ঠ্য | | সংবৃতৌষ্ঠ্য |
|---|---|---|---|---|
| | জিভাৰ অংশ অনুসৰি → | প্ৰান্তীয় | কেন্দ্ৰীয় | মূলীয় |
| জিভাৰ উচ্চতা অনুসৰি ↑ | উচ্চ | ই( $i$ ) | | উ( $u$ ) |
| | উচ্চমধ্য | এ'( $e$ ) | | ও( $o$ ) |
| | নিম্নমধ্য | এ( $\varepsilon$ ) | | অ'( $\mathrm{ɔ}$ ) |
| | নিম্ন | | আ (a) | অ (ɒ) |

বৰ্ণনা ঃ

| | | |
|---|---|---|
| ই ( *i* ) | ঃ | প্ৰান্তীয় উচ্চ বিবৃতৌষ্ঠ্য স্বৰধ্বনি। |
| এ’ ( *e* ) | ঃ | প্ৰান্তীয় উচ্চমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি। |
| এ ( *ɛ* ) | ঃ | প্ৰান্তীয় নিম্নমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি। |
| আ ( a ) | ঃ | কেন্দ্ৰীয় নিম্ন বিবৃতৌষ্ঠ্য স্বৰধ্বনি। |
| উ ( *u* ) | ঃ | মূলীয় উচ্চ সংবৃতৌষ্ঠ্য স্বৰধ্বনি। |
| ও ( *o* ) | ঃ | মূলীয় উচ্চমধ্য সংবৃতৌষ্ঠ্য স্বৰধ্বনি। |
| অ’ ( ɔ ) | ঃ | মূলীয় নিম্নমধ্য সংবৃতৌষ্ঠ্য স্বৰধ্বনি। |
| অ ( ɒ ) | ঃ | মূলীয় নিম্ন সংবৃতৌষ্ঠ্য স্বৰধ্বনি। |

অসমীয়া ভাষাৰ স্বৰধ্বনিসমূহ লক্ষ্য কৰিলে দেখা যায় যে— সংস্কৃতৰ ১১টা স্বৰ ধ্বনিৰ আখৰ হিচাপে প্ৰয়োগ থাকিল যদিও উচ্চাৰণৰ দিশত মাত্ৰ আঠোটা স্বৰধ্বনিৰহে প্ৰয়োগ আছে। কিন্তু সংস্কৃতৰ ১১টা আখৰৰ ব্যৱহাৰ অসমীয়া ভাষাত পোৱা যায়। সংস্কৃতৰ এ আৰু অ ধ্বনিৰ অসমীয়া ভাষাত দুটা উচ্চাৰণৰ প্ৰয়োগ হয়। এই ধ্বনি দুটাক বুজাবলৈ এ আৰু অ আখৰৰ লগত উৰ্ধকমা (’) ব্যৱহাৰ কৰি এই দুটা ধ্বনিৰূপ প্ৰয়োগ কৰা হয়— এ’ আৰু অ’। সংস্কৃতৰ হ্ৰস্ব দীৰ্ঘৰ পাৰ্থক্য অসমীয়া ভাষাত নোহোৱা হ’ল সেয়েহে অসমীয়া ভাষাত উচ্চাৰণৰ দিশত কেৱল ই, উ ৰহে প্ৰয়োগ থাকিল। ‘ঋ’ৰ উচ্চাৰণ ‘ৰি’ৰ নিচিনা হ’ল। সংস্কৃতৰ ঐ আৰু ঔ অসমীয়াত ‘অই’ আৰু ‘অউ’ দ্বিস্বৰত পৰিণত হ’ল। আনহাতে অসমীয়া ভাষাত ‘অ’ স্বৰৰ বাদে আন স্বৰবোৰৰ একোটা গৌণ ৰূপো পোৱা যায়। যেনে—

| মুখ্যৰূপ | গৌণৰূপ |
|---|---|
| আ | া |
| ই | ি |
| ঈ | ী |
| উ | ু |
| ঊ | ূ |
| ঋ | ৃ |
| এ | ে |
| ঐ | ৈ |
| ও | ো |
| ঔ | ৌ |

**বাংলা ভাষাৰ স্বৰধ্বনিঃ**

বাংলা ভাষাত প্ৰয়োগ থকা স্বৰধ্বনি ৭টা। সেইকেইটা হ'লঃ অ, আ, ই, এ', এ উ আৰু ও। এই স্বৰধ্বনি কেইটাক তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি—

| | ওঁঠৰ আকৃতি অনুসৰি → | বিবৃতৌষ্ঠ্য | | সংবৃতৌষ্ঠ্য |
|---|---|---|---|---|
| | জিভাৰ অংশ অনুসৰি → | সন্মুখ | কেন্দ্ৰীয় | পশ্চ |
| জিভাৰ উচ্চতা অনুসৰি ↑ | উচ্চ | ই ( $i$ ) | | উ ( $u$ ) |
| | উচ্চমধ্য | এ' ( $e$ ) | | ও ( $o$ ) |
| | নিম্নমধ্য | এ ( $\varepsilon$ ) | | অ (ɒ) |
| | নিম্ন | | আ (a) | |

**বৰ্ণনাঃ**

ই ($i$) ঃ সন্মুখ উচ্চ বিবৃতৌষ্ঠ্য স্বৰধ্বনি
এ' ($e$) ঃ সন্মুখ উচ্চমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি
এ ( $\varepsilon$ ) ঃ সন্মুখ নিম্নমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি
আ (a) ঃ কেন্দ্ৰীয় নিম্ন বিবৃতৌষ্ঠ্য স্বৰধ্বনি
উ ($u$) ঃ পশ্চ উচ্চ সংবৃতৌষ্ঠ্য স্বৰধ্বনি
ও ($o$) ঃ পশ্চ উচ্চমধ্য সংবৃতৌষ্ঠ্য স্বৰধ্বনি
অ (ɒ) ঃ পশ্চ নিম্নমধ্য সংবৃতৌষ্ঠ্য স্বৰধ্বনি

বাংলা ভাষাৰ স্বৰধ্বনিসমূহ পৰ্যালোচনা কৰিলে দেখা যায় যে সংস্কৃতৰ ১১টা স্বৰধ্বনিৰ সলনি বাংলাত ৭টা স্বৰধ্বনিৰহে প্ৰয়োগ থাকিল। কিন্তু আখৰ হিচাপত সংস্কৃতৰ ১১টা আখৰৰে ব্যৱহাৰ বাংলা ভাষাত হয়। সংস্কৃতৰ 'এ' স্বৰ বাংলাত দুই ধৰণে উচ্চাৰিত হয়। এটা উচ্চমধ্যস্বৰ আৰু আনটো নিম্নমধ্য। নিম্নমধ্যক 'এ' ৰে আৰু উচ্চমধ্যক বুজাবলৈ 'এ' ৰ ওপৰত উৰ্ধকমা প্ৰয়োগ কৰি 'এ'' হিচাপে ব্যৱহাৰ কৰা হয়। বাংলাতো হ্ৰস্ব-দীৰ্ঘ পাৰ্থক্য নোহোৱাৰ বাবে 'ই', 'ঈ' ৰ সলনি ই আৰু 'উ', 'ঊ' ৰ সলনি উচ্চাৰণৰ দিশত কেৱল 'উ' হে ৰক্ষিত থাকিল। অসমীয়া ভাষাৰ নিচিনাকৈ 'ঋ'ৰ সলনি 'ৰি' উচ্চাৰণ হয়। একেদৰে 'ঐ' আৰু 'ঔ'ৰ সলনি 'অই' আৰু 'অউ' দ্বিস্বৰৰ প্ৰয়োগ হয়। 'অ'স্বৰক বাদ দি আনবোৰৰ গৌণৰূপৰ প্ৰয়োগ আছে। যেনে—

| **মুখ্যৰূপ** | **গৌণৰূপ** |
|---|---|
| আ | -া |
| ই | ি- |
| ঈ | -ী |

| | |
|---|---|
| উ | -ু |
| ঊ | -ূ |
| ঋ | -ৃ |
| এ | ে- |
| ঐ | ৈ- |
| ও | ো |
| ঔ | ৌ |

**ওড়িআ ভাষাৰ স্বৰধ্বনিঃ**

ওড়িআ ভাষাৰ স্বৰধ্বনি ৬টা। সেইবোৰ হ'ল ঃ অ, আ, ই, এ, উ আৰু ও। এই স্বৰধ্বনি কেইটাক তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি—

| | ওঁঠৰ আকৃতি অনুসৰি→ | বিবৃতৌষ্ঠ্য | | সংবৃতৌষ্ঠ্য |
|---|---|---|---|---|
| | জিভাৰ অংশ অনুসৰি→ | সন্মুখ | কেন্দ্ৰীয় | পশ্চ |
| জিভাৰ উচ্চতা অনুসৰি ↑ | উচ্চ | ই ( $i$ ) | | উ ( $u$ ) |
| | উচ্চমধ্য | এ ( $e$ ) | | ও ( $o$ ) |
| | নিম্নমধ্য | | | |
| | নিম্ন | | আ ( a ) | অ ( D ) |

**বৰ্ণনাঃ**

ই ($i$) ঃ সন্মুখ উচ্চ বিবৃতৌষ্ঠ্য স্বৰধ্বনি

এ ($e$) ঃ সন্মুখ উচ্চমধ্য বিবৃতৌষ্ঠ্য স্বৰধ্বনি

আ (a) ঃ কেন্দ্ৰীয় নিম্ন বিবৃতৌষ্ঠ্য স্বৰধ্বনি

Õ [D) ঃ পশ্চ নিম্ন সংবৃতৌষ্ঠ্য স্বৰধ্বনি


ও ($o$) ঃ পশ্চ উচ্চমধ্য সংবৃতৌষ্ঠ্য স্বৰধ্বনি

উ ($u$) ঃ পশ্চ উচ্চ সংবৃতৌষ্ঠ্য স্বৰধ্বনি

অসমীয়া আৰু বাংলা ভাষাৰ নিচিনাকৈ সংস্কৃতৰ ১১ স্বৰধ্বনি ওড়িআ ভাষাত ৰক্ষিত হোৱা নাই। উৰিয়াত মাত্ৰ ৬টা স্বৰধ্বনিহে ৰক্ষিত হৈছে। কিন্তু অসমীয়া বা বাংলা নিচিনাকৈ উৰিয়াতো সংস্কৃতৰ ১১টা আখৰে ব্যৱহাৰ হয়। কেৱল 'ঋ'ৰ উচ্চাৰণ ওড়িআত 'ৰু' নিচিনা হয়। উৰিয়া ভাষাতো স্বৰৰ হ্ৰস্ব আৰু দীৰ্ঘৰ পাৰ্থক্য নোহোৱা হৈছে। সেয়েহে ই, ঈ, উ ঊ -ৰ উচ্চাৰণত পাৰ্থক্য নাই। একেদৰে ঐ আৰু ঔ স্বৰ অই আৰু অউ দ্বিস্বৰত

পৰিণত হৈছে। ওড়িআ ভাষাতো ‘অ’ স্বৰৰ ব্যতিৰেকে অন্যস্বৰৰ গৌণ ৰূপ পোৱা যায়। যেনে—

| **মুখ্যৰূপ** | **গৌণৰূপ** | **ওড়িআ গৌণৰূপ** |
|---|---|---|
| আ | া | |
| ই | ি | |
| ঈ | ী | |
| উ | ু | |
| ঊ | ূ | |
| ঋ | ৃ | |
| এ | ে | |
| ঐ | ৈ | |
| ও | ো | |
| ঔ | ৌ | |



অসমীয়া, বাংলা আৰু ওড়িআত এই বিশিষ্ট স্বৰধ্বনিকেইটাক প্ৰতিনিধিত্ব কৰা আখৰবোৰ হ’ল —

| **আখৰ** | **অসমীয়া বিশিষ্ট স্বৰ** | **বাংলা বিশিষ্ট স্বৰ** | **ওড়িআ বিশিষ্ট স্বৰ** |
|---|---|---|---|
| ই ঈ | ই | ই | ই |
| উ ঊ | উ | উ | উ |
| এ | এ’ এ | এ’ এ | এ |
| ও | ও | ও | ও |
| অ | অ’ অ | অ | অ |
| আ | আ | আ | আ |

**আত্মমূল্যায়ন প্ৰশ্ন**

স্বৰধ্বনিৰ দিশত অসমীয়া বাংলা আৰু ওড়িআ ভাষাৰ কি কি অমিল দেখা যায়? (৩০টা মান শব্দৰ ভিতৰত উত্তৰ লিখাক)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

## ৪.৪ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ দ্বিস্বৰ

অসমীয়া ভাষাত মূল সংস্কৃতৰ পৰা অহা দুটা দ্বিস্বৰ আছে। সেই দুটা হৈছে - ঐ আৰু ঔ। কিন্তু এই স্বৰ দুটাই মূলৰ উচ্চাৰণ বৈশিষ্ট্য হেৰুৱাই পেলাইছে। অসমীয়াত এই দ্বিস্বৰ দুটা ক্ৰমে — অ'ই আৰু অ'উ- ৰ দৰে উচ্চাৰিত হয়। এনে ধৰণৰ স্বৰসংযুতি (vowel cluster) অসমীয়া ভাষাত দুকুৰিমান আছে (*অসমীয়া বৰ্ণ প্ৰকাশ*, পৃঃ ১৪৫-১৪৬)। কামৰূপী উপভাষাত দ্বিস্বৰৰ উপৰি ত্ৰিস্বৰৰ প্ৰয়োগো যথেষ্ট পৰিমাণে পোৱা যায়। অসমীয়া ভাষাত ব্যৱহৃত কেইটামান স্বৰসংযুতি এনেধৰণৰ —

| | | |
|---|---|---|
| ইএ | ঃ | সিএ 'সিয়ে' |
| ইআ | ঃ | বিআ 'বিয়া' |
| ইও | ঃ | সিও |
| ইউ | ঃ | জিউ |
| এ'ই | ঃ | ছেই |
| এআ | ঃ | সেআ 'সেয়া' |
| এও | ঃ | কেও |
| এউ | ঃ | নেউল |
| আই | ঃ | ভাই |
| আএ | ঃ | বাএক 'বায়েক' |
| আও | ঃ | ভাও |
| আউ | ঃ | লাউ |
| অএ | ঃ | হএ, হয় |
| অও | ঃ | লওঁ |
| অই | ঃ | নৈ |
| ওএ | ঃ | ধোএ 'ধোৱে' |
| ওআ | ঃ | লোআ 'লোৱা' |
| উই | ঃ | জুই |
| উআ | ঃ | বৰুআ 'বৰুৱা' ইত্যাদি। |

বাংলা ভাষাতো সংস্কৃত বৰ্ণমালাৰ পৰা আহৰিত ঐ আৰু ঔ - দ্বিস্বৰ দুটা পোৱা যায়। অসমীয়া ভাষাৰ দৰেই ইয়াৰো উচ্চাৰণ অই আৰু অউ -ৰ দৰে। এই দুটাৰ বাহিৰে বাংলা ভাষাটো কুৰিটাৰো অধিক স্বৰসংযুতি আছে। তলত কেইটামান উদাহৰণ দাঙি ধৰা হ'ল —

| | | |
|---|---|---|
| ইআ | ঃ | আসিয়া |
| এই | ঃ | নেই |
| এএ | ঃ | দেয়ে |
| আএ | ঃ | খায়ে |

| | | |
|---|---|---|
| আউ | ঃ | পাউ |
| অএ | ঃ | ছয়ে |
| ওউ | ঃ | বোউ |
| উই | ঃ | দুই |
| ইএ | ঃ | নিয়ে ইত্যাদি। |

ওড়িআ ভাষাত দ্বিস্বৰৰ প্ৰয়োগ নাই। কিন্তু বিভিন্ন স্বৰসংযুতিৰ ব্যৱহাৰ ওড়িআটো আছে। যেনে —

| | | |
|---|---|---|
| ইএ | ঃ | দিএ |
| ইও | ঃ | ৰেডিও |
| উএ | ঃ | উঁএ |
| ইঅ | ঃ | ঘিঅ |
| অই | ঃ | পইচা |
| আঅ | ঃ | খাঅ ইত্যাদি। |

### ৪.৫ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ অনুনাসিকতা

স্বৰধবনিৰ অনুনাসিকতা অসমীয়া ভাষাৰ এক প্ৰধান বিশেষত্ব। কাৰণ অনুনাসিকতা অনুসৰি অসমীয়াত শব্দৰ অৰ্থৰ তাৰতম্য ঘটে। অসমীয়া ভাষাত সকলো স্বৰধ্বনিকে অনুনাসিক কৰি উচ্চাৰণ কৰিব পাৰি। কেতিয়াবা **ম, ন, ঙ** পিছত বহিলেও পূৰ্বৱৰ্ত্তী স্বৰৰ নাসিক্য উচ্চাৰণ হয়। কেতিয়াবা কাষত থকা 'হ' ধ্বনিৰ কাৰণেও স্বৰে নাসিক্য গুণ লাভ কৰে। সাধাৰণতে স্বৰৰ ওপৰত চন্দ্ৰবিন্দু (ঁ) দি স্বৰৰ অনুনাসিকতা বুজোৱা হয়। চন্দ্ৰবিন্দুৰ কাৰণে শব্দৰ অৰ্থৰো পৰিবৰ্তন হয়। সেয়েহে অসমীয়াত চন্দ্ৰবিন্দুৰ বিশিষ্ট ধ্বনি বা বৰ্ণৰ মৰ্যাদা আছে। তলত চন্দ্ৰবিন্দুৰ কাৰণে অৰ্থৰ কেনেধৰণৰ পৰিবৰ্তন হয় দেখুওৱা হ'ল —

| **সাধাৰণ স্বৰযুক্ত** | **নাসিক্যীভৱন** | |
|---|---|---|
| কাহ | কাঁহ | |
| বাহ | বাঁহ | |
| বাও | বাঁও | |
| কেও | কেঁও | |
| অকা | অঁকা | ইত্যাদি। |

বাংলা ভাষাত 'অ' স্বৰধ্বনিটো কাচিৎহে অনুনাসিক হয়। অন্যান্য স্বৰসমূহ সাধাৰণতে অনুনাসিক হৈ উচ্চাৰণ হয়। অনুনাসিকতা বুজোৱা চন্দ্ৰবিন্দু (ঁ) শব্দৰ আদি অক্ষৰতহে ব্যৱহাৰ হয়। তলত নাসিক্যীভৱন হোৱা স্বৰধ্বনি কেইটিমানৰ উদাহৰণ দেখুওৱা হ'ল —

| | সাধাৰণ স্বৰযুক্ত | নাসিক্যীভৱন |
|---|---|---|
| ই | বিধি | বিঁধি |
| এ’ | বে’টা | বেঁটা |
| এ | খেদা | খেঁদা |
| আ | বা | বাঁ |
| ও | শোক | শোঁক |
| উ | কুড়ি | কুঁড়ি ইত্যাদি। |

ওড়িআ ভাষাত স্বৰধ্বনিৰ ক্ষেত্ৰত যি ছটা স্বৰধ্বনি আছে তাৰে ‘এ’ আৰু ‘ও’ৰ নাসিক্যীভৱন অতি সীমিতভাবেহে হয়। উদাহৰণ স্বৰূপে — পেএঁ, পোওঁ আদি শব্দলৈ আঙুলিয়াব পাৰি। এই দুটা স্বৰধ্বনিক বাদ দি বাকী স্বৰধ্বনিসমূহৰ নাসিক্যীভৱন সাধাৰণ ৰূপেই হয়। তলত উদাহৰণ কেতবোৰ উল্লেখ কৰা হ’ল —

| | সাধাৰণ স্বৰযুক্ত | নাসিক্যীভৱন |
|---|---|---|
| /ই/ | নই | নইঁ |
| /আ/ | না | নাঁ |
| /অ/ | ন | নঁ |
| | গা | গাঁআঁ |
| /অ/ | ন | নঁ |
| /উ/ | পৌষ | পাউঁচ ইত্যাদি। |

## ৪.৬ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনিৰ প্ৰয়োগ

**অসমীয়া ঃ**

অসমীয়া ভাষাৰ আঠোটা বিশিষ্ট স্বৰধ্বনিৰ ভিতৰত এ’ - ধ্বনিটোৰ শব্দৰ অন্ত্যস্থানত প্ৰয়োগ হোৱা দেখা নাযায়। তাৰ বাহিৰে আটাইকেইটা স্বৰধ্বনিৰ আদ্য, মধ্য, অন্ত্য অৱস্থানত প্ৰয়োগ দেখা যায়। তলত বিশিষ্ট স্বৰধ্বনিসমূহৰ আদ্য, মধ্য, অন্ত্য অৱস্থানত প্ৰয়োগৰ উদাহৰণ দেখুওৱা হ’ল —

| বিশিষ্ট ধ্বনি | আদ্য | মধ্য | অন্ত্য |
|---|---|---|---|
| /ই/ | ইটা | জিলা | সি |
| /উ/ | উৰহ | ফুল | গৰু |
| /এ’/ | এৰি | ৰেণু | — |
| /এ/ | এক | বেল | ঘঁহে |
| /আ/ | আম | ভাল | ৰজা |
| /অ/ | অসম | মত | কাছ |

| | | | |
|---|---|---|---|
| /অ'/ | অতুল | ল'ৰা | ক'ব' |
| /ও/ | ওল | নোমল | খেও |

**ৰাংলা ঃ**

বাংলা ভাষাৰ বিশিষ্ট স্বৰধ্বনিকেইটাৰ আদ্য, মধ্য, অন্ত্য অৱস্থানত প্ৰয়োগ দেখুওৱা হ'ল —

| বিশিষ্ট স্বৰধ্বনি | আদ্য | মধ্য | অন্ত্য |
|---|---|---|---|
| /ই/ | ইটা | দিশ | খেয়ালী |
| /এ'/ | একদা | ফেনিল | নাদে |
| /এ/ | এতো | বলেন | ছে |
| /আ/ | আমি | ৰাস | সাদা |
| /অ/ | অনল্ | জল | হ |
| /ও/ | ওৰ | খোল | নাদো |
| /উ/ | উট | সুখ | নাদু |

**উড়িয়া ঃ**

ওড়িআ ভাষাৰ বিশিষ্ট স্বৰধ্বনি হ'ল ছটা। এই ধ্বনিসমূহৰ আদ্য, মধ্য, অন্ত্য অৱস্থানত প্ৰয়োগ তলত দেখুওৱা হ'ল —

| বিশিষ্ট স্বৰধ্বনি | আদ্য | মধ্য | অন্ত্য |
|---|---|---|---|
| /ই/ | ইটা | খিল | আজি |
| /এ/ | এলা | খেল | কেতে |
| /আ/ | আঠ | খাল | ফটা |
| /অ/ | অটা | খল | কাস |
| /ও/ | ওঁঠ | খোল | মো |
| /উ/ | উঠ | কুল | আলু |

**আত্মমূল্যায়ন প্ৰশ্ন**

১) অসমীয়া আৰু বাংলা ভাষাৰ দ্বিস্বৰৰ মিল-অমিল বিচাৰ কৰক? (২৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................

.......................................................

.......................................................

.......................................................

২) অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত স্বৰধ্বনিবোৰৰ সকলো অৱস্থানতে প্ৰয়োগ পোৱা যায় নে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

...............................................................

...............................................................

...............................................................

## ৪.৭ সাৰাংশ (Summing Up)

সংস্কৃত ভাষাৰ স্বৰধ্বনিৰ বিপৰীতে অসমীয়া বাংলা আৰু ওড়িআ ভাষাত তাৰতম্য দেখা যায়। সংস্কৃতৰ ১১ স্বৰধ্বনিৰ বিপৰীতে অসমীয়াত ৮টা, বাংলাত ৭টা আৰু ওড়িআত ৬টা স্বৰধ্বনিৰহে উচ্চাৰণ পোৱা যায়। কিন্তু তিনিওটা ভাষাতে এই স্বৰধ্বনিসমূহ বুজাবলৈ সংস্কৃতৰ ১১টা আখৰে প্ৰয়োগ কৰা হয়। তিনিওটা ভাষাতে দ্বিস্বৰ আৰু অনুনাসিকতাৰ প্ৰয়োগ আছে। স্বৰৰ গৌণৰূপো তিনিওটা ভাষাতে পোৱা যায়। কেইটামান ধ্বনিক বাদ দি প্ৰায় সৰহসংখ্যক স্বৰধ্বনিৰে তিনিওটা অৱস্থানতে প্ৰয়োগ দেখা যায়।

## ৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত কি কি স্বৰধ্বনিৰ উচ্চাৰণগত প্ৰয়োগ দেখা যায়? অসমীয়া ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ আদ্য, মধ্য আৰু অন্ত্য প্ৰয়োগ দেখুৱাওক।

২। বাংলা আৰু ওড়িআ ভাষাৰ বিশিষ্ট স্বৰধ্বনিসমূহৰ শব্দৰ আদ্য, মধ্য আৰু অন্ত্যস্থানত প্ৰয়োগ দেখুৱাওক।

৩। স্বৰৰ অনুনাসিকতা কি? বাংলা, অসমীয়া আৰু ওড়িআ ভাষাৰ স্বৰৰ অনুনাসিকতা সম্পৰ্কে আলোচনা কৰক।

৪। অসমীয়া, বাংলা, আৰু ওড়িআ ভাষাত দ্বিস্বৰৰ প্ৰয়োগ সম্পৰ্কে এটি চমু আলোচনা আগবঢ়াওক।

## ১.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষা তুলনামূলক অধ্যয়ন*

Banikanta Kakati : *Assamese Its Formation and Development*

S. K. Chatterji : *The Orgin and Development of the Bengali Language*

K. Bhattacharjee : *Bengali-Oriya Verb Morphology : A Contrastive Study*

P. N. Dutta Baruah : *Descriptive Analysis of Assamese & Oriya Morphology*

* * *

## পঞ্চম বিভাগ

## অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনি

**বিভাগৰ গঠনঃ**


৫.১ ভূমিকা (Introduction)

৫.২ উদ্দেশ্য (Objectives)

৫.৩ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনি

৫.৩.১ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

৫.৩.২ বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

৫.৩.৩ ওড়িআ ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

৫.৪ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যৱহৃত আখৰ

৫.৫ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনিৰ প্ৰয়োগ বিচাৰ

৫.৬ সাৰাংশ (Summing Up)

৫.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

৫.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


### ৫.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনিৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত এই তিনিওটা ভাষাৰ ব্যঞ্জনধ্বনিৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

মগধীয় ভাষাগুচ্ছৰ তিনিটা প্ৰধান ভাষা অসমীয়া, বাংলা আৰু ওড়িআ স্বৰধ্বনিৰ লেখীয়াকৈ ব্যঞ্জনধ্বনিবোৰো সংস্কৃতৰ পৰাই আহিছে। কিন্তু সংস্কৃতৰ ব্যঞ্জনধ্বনিৰ সকলো ধ্বনি এই ভাষাবোৰত ৰক্ষিত হোৱা নাই। ৰক্ষিত হোৱাবোৰো কিছু পৰিমাণে পৰিৱৰ্তন হৈহে এই ভাষাবোৰত ব্যৱহাৰ হৈছে। তদুপৰি তিনিওটা ভাষাতে একে ধৰণে ধ্বনিবোৰ ৰক্ষিত হোৱা নাই অৰ্থাৎ ৰক্ষিত হোৱা ধ্বনিবোৰৰো সংখ্যাগত আৰু বৈশিষ্ট্যগত দিশত পাৰ্থক্য আছে। এই বিভাগটিত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনিৰ সকলোবোৰ দিশ বিচাৰ কৰা হ'ব।

### ৫.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনিৰ বিষয়ে জানিব পাৰিব,
- সংস্কৃতৰ ব্যঞ্জনধ্বনিবোৰ এই তিনিওটা ভাষাত কিদৰে পৰিৱৰ্তিত হৈছে সেই বিষয়ে বিচাৰ কৰিব পাৰিব,

- তিনিওটা ভাষাত ব্যৱহাৰ হোৱা ব্যঞ্জনধ্বনিৰ বাবে ব্যৱহাৰ কৰা আখৰবোৰৰ বিষয়ে জানিব পাৰিব,
- তিনিওটা ভাষাৰে ব্যঞ্জনধ্বনিৰ প্ৰয়োগ বিচাৰ কৰিব পাৰিব।

## ৫.৩ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনি

সংস্কৃতত বিশিষ্ট ব্যঞ্জনধ্বনি ৩৩ টা। সেই কেইটা হ'ল ঃ ক, খ, গ, ঘ, ঙ; চ, ছ, জ, ঝ, ঞ; ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন; প, ফ, ব, ভ, ম; য, ৰ, ল, ৱ; শ, ষ, স, হ। সংস্কৃতত প্ৰতিটো ধ্বনিয়েই বিশিষ্ট অৰ্থাৎ বৰ্ণ। ইয়াত উচ্চাৰিত ধ্বনি আৰু আখৰৰ মাজত কোনো পাৰ্থক্য নাই। এই বিশিষ্ট ধ্বনি কেইটাৰ উপৰি সংস্কৃতত আৰু কেইটামান ব্যঞ্জনধ্বনিৰ ব্যৱহাৰ দেখা যায়। সেই কেইটা হ'লঃ অনুস্বাৰ (ং), বিসৰ্গ (ঃ), চন্দ্ৰবিন্দু, ড়, ঢ়, ক্ষ আৰু ৎ। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত সংস্কৃতৰ আটাইবোৰ ধ্বনিয়ে ৰক্ষিত হোৱা নাই। কিন্তু আখৰ হিচাপে সংস্কৃতৰ সকলোবোৰ আখৰ এই ভাষা তিনিটাত ব্যৱহাৰ হৈছে। তলত এই তিনিওটা ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনি আৰু ব্যৱহৃত আখৰবোৰৰ আলোচনা দাঙি ধৰা হ'ল—

### ৫.৩.১ অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

সংস্কৃতৰ ৩৩ টা বিশিষ্ট ব্যঞ্জনধ্বনিৰ অসমীয়াত ২১ টা ৰক্ষিত হয়। সেইকেইটা হ'ল ক, খ, গ, ঘ, ঙ; ত, থ, দ, ধ, ন; প, ফ, ব, ভ, ম; চ, জ, স, হ, ৰ আৰু ল। এই কেইটাৰ উপৰি অসমীয়া ভাষাত ৱ আৰু য় —এই দুটা অৰ্ধ-ব্যঞ্জনৰ প্ৰয়োগ আছে। এই দুটাক ব্যঞ্জনধ্বনিৰ তালিকাত অন্তৰ্ভুক্ত কৰা হয়। আনহাতে অসমীয়া ভাষাত সংস্কৃতৰ সকলোবোৰ আখৰ ব্যৱহাৰ কৰা হয়। সংস্কৃতৰ 'য' ব্যঞ্জনৰ পৰা অসমীয়াত দুটা ব্যঞ্জন ওলাইছে য আৰু য়। সেয়েহে অসমীয়া ভাষাত মুঠ ৪১ টা আখৰৰ ব্যৱহাৰ পোৱা যায়। সেই কেইটা হ'ল ঃ ক, খ, গ, ঘ, ঙ; চ, ছ, জ, ঝ, ঞ; ট, ঠ, ড, ঢ, ণ, ত, থ, দ, ধ, ন; প, ফ, ব, ভ, ম; য, ৰ, ল, ৱ; শ, ষ, স, হ; ক্ষ, ড়, ঢ়, য়; ৎ, ং, ঃ আৰু ঁ।

সংস্কৃতৰ দন্ত্য, মুৰ্ধন্য আৰু তালব্য ধ্বনি অসমীয়া ভাষাত নোহোৱা হ'ল। কেৱল অৰ্ধব্যঞ্জন 'য়' হে তালব্য হিচাপে পোৱা যায়। সংস্কৃতৰ ত-বৰ্গ নোহোৱা হ'ল। দুয়োটাৰ পৰাই এটা নতুন বৰ্ণৰ ধ্বনি সাধিত হ'ল; সেয়া হ'ল দন্ত্যমূলীয় ট, ত-বৰ্গ। চ-বৰ্গ নোহোৱা হৈ কেৱল চ আৰু জ ধ্বনিহে অসমীয়া ভাষাত ৰক্ষিত থাকিল। সংস্কৃতৰ শিশ ধ্বনি শ, ষ, স, ৰ সলনি পশ্চতালব্য স (×) ধবনিৰ হৈ অসমীয়া ভাষাত ব্যৱহাৰ থাকিল। অসমীয়া ভাষাৰ এই ব্যঞ্জনধ্বনিবোৰক ধ্বনিৰ উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী তলত দিয়া ধৰণে তালিকা ভুক্ত কৰিব পাৰি—

### অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

| উচ্চাৰণৰ স্থান | | ঔষ্ঠ্য | | দন্তমূলীয় | | তালব্য | | কণ্ঠ বা পশ্চ তালব্য | | কণ্ঠ নালীয় | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ |
| স্পৃষ্ট | অল্পপ্ৰাণ | প | ব | ত | দ | | | ক | গ | | |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | | | খ | ঘ | | |
| নাসিক্য | | | ম | | ন | | | | ঙ | | |
| উষ্ম | | | | চ | জ | | | | স (×) | | হ |
| পাৰ্শ্বিক | | | | | ল | | | | | | |
| তাড়িত | | | | | ৰ | | | | | | |
| অৰ্ধ-ব্যঞ্জন | | | ৱ | | | | য় | | | | |

### ৫.৩.২ বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

সংস্কৃতৰ ৩৩ টা ব্যঞ্জন বিশিষ্ট ব্যঞ্জনধ্বনিৰ বাংলাত মাত্ৰ ২৭ টা হে ৰক্ষিত থাকিল। সংস্কৃতৰ ৫ টা বৰ্গৰ প্ৰথম ৪ টা ধ্বনি বাংলাত সম্পূৰ্ণৰূপে ৰক্ষিত থাকে। ৫ম ধ্বনি কেইটাৰ মাত্ৰ ৩ টা ধ্বনিহে বাংলাত ৰক্ষিত হয়। তাৰো 'ন' ধ্বনি দন্তমূলীয় ধ্বনি হিচাপেহে প্ৰয়োগ হয়। বাকী ম আৰু ঙ ধ্বনি সংস্কৃতৰ নিচিনাকৈ ৰক্ষিত থাকে। সংস্কৃতৰ অৰ্ধস্বৰ ৱ য় -এই দুটা বাংলাত ৰক্ষিত নহ'ল। 'ৱ'ৰ প্ৰয়োগ 'ব'ৰ নিচিনা হ'ল উচ্চাৰণ 'ওয়'ৰ দৰে। সংস্কৃতৰ শিশ ধ্বনি তিনিটাৰ বাংলাত কেৱল দন্তমূলীয় তালব্য 'শ' ধ্বনিৰহে ব্যৱহাৰ থাকিল।

বাংলা ভাষাৰ ব্যঞ্জনধ্বনিবোৰক তলত দিয়া ধৰণে তালিকাভুক্ত কৰিব পাৰি—

### বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

| | | দ্বৌষ্ঠ্য | দন্ত্য | দন্তমূলীয় | মূৰ্দ্ধন্য | দন্তমূলীয় তালব্য | কণ্ঠ | কণ্ঠনলীয় |
|---|---|---|---|---|---|---|---|---|
| স্পৰ্শ | অল্পপ্ৰাণ | প ব | ত দ | | ট ড | | ক গ | |
| | মহাপ্ৰাণ | ফ ভ | থ ধ | | ঠ ঢ | ছ ঝ | খ ঘ | |
| | ঘৃষ্ট | | | | | চ জ | | |
| উষ্ম | | | | | | শ | | হ |
| নাসিক্য | | ম | | ন | | | ঙ | |
| কম্পিত | | | | ৰ | | | | |
| পাৰ্শ্বিক | | | | ল | | | | |

### ৫.৩.৩ ওড়িআ ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি

ওড়িআ ভাষাত মূল বিশিষ্ট ব্যঞ্জনধ্বনি ২৯টা। সেইবোৰ হ'ল ঃ ক, খ, গ, ঘ, ঙ; চ, ছ, জ, ঝ; ট, ঠ, দ, ধ, ণ, ত, থ, দ, ধ, ন; প, ফ, ব, ভ, ম; স, হ, ৰ, ল, আৰু <u>ল</u>। দুটা অৰ্ধব্যঞ্জন ৱ আৰু য় -ৰ ব্যৱহাৰো ওড়িআ ভাষাত আছে। সেয়েহে ওড়িআ ভাষাত সৰ্বমুঠ ৩১টা ব্যঞ্জন ধ্বনিক তালিকাভুক্ত কৰা হয়।

সংস্কৃতৰ ৫টা বৰ্গীয় ধ্বনিৰ প -বৰ্গ, ট -বৰ্গ আৰু ক -বৰ্গ সম্পূৰ্ণৰূপে ওড়িআ ভাষাত ৰক্ষিত হৈছে। ত -বৰ্গৰ প্ৰথম চাৰিটা ধ্বনি একেৰূপত ৰক্ষিত হৈছে কিন্তু পঞ্চম ধ্বনি 'ন' দন্তমূলীয় ৰূপ পাইছে। একেদৰে চ -বৰ্গৰ প্ৰথম চাৰিটা ধ্বনি সংস্কৃতৰ একেৰূপত ৰক্ষিত হৈছে কিন্তু পঞ্চম ধ্বনি ঞ ৰক্ষিত হোৱা নাই। শিশ্ ধ্বনি তিনিটাৰ একমাত্ৰ দন্তমূলীয় ৰূপটো 'স' হে পোৱা যায়। সংস্কৃতৰ 'ল' ধ্বনিৰ ওড়িআত দুটা ৰূপ পোৱা যায় দন্তমূলীয় 'ল' আৰু মুৰ্ধন্য '<u>ল</u>'।

ওড়িআৰ বিশিষ্ট ব্যঞ্জনধ্বনিৰ তালিকাখন আমি তলত দিয়াধৰণে তালিকাভুক্ত কৰিব পাৰো—

**ওড়িআ ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি**

| উচ্চাৰণৰ স্থান | | দ্বৌষ্ঠ্য | | দন্ত্য | | দন্তমূলীয় | | মূৰ্ধন্য | | তালব্য | | কণ্ঠ্য | | কণ্ঠনালীয় | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ |
| স্পৃষ্ট | অল্পপ্ৰাণ | প | ব | ত | দ | | | ট | ড | চ | জ | ক | গ | | |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | | | ঠ | ঢ | ছ | ঝ | খ | ঘ | | |
| নাসিক্য | | | ম | | | | ন (n) | | ণ (N) | | | | ঙ | | |
| উষ্ম | | | | | | | স (s) | | | | | | | | হ |
| পাৰ্শ্বিক | | | | | | | ল (l) | | <u>ল</u> (L) | | | | | | |
| তাড়িত | | | | | | | ৰ | | | | | | | | |
| অৰ্ধব্যঞ্জন | | ৱ | | | | | | | | য় | | | | | |

### ৫.৪ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ব্যৱহৃত আখৰ (ব্যঞ্জন)

**অসমীয়া ভাষাৰ আখৰঃ**

আগতে উল্লেখ কৰি অহা হৈছে যে অসমীয়া ভাষাত সংস্কৃতৰ সকলোবোৰ আখৰ ব্যৱহাৰ হয়। সংস্কৃতৰ 'য' অখৰটো অসমীয়াত দুটা ৰূপত ব্যৱহাৰ হয়— য আৰু য়। সেয়েহে অসমীয়া ভাষাত ব্যৱহাৰ হোৱা মুঠ আখৰ হ'ল ৪১ টা। তলত এই আখৰবোৰ উল্লেখ কৰা হ'ল—

| | | | | |
|---|---|---|---|---|
| ক | খ | গ | ঘ | ঙ |
| চ | ছ | জ | ঝ | ঞ |
| ট | ঠ | ড | ঢ | ণ |
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| য | ৰ | ল | ৱ | |
| শ | ষ | স | হ | |
| ক্ষ | ড় | ঢ় | য় | |
| ৎ | ং | ঃ | ঁ | |

**বাংলা ভাষাৰ আখৰঃ**

বাংলা ভাষাত সংস্কৃতৰ ৩৮ টা আখৰৰ ব্যৱহাৰ পোৱা যায়। কোনো কোনোৱে ব আখৰৰ দুটা ৰূপ ব্যৱহাৰ কৰে। তাকে ধৰিলে বাংলা ভাষাত ব্যৱহাৰ হোৱা আখৰ ৩৯ টা। সংস্কৃতৰ ক্ষ আৰু ৎ আখৰ দুটাৰ বাংলাত প্ৰয়োগ নহয়। ৱ আখৰটোত বাংলাত নাই। বাংলা ভাষাত ব্যৱহাৰ হোৱা আখৰবোৰ এনেধৰণৰ—

| | | | | |
|---|---|---|---|---|
| ক | খ | গ | ঘ | ঙ |
| চ | ছ | জ | ঝ | ঞ |
| ট | ঠ | ড | ঢ | ণ |
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| য | ৰ | ল | [ব] | |
| শ | ষ | স | হ | |
| ড় | ঢ় | য় | | |
| ং | ঃ | ঁ | | |

**ওড়িআ ভাষাৰ আখৰঃ**

ওড়িআ ভাষাত ব্যৱহাৰ হোৱা ব্যঞ্জনধ্বনিৰ আখৰ ৩৯ টা। সংস্কৃতৰ ড়, ঢ় আৰু ৎ আখৰ তিনিটাৰ ওড়িআত প্ৰয়োগ নাই। আনহাতে সংস্কৃতৰ ‘ল’ৰ দুটা ৰূপ ওড়িআত পোৱা যায়। ল আৰু <u>ল</u> একেদৰে সংস্কৃতৰ ‘য’ৰ দুটা ৰূপো ওড়িআ ভাষাত আছে য আৰু অৰ্ধব্যঞ্জন য়। ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনিৰ আখৰবোৰ তলত দিয়া ধৰণৰ—

| | | | | |
|---|---|---|---|---|
| ক | খ | গ | ঘ | ঙ |
| চ | ছ | জ | ঝ | ঞ |
| ট | ঠ | ড | ঢ | ণ |

| | | | | |
|---|---|---|---|---|
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| য | ৰ | ল | ৱ | <u>ল</u> |
| শ | ষ | স | হ | ক্ষ |
| য় | ং | ঃ | ঁ | |

**আত্মমূল্যায়ন প্ৰশ্ন**

১। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত ব্যৱহাৰ হোৱা ব্যঞ্জনধ্বনিৰ আখৰবোৰ কি কি অমিল পোৱা যায়? (৪০টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)।

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

২। তিনিওটা ভাষাৰ শিশ্ ধ্বনিৰ প্ৰয়োগ বিচাৰ কৰক? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................................................

.....................................................................................................

.....................................................................................................

.....................................................................................................

### ৫.৫ ব্যঞ্জনধ্বনিৰ প্ৰয়োগ

**অসমীয়া ঃ**

ওপৰত উল্লেখ কৰা হৈছে যে— অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি হ'ল তেইশটা। ইয়াৰে 'ঙ', 'ৰ', আৰু 'য়' ধ্বনিৰ সাধাৰণতে আদ্যস্থানত প্ৰয়োগ দেখা নাযায়। তলত বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহৰ আদ্য, মধ্য আৰু অন্ত্য প্ৰয়োগ দেখুওৱা হ'ল —

| **বিশিষ্ট ধ্বনি** | **আদ্য** | **মধ্য** | **অন্ত্য** |
|---|---|---|---|
| /ক/ | কল | বুকু | ভোক |
| /খ/ | খক | মাখন | মুখ |
| /গ/ | গুবৰুৱা | আগলি | অপাৰগ |
| /ঘ/ | ঘুমটি | বিঘিনি | মাঘ |
| /ঙ/ | — | ৰঙালী | খঙ্ |

| | | | |
|---|---|---|---|
| /ত/ | তিল | অতিথি | গীত |
| /থ/ | থুৰীয়া | পথিক | ৰথ |
| /দ/ | দুখ | ভদৰী | ৰ'দ |
| /ধ/ | ধৰণী | গধুৰ | অৱৰোধ |
| /ন/ | নানান | সনাতন | মান |
| /প/ | পকা | কপাল | সাপ |
| /ফ/ | ফুল | সফল | জিৰাফ |
| /ব/ | বাবৰি | আবুৰ | চাহাব |
| /ভ/ | ভকত | গাভৰু | সুলভ |
| /ম/ | মামা | সমীৰণ | ধুমধাম |
| /চ/ | চকু | আচাৰ | সংকোচ |
| /জ/ | জীয়াৰী | ৰজা | বনজ |
| /স/ | সত্য | অসম | সুবাস |
| /হ/ | হাঁহি | অহৰহ | মাহ |
| /ল/ | লাভ | মালা | আমোল |
| /ৰ/ | ৰামায়ণ | আৰাম | ময়ূৰ |
| /ৱ/ | – | ব্যৱহাৰ | পাৱ |
| /য়/ | – | বায়ন | বিদায় |

**বাংলা ঃ**

বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনিসমূহৰ ভিতৰত 'ঙ' ধ্বনিৰ আদ্য প্ৰয়োগ দেখা নাযায়। তলত বাংলা ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিসমূহৰ শব্দৰ আদ্য, মধ্য, আৰু অন্ত্যস্থানত প্ৰয়োগ দেখুওৱা হ'ল —

| **বিশিষ্ট ধ্বনি** | **আদ্য** | **মধ্য** | **অন্ত্য** |
|---|---|---|---|
| /ক/ | কমন | সকল | কটক |
| /খ/ | খোকা | কখন | লাখ |
| /গ/ | গগন | লগন | দাগ |
| /ঘ/ | ঘৰ | ঘাঘু | বাঘ |
| /ঙ/ | – | সঙ | বাঙালী |
| /ত/ | তমসা | মতন | — |
| /থ/ | থাম | কথক | পথ |
| /দ/ | দমন | কদম | মদ |
| /ধ/ | ধান | বিধান | বধ |
| /ন/ | নাম | টনক | মন |

| | | | |
|---|---|---|---|
| /ট/ | টাকা | ফটক | চটপট |
| /ঠ/ | ঠিকানা | পৈঠা | কাঠ |
| /ড/ | ডমৰু | আড্ডা | — |
| /ঢ/ | ঢাক | বৰ্ণাঢ্য | — |
| /চ/ | চল | কাচা | কাচ |
| /ছ/ | ছন্দ | বিছানা | কাছ |
| /জ/ | জল | তেজাল | লেজ |
| /ঝ/ | ঝিনুক | ঝন্‌ঝন্ | মাঝ |
| /প/ | পল | আপন | বিলাপ |
| /ফ/ | ফল | সাফাই | লাফ্ |
| /ব/ | বিকেল | অবশ | ডাব |
| /ভ/ | ভয় | কভু | লাভ |
| /ম/ | মাস | সমাবেশ | নাম |
| /শ/ | শেফালি | কৌশল | কাশ |
| /হ/ | হনন | নীহাৰিকা | দেহ |
| /ৰ/ | ৰণ | বৰণ | বাজাৰ |
| /ল/ | লালিমা | কলম | ছল |

**ওড়িআ ঃ**

ওড়িআ ভাষাৰ বিশিষ্ট ব্যঞ্জনধ্বনি হ'ল ৩১ টা। ইয়াৰ 'ঙ', 'ণ', 'ল', 'ৰ' আৰু 'য়' ধ্বনিৰ শব্দৰ আদ্য অৱস্থানত প্ৰয়োগ নহয় কেৱল মধ্য অৱস্থানত এই চাৰিটা প্ৰয়োগ হয়। তাৰ বাহিৰে বাকীবোৰ ধ্বনিৰ আদ্য আৰু মধ্য প্ৰয়োগ দেখা যায়। মনকৰিবলগীয়া যে, ওড়িআ ভাষাৰ সকলো শব্দই স্বৰান্ত। সেয়েহে ইয়াত ব্যঞ্জনৰ অন্ত্য প্ৰয়োগ দেখা নাযায়। তলত ওড়িআ ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ প্ৰয়োগ দেখুওৱা হ'ল —

| **বিশিষ্ট ধ্বনি** | **আদ্য** | **মধ্য** |
|---|---|---|
| /ক/ | কমলা | সকল |
| /খ/ | খণ্ডা | আখি |
| /গ/ | গছ | বাগ |
| /ঘ/ | ঘৰ | অঘৰী |
| /ঙ/ | — | মঙল |
| /প/ | পইড় | বিপদ |
| /ফ/ | ফল | চফা |
| /ব/ | বিলুআ | জীব |
| /ভ/ | ভটা | জিভা |

| | | |
|---|---|---|
| /ম/ | মাছ | কমলা |
| /ত/ | তালি | বতক |
| /থ/ | থালি | পথিক |
| /দ/ | দৰিদ্ৰ | গদা |
| /ধ/ | ধৰণী | অধম |
| /ট/ | টকা | কটক |
| /ঠ/ | ঠক | কাঠুৰিআ |
| /ড/ | ডাল | পড়িব |
| /ঢ/ | ঢম | পঢ়িব |
| /ণ/ | — | কণা |
| /চ/ | চক | নাচি |
| /ছ/ | ছতা | মাছি |
| /জ/ | জট | আজি |
| /ঝ/ | ঝগড়া | মাঝি |
| /স/ | সকুৰী | চাস |
| /হ/ | হৰ্ষ | মহত |
| /ৰ/ | ৰথ | ধৰণী |
| /ল/ | লঙল | বিলুআ |
| /ল়/ | – | কমল়া |
| /ৱ/ | — | চৰা |
| /য়/ | — | বয়স |
| /ন/ | নাক | জনক |

**আত্মমূল্যায়ন প্ৰশ্ন**

অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কি কি ব্যঞ্জনধ্বনিৰ আদ্য অৱস্থানত প্ৰয়োগ দেখা নাযায়?

..................................................

..................................................

..................................................

## ৫.৬ সাৰাংশ (Summing Up)

সংস্কৃতৰ ব্যঞ্জন ধ্বনিবিলাক নব্য ভাৰতীয় আৰ্য ভাষাত পূৰ্ণৰূপত ৰক্ষিত হোৱা নাই। একেদৰে মগধীয় ভাষাগুচ্ছৰ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাতো এই

ব্যঞ্জনধ্বনিবোৰ একেদৰে ৰক্ষিত হোৱা নাই। কেতবোৰ একেধৰণে ৰক্ষিত হৈছে, কেতবোৰ পৰিৱৰ্তিত ৰূপ ৰক্ষিত হৈছে আৰু কেতবোৰ সম্পূৰ্ণৰূপে বাদ পৰিছে। সংস্কৃতৰ ৩৩ টা ব্যঞ্জনধ্বনিৰ বিপৰীতে অসমীয়াত ২৩ টা, বাংলাত ২৭ টা আৰু ওড়িআত ৩১ টা ব্যঞ্জন ধ্বনিৰ উচ্চাৰণ পোৱা যায়। এই ধ্বনিবোৰ সূচিত কৰাৰ বাবে সংস্কৃতৰ অধিকাংশ আখৰে এই ভাষা তিনিটাত ব্যৱহাৰ আছে। অসমীয়া ভাষাত সৰ্বমুঠ ৪১ টাস বাংলাত ৩৮ টা আৰু ওড়িআত ৩৯ টা আখৰৰ ব্যৱহাৰ আছে। তিনিওটা ভাষাতে কেইটামান ধ্বনিক বাদ দি অধিকাংশ ধ্বনিৰে শব্দৰ সকলো স্থানতে প্ৰয়োগ হয়।

## ৫.৭ আৰ্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া ভাষাৰ ব্যঞ্জনধ্বনিৰ লগত বাংলা বা ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনিৰ এটি তুলনামুলক আলোচনা দাঙি ধৰক।

২। সংস্কৃত ভাষাৰ পৰা ব্যঞ্জনধ্বনিৰ দিশত অসমীয়া, বাংলা আৰু ওড়িআ ভাষা কেনেদৰে পৰিবৰ্তিত হৈছে ব্যাখ্যা কৰক।

৩। অসমীয়া বাংলা আৰু ওড়িআ ভাষাৰ ব্যঞ্জনধ্বনিবোৰৰ প্ৰয়োগ বিচাৰ কৰক।

৪। অসমীয়া ভাষাৰ ব্যঞ্জন বৰ্ণমালাত কিমানটা আখৰ পোৱা যায়? ইয়াৰ ভিতৰত কি কি ব্যঞ্জনৰ উচ্চাৰণগত প্ৰয়োগ আছে? অসমীয়া ভাষাৰ বিশিষ্ট ব্যঞ্জনসমূহৰ আদ্য, মধ্য আৰু অন্ত্য প্ৰয়োগ দেখুৱাওক।

৫। উড়িয়া ভাষাত ব্যঞ্জন কেইটা? এই ভাষাৰ বিশিষ্ট ব্যঞ্জনসমূহৰ আদ্য আৰু মধ্য প্ৰয়োগ সম্পৰ্কে আলোচনা কৰক।

## ৫.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষা তুলনামূলক অধ্যয়ন*

Banikanta Kakati : *Assamese Its Formation and Development*

S. K. Chatterji : *The Orgin and Development of the Bengali Language*

K. Bhattacharjee : *Bengali-Oriya Verb Morphology : A Contrastive Study*

P. N. Dutta Baruah : *Descriptive Analysis of Assamese & Oriya Morphology*


*****

# চতুৰ্থ খণ্ড ঃ
# মগধীয় ভাষাৰ ধ্বনিতত্ত্ব

| | | |
|---|---|---|
| প্ৰথম বিভাগ | ঃ | অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বঃ সৰ্বনাম, বিশেষণ, বচন আৰু লিংগ |
| দ্বিতীয় বিভাগ | ঃ | অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্ব ঃ কাৰক আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয় |
| তৃতীয় বিভাগ | ঃ | অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্ব ঃ ক্ৰিয়াপদ |
| চতুৰ্থ বিভাগ | ঃ | মগধীয় ভাষাসমূহৰ পাৰস্পৰিক সম্পৰ্কৰ বিচাৰ |

## প্ৰথম বিভাগ

# অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বঃ সৰ্বনাম, বিশেষণ, বচন আৰু লিংগ

**বিভাগৰ গঠনঃ**


১.১ ভূমিকা (Introduction)

১.২ উদ্দেশ্য (Objectives)

১.৩ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সৰ্বনাম

১.৩.১ অসমীয়া ভাষাৰ সৰ্বনাম

১.৩.২ বাংলা ভাষাৰ সৰ্বনাম

১.৩.৩ ওড়িআ ভাষাৰ সৰ্বনাম

১.৪ বিশেষণ পদ

১.৪.১ অসমীয়া ভাষাৰ বিশেষণ

১.৪.২ বাংলা ভাষাৰ বিশেষণ

১.৪.৩ ওড়িআ ভাষাৰ বিশেষণ

১.৫ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বচন

১.৫.১ অসমীয়া ভাষাৰ বচন

১.৫.২ বাংলা ভাষাৰ বচন

১.৫.৩ ওড়িআ ভাষাৰ বচন

১.৬ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ লিংগ

১.৬.১ অসমীয়া ভাষাৰ লিংগ

১.৬.২ বাংলা ভাষাৰ লিংগ

১.৬.৩ ওড়িআ ভাষাৰ লিংগ

১.৭ সাৰাংশ (Summing Up)

১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১.৯ প্ৰসংগ গ্ৰন্থ (References and Suggested Readings)


## ১.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী দ্বিতীয় খণ্ডৰ চতুৰ্থ আৰু পঞ্চম বিভাগ দুটিত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ধ্বনিতত্ত্বৰ বিষয়ে আলোচনা আগবঢ়াই অহা হৈছে। এই বিভাগটিত এই ভাষা তিনিটাৰ ৰূপতত্ত্বৰ কেইটামান উল্লেখযোগ্য দিশ সৰ্বনাম, বিশেষণ, বচন আৰু লিংগৰ বিষয়ে পৰ্যালোচনা কৰাৰ প্ৰয়াস কৰা হ'ব।

সংস্কৃতৰ পৰা মাগধী প্ৰাকৃতৰ পৰা গঢ় লোৱা আসমীয়া, বাংলা আৰু ওড়িআ— এই ভাষা তিনিটাৰ ৰূপতত্ত্বৰ দিশত ভালেমান সাদৃশ্য তথা বৈসাদৃশ্য চকুত পৰে। সৰ্বনাম,

বিশেষণ, বচন, লিংগ আদিৰ ক্ষেত্ৰতো একেধৰণৰ বৈশিষ্ট্য পৰিলক্ষিত হয়। ৰূপতত্ত্বৰ এই উপাদানকেইটাৰ ক্ষেত্ৰত ভাষা তিনিটাত ভালেমান বৈশিষ্ট্য মূল সংস্কৃত ভাষাৰ পৰা আহৰিত। সংস্কৃতৰ পৰা আহৰিত বৈশিষ্ট্যবোৰৰ ক্ষেত্ৰত ভাষা তিনিটাৰ সাদৃশ্য দেখা যায়। আনহাতে কেতবোৰ বৈশিষ্ট্য অনা সংস্কৃত ভাষাৰ পৰা আহৰিত। এই ক্ষেত্ৰত ভাষা তিনিটাৰ বৈসাদৃশ্য পৰিলক্ষিত হয়। এই বিভাগটিত তিনিওটা ভাষাৰে সৰ্বনাম, বিশেষণ, বচন আৰু লিংগৰ বিষয়ে চমুকৈ আলোচনা দাঙি ধৰাৰ চেষ্টা কৰা হ'ব।

## ১.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সৰ্বনামৰ বিষয়ে জানিব পাৰিব;
- তিনিওটা ভাষাৰে বিশেষণৰ লগত পৰিচিত হ'ব পাৰিব;
- তিনিওটা ভাষাৰে বচন সম্পৰ্কে ব্যাখ্যা আগবঢ়াব পাৰিব;
- তিনিওটা ভাষাৰ লিংগ বিচাৰ কৰিব পাৰিব।

## ১.৩ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সৰ্বনাম

সৰ্বনামবোৰ নামপদৰে এটা ভাগ। বিশেষ্যৰ সলনি ব্যৱহাৰ হোৱা পদবোৰে সৰ্ব। সৰ্ব অৰ্থাৎ সকলো নামৰ সলনি ব্যৱহাৰ হয় বাবে ইয়াক সৰ্বনাম বোলা হয়। বিশেষ্যৰ লগত সৰ্বনামৰ ভালেমান সাদৃশ্য পৰিলক্ষিত হয়। কিন্তু প্ৰায়োগিক দিশত সৰ্বনামবোৰৰ কিছুমান নিজস্ব বৈশিষ্ট্য আছে। যেনে—

(১) সৰ্বনামৰ তিনিটা পুৰুষ থাকে— প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ।

(২) দ্বিতীয় আৰু তৃতীয় পুৰুষত সৰ্বনামৰ তুচ্ছাৰ্থক, মান্যাৰ্থক আৰু অধিক মান্যাৰ্থক ৰূপ পোৱা যায়।

(৩) কিছুমান সৰ্বনামৰ একবচন আৰু বহুবচনৰ ৰূপ সুকীয়া হয়।

(৪) সৰ্বনামবোৰ কৰ্মকাৰকত ব্যৱহাৰ হ'লে শূন্য বিভক্তি অৰ্থাৎ বিভক্তিহীন হ'ব নোৱাৰে।

(৫) ব্যক্তিবাচক সৰ্বনামত পোনপটীয়াকৈ নিৰ্দিষ্টবাচক প্ৰত্যয় লগ নালাগে।

(৬) প্ৰায়বোৰ সৰ্বনামৰে দুটা ৰূপ পোৱা যায় — প্ৰত্যক্ষ আৰু পৰোক্ষ। পৰোক্ষ ৰূপটোক তিৰ্থক ৰূপো বোলে। যেনে— অসমীয়া ভাষাৰ—

| **প্ৰত্যক্ষৰূপ** | **পৰোক্ষৰূপ** |
|---|---|
| মই | মো- |
| তই | তো- |
| তুমি | তোমা- |
| সি | তা- ইত্যাদি। |

### ১.৩.১ অসমীয়া ভাষাৰ সৰ্বনাম

অসমীয়া ভাষাৰ সৰ্বনামবোৰক সাধাৰণতে এনেদৰে ভাগ কৰিব পাৰি—

(ক) ব্যক্তিবাচক সৰ্বনাম বা পুৰুষবাচক সৰ্বনাম

(খ) সাকল্যবাচক সৰ্বনাম

(গ) নিৰ্দেশবোধক সৰ্বনাম

(ঘ) সম্বন্ধ বা সঙ্গতিবাচক সৰ্বনাম

(ঙ) অনিশ্চয় বা অনিৰ্দিষ্টতাবাচক সৰ্বনাম

(চ) আত্মবাচক সৰ্বনাম

**ব্যক্তিবাচক সৰ্বনাম বা পুৰুষবাচক সৰ্বনামঃ**

যিবোৰ সৰ্বনামে ব্যক্তি অৰ্থাৎ মানুহ বা প্ৰাণীক বুজায়, সেয়াই ব্যক্তিবাচক সৰ্বনাম। যেনে— মই, আমি, তুমি, তই, আপুনি, সি, তাই, তেখেত, এখেত, তেওঁ আদি।

পুৰুষ অনুযায়ী এই সৰ্বনামবোৰক তিনিটা ভাগত ভগাব পাৰি—

**প্ৰথম পুৰুষ ঃ** মই, আমি

**দ্বিতীয় পুৰুষ ঃ** তই, তুমি, আপুনি

**তৃতীয় পুৰুষ ঃ** সি, তাই, তেওঁ, এখেত, তেখেত ইত্যাদি।

**সাকল্যবাচক সৰ্বনাম ঃ**

সকলো, সমূহ বা সমষ্টি বুজাবলৈ ব্যৱহাৰ হোৱা সৰ্বনামক সাকল্যবাচক সৰ্বনাম বোলে। যেনে— সকলো, সমূহ, আটাই, গোটেই, সব, সদৌ, উভয় ইত্যাদি।

**নিৰ্দেশবোধক সৰ্বনাম ঃ**

এই সৰ্বনামবোৰে ওচৰত বা দূৰত থকা কোনো প্ৰাণী বা বস্তুক নিৰ্দেশ কৰে। দূৰত্ব বুজোৱা অনুসৰি ইয়াৰ ভাগ দুটা— প্ৰত্যক্ষ বা নিকটস্থ নিৰ্দেশক আৰু পৰোক্ষ বা দূৰস্থ নিৰ্দেশক। যেনে—

| **নিকটস্থ** | **দূৰস্থ** |
|---|---|
| ই, এওঁ, এই, এখেত এইটো | সেই, তেওঁ, সেইয়া, সেই, সৌৱা |
| এইয়া, ইহঁতে, এওঁলোকে, | সেইটো, তেওঁলোক, তেখেত, সি, |
| এইবোৰ, ইত্যাদি। | তাই ইত্যাদি। |

**সম্বন্ধ বা সঙ্গতিবাচক সৰ্বনাম ঃ**

বাক্যত বহি আন নাম পদৰ লগত সম্বন্ধ বা সঙ্গতি বুজোৱা সৰ্বনামবোৰে সঙ্গতিবাচক সৰ্বনাম। অসমীয়া ভাষাত দুটা এনে সৰ্বনাম পোৱা যায়। যেনে— যি আৰু যিহ।

**অনিশ্চয় বা অনিৰ্দিষ্টতাবাচক সৰ্বনাম ঃ**

অনিশ্চিত বা অনিৰ্দিষ্ট কোনো বস্তুৰ সলনি ব্যৱহাৰ হোৱা সৰ্বনামে অনিৰ্দিষ্টবাচক সৰ্বনাম। যেনে— একো, কেও/কেৰ, কোনো, কোনোবা।

**আত্মবাচক সৰ্বনাম ঃ** নিজকে বুজোৱা সৰ্বনামবোৰেই আত্মবাচক সৰ্বনাম। যেনে— নিজ, স্বয়ং, আপোনা/আপুনি।

## ১.৩.২ বাংলা ভাষাৰ সৰ্বনাম

বাংলা ভাষাৰ সৰ্বনামবোৰক এনেদৰে শ্ৰেণীবিভাজন কৰি আলোচনা কৰিব পাৰি—

(ক) পুৰুষবাচক সৰ্বনাম
(খ) নির্দেশক সর্বনাম
(গ) সম্বন্ধবাচক সৰ্বনাম
(ঘ) প্ৰশ্নবাচক সৰ্বনাম
(ঙ) অনির্দিষ্টবাচক সৰ্বনাম
(চ) সৰ্বনাম নিজবাচক

### (ক) পুৰুষবাচক সৰ্বনাম ঃ—

বাংলা ভাষাতো অসমীয়া ভাষাৰ দৰে পুৰুষবাচক সৰ্বনামবোৰৰ তিনিটা পুৰুষৰ প্ৰয়োগ আছে। প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। দ্বিতীয় পুৰুষত আকৌ তুচ্ছাৰ্থক, মান্যাৰ্থক আৰু অধিক মান্যাৰ্থক এই তিনিটা ৰূপ পোৱা যায়। এই সৰ্বনামবোৰৰ তিৰ্যকৰূপ আছে। তিৰ্যক ৰূপৰ পাছত শব্দ বিভক্তি লগ লাগে। বাংলা ভাষাৰ পুৰুষবাচক সৰ্বনামবোৰ এনেদৰে দেখুৱাব পাৰি—

| **পুৰুষ** | **একবচন** | **তিৰ্যকৰূপ** | **বহুবচন** |
|---|---|---|---|
| প্ৰথম পুৰুষ | আমি | আমা- | আম্‌ৰা |
| দ্বিতীয় পুৰুষ (তুচ্ছ) | তুই | — | তোৰা |
| (মান্য) | তুমি | তোমা- | তোম্‌ৰা |
| (অধিক মান্য) | আপ্‌নি | আপ্‌না- | আপ্‌নাদেৰ |

### (খ) নিৰ্দেশক সৰ্বনাম ঃ—

বাংলা ভাষাতো নিৰ্দেশক সৰ্বনামক দুটা ভাগত ভগাব পাৰি— সামীপ্যবাচক আৰু দূৰত্ববাচক। যেনে—

| | | |
|---|---|---|
| **সামীপ্যবাচক ঃ** | **একবচন ঃ** | এই, এইটা |
| | **বহুবচন ঃ** | এসব, এগুলি, এইসব, এইগুলি |
| **দূৰত্ববাচক ঃ** | **একবচন ঃ** | উনি, উহা, ও (ই) |
| | **বহুবচন ঃ** | ওনাৰা, উহাৰা, ওঁৰা, ওগুলি |

**(গ) সম্বন্ধবাচক সৰ্বনাম ঃ—**

| | |
|---|---|
| **একবচন ঃ** | যাহা, যিনি |
| **বহুবচন ঃ** | যাহাৰা, যাদিক |

**(ঘ) প্ৰশ্নবাচক সৰ্বনাম ঃ—**

| | |
|---|---|
| **একবচন ঃ** | কেউ, কি, কেহঁ |
| **বহুবচন ঃ** | কাহাৰা, কিসব |

**(ঙ) অনিৰ্দিষ্টবাচক সৰ্বনাম ঃ—**

বাংলা ভাষাৰ অনিৰ্দিষ্টবাচক সৰ্বনাম হ'ল— কেহো, কিছু

**(চ) নিজবাচক সৰ্বনাম ঃ—**

| | |
|---|---|
| **একবচন ঃ** | নিজ, আপ্‌নি |
| **বহুবচন ঃ** | নিজ নিজ |

### ১.৩.৩ ওড়িআ ভাষাৰ সৰ্বনাম

অসমীয়া আৰু বাংলা ভাষাৰ নিচিনাকৈ ওড়িআ ভাষাতো সৰ্বনামবোৰক তলত দিয়া ধৰণে বিভাজন কৰি আলোচনা কৰা হয়। যেনে—

(ক) পুৰুষবাচক সৰ্বনাম

(খ) নিৰ্দেশক সৰ্বনাম

(গ) প্ৰশ্নবাচক সৰ্বনাম

(ঘ) সম্বন্ধবাচক সৰ্বনাম

(ঙ) অনিৰ্দিষ্টবাচক সৰ্বনাম

(চ) নিজবাচক সৰ্বনাম

**(ক) পুৰুষবাচক সৰ্বনামঃ—**

ওড়িআ ভাষাতো পুৰুষবাচক সৰ্বনামৰ তিনিটা পুৰুষৰ প্ৰয়োগ আছে। প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। দ্বিতীয় পুৰুষৰ এই তুচ্ছাৰ্থক, মান্যাৰ্থক আৰু অধিক মান্যাৰ্থক ৰূপ আছে। একেদৰে এই সৰ্বনামবোৰৰ তিৰ্যক ৰূপৰ ব্যৱহাৰো পোৱা যায়।

এই সৰ্বনামবোৰ এনেদৰে দেখুৱাব পাৰি—

| পুৰুষ | একবচন | তিৰ্যকৰূপ | বহুবচন | তিৰ্যকৰূপ |
|---|---|---|---|---|
| প্ৰথম পুৰুষ | মুঁ | মো- | আমে, আম্ভেমানে | আম |
| দ্বিতীয় পুৰুষ (তুচ্ছ) | তু | তো- | তুমে | |
| (মান্য) | তুমে | তুম- | তোম্হেমানে তমেমানে | |
| (অধিক মান্য) | আপণ | আপন- | আপণমানে | |
| তৃতীয় পুৰুষ | সে | তা- | সে মানে | |

**(খ) নিৰ্দেশক সৰ্বনামঃ—**

ওড়িয়া ভাষাৰ নিৰ্দেশক সৰ্বনামবোৰকো দুটা ভাগত ভাগ কৰিব পাৰি— সামীপ্যবাচক সৰ্বনাম আৰু দূৰত্ববাচক সৰ্বনাম। তলত এইবোৰ উল্লেখ কৰা হ'ল—

**সামীপ্যবাচক সৰ্বনাম ঃ** **একবচন ঃ** ইএ, এই, এইটো, এহা

**বহুবচন ঃ** এমানে, এইমানে, এইসবু, এইগুড়িক

**দূৰত্ববাচক সৰ্বনাম ঃ** **একবচন ঃ** সেইটো, সেই

**বহুবচন ঃ** সেইগুড়িক, সেইসবু, সেইমানে

**(গ) প্ৰশ্নবাচক সৰ্বনামঃ—**

**একবচন ঃ** কিত, কণ

**বহুবচন ঃ** কেউগুড়িক, কেউমানে, কণকণ, কণসবু

**(ঘ) সম্বন্ধবাচক সৰ্বনামঃ—**

**একবচন ঃ** যেউ

**বহুবচন ঃ** যেউঁমানে

**(ঙ) অনিৰ্দিষ্টবাচক সৰ্বনামঃ—**

**একবচন ঃ** কেহি, কিছি

**বহুবচন ঃ** কেহি

**(চ) নিজবাচক সৰ্বনামঃ—**

**একবচন ঃ** আপন, নিজে

**বহুবচন ঃ** নিজে নিজে

**আত্মমূল্যায়ন প্ৰশ্নঃ**

(১) অসমীয়া আৰু বাংলা সৰ্বনামৰ কি কি বৈসাদৃশ্য দেখা যায়? (৪০ টা শব্দৰ ভিতৰত লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

(২) অসমীয়া আৰু ওড়িআ ভাষাৰ সৰ্বনামৰ সাদৃশ্য আছেনে? (৫০ টা শব্দৰ ভিতৰত লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

## ১.৪ বিশেষণ পদ

যি পদে আন পদৰ বিষয়ে বিশেষকৈ বুজায়, গুণ দোষ, আকাৰ আকৃতি আদি প্ৰকাশ কৰে, তেনে পদকে বিশেষণ পদ বুলি কোৱা হয়। বিশেষণ শব্দবোৰ সাধাৰণ বিশেষণ ৰূপে ব্যৱহাৰ হ'লে ইহঁতৰ লগত কোনো প্ৰত্যয় বিভক্তি যোগ নহয় অৰ্থাৎ ইহঁতৰ ৰূপৰ সলনি নহয়। যেনে— ভাল লৰা, ডাঙৰ ঘৰ, ওখ গছ ইত্যাদি। কিন্তু কেতিয়াবা বিশেষ্যৰ নিচিনাকৈ কেতবোৰ বিশেষণ পদতো বচন, লিঙ্গবাচক প্ৰত্যয়, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, শব্দবিভক্তি আদি লগ লাগে। তেতিয়া এই শব্দবোৰৰ ব্যৱহাৰ নামপদৰ দৰে হয়। যেনে— ভালৰ ভাল, ভাললৈ আশা, বুধিয়কৰ কাম, বেয়াবোৰ, ডাঙৰ জনী ইত্যাদি।

বাক্যত বিশেষণৰ স্থান আৰু আনপদৰ লগত থকা সম্পৰ্কৰ দিশলৈ চাই বিশেষণক মূলতঃ চাৰিটা ভাগত ভগাব পাৰি—

(১) বিশেষ্যৰ বিশেষণ
(২) সৰ্বনামৰ বিশেষণ
(৩) বিশেষণৰ বিশেষণ বা বিশেষণীয় বিশেষ
(৪) ক্ৰিয়া বিশেষণ

### ১.৪.১ অসমীয়া ভাষাৰ বিশেষণ

অসমীয়া ভাষাৰ বিশেষণবোৰকো চাৰিটা ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি— বিশেষ্যৰ বিশেষণ, সৰ্বনামৰ বিশেষণ, বিশেষণৰ বিশেষণ বা বিশেষণীয় বিশেষ আৰু ক্ৰিয়া বিশেষণ।

(১) **বিশেষ্যৰ বিশেষণ ঃ** বিশেষ্যৰ আগত বহি গুণ-দোষ, অৱস্থা, পৰিমাণ, উপাদান, সংখ্যা আদি বুজোৱা বিশেষণবোৰে বিশেষ্যৰ বিশেষণ। যেনে—

ৰঙা ফুল, গৰম পানী, দহজন লৰা, মাটিৰ কলহ, এমাইল বাট ইত্যাদি।

(২) **সৰ্বনামৰ বিশেষণ ঃ** সৰ্বনাম পদৰ গুণ-দোষ, অৱস্থাদি, বুজোৱা পদবোৰেই সৰ্বনামৰ বিশেষণ। এই বিশেষণ পদবোৰ সাধাৰণতে সৰ্বনামৰ পাছতহে বহে। যেনে—

তেওঁ ভাল ল'ৰা। তাই দুষ্ট ছোৱালী, ইত্যাদি।

কেতিয়াবা অৱশ্যে বিশেষ পৰিৱেশত সৰ্বনামৰ আগতো বিশেযনৰ প্ৰয়োগ হয়। যেনে—

দুষ্ট ল'ৰা, মহা ধুৰন্ধৰ তহঁত, মুৰ্খ আমি ইত্যাদি।

(৩) **বিশেষণৰ বিশেষণ ঃ** বাক্যত আন বিশেষণৰ আগত বহি যিবোৰ বিশেষণে বিশেষণৰ গুণ-দোষ, অৱস্থা আদি বুজায়, সেইবোৰেই বিশেষণৰ বিশেষণ। এনে বিশেষণে বিশেষ্য বা সৰ্বনামৰ বিশেষণৰো গুণ দোষ অৱস্থা আদি বুজায়। যেনে—

কিচকিচিয় ক'লা, ধকধকীয়া বগা, সি বৰ বেঙা, বৰ ভাল ল'ৰা ইত্যাদি।

(৪) **ক্ৰিয়া বিশেষণ ঃ** ক্ৰিয়া পদৰ গুণ-দোষ; অৱস্থাদি বুজোৱা বিশেষণে ক্ৰিয়া বিশেষণ। যেনে—

বেগাই যোৱা
খৰকৈ কৰা।
সোনকালে আহিবা। ইত্যাদি।

**বিশেষণৰ তুলনাঃ**

বিশেষণৰ গুণৰ মাত্ৰাৰ তাৰতম্য বুজাবলৈ বিশেষণৰ তুলনা কৰা হয়। দুটা বস্তু বা প্ৰাণীৰ মাজত এটা আনটোতকৈ ভাল বা বেয়া বুজাবলৈ অথবা দুটাতকৈ অধিক বস্তু বা প্ৰাণীৰ মাজত তুলনা কৰি আনবোৰতকৈ এটাক উৎকৃষ্ট বা অপকৃষ্ট (ভাল বা বেয়া) বুজাবলৈ বিশেষণৰ তুলনা কৰা হয়।

সংস্কৃতত দুটা বস্তুৰ মাজত তুলনা কৰিবলৈ -তৰ আৰু -ঈয়ম প্ৰত্যয় আৰু বহুতৰ মাজত তুলনা বুজাবলৈ -তম আৰু -ইষ্ঠ প্ৰত্যয়ৰ ব্যৱহাৰ হয়। অসমীয়া ভাষাতো বিশেষণৰ তুলনা বুজাবলৈ -তৰ, -তম আৰু -ইষ্ঠ প্ৰত্যয়ৰ প্ৰয়োগ আছে। যেনে—

| | | | |
|---|---|---|---|
| লঘু | লঘুতৰ | লঘুতম | লঘিষ্ঠ |
| গুৰু | গুৰুতৰ | গুৰুতম | গৰিষ্ঠ |
| বৃহৎ | বৃহত্তৰ | বৃহত্তম | |
| উচ্চ | উচ্চতৰ | উচ্চতম ইত্যাদি। | |

বিশেষণৰ তুলনা কৰিবলৈ অসমীয়া ভাষাত নিজস্ব উপায়ো অৱলম্বন কৰা হয়। এই ক্ষেত্ৰত প্ৰত্যয়ৰ ব্যৱহাৰ নাই। এই উপায়বোৰ এনেধৰণৰ—

(ক) দুটাৰ মাজত তুলনা বুজাবলৈ অধিকৰণৰ বিভক্তিৰ লগত '-কৈ' প্ৰত্যয় যোগ কৰা হয়। যেনে—

ৰামতকৈ হৰি ভাল।
গৰুতকৈ হাতী ডাঙৰ জন্তু।
মাকতকৈ জীয়েক কাজী।   ইত্যাদি।

(খ) কেতিয়াবা অধিকৰণৰ বিভক্তিৰ লগত '-কৈ' প্ৰত্যয় যোগ কৰাৰ ওপৰি বিশেষণৰ আগত নিচেই, কম, বহুত, অধিক, অত্যন্ত, বেছি, অলপ, ভালেখিনি, অনেক আদি বিশেষণ যোগ কৰা হয়। যেনে—

নবীনতকৈ প্ৰবীন বেছি ভাল।

শহাতকৈ হাতী বহুত ডাঙৰ।

গাধ ঘোঁৰাতকৈ অলপ সৰু।

ৰীতাতকৈ সীতা কম ধুনীয়া।   ইত্যাদি।

(গ) বহুতৰ মাজত তুলনা বুজাবলৈ আটাই, সকলো, ভিতৰত, মাজত আদি শব্দ ব্যৱহাৰ কৰা হয়। যেনে—

- **সকলো** নদীৰ ভিতৰত গংগা বেছি পৱিত্ৰ।
- সি **আটাইতকৈ** সৰু।
- **সকলোতকৈ** সি বুদ্ধিমান।
- সিঁহত কেইজনৰ **মাজত** যতীন বেছি ভাল।   ইত্যাদি।

### ১.৪.২ বাংলা ভাষাৰ বিশেষণ

বাংলা ভাষাৰ বিশেষণক তলত দিয়া ধৰণে বিভাজন কৰিব পাৰি—

(১) বিশেষ্যৰ বিশেষণ
(২) বিশেষণীয় বিশেষণ
(৩) ক্ৰিয়া বিশেষণ আৰু
(৪) সৰ্বনামীয় বিশেষণ

(১) **বিশেষ্যৰ বিশেষণ ঃ** বাংলা ভাষাৰ বিশেষ্যৰ বিশেষণবোৰক গুণবাচক, অৱস্থাবাচক, সংখ্যাবাচক, পৰিমাণবাচক, স্থানবাচক আদি ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি। কেতবোৰ উদাহৰণ—

**লাল** ফুল, **বুদ্ধিমতী** মেয়ে;

**ঠাণ্ডা** জল, **জীয়ল** মাছ

**কাৰো** মাস, সহস্ৰ মুদ্ৰা

**গভীৰ** জল, **মোটা** লোক

**পাটনাই** হলুদ, **কাশ্মীৰী** চাল

(২) **বিশেষণীয় বিশেষণ ঃ** বিশেষণীয় বিশেষণবোৰে নাম বিশেষণ বা ক্ৰিয়া বিশেষণৰ গুণ, অৱস্থা, প্ৰকাৰ আদি প্ৰকাশ কৰে। কেতবোৰ উদাহৰণ—

**টক টকে** লাল ৰক্ত, **ধকধকে** সাদা

(৩) **ক্ৰিয়া বিশেষণ ঃ** ক্ৰিয়া বিশেষণবোৰে ক্ৰিয়াৰ অৱস্থা প্ৰকাশ কৰে। যেনে—

তাড়া তাড়ি চলো, শীঘ্ৰে এসো।

(৪) **সৰ্বনামীয় বিশেষণ ঃ** সৰ্বনামীয় বিশেষণে সৰ্বনামৰ গুণ-দোষ, অৱস্থা আদি বুজায়। যেনে—

সে দিন, পাষাণ আমি

**বিশেষণৰ তুলনাঃ—**

অসমীয়া ভাষাৰ নিচিনাকৈ বাংলা ভাষাতো বিশেষণৰ তুলনা কৰিবলৈ সংস্কৃতৰ '-তৰ', '-তম', '-ইষ্ঠ' আদি প্ৰত্যয় যোগ কৰা হয়। যেনে—

| | | |
|---|---|---|
| গুৰু | গুৰুতৰ | গুৰুতম |
| প্ৰিয় | প্ৰিয়তৰ | প্ৰিয়তম |
| লঘু | লঘীয়ান | লঘিষ্ঠ |

দুটাৰ মাজত তুলনা বুজাবলৈ অপেক্ষা, চেয়ে, হতে, হৈতে, চাইতে, চাহিতে আদি প্ৰয়োগ কৰা হয়। যেনে—

ৰূপাৰ চেয়ে সোণা দামী।

দিল্লী অপেক্ষাই কলকাতাৰ জনসংখ্যা বেশী।

সুধা হতে সুধাময় দুগ্ধ তাৰ।

দুটাৰ মাজৰ তুলনাৰ ক্ষেত্ৰত তুলনাৰ অতিমাত্ৰা বুজাবলৈ বিশেষণৰ আগত অধিক, অনেক, অত্যন্ত, খুউব, অল্প আদি বিশেষণৰ ব্যৱহাৰ কৰা হয়। যেনে—

এই লেখাটি সবথেকে ভালো।

এই গছেৰ আম সবচেয়ে মিষ্টি।

এই ছেলেটি সবচাইতে দুষ্ট।

### ১.৪.৩ ওড়িআ ভাষাৰ বিশেষণ

অসমীয়া আৰু বাংলা ভাষাৰ নিচিনাকৈ ওড়িআ ভাষাৰ বিশেষণকো চাৰিটা ভাগত ভাগ কৰিব পাৰি। যেনে—

(১) বিশেষ্যৰ বিশেষণ
(২) বিশেষণীয় বিশেষণ
(৩) ক্রিয়া বিশেষণ আৰু
(৪) সৰ্বনামৰ বিশেষণ।

তলত এই বিশেষণবোৰৰ উদাহৰণ দাঙি ধৰা হ'ল—

(১) **বিশেষ্যৰ বিশেষণ ঃ** বিশেষ্যৰ গুণ, দোষ, পৰিমাণ আদি বুজোৱা বিশেষণ। উদাহৰণ— অবলা নাৰী, দুষ্ট পোঅ।

(২) **বিশেষণীয় বিশেষণ ঃ** বিশেষণৰ গুণ-দোষ, পৰিমাণ আদি বুজোৱা বিশেষণ। উদাহৰণ— বড় সুন্দৰ ঘৰ, বহুত বড় গচ্ছ।

(৩) **ক্রিয়া বিশেষণ ঃ** ক্রিয়াৰ গুণ দোষ বুজোৱা বিশেষণ। যেনে— শীঘ্ৰ চাল, চঞ্চল আস।

(৪) **সৰ্বনামৰ বিশেষণ ঃ** সৰ্বনামৰ গুণ-দোষ আদি বুজালে সেই বিশেষণক সৰ্মনামৰ বিশেষণ বোলে। যেনে— কত ব্যথা, আপন ভল (আপুনি ভাল), সে দুষ্ট (সি দুষ্ট)।

**বিশেষণৰ তুলনাঃ—**

অসমীয়া বাংলা ভাষাৰ নিচিনাকৈ ওড়িআ ভাষাতো সংস্কৃতৰ প্ৰত্যয়ৰ সংযোগত বিশেষণৰ তুলনা কৰা হয়। যেনে—

| | | |
|---|---|---|
| উচ্চ | উচ্চতৰ | উচ্চতম |
| গুৰু | গৰীয়ম | গৰিষ্ঠ |
| লঘু | লঘুতৰ | লঘিষ্ঠ |

সাধাৰণতে দুটাৰ মাজত তুলনা বুজাবলৈ ওড়িআ ভাষাত 'ঠাৰু' প্ৰত্যয় ব্যৱহাৰ কৰা হয়। যেনে—

ৰামঠাৰু হৰি মান (ৰামতকৈ হৰি সৰু)

সীতাঠাৰু গীতা সুন্দৰ (সীতাতকৈ গীতা ধুনীয়া)

বহুতৰ মাজত তুলনা বুজাবলৈ ওড়িআ ভাষাত 'সমস্ত', 'ভিতৰে' আদি শব্দ প্ৰয়োগ কৰা হয়। যেনে—

সমস্তঠাৰু ৰাম ভল (সকলোতকৈ ৰাম ভাল)

জন্তুমানক ভিতৰে হাতী বড় (জন্তুৰ ভিতৰত হাতী ডাঙৰ)

**আত্মমূল্যায়ন প্ৰশ্নঃ**

(১) বিশেষণৰ তুলনাৰ দিশত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কি কি সাদৃশ্য দেখা যায়? (৪০ টা শব্দৰ ভিতৰত লিখক)

..................................................................................................

..................................................................................................

..................................................................................................

## ১.৫ বচন

বচনে সংখ্যা বুজায়। অৰ্থাৎ যাৰ দ্বাৰা সংখ্যাৰ বোধ জন্মে তাকে বচন বুলি কোৱা হয়। সংস্কৃত ভাষাত বচন তিনি প্ৰকাৰৰ আছিল - একবচন, দ্বিবচন আৰু বহুবচন। কিন্তু সংস্কৃতৰ দ্বিবচন পালি-প্ৰাকৃত-অপভ্ৰংশ স্তৰতে লুপ্ত হ'ল। আধুনিক ভাৰতীয় আৰ্যভাষাবোৰত কেৱল একবচন আৰু বহুবচনহে ৰক্ষিত হ'লগৈ।

### ১.৫.১ অসমীয়া ভাষাৰ বচন ঃ

অসমীয়া ভাষাত বচন দুবিধ — একবচন আৰু বহুবচন। এই ভাষাত বচন ব্যাকৰণগত বিষয় নহয়। কৰ্তাৰ বচন অনুসৰি ই বাক্য গাঁথনিত প্ৰভাৱ বিস্তাৰ নকৰে। সংস্কৃত, হিন্দী আদি ভাষাত কৰ্তাৰ বচন অনুসৰি ক্ৰিয়াৰূপৰ পৰিৱৰ্তন হয়।

অসমীয়া ভাষাত এটাক বুজালে একবচন আৰু এটাতকৈ অধিকক বুজালে বহুবচন হয়। অসমীয়া ভাষাত একবচন বুজাবলৈ কোনো নিৰ্দিষ্ট প্ৰত্যয় নাই। একবচনাত্মক নিৰ্দিষ্টবাচক প্ৰত্যয়বোৰ যোগ কৰি একবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে — মানুহজন, বাঁহডাল, কিতাপখন। কেতিয়াবা এক শব্দৰ পিছত জন, টো আদি একবচনাত্মক ৰূপবোৰ যোগ দি একবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে — এজন মানুহ।

দুটাক বুজাওঁতে 'দুই' এই সংখ্যাবাচক শব্দৰ লগত নিৰ্দিষ্টবাচক -টা, -জন, -জনী আদি প্ৰত্যয় যোগ কৰা হয়। যেনে —

দুজন মানুহ

দুটা ল'ৰা

দুজনী ছোৱালী

এই ভাষাত একবচনৰ পৰা বহুবচন কৰাৰ নিয়মবোৰ হ'ল —

**(ক) বহুবচনাত্মক প্ৰত্যয় যোগ কৰি ঃ** সংজ্ঞা শব্দৰ পিছত -বোৰ, -বিলাক আৰু -হঁত বহুবচনাত্মক প্ৰত্যয় যোগ কৰি বহুবচন কৰা হয়। যেনে— মানুহবোৰ, গৰুবিলাক, ল'ৰাহঁত, ছোৱালীবিলাক।

**খ) সমষ্টিবাচক বা সমূহবাচক শব্দ যোগ কৰি ঃ** প্ৰাণী বাচক বা অপ্ৰাণী বাচক বিশেষ নামপদৰ পাছত সকল, সমাজ, বৃন্দ, গণ, মালা, গুচ্ছ, সোপা আদি সমষ্টিবাচক বা সমূহবাচক শব্দ যোগ কৰি বহুবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে— মহিলাসকল, সুধীবৃন্দ, দেৱগণ, গল্পগুচ্ছ, ভাতসোপা ইত্যাদি।

**গ) নিত্য বহুবচনাত্মক শব্দ প্ৰয়োগ কৰি ঃ** অসমীয়া ভাষাত থকা ৰাইজ শব্দ নিত্য বহুবচনাত্মক। ই অকলে বহুত মানুহৰ অৰ্থ প্ৰকাশ কৰে। এনেধৰণৰ আন এটা শব্দ হৈছে প্ৰজা।

**ঘ) বচন নিৰপেক্ষ ৰূপৰ প্ৰয়োগত ঃ** চিৰন্তনতা আৰু কেতিয়াবা সাধাৰণ ভাব প্ৰকাশ কৰা বচন নিৰপেক্ষ ৰূপ কিছুমানে বহুবচনৰ সৰ্গ নোলোৱাকৈ বহুবচনৰ অৰ্থ প্ৰকাশ কৰে। যেনে — **মানুহ** মৰে, **চৰায়ে** কণী পাৰে ইত্যাদি।

**ঙ) বহুত্ববাচক বিশেষণ প্ৰয়োগ কৰি ঃ** সংখ্যা বা পৰিমাণ বুজোৱা অনেক, অসংখ্য, অগণন, অজস্ৰ, ঢেৰ আদি বহুত্ববাচক বিশেষণ বচন নিৰপেক্ষ বিশেষ্যৰ আগত বা পাছত ব্যৱহাৰ কৰি বহুবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে — অনেক মানুহ, অসংখ্য মাছ, অজস্ৰ লোক, ঢেৰ কিতাপ ইত্যাদি।

**চ) সংখ্যাবাচক শব্দৰ পাছত নিৰ্দিষ্ট বাচক সৰ্গ যোগ কৰি ঃ** দুইৰ পৰা বিভিন্ন সংখ্যাবাচক শব্দৰ পাছত নিৰ্দিষ্টবাচক প্ৰত্যয় যোগ দি নামপদৰ আগত বা পাছত ব্যৱহাৰ কৰি বহুবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে — দুখন কিতাপ, চাৰিজন মানুহ ইত্যাদি।

**ছ) বিভিন্ন পদৰ পুনৰুক্তি কৰি ঃ** বিশেষ্য, বিশেষণ, সৰ্বনাম আৰু ক্ৰিয়া বিশেষণৰ পুনৰুক্তি কৰি বহুবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

ঘৰে ঘৰে, গছে গছে
পকা পকা, ডাঙৰ ডাঙৰ
যি যি, কোন কোন
ঘনে ঘনে, বাৰে বাৰে ইত্যাদি।

**১.৫.২ বাংলা ভাষাৰ বচন** ঃ

বাংলা ভাষাতো বচন দুবিধ — একবচন আৰু বহুবচন। অসমীয়া ভাষাৰ দৰেই বাংলাতো দ্বিবচন লুপ্ত হৈছে। দ্বিবচনৰ পৰিৱৰ্তে ইয়াৰ ৰূপ এনেধৰণৰ কৰা হ'ল —

দুই চকা, দুজন লোক, দুবেলা ইত্যাদি।

অসমীয়াৰ দৰে বাংলা ভাষাতো একবচন বুজোৱা কোনো প্ৰত্যয় নাই। এটা বুজোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয় -টা, -টি নামপদৰ পিছত যোগ দি সাধাৰণতে একবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

মানুষটা, ছেলেটি ইত্যাদি।

অসমীয়া ভাষাৰদৰেই কেতিয়াবা বিশেষ সংজ্ঞাবাচক বিশেষ্য অকলে ব্যৱহাৰ কৰিও একবচনৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

সুভদ্র চলে গেল

নামপদৰ আগত বা পিছত এটা বুজোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়যুক্ত 'এক' সংখ্যাবাচক শব্দ ব্যৱহাৰ কৰিও একবচন বুজোৱা হয়। যেনে —

একজন মানুষ বা মানুষ একজন

একবচনৰ পৰা বহুবচন কৰোতে বাংলা ভাষাত নামপদৰ পাছত -ৰা, -এৰা, -দিগ, -দিগেৰ, -দেৰ, -গুলি, -গুলা আদি বহুবচনাত্মক প্ৰত্যয় যোগ কৰা হয়। যেনে —

আমৰা, পণ্ডিতেৰা, বালকদিগকে, মেয়েগুলি ইত্যাদি।

সমূহবাচক শব্দ -গণ, -গুচ্ছ, -কুল, -দল, -ৰাজি, -সব, -বৃন্দ আদি বিশেষ্যৰ পাছত যোগ দিও বহুবচন বুজোৱা হয়। যেনে —

মনুষ্যগণ, কেশগুচ্ছ, অলিকুল, ফুলদল, পুষ্পৰাজি আদি।

অসমীয়াৰ দৰে বাংলা ভাষাতো দ্বিত্ব প্ৰয়োগৰ দ্বাৰাও বাংলাত বহুবচনৰ অৰ্থ বুজোৱা হয়। যেনে—

লাল লাল ফুল, ছোট ছোট লোক, জনে জনে ইত্যাদি।

### ১.৫.৩ ওড়িআ ভাষাৰ বচন ঃ

অসমীয়া আৰু বাংলা ভাষাৰ দৰেই ওড়িআ ভাষাতো বচন দুবিধ — একবচন আৰু বহুবচন। সংস্কৃতৰ দ্বিবচন ওড়িআ ভাষাতো লুপ্ত হ'ল। উড়িয়া ভাষাত 'দুই' -এই ৰূপটিৰ দ্বাৰাই সাধাৰণতে দুটা বুজোৱা হয়। যেনে —

দুইজন লোক

দুইটি পিলা

অসমীয়া আৰু বাংলাৰ দৰে ওড়িআ ভাষাতো একবচন বুজোৱা প্ৰত্যয় নাই। এটা বুজোৱা নিৰ্দিষ্টবাচক প্ৰত্যয় -টা, -টি, -গুটিএ নামপদৰ পাছত যোগ কৰি একবচন অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

মনিষটা, গুটিএ আম ইত্যাদি।

ওড়িআ ভাষাত একবচনৰ পৰা বহুবচন বুজোৱা প্ৰত্যয় হৈছে '-মানে'। বিশেষ্যৰ পিছত এই প্ৰত্যয় যোগ কৰি বহুবচন বুজোৱা হয়। যেনে —

পুৰুষমানে, মনিষমানে ইত্যাদি।

সমূহবাচক শব্দ -মণ্ডল, -ব্রুন্দ, -ৰাশি, -গুড়িক, -হেৰিক, -জাক, -সবু আদি যোগ দিও উড়িয়া ভাষাত বহুবচন বুজোৱা হয়। যেনে —

তাৰকামণ্ডল, ছাত্রব্রুন্দ, নক্ষত্ৰৰাশি,

ঘৰগুড়িক, বাপহেৰিক, পিলাজাক, গছসবু আদি।

অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো শব্দৰ দ্বিত্ব প্ৰয়োগৰ দ্বাৰা বহুবচনৰ ৰূপ কৰা হয়। যেনে —

বড় বড় পাহাৰ, গ্ৰামে গ্ৰামে আদি।

প্ৰত্যয় যোগ নকৰাকৈও উড়িয়া ভাষাত কেতিয়াবা বহুবচন বুজোৱা হয়। যেনে—

গাঈ পড়িআৰে চৰুছি আদি।

ওড়িআ ভাষাত বচন ব্যাকৰণগত বিষয়। কাৰণ ইয়াত একবচন আৰু বহুবচনৰ ক্ৰিয়াৰূপৰ মাজত পাৰ্থক্য আছে। উদাহৰণস্বৰূপে একবচনত 'মনিষ অছি' কিন্তু বহুবচনত 'মনিষমানে অচ্ছন্তি'। ইয়াত একবচনৰ 'অছি' ক্ৰিয়াপদটো বহুবচনত 'অচ্ছন্তি'লৈ ৰূপান্তৰিত হৈছে।

উল্লেখনীয় যে সমূহবাচক শব্দবোৰৰ ভিতৰত যিবোৰ সংস্কৃতমূলজ, সেইবোৰ তিনিওটা ভাষাতে একে। কিন্তু তিনিওটা ভাষাতে এনে কিছুমান প্ৰত্যয় আছে যিবোৰে ভাষা তিনিটাৰ স্বকীয়তা নিৰূপন কৰে।

**আত্মমূল্যায়ন প্ৰশ্ন**

বচন নিৰূপনৰ বাবে তিনিওটা ভাষাতে কি উমৈহতীয়া পদ্ধতি অৱলম্বন কৰা হয়? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................................

.......................................................................

.......................................................................

.......................................................................

.......................................................................

## ১.৬ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ লিংগ

### ১.৬.১ অসমীয়া ভাষাৰ লিংগ ঃ

অসমীয়া ভাষাৰ লিংগৰ ক্ষেত্ৰত সংস্কৃত ব্যাকৰণৰ আৰ্হিত তিনিটা লিংগৰ কথা কোৱা হৈছে ঃ পুংলিংগ, স্ত্ৰীলিংগ আৰু ক্লীবলিংগ। শব্দৰূপৰ ক্ষেত্ৰত পুংলিংগ আৰু ক্লীৱলিংগৰ মাজত পাৰ্থক্য দেখা নাযায়। সেইবাবে অসমীয়া ভাষাত প্ৰাণীবাচক শব্দৰ ক্ষেত্ৰতহে লিংগভেদ কৰা হয়। সেই পিনৰ পৰা অসমীয়া ভাষাত লিংগ দুবিধ — পুংলিগ আৰু স্ত্ৰীলিংগ। এই ভাষাত লিংগ বিচাৰ সম্পূৰ্ণৰূপে অৰ্থৰ ওপৰত নিৰ্ভৰ কৰে। আকৌ অসমীয়া ভাষাত লিংগ ব্যাকৰণগত নহয়; যদিও দুই এটা শব্দত লিংগই আংশিকভাৱে ব্যাকৰণগত ৰূপ লাভ কৰিছে।

অসমীয়া ভাষাত লিংগ নিৰ্ণয়ৰ প্ৰক্ৰিয়া কেইবাটাও। সেইকেইটা হ'ল —

১। ভিন ভিন পুৰুষ আৰু স্ত্ৰীবাচক শব্দ প্ৰয়োগ কৰি লিংগভেদ কৰা হয়। যেনে—

পিতৃ — মাতৃ

ককা — আইতা

দৰা — কইনা

দমৰা — চেঁউৰী ইত্যাদি

২। উভয়লিংগবাচক বা লিংগনিৰপেক্ষ শব্দৰ আগত 'মতা' আৰু 'মাইকী' শব্দ লগাই পুংলিগ আৰু স্ত্ৰীলিংগ ৰূপ কৰা হয়। যেনে —

মতা মানুহ — মাইকী মানুহ

মতা কুকুৰ — মাইকী কুকুৰা

মতা ছাগলী — মাইকী ছাগলী ইত্যাদি।

৩। লিংগ নিৰপেক্ষ বা উভয়লিংগবাচক শব্দৰ পাছত -টো, -জন, -জনী আদি প্ৰত্যয় যোগ কৰি লিংগভেদ কৰা হয়। যেনে—

মানুহজন — মানুহজনী

গৰুটো — গৰুজনী ইত্যাদি।

৪। বিভিন্ন পুংলিংগবাচক শব্দৰ পাছত স্ত্ৰীপ্ৰত্যয় প্ৰয়োগ কৰি অসমীয়া ভাষাত লিংগ নিৰ্ণয় কৰা হয়। অসমীয়া ভাষাত স্ত্ৰীপ্ৰত্যয় মূলতঃ তিনিটা ঃ -ঈ, -নী, আৰু -ৰী। -নী প্ৰত্যয়ৰ তিনিটা সম্প্ৰসাৰিত ৰূপ আছে। সেইকেইটা হ'ল ঃ -অনী, -উনী, আৰু -ইনী। -ৰী প্ৰত্যয়ৰো কেতিয়াবা তিনিটা সম্প্ৰসাৰিত ৰূপ দেখা যায়। সেইকেইটা হ'ল ঃ -এৰী, -অৰী আৰু -উৰা। স্ত্ৰীপ্ৰত্যয়ৰ সংযোগত পুংলিংগবাচক শব্দ স্ত্ৰীলিংগবাচক হোৱাৰ উদাহৰণ হ'ল —

ভালুক — ভালুকী

কলিতা — কলিতানী

ফুকন — ফুকননী

বাঘ — বাঘিনী

ডোম — ডুমুনী

কলা — কালৰী

ডেকা — ডেকেৰী ইত্যাদি।

আকৌ অসমীয়া ভাষাত এনে কেতবোৰ শব্দ আছে যিবোৰ শব্দ কেৱল পুৰুষবাচক শব্দ আৰু কেতবোৰ স্ত্ৰীবাচক শব্দ। যেনে —

পুৰুষবাচক ঃ ডঙুৰা, বৰলা, হালোৱা আদি।

স্ত্ৰীবাচক ঃ লাহতী, নামতী, ফুলতী, ৰোৱনী, দাৱনী, পোহাৰী, ৰচকী,
সধবা, আয়তী, বিধবা, ধাই আদি।

তদুপৰি অসমীয়া ভাষাত কিছুমান বিশেষ্য আৰু বিশেষণ শব্দত -আ, -আই আদি প্ৰত্যয় লগ লগাইও পুংলিংগবাচক শব্দ তৈয়াৰ কৰা হয়। যেনে — শাওনা, আঘোনা, মঘাই, ধনাই, ভদীয়া ইত্যাদি। আকৌ -আ প্ৰত্যয়ৰ সংযোগত স্ত্ৰীলিংগবাচক শব্দ প্ৰয়োগ কৰা হয়। যেনে — ৰহিমলা, ৰূপা আদি।

### ১.৬.২ বাংলা ভাষাৰ লিংগ ঃ

অসমীয়া ভাষাৰ দৰে বাংলা ভাষাতো পুংলিগ আৰু স্ত্ৰীলিংগ এই দুবিধ লিংগৰ কথাহে নিৰ্দেশ কৰা হয়। এই ভাষাত কেইবাটাও উপায়েৰে লিংগ নিৰ্ণয় কৰা হয়। সেইকেইটা হ'ল —

১। ভিন ভিন পুৰুষ আৰু স্ত্ৰীবাচক শব্দ প্ৰয়োগ কৰি। যেনে —

বাবা — মা

ভাই — বোন

জামাই — মেয়ে

ভূত — পেত্নি ইত্যাদি।

২। লিংগ নিৰপেক্ষ ৰূপৰ আগত 'মাদ্দা' আৰু 'মাদি' শব্দ প্ৰয়োগ কৰি। যেনে —

মাদ্দা — মাদি হাস

মাদি — মাদি ছাগল ইত্যাদি।

৩। বিভিন্ন স্ত্ৰীপ্ৰত্যয় সংযোগ কৰি পুংলিংগৰ পৰা স্ত্ৰীলিংগ হয়। সেই প্ৰত্যয়কেইটা হৈছে ঃ -ঈ, -নী, -অনী, -আনী, -ইনী, -উনী আদি। উদাহৰণস্বৰূপে —

কিশোৰ — কিশোৰী

গয়লা — গয়লানী

পাগল — পাগলিনী ইত্যাদি।

অসমীয়া ভাষাৰ দৰে বাংলা ভাষাতো বিশেষ্যৰ পিছত নিৰ্দ্দেশসূচক -টা, -টি, -জন যোগ হয়। যেনে —

মনুষ্যটা, ছেলেটি, পুৰুষজন আদি।

বাংলা ভাষাত অসমীয়া ভাষাৰ দৰেই কিছুমান শব্দৰ কেৱল স্ত্ৰীলিংগবাচক ৰূপহে পোৱা যায়। তেনে শব্দবোৰ হ'ল —

বিধবা, সজনী, ৰূপসী, অঙ্গনা, দাইনী আদি।

**১.৬.৩ ওড়িআ ভাষাৰ লিংগ ঃ**

অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো পুংলিগ আৰু ক্লীৱলিংগ একাকাৰ হৈ যোৱাত প্ৰধানকৈ পুংলিংগ আৰু স্ত্ৰীলিংগহে নিৰ্দ্দেশ কৰা হয়। উড়িয়া ভাষাত লিংগ ব্যাকৰণগত নহয়।

অসমীয়া আৰু বাংলা ভাষাৰ দৰেই এই ভাষাতো কেইবাটাও উপায়েৰে লিংগ নিৰ্ণয় কৰা হয়। সেইকেইটা হ'ল —

১। পুংলিংগবাচক আৰু স্ত্ৰীলিংগবাচক সুকীয়া সুকীয়া শব্দ ব্যৱহাৰ কৰি। যেনে —

বাপা — বউ

পোআ — ঝীঅ

ককা — খুৰী ইত্যাদি।

২। লিংগ নিৰপেক্ষ শব্দৰ আগত পুংলিংগবাচক 'অন্দিৰা' আৰু স্ত্ৰীলিংগবাচক 'মাই' শব্দ প্ৰয়োগ কৰি। যেনে —

অন্দিৰা কুকুৰ — মাই কুকুৰ

অন্দিৰা বিলুআ — মাই বিলুআ ইত্যাদি।

৩। -আ, -আনি, -ই, -ঈ, -নি, -নী, -উনী, -লী, -উলী আদি বিভিন্ন স্ত্ৰীপ্ৰত্যয় সংযোগ কৰি পুংলিংগৰ পৰা স্ত্ৰীলিংগ কৰা হয়। যেনে —

পাগল — পাগলী

পথৰীআ — পথৰীআনী

নাতি — নাতুনী

বগ — বগুলী ইত্যাদি।

ওড়িআ ভাষাত এনে কিছুমান শব্দ আছে যিবোৰ কেৱল স্ত্ৰীলিংগৰ ক্ষেত্ৰতহে প্ৰয়োগ হয়। তেনেবোৰ শব্দ হ'ল — সৌতুনী, বিধবা আদি। উড়িয়া ভাষাত প্ৰয়োগ হোৱা পুংলিংগবাচক শব্দ কেতবোৰ আছে যিবোৰৰ সমাৰ্থক শব্দ আন ভাষাত পোৱা নাযায়। উদাহৰণস্বৰূপে — হলুআ, ভেণ্ডিআ আদি।

**আত্মমূল্যায়ন প্ৰশ্ন**

লিংগ নিৰূপন কৰিবলৈ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত কি কি উমৈহতীয়া পদ্ধতি অৱলম্বন কৰা হয়? (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

......................................................

......................................................

......................................................

......................................................

## ১.৭ সাৰাংশ (Summing Up)

অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাত সৰ্বনাম আৰু বিশেষণৰ ক্ষেত্ৰত থকা সাদৃশ্য মনকৰিবলগীয়া। বিশেষণৰ তুলনাৰ ক্ষেত্ৰতো একেধৰণৰ পদ্ধতি অৱলম্বন কৰা দেখা যায়। সংস্কৃতৰ প্ৰত্যয়ৰ ব্যৱহাৰৰ ওপৰি প্ৰতিটো ভাষাৰ নিজস্ব পদ্ধতি এই ক্ষেত্ৰত একেধৰণৰ। একেদৰে বচন আৰু লিংগৰ ক্ষেত্ৰতো তিনিওটা ভাষাৰে সাদৃশ্য আছে। তিনিওটা ভাষাতে বচন দুবিধ আৰু বচন নিৰপেক্ষ ৰূপৰ পৰা বচন নিৰ্ণয় কৰা পদ্ধতিবোৰো একেধৰণৰ। লিংগৰ ক্ষেত্ৰত দেখা যায়। তিনিওটা ভাষাত পুংলিংগ আৰু স্ত্ৰীলিংগৰহে ব্যৱহাৰ আছে। লিংগ নিৰপেক্ষ ৰূপৰ পৰা পুংলিংগ বা স্ত্ৰীলিংগ নিৰ্ণয় কৰাৰ পদ্ধতিবোৰে সাদৃশ্য আছে।

## ১.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

(১) অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ সৰ্বনাম সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

(২) অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ বিশেষণৰ তুলনামূলকভাৱে বিচাৰ কৰি এটি প্ৰৱন্ধ লিখক।

(৩) বিশেষণৰ তুলনা মানে কি? অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাত বিশেষণৰ তুলনা বুজাবলৈ কি কি পদ্ধতি অৱলম্বন কৰা হয়।

(৪) বচন নিৰ্ণয় কৰিবলৈ অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাত কি কি পদ্ধতি নিৰ্দিষ্ট কৰা আছে। বিচাৰ কৰক।

(৫) অসমীয়া, বাংলা আৰু ওড়িয়া ভাষাৰ লিংগৰ এটি তুলনামূলক আলোচনা আগবঢ়াওক।

## ১.৯ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


লীলাৱতী শইকীয়া বৰা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*

দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষা তুলনামূলক অধ্যয়ন*

Banikanta Kakati : *Assamese : Its Formation and Development*

S. K. Chatterji : *The Orgin and Development of the Bengali*

K. Bhattacharjee : *Bengali-Oriya Verb Morphology : A Contrastive Study*

P. N. Dutta Baruah : *Descriptive Analysis of Assamese & Oriya Morphology*

Haripriya Mishra : *Historical Oriya Morphology*


*****

# দ্বিতীয় বিভাগ
# অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্ব ঃ কাৰক আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয়

**বিভাগৰ গঠনঃ**


২.১ ভূমিকা (Introduction)

২.২ উদ্দেশ্য (Summing Up)

২.৩ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক আৰু শব্দ বিভক্তি

২.৪ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়

২.৫ সাৰাংশ (Summing Up)

২.৬ আৰ্হি প্ৰশ্ন (Sample Questions)

২.৭ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


## ২.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্বৰ কেইটামান উল্লেখযোগ্য দিশ সৰ্বনাম, বিশেষণ, বচন আৰু লিংগ সম্পৰ্কে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত আসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক আৰু শব্দ বিভক্তিৰ লগতে নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বিষয়ে পৰ্যালোচনা কৰা হ'ব।

বাক্যৰ পদবোৰৰ ক্ৰিয়াৰ লগত যি সম্পৰ্ক সেয়াই হ'ল কাৰক। সেই কাৰকৰ বোধ সম্পৰ্কলৈ যিবিলাক বিভক্তি প্ৰয়োগ কৰা হয় সেয়াই হ'ল শব্দ বিভক্তি। নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰে কোনো বস্তুক নিৰ্দিষ্টকৈ বুজায়। এই বিভাগটিত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক আৰু শব্দবিভক্তি আৰু নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ বিষয়ে এটি তুলনামূলক আলোচনা দাঙি ধৰিবলৈ প্ৰয়াস কৰা হ'ব।

## ২.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব,
- তিনিওটা ভাষাৰ শব্দবিভক্তি বিচাৰ কৰিব পাৰিব,
- তিনিওটা ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় সম্পৰ্কে আলোচনা আগবঢ়াব পাৰিব।

## ২.৩ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক আৰু শব্দ বিভক্তি

ভাষাৰ ৰূপতত্ত্বৰ এটা অন্যতম দিশ হ'ল কাৰক। ক্ৰিয়াৰ লগত যাৰ সম্পৰ্ক নিৰ্ণিত হয় সিয়েই হৈছে কাৰক। বাক্য এটাত নাম শব্দই ক্ৰিয়াৰ লগত ভিন্ ভিন্ সম্বন্ধ

সূচনা কৰে, তাকেই কাৰক বুলি কোৱা হয় আৰু প্ৰতিটো শব্দৰ লগত সম্পৰ্ক স্থাপন হওঁতে সম্বন্ধটো যাৰ দ্বাৰা নিৰ্ণয় কৰা হয় তাকে শব্দ বিভক্তি বোলা হয়।

### ২.৩.১ অসমীয়া ভাষাত কাৰক আৰু শব্দবিভক্তি ঃ

অসমীয়া ভাষাত কাৰক ছবিধ। এই কেইবিধ হৈছে —

ক) কৰ্তা কাৰক

খ) কৰ্ম কাৰক

গ) কৰণ কাৰক

ঘ) নিমিও কাৰক

ঙ) অপাদান কাৰক

চ) অধিকৰণ কাৰক

সংস্কৃতৰ দৰে অসমীয়াতো সম্বন্ধপদক কাৰক বুলি ধৰা নহয়। কিন্তু শব্দবিভক্তিৰ যোগ হোৱাৰ কাৰণে সম্বন্ধপদকো কাৰকৰ ভিতৰতে ধৰি আলোচনা কৰা হয়।

অসমীয়া ভাষাত দুটা উপায়েৰে কাৰকৰ বোধ জন্মোৱা হয় — (ক) বিভক্তি যোগ কৰি আৰু (খ) পৰসৰ্গ যোগ কৰি। কেতিয়াবা ভিন ভিন শব্দৰ যোগতো দুই এটা কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। কাৰকৰ অৰ্থ প্ৰকাশ কৰা বিভক্তিবোৰক শব্দবিভক্তি বা কাৰক বিভক্তি বোলা হয়। অসমীয়া ভাষাত সম্বন্ধপদৰ বিভক্তিকে ধৰি শব্দবিভক্তি ছয় প্ৰকাৰৰ—

| | | |
|---|---|---|
| কৰ্তা | — | ১মা বিভক্তি |
| কৰ্ম | — | ২য়া বিভক্তি |
| কৰণ | — | ৩য়া বিভক্তি |
| নিমিত্ত কাৰক | — | ৪ৰ্থী বিভক্তি |
| সম্বন্ধপদ | — | ৬ষ্ঠী বিভক্তি |
| অধিকৰণ | — | ৭মী বিভক্তি |

মনকৰিবলগীয়া যে অসমীয়াত অপাদান কাৰকৰ কাৰণে কোনো নিৰ্দিষ্ট বিভক্তি নাই। ৬ষ্ঠী ‘-ৰ’ ৰ পিছত ‘পৰা’ পৰসৰ্গ ব্যৱহাৰ কৰি অপাদান কাৰক বুজোৱা হয়।

**কৰ্তা কাৰক ঃ** অসমীয়া ভাষাত কৰ্তা কাৰকত প্ৰথমা বিভক্তিৰ চিন -এ আৰু -ই লগ লাগে। সাধাৰণতে আকাৰন্ত শব্দত -ই বিভক্তি লগ লাগে। যেনে —

বাঘে গোজৰে

সীতাই ভাত খালে

বিশেষ অৰ্থত শূন্য বিভক্তিৰ প্ৰয়োগ কৰ্তা কাৰকৰ অন্যতম বৈশিষ্ট্য। যেনে —

মানুহ মৰণশীল

চৰাই উৰে

**কৰ্ম কাৰক ঃ** কৰ্ম কাৰকত দ্বিতীয়া বিভক্তি -ক/-অক লগ লাগে। স্বৰান্ত শব্দত -ক আৰু ব্যঞ্জনান্ত শব্দত -অক যোগ হয়। যেনে —

শিক্ষকে ছাত্ৰক মাতিছে

কৰ্ম কাৰকতো শূন্য বিভক্তিৰ প্ৰয়োগ হয়। যেনে—

মই কিতাপ পঢ়োঁ

**কৰণ কাৰক ঃ** অসমীয়া ভাষাত কৰণ কাৰকত তৃতীয়া -ৰে/-এৰে বিভক্তি লগ লাগে। আকৌ কেতিয়াবা ৬ষ্ঠী -ৰ বিভক্ত্যন্ত পদৰ পিছত -দ্বাৰা আদি প্ৰয়োগ কৰিও কৰণ কাৰক বুজোৱা হয়। যেনে —

দাৰে নাকাটিবা

কুঠাৰেৰে গছ কাটিলে

তেওঁৰদ্বাৰা কামটো কৰাবা

কেতিয়াবা প্ৰথমা -এ বিভক্তি আৰু -এ বিভক্ত্যন্ত পদৰ পাছত -দি যোগ দিও কৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়।

হাতে কটা সূতা

সেই বাটেদি নাযাবা

**নিমিত্ত কাৰক ঃ** অসমীয়া ভাষাত নিমিত্ত কাৰকৰ ক্ষেত্ৰত চতুৰ্থী বিভক্তি -লৈ ব্যৱহাৰ কৰা হয়। যেনে —

গৰুলৈ ঘাঁহ আনিবা

তেওঁ ঘৰলৈ গ'ল

**অপাদান কাৰক ঃ** অসমীয়া ভাষাত অপাদান কাৰক আছে কিন্তু পঞ্চমী বিভক্তিৰ প্ৰয়োগ নাই। ষষ্ঠী বিভক্তি -ৰ ৰ পাছত পৰসৰ্গ সংযোগ কৰি ইয়াৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

গছৰপৰা ফল সৰিছে।

**সম্বন্ধপদ ঃ** অসমীয়া ভাষাত সম্বন্ধপদৰ বিভক্তি হৈছে -ৰ। যেনে —

যদু মধুৰ ভায়েক

তেওঁ হীৰাৰ শিক্ষক

**অধিকৰণ কাৰক ঃ** অসমীয়া ভাষাত অধিকৰণ কাৰকত সপ্তমী বিভক্তি -ত, -অত লগ লাগে। কেতিয়াবা -এ বিভক্তিৰ যোগতো অধিকৰণৰ অৰ্থ প্ৰকাশ পায়। বিনা, বিনে, পাৰ্গত, নিপুণ আদি শব্দৰ যোগতো সপ্তমী বিভক্তি যোগ হয়। যেনে —

বনত বাঘ থাকে

বনে বনে কিয় ঘূৰি ফুৰিছে

বিনা মেঘে বজ্রপাত

হৰিত বিনে গতি নাই

**২.৩.২ বাংলা ভাষাৰ কাৰক আৰু শব্দ বিভক্তি ঃ**

অসমীয়া ভাষাৰ দৰে বাংলা ভাষাতো ছয় প্ৰকাৰৰ কাৰক পোৱা যায়। এইকেইবিধ হ'ল —

(ক) কৰ্তাকাৰক

(খ) কৰ্মকাৰক

(গ) কৰণ কাৰক

(ঘ) সম্প্ৰদান কাৰক

(ঙ) অপাদান কাৰক

(চ) অধিকৰণ কাৰক

এই ছটা কাৰকৰ অৰ্থ প্ৰকাশ কৰিবলৈ অসমীয়াৰ দৰে বিভক্তি হৈছে ছটা। অসমীয়াৰ দৰে বাংলা ভাষাতো অপাদান কাৰকৰ কাৰণে কোনো বিভক্তি নাই। পৰসৰ্গ যোগতহে অপাদান কাৰকৰ অৰ্থ প্ৰকাশ পায়। আনহাতে, সম্বন্ধপদ কাৰক নহয়। কিন্তু ইয়াত ৬ষ্ঠী বিভক্তি যোগ হয়। কাৰক অনুযায়ী বাংলা ভাষাৰ বিভক্তিবোৰ হ'ল —

| | | |
|---|---|---|
| কৰ্তা | — | ১মা বিভক্তি |
| কৰ্ম | — | ২য়া বিভক্তি |
| কৰণ | — | ৩য়া বিভক্তি |
| সম্প্ৰদান | — | ৪ৰ্থী বিভক্তি |
| সম্বন্ধ | — | ৬ষ্ঠী বিভক্তি |
| অধিকৰণ | — | ৭মী বিভক্তি |

**কৰ্তা কাৰক ঃ** কৰ্তা কাৰকত প্ৰথমা বিভক্তি -এ লগ লাগে। স্বৰান্ত শব্দত -এ, -য় লৈ ৰূপান্তৰিত হয়। যেনে —

চোৰে চুৰি কৰে

অজ্ঞতায় বিচ্ছিন্নতা আনে

কেতিয়াবা সপ্তমী -তে আৰু দ্বিতীয় -কে ৰ যোগতো কৰ্তা কাৰকৰ অৰ্থ প্ৰকাশ পায়। যেন —

গোৰু বা গোৰুতে লাঙ্গল টানে

তোমাকে এসব গুণতে হবে

বাংলা ভাষাতো কৰ্তা কাৰকত কেতিয়াবা শূন্য বিভক্তি যোগ হয়। যেনে —

ৰাম আৰু শ্যাম মুখ দেখা দেখি কৰে না

**কৰ্ম কাৰক ঃ** বাংলা ভাষাত কৰ্ম কাৰকত দ্বিতীয়া -কে বিভক্তি সংযোগ কৰা হয়। কেতিয়াবা -এ বিভক্তি সংযোগ কৰাৰ উপৰিও শূন্য বিভক্তিও লগ লগা দেখা যায়। যেনে —

আমি তাকে চিনি

কৃপা কৰো দীনজনে

বাঘ হৰিণ খায়

**কৰণ কাৰক ঃ** কৰণ কাৰকত তৃতীয়া -এ আৰু অধিকৰণৰ -তে আদি বিভক্তি সংযোগ হয়। কেতিয়াবা শূন্য বিভক্তিও সংযোগ হোৱা দেখা যায়। যেনে —

আকাশ মেঘে ঢাকা

ট্যাকিতে এলান

কেতিয়াবা দ্বাৰা আৰু দিয়া অনুপদৰ যোগতো কৰণ কাৰকৰ অৰ্থ প্ৰকাশ পায়। যেনে —

বুদ্ধিদ্বাৰা অসাধ্য সাধন কৰা যায়

লোকদিয়া কাজটা কৰা হ'ল

কেতিয়াবা শূন্য বিভক্তিৰো প্ৰয়োগ হয়। যেনে —

বেত মাৰিল

**সম্প্ৰদান কাৰক ঃ** এই ভাষাত সম্প্ৰদান কাৰকত নিমিত্ত বা সম্প্ৰদান অৰ্থত -এ আৰু -কে সংযোগ হয়। কেতিয়াবা শূন্য বিভক্তিও লগ লাগে। যেনে —

সৎপাত্ৰে কন্যাদান কৰন উচিত

দৰিদ্ৰকে অৰ্থদান কৰো

কেতিয়াবা তৰে, জন্য, নিমিত্ত শব্দৰ যোগতো উদ্দেশ্য-দ্যোতক সম্প্ৰদান কাৰকৰ অৰ্থ প্ৰকাশ পায়। যেনে —

আমাৰ জন্যে চিন্তা কৰেন না

মনকৰিবলগীয়া যে বাংলাত কৰণ আৰু সম্প্ৰদান কাৰক ৰূপগত ভাবে এক হৈ পৰিছে।

**অপাদান কাৰক ঃ** অপাদান কাৰকৰ কাৰণে নিৰ্দিষ্ট কোনো বিভক্তি নাই। সাধাৰণতে নাম পদৰ পিছত 'হইতে' আৰু 'থেকে' যোগ কৰি অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

সাৰিষা হইতে তৈল হয়

গাছ থেকে ফল পৰিল

কিন্তু তৃতীয়া আৰু সপ্তমী '-এ' বা '-তে' আৰু ষষ্ঠী '-ৰ', '-এৰ' বিভক্তিৰ যোগতো অপাদান কাৰক হয়। যেনে —

গুৰু মুখে শিক্ষা পাইয়াছ

খনিতে সোনা পাওয়া যায়

ৰাত্রিতে ঘৰেৰ বাহিৰ হয় না

**অধিকৰণ কাৰক ঃ** বাংলা ভাষাত কৰণ আৰু অধিকৰণ এক হৈ পৰিছে। কৰণৰ দৰে অধিকৰণৰ বিভক্তিও -এ আৰু -তে, -কে আদি বিভক্তি সংযোগ হয়। কেতিয়াবা শূন্য বিভক্তিও লগ লাগে। যেনে —

সমূদ্রে লৱন আছে

দিল্লীতে তুমি কাজ কৰতে?

কেতিয়াবা শূন্য বিভক্তিও যোগ হয়। যেনে —

ৰবিবাৰ স্কুল বন্ধ থাকে

**সম্বন্ধ পদ ঃ** বাংলা ভাষাত সম্বন্ধপদত ষষ্ঠী '-ৰ' বা '-এৰ' বিভক্তি লগ লাগে। কেতিয়াবা -কাৰ বিভক্তিও যোগ হয়। যেনে —

ছেলেৰ জামা

মামাৰ বাৰি

একেৰ বোজা দশেৰ লাঠি

কেতিয়াবা সম্বন্ধ বুজাবলৈ '-কাৰ' প্রত্যয় ব্যৱহাৰ হয়। যেনে —

আগেকাৰ মতন

কেতিয়াবা শূন্য বিভক্তিৰ যোগতো সম্বন্ধ পদৰ অৰ্থ প্রকাশ পায়। তেতিয়া শব্দ দুটা সমাসৰ দৰে লগ লাগে। যেনে —

খাজনাবাবদ

**২.৩.৩ ওড়িআ ভাষাৰ কাৰক আৰু শব্দবিভক্তি ঃ**

অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো কাৰক ছয় প্রকাৰৰ — কৰ্তা কাৰক, কৰ্ম কাৰক, কৰণ কাৰক, সম্প্রদান কাৰক, অপাদান কাৰক আৰু অধিকৰণ কাৰক। ষষ্ঠী বিভক্তি যোগ হোৱা হিচাপে সম্বন্ধ পদকো কাৰকৰ ভিতৰত আলোচনা কৰা হয়।

ওড়িআ ভাষাত ছয় প্রকাৰ কাৰকত ছয় প্রকাৰৰ শব্দবিভক্তি যোগ হয়। ইয়াত কৰ্ম কাৰক সম্প্রদান কাৰকৰ লগত মিলি গৈছে। দুইটা কাৰকতে একে বিভক্তি যোগ হয়। কাৰক অনুযায়ী উড়িয়া ভাষাৰ বিভক্তিবোৰ হৈছে —

কৰ্তা — ১মা বিভক্তি

| | | |
|---|---|---|
| কৰ্ম | — | ২য়া বিভক্তি |
| সম্প্ৰদান | — | ৪ৰ্থী বিভক্তি |
| কৰণ | — | ৩য়া বিভক্তি |
| অপাদান | — | ৫মী বিভক্তি |
| সম্বন্ধ | — | ৬ষ্ঠী বিভক্তি |
| অধিকৰণ | — | ৭মী বিভক্তি |

**কৰ্তা কাৰক ঃ** ওড়িআ ভাষাত কৰ্তা কাৰকত সাধাৰণতে -এ বিভক্তি যোগ হয়। যেনে —

পিলামানে মাছ ধৰুছন্তি

ঠাকুৰে লেখিছন্তি

**কৰ্ম কাৰক ঃ** কৰ্ম কাৰকত দ্বিতীয়া -কু বিভক্তি লগ লাগে। কেতিয়াবা এই বিভক্তিটো উহ্য হৈ থাকে অৰ্থাৎ , শূন্য বিভক্তি যোগ হয়। যেনে —

শিক্ষক ছাত্ৰকু প্ৰশ্ন দেলে

কলম্বছ আমেৰিকা আৱিস্কাৰ কৰিথিলে

**কৰণ কাৰক ঃ** কৰণ কাৰকৰ শব্দ বিভক্তি হ'ল তৃতীয়া -ৰে/-এৰে আৰু -দ্বাৰা। যেনে —

ৰাম কুঠাৰেৰে ব্ৰুক্ষ ছেদন কৰিথন্তি

কেতিয়াবা নামপদৰ পাছত দ্বাৰা অনুপদ যোগ কৰিও কৰণ কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

ৰাম শৰদ্বাৰা ৰাবনকু বিনাশ কলে

**সম্প্ৰদান কাৰক ঃ** ওড়িআ ভাষাত কৰ্ম কাৰকৰ '-কু' বিভক্তিৰ দ্বাৰা সম্প্ৰদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে-

ছাত্ৰকু বহী দিঅ

**অপাদান কাৰক ঃ** ওড়িআ ভাষাত অপাদান কাৰকৰ ক্ষেত্ৰত পঞ্চমী বিভক্তি '-ৰু' আৰু -ঠাৰু লগ লাগে। যেনে —

গছৰু ফল পৰিলা

ৰামঠাৰু আনা

**অধিকৰণ কাৰক ঃ** ওড়িআত প্ৰথমা '-এ' আৰু কৰণ কাৰকৰ '-ৰে' বিভক্তিৰ দ্বাৰা অধিকৰণৰ অৰ্থ প্ৰকাশ কৰা হয়। যেনে —

কাৰ্যৰে নিপুণ

হিমালয়ৰ হিমতলে মুছৌৰী

**সম্বন্ধ পদ ঃ** সম্বন্ধপদৰ ক্ষেত্ৰত ওড়িআ ভাষাত অসমীয়া, বাংলাৰ দৰে '-ৰ' বিভক্তি লগ লাগে। যেনে —

মাঈৰ দুখ

মাঅৰ ঘৰ

**আত্মমূল্যায়ন প্ৰশ্ন**

১) কাৰক বিভক্তিৰ দিশত অসমীয়া আৰু বাংলা ভাষাৰ কি কি মিল পৰিলক্ষিত হয়? (৩৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................

..........................................................

..........................................................

..........................................................

২) অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সম্প্ৰদান কাৰকৰ প্ৰকৃতি কি? (৩০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................

..........................................................

..........................................................

## ২.৪ অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়

কোনো বস্তুক নিৰ্দিষ্টকৈ দেখুৱাবৰ বাবে শব্দৰ পাছত কেতবোৰ প্ৰত্যয় যোগ কৰা হয়। এই প্ৰত্যয়বোৰ সাধাৰণতে বিশেষ্য, বিশেষণ আৰু সংখ্যাবাচক শব্দৰ উপৰি প্ৰথম আৰু দ্বিতীয় পুৰুষৰ বাহিৰে আন কিছুমান সৰ্বনামৰ পাছত যোগ হয়। এই প্ৰত্যয়বোৰ হ'ল — নিৰ্দিষ্টতাবাচক প্ৰত্যয় বা নিৰ্দেশাত্মক প্ৰত্যয়। অসমীয়া, বাংলা আৰু উড়িয়া ভাষাত ইহঁতৰ প্ৰয়োগ দেখুওৱা হ'ল।

### ২.৪.১ অসমীয়া ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ

অসমীয়া ভাষাত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ হ'ল — -কণ/-কণি, -খন/-খনি, -গছ/গছি, -জন/জনা/জনী, -চটা/চটি, -টা/টো/টি, -টাঁৰ/টাঁৰি, -ডাল/ডালি, -গৰাকী, -গোট, ডোখৰ/ডুখৰি, -ধাৰ/ধাৰি, -ফেৰা/ফেৰি, -পাট আদি। এইবোৰৰ প্ৰয়োগ তলত দেখুওৱা হ'ল —

-কণ, -কণি ঃ ল'ৰাকণ, কেঁচুৱাকণি

-খন, -খনি ঃ হাতখন, নৈখনি

-গছ, গছি ঃ জৰিগছ, চাকিগছি

-জন, -জনা, -জনী ঃ মানুহজন, বৰজনা, মানুহজনী

-চটা, -চটি ঃ কাঠচটা, চিৰিচটি

-টা, -টো, -টি ঃ এটা, ঘৰটো, মানুহটি

-টাঁৰ, -টাঁৰি ঃ বাঢ়নীটাঁৰ, চুলিটাঁৰি

-ডাল, -ডালি ঃ বাঁহডাল, খৰিডালি

-গৰাকী ঃ মহিলাগৰাকী

-ডোখৰ, -ডুখুৰি ঃ কাঠডোখৰ, মাছডুখৰি

-ধাৰ, -ধাৰি ঃ মালাধাৰ, মণিধাৰি

-ফেৰা, -ফেৰি ঃ লোণফেৰা, বস্তুফেৰি

-পাট ঃ বঠাপাট আদি।

এইবোৰৰ উপৰি আৰু কেতবোৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় অসমীয়া ভাষাত আছে যিবোৰে প্ৰাণী বা অপ্ৰাণীবাচক শব্দক নিৰ্দিষ্টকৈ নিৰ্দেশ কৰে। সেইবোৰৰ উদাহৰণ তলত দাঙি ধৰা হ'ল —

- আখি ঃ কল আখি

- কোছা ঃ চাবিকোছা

- কিলা ঃ পাণখিলা

- গাল ঃ ভাতগাল

- চকল ঃ আমচকল

-চপৰা ঃ মাটি চপৰা

- চলু ঃ পানীচলু

- জাক ঃ চৰাইজাক

- জাউৰি ঃ গালিজাউৰি

- জোপা ঃ ফুলজোপা

- থোপা ঃ ফুলথোপা

- লদা ঃ গোবৰলডা

- পাহ ঃ ফুলপাহ

- হাল ঃ গৰুহাল আদি।

**২.৪.২ বাংলা ভাষাত নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ**

বাংলা ভাষাৰ ৰূপতত্ত্বতো নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। এই ভাষাত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ সংখ্যা অসমীয়া ভাষাৰ তুলনাত অতি কম। বাংলা ভাষাত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ হ'লঃ -টা/-টী, -খান/-খানা, -গাছ/-গাছা, -গোটা/-গুটি, -জন, -থান আদি।

এইবোৰৰ প্ৰয়োগ এনেধৰণৰ —

-টা ঃ একটা মানুহ

-টী ঃ মানুষটী ভাল

-খান ঃ দুইখান হাত

-খানি ঃ কন্যাখানি

-গাছা ঃ আখগাছা

-গাছি ঃ লাঠিগাছি

-গোটা, গুটি ঃ বানগোটা, বাঁশী গুটি

-জন ঃ মাতাপিতা দুইজন

-থান ঃ কাপৰ দুথান

- টুক, -টুকু ঃ জলটুক, জলটুকু ইত্যাদি।

**২.৪.৩ ওড়িআ ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ**

ওড়িআ ভাষাতো নিৰ্দেশ কৰি দেখুৱাই দিয়াৰ ক্ষেত্ৰত কেতবোৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয় প্ৰয়োগ কৰা হয়। এই প্ৰত্যয়বোৰ হ'ল ঃ -টা, -টি, -খণ্ড, -পট, -ফৰ্দ, -জোৰি, -হল, -পল, -বিৰা, -গোছ আদি। এইবোৰৰ প্ৰয়োগ হ'ল —

-টা ঃ পিলাটা

-টি ঃ ঝীঅটি

-খণ্ড ঃ পাণখণ্ড

- পট ঃ জোটাপট

-ফৰ্দ ঃ কাগজফৰ্দ

-জোৰি ঃ বনিজোৰি

-হল ঃ বলদহল

-পল ঃ মেন্ধাপল

- বিৰা ঃ কাঠবিৰা ইত্যাদি।

**আত্মমূল্যায়ন প্ৰশ্ন**

নিৰ্দিষ্টতাবাচক প্ৰত্যয় প্ৰয়োগত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ মিল আছে নে? (৪৫ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.......................................................

.......................................................

.......................................................

.......................................................

## ২.৫ সাৰাংশ (Summing Up)

অসমীয়া, বাংলা আৰু ওড়িআ এই তিনিওটা ভাষাতে কাৰকৰ সংখ্যা ৬ বিধ— কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত (সম্প্ৰদান), অপাদান আৰু অধিকৰণ। অসমীয়া ভাষাত সম্প্ৰাদান কাৰক নাই নিমিত্ত কাৰকহে আছে। কিন্তু বাংলা আৰু ওড়িআ ভাষাত সম্প্ৰদান কাৰক পোৱা যায়। তিনিওটা ভাষাতে অপাদানকাৰক আছে যদিও বিভক্তি নাই। ষষ্ঠীৰ বিভক্তি '-ৰ' পাছত পৰসৰ্গ লগ লগাই অপাদান কাৰক বুজোৱা হয়। নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ ভাষা তিনিটাৰ উল্লেখযোগ্য বিশিষ্টতা। কিন্তু অসমীয়া ভাষাৰ নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ ব্যৱহাৰ পৰিসৰ অন্য দুটা ভাষাতকৈ অতি বেছি।

## ২.৬ আৰ্হিপ্ৰশ্ন (Sample Questions)

১। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক আৰু শব্দবিভক্তি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰক।

২। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ পাৰ্থক্যসমূহ নিৰ্ণয় কৰক।

৩। কাৰক আৰু শব্দ বিভক্তিৰ দিশত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কি কি সাদৃশ্য আৰু বৈসাদৃশ্য পৰিলক্ষিত হয় বিচাৰ কৰক।

৪। নিৰ্দিষ্টতাবাচক প্ৰত্যয় কি? অসমীয়া ভাষাৰ লগত যিকোনো এটা মগধীয় ভাষাৰ নিদিষ্টতাবাচক প্ৰত্যয়ৰ তুলনা দাঙি ধৰক।

## ২.৭ প্ৰসংগ গ্ৰন্থ (References/Suggested Readings)


লীলাৱতী শইকীয়া বৰা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*

দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষা তুলনামূলক অধ্যয়ন*

Banikanta Kakati : *Assamese : Its Formation and Development*

S. K. Chatterji : *The Orgin and Development of the Bengali*

K. Bhattacharjee : *Bengali-Oriya Verb Morphology : A Contrastive Study*

P. N. Dutta Baruah : *Descriptive Analysis of Assamese & Oriya Morphology*

Haripriya Mishra : *Historical Oriya Morphology*


*****

## তৃতীয় বিভাগ

## অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ৰূপতত্ত্ব ঃ ক্রিয়াপদ

**বিভাগৰ গঠনঃ**


৩.১ ভূমিকা (Introduction)
৩.২ উদ্দেশ্য (Summing Up)
৩.৩ অসমীয়া ভাষাৰ ক্রিয়াপদ
    ৩.৩.১ অসমীয়া ধাতুৰ শ্রেণীবিভাজন
    ৩.৩.২ অসমীয়া ভাষাৰ ক্রিয়াপদৰ শ্রেণীবিভাজন
    ৩.৩.৩ অসমীয়া ভাষাৰ অন্যান্য ক্রিয়া
৩.৪ বাংলা ভাষাৰ ক্রিয়াপদ
    ৩.৪.১ বাংলা ভাষাৰ ধাতুৰ শ্রেণীবিভাজন
    ৩.৪.২ বাংলা ভাষাৰ ক্রিয়াৰ বিভাজন
৩.৫ ওড়িআ ভাষাৰ ক্রিয়া
    ৩.৫.১ ওড়িআ ভাষাৰ ধাতুৰ শ্রেণীবিভাজন
    ৩.৫.২ ওড়িআ ভাষাৰ ক্রিয়াৰ শ্রেণীবিভাজন
    ৩.৫.৩ ক্রিয়াৰ অন্যান্য দিশ
৩.৬ সাৰাংশ (Summing Up)
৩.৭ আৰ্হি প্রশ্ন (Sample Questions)
৩.৮ প্রসঙ্গ গ্রন্থ (References/Suggested Readings)


### ৩.১ ভূমিকা (Introduction)

পূৰ্বৱৰ্তী বিভাগটিত ৰূপতত্ত্বৰ এটি প্রধান উপাদান কাৰকআৰু শব্দ বিভক্তিৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ক্রিয়াপদৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব।

সব্যয়পদৰ এটি প্রধান ভাগ হ'ল ক্রিয়াপদ। ক্রিয়াপদে কোনো এটা কাম কৰা বা হোৱা বা নোহোৱা বুজায়। ভাষা এটাৰ ভালেমান দিশ ক্রিয়াপদৰ লগত জড়িত হৈ থাকে। ধাতু, কাল, ভাৱ, বাচ্য আদি দিশবোৰৰ সুসমন্বয়তহে ক্রিয়াপদ সম্পূৰ্ণ হয়। এই বিভাগটিত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ক্রিয়া পদৰ বিষয়ে আলোচনা আগবঢ়োৱা হয়। এই আলোচনাত ধাতু, ক্রিয়াপদৰ প্রকাৰ, ক্রিয়াৰ কাল, বাচ্য ভাৱ আদিৰ বিষয়ে ফঁহিয়াই চোৱাৰ প্রয়াস কৰা হ'ব।

### ৩.২ উদ্দেশ্য (Objectives)

এই বিভাগটি অধ্যয়ন কৰাৰ অন্তত আপোনালোকে—

- অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ধাতু সম্পৰ্কে বিচাৰ কৰিব পাৰিব,
- তিনিওটা ভাষাৰ ক্রিয়াপদৰ বিভাজন দেখৱাব পাৰিব,

- তিনিওটা ভাষাৰ ক্ৰিয়াৰ কাল, ভাৱ পৰ্যালোচনা কৰিব পাৰিব,
- তিনিওটা ভাষাৰ ক্ৰিয়াৰ বাচ্য ব্যাখ্যা কৰিব পাৰিব।

## ৩.৩ অসমীয়া ভাষাৰ ক্ৰিয়াপদ

ক্ৰিয়াপদবোৰে কোনো কাম কৰা, হোৱা বা নোহোৱা বুজায়। বিবিধ ধাতুৰ লগত কাল, ভাৱ আৰু পুৰুষবাচক বিভক্তি যোগ কৰি ক্ৰিয়াপদ গঠন কৰে। পুৰুষবাচক বিভক্তিসমূহ কেতিয়াবা (বৰ্তমান কালত) ধাতুৰ পোনপটীয়াকৈ লগ লাগে। কেতিয়াবা কাল বুজোৱা বিভক্তিসমূহ লগ লগাৰ পাছত পুৰুষবাচক বিভক্তিসমূহ লগ লাগি ক্ৰিয়াপদ গঠন কৰে। যেনে—

মই ভাত খালোঁ।
যি ঘৰলৈ যাব।
মানুহজনে কামটো কৰিলে।
আপুনি নাযাব।
তুমি গৈছিলা।
তেওঁ নাখালে।

ওপৰৰ আঁচটনাবোৰ ক্ৰিয়াপদৰ উদাহৰণ।

### ৩.৩.১ অসমীয়া ধাতুৰ শ্ৰেণীবিভাজন

**ধাতুৰ সংজ্ঞা ঃ**

ক্ৰিয়াপদৰ মুলকেই ধাতু বুলি কোৱা হয়। যিকোনো ভাষাত ধাতুৰ লগত বিভিন্ন সৰ্গ বিলাক যেনে— পুৰুষবাচক সৰ্গ, দশাবাচক সৰ্গ অথবা কালবাচক সৰ্গবোৰ লগ লাগি ক্ৰিয়া পদৰ গঠন কৰে। অৰ্থাৎ ভাষা এটাত ব্যৱহাৰ হোৱা বদ্ধ প্ৰাকৃতি বা সৰ্গবিলাক আঁতৰালে যিটো নুন্যতম ৰূপ পোৱা যায় তাকে ধাতু বুলি কোৱা হয়। উদাহৰণ স্বৰূপে, অসমীয়া ভাষাৰ কৰ্, কৰা, কৰক, কৰে, কৰোঁ, কৰিলে, কৰিছিল, কৰিব, কৰিম, কৰিলোহেঁতেন আদিবোৰ ক্ৰিয়াপদ। এই পদবোৰৰ পৰা কৰ্-ø, কৰিম= কৰ-ইম, কৰা= কৰ্-আ, কৰক=কৰ্-অক, কৰে= কৰ্-এ, কৰো = কৰ্-ওঁ, কৰিলে = কৰ্-ইল-এ, কৰিছিল= কৰ্-ইছ্-ইল, কৰিব = কৰ্-ইব-অ, কৰিলোহেতেন = কৰ্-ইল-ও-হেঁতেন তলত আচ টনা বদ্ধৰূপবিলাক আঁতৰাই দিলে এটা সূক্ষ্মৰূপ পোৱা যাব। সেয়া হ'ল 'কৰ্। এই 'কৰ্ হ'লসেই ক্ৰিয়াপদবোৰৰ মূল। সেয়াই ধাতু। প্ৰায়বোৰ ধাতুতে বদ্ধ প্ৰাকৃতিসমূহত প্ৰত্যক্ষভাৱে লগ লাগি ক্ৰিয়া পদ গঠন কৰে। কেতবোৰ ধাতুবদ্ধ প্ৰকৃতি লগ লগাৰ আগত তিৰ্যক ৰূপ লাভ কৰে।

**অসমীয়া ধাতুৰ শ্ৰেণীবিভাজন ঃ**

অসমীয়া ভাষাৰ ধাতুক উৎপত্তি, প্ৰকৃতি আৰু গাঠনিক দিশলৈ চাই প্ৰধানকৈ তিনিটা ভাগত ভাগ কৰিব পাৰি—

(১) মুখ্য বা মৌলিক ধাতু (Primary Roots)

(২) গৌণ বা সাধিত ধাতু (Secondary Roots বা Derivatives)

(৩) যৌগিক ধাতু (Compounded Roots)

কিছুমানে যৌগিক ধাতুক গৌণধাতুৰ অন্তৰ্গত কৰি আলোচনা কৰে। সেই অনুসৰি মুখ্য ধাতুবোৰক তদ্ভৱ ধাতু, সংস্কৃত পাচনী ক্ৰিয়াৰ পৰা অহা ধাতু তৎসম আৰু অৰ্ধতৎসম ধাতু,অন্যান্য উৎসৰ পৰা অহা ধাতু; গৌণধাতুবোৰক পাঁচনীধাতু, নাম ধাতু যৌগিক ধাতু, ধ্বন্যাত্মক ধাতু আৰু আৰ্যভিন্ন ধাতু এই কেইটা উপবিভাজন কৰিব পাৰি।

**(১) মুখ্য বা মৌলিক ধাতু (Primary Roots) ঃ**

যিবোৰ ধাতুক অৰ্থপূৰ্ণভাৱে খণ্ডিত কৰিব নোৱাৰি অৰ্থাৎ যিবোৰ ধাতু স্বয়ং সিদ্ধ সেইবোৰে হ'ল মুখ্য বা মৌলিক ধাতু। যেনে— খা, যা, কৰ্, মৰ্, শুন্, উৰ্, পঢ়, উজা, ওপজ্, ওলম্, আন্, ফুৰ্, নাচ্, কাট্ ইত্যাদি।

**(২) গৌণ বা সাধিত ধাতু (Secondary Roots বা Derivatives)**

অসমীয়া ভাষাত গৌণধাতু দুই প্ৰকাৰৰ—

(ক) পাঁচনী ধাতু আৰু (খ) নাম ধাতু

এই দুইবিধৰ ওপৰি ধ্বন্যাত্মক ধাতুকো গৌণধাতু বা সাধিত ধাতুৰ আওতালৈ আনি আলোচনা কৰা হয়।

**(ক) পাঁচনী ধাতু ঃ**

কোনো এটা কাৰ্য কৰ্তাই নিজে নকৰি আনৰ দ্বাৰা কৰোৱা বা আনক পাচি কৰা বুজোৱা ধাতুবোৰকে পাঁচনী ধাতু বুলি কোৱা হয়। মৌলিক ধাতুৰ পিছত '-আ' আৰু '-উৱা' বা '-ওৱা' প্ৰত্যয় যোগ কৰি পাঁচনী ধাতু গঠন কৰা হয়। পাঁচনী ধাতুত পুৰুষবাচক, কালবাচক বদ্ধ প্ৰাকৃতি লগ লগাই পাঁচনী ক্ৰিয়া গঠন কৰা হয়। অসমীয়া ভাষাত পাঁচনী ধাতু গঠন কৰা কেতবোৰ উদাহৰণ—

-আ ঃ ক্ + আ = কোৱা

ল + আ = লোৱা

দি + আ = দিয়া

কৰ + আ = কৰা

নাচ + আ = নচা

কাট + আ = কটা ইত্যাদি।

**(খ) নামধাতু ঃ**

নামপদত সাধাৰণতে বিশেষ্য বা বিশেষণ শব্দত সৰ্গ যোগ কৰি এক প্ৰকাৰ সাধিত ধাতু গঠন কৰা হয়। এই প্ৰকাৰ ধাতুক নামধাতু বুলি কোৱা হয়। অসমীয়া ভাষাত নামপদত তিনিটা প্ৰত্যয় যোগ কৰি নামধাতু গঠন কৰা হয় ঃ -আ, -ইয়া আৰু -উৱা। এই প্ৰত্যয়বোৰ যোগ হ'লে কেতিয়াবা নামপদটোৰ আদ্যস্বৰৰ পৰিবৰ্তন ঘটে। অসমীয়া ভাষাৰ কেতবোৰ নামধাতুৰ উদাহৰণ—

‘-আ’ প্ৰত্যয়যুক্ত ঃ কিল্ + আ = কিলা

চৰ্ + আ = চৰা

বোল + আ = বোলা

ভুকু + আ = ভুকুৰা

লাঠি + আ = লঠিয়া

বহল + আ = বহলা

‘-ইয়া’ প্ৰত্যয়যুক্ত ঃ টাঙন + ইয়া = টঙনিয়া

ৰিঙ + ইয়া = ৰিঙিয়া

‘-উৰা’ প্ৰত্যয়যুক্তঃ আগ + উৰা = আগুৰা

পাচ + উৰা = পাচুৰা ইত্যাদি।

**ধ্বন্যাত্মক ধাতু ঃ**

কোনো ধ্বনিৰ অনুকৰণত সৃষ্টি হোৱা শব্দবোৰক ধ্বন্যাত্মক শব্দ বুলি কোৱা হয়। এই ধ্বন্যাত্মক শব্দবোৰৰ পিছত ‘-আ’ প্ৰত্যয় লগ লগাই ধ্বন্যাত্মক ধাতু গঠন কৰা হয়। ধ্বন্যাত্মক ধাতুবোৰো এক প্ৰকাৰ নামধাতু। উদাহৰণ—

কেঁক + আ = কেঁকা

ফোঁপ + আ = ফোঁপা

দপ্দপ্ + আ = দপ্দপা

ফুচ্ফুচ্ + আ = ফুচ্ফুচা ইত্যাদি।

**(৩) যৌগিক ধাতু ঃ**

ভাষাবিদ উপেন্দ্ৰনাথ গোস্বামীৰ মতে ‘কিছুমান ধাতুৱে বিশেষ্য বা বিশেষণ, অসমাপিকা ক্ৰিয়া, ক্ৰিয়াৰ ভৱিষ্যৎকালৰ তৃতীয় পুৰুষৰ ৰূপ, ক্ৰিয়াৰ অতীত কৃদন্ত ৰূপ, তুমুনন্ত ক্ৰিয়াৰূপ আৰু প্ৰত্যয়ান্ত ধাতুৰ পাছত লগলাগি ভিন্ন অৰ্থ প্ৰকাশক এক শ্ৰেণী নতুন ধাতুৰ সৃষ্টি কৰে।’ এই ধাতুবোৰকে যৌগিক ধাতু বোলা হয়। এই ধাতুবোৰৰ মূল (base) দুটা। দুটা ভিন্নমূলীয় ৰূপৰ সংযোগত সৃষ্টি হোৱা এই ধাতুবোৰক যৌগিক বা সংযুক্ত ধাতু বোলা হয়। যেনে—

**বিশেষ্য বা বিশেষণৰ পাছত ধাতু যোগ হৈ ঃ**

শেষ কৰ্, চমু কৰ্, নাম কৰ্, ভাল কৰ্, শেষ কৰ, ভাল পা, ঘৰ খা ইত্যাদি

**অসমাপিকা ক্ৰিয়াৰ পাছত ধাতু যোগ কৰি ঃ**

খাই পেলা, পৰি যা, লৈ যা, বহি থাক, ৰাখি থ, কৈ চা, বাগৰি পৰ ইত্যাদি।

**ক্ৰিয়াৰ ভৱিষ্যতকালৰ তৃতীয় পুৰুষৰ ৰূপৰ পাছত ধাতু যোগ কৰি ঃ**

যাব পাৰ্, ক’ব পাৰ্, কৰিব পাৰ্, বহিব পাৰ্, পঢ়িব পাৰ্, যাব খোজ ইত্যাদি।

**ক্ৰিয়াৰ অতীত কৃদন্ত ৰূপৰ পাছত ধাতু প্ৰয়োগ কৰি ঃ**

ধৰা পৰ্, খোৱা কৰ্, মৰা পৰ্, শোৱা কৰ্, অহা-যোৱা কৰ্ ইত্যাদি।

**নিমিত্তাৰ্থক ক্ৰিয়া-ৰূপৰ পাছত ধাতু যোগ কৰি ঃ**

পঢ়িবলৈ যা, লিখিবলৈ ধৰ, ৰান্ধিবলৈ যা, কৰিবলৈ ধৰ ইত্যাদি।

**প্ৰত্যয়ান্ত ধাতুৰ পাছত আন ধাতু যোগ কৰি ঃ**

বাগৰ দে, থেকেচ মাৰ, চোঁচ্‌ৰ খা, গচক মাৰ্ ইত্যাদি।

অসমীয়া ভাষাত ধাতুৰ এই বিভাজনৰ ওপৰি আন এটা বিভাজনো আছে। ধাতুৰ শেষত থকা ধ্বনি স্বৰ ধ্বনি নে ব্যঞ্জন ধ্বনি তাৰ ওপৰত ভিত্তি কৰি অসমীয়া ধাতুবোৰক <u>স্বৰান্ত ধাতু</u> আৰু <u>ব্যঞ্জনান্ত ধাতু</u> এই দুই প্ৰকাৰত ভাগ কৰিব পাৰি।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। ধাতু আৰু ক্ৰিয়াপদৰ মাজত পাৰ্থক্য কি? (২৫ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক।)

..........................................................................................

..........................................................................................

..........................................................................................

২। নামধাতু আৰু ধ্বন্যাত্মক ধাতুৰ মাজত পাৰ্থক্য আছে নে? (৪০ টা মান শব্দৰ ভিতৰত দিয়ক।)

..........................................................................................

..........................................................................................

..........................................................................................

### ৩.৩.২ অসমীয়া ভাষাৰ ক্ৰিয়াপদৰ শ্ৰেণীবিভাজন

অসমীয়া ভাষাৰ ক্ৰিয়াপদসমূহক বিভিন্ন দিশৰ ওপৰত নিৰ্ভৰ কৰি বিভাজন কৰিব পাৰি। তলত অসমীয়া ভাষাৰ ক্ৰিয়াপদৰ বিভাজনসমূহ দাঙি ধৰা হ'ল—

অসময়ীয়া ভাষাত ক্ৰিয়াপদক **কাৰ্যৰ সমাপ্তি বা অসমাপ্তিৰ** ওপৰত নিৰ্ভৰ কৰি দুটা ভাগত ভগাব পাৰি—

(১) সমাপিকা ক্ৰিয়া আৰু

(২) অসমাপিকা ক্ৰিয়া

**সমাপিকা ক্ৰিয়া ঃ** যিবোৰ ক্ৰিয়াৰ কাৰ্যৰ সমাপ্তি বুজোৱাৰ লগতে বাক্য শেষ হোৱা বুজায় সেইবোৰ ক্ৰিয়াক <u>সমাপিকা ক্ৰিয়া</u> বোলে।

যেনে— তেওঁ ভাত <u>খালে</u>।

মানুহজন <u>গ'ল</u>। ইত্যাদি।

**অসমাপিকা ক্ৰিয়া ঃ** যিবোৰ ক্ৰিয়াই কাৰ্য সম্পূৰ্ণ হোৱাৰ অৰ্থ প্ৰকাশ কৰিব নোৱাৰে অথবা বাক্যৰ অৰ্থ সম্পূৰ্ণ কৰিব নোৱাৰে তেনেবোৰ ক্ৰিয়াক অসমাপিকা ক্ৰিয়া বোলা হয়। এনেবোৰ ক্ৰিয়াই কাৰ্য সম্পূৰ্ণ কৰা বা বাক্য সম্পূৰ্ণ কৰাৰ বাবে অন্য ক্ৰিয়াৰ সহায় ল'ব লাগে। যেনে— ল'ৰাজনে ভাত খাই শুলে। ইয়াত খাই ক্ৰিয়াই কাৰ্য বা বাক্য সম্পূৰ্ণ কৰিব পৰা নাই। 'শুলে' ক্ৰিয়াইহে কাৰ্য বা বাক্য সম্পূৰ্ণ কৰিছে। 'শুলে' সমাপিকা ক্ৰিয়া আৰু 'খাই' অসমাপিকা ক্ৰিয়া। অসমীয়া ভাষাত সাধাৰণতে 'ই' প্ৰত্যয় ক্ৰিয়াৰ লগত লগ লগাই অসমাপিকা ক্ৰিয়া গঠন কৰা হয়।

বাক্যত ক্ৰিয়াৰ **কৰ্ম থকা বা নথকা**ৰ ওপৰত নিৰ্ভৰ কৰি সমাপিকা ক্ৰিয়াক দুভাগত ভগাব পাৰি—

(ক) সকৰ্মক ক্ৰিয়া আৰু

(খ) অকৰ্মক ক্ৰিয়া

**(ক) সকৰ্মক ক্ৰিয়া ঃ** যিবিলাক সমাপিকা ক্ৰিয়াৰ কৰ্ম থাকে, সেইবোৰে হ'ল সকৰ্মক ক্ৰিয়া। যেনে—

তেওঁ ভাত খালে।

মই কিতাপ পঢ়ো।

শিক্ষকে ছাত্ৰক অংক শিকাইছে।

ওপৰৰ বাক্যবোৰত ভাত, কিতাপ, ছাত্ৰক, অংক আদি কৰ্ম। তৃতীয় বাক্যটোত শিকাইছে ক্ৰিয়াটোৰ ছাত্ৰ আৰু অংক দুটা কৰ্ম আছে। দুটা কৰ্ম থকা ক্ৰিয়াক দ্বিকৰ্মক ক্ৰিয়া বুলি কোৱা হয়।

**(খ) অকৰ্মক ক্ৰিয়া ঃ** যিবিলাক ক্ৰিয়াৰ কোনো কৰ্ম নাথাকে তেনেবোৰ ক্ৰিয়াক অকৰ্মক ক্ৰিয়া বোলা হয়। যেনে—

মানুহ মৰে।

চৰাই উৰে

ওপৰৰ বাক্য দুটাৰ 'মৰে' আৰু 'উৰে' ক্ৰিয়া দুটাৰ কোনো কাম নাই। সেয়েহে এই দুটা অকৰ্মক ক্ৰিয়া।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। সাধাৰণতে কিহৰ ওপৰত ভিত্তিৰ কৰি অসমীয়া ভাষাৰ ক্ৰিয়া পদৰ বিভাজন কৰা হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.....................................................................................................

.....................................................................................................

.....................................................................................................

### ৩.৩.৩ অসমীয়া ভাষাৰ অন্যান্য ক্ৰিয়া

ওপৰত আলোচনা কৰা ক্ৰিয়াবোৰৰ উপৰিও অসমীয়া ভাষাত আৰু কেতবোৰ ক্ৰিয়াপদ পোৱা যায়। যেনে— পাচনী ক্ৰিয়া, নাম ক্ৰিয়া, নঞাৰ্থক ক্ৰিয়া, তুমুনন্ত বা নিমিতাৰ্থ ক্ৰিয়া আৰু কৃদন্ত। তলত এইবোৰৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'ল—

**পাঁচনী ক্ৰিয়া ঃ** পাচনী ধাতুৰ লগত কাল আৰু পুৰুষবাচক বিভক্তি যোগ কৰি গঠন হোৱা ক্ৰিয়াবোৰেই পাঁচনী ক্ৰিয়া। আনক পাঁচি বা আনৰ হতুৱাই কোনো কাৰ্য বুজাবলৈ ধাতুৰ পিছত -অ, -ওৱা/-উৱা প্ৰত্যয় যোগ কৰি পাঁচনী ধাতু গঠন কৰা হয়। এই পাঁচনী ধাতুৰ লগত কালবাচক বা পুৰুষবাচক বিভক্তি লগ লাগি পাঁচনী ক্ৰিয়া গঠন হয়। যেনে—

সি কামটো <u>কৰালে</u>।

তুমি তাক <u>পঢ়ুৱালা</u>। ইত্যাদি।

**নামক্ৰিয়া ঃ** -আ, -ইয়া, -উৱা প্ৰত্যয় নাম শব্দত লগ লাগি নামধাতু গঠন হয়। সেই নামধাতুত কাল বাচক বা পুৰুষবাচক বিভক্তি লগ লাগি <u>নাম ক্ৰিয়া</u> গঠন হয়। যেনে—

মানুহজনে তাক <u>টঙনিয়ালে</u>।

ৰামে <u>সুহুৰিয়াইছে</u>।

আমি <u>আগুৱাইছোঁ</u>। ইত্যাদি

**নঞৰ্থক ক্ৰিয়া ঃ** যিবিলাক ক্ৰিয়াই কোনো কাম নকৰা, নোহোৱা, নথকা আদি বুজাই সেইবোৰ ক্ৰিয়াক **নঞৰ্থক ক্ৰিয়া** বোলা হয়। অসমীয়া ভাষাত নঞৰ্থক ক্ৰিয়া বুজাবলৈ ক্ৰিয়া পদৰ আগত 'ন' উপসৰ্গ লগ লাগে। 'ন' উপসৰ্গ লগ লগাৰ সময়ত 'ন'ৰ লগত যুক্ত থকা 'অ' স্বৰ ধ্বনি ক্ৰিয়াৰূপটোৰ প্ৰথম স্বৰ অনুযায়ী পৰিবৰ্তন হয়। যেনে—

অঃ নকৰোঁ, নগ'ল, নকৰে, নপঢ়ে।

আঃ নাখাওঁ, নাযাবা, নাপাওঁ, নাযাওঁ

ই ঃ নিদিওঁ, নিশিকে, নিলিখে, নিকিনো

উ ঃ নুৰে, নুশুলে, নুলুকায়, নুনুমাই

এ ঃ নেখেলে, নেমেলে, নেদেখি ইত্যাদি।

**অনিয়মিত ক্ৰিয়া ঃ** যিবোৰ ক্ৰিয়াৰ কাল আৰু পুৰুষ অনুসৰি ৰূপ নহয় সেইবোৰ ক্ৰিয়াকেই **অনিয়মিত ক্ৰিয়া** বোলে। অসমীয়া ভাষাত অনিয়মিত ক্ৰিয়া চাৰিটা— নাই, আছ, থাক্ আৰু বল্।

**নিমিতাৰ্থ ক্ৰিয়া বা তুমুনন্ত ঃ** সাধাৰণতে নিমিত্ত অৰ্থ প্ৰকাশ কৰা 'ইব' প্ৰত্যায়ন্ত ধাতুৰ পিছত '-অৰ' আৰু '-অলৈ' যোগ কৰি নিমিত্তাৰ্থক ক্ৰিয়া গঠন কৰা হয়। এই ক্ৰিয়াবোৰ অসমাপিকা ৰূপত পোৱা যায়। ধাতুত '-অৰ', '-অলৈ' লগ লগাৰ পিছত সহায়কাৰী সমাপিকা ক্ৰিয়া ব্যৱহাৰ কৰি নিমিত্তাৰ্থক ক্ৰিয়া গঠন কৰা হয়। যেনে—

মই <u>পঢ়িব</u> খুজিছোঁ।

তেওঁ আহিবৰ হৈছে।

তেওঁ অংক শিকিবলৈ আহিছে।

কামটো কৰিবলৈ আছে।  ইত্যাদি।

**কৃদন্ত পদ ঃ** কৃদন্ত পদবোৰ একপ্ৰকাৰ অসমাপিকা ক্ৰিয়া। কাল অনুযায়ী কৃদন্ত পদ তিনিবিধ—

ক) বৰ্তমানকালিক কৃদন্ত

খ) অতীত বা ভূতকালিক কৃদন্ত

গ) ভৱিষ্যতকালিক কৃদন্ত

**বৰ্তমানকালিক কৃদন্ত ঃ** -ওঁতা, আৰু -ওঁতে প্ৰত্যয়ান্ত পদবোৰে হ'ল বৰ্তমানকালিক কৃদন্ত। কোনো এটা ক্ৰিয়া সম্পন্ন কৰাজনক বা এটা ক্ৰিয়া কৰি থকা বুজাবলৈ ধাতুৰ পিছত -ওঁতা আৰু -ওঁতে যোগ কৰি বৰ্তমান কালিক কৃদন্ত গঠন কৰা হয়। যেনে—

কৰোঁতা, পঢ়োঁতা, ৰখোঁতা, খুৱাওঁতা, থাকোঁতে, চাওঁতে, যাওঁতে, শুনোঁতে, পঢ়োঁতে ইত্যাদি।

**ভূতকালিক কৃদন্ত ঃ** এই কৃদন্তবোৰ বিশেষণ ৰূপে সাধাৰণতে ব্যৱহাৰ হয়। ধাতুৰ পিছত '-আ' প্ৰত্যয় যোগ কৰি এই শ্ৰেণীৰ কৃদন্তবোৰ গঠন কৰা হয়। যেনে—

সদায় প্ৰাৰ্থনা কৰা উচিত।

যোৱা কথা গ'ল।

কোৱা কথা।

হোৱা উচিত।  ইত্যাদি।

**ভৱিষ্যতকালিক কৃদন্ত ঃ** ভৱিষ্যতকালীক কৃদন্তবোৰ বিশেষণৰূপে নামপদৰ আগত বা পাছত ব্যৱহাৰ হয়। ভৱিষ্যত কালৰ তৃতীয় পুৰুষৰ ক্ৰিয়াৰূপৰ পিছত '-লগীয়া' অনুপদ যোগ দি ভৱিষ্যত কৃদন্ত গঠন কৰা হয়।

ক'বলগীয়া কথাটো ক'ব লাগে।

এইটো ধৰিবলগীয়া কথা নহয়।

কৰিবলগীয়া কামটো কৰিব লাগে।

**আত্মমূল্যায়ন প্ৰশ্ন**

১। তুমুনন্ত কিদৰে গঠন হয়? (৩০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

.......................................................................................................

২। কৃদন্তবোৰে কি ভাৱ প্ৰকাশ কৰে? (৪০ টা শব্দৰ ভিতৰত উত্তৰ দিয়ক।)

.......................................................................................................

.......................................................................................................

.......................................................................................................

### ৩.৪ বাংলা ভাষাৰ ক্ৰিয়াপদ

অসমীয়া ভাষাৰ নিচিনাকৈ বাংলা ভাষাতো ধাতুৰ ক্ৰিয়াবিভক্তি যোগ কৰি ক্ৰিয়াপদ গঠন কৰা হয়। ক্ৰিয়াবিভক্তি গঠন হওঁতে ক্ৰিয়াৰ কাল আৰু পুৰুষে বিশেষ ভূমিকা গ্ৰহণ কৰে।

### ৩.৪.১ বাংলা ভাষাৰ ধাতুৰ শ্ৰেণীবিভাজন

উৎস আৰু প্ৰকৃতি অনুসৰি বাংলা ভাষাৰ ধাতুবোৰক দুটা ভাগত ভাগ কৰিব পাৰি—

১। মুখ্য বা মৌলিক ধাতু (Primary Roots)

২। গৌণ ধাতু বা সাধিত ধাতু (Secondary Roots or Derivatives)

মুখ্য ধাতুবোৰক আকৌ তলত দিয়া ধৰণে ভাগ কৰিব পাৰি—

(ক) তদ্ভৱ ধাতু, (খ) সংস্কৃত পাঁচনী ধাতুৰ পৰা উদ্ভূত ধাতু,

(গ) তৎসম আৰু অৰ্ধতৎসম ধাতু আৰু (ঘ) সন্দেহজনক উৎসৰ ধাতু।

গৌণ ধাতুবোৰকো তলত দিয়া ধৰণে বিভাজন কৰিব পাৰি—

(ক) পাঁচনী ধাতু, (খ) নামধাতু, (গ) যৌগিক ধাতু

(ঘ) ধ্বন্যাত্মক ধাতু আৰু (ঙ) সন্দেহজনক উৎসৰ ধাতু

তলত সকলো প্ৰকাৰৰ ধাতুৰ উদাহৰণ কেতবোৰ দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল—

**মুখ্য ধাতু** ঃ কাঁপ (কম্প), খা (খাদ), পাখাল (প্ৰ-ক্ষাল), চুম্ব, ত্যজ, নিৰমা, চাল (চালয়তি), তাৰ (তাৰয়তি), কিন (ক্ৰী) ইত্যাদি।

**সন্দেহজনক উৎসৰ ধাতু** ঃ বাংলা ভাষাত কেতবোৰ মুখ্য ধাতু আছে যিবোৰৰ উৎস সন্দেহজনক। এইবোৰ ধাতু সংস্কৃতৰ পৰা অহা বুলি একেষাৰে ক'ব নোৱাৰি। এই ধাতুবোৰৰ দ্ৰাবিড় ভাষাৰ লগত সাদৃশ্য আছে। যেনে— আঁচ্, আট্, খাট্, খস্, খুট্ ইত্যাদি।

**গৌণ বা সাধিত ধাতু ঃ**

**পাঁচনী ধাতু** ঃ মূল ধাতুৰ পাছত '—আ' প্ৰত্যয় লগ লগাই বাংলা ভাষাত পাঁচনী ধাতু গঠন হয়। যেনে—

খা + আ = খাওয়া, পৰ + আ = পড়া, কম + আ = কমা, শুন + আ = শুনা ইত্যাদি।

**নামধাতু** ঃ নামশব্দৰ পাছত '—আ' প্ৰত্যয় লগ লগাই বাংলা ভাষাত নাম ধাতু গঠন কৰা হয়। যেনে—

কিল্ + আ = কিলা,   দাঁড় + আ = দাঁড়া

কাম + আ = কামা,   বিষ + আ = বিষা   ইত্যাদি

**যৌগিক ধাতু** ঃ বাংলা ভাষাৰ কেতবোৰ যৌগিক ধাতু—

ধাক্কা খা, দান কৰ্, জবাব দে, বাড়ি যা, ব্যথা দি, হাবুডুবু খা, আছাড় খা ইত্যাদি।

**ধ্বন্যাত্মক ধাতু** ঃ বাংলা ভাষাৰ কেতবোৰ ধ্বন্যাত্মক ধাতু তলত উল্লেখ কৰা হ'ল—

কটকটা, খটখটা, গড়গড়া, চড়চড়া, ধুক ধুকা, টলবলা, চুলবুলা, চিল্লা, টুপা ইত্যাদি

### ৩.৪.২ বাংলা ভাষাৰ ক্ৰিয়াৰ বিভাজন

বাংলা ভাষাৰ ক্ৰিয়াবোৰত বিভিন্ন দিশৰ ওপৰত নিৰ্ভৰ কৰি শ্ৰেণীবিভাজন কৰা হয়।

ক্ৰিয়াৰ কাৰ্য সম্পূৰ্ণ হোৱা আৰু নোহোৱা অৰ্থত ক্ৰিয়াক সমাপিকা আৰু অসমাপিকা ক্ৰিয়াত ভাগ কৰা হয়।

**সমাপিকা ক্ৰিয়া** ঃ ক্ৰিয়াই কাৰ্য সম্পূৰ্ণ কৰিলে তাক সমাপিকা ক্ৰিয়া বোলে। যেনে—

সে ভাত খাইল।

আমি বইটা পৰিলাম।

সন্ধা সমাগত হইল। ইত্যাদি।

**অসমাপিকা ক্ৰিয়া** ঃ অসমাপিকা ক্ৰিয়াই ক্ৰিয়াৰ কাৰ্য সম্পূৰ্ণ হোৱা নুবুজায়। ধাতুৰ পাছত '-ইতে', '-ইয়া', '-ইলে' আদি প্ৰত্যয় যোগ কৰি বাংলা ভাষাত অসমাপিকা ক্ৰিয়া বুজোৱা হয়। যেনে—

সে কথা কহিতে লাগিল।

মুখ দেখিয়া সব বুজিতে পাৰিল।

সূৰ্য অস্ত হইলে আমি যাব। ইত্যাদি।

বাক্যত কৰ্ম থকা নথকা অনুসৰি ক্ৰিয়াক সকৰ্মক আৰু অকৰ্মক ক্ৰিয়া এই দুটা ভাগত ভগাব পাৰি। যি কৰ্মৰ ক্ৰিয়া থাকে সেয়া সকৰ্মক ক্ৰিয়া আৰু যি ক্ৰিয়াৰ কৰ্ম নাথাকে সেয়া অকৰ্মক ক্ৰিয়া। যেনে—

সকৰ্মক ক্ৰিয়া ঃ মধু ইংৰাজী শিখছে।

অকৰ্মক ক্ৰিয়া ঃ গাড়ি চলিল।

ক্ৰিয়া সম্পন্ন হোৱা আৰু নোহোৱা অনুসৰি বাংলা ভাষাৰ ক্ৰিয়াক আস্ত্যৰ্থক আৰু নাস্ত্যৰ্থক হিচাপে ভাগ কৰিব পাৰি। যেনে—

অস্ত্যৰ্থক ঃ আমি ভাত খেয়েছি।

নাস্ত্যৰ্থক ঃ আমি আজ যাব না।

বাংলা ভাষাত নাস্ত্যৰ্থক বুজাবলৈ ক্রিয়া ৰূপৰ পাছত '-না' ৰূপ লগ লাগে।

**অনিয়মিত ক্রিয়া** ঃ বাংলা ভাষাতো কেইটামান অনিয়মিত ক্রিয়া আছে। সেইকেইটাৰ সকলো কাল আৰু পুৰুষত ৰূপ নহয়। সেইকেইটা হ'ল-

আছ্ থাকব

যা যাইলাম

আম আসব

কয় কইলাম

বট বটে

নই নয়

**পাঁচনী ক্রিয়া** ঃ পাঁচনী ধাতুৰ পাছত ক্রিয়া বিভক্তি লগ লগাই বাংলা ভাষাত পাঁচনী ক্রিয়া গঠন কৰা হয়। যেনে—

মা ছেলেটিকে শোৱাচ্ছেন।

তাহাৰ চোখেৰ জল মুছাইল।

**নামক্রিয়া** ঃ নামধাতুৰ পাছত ক্রিয়াবিভক্তি লগ লগাই নামক্রিয়া গঠন কৰা হয়। যেনে—

বিষাইছে, গোৱাইল, কিলিয়ে ইত্যাদি।

**নিমিত্তাৰ্থ ক্রিয়া বা তুমুনন্ত** ঃ সাধাৰণতে বাংলা ভাষাত '-ইতে' প্রত্যয় ধাতুৰ পাছত লগ লগাই তুনুনণ্ড গঠন কৰা হয়। যেনে—

সে চলিতে পাৰে।

তাহাকে যাইতে দেখিলাম।

**কৃদন্ত** ঃ বৰ্তমান কালিক কৃদন্ত ঃ আমি যাইতে সে আছিল।

ভূত কালিক কৃদন্ত ঃ আমি কৰিয়া থাকিব।

ভবিষ্যত কালিক কৃদন্ত ঃ আমি গিয়ে থাকব।

**ক্রিয়াপদৰ পুৰুষ** ঃ বাংলা ভাষাত ক্রিয়াৰ পুৰুষ তিনিটা—

১। প্ৰথম পুৰুষ

২। দ্বিতীয় পুৰুষ

৩। তৃতীয় পুৰুষ

দ্বিতীয় পুৰুষৰ তুচ্ছ, মান্য আৰু অধিক মান্য এই তিনিটা উপৰূপ পোৱা যায়।

**ক্রিয়াৰ ভাৱ** ঃ বাংলা ভাষাত ক্রিয়াৰ ভাৱ তিনিটা—

১। নিৰ্দেশক ভাৱ

২। অনুজ্ঞা ভাৱ আৰু

৩। সংযোজক ভাৱ

নির্দেশক ভাৱে ক্ৰিয়াৰ সাধাৰণ নির্দেশৰ অর্থ বুজায়। যেনে—

কাল থেকে পৰীক্ষা শুৰু হবে।

স্কুল থেকে ফিৰেছে

অনুজ্ঞা ভাৱে আদেশ, অনুৰোধ, অনুমাত, প্রার্থনা, আশীর্বাদ আদি বুজায়। যেনে—

এখুনি পড়তে বস (আদেশ)

সুখী হও (আশীর্বাদ) ইত্যাদি।

এটা ক্ৰিয়া আন এটা ক্ৰিয়াৰ নির্ভৰশীল হোৱা ভাৰক সংযোজক ভাৰ বোলে। যেনে—

যদি ভালো বোঝ তবেই কোৰো।

**ক্ৰিয়াৰ কাল** ঃ বাংলা ভাষা ক্ৰিয়াৰ কাল তিনিবিধ— বর্তমান কাল, অতীত কাল আৰু ভবিষ্যত কাল। বর্তমান কালৰ ভাগ দুটা— নিত্য বর্তমান আৰু চলিত বর্তমান। আকৌ অতীত কালৰো ভাগ দুটা সাধাৰণ অতীত আৰু চলিত অতীত। ধাতুত এই কালবাচক বিভক্তি লগ লগাৰ পাছত পুৰুষবাচক বিভক্তি লগ লাগি ক্ৰিয়াপদৰ গঠন হয়। কেতবোৰ উদাহৰণ—

নিত্য বর্তমান কাল ঃ আমি ভাত খায়।

চলিত বর্তমান কাল ঃ আমি ভাত খেয়েছি।

সাধাৰণ অতীত কাল ঃ আমি কাজটা কৰলাম।

চলিত অতীত কাল ঃ আমি কাজটা কৰেছিলাম।

ভবিষ্যত কাল ঃ আম্রা ভাত খাইব।

**ক্ৰিয়াৰ বাচ্য** ঃ বাংলা ভাষাত ক্ৰিয়াৰ বাচ্য তিনিপ্রকাৰৰ—

১। কর্তৃবাচ্য

২। কর্মবাচ্য

৩। ভাৱবাচ্য

উদাহৰণ—

১। কর্তৃবাচ্য ঃ ছাত্র ব্যাকৰণ পড়ে।

২। কর্মবাচ্য ঃ চোৰটি নিষ্ঠুৰভাৱে প্রহৃত হইয়াছে।

৩। ভাৱবাচ্য ঃ তাৰ গান শোনা হয়নি।

এই তিনিটা বাচ্যৰ ওপৰি বাংলা ভাষাত কর্ম-কর্তৃবাচ্য নামে আন প্রকাৰৰ বাচ্যও পোৱা যায়। কর্মই কর্তাৰ দৰে আচৰণ কৰিলে তাক কর্ম-কর্তৃবাচ্য বোলা হয়। যেনে—

বৃষ্টি পড়ে।

**আত্মমূল্যায়ন প্ৰশ্নঃ**

১। ক্ৰিয়াৰ বাচ্যৰ ক্ষেত্ৰত অসমীয়া ভাষাৰ লগত বাংলা ভাষাৰ বৈসাদৃশ্য কি? (৩০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

২। অসমীয়া ভাষা আৰু বাংলা ভাষাৰ ক্ৰিয়াৰ ভাৱ ক্ষেত্ৰত কি কি সাদৃশ্য আৰু বৈশাদৃশ্য পোৱা যায়? (৪০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..............................................................................................................

..............................................................................................................

..............................................................................................................

### ৩.৫ ওড়িআ ভাষাৰ ক্ৰিয়া

ওড়িআ ভাষাটো ধাতুৰ লগত ক্ৰিয়াবিভক্তি লগলাগি ক্ৰিয়া পদৰ গঠন হয়। ক্ৰিয়াৰ কাল আৰু পুৰুষ অনুযায়ী ধাতুৰ লগত ক্ৰিয়া বিভক্তি যোগ হয়।

#### ৩.৫.১ ওড়িআ ভাষাৰ ধাতুৰ শ্ৰেণীবিভাজন

ওড়িআ ভাষাৰ ধাতুবোৰকো উৎস আৰু প্ৰকৃতি অনুসৰি দুটা ভাগত ভগাব পাৰি—

১। মুখ্য আৰু মৌলিক ধাতু (Primary Roots)

২। গৌণ আৰু সাধিত ধাতু (Secondary Roots or Derivatives)

মুখ্য বা মৌলিক ধাতুবোৰক আকৌ চাৰিটা ভাগত ভগাব পৰি—

(ক) তদ্ভৱ ধাতু, (খ) সংস্কৃত পাঁচনী ধাতুৰ পৰা উদ্ভূত ধাতু

(গ) তৎসম আৰু অৰ্ধতৎসম ধাতু আৰু (ঘ) সন্দেহজনক উৎসৰ ধাতু

গৌণ বা সাধিত ধাতুবোৰকো কেইটামান ভাগত ভাগ কৰি আলোচনা কৰিব পাৰি—

(ক) পাঁচনী ধাতু (খ) নামধাতু (গ) যৌগিক ধাতু

(ঘ) ধ্বন্যাত্মক ধাতু আৰু (ঙ) সন্দেহজনক উৎসৰ ধাতু

ওড়িআ ভাষাৰ এই সকলো প্ৰকাৰৰ ধাতুৰ কেতবোৰ উদাহৰণ তলত উল্লেখ কৰা হ'ল—

**মুখ্য ধাতু ঃ**

তদ্ভৱ ধাতু ঃ কৰ, নাচ, ৰখ, বধ, খা, আগম, আচাৰ, কিন, কহ ইত্যাদি।

সংস্কৃত পাঁচনী ধাতুৰ পৰা উদ্ভূত ধাতু ঃ

মাৰ (মাৰয়তি), হান (হানয়তি)

তৎসম আৰু অৰ্ধতৎসম ধাতু ঃ

গৰ্জ, বস, হস, সেৱ, চুম্ব, গৰজ, বৰষ, পৰশ আদি।

সন্দেহজনক উৎসৰ ধাতু ঃ আঁচ্, আল্ট, কাচ আদি।

**গৌণ ধাতু ঃ**

পাঁচনী ধাতু ঃ অসমীয়া আৰু বাংলা ভাষাৰ নিচিনাকৈ ওড়িআ ভাষাতো '-আ' প্ৰত্যয় লগ লগাই পাঁচনী ধাতু গঠন কৰা হয়। যেনে—

হৰা, কৰা, লিখা, কন্দা, দেখা ইত্যাদি।

নামধাতু ঃ নামশব্দৰ পাছত '-আই' প্ৰত্যয় লগ লগাই ওড়িআ ভাষাত নামধাতু গঠন কৰা হয়। অবশ্যে কেতিয়াবা '-আই' প্ৰত্যয় '-এই' ৰূপলৈ পৰিৱৰ্তন হয়। যেনে— গজেইবা, কনেইবা, ঢকেইবা, লটেইবা, আগেইবা, উঝালিবা, গেলহাইবা ইত্যাদি।

যৌগিক ধাতু ঃ দৰ্শন কৰ, গমন কৰ, পতিত হেউ ইত্যাদি।

ধ্বন্যাত্মক ধাতু ঃ জম্‌কিবা, চম্‌কিবা, দম্‌কিবা, কটকট, চৰচৰ, গৰগৰ ইত্যাদি।

সন্দেহজনক উৎসৰ ধাতু ঃ গোটা, নেউটা ইত্যাদি।

### ৩.৫.২ ওড়িআ ভাষাৰ ক্ৰিয়াৰ শ্ৰেণীবিভাজন

অসমীয়া আৰু বাংলা ভাষাৰ নিচিনাকৈ ওড়িআ ভাষাটো বিভিন্ন দিশৰ ওপৰত নিৰ্ভৰ কৰি ক্ৰিয়াপদৰ বিভাজন কৰি আলোচনা কৰা হয়। সেই বিভাজনবোৰ উল্লেখ কৰি কেতবোৰ উদাহৰণ দাঙি ধৰাৰ প্ৰয়াস কৰা হ'ল—

সমাপিকা ক্ৰিয়া ঃ মুঁ ভাত খাইলি।

মনোজ গোৱা গলা।

অসমাপিকা ক্ৰিয়া ঃ সৈন্যমানে অস্ত্ৰ ধৰি যুদ্ধকো গলে।

সকৰ্মক ক্ৰিয়া ঃ সে ভাত খাইলি।

সে কামটি কৰাইলে।

অকৰ্মক ক্ৰিয়া ঃ কুকুৰে ভুকুছে।

ৰাম খাইছি।

দ্বিকৰ্মক ক্ৰিয়া ঃ শিক্ষক ছাত্ৰক প্ৰশ্ন পচাৰিলে।

আস্তাৰ্থক ক্ৰিয়া ঃ সে ভাত খাইলি।

সে পলাই গলা।

নাস্তাৰ্থক ক্ৰিয়া ঃ মুঁ স্কুল যিবি নাহি।

সে ঘৰ নাহি।

পাঁচনী ক্ৰিয়া ঃ সে কামটি কৰাইলে।

শিক্ষক পাঠ পঢ়াইলে।

নামক্ৰিয়া ঃ গজিলা, কানেইছি ইত্যাদি।

যৌগিক ক্ৰিয়া ঃ জমা কৰিছি, দৰ্শন কৰন্তু

ধ্বন্যাত্মক ক্রিয়া ঃ গুণগুণায়, ভুকুছে

অনিয়মিত ক্রিয়া ঃ ওড়িআ ভাষাৰ অনিয়মিত ক্রিয়া কেইটা হ'ল- আছ, কৰ, যা, হো, নে। উদাহৰণ—

এথাকু আছ।

কামটা কৰ।

এথু যা।

পিলাথানে ধীৰে ধীৰে বড় হোঅন্তি

বহিতা নে।

লিখিতাৰ্থক ক্রিয়া ঃ কৰিবাকু, কহিবাকু, দিবাকু ইত্যাদি।

**কৃদন্ত ঃ**

বৰ্তমান কৃদন্ত ঃ -অন্ত, -অন্তা, -অন্তি আদি প্রত্যয়ৰ সংযোগত ওড়িআ ভাষাত বৰ্তমানকালিক কৃদন্ত গঠন হয়। যেনে- হোন্ত, চলন্তি, ঘুমন্ত।

-উ, উং, উন প্রত্যয়ৰ সংযোগতো বৰ্তমান কালিক কৃদন্ত গঠন হয়। যেনে— খউ, খাউং, ঘাউন ইত্যাদি।

অতীত কালিক কৃদন্ত ঃ -আ, -ই, লা প্রত্যয়ৰ সংযোগত অতীত কালিক কৃদন্ত গঠন হয়। যেনে— নিআ, ধৰি, কহিলা, ইত্যাদি।

ভবিষ্যত কালিক কৃদন্ত ঃ '-ইবা' প্রত্যয়ৰ সংযোগত ওড়িআ ভাষাত ভবিষ্যত কালিক কৃদন্ত গঠন হয়। যেনে— কৰিবা, খাইবা ইত্যাদি।

### ৩.৫.৩ ক্রিয়াৰ অন্যান্য দিশ

ক্রিয়াৰ পুৰুষ ঃ অসমীয়া বাংলাৰ নিচিনাকৈ ওড়িআ ভাষাতো ক্রিয়াৰ পুৰুষ তিনি প্রকাৰৰ— প্রথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ। দ্বিতীয় পুৰুষৰ আকৌ তুচ্ছ, মান্য আৰু অধিক মান্য এই তিনিটা উপবিভাগ পোৱা যায়।

ক্রিয়াৰ পুৰুষ ঃ ওড়িআ ভাষাতো ক্রিয়াৰ কাল তিনিপ্রকাৰৰ— বৰ্তমান কাল, অতীত কাল আৰু ভবিষ্যত কাল। বৰ্তমান কাল দুই প্রকাৰৰ—নিত্য বৰ্তমান আৰু চলিত বৰ্তমান। একেদৰে অতীত কাল আকৌ তিনি প্রকাৰৰ— সাধাৰণ অতীত, চলিত অতীত কাল আৰু সম্ভাব্য অতীত কাল। তলত উদাহৰণ দাঙি ধৰা হ'ল—

নিত্য বৰ্তমান ঃ মুঁ ভাত খাএ।

চলিত বৰ্তমান ঃ মুঁ ভাত খউছি।

সাধাৰণ অতীত ঃ মুঁ ভাত খাইলি।

চলিত অতীত ঃ মুঁ ভাত খউথিলি।

সম্ভাব্য অতীত ঃ যি ক্রিয়াৰ কাৰ্য অতীত কালত সম্পন্ন হোৱাৰ সম্ভাৱনা আছিল কিন্তু হৈ নুঠিল সেয়াই সম্ভাব্য অতীত কাল। যেনে—যদি সে আছন্তে তেবে মুঁ যাঅন্তি।

ভৱিষ্যত কাল ঃ মুঁ ভাত খাইবি।

ক্ৰিয়াৰ বাচ্য ঃ ওড়িআ ভাষাতো ক্ৰিয়াৰ বাচ্য তিনিবিধ— কৰ্তৃবাচ্য, কৰ্মবাচ্য আৰু ভাৱবাচ্য।

কৰ্তৃবাচ্য ঃ মুঁ ভাত খাইলি।

কৰ্মবাচ্য ঃ 'আ' প্ৰত্যয়ৰ সংযোগত সাধাৰণতে ওড়িআ ভাষাত কৰ্মবাচ্য গঠন কৰা হয়। যেনে— পণ্ডিত বোলাত্ৰ। কেতিয়াবা 'দ্বাৰা' ৰূপ প্ৰয়োগৰ দ্বাৰাও কৰ্মবাচ্য গঠন কৰা হয়। যেনে— ৰাৱণ ৰামাঙ্ক দ্বাৰা হত হেলা।

ভাৱবাচ্য ঃ মোৰ খিআ হেলা নাহি

কৰ্ম-কৰ্তৃবাচ্য ঃ ভেৰি বাজে।

ঘড়ি চলে।

ক্ৰিয়াৰ ভাৱ ঃ ওড়িআ ভাষাত ক্ৰিয়াৰ ভাৱ তিনিবিধ— নিৰ্দেশক, অনুজ্ঞা আৰু সংযোজক। উদাহৰণ—

নিৰ্দেশক ভাৱ ঃ মুঁ কাম কৰিছি।

অনুজ্ঞা ভাৱ ঃ তমে কৰ।

সংযোজক ভাৱ ঃ সে যেবে আছিব মুঁ জীৰি।

**আত্মমূল্যায়ন প্ৰশ্নঃ**

ক্ৰিয়াৰ কাল আৰু ভাৱৰ দিশত অসমীয়া ভাষাৰ লগত ওড়িআ ভাষাৰ কি কি পাৰ্থক্য দেখা যায়? (৪০ টা মান শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

**৩.৬ সাৰাংশ (Summing Up)**

ক্ৰিয়া পদৰ দিশত অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত সাদৃশ্য ই অধিক। তিনিওটা ভাষাতে ক্ৰিয়াৰ মূল অৰ্থাৎ ধাতুক প্ৰধানকৈ দুটা ভাগত— মুখ্য ধাতু আৰু গৌনধাতুত ভাগ কৰি আলোচনা কৰা হয়। অৱশ্যে সাধিত ধাতু গঠনৰ ক্ষেত্ৰত যোগ হোৱা প্ৰত্যয়বোৰ বেলেগ বেলেগ। ধ্বন্যাত্মক ধাতুৰ ক্ষেত্ৰত ভাষাবোৰৰ মাজত নিজস্ব বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। ক্ৰিয়াপদৰ বিভাজনৰ ক্ষেত্ৰতো ভাষা তিনিটাত সাদৃশ্যই অধিক। অৱশ্যে কাল আৰু পুৰুষ বাচক বিভক্তিসমূহ ভিন ভিন হোৱা দেখা যায়। ক্ৰিয়াৰ কালৰ দিশত তিনিওটা ভাষাৰে সাদৃশ্য অধিক যদিও ওড়িআ ভাষাত বৈশিষ্ট্যপূৰ্ণ সম্ভাব্য অতীত কাল দেখা যায়। ক্ৰিয়াৰ বাচ্য, ভাৱ আদিৰ ক্ষেত্ৰতো তিনিওটা ভাষাৰ সাদৃশ্য বিদ্যমান।

### ৩.৭ আৰ্হিপ্ৰশ্ন (Sample Questions)

১। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ধাতু সম্পৰ্কে এটি আলোচনা যুগুত কৰক।

২। ক্ৰিয়াপদবোৰক কেনেদৰে শ্ৰেণীবিভাজন কৰিব পাৰি?

৩। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ক্ৰিয়াৰ পুৰুষ আৰু কাল সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

৪। ক্ৰিয়াৰ ভাৱ মানে কি? অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ক্ৰিয়াৰ ভাৱৰ এটি তুলনামূলক আলোচনা যুগুত কৰক।

৫। ক্ৰিয়াপদ মানে কি? অসমীয়া ক্ৰিয়াপদৰ সৈতে বাংলা বা ওড়িআ যিকোনো এটা ভাষাৰ তুলনা কৰি দেখুৱাওক।

৬। চমুটোকা লিখক

| | |
|---|---|
| (ক) অসমীয়া ভাষাৰ মুখ্য ধাতু | (খ) অসমীয়া ভাষাৰ ক্ৰিয়াৰকাল |
| (গ) বাংলা ভাষাৰ গৌণধাতু | (ঘ) বাংলা ভাষাৰ ক্ৰিয়াৰ ভাৱ |
| (ঙ) ওড়িআ ভাষাৰ নামধাতু | (চ) ওড়িআ ভাষাৰ ক্ৰিয়াৰ বাচ্য |

### ৩.৮ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


উপেন্দ্ৰনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ ব্যাকৰণ*

গোলোক চন্দ্ৰ গোস্বামী ঃ *অসমীয়া ব্যাকৰণৰ মৌলিক বিচাৰ*

লীলাৱতী শইকীয়া বৰা ঃ *অসমীয়া ভাষাৰ ৰূপতত্ত্ব*

দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ তুলনামূলক অধ্যয়ন*

Banikanta Kakati : *Assamese, Its Formation and Development*

Haripriya Misra : *Historical Oriya Morphology*

S. K. Chatterji : *The Origin and Development of the Bengali*

K. Bhattacharjee : *Bengali-Oriya Verb Morphology : A Contrastive Study*

P.N. Dutta Baruah : *Descriptive Analysis of Assamese & Oriya Morphology*


*****

## চতুৰ্থ বিভাগ
## মগধীয় ভাষাসমূহৰ পাৰস্পৰিক সম্পৰ্কৰ বিচাৰ

**বিভাগৰ গঠনঃ**

৪.১ ভূমিকা (Introduction)
৪.২ উদ্দেশ্য (Summing Up)
৪.৩ মগধীয় ভাষা হিচাপে অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সাদৃশ্য আৰু বৈসাদৃশ্য
৪.৪ ধ্বনিগত বিচাৰ
৪.৫ ৰূপগত বিচাৰ
৪.৬ শব্দগত বিচাৰ
৪.৭ সাৰাংশ (Summing Up)
৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)
৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)

### ৪.১ ভূমিকা (Introduction)

আগৰ বিভাগত অসমীয়া বাংলা আৰু ওড়িআ ভাষাৰ ক্ৰিয়াপদৰ বিষয়ে আলোচনা কৰি অহা হৈছে। এই বিভাগটিত মগধীয় ভাষাসমূহৰ ভিতৰত তিনিটা উল্লেখযোগ্য ভাষা অসমীয়া, বাংলা আৰু ওড়িআৰ পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰা হ'ব।

একোটা ভাষাৰ ভাষাগত বৈশিষ্ট্যসমূহ নিৰূপন কৰোঁতে তুলনামূলক আলোচনাৰ বিশেষ সহায় ল'বলগীয়া হয়। মাগধী অপভ্ৰংশৰ পৰা সৃষ্টি হোৱা ভাষা অসমীয়াৰ লগত একেবাৰে নিকট সম্পৰ্ক থকা ভাষাসমূহৰ তুলনা অপৰিহাৰ্য। কাৰণ, মগধীয় ভাষাসমূহৰ পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰোঁতে ইটো ভাষাৰ লগত সিটো ভাষাৰ সাদৃশ্য আৰু বৈসাদৃশ্য নিৰূপন কৰাটো অতি প্ৰয়োজনীয়। বৰ্তমান ভাষাবিজ্ঞানৰ অধ্যয়নত তুলনামূলক ভাষাবিজ্ঞানে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। সেই দৃষ্টিৰে মগধীয় ভাষাৰূপে অসমীয়া ভাষাৰ স্বৰূপ নিৰ্ণয় কৰোঁতে আটাইতকৈ প্ৰয়োজনীয় হ'ব— বাংলা আৰু ওড়িআ ভাষাৰ লগত ইয়াৰ তুলনামূলক আলোচনা কৰাটো। ভাষাৰ তুলনামূলক অধ্যয়নত ইয়াৰ— ধ্বনি, ৰূপ, শব্দ আদি সকলো দিশ বিচাৰ কৰি চাব লাগিব। এই উদ্দেশ্য আগত ৰাখি মগধীয় ভাষাৰূপে অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰূপ আৰু বৈশিষ্ট্য নিৰূপন কৰাৰ প্ৰয়াস কৰা হ'ল।

## ৪.২ উদ্দেশ্য (Summing Up)

এই বিভাগটিৰ আলোচিত কথাখিনি অধ্যয়ন কৰাৰ অন্তত আপুনি—

- মগধীয় ভাষা হিচাপে অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সাদৃশ্য আৰু বৈসাদৃশ্য বিশ্লেষণ কৰিব পাৰিব;
- ধ্বনিগত দিশত ভাষা তিনিটাৰ সাদৃশ্য আৰু বৈসাদৃশ্য বিচাৰ কৰিব পাৰিব;
- ৰূপগত দিশত ভাষা তিনিটাৰ সম্পৰ্ক উপলব্ধি কৰিব পাৰিব; আৰু
- তিনিওটা ভাষাৰ শব্দগত দিশত থকা মিল-অমিলসমূহ দাঙি ধৰিব পাৰিব।

## ৪.৩ মগধীয় ভাষা হিচাপে অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সাদৃশ্য আৰু বৈসাদৃশ্য

অসমীয়া, বাংলা আৰু ওড়িআ —এই তিনিও ভাষাৰে জননী হ'ল প্ৰাচীন ভাৰতীয় আৰ্য তথা সংস্কৃত ভাষা। অসমীয়া ভাষা হ'ল উত্তৰ পূব ভাৰতৰ অসম প্ৰদেশৰ ৰাজ্যভাষা। এই ভাষা অসমৰ উপৰি অৰুণাচল প্ৰদেশ, মেঘালয় আৰু নগালেণ্ডতো প্ৰচলিত। ভাৰতীয় সংবিধানৰ স্বীকৃতিপ্ৰাপ্ত ভাষাসমূহৰ ভিতৰত এই ভাষাই দ্বাদশ স্থান লাভ কৰিছে। অসমৰ পূৰ্বৰ নাম আছিল কামৰূপ আৰু প্ৰাগজ্যোতিষপুৰ। ত্ৰয়োদশ শতিকাত টাই গোষ্ঠীৰ আহোমসকল অসমলৈ অহাৰ পিছৰ পৰাহে এই ভূখণ্ডৰ নাম 'অসম' নামেৰে জনাজাত হ'ল। ইয়াত বসবাস কৰা লোকসকলক 'অসমীয়া' আৰু ভাষাটোকো 'অসমীয়া' ৰূপে নামকৰণ কৰা হ'ল। অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে বিভিন্ন ভাষাবিদে বিভিন্ন মন্তব্য কৰা কথা ইতিমধ্যে উল্লেখ কৰি অহা হৈছে। ভাষাবিদ গ্ৰীয়াৰ্ছন চাহাব , ড° বাণীকান্ত কাকতি আদিয়ে মাগধী প্ৰাকৃতৰ পৰাই অসমীয়া আৰু ভগ্নীস্থানীয় ভাষা বাংলা আৰু উড়িয়াৰ জন্ম হোৱা বুলি কৈছে। দেৱানন্দ ভৰালিৰ মতে, অসমীয়া ভাষাৰ মূল কামৰূপী আৰু সৌমাৰ প্ৰাকৃত। বেণীমাধৱ বৰুৱা, ডিম্বেশ্বৰ নেওগৰ মতে কামৰূপী প্ৰাকৃতৰ পৰা অসমীয়া ভাষাৰ জন্ম হৈছে। কালিৰাম মেধিৰ মতে — শৌৰসেনী আৰু মাগধীৰ সংমিশ্ৰণৰ ফলত এই ভাষাৰ জন্ম হৈছে। কনকলাল বৰুৱাৰ মতে — পৈশাচী প্ৰাকৃতহে অসমীয়া ভাষাৰ মূল। ড° নাথান ব্ৰাউনৰ মতে আৰ্যভিন্ন ভাষাৰ উপাদানৰ প্ৰাচুৰ্যইহে অসমীয়া ভাষাক সমৃদ্ধ কৰিছে। অধিকাংশ পণ্ডিতেই মাগধী প্ৰাকৃতেই অসমীয়া ভাষাৰ মূল বুলি মত সাব্যস্ত কৰিছে। বাণীকান্ত কাকতি, বিৰিঞ্চি কুমাৰ বৰুৱা, গোলোক চন্দ্ৰ গোস্বামী আদি যে এই ক্ষেত্ৰত বিভিন্ন আলোচনা আগবঢ়াইছে। অন্যান্য আধুনিক ভাৰতীয় আৰ্যভাষাৰ দৰে অসমীয়া ভাষায়ো খ্ৰীষ্টাব্দ দশম শতিকাৰ পৰা প্ৰাদেশিক ৰূপ লাভ কৰিবলৈ প্ৰয়াস কৰে। অসমীয়া ভাষাৰ সাহিত্যিক নিদৰ্শন খ্ৰীষ্টাব্দ চতুৰ্দ্দশ শতিকাৰ পৰাহে পোৱা যায়। পঞ্চম শতিকাৰ পৰা চতুৰ্দ্দশ শতিকাৰ ভিতৰত অসমীয়া ভাষাৰ নিদৰ্শনৰূপে বিভিন্ন তামৰ ফলি, শিলালিপি আৰু সহজযান বৌদ্ধ সিদ্ধাচাৰ্যসকলে ৰচনা কৰা চৰ্য্যাপদ বা চৰ্য্যাগীতবিলাকৰ ভাষাৰ জৰিয়তে পোৱা যায়। অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ ওপৰত নিৰ্ভৰ কৰি ইয়াৰ সাহিত্যৰ বুৰঞ্জীক প্ৰাচীন অসমীয়া, মধ্য অসমীয়া আৰু আধুনিক অসমীয়া এই তিনিটা ভাগত ভগোৱা হৈছে।

অসমীয়া ভাষাৰ ভালেকেইটা উপভাষা আছে এই উপভাষাসমূহে মান্যভাষাৰ সমৃদ্ধিত বিশেষ ইন্ধন যোগাইছে।

আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত পশ্চিম বংগৰ বাংলা ভাষা অন্যতম। ই পশ্চিমবংগ আৰু ত্ৰিপুৰাৰ চৰকাৰী ভাষা। এই ভাষাৰ ইতিহাসক সাহিত্যিক নিদৰ্শনৰ ওপৰত নিৰ্ভৰ কৰি তিনিটা প্ৰধান ভাগত ভগোৱা হৈছে— প্ৰাচীন বাংলা, মধ্য বাংলা আৰু আধুনিক বাংলা। এই ভাষাও পূৱ মাগধী অপভ্ৰংশৰ পৰা সৃষ্টি হৈছে। এই ভাষাৰ কেইবাটাও উপভাষা আছে, যিবোৰে মান্য ভাষাৰ বিকাশত প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে। অসমীয়া ভাষাৰ ভগ্নীস্থানীয় ভাষা হোৱা হেতুকে এই ভাষাৰ লগত অসমীয়া ভাষাৰ সাদৃশ্য বৈসাদৃশ্য নিৰূপন কৰাটো অতন্ত্য জৰুৰী।

পূৱ মাগধী অপভ্ৰংশৰ পৰা উদ্ভৱ হোৱা আন এটি ঐতিহ্যপূৰ্ণ আৰু সমৃদ্ধ ভাষা হ'ল উৰিষ্যাৰ ওড়িআ ভাষা। ই উৰিষ্যাৰ ৰাজ্যভাষা। ওড়িআ ভাষাৰ সাহিত্যিক নিদৰ্শনে ইয়াৰ যুগবিভাজনৰ গতি প্ৰকৃতি নিৰ্ণয় কৰে। সেই যুগবিভাগ কেইটা হ'ল — প্ৰাক্-শাৰলা যুগ, শাৰলা যুগ, পঞ্চসখা যুগ, ৰীতি যুগ আৰু আধুনিক যুগ। উড়িয়া ভাষাৰো কেইবাটাও উপভাষা আছে যি উড়িয়া ভাষাৰ সমৃদ্ধিত সহায় কৰিছে।

অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কেতবোৰ নিজস্ব বৈশিষ্ট্য আছে আৰু পাৰম্পৰিক সম্পৰ্ক ৰক্ষা কৰি এই ভাষাকেইটা আপোন গতিৰে বিকাশ লাভ কৰিছে।

ভাষাৰ ভাষাগত বৈশিষ্ট্য বুলিলে ইয়াৰ ধ্বনি, ৰূপ, শব্দ আদি আটাইবোৰ দিশেই বিচাৰ কৰি চাব লাগিব। ইয়াৰ ভিতৰত ধ্বনিগত বিচাৰত স্বৰধ্বনি, ব্যঞ্জনধ্বনি; ৰূপগত বিচাৰত বচন, লিংগ, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, কাৰক, শব্দবিভক্তি আদি আৰু শব্দগত বিচাৰত বিভিন্ন শব্দৰ ব্যৱহাৰৰ তুলনা অপৰিহাৰ্য। মগধীয় ভাষা হিচাপে অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ সাদৃশ্য আৰু বৈসাদৃশ্যসমূহ তলত আলোচনা কৰি দেখুওৱা হ'ল—

### ৪.৪ ধ্বনিগত বিচাৰ

**অসমীয়া ভাষাৰ ধ্বনিতত্ত্ব**

আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত অসমীয়া ভাষাৰ ধ্বনিতত্ত্বই এক বৈশিষ্ট্যপূৰ্ণ স্থান লাভ কৰিছে, কিয়নো ইয়াৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ প্ৰয়োগত কেতবোৰ স্বকীয় বৈশিষ্ট্য লক্ষ্য কৰা যায়। অসমীয়া ভাষাৰ ধ্বনিতত্ত্বৰ আলোচনা তলত দাঙি ধৰা হ'ল —

**স্বৰধ্বনি ঃ** অসমীয়া ভাষাৰ বৰ্ণমালাত এঘাৰটা আখৰ পোৱা যায়। তাৰ কেৱল আঠটাহে বিশিষ্ট ধ্বনি হিচাপে উচ্চাৰিত হয়। সেইকেইটা হ'ল — ই, এ' , এ, অ', অ, আ, ও আৰু উ। জিভাৰ অংশ অনুযায়ী এই স্বৰধ্বনিকেইটাক সন্মুখ ( front), কেন্দ্ৰীয় (central) আৰু পশ্চ (back) — এই তিনিটা ভাগত ভগাব পাৰি। জিভাৰ উচ্চতা অনুসৰি এই স্বৰধ্বনিকেইটাক উচ্চ বা সংবৃত্ত, উচ্চমধ্য বা অৰ্দ্ধসংবৃত্ত, নিম্নমধ্য বা অৰ্দ্ধবিবৃত, নিম্ন

বা বিবৃত — এইকেইটা ভাগত ভগোৱা হৈছে। অসমীয়া স্বৰধ্বনিৰ তালিকাখন এনেধৰণে দেখুৱাব পাৰি—

| প্ৰান্তীয় | কেন্দ্ৰীয় | মূলীয় |
|---|---|---|
| উচ্চ সংবৃত | ই | উ |
| মধ্যসম অৰ্ধসংবৃত | এ’ | ও |
| মধ্যাভাস অৰ্ধবিবৃত | এ | অ’ |
| নিম্ন বিবৃত | আ | অ |

**ব্যঞ্জনধ্বনি ঃ** অসমীয়া ভাষাত বৰ্ণমালাত যিমানবোৰ আখৰ প্ৰয়োগ কৰা হয় উচ্চাৰণত সেই সকলেবোৰ পোৱা নাযায়। সংস্কৃত ভাষাৰ অনুৰূপে অসমীয়া ব্যঞ্জন বৰ্ণমালাত এক চল্লিশটা ব্যঞ্জন পোৱা যায়। কিন্তু উচ্চাৰণৰ দিশত অসমীয়া ভাষাত কেৱল তেইশটা ব্যঞ্জন ধ্বনিহে পোৱা যায়। উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী অসমীয়া ব্যঞ্জন ধ্বনিসমূহৰ তালিকা তলত দিয়া হ’ল —

| উচ্চাৰণৰ স্থান | | ঔষ্ঠ্য | | **দন্ত্যমূলীয়** | | তালব্য | | কণ্ঠ বা পশ্চ তালব্য | | কণ্ঠ নালীয় | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ |
| স্পৰ্শ ধ্বনি | অল্পপ্ৰাণ | প | ব | ত | দ | | | ক | গ | | |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | | | খ | ঘ | | |
| নাসিক্য | | | ম | | ন | | | | ঙ | | |
| উষ্ম | | | | চ | জ | | | স (X) | | | হ |
| পাৰ্শ্বিক | | | | | ল | | | | | | |
| তাড়িত | | | | | ৰ | | | | | | |
| অৰ্ধ-ব্যঞ্জন | | | ৱ | | | | য় | | | | |

**বাংলা ভাষাৰ ধ্বনিতত্ত্ব ঃ**

আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত পশ্চিমবঙ্গৰ বাংলা অন্যতম। সাহিত্যিক উৎকৰ্ষ, প্ৰাচীন ঐতিহ্য তথা আন্তৰ্জাতিক মৰ্যাদাৰ দিশৰ পৰা বাংলা ভাষাই বিশেষ স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। ঐতিহাসিক দৃষ্টিকোণৰ পৰা এই ভাষা পূৰ্ব মাগধী অপভ্ৰংশৰ পৰা উদ্ভূত। ই ত্ৰিপুৰা ৰাজ্যৰো **চৰকাৰী ভাষা**। প্ৰাচীন, মধ্য এই দুটা বস্তৰ অতিক্ৰমি আধুনিক বাংলা ভাষাই প্ৰায় অষ্টাদশ, ঊনবিংশ শতিকাত বিকাশ লাভ কৰিছে। ধ্বনিতাত্ত্বিক দিশৰ পৰা বাংলা ভাষাই এক নিজস্ব বৈশিষ্ট্য বহন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ স্বৰধ্বনি আৰু ব্যঞ্জন ধ্বনি সম্পৰ্কে তলত আলোচনা কৰা হ’ল —

**স্বৰধ্বনি ঃ** বাংলা বৰ্ণমালাতো এঘাৰটা আখৰ পোৱা যায়। উচ্চাৰিত হয় সাতোটা স্বৰ ধ্বনিহে অ, আ, ই, উ, এ’, এ, ও। জিভাৰ অংশ অনুযায়ী এই স্বৰধ্বনি কেইটাক সন্মুখ (front), কেন্দ্ৰীয় (central) আৰু পশ্চ (back) -এই তিনিটা ভাগত ভাগ কৰা হৈছে।

জিভাৰ উচ্চতা অনুযায়ী এই স্বৰধ্বনি কেইটাক উচ্চ বা সংবৃত্ত, উচ্চমধ্য বা অৰ্দ্ধসংবৃত্ত, নিম্নমধ্য বা অৰ্দ্ধবিবৃত, নিম্ন বা বিবৃত —এই কেইটা ভাগত ভগোৱা হৈছে। বাংলা ভাষাৰ স্বৰধ্বনিৰ তালিকাখন এনেধৰণে দেখুৱাব পাৰি—

| | সন্মুখ | কেন্দ্ৰীয় | পশ্চ |
|---|---|---|---|
| উচ্চ বা সংবৃত্ত | ই | | উ |
| উচ্চ বা অৰ্দ্ধসংবৃত্ত | এ’ | | ও |
| নিম্ন বা অৰ্দ্ধবিবৃত | এ (E) | | অ (O) |
| নিম্ন বা বিবৃত | | আ | |

**ব্যঞ্জন ধ্বনি ঃ** বাংলা ভাষাত ব্যঞ্জন বৰ্ণমালাত যিমানবোৰ আখৰ প্ৰয়োগ কৰা হয় উচ্চাৰণত এই সকলোবোৰ পোৱা নাযায়। উচ্চাৰণৰ দিশত বাংলা ভাষাত কেৱল সাতাইশটা ব্যঞ্জন ধ্বনিহে পোৱা যায়। উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী বাংলা ভাষাৰ ব্যঞ্জন ধ্বনিসমূহৰ তালিকাখন এনেধৰণৰ —

| উচ্চাৰণৰ স্থান | | দ্বৌষ্ঠ্য | | দন্ত্য | | দন্ত্যমূলীয় | | মূৰ্ধন্য | | দন্ত্যমূলীয় তালব্য | | কণ্ঠ্য | | কণ্ঠনালীয় | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ |
| স্পৰ্শজাত | অল্পপ্ৰাণ | প | ব | ত | দ | | | ট | ড | চ | জ | ক | গ | | |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | | | ঠ | ঢ | ছ | ঝ | খ | ঘ | | |
| নাসিক্য | | | ম | | | | ন | | | | | | ঙ | | |
| উষ্ম | | | | | | | | | | | স | | | | হ |
| পাৰ্শ্বিক | | | | | | | ল | | | | | | | | |
| তাড়িত | | | | | | | ৰ | | | | | | | | |

**ওড়িআ ভাষাৰ ধ্বনিতত্ত্ব ঃ**

উৰিষ্যাৰ ওড়িআ ভাষা আধুনিক ভাৰতীয় আৰ্যভাষাবোৰৰ ভিতৰত এটি বিশেষ সমৃদ্ধ ভাষা। সংস্কৃত ভাষাৰ ধ্বনিতত্ত্বৰ তুলনাত এই ভাষাৰ ধ্বনিতত্ত্ব বহু পৰিমাণে সৰলীকৃত হ’ল। ভগ্নীস্থানীয় ভাষা বাংলা আৰু অসমীয়াৰ লগত ইয়াৰ ধ্বনিতত্ত্বৰ অনেক সাদৃশ্য আছে যদিও কেইটামান বৈসাদৃশ্যই ইয়াক সেইকেইটা ভাষাৰ পৰা পৃথক ভাষাৰূপে প্ৰতিষ্ঠা কৰিছে। তলত উড়িয়া ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ এটি আলোচনা দাঙি ধৰা হ’ল—

**স্বৰধ্বনি ঃ** বৰ্ণমালাত বাংলা আৰু অসমীয়াৰ দৰে এঘাৰটা আখৰৰ বিপৰীতে ওড়িআ ভাষাত স্বৰধ্বনি হ’ল ছটা— অ, আ, ই, উ, ও আৰু এ। জিভাৰ অংশ অনুযায়ী ইয়াক সন্মুখ (Front), কেন্দ্ৰীয়(Central), আৰু পশ্চ (Back)—এই তিনিটা ভাগত ভাগ কৰা হৈছে। জিভাৰ উচ্চতা অনুযায়ী ইহঁতক উচ্চ সংবৃত্ত, মধ্য অৰ্দ্ধসংবৃত্ত, নিম্ন বিবৃত এইকেইটা ভাগত ভগোৱা হৈছে। তলত ওড়িআ ভাষাৰ স্বৰধ্বনিৰ তালিকাখন দেখুওৱা হ’ল—

| | সন্মুখ | কেন্দ্ৰীয় | পশ্চ |
|---|---|---|---|
| উচ্চ সংবৃত্ত | ই | | উ |
| মধ্য অৰ্দ্ধসংবৃত্ত | এ | | ও |
| নিম্ন বিবৃত | | আ | অ (O) |

**ব্যঞ্জন ধ্বনি ঃ** অসমীয়া আৰু বাংলা ভাষাৰ দৰে ওড়িআ ভাষাতো বৰ্ণমালাত যিমানবোৰ আখৰ প্ৰয়োগ কৰা হয় উচ্চাৰণত সেই সকলোবোৰ পোৱা নাযায়। উচ্চাৰণৰ দিশত ওড়িআ ভাষাত একত্ৰিশটা ব্যঞ্জন ধ্বনিহে পোৱা যায়। উচ্চাৰণৰ স্থান আৰু উচ্চাৰণৰ ধৰণ অনুযায়ী ওড়িআ ভাষাৰ ব্যঞ্জন ধ্বনিসমূহক তলৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ল—

| উচ্চাৰণৰ স্থান | | দ্বৌষ্ঠ্য | | দন্ত্য | | দন্ত্যমূলীয় | | মূৰ্ধন্য | | তালব্য | | কণ্ঠ্য | | কণ্ঠনালীয় | |
|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|---|
| উচ্চাৰণৰ ধৰণ | | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ | অঘোষ | ঘোষ |
| স্পৰ্শধ্বনি | অল্পপ্ৰাণ | প | ব | ত | দ | | | ট | ড | চ | জ | ক | গ | | |
| | মহাপ্ৰাণ | ফ | ভ | থ | ধ | | | ঠ | ঢ | ছ | ঝ | খ | ঘ | | |
| নাসিক্য | | ম | | | | | ন (n) | | ণ (N) | | | | ঙ | | |
| উষ্ম | | | | | | | স (s) | | | | | | | | হ |
| পাৰ্শ্বিক | | | | | | | ল (l) | | ল (L) | | | | | | |
| তাড়িত | | | | | | | ৰ | | | | | | | | |
| অৰ্ধব্যঞ্জন | | ৱ | | | | | | | | য় | | | | | |

**অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ ধ্বনিতত্ত্বৰ তুলনা ঃ**

**স্বৰধ্বনি ঃ** অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনিৰ প্ৰয়োগৰ ক্ষেত্ৰত কেইটামান উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। সংস্কৃত বৰ্ণমালাত থকা এঘাৰটা স্বৰবৰ্ণ এই তিনিওটা ভাষাৰ বৰ্ণমালাতে প্ৰয়োগ হৈছে। জিভাৰ অংশ অনুযায়ী এই স্বৰধ্বনিসমূহক সন্মুখ, কেন্দ্ৰীয় আৰু পশ্চ এই তিনিটা ভাগত ভগোৱা হৈছে। জিভাৰ উচ্চতা অনুযায়ী বা উচ্চাৰণৰ ধৰণ অনুযায়ী ইহঁতক উচ্চ, মধ্য, নিম্ন আদি কেইবাটাও ভাগত ভগোৱা হৈছে। অসমীয়া ভাষাৰ স্বৰধ্বনি হ'ল আঠোটা, বাংলা ভাষাৰ স্বৰধ্বনি হ'ল সাতোটা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনি হ'ল কেৱল ছটা। হ্ৰস্ব-দীৰ্ঘৰ পাৰ্থক্যহীনতা তিনিওটা ভাষাৰ স্বৰধ্বনিৰে অন্যতম বৈশিষ্ট্য। অসমীয়া ভাষাত 'এ' স্বৰৰ দুইধৰণৰ উচ্চাৰণ হয়। সেই দুটা হৈছে এ' আৰু এ। এই বৈশিষ্ট্যটো বাংলা ভাষাত দেখা যায়, কিন্তু ওড়িআ ভাষাত ইয়াৰ উচ্চাৰণ একেটাই। আকৌ অসমীয়া ভাষাৰ স্বৰধ্বনিৰ ক্ষেত্ৰত আন এটা বিশেষ বৈশিষ্ট্য হৈছে 'অ' স্বৰধ্বনিটোৰ দুই ধৰণৰ উচ্চাৰণ— এটা হ'ল অ' আৰু আনটো হ'ল অ। এই বৈশিষ্ট্যটো ওড়িআ আৰু বাংলা ভাষাত পোৱা নাযায়। অসমীয়া আৰু ওড়িআ ভাষাত 'অ' স্বৰধ্বনিটো নিম্ন পশ্চ স্বৰধ্বনিৰূপে উচ্চাৰিত হৈছে। আকৌ তিনিওটা ভাষাতে অনুনাসিকতা স্বৰৰ অন্যতম লক্ষণ।

**ব্যঞ্জনধ্বনি ঃ** অসমীয়া, বাংলা আৰু ওড়িআ ব্যঞ্জন ধ্বনিৰ ক্ষেত্ৰতো কেইটামান উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। সংস্কৃত ব্যঞ্জন বৰ্ণমালাৰ আৰ্হিত এই তিনিওটা ভাষাতে ব্যঞ্জন বৰ্ণমালা সজোৱা হৈছে। কিন্তু উচ্চাৰণ অনুযায়ী সংস্কৃতৰ সকলোবোৰ ব্যঞ্জন এই ভাষাকেইটাত ব্যৱহাৰ হোৱা নাই। উচ্চাৰণ অনুযায়ী অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত ক্ৰমে তেইশটা, সাতাইশটা আৰু একত্ৰিশটা ব্যঞ্জনধ্বনিহে পোৱা যায়। অসমীয়া ভাষাত দন্ত্য আৰু মুৰ্দ্ধণ্য ধ্বনিৰ প্ৰয়োগৰ বিপৰীতে নতুনকৈ দন্তমূলীয় ধ্বনিৰহে সৃষ্টি হ'ল। অসমীয়া ভাষাত চ-ছ ৰ মাজত উচ্চাৰণৰ পাৰ্থক্য নাই। কিন্তু বাংলা আৰু ওড়িআ ভাষাত পাৰ্থক্য আছে। অসমীয়া ভাষাত মূৰ্দ্ধন্য ট, ঠ, ড, ঢ, ণ -ৰ উচ্চাৰণ ৰক্ষিত হোৱা নাই। কিন্তু ওড়িআভাষাত এই আটাইকেইটা ধ্বনিৰে উচ্চাৰণ ৰক্ষিত হ'ল। অসমীয়া ভাষাত জ, য, ঝ -ৰ প্ৰতিনিধিত্বকাৰী ধ্বনি থাকিল মাথো জ। তাৰ বিপৰীতে বাংলা আৰু ওড়িআ ভাষাত জ আৰু ঝ এই দুয়োটা ধ্বনিৰে প্ৰয়োগ থাকিল। অসমীয়া ভাষাত শ, ষ, স -ৰ পৰিৱৰ্তে পশ্চতালব্য উষ্ম স /x/ ৰ হে উচ্চাৰণ পোৱা গ'ল। বাংলা ভাষাত শ ধ্বনিটো দন্ত্য তালব্য উষ্মৰূপে প্ৰয়োগ হ'লগৈ। ওড়িআ ভাষাত স ধ্বনিটো দন্তমূলীয় উষ্মৰূপেই উচ্চাৰিত হ'ল। অৰ্দ্ধস্বৰ 'ৱ' আৰু 'য়'ৰ প্ৰয়োগ অসমীয়া ভাষাত বিশেষভাৱে পোৱা যায়; বাংলা ভাষাত 'ৱ'ৰ প্ৰয়োগ নাই আৰু ই বহুক্ষেত্ৰত 'ব' ৰূপেই উচ্চাৰিত হয়, উড়িয়া ভাষাতো 'য়', 'ৱ' দুয়োৰে প্ৰয়োগ আছে যদিও 'ৱ'ৰ স্থান বহুসময়ত 'ব'য়েই অধিকাৰ কৰিছে। আকৌ অসমীয়া আৰু বাংলা ভাষাৰ দৰে দন্তমূলীয় পাৰ্শ্বিক ধ্বনি 'ল' ৰ প্ৰয়োগ থকাৰ উপৰি ওড়িআ ভাষাত মূৰ্দ্ধণ্য পাৰ্শ্বিকৰূপে আন এটা 'ল'ৰো উচ্চাৰণ পোৱা যায়। মূৰ্দ্ধন্য 'ঢ' আৰু 'ঢ়' -ৰ একে ৰূপ আৰু মূৰ্দ্ধণ্য 'ড' আৰু 'ড়' -ৰ একে ৰূপ ওড়িআ ভাষাৰ অন্যতম বৈশিষ্ট্য, যিটো বৈশিষ্ট্য অসমীয়া আৰু বাংলা ভাষাত পোৱা নাযায়।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

অসমীয়া, বাংলা আৰু ওড়িআ ধ্বনিতত্ত্বৰ বৈসাদৃশ্যসমূহ কি কি? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

..........................................................
..........................................................
..........................................................

### ৪.৫ ৰূপগত বিচাৰ

ধ্বনিতত্ত্বৰ দৰে ৰূপতত্ত্বৰ দিশটো অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সাদৃশ্য, বৈসাদৃশ্য লক্ষ্য কৰা যায়।

**গঠনমূলক প্ৰত্যয় ঃ** অসমীয়া, বাংলা আৰু ওড়িআ এই তিনিও ভাষাতে গঠনমূলক প্ৰত্যয়ৰ ক্ষেত্ৰত তদ্ভৱ, তৎসম আৰু বিদেশী এই তিনিবিধ প্ৰত্যয়ৰ প্ৰয়োগ

দেখা যায়। উল্লেখযোগ্য যে তৎসম আৰু বিদেশী প্ৰত্যয়ৰ ক্ষেত্ৰত তিনিওটা ভাষাৰে সাদৃশ্য লক্ষণীয়। তদ্ভৱ প্ৰত্যয়ৰ ক্ষেত্ৰত কিছু পাৰ্থক্য পৰিলক্ষিত হয়। প্ৰত্যেক ভাষাৰে গঠনমূলক প্ৰত্যয়ৰ উদাহৰণ কেইটিমান তলত উদ্ধৃত কৰা হ'ল —

**অসমীয়া ঃ**

- ইমা ঃ নীলিমা, গৰিমা
- ঈয় ঃ জাৰ্মানীয়
- ক ঃ ৰাজনীতিক
- ময় ঃ বালিময় ইত্যাদি।

**বাংলা ঃ**

- ইমা ঃ বৰিমা
- ইষ্ঠ ঃ ধৰ্মিষ্ঠ
- ঈয় ঃ ভাৰতীয় ইত্যাদি।

**ওড়িআ ঃ**

- ইমা ঃ বৰিমা
- ইষ্ঠ ঃ ধৰ্মিষ্ঠ
- ঈয় ঃ ভাৰতীয় ইত্যাদি।

**তদ্ভৱ প্ৰত্যয় ঃ**

**অসমীয়া ঃ**

- অতি ঃ খজুৰতি
- অতীয়া ঃ সাঁচতীয়া
- আক ঃ জোনাক
- অতী ঃ ফুলতী, লাহতী ইত্যাদি।

**বাংলা ঃ**

-আইত ঃ ডাকাইত
-আৰ ঃ দহাৰ
- আলা ঃ বাঙালা ইত্যাদি।

**ওড়িআ ঃ**

-আনি ঃ ফুটিআনি
- অৰা ঃ ডাকৰা
- আলু ঃ নিদালু, ভয়ালু ইত্যাদি।

**বিদেশী প্ৰত্যয় ঃ**

**অসমীয়া ঃ**

- আন ঃ গাৰোৱান
- খানা ঃ ছপাখানা ইত্যাদি।

**বাংলা ঃ**

- দাৰ ঃ চৌকিদাৰ
- খোৰ ঃ গুলিখোৰ ইত্যাদি।

**ওড়িআ ঃ**

- খানা ঃ ডাক্তৰখানা
- গিৰি ঃ বাবুগিৰি ইত্যাদি।

**সৰ্বনাম ঃ** অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সৰ্বনামৰ তুলনা কৰিলে দেখা যায় যে এই তিনিও ভাষাতে পুৰুষবাচক, নিৰ্দেশসূচক, প্ৰশ্নবাচক, সামীপ্যবাচক, দূৰত্ববাচক, অনিৰ্দিষ্টতাবাচক, নিজবাচক আদি সৰ্বনামৰ প্ৰয়োগ আছে। সৰ্বনামবোৰৰ একবচন আৰু বহুবচন অনুসৰি প্ৰত্যেকৰে ৰূপবোৰ বেলেগ বেলেগ। অৱশ্যে, প্ৰায়বোৰ সৰ্বনামৰ গঠনত সাদৃশ্য পৰিলক্ষিত হয়। প্ৰথম পুৰুষ, দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ — এই তিনিও পুৰুষতে কাৰক অনুযায়ী শব্দবিভক্তি লগ লাগে। সৰ্বনামবোৰৰ তিৰ্যক ৰূপ এই তিনিওটা ভাষাতে পোৱা যায়। পুৰুষবাচক সৰ্বনামকেইটাৰ ক্ষেত্ৰত তিনিও ভাষাৰে উমৈহতীয়া বৈশিষ্ট্য আছে। কাৰণ, দ্বিতীয় পুৰুষৰ ক্ষেত্ৰত মান্যাৰ্থক, তুচ্ছাৰ্থক আৰু অধিক মান্যাৰ্থক ৰূপ তিনিও ভাষাতে বিদ্যমান। আন সৰ্বনামবোৰৰ ক্ষেত্ৰত দেখা যায় যে অসমীয়া ভাষাত যি বিচিত্ৰতা বিদ্যমান তাৰ বিপৰীতে বাংলা আৰু উড়িয়াত কেতবোৰ ৰূপৰ প্ৰয়োগ সীমিত। অসমীয়া ভাষাৰ এওঁ, তেওঁ, এখেত, তেখেত আদি ৰূপবোৰৰ সমাৰ্থক সৰ্বনাম আন কেইটা ভাষাত পোৱা নাযায়।

**বিশেষণ ঃ** অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বিশেষণৰ প্ৰয়োগৰ ক্ষেত্ৰত সাদৃশ্যই বেছি দেখা পোৱা যায়। কেৱল বিশেষণৰ ক্ষেত্ৰত অসমীয়া ভাষাত যি বৈচিত্ৰ্য আছে ওড়িআ আৰু বাংলা ভাষাত তেনে বৈচিত্ৰ্য নাই।

**বচন ঃ** অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ বচনৰ প্ৰয়োগৰ ক্ষেত্ৰত দেখা যায় যে এই তিনিওটা ভাষাতে একবচন আৰু বহুবচনৰ প্ৰয়োগহে আছে। দ্বিবচনৰ প্ৰয়োগ নাই। দুজনক বুজাবৰ বাবে তিনিও ভাষাতে প্ৰায় একেধৰণৰ ৰূপেই প্ৰয়োগ হৈছে, কেৱল উড়িয়া ভাষাৰ ক্ষেত্ৰত কিছু পাৰ্থক্য আছে। একবচনৰ পৰা বহুবচন কৰা বিভিন্ন প্ৰত্যয়বোৰ এই তিনিও ভাষাতে আছে। কিন্তু যিবোৰ সংস্কৃতমূলজ প্ৰত্যয় সেইবোৰ তিনিওটা ভাষাতে একেই। তিনিওটা ভাষাতে এনে কিছুমান প্ৰত্যয় আছে যিবোৰ ভাষাকেইটাৰ নিজা বৈশিষ্ট্য। উদাহৰণস্বৰূপে - অসমীয়া ভাষাত প্ৰয়োগ হোৱা -বোৰ, -বিলাক, -হঁত, -সোপা, -মখা আদি আন দুটা ভাষাত পোৱা নাযায়। তেনেদৰে বাংলা ভাষাত প্ৰয়োগ হোৱা -গুলা, -গুলি, -ৰা, -দিগ আদি প্ৰত্যয় অসমীয়া আৰু ওড়িআ ভাষাত প্ৰয়োগ নহয়। ওড়িআ ভাষাত প্ৰয়োগ হোৱা - মানে, -গুড়িক, -হেৰিক, -মান আদি প্ৰত্যয় আন দুটা ভাষাত

প্ৰয়োগ নহয়। শব্দৰ দ্বিত্ব ৰূপে বহুবচনৰ ৰূপ বুজোৱা নিয়মটো তিনিওটা ভাষাতে আছে। কেতিয়াবা প্ৰত্যয় সংযোগ নোহোৱাকৈ বহুবচনৰ অৰ্থ বুজোৱা হয়। ওড়িআ ভাষাত বচন ব্যাকৰণগত বিষয়, কিন্তু অসমীয়া ভাষাত বচন ব্যাকৰণগত বিষয় নহয়।

**লিংগ ঃ** অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ লিংগৰ তুলনা কৰিলে দেখা যায় যে এই তিনিও ভাষাতে পুংলিগ আৰু স্ত্ৰীলিংগৰ প্ৰয়োগ আছে আৰু এই তিনিওটা ভাষাতে লিংগ নিৰ্ণয়ৰ তিনিটা প্ৰধান উপায় আছে। এই তিনিটা উপায় হৈছে —

১। পুৰুষ আৰু স্ত্ৰীবাচক ভিন্ ভিন্ শব্দ প্ৰয়োগ কৰি। যেনে—

অসমীয়া ঃ পিতৃ — মাতৃ
ককা — আইতা

বাংলা ঃ বাবা — মা
ভাই — বোন

ওড়িআ ঃ বাপা — বউ
ভাই — ভউনী

২। লিংগনিৰপেক্ষ ৰূপৰ আগত 'মতা' আৰু 'মাইকী'বাচক শব্দ প্ৰয়োগ কৰি। যেনে—

অসমীয়া ঃ মতা মানুহ — মাইকী মানুহ
মতা কুকুৰা — মাইকী কুকুৰা

বাংলা ঃ মাদ্দা হাস — মাদি হাস
মাদ্দা ছাগল — মাদি ছাগল

ওড়িআ ঃ অন্দিৰা কুকুৰ — মাই কুকুৰ
অন্দিৰা বাছুৰী — মাই বাছুৰী

৩। বিভিন্ন স্ত্ৰীপ্ৰত্যয় সংযোগ কৰি। যেনে—

অসমীয়া ঃ নিলাজ — নিলাজী (নিলাজ + ঈ)
বৰুৱা — বৰুৱানী (বৰুৱা + নী)
কলা — কালৰী (কলা + ৰী)

বাংলা ঃ কিশোৰ — কিশোৰী (কিশোৰ + ঈ)
চাকৰ — চাকৰানী (চাকৰ + আনী)
বাঘ — বাঘিনি (বাঘ + ইনি)

ওড়িআ ঃ পাগল — পাগলী (পাগল + ঈ)
পথৰীআ — পথৰীআনী (পথৰীআ + নী)
বগ — বগুলী (বগ + লী)

তিনিওটা ভাষাতে লিংগ নিৰ্ণয়ৰ উপায়কেইটা একে যদিও প্ৰয়োগ হোৱা শব্দবোৰ আৰু প্ৰত্যয়বোৰ প্ৰায় বেলেগ বেলেগ।

**কাৰক আৰু বিভক্তি ঃ** অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ কাৰক আৰু শব্দবিভক্তিৰ ক্ষেত্ৰত কেতবোৰ সাদৃশ্য আৰু বৈসাদৃশ্য পৰিলক্ষিত হয়। প্ৰত্যেকটো ভাষাতে কাৰক অনুযায়ী পৃথক পৃথক শব্দবিভক্তি যোগ কৰা হয়। তিনিওটা ভাষাতে কোনো কোনো কাৰকৰ ক্ষেত্ৰত শূন্য বিভক্তি লগ লাগে। কেতিয়াবা আকৌ কাৰক অনুযায়ী প্ৰয়োগ হোৱা বিভক্তিৰ পৰিৱৰ্তে আন বিভক্তিও প্ৰয়োগ হোৱা দেখা যায়। অসমীয়া ভাষাত অপাদান কাৰক আছে, কিন্তু পঞ্চমী বিভক্তিৰ প্ৰয়োগ নাই। ষষ্ঠী বিভক্তি '-ৰ' ৰ পাছত পৰসৰ্গ যোগ কৰি ইয়াৰ ৰূপ কৰা হয়। সেইদৰে বাংলাতো অপাদান কাৰক আছে, বিভক্তি নাই। প্ৰথমা '-এ', সপ্তমী '-তে' আৰু দ্বিতীয়া '-কে' বিভক্তিৰ যোগত অপাদানৰ অৰ্থ প্ৰকাশ কৰা হয়। কিন্তু ওড়িআ ভাষাত অপাদান কাৰকো আছে, পঞ্চমী বিভক্তিৰো প্ৰয়োগ আছে।

**নিৰ্দিষ্টতাবাচক প্ৰত্যয় ঃ** অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়বোৰ প্ৰত্যেকটো ভাষাতে বেলেগ বেলেগ। অসমীয়া ভাষাত প্ৰাণীবাচক বা অপ্ৰাণীবাচক শব্দৰ ক্ষেত্ৰত যথেষ্ট সংখ্যক প্ৰত্যয় পোৱা যায়। পনীয়া বস্তুৰ ক্ষেত্ৰত, গোটা বস্তুৰ ক্ষেত্ৰত, দীঘল বা চেপেটা বস্তুৰ ক্ষেত্ৰত, দৈনন্দিন জীৱনত প্ৰয়োগ হোৱা বিভিন্ন বস্তুৰ ক্ষেত্ৰত পৃথক পৃথক প্ৰত্যয়ৰ প্ৰয়োগ হয়। এনেধৰণৰ বৈচিত্ৰ্য আন ভাৰতীয় আৰ্যভাষাবোৰত ক'তোৱেই পাবলৈ নাই। বাংলা আৰু ওড়িআ ভাষাত প্ৰয়োগ হোৱা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ সংখ্যা অসমীয়া ভাষাৰ তুলনাত নিচেই তাকৰ। আকৌ পুৰুষবাচক প্ৰত্যয়সমূহ অসমীয়া ভাষাৰ আচুতীয়া বৈশিষ্ট্য। বাংলা বা ওড়িআ ভাষাত পুৰুষ অনুসৰি প্ৰয়োগ হোৱা তেনে ধৰণৰ কোনো প্ৰত্যয় নাই।

**ক্ৰিয়া ঃ** অসমীয়া, বাংলা আৰু ওড়িআ —তিনিও ভাষাতে ক্ৰিয়াই প্ৰধান পদৰূপে ভূমিকা গ্ৰহণ কৰিছে। তুলনামূলক আলোচনা কৰিলে দেখা যায় যে ক্ৰিয়াৰ প্ৰায়বোৰ দিশতে এই তিনিও ভাষাৰ মাজত সাদৃশ্যই অধিক। ক্ৰিয়ামূল অৰ্থাৎ ধাতুৰ ক্ষেত্ৰত তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ আদি ধাতুবোৰ তিনিওটা ভাষাৰে প্ৰায় একে। অৱশ্যে তদ্ভৱ ধাতুৰ ক্ষেত্ৰত সংস্কৃতৰপৰা পৰিৱৰ্তিত হৈ আহোঁতে প্ৰত্যেক ভাষাতে কেতবোৰ ধাতুৱে কিছু পৃথক ৰূপ লৈছে। পাঁচনী ধাতু, নামধাতু আৰু ধ্বন্যাত্মক ধাতুৰ ক্ষেত্ৰত তিনিও ভাষাতে সাদৃশ্য আছে। অৱশ্যে ধ্বন্যাত্মক ধাতুৰ ক্ষেত্ৰত উড়িয়া ভাষাৰ কেতবোৰ নিজস্ব বৈশিষ্ট্য লক্ষ্য কৰা যায়।

ক্ৰিয়াৰ প্ৰকাৰৰ ক্ষেত্ৰত তিনিও ভাষাৰ মাজত সাদৃশ্যই বেছি। সমাপিকা,অসাপিকা, সকৰ্মক, অস্ত্যৰ্থক, নাস্ত্যৰ্থক, সহায়কাৰী, যৌগিক, পাঁচনী, অনিয়মিত, নামক্ৰিয়া আদি মুখ্য আৰু গৌণ ক্ৰিয়াবোৰৰ প্ৰয়োগ তিনিও ভাষাতে আছে। অৱশ্যে কাল আৰু পুৰুষ অনুযায়ী গঠন হোৱা ক্ৰিয়াবিভক্তিবোৰ প্ৰত্যেক ভাষাৰে পৃথক পৃথক।

ক্ৰিয়াৰ কালৰ ক্ষেত্ৰত অসমীয়া, বাংলা আৰু ওড়িআ ভাষা বৈশিষ্ট্য পূৰ্ণ। বৰ্তমান, অতীত আৰু ভৱিষ্যত — এই তিনিও কালৰে বিভাজন মোটামোটিভাৱে একেই। অৱশ্যে ওড়িআ ভাষাত সম্ভাব্য অতীতকালৰ ৰূপটো অধিক স্পষ্ট। কাল আৰু নিৰ্দেশক ৰূপবোৰ তিনিও ভাষাতে প্ৰায় একেই, কিন্তু পুৰুষ নিৰ্দেশক ৰূপবোৰ তিনিও ভাষাতে বেলেগ বেলেগ। ভৱিষ্যত কালৰ ৰূপৰ ক্ষেত্ৰত অৱশ্যে অসমীয়া ভাষাত প্ৰথম পুৰুষত প্ৰয়োগ হোৱা কালনিৰ্দেশক ‘ম’ ৰূপটো আন দুটা ভাষাত ‘ব’ ৰূপেহে প্ৰয়োগ হয়।

ক্ৰিয়াভাৱ আৰু ক্ৰিয়াৰ বাচ্যৰ ক্ষেত্ৰতো তিনিও ভাষাৰ মাজত সাদৃশ্য আছে। কৰ্মবাচ্যৰ ৰূপৰ ক্ষেত্ৰত মোটামোটিভাৱে তিনিও ভাষাৰ মাজত কিছু সাদৃশ্য আছে।

**আত্ম-মূল্যায়ন প্ৰশ্ন**

কাৰক আৰু বিভক্তিৰ দিশত অসমীয়া আৰু বাংলা ভাষাৰ ওড়িআ ভাষাৰ লগত কি দিশত পাৰ্থক্য পৰিলক্ষিত হয়? (৪০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

.....................................................................

.....................................................................

.....................................................................

## ৪.৬ শব্দগত বিচাৰ

অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ শব্দগত প্ৰয়োগত বিভিন্ন শব্দৰ প্ৰয়োগ মন কৰিবলগীয়া। এই তিনিও ভাষাতে প্ৰায় একেধৰণৰ শব্দ কেতবোৰ প্ৰয়োগ হয়। তৎসম, অৰ্দ্ধতৎসম, তদ্ভৱ, দেশী শব্দৰ প্ৰয়োগ একে। কিন্তু কিছুমান তদ্ভৱ আৰু দেশী শব্দৰ ক্ষেত্ৰত বিশেষ পাৰ্থক্য পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে কেইটিমান শব্দৰ প্ৰয়োগ উল্লেখ কৰা হ’ল —

| **অসমীয়া** | **বাংলা** | **ওড়িআ** |
|---|---|---|
| কেৰেলুৱা | কেড়া | তেলুনিপোক |
| ভেকুলী | বেঙ | বেঙ্গ |
| জিকা | ঝিঙা | জহ্নি |
| গৰৈ | টাকীমাছ | গড়িশা |
| শেৱালি | শিউলি | শেফালি |
| ধুমুহা | তুফান | ঝড় ইত্যাদি |

## ৪.৭ সাৰাংশ (Summing Up)

অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ সদৃশ্য আৰু বৈসাদৃশ্য নিৰূপন কৰোতে কেইটিমান প্ৰধান দিশৰ প্ৰতি দৃষ্টিনিক্ষেপ কৰিবলগীয়া হয়। সেই কেইটা হ’ল — এই

তিনিওটা ভাষাই সংস্কৃত ভাষাৰ কেতবোৰ বৈশিষ্ট্য সংৰক্ষণ কৰিছে য'ত সাদৃশ্য বিদ্যমান। ধ্বনিগত ক্ষেত্ৰত স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ প্ৰয়োগত সংস্কৃতৰ দৰে কেতবোৰ ধ্বনি একেদৰে প্ৰয়োগ হৈছে আৰু কেতিয়াবা ধ্বনি পৰিৱৰ্তিত হৈছে। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনি আৰু ব্যঞ্জনধ্বনিৰ তালিকাকেইখন লক্ষ্য কৰিলে এই কথা স্পষ্টভাৱে দেখা যায়। ৰূপগত বিচাৰত লিংগ, বচন, কাৰক আৰু শব্দবিভক্তি, নিৰ্দিষ্টতাবাচক প্ৰত্যয়, সৰ্বনাম, বিশেষণ আদি সকলোৰে প্ৰয়োগত সংস্কৃতৰ অপৰিৱৰ্তিত ৰূপবোৰৰ সাদৃশ্য লক্ষণীয় আৰু পৰিৱৰ্তিত বৈশিষ্ট্যবোৰত উমৈহতীয়া বৈশিষ্ট্য লক্ষ্য কৰা যায়। শব্দগত বিচাৰতো তৎসম, অৰ্দ্ধতৎসম, বিদেশী শব্দৰ ক্ষেত্ৰত সাদৃশ্য আৰু তদ্ভৱ আৰু দেশী শব্দৰ ক্ষেত্ৰত বৈসাদৃশ্য লক্ষ্য কৰা যায়।

## ৪.৮ আৰ্হি প্ৰশ্ন (Sample Questions)

১। অসমীয়া, বাংলা আৰু ওড়িআ ভাষা মাগধী প্ৰাকৃতৰ শেষ স্তৰ মাগধী অপভ্ৰংশৰ পৰা সৃষ্টি হৈছে — কথাষাৰৰ যথাৰ্থতা প্ৰমাণ কৰি অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতে কৰা মন্তব্য উল্লেখ কৰক।

২। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনিৰ তালিকা প্ৰস্তুত কৰি তুলনামূলক আলোচনা আগবঢ়াওক।

৩। অসমীয়া, বাংলা আৰু ওড়িআ ভাষাৰ স্বৰধ্বনিৰ এক চমু আলোচনা দাঙি ধৰক।

৪। অসমীয়া, বাংলা, আৰু ওড়িআ ভাষাৰ ৰূপগত দিশৰ বিশ্লেষণ আগবঢ়াওক।

৫। শব্দমালা বুলিলে কি বুজায়? অসমীয়া, বাংলা আৰু ওড়িআ ভাষাত কি কি শব্দৰ প্ৰয়োগ আছে? প্ৰতিটো ভাষাৰে তিনিটাকৈ শব্দৰ প্ৰয়োগ দেখুৱাওক?

## ৪.৯ প্ৰসঙ্গ গ্ৰন্থ (References/Suggested Readings)


দীপ্তি ফুকন পাটগিৰি ঃ *অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ তুলনামূলক অধ্যয়ন*

ৰমেশ পাঠক ঃ *অসমীয়া ভাষাৰ ইতিহাস*

উপেন্দ্ৰনাথ গোস্বামী ঃ *অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ*

Suniti Kumar Chatterji : *The Origin and Development of the Bengali Language*

Banikanta Kakati : *Assamese, Its Formation and Development*

Haripriya Misra : *Historical Oriya Morphology*


*****